# কটনিয়ান

## ৭৬ তম সংখ্যা

সম্পাদক ঃ হিমাংশু প্ৰসাদ দাস

তত্বাৱধায়ক ঃ অধ্যাপক দিলীপ শৰ্মা

কটনিয়ান ঃ কটন মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ, ৭৬ তম সংখ্যা, ২০০১-২০০২ বৰ্ষ, কটন মহাবিদ্যালয় ছাত্ৰ সন্থা,
কটন কলেজ, গুৱাহাটী - ৭৮১ ০০১ ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত

*COTTONIAN : The Annual Publication of Cotton College, 76th Issue, Year : 2001-2002, Published and © reserved by Cotton College Union Society, Cotton College, Guwahati - 781 001*

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° ৰামচৰণ ঠাকুৰীয়া |
| উপসভানেত্ৰী | ঃ | ড° জয়মতী মেধি |
| তত্বাৱধায়ক | ঃ | দিলীপ শৰ্ম্মা |
| শিক্ষক সদস্য | ঃ | লুটফা হানুম চেলিমা বেগম |
| | | সুৰেশ কুমাৰ নাথ |
| | | আফছানা বেগম বৰভূএগ্ৰা |
| সম্পাদক | ঃ | হিমাংশু প্ৰসাদ দাস |
| ছাত্ৰ সদস্য | ঃ | প্ৰশান্ত কুমাৰ বৰুৱা |
| | | দিগন্ত শইকীয়া |
| | | দেৱপ্ৰতীম হাজৰিকা |
| | | ৰত্নোত্তমা দাস |
| | | দিব্যজ্যোতি বৰা |
| বেটুপাতৰ শিল্পী (সন্মুখ) | ঃ | ধৰিত্ৰী বড়ো |
| শেষ বেটুপাতৰ ফটো | ঃ | প্ৰশান্ত কুমাৰ বৰুৱা |
| সূৰ্য্যাস্তৰ ফটো | ঃ | চন্দ্ৰশেখৰ ভট্টাচাৰ্য্য |
| অংগসজ্জা/অলংকৰণ | ঃ | সম্পাদনা সমিতি |
| কম্পিউটাৰ গ্ৰাফিক্‌চ | ঃ | স্নেহাংকৰ |
| কৃতজ্ঞতা | ঃ | ঈশান, মনোজ, গৌতম দা, অনুপম দা আৰু অমৰদা, অমৰেশদা, ৰাতুল, অপৰাজিতা, পল্লৱ, ৰাহুল দা আৰু সমূহ কটনিয়ানলৈ। |
| বিশেষ কৃতজ্ঞতা | ঃ | উৎপল বৰুৱা |
| মুদ্ৰক | ঃ | অমৰজ্যোতি প্ৰিন্টাৰ্ছ, চান্দমাৰী, গুৱাহাটী-৩ ফোন ঃ ৩৫৭৮০৭ |

# উচৰ্গা

মৃত্যু মানে পৰিসমাপ্তি নহয়
মৃত্যু মানে আৰম্ভণি
মৃত্যু মানে উদ্‌গীৰণ
মৃত্যু মানে জনজাগৰণ
মূলত ঃ সেই সকল মৃতকলৈ

যিসকলে মৃত্যুৰ দলিচাত
তেজ আৰু ঘামেৰে আঁকিলে
জীৱনৰ নিৰ্ভীক ক'লাজ
স্বীকৃতিৰ পোহৰে স্পৰ্শ কৰক
বা নকৰকেই
চিৰ অমল যিসকলৰ উৎসাহিত হৃদয়।

# সূচীপত্ৰ


| | |
|---|---|
| *অধ্যক্ষৰ মেজৰ পৰা* | ৫ |
| *সম্পাদকীয়* | ৭ |
| *প্ৰবন্ধসূচী* | ৯ |
| *গল্প গুচ্ছ* | ৭০ |
| *কবিতাৰ কৰণি* | ১১০ |
| *ভিন্নছন্দ* | ১২৩ |
| *সম্পাদকলৈ চিঠি* | ১৩৪ |
| *সম্পাদকীয় প্ৰতিবেদন* | ১৩৭ |
| *কৃতিত্ব* | ১৪৬ |
| *মহাবিদ্যালয় সপ্তাহ আৰু অন্যান্য* | ১৪৭ |
| *Art Gallery* | ১৪৯ |
| *শেষ পৃষ্ঠা* | ১৫২ |

# অধ্যক্ষৰ মেজৰ পৰা ঃ



যিকোনো দেশৰে প্ৰগতিৰ মূল বস্তু হৈছে, শিক্ষা। যি দেশ শিক্ষা-দীক্ষাত যিমানে আগবঢ়া হয়,তাৰ প্ৰগতিও সিমানে দ্ৰুত হয়। পুৰণি কালত আমাৰ দেশত শিক্ষাৰ অৱস্থা কেনে আছিল- তাক স্পষ্টকৈ জনা নগ'লেও ঠায়ে ঠায়ে স্থাপন কৰা টোলসমূহ আৰু মধ্যযুগীয়া বৈষ্ণৱ আন্দোলনৰ সময়ত প্ৰতিষ্ঠাপিত সত্ৰ আৰু নামঘৰবোৰে ঐতিহ্যগত শিক্ষাৰ সম্প্ৰসাৰণ যে বহুখিনি ঘটাইছিল, তাত দ্বিমত নাই। কিন্তু যি কাৰণেই নহওক লাগে, পিছলৈ সেই অৱস্থা অটুট নাথাকিল। বৃটিছ সকলে আমাৰ দেশ অধিকাৰ কৰি আধুনিক শিক্ষা ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ প্ৰায় অৰ্ধ-শতাব্দীৰ পিছতো অসমত শিক্ষা প্ৰসাৰৰ নামত আছিল জিলাই জিলাই একোখনকৈ উচ্চ মাধ্যমিক বিদ্যালয় আৰু আঙুলিৰ মূৰত লেখিব পৰা কেইখন মান প্ৰাথমিক বিদ্যালয়হে মাত্ৰ। অসমৰ শিক্ষাৰ ক্ষেত্ৰত এনে দুখলগা আৰু গুৰুত্বপূৰ্ণ মূহুৰ্ত্ত এটিতে স্থাপন কৰা হয় কটন কলেজখন।

এই কথা দোহাৰিবৰ প্ৰয়োজন নাই যে কটন কলেজ কেৱল উচ্চ শিক্ষাৰ প্ৰচাৰৰ অনুষ্ঠানেই নহয়, ই এখন জাতীয় অনুষ্ঠানো। এইখন কলেজতে এসময়ত উত্তৰ-পূব ভাৰতৰ বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ সমাবেশ ঘটিছিল আৰু ইয়াত সমবেত ছাত্ৰ-ছাত্ৰীসকলৰ যোগেদিয়েই বৃহত্তৰ অসমীয়া জাতীয় জীৱনটিৰো সূত্ৰপাত হৈছিল। আধুনিক অসমৰ বুৰঞ্জী এইখন কলেজৰ বুৰঞ্জীৰ লগত বহুপৰিমাণে জড়িত হৈ আছে। অসমীয়া ভাষা-সাহিত্যৰ চিন্তা-চৰ্চা আৰু উত্তৰণৰ ক্ষেত্ৰতো এইখন কলেজৰ বিশেষকৈ ইয়াৰ মুখপত্ৰ 'কটনিয়ান' খনিৰ বৰঙণি উল্লেখনীয়।

অকল অসমৰে নহয়,সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজৰ আশা আকাঙ্খা আৰু প্ৰয়োজনৰ দাবীত স্থাপন কৰা এই কলেজখনিয়ে ইতিমধ্যে এশটা গৌৰৱময় বছৰ সম্পূৰ্ণ কৰিছে আৰু বৰ্ত্তমানৰ পৰিৱৰ্ত্তিত শিক্ষা-ব্যৱস্থাৰ লগত খাপ খুৱাই ইয়াক সময়োপযোগীকৈ গঢ়ি তোলাৰ বাবে এক প্ৰবল দাবীও শুনিবলৈ পোৱা গৈছে। এইবাৰৰ 'কটনিয়ান'খনিয়ে সেই আকাঙ্খিত দাবীক ৰাইজৰ ওচৰলৈ লৈ যাব পাৰিছে বুলি জানিলেই আমি আনন্দিত হম।

(ড° ৰামচৰণ ঠাকুৰীয়া)

সম্পাদকীয়

# এটা আড্ডা ঃ যুদ্ধৰ দিনৰ অলপ গদ্য

**প্ৰস্তাৱনা ঃ**

সমনীয়াৰ স'তে যেতিয়া আড্ডাত বহোঁ অনৰ্গল যেতিয়া কৈ থাকো অথবা নিৰবিচ্ছিন্ন ভাৱে শুনি থাকো। তেতিয়া কোনো নিৰ্দিষ্ট বিষয় নাথাকে। এজনে আৰম্ভ কৰে এটা আৰু তাৰ শেষ হ'বলৈ নাপাওঁতে আন এজনৰ অন্য এটাৰ আৰম্ভণি। কিছুমান বিক্ষিপ্ত চিন্তাৰ মাজত আমি ডুবি থাকো। কেতিয়াবা হাঁহি দিছো, কেতিয়াবা সেমেকি উঠে দুচকু। কিন্তু কলমটো ল'লে কিছু অসুবিধা হয়। সাহিত্যতো আৰু আড্ডা নহয় যে ইটোৰ পিছত সিটো অসংলগ্ন কথা কৈ যাম। কিন্তু আজি যেন তাকেই কৰিবলৈ ওলাইছো। পাঠকৰ সৈতে অন্তৰংগ আড্ডা। কিন্তু ক'ৰ পৰা কেনেকৈ আৰম্ভ কৰোঁ। ধুৰ! আড্ডাত জানো পাতনি থাকে? বিক্ষিপ্ত ভাৱে আমি পাতি যাম আমাৰ মনৰ কথা। কেতিয়াবা বিন লাডেন, কেতিয়াবা ঐশ্বৰ্য্য ৰায়, শচীন,অথবা বৰ্ণালী দেৱ ...

**জীৱন ঃ মৃত্যুৰ বিৰুদ্ধে জেহাদ**

মানুহজনৰ নাম- এলান বাম্বাৰ্ড। এখন সৰু ৰবৰৰ নাঁৱেৰে মানুহজনে আটলান্টিক মহাসাগৰ পাৰ হ'ব বিচাৰিছিল। লগত লোৱা নাছিল কোনো খাদ্য বা এটোপাল পানী। জাহাজ ডুবাৰ পিছত বহুতো যাত্ৰীয়ে শেষ অৱলম্বন হিচাপে সাগৰৰ বুকুত লাইফ বোট নমায়। কিন্তু ইয়াৰে বহুতে খাদ্য আৰু পানীৰ অভাৱত মৃত্যুবৰণ কৰে। কিন্তু বাম্বাৰ্ডে প্ৰমাণ কৰি দিব বিচাৰিছিল যে যাত্ৰীসকলৰ মৃত্যুৰ প্ৰকৃত কাৰণ তৃষ্ণা বা ভোক নহয়। প্ৰধান কাৰণ হ'ল তেওঁলোকৰ মৃত্যু আতংকৰ পৰা অহা হতাশা। কিন্তু খাদ্য, অস্ত্ৰহীনভাৱে জানো আটলান্টিক মহাসাগৰ পাৰ হোৱা সম্ভৱ? মানুহজন পাগল নাছিল।তেওঁ আছিল এজন ফৰাচী ডাক্টৰ। বন্ধু-বান্ধৱ, নিতিৰ কুটুম্বৰ বাধা নামনি এক সুদীৰ্ঘ যাত্ৰাৰ বাবে বাম্বাৰ্ড সাজু হ'ল। ১৯৫৩ চনৰ ১৯ অক্টোবৰ তাৰিখে।

এডাল হাৰ্পুণৰ সহায়ত চিকাৰ কৰা মাছ আৰু এখন জালৰ সহায়ত সংগ্ৰহ কৰা সাগৰীয় শেলুৱে খায়েই বাম্বাৰ্ডে যাত্ৰা চলাই থকিল। যাত্ৰা আৰম্ভ কৰাৰ কেইদিনমান পিছতেই বাম্বাৰ্ডে ভয়ংকৰ ধুমুহাৰ কৱলত পৰিল। তথাপি তেওঁ আগুৱাই গৈ থাকিল। সাগৰ শান্ত হোৱাৰ পিছত ফটা পালবোৰ বেজী সূতাৰে চিলাই কৰি দিলে। এদিন বাম্বাৰ্ডে হাৰ্পুণ ডালৰ সহায়ত এটা প্ৰকাণ্ড মাছ চিকাৰ কৰিলে। মাছটোৰ পৰা প্ৰচুৰ পৰিমাণে তেজ ওলাইছিল। বিপদটো আহিল তাৰ পিছতেই, হঠাৎ চকু পৰিল নাওঁখনৰ পৰা কিছু আতঁৰত এটা বৃহৎ আকাৰৰ প্ৰাণীৰ ফিচাখন পানীৰ ওপৰত ভাঁহি আছে। প্ৰথমতে এটা, এটাৰ পিছত দুটা... কমেও পাঁচটা। ডা° বাম্বাৰ্ডৰ চিনি পাবলৈ বাকী নাথাকিল যে এইবোৰেই সমুদ্ৰৰ আতংক হাংগৰ। অস্ত্ৰহীন বাম্বাৰ্ডৰ সন্মুখত মৃত্যু যেন অৱধাৰিত। হাংগৰবোৰে পানীত উঠোৱা আলোড়নৰ ফলত নাওঁখন ডুবিবলৈ আৰম্ভ কৰিলে। অৱশেষত হাতত থকা হাপুৰ্ণডালেৰেই বাম্বাৰ্ডে হাংগৰটো আক্ৰমণ কৰিলে। লগে লগে হাংগৰটোৰ পৰা ওলোৱা তেজেৰে ৰাঙলী হৈ পৰিল পানীৰ উপৰিভাগ। পিছে পিছে আহি থকা হাংগৰবোৰে আহত হাংগৰটোৰ ওপৰত জপিয়াই পৰিল। লগে লগে বাম্বাৰ্ডে আগতে ধৰা মাছটো যিমান পাৰে দূৰলৈ দলিয়াই দিলে আৰু তাৰ পৰা আঁতৰি গ'ল

চাওঁতে চাওঁতে এমাহ পাৰ হ'ল। মাজে মাজে দুই এখন জাহাজ চকুত পৰে। বহুতে সহায়ৰ হাত আগবঢ়ায়। কিন্তু ডা° বাম্বাৰ্ডে তেওঁলোকক ধন্যবাদ জনাই উভতাই পঠায়। মাজতে অত্যাধিক পৰিশ্ৰম, দুৰ্বলতা আৰু দীঘলীয়া নিঃসংগতাৰ কাৰণে অৱশ হৈ পৰিছিল বাম্বাৰ্ড। হঠাৎ ভাৱ হ'ল তেওঁ যেন বাট হেৰুৱাইছে। মহাসাগৰত বাট হেৰুৱা মানে অৱধাৰিত মৃত্যু। কম্পাছ চাইও ধৰিব নোৱাৰা হ'ল। কিন্তু এদিন হঠাৎ তেওঁ এখন আমেৰিকাৰ মালবাহী জাহাজ দেখিলে। তেওঁ নতুন সাহস ঘূৰাই পালে। এনেকৈয়ে ১৯৫৩ চনৰ ২৪ ডিচেম্বৰ তাৰিখে বাম্বাৰ্ডে নিজ লক্ষ্য স্থানত উপনীত হ'ল আৰু দাঙি ধৰে মৃত্যুক জয় কৰি জীৱনক জয় কৰাৰ এক চিৰস্মৰণীয় দৃষ্টান্ত।

**ঃ ছদ্মবেশী সংস্কৃতি আৰু ৰাজনীতি-**

দূৰদৰ্শনৰ জনপ্ৰিয় ধাৰাবাহিক 'শক্তিমান'ৰ চুপাৰমেন শক্তিমানে উদ্ধাৰ কৰিব বুলি আশা কৰি ৰবিদিনৰ দিনা দুটা শিশুৱে ৰাজস্থানৰ এখন গাঁৱত ধনু কাঁড় লৈ যুদ্ধ কৰাত ছবছৰীয়া শিশু এটাৰ চকুত কাঁড় লাগি আহত হয়। আহত হোৱাৰ পিছত শিশুদুটাই শক্তিমানৰ সহায় বিচাৰি চিঞঁৰ বাখৰো কৰিছিল। আনকি শক্তিমানৰ অনুকৰণ কৰিবলৈ গৈ ওখ ঠাই, ঘৰৰ চাল আদিৰ পৰা জপিয়াই বহু শিশু মৃত্যু মুখতো পৰিছে।

স্কিম-২ ছবিখন চোৱাৰ পিছৰে পৰা ১৬ বছৰীয়া থাডাডিয়াছ টুইছে চাৰিওফালৰ জগতখনক আন দৃষ্টিৰে চাবলৈ লৈছিল। বাস্তৱৰ স'তে ৰূপালী পৰ্দাৰ জগত একাকাৰ হৈ গৈছিল তেওঁৰ বাবে। তেওঁ সংগ্ৰহ কৰিছিল ক'লা পোছাক, বগা মোজা। ঠিক চিনেমাৰ নায়কৰ দৰে। হাতত আছিল ছুৰি। হঠাতে তেওঁ আক্ৰমণ কৰিছিল ইউজিন নিউজিৰ ঘৰত। দম্পতীহালক গুৰুতৰ ভাৱে আহত কৰিছিল চিনেমাৰ দৃশ্যৰ দৰেই। তেওঁলোক আছিল থাডাচিয়াচৰ প্ৰাক্তন বান্ধৱীৰ মাক-দেউতাক। তেওঁক বৰ্তমান ৪৫ বছৰ কাৰাদণ্ড দিয়া হৈছে।

থামচ্-আপ' অৰ বিজ্ঞাপনটো নকল কৰিবলৈ গৈ কলিকতাৰ ৰাজু নামৰ সৰু ল'ৰা এটাৰ মৃত্যু হোৱাৰ কথা আমি সকলোৱে জানো। শ্বাহৰুখ খানৰ 'বাজীগৰ' চিনেমা চাই দিল্লী- বিশ্ববিদ্যালয়ৰ এজন ছাত্ৰই হত্যা কৰিছিল বহুকেইজন সহপাঠীক।

ভোগৰ পৃথিৱীত শিল্পও এতিয়া হৈ পৰিছে পণ্য। বজাৰত এতিয়া গান নাই, চিনেমা নাই, নাই ভাল ছবি। যিয়ে জগাই তুলিব পাৰে আমাৰ সুকুমাৰ অনুভূতি।

**এটা অৰ্থনৈতিক সমীকৰণ ঃ**

বৰ্তমান সময়ৰ এটা বিৰাট ডাঙৰ সমস্যা হ'ল নিবনুৱা সমস্যা। নিবনুৱাৰ এই ভয়াবহ ৰূপটোৱে ছাত্ৰ-ছাত্ৰীলৈ কঢ়িয়াই আনিছে ভয়াবহ নিৰাশাৰ এখন ছবি। চৰকাৰী হিচাব মতে অকল অসমতেই আছে ১৫ লাখ নিবনুৱা। ভাৰতবৰ্ষত নিবনুৱাৰ সংখ্যা ৩২ কোটিৰো অধিক। অথচ অসমত গাখীৰৰ উৎপাদন বৰ্তমান ৬৫৮ নিযুত লিটাৰ যদিও ইয়াৰ চাহিদা বৰ্তমান চাৰিগুণ। গাখীৰ উৎপাদন, সংগ্ৰহ আৰু বিক্ৰীক সামৰি গো উন্নয়ন,

প্ৰজনন, খাদ্য, চিকিৎসা, আনুষাঙ্গিক উদ্যোগ স্থাপন, শীতলীকৰণ, ঘাঁহ উৎপাদন, ঘাঁহৰ বীজ উৎপাদন আৰু প্ৰশাসনিক ক্ষেত্ৰখনক সামৰি প্ৰায় চাৰে ছয় লাখ শিক্ষিত, অৰ্ধশিক্ষিত আৰু অশিক্ষিত নিবনুৱাৰ সংস্থাপন কৰিব পৰা যায়। অসমলৈ বাহিৰৰ পৰা দিনে প্ৰায় ২০ লাখ কণী আহে। ন্যূনতম আয় কৰিব পৰা আঁচনিৰ ভিত্তিত অসমত প্ৰয়োজনীয় কণী উৎপাদন কৰিব পৰা আঁচনি কৰিব পাৰিলে প্ৰায় তিনিলাখ নিবনুৱাই কৰ্ম সংস্থাপন পাব। অতি সামান্যভাৱে মিটাৰত ২৫ টকা দাম ধৰিলেও ২৪,৭৫০ লাখ টকাৰ এখন বস্ত্ৰ বজাৰ অসমত আছে। কিন্তু এই বৃহৎ বজাৰখন কোনে দখল কৰি আছে? অসমৰ শিপিনীয়ে তাঁতশালত তৈয়াৰ কৰা পাট, মুগা, এৰি কাপোৰে বাহিৰৰ বজাৰত যথেষ্ট সমাদৰ আৰু মূল্য পায় যদিও এই তাঁতশালক আজিও সম্পূৰ্ণ উদ্যোগ হিচাপে গঢ়ি তুলিব পৰা নাই। এইবোৰ কথা সচেতন ৰাইজে চিন্তা কৰি চোৱা উচিত। আমি ৰাতিপুৱা শুই উঠি ব্যৱহাৰ কৰা টুথপেষ্টবোৰৰ মালিক কোন জানেনে? এই কোম্পানীবোৰ অসমত আছেনে? জানি থওঁক কলগেট, ফৰহেনচ, ক্লজাপ ইত্যাদি টুথপেষ্টৰ মালিক ক্ৰমে আমেৰিকা, ইংলেণ্ড আৰু ছুইজাৰলেণ্ড। অসমত যদি এটাও টুথপেষ্ট কোম্পানী স্থাপন হয় তাত কমেও ২০,০০০ নিবনুৱাই চাকৰি পাব। চকু কপালত উঠা কথা-ব্ৰিটানিয়া, মেৰী, গুড্‌ডে ইত্যাদি বিস্কুট কোম্পানীৰ মালিক হ'ল ইংলেণ্ড। অসমত আজি ভাল বিস্কুটৰ এটা কোম্পানীও নাই। যদি এই বিস্কুট কোম্পানীবোৰৰ মালিক অসমৰ হ'লহেঁতেন তেন্তে খুব কমেও ৫০,০০০ নিবনুৱাই চাকৰি পালেহেঁতেন। চাহৰ লগত দিয়া বা কেঁচুৱাৰ খাদ্য আমুল-স্প্ৰে, হৰলিক্স, লেক্টোজেন, মিল্কমেইড, এভ্‌ৰিডে ইত্যাদি পানীয় খাদ্যৰ মালিক কোন জানেনে? এই বেবীফুডৰ কোম্পানীবোৰৰ মালিক চুইজাৰলেণ্ড, আমেৰিকা আৰু ইংলেণ্ড। এই খাদ্যবোৰৰ কোম্পানী যদি অসমত থাকিলহেঁতেন তেন্তে কমেও এক লাখ নিবনুৱাই চাকৰি পালেহেঁতেন। আমি গা-ধোৱাৰ বাবে ব্যৱহাৰ কৰা চাবোনৰ কোম্পানী অসমত নাই। আমি ব্যৱহাৰ কৰা লাক্স, লাইফবয়, ৰেক্সনা, লিৰিল ইত্যাদি চাবোনৰ প্ৰকৃত মালিক ইংলেণ্ড আৰু হলেণ্ড। অসমত যদি আজি সেই চাবোনৰ কোম্পানীবোৰ থাকিলহেঁতেন তেন্তে অতি কমেও ২০,০০০ নিবনুৱাই কৰ্মসংস্থাপন পালেহেঁতেন।

**নষ্ট সময়ৰ নষ্ট কথা ঃ**

"আমি একেখন নাৱৰে যাত্ৰী। সহযাত্ৰী একেখন নাৱৰে।"

বিপৰ্যয়ৰ ধুমুহাৰ মাজত ঢৌ খেলি খেলি দুখৰ সাগৰ পাৰ হ'ব খোজা নাওখনৰ আমি যাত্ৰী। তৃতীয় বিশ্বৰ নিষ্পেষিত মানুহেৰে ভৰপূৰ এখন নাও। য'ত উৰি আছে তেজৰ পতাকা। আমি পাৰ হ'ব খোজো ভোক, লাজ আৰু ভয়ৰ সময়। অথচ তেতিয়াই জ্বলি উঠে কোকৰাঝাৰ। উদাস হৈ পৰে গোঁসাইগাঁৱৰ গধূলি। ৰাতিৰ ভিতৰতে জ্বলি যায় মছজিদ, আন ক'ৰবাত মন্দিৰ। অথচ দুখীয়া কোনো দিন দুখীয়াৰ শত্ৰু নাছিল। কোনো দুখীয়া হ'ব নোৱাৰে কোনো দুখীয়াৰ শোষক। ৰাষ্ট্ৰৰ সৈন্য বাহিনীৰ হাতত ধৰ্ষিতা হোৱা চিৰলাজনীৰ দুখ আৰু বলাৎকাৰৰ পিছত দিখৌত জাঁপ দিবলৈ যোৱা অসমীয়া গাভৰুজনীৰ দুখৰ মাজত কোনো পাৰ্থক্য নাছিল। পাৰ্থক্য নাছিল ভোক-শোক আৰু অপমানৰ। অথচ আমি ছিগি ভাগি গৈছো মই হিন্দু-তুমি মুছলমান-এওঁ বড়ো-তেওঁ চাওঁতাল। পাহৰি যাওঁ আমি আমাৰ প্ৰকৃত পৰিচয়। আমি দুখীয়া, নিষ্পেষিত, শোষণত ক'লা মানুহ।

**প্ৰস্তাৱ ঃ এটা বিদ্ৰোহৰ বাবে ঃ**

পৃথিৱীৰ আটাইতকৈ বেছি দৰিদ্ৰলোক থকা দেশখনৰ নামেই ভাৰতবৰ্ষ। চৰকাৰী তথ্যমতে প্ৰতি তিনিজন ব্যক্তিৰ এজন দৰিদ্ৰ। প্ৰতি ২৫ মিনিটত সংঘটিত হয় এটাকৈ হত্যাকাণ্ড। যিখন দেশত নাই এটাও স্বাধীন উদ্যোগ, আছে যক্ষ্মা আৰু কুষ্ঠ ৰোগীৰ সৰ্বাধিক ৰোগী। এইখন দেশত বাৰ বছৰীয়া ছোৱালীও বেশ্যা হয় পেটৰ ভোক জুৰাবলৈ। বিদেশী সাম্ৰাজ্যবাদ, দেশীয় সামন্তবাদ আৰু দেশীয় দালাল পুঁজিপতি শ্ৰেণীৰ শোষণত আজি আমি অন্নহীন, বস্ত্ৰহীন, বাসস্থানহীন। এইখিনিতে মনত পেলাওঁ আহক মহান মনীষী কাৰ্ল মাৰ্ক্সে 'কমিউনিষ্ট মেনিফেষ্টো' গ্ৰন্থত লিখা সেই উক্তিটোঃ


"শৃংখলৰ বাহিৰে আমাৰ হেৰুৱাবলৈ একোৱেই নাই
অথচ জয় কৰিবলৈ আছে গোটেই বিশ্ব।"

**শেষত ঃ প্ৰিয় কটনিয়ান সতীৰ্থ সকললৈ-**

"লাইব্ৰেৰীৰ ধূলি জমা ছেলফৰ ফাঁকে ফাঁকে
উদাস উদাস লগা গ্ৰীষ্মৰ দুপৰত
পুৰণা পুৰণা লগা উদাস এক সুৰভিৰে
বহুবাৰ তুমি মোক কিবা যেন কৈছিলা,
অভিনয় শেষ হোৱা বহুত নিজান ৰাতি
শেৱালিৰ সুৰভিৰ ছায়াৰে আবৰা পথে
ঘৰলৈ উভতোতে অচিনাকি সেই মাত
বহুদিন, বহুদিন বহুবাৰ শুনিছো।

মৰমৰ কটন কলেজ
তোমাক মই ইমান ভালপাওঁ।"

হোমেন বৰগোহাঞিৰ 'বাপুকণ'ৰ দৰে আপোনালোকৰো আছিল নে সেই আশ্চৰ্য যাৰ নাম- 'কটন কলেজ' ইমান অপ্ৰেমী সময়তো আপোনালোকৰ দুচকুৰ সেউজীয়া খিনিৰ বাবেই আগমনি সংগীতত বাজি উঠিছে পঞ্চম ছিম্ফনি। শিল্পৰ ঈশ্বৰক জগাই তুলিবলৈ' যেন মন্দিৰৰ মজিয়াত সমস্বৰে বাজি উঠিছে এশ এটা ঘন্টা। আমি জানো 'কটন কলেজ' বুলি আপোনালোকৰ চকুতো চিক্‌মিকাই আশাৰ বিজুলীলতা। কিন্তু সেই আশা আৰু স্বপ্নক আমি গঢ় দিব লাগিব সিমান উচ্চতালৈ যিমান উচ্চতাত ওলমি থাকে জীৱনৰ নক্ষত্ৰ খচিত আকাশ। যন্ত্ৰৰ পৃথিৱীত আপোনালোক যন্ত্ৰ নহ'ব, প্ৰস্তৰীভূত হ'বলৈ নিদিব, আপোনালোকৰ অনুভূতিৰ শৰীৰ। আজিৰ কটনিয়ানে যি ভাৱে কাইলৈ গোটেই অসমে ভাবিব। তেজ আৰু চকুলোৰে সিক্ত প্ৰতিদিনৰ অনাকাংক্ষিত দিনলিপিত চকু থৈ আপোনালোকে বাৰু কি ভাবিব ..... কি ভাবিব .....



# প্ৰবন্ধ সূচী




| | | |
|---|---|---|
| ছাৰ হেনৰি জ'ন ষ্টেড্‌মেন কটন ঃ অসমৰ শিক্ষাজগতৰ নতুন দিগন্তৰ উন্মোচক | তৰুণ চন্দ্ৰ শৰ্মা | ১০ |
| জ্যোতি প্ৰসাদৰ "শিল্পীৰ পৃথিৱী" আৰু কৃষ্টি সংস্কৃতি ইত্যাদি | ড০ গৰিমা কলিতা | ১৩ |
| অসমৰ জনজাতীয় ৰাইজৰ সমস্যা আৰু স্বাধিকাৰৰ সংগ্ৰামঃ এক পৰ্য্যালোচনা | ভাস্কো ডি শইকীয়া | ১৫ |
| Interdisciplinary Studies: The New Mantra | Dr. Rakhee Kalita Moral | ২১ |
| গুৱাহাটীত আধুনিক ক্ৰীড়া জীৱন সৃষ্টিত কটন কলেজৰ অৱদান | উদয়াদিত্য ভৰালী | ২৩ |
| লৰেঞ্চৰ উপন্যাস জগতত এভুমুকি | দিব্যজ্যোতি বৰা | ২৬ |
| চেফো ঃ এক বিতৰ্কিত কবি সত্তা | লুট্‌ফা হানুম ছেলিমা বেগম | ৩২ |
| হেৰাই যোৱা ভোটা তৰা চিত্ৰ শিল্পী প্ৰণৱ বৰুৱা | ড০ প্ৰদীপ শৰ্মা | ৩৪ |
| বিপ্লৱ আৰু ফৰাচী বিপ্লৱ | গকুল কুমাৰ দাস | ৩৬ |
| মুক্ত বজাৰ অৰ্থনীতি প্ৰসংগত | কমল কুমাৰ তাঁতী | ৩৯ |
| Industrialisation in the N.E. Region Problems and scope for development | Deepjyoti Phukan | ৪২ |
| The Calling | Manoj Kumar Talukdar | ৪৪ |
| প্ৰসংগ ঃ মানুহ আৰু কটন কলেজ | সুৰেশ কুমাৰ নাথ | ৪৬ |
| অসমীয়া ফকৰা-যোজনাত নাৰীৰ গুণাগুণ বিচাৰ | বিজুমনি দাস | ৪৯ |
| Deconstruction:A Perspective | Mausum Baruah | ৫১ |
| Aspects of Classical Indian Theatre | Madhur Kankana Roy | ৫৪ |
| অন্ধ সংস্কাৰ - অন্ধবিশ্বাস আৰু কিছু কথা | হোমেন ৰাজবংশী | ৫৬ |
| শতবৰ্ষ, কটন কলেজ আৰু সাম্প্ৰতিক অসমঃ এক পৰ্য্যালোচনা | জগদীশ দত্ত | ৫৯ |
| Nataraja | Bahnishikha Dey | ৬৩ |
| Education, Social change and Cotton College in the 20th Century | Dr. Lopita Nath | ৬৪ |
| "সংকল্প গ্ৰহণৰ পৰা সংকল্প ৰূপায়ণলৈ"ঃ এটি খতিয়ান | ভবেশ কুমাৰ নাথ | ৬৭ |






# ছাৰ হেনৰি জ'ন ষ্টেড্‌মেন কটন ঃ অসমৰ শিক্ষাজগতৰ নতুন দিগন্তৰ উন্মোচক

তৰুণ চন্দ্ৰ শৰ্মা
অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ

'আজি সুপ্ৰভাতে নৱ অনুৰাগে ৰঞ্জিতা প্ৰকৃতি ৰাণী .......'

বিহগী কবি ৺ৰঘুনাথ চৌধাৰী ৰচিত এই অমৰ গীতৰ সুৰেৰে আৰু কবিজনাৰ সুধা কণ্ঠেৰে নিসৃত মোহময় সুৰেৰে সভাখনিৰ পাতনি মেলা হৈছিল। তেখেতৰ লগত হাৰমনিয়াম বজাই সহযোগ কৰিছিল অসমী আইৰ সুযোগ্য সন্তান কৰ্মবীৰ ৺নবীন চন্দ্ৰ বৰদলৈ ডাঙৰীয়াই। ১৯০১ খ্ৰীঃৰ ২৭ মে' তাৰিখৰ সেই পবিত্ৰ ক্ষণৰ পিছত 'কটন কলেজ' নামৰ উচ্চ শিক্ষাৰ এই পবিত্ৰ অনুষ্ঠানটিয়ে উভতি চাবলগীয়া হোৱা নাই। বাণী বন্দনা ইয়াত অবিৰত ভাবে চলি আছে। জ্ঞানৰ এই অন্বেষণৰ স্থলত কোনো যতি পৰা নাই। ই যেন ৰবলুইতৰ সোঁতৰ দৰেই বিৰামহীন গতিত ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে!



অংকন : নিজু শেঠ

২০০১ খ্ৰীঃ ৰ ২৭ মে'ৰ সুপ্ৰভাত। ১০১ জন ন-পুৰণি কটনিয়ানৰ কণ্ঠই সেই সুৰৰ লহৰ পুনৰায় ঝংকাৰি তুলিছে। ১০১ জনৰ সংগী হ'বলৈ পাই ধন্য মানিছো। যথাসময়ত শতবৰ্ষ উদ্‌যাপনৰ আৰম্ভণী গীতৰ সামৰণি পৰিল। তাহানিৰ জ্যোতিবিজ্ঞানৰ কেন্দ্ৰ বিন্দু প্ৰাগজ্যোতিষপুৰ আৰু আজিৰ অসমৰ স্নায়ুকেন্দ্ৰ গুৱাহাটী মহানগৰীৰ জজ্ খেলপথাৰত সমবেত ন-পুৰণি ছাত্ৰ-শিক্ষক-কৰ্মচাৰী সমন্বিতে অগণণ কটনিয়ান তথা কটন কলেজৰ শুভাকাংক্ষীৰে গম্‌গমাই থকা জন অৰণ্যত তাৰেই যেন ধ্বনি প্ৰতিধ্বনিত হ'ল!

আন এদলৰ কণ্ঠত শুনা গ'লঃ

"১৯০১ আৰু ২০০১ ...
উজ্জ্বল এশটা বছৰ
অসমীৰ চোতালত ভোটা
তৰা জিলিকিছে
হেনৰি কটন কলেজৰ
আমাৰ কটন কলেজৰ ...."

গীতৰ ৰচনা - সুৰৰ যাদুকৰ, অসমী আইৰ সু-সন্তান, গীতিকাৰ, সুৰকাৰ - ডঃ ভূপেন হাজৰিকা দেৱৰ। কথাৰে, গীতেৰে, সুৰেৰে - কটন কলেজৰ গুণ-গৰিমাৰ শ্ৰৱণ হ'ল। 'কটন কলেজ'-! ৰবলুইতৰ দক্ষিণপাৰৰ গুৱাহাটী চহৰৰ মাজমজিয়া পাণবজাৰৰ বুকুত জিলিকি থকা কটন কলেজ!

> *কটন চাহাবৰ অসম আগমন যেন অসমৰ শিক্ষা জগতত এটি নতুন অধ্যায়ৰহে সংযোজন! অসমৰ শিক্ষা (আধুনিক ইংৰাজী শিক্ষা)ৰ ইতিহাসত ই এক গুৰুত্বপূৰ্ণ সময়ত পৰিণত হ'ল। উন্মোচিত হ'ল কলেজীয়া উচ্চ শিক্ষাৰ নতুন দিগন্তৰ।*

১৯০১ খ্ৰীঃৰ ২৭ মে' তাৰিখৰ - কিছুদিন আগলৈ আমি উভতি চাওঁ। ১২ জুন, ১৮৯৭। বৰ ভূইকঁপৰ জোকাৰণিত কঁপি উঠিছিল তাহানিৰ বৰ অসম। তাহানিৰ 'আসাম'। ত্ৰাসিত হৈছিল অসমৰ জনগণ আৰু তদনীন্তন বৃটিছৰাজৰ শাসন কৰ্তাসকল। শাসক আৰু শাসিত উভয়ে সন্মুখীন হৈছিল - সংকটৰ। বিত্তীয় সংকটৰ। ৰাজনৈতিক, সামাজিক, শৈক্ষিক বাতাবৰণত বিত্তীয় সংকটৰ প্ৰভাৱ সহজে অনুমেয়। সি যি কি নহওক এনে সংকটময় - দুঃসময়ৰ মাজেৰে এগৰাকী দূৰদৃষ্টি সম্পন্ন অসমহিতৈষী পুৰুষে 'আসাম' ৰাজ্যত ইংৰাজী উচ্চ শিক্ষাৰ (কলেজীয়া শিক্ষাৰ) অনুষ্ঠান ৰূপে-গুৱাহাটী চহৰত এখনি কলেজ স্থাপনৰ বাবে দেহে কেহে লাগিছিল। সেইয়াই আছিল - চিৰ নমস্য-প্ৰাতঃস্মৰণীয় মাননীয়

মাণিক চন্দ্ৰ বৰুৱা। ৰায়বাহাদুৰ ভুবন ৰাম দাস প্ৰমুখ্যে অসমপ্ৰাণ ব্যক্তিসকলে মাণিক চন্দ্ৰ বৰুৱাৰ এই প্ৰচেষ্টাত কায়মনোবাক্যে সমৰ্থন জনাইছিল। অসমত কলেজ স্থাপনৰ ক্ষেত্ৰত বিপৰীত মনোভাব পোষণকাৰী সকলৰ বৈপৰীত্যৰ বিপৰীতে গৈ মাণিক চন্দ্ৰ বৰুৱাদেৱে - সেই সময়ৰ বৃটিছ ৰাজৰ চীফ্ কমিচনাৰ মহাশয়ৰ সন্নিকটত প্ৰবল আৰ্জি পেচ কৰিছিল - যে অসমৰ কেন্দ্ৰবিন্দু গুৱাহাটী চহৰত এখন কলেজ স্থাপিত হবই লাগিব।

মাণিকচন্দ্ৰই লিখিছিল ঃ

'Assam is the only province which has not got a College. Indeed it has not a high institution worth the name. A college at Gauhati with a European Principal will be better appreciated by the students than similar private institution in Calcutta ............ Gauhati possesses some .......... Calcutta."

মাণিক চন্দ্ৰ বৰুৱা আৰু তেওঁৰ সতীৰ্থ সকলৰ দাবীৰ প্ৰতি সঁহাৰি জনাবলৈ যেন অসম প্ৰেমী এজনা দেৱদূতৰহে আবিৰ্ভাব হ'ল। সেইজনা - বিবেকবান, দূৰদৰ্শী, উদাৰ হৃদয়ৰ ব্যক্তিৰ নামেই আছিল - 'কটন' চাহাব - ছাৰ হেন্‌ৰি জ'ন ষ্টেভ্‌মেন কটন, কে.চি. এছ আই। ১৮৯৬ চনৰ পৰা ১৯০২ চন পৰ্য্যন্ত বৃটিছ অসমৰ চীফ্ কমিছনাৰ - হেন্‌ৰি কটন চাহাব আছিল তাহানিৰ আসামৰ বন্ধু অৰ্থাৎ আসামবন্ধু।

আসামৰ (বৰ্তমান অসম) জাতীয় জীৱনৰ এইটো আছিল এক সন্ধিক্ষণ। যুগ-সন্ধি। এহাতে সমাজ জীৱনত প্ৰাচীন ধ্যান ধাৰণা আৰু আনহাতে পাশ্চাত্যৰ নতুন ধৰণ-কৰণ-আদব-কায়দা শিক্ষাদীক্ষাৰ আগমন। এই সন্ধিক্ষণত অসম ৰাজ্যত জ্ঞানৰ নতুন দিগন্তৰ উন্মোচকৰ ভূমিকাত অৱতীৰ্ণ হ'ল কটন চাহাব।

কোন এই 'কটন চাহাব' যাৰ নামেৰে নামাংকিত হৈছে অসমৰ কলেজীয়া শিক্ষাৰ প্ৰথমটি বিদ্যামন্দিৰ? আমি আৰু অকণমান - পিছুৱলৈ উভটি যাব লাগিব। ভাৰতবৰ্ষত বৃটিছৰাজ স্থাপনত সিংহভাগ লোৱা ইষ্ট ইণ্ডিয়া কোম্পানীত কটন চাহাবৰ পূৰ্বপুৰুষ সকলে কাম কৰিছিল। সেইয়া ১৮শ শতিকাৰ কথা। হেন্‌ৰি কটনৰ দেউতাক যঁছেফ জ'নে কটন মাদ্ৰাজ প্ৰেচিডেন্সি অসামৰিক বিভাগত কাম কৰিছিল (১৮৩১-১৮৬৩)। হেনৰিৰ ককাক যঁছেফ কটনে সুদীৰ্ঘ ২৮ বছৰ ধৰি কোম্পানীৰ সঞ্চালক ৰূপে কাম কৰিছিল। তাহানিৰ মাদ্ৰাজৰ টানজ'ৰ জিলাৰ কম্বাক নামত - ছাৰ হেনৰি জ'ন ষ্টেড্‌মেন কটনৰ জন্ম হয় (১৮৪৫ চন)। হেনৰিয়ে শিক্ষাদীক্ষা ইংলণ্ডতেই সম্পূৰ্ণ কৰে। ভাৰতলৈ উভতি আহি ১৮৬৭ চনত হেনৰিয়ে - ভাৰতীয় লোক সেৱাত প্ৰশাসক ৰূপে কামত যোগদান কৰে। ১৮৬৭ চনত কলিকতা চহৰত প্ৰশাসক ৰূপে কামত যোগদান কৰাৰ পূৰ্বে তেওঁ মেৰী ৰেয়ানৰ পাণি গ্ৰহণ কৰে। তেখেতৰ যুগ্ম জীৱনৰ পাতনিৰ সময়চোৱা কলিকতা (বৰ্তমান কলকাতা) চহৰতেই ব্যস্ততাৰ মাজেৰে অতিবাহিত হয়। ১৮৬৭-১৮৯৮ চনলৈ হেনৰিৰ কৰ্ম্মময় জীৱন কলিকতা চহৰত পাৰ হ'ল। বৃটিছ ৰাজে ১৮৯৬ চনত হেনৰি কটন চাহাবক অসমৰ চীফ কমিছনাৰ ৰূপে পঠিয়াই দিলে। কটন চাহাবৰ অসম আগমন যেন অসমৰ শিক্ষাজগতত এটি নতুন অধ্যায়ৰহে সংযোজন! অসমৰ শিক্ষা (আধুনিক ইংৰাজী শিক্ষা)ৰ ইতিহাসত ই এক গুৰুত্বপূৰ্ণ সময়ত পৰিণত হ'ল। উন্মোচিত হ'ল কলেজীয়া উচ্চ শিক্ষাৰ নতুন দিগন্তৰ।

হেন্‌ৰি কটন চাহাবৰ নাম স্মৰণ কৰিলে মাণিক চন্দ্ৰ বৰুৱা দেৱৰ নাম সোঁৱৰণীৰ পটত ভাঁহি উঠে। সেইদৰে মাণিক বাবুৰ কথা মনত পেলালে কটন চাহাবৰ কথা মনলৈ আহে। এটা নাম যেন আনটো নামৰ পৰিপূৰক।

কটন কলেজ স্থাপনৰ প্ৰধান হোতা বাবু মাণিক চন্দ্ৰ আৰু তেওঁৰ সহকৰ্মী সকল প্ৰচুৰ আহুকাল তথা সংঘাতৰ সন্মুখীন হৈছিল যদিও কটন চাহাবৰ সুদৃষ্টি আৰু দূৰদৃষ্টিৰ বাবে শেহত গুৱাহাটী চহৰৰ মাজ-মজিয়াত স্থাপিত হ'ল কটন কলেজ। মাণিক চন্দ্ৰৰ প্ৰস্তাৱ মতেই কলেজখনৰ নাম ৰখা হ'ল - 'কটন কলেজ'। 'কটন' চাহাবৰ 'আসাম' প্ৰদেশৰ জনগণৰ প্ৰতি থকা মৰম-ভালপোৱা, সহৃদয়তা আবেগৰ ফলশ্ৰুতিত জন্ম পোৱা কলেজখনিৰ নাম 'কটন'ৰ নামেৰে নামকৰণ হোৱাটো যথাৰ্থতে সমীচীন হৈছিল বুলি ভবাৰ থল আছে।

হেন্‌ৰি কটনৰ অসমীয়া তথা ভাৰতীয় প্ৰীতিয়ে আৰু বিশেষতঃ বংগ বিভাজনৰ বিষয়টোত বৃটিছ ৰাজ প্ৰতিনিধি লৰ্ড কাৰ্জনৰ স'তে হোৱা তেখেতৰ মতানৈক্যই তেখেতৰ ব্যক্তিগত জীৱনত কিছু অনিষ্ট সাধন কৰিলে। বৃটিছ ৰাজৰ সু-দৃষ্টিৰ পৰা তেখেত আঁতৰি গ'ল আৰু কাৰ্য্যকাল যথাৰ্থতে শেষ হোৱাৰ আগতেই ১৯০২ চনত তেখেতে অৱসৰ গ্ৰহণ কৰে।

অসমস্থ বৃটিছ চাহ খেতিয়ক সকলে কটন চাহাবক ভাল পোৱা নাছিল। কাৰণ তেখেতে এই চাহ খেতিয়ক সকলে চাহ বাগিছাৰ বনুৱাসকলক শোষণ কৰাতো বিচৰা নাছিল। মালিক সকলে বনুৱাসকলক প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছিল। Assam Labour and Immigration Act এ বাগিছাৰ মালিক সকলক অধিক সা-সুবিধা দিছিল আৰু ই বাগিছাৰ বনুৱা সকলৰ স্বাৰ্থৰ পৰিপন্থী আছিল। ছাৰ হেন্‌ৰি কটনে এই বিলৰ বিৰোধিতা কৰিছিল আৰু কাউন্সিলত ইয়াৰ বিৰুদ্ধে ভোট দান কৰিছিল। ১৯০১ চনৰ কলিকতা চহৰত অনুষ্ঠিত হোৱা কংগ্ৰেছ মহাসভাৰ অধিবেশনত তেখেতৰ ভূয়সী প্ৰশংসা কৰা হৈছিল। কাৰণ তেখেতে সমাজৰ অৱহেলিত - চাহ বাগিছাৰ বনুৱাসকলৰ হৈ মাত মাতিছিল।

১৯০২ চনত অৱসৰ গ্ৰহণৰ পিছত তেখেতে 'হাউছ অব্ কমন্স'ত যোগান কৰে। ইয়াত তেখেত ইণ্ডিয়ান গ্ৰুপৰ পিনেহে আছিল।

১৯০৪ চন। বোম্বাই চহৰ (বৰ্তমান মুম্বাই)। কংগ্ৰেছ মহাসভাৰ অধিবেশন। এই মহাসভাত পৌৰহিত্য কৰিছিল ছাৰ হেন্‌ৰি কটন চাহাবে। জৰ্জ ইউল, ছাৰ উইলিয়াম্ ৱেড্‌বাৰ্ণ আৰু আলফ্ৰেড্ ৱেবৰ পিচত চতুৰ্থ বাৰৰ বাবে এগৰাকী ইংৰাজে এই পদ সুশোভিত কৰিছিল।

১৯০৪ চনৰ কংগ্ৰেছ মহাসভাৰ ভাষণৰ একাংশত কটন চাহাবে কৈছিল - 'The Indian National Congress has thus its own functions which I take it upon myself to say, as a watchful witness from its birth, it has discharged exemplary fidelity judgement and moderation yours is a distinguished past. If you have not in any considerable measures succeeeded in moulding the policy of Government, you have ex-

ercised on immense influence in developing the history of your country & the character of your countryman. You have become a power in the land, and your voice peals like a trumpet note from one end of India to the other. Your illustrious leaders have earned a niche in the temple of fame, and their memory will be cherished by a grateful posterity.

*মাণিকচন্দ্ৰ বৰুৱাৰ অবিৰত তথা নিৰলস প্ৰচেষ্টাই কটন চাহাবৰ মনৰ পৰিৱৰ্তন আনিব পাৰিছিল। যি গৰাকী কটন চাহাবে আসাম ৰাজ্যৰ বিদ্যায়তনিক দিশৰ সম্যক ধাৰণা পোনতে পোৱা নাছিল, বা জনগণৰ এই দিশত ধ্যান-ধাৰণা সুবিধা অসুবিধাৰ বিষয়ে বিদিত নাছিল, সেই গৰাকী ব্যক্তিয়ে মাণিকচন্দ্ৰৰ সংস্পৰ্শলৈ অহাৰ পিছত - ১৮৯৯ ৰ ৩ নৱেম্বৰ তাৰিখে গুৱাহাটীৰ ৰাজহুৱা সভাত এইদৰে ঘোষণা কৰিলে - "Babu Manik Chandra and gentlemen I resolved to be guided by public opinion ............. and decided to establish a local College ......*

ভাৰত বৰ্ষ, জনগণ, নেতা, ভাৰতীয় জনগণৰ ক্ষমতাৰ প্ৰতি তেখেতৰ শ্ৰদ্ধাৰ উমান এইদৰেই পোৱা যায়। Memories তেখেতৰ আত্মজীৱনী মূলক গ্ৰন্থ আৰু Indian in transition তেখেতৰ আন এখন বহুমূলীয়া গ্ৰন্থ।

কটন চাহাব 'নাইট' উপাধিৰে বিভূষিত হৈছিল। এই গৰাকী 'আসামবন্ধু' হেন্‌ৰি কটন মাণিকচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰো পৰম বন্ধুত পৰিণত হৈছিল। মাণিক চন্দ্ৰৰ কৰ্মদক্ষতা সাংগঠনিক ক্ষমতা, অবিৰত প্ৰচেষ্টা, শ্ৰমৰ প্ৰতি থকা আস্থাই হেনৰি কটনৰ মনত দঁ সাঁচ বহুৱাব পাৰিছিল। কামৰ মাজেৰে দুয়ো বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাই পৰিছিল। এইটো এটা নিৰ্ঘাত সত্য যে এগৰাকী বিদেশীয়ে - সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা আহি - এখন দেশৰ শাসনৰ বাঘজৰী হাতৰ মুঠিত ৰাখিলেও সেই পৰাধীন ভূ-ভাগৰ জনগণৰ মানসিকতাৰ উমান পাবলৈ কঠিন। সেইঠাইৰ আৰ্থ-সামাজিক পৰিস্থিতিৰ তেৰ পাবলৈও দুৰূহ। কটন চাহাবৰ-ক্ষেত্ৰত ই মুঠেই ব্যতিক্ৰম নাছিল। পোনতে তেওঁৰ পূৰ্বসুৰী সকলে কৰি যোৱা কামৰ নমুনা তথা প্ৰশাসনিক দিশেৰে অসমীয়া সমাজৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি কৰা নিয়ম-কানুন সমূহকেই তেখেতে অনুকৰণ কৰিব বিচাৰিছিল। ই নিতান্তই স্বাভাৱিক। মাণিকচন্দ্ৰ বৰুৱাৰ অবিৰত তথা নিৰলস প্ৰচেষ্টাই কটন চাহাবৰ মনৰ পৰিৱৰ্তন আনিব পাৰিছিল। যি গৰাকী কটন চাহাবে আসাম ৰাজ্যৰ বিদ্যায়তনিক দিশৰ সম্যক ধাৰণা পোনতে পোৱা নাছিল, বা জনগণৰ এই দিশত ধ্যান-ধাৰণা সুবিধা অসুবিধাৰ বিষয়ে বিদিত নাছিল, সেই গৰাকী ব্যক্তিয়ে মাণিকচন্দ্ৰৰ সংস্পৰ্শলৈ অহাৰ পিছত - ১৮৯৯ ৰ ৩ নৱেম্বৰ তাৰিখে গুৱাহাটীৰ ৰাজহুৱা সভাত এইদৰে ঘোষণা কৰিলে -

"Babu Manik Chandra and gentlemen I resolved to be guided by public opinion ............ and decided to establish a local College .........."

মাণিক চন্দ্ৰ বৰুৱা এইক্ষেত্ৰত যে গুৰুত্বপূৰ্ণ ব্যক্তি তথা প্ৰধান হোতা আছিল ই সহজে অনুমেয়।

আমি বিদেশীৰ অধীনত আছিলো। পৰাধীন জনগণৰ ওপৰত যি আতিশয্য হয় - সেইবোৰো আমি অৰ্থাৎ আমাৰ পূৰ্বপুৰুষ সকলে মূৰ পাতি ল'বলগীয়া হৈছিল। কিন্তু এইটোও সত্য যে বিদেশী শাসক সকলৰ মাজতো কিছুমান মহান হৃদয়ৰ লোক আছিল। কটন চাহাব সেই সকলৰ মাজত অনন্য। কটন চাহাবে নিশ্চয় এইটো অনুভৱ কৰিছিল - যদিও তেওঁ বিদেশী তেওঁৰ স্থিতি ইয়াত সম্ভৱ নহ'লহেঁতেন - যদি তেওঁ এই ভূভাগৰ বায়ু-পানীৰে পৰিপুষ্টি নাপালেহেঁতেন। মহান হৃদয়ৰ ব্যক্তি জনা বিদেশী হৈও অসমীয়াৰ প্ৰতি - দয়াশীল আৰু আৱেগিক আছিল। সঁচা অৰ্থত তেওঁ অসম প্ৰেমী আছিল। আমি তেখেতক 'আসামবন্ধু'ৰ আসনত যথাৰ্থতে প্ৰতিষ্ঠাপিত কৰিব পাৰো।

কটন কলেজৰ মানিক চন্দ্ৰ বৰুৱা প্ৰশাসনিক ভৱনৰ প্ৰৱেশদ্বাৰত পদাৰ্পণ কৰিলেই আমাৰ চকু থৰ হৈ ৰয় প্ৰস্তৰ নিৰ্মিত এটি অৰ্ধমূৰ্তিত। মূৰ্ত্তি - কটন চাহাবৰ-ছাৰ হেন্‌ৰি জ'ন ষ্টেড্‌মেন কটনৰ - যেন ভাৰতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশনত - পৌৰহিত্য কৰিবলৈ আহোতে কটন কলেজত ভুমুকি মাৰোতে কোৱাৰ দৰে আমাক সকলোকে কৈছে—

"It is not possible at my present age to move from place to place and meet people myself. I, therefore, request all present here to convey my message to the people of every village that their Cotton has never forgotten them and never do so in his life time."

কটন চাহাবৰ কথাখিনি - বায়ু সাগৰত ধ্বনি - প্ৰতিধ্বনিত হৈ আছে। কটন কলেজৰ চৌপাশে কটন চাহাবৰ অমৰ আত্মাই - ঘূৰি ঘূৰি যেন পৰিতৃপ্তি লাভ কৰিছে। কায়িক ভাৱে - পৃথিৱীৰ পৰা আমাৰ সান্নিধ্যৰ পৰা কটন চাহাব আজি নাই। কিন্তু 'ছাৰ হেন্‌ৰি জন ষ্টেড্‌মেন কটন' - আমাৰ মাজত জীয়াই থাকিব চিৰদিনৰ বাবেই।

জয়তু ছাৰ হেন্‌ৰি জন ষ্টেড্‌মেন কটন
জয়তু কটন কলেজ! ●

প্ৰবন্ধ প্ৰস্তুতিৰ সহায়ক গ্ৰন্থ :

১। Golden Jubilee Volume : Cotton College. 1951-52
২। Harbinger, 1992
৩। মাণিক চন্দ্ৰ বৰুৱা - ড০ প্ৰফুল্ল দত্ত গোস্বামী
৪। জীৱনী সংগ্ৰহ - সম্পাদনা ৰায়বাহাদুৰ পদ্মনাথ গোহাঁঞিঃ বৰুৱা
৫। অসমৰ নৱ জাগৰণ - অনা অসমীয়া সকলৰ অৱদান - ড০ হেৰম্ব কান্ত বৰপূজাৰী।

# জ্যোতি প্ৰসাদৰ "শিল্পীৰ পৃথিৱী" আৰু কৃষ্টি সংস্কৃতি ইত্যাদি

ড০ গৰিমা কলিতা
প্ৰৱক্তা (ইংৰাজী বিভাগ)

'শিল্পীৰ পৃথিৱী' জ্যোতিপ্ৰসাদৰ সংস্কৃতি চিন্তাৰ পৰিপক্ক ফচল। যদিও অন্য কিছু ৰচনা যেনে 'নতুন দিনৰ কৃষ্টি', 'নতুনৰ পূজা', 'পোহৰলৈ' আদিত ভিন্নধৰ্মী সংস্কৃতি-চিন্তাৰ উদ্ৰেক হৈছে। সমাজনীতি, ৰাজনীতিৰ লগত সংস্কৃতিৰ একাত্মীয়তাৰ বিষয় এই ৰচনাতে প্ৰাঞ্জলভাৱে বৰ্ণিত হৈছে।

ভিন্নধৰ্মী সংস্কৃতি বা সাংস্কৃতিক বৈচিত্ৰ (multiculturalism) বৰ্ত্তমান যুগৰ এটা প্ৰধান চৰ্চাৰ বিষয়। সংস্কৃতিৰ বহুধৰ্মী ৰূপৰ প্ৰকাশৰ লগে লগে বিশ্বায়নৰ তুমুল ঘূৰ্ণীয়েও সকলোকে কোবাই গৈছে। সাংস্কৃতিক, অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিভিন্ন ক্ষেত্ৰত একত্ৰীকৰণ (uniformity) বা সামান্যকৰণৰ প্ৰক্ৰিয়া এটা ঐতিহাসিক সত্যৰূপে স্বীকৃত হৈছে। এই পৰস্পৰ বিৰোধী প্ৰশ্নবোৰে উত্তৰ আধুনিকতাবাদৰ মৰ্ম আমাৰ আগত ক্ৰমান্বয়ে মোকলাই দিছে। প্ৰসাৰিত পুঁজিবাদে বিশ্বায়নৰ (globalisation) ছুৱামৰা ৰূপত উপভোক্তাক পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পণ্যদ্ৰব্য বেচাকিনাৰ সোৱাদ আৰু আনন্দ দান কৰিছে, লগে লগে সাংস্কৃতিক ক্ষেত্ৰত মত বিনিময়ৰ বিৰল সুযোগ দান কৰিছে। অৰ্থনৈতিক ক্ষেত্ৰত পুঁজিৰ বিস্তাৰৰ আৰু গোলকীকৰণৰ লগে লগে সাংস্কৃতিক মহলতো পপ সঙ্গীতৰ গোলকীয় বজাৰ বিস্তাৰৰ প্ৰচেষ্টা অব্যাহত আছে। এইক্ষেত্ৰত ক্ষেত্ৰীয় বা স্থানীয় সংস্কৃতিৰ অস্তিত্ব ৰক্ষা বা ইয়াৰ পৰম্পৰা বিকাশৰ ধাৰা নিছিগাঁগৈ ধৰি ৰখাৰ দৰে কাৰ্য্য মূল্যহীন বা অৰ্থহীন হবনেকি?-ইত্যাদি বিষয়ৰ অৱতাৰণা বৰ্ত্তমান সময়ত একেবাৰেই অবান্তৰ নহয়।

ভিন্নধৰ্মী সংস্কৃতিৰ সহাৱস্থানৰ অৰ্থই হ'ল প্ৰত্যেক সাংস্কৃতিক গোষ্ঠীৰে স্বকীয় বৈশিষ্ট্য তথা ধাৰাৰ গতি অব্যাহত ৰখাৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি কৰা। জ্যোতিপ্ৰসাদে বিশ্ববৈচিত্ৰ বা বিশ্বসাংস্কৃতিক বৈচিত্ৰবোধ বোলোতে ঠিক এক বিশেষ ধৰণৰ উপলব্ধিৰ কথা সোঁৱৰাই দিছিল। সেই অভিজ্ঞতা বা উপলব্ধিয়ে এহাতে বিশ্বজনীনতাৰ মহত্বৰ কথা ক্ষেত্ৰীয় সাংস্কৃতিক শিক্ষা দিয়ে, অন্যহাতে আত্মঅধিকাৰৰ সুবিধাৰে বিশ্বজনীনতাৰ ধাৰণাক মূৰ্ত্ত বাস্তৱ অৱস্থিতি দান কৰে। এই দুই অৱস্থাৰ সংগতিকৰণতে লুকাই আছে সভ্যতাৰ প্ৰকৃত মাপকাঠি। আত্মপৰিচয়হীন ক্লীবই কেতিয়াও উন্নতিৰ সোপান ৰচনা কৰিব নোৱাৰে। এই অতি দৰকাৰী ভাবৰ উন্মেষ দুখলগাকৈ অতি কম চিন্তাশীল লোকৰ মাজতহে হৈছে।

স্বপ্নদ্ৰষ্টা জ্যোতিপ্ৰসাদে ইতিহাসৰ এনে এটা স্তৰৰ কথা, বিশ্লেষকৰ ৰূপত কল্পনা কৰিছে যে গণতন্ত্ৰ বা 'জনতন্ত্ৰই' হৈছে সম্পূৰ্ণ বহল ভিত্তিত সমাজ উত্তৰণৰ এক পূৰ্ণ বৈজ্ঞানিক সফল প্ৰতিফলন। এই পূৰ্ণৰাজ্য বা স্বপ্নৰাজ্যত শিল্পী সাহিত্যিকেই হ'ব নতুনৰ বাৰ্তাবহনকাৰী, দুস্কৃতি দমনকাৰী তথা সংস্কৃতি বিধানকাৰী প্ৰৱক্তা। এই জগতত প্লেটোৰ 'ৰিপাব্লিক'ৰ সমান্তৰাল স্থিতি বৰ্ত্তমান। পিচে প্লেটোৰ জগতত জনগণৰ স্থান নিৰ্দিষ্ট বা সন্মানীয় নহয় বৰঞ্চ একনায়কত্ববাদী এক ধাৰণাৰ বৰ্ণ, (লগতে সংঘ বা commune ৰ গুৰুত্বও) তাত আছে। সমাজনীতিৰ ফালৰ পৰা ই এক অতি উৎকৃষ্ট উচ্চ ধাৰণাৰ বাহক পিচে সমাজতান্ত্ৰিক বা সমাজবাদী চিন্তাৰ পিনৰ পৰা সমতা বা বৈষম্যহীনতাৰ পৰিচয় তাত নাই। জ্যোতিপ্ৰসাদৰ চিন্তাত পিচে 'জনতা'ৰ স্থিতি বৰ গুৰুত্বপূৰ্ণ। এই নিৰীহ জনতাই সভ্যতাৰ সচাৰ কাঁঠিৰ বাহক। অৰ্থনীতি আৰু জনতাৰ নিৰহ নিপানি সম্পৰ্ক। "যি অৰ্থনীতিৰ দ্বাৰা জনতাই সংস্কৃতি গঢ়িবলৈ সুবিধা নেপায় সেই অৰ্থনীতি অনুপযোগী; সাংস্কৃতিক অৰ্থনীতি নহয়।" (পৃঃ ৪৩৩) সাম্ৰাজ্যবাদ আৰু পুঁজিবাদৰ কুৎচিত বিকট ৰূপে কেনেদৰে শিল্পীক পথভ্ৰষ্ট কৰে তাৰ উমান জনতাৰ শিল্পী জ্যোতিপ্ৰসাদৰ বাৰুকৈয়ে আছিল; বৰঞ্চ ইতিহাসৰ বিভিন্ন স্তৰত পুঁজিৰ বিস্তাৰ সম্পৰ্কেও তেওঁৰ ব্যাখ্যা আছে। মুঠতে 'ৰাজতন্ত্ৰ' আৰু 'ধনিকতন্ত্ৰ'ই যে জনগণক দুস্কৃতিৰূপী দানৱৰ ৰূপত শোষণ, নিস্পেষণ, অৱমাননাৰ কুঠাৰাঘাত কৰি আছে, সেই সম্পৰ্কে ভিন্ন স্থানত বিভিন্ন প্ৰসঙ্গত জ্যোতিপ্ৰসাদে বিশ্লেষণ কৰিছে।

সাংস্কৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বিষয়ে জ্যোতিপ্ৰসাদ সম্পূৰ্ণ সচেতন। তেওঁ আৱেগ বিহ্বলী শিল্পী নহয় - হাতে কামে - আৱশ্যকীয়তাৰ লগত খাপ খাই পৰাকৈ শিল্প ৰচনা কৰা জ্যোতি সেয়েহে চিত্ৰবন মুভিটোনৰ শিল্পদ্ৰষ্টা, ইতিহাসৰ অহল্যা জয়মতীক পুনৰ তেজমঙহৰ ৰূপ দিয়া অসমীয়া 'পিগমেলিয়ন"। জ্যোতিপ্ৰসাদৰ শিল্পী ৰাজনীতিৰ গণ্ডীৰ একেবাৰে বাহিৰত নহয়। বৰঞ্চ বহুক্ষেত্ৰত শিল্পীৰ অনুবীক্ষণৰ আগত ৰাষ্ট্ৰৰ শাসনযন্ত্ৰ পৰীক্ষা হ'ব লাগিব। জ্যোতিপ্ৰসাদে শিল্পীক একেবাৰে সমালোচনাৰ উৰ্দ্ধত সুকীয়া সংবেদনশীলতা আৰু অধিকাৰেৰে সমৃদ্ধ কৰিছে। তেওঁ সমাজৰ প্ৰতি কৰিবলগীয়া পবিত্ৰ কৰ্ত্তব্য সম্পৰ্কে ওৱাকিবহাল হব লাগিব আৰু সচেতন ভাবে দায়িত্ব পালন কৰিবলৈ বাধ্য থাকিব। শিল্পীৰ প্ৰতি কৰা উদাত্ত আহ্বানত, জ্যোতিপ্ৰসাদে তেওঁৰ স্বৰূপ, দায়িত্ব আৰু ভূমিকা সলসলীয়াকৈ বুজাই দিছে।

"আমাৰ সংস্কৃতিৰ বিশ্বৰূপ, মানুহৰ শিল্পীৰূপ, এই ঐতিহ্যৰেই আলোকময় কৰ্মলৈ আৰু শিল্পীৰ পূৰ্ণ স্বৰূপ আমি উপলব্ধি কৰি আজি অসমৰ শিল্পীয়ে, ভাৰতৰ শিল্পীয়ে আলোকযাত্ৰা কৰিব লাগিব - প্ৰগতিৰ বাটেদি দুস্কৃতিক পদে পদে জীৱনৰ ক্ষেত্ৰে ক্ষেত্ৰে প্ৰতিহত কৰি কঠোৰ সাধনাৰে, উগ্ৰ তপস্যাৰে, পোহৰৰ পৃথিৱীলৈ এক অপূৰ্ব জনজীৱনলৈ, যুগ যুগ ধৰি ধৰ্ষিত, নিপীড়িত, দলিত, বঞ্চিত জনতাক লৈ।" (পৃঃ ৪৩৬)

জ্যোতিপ্ৰসাদৰ শিল্পীৰ পৃথিবী স্বপ্নদ্ৰষ্টাৰ পৃথিবী হলেও তাত কেৱল সপোনৰ আকাশৰ আলোকমালাই তিৰ বিৰাই নাথাকে, দিঠকৰ,

মাটিৰ ভেটিত তাত সাৰুৱা গোজৰ পোখা মেলে। সেয়ে জ্যোতিপ্ৰসাদৰ বাবে, আৱশ্যকতা (utility)ৰ লগত সৌন্দৰ্য্য যোগ দিয়াত জীৱন এক "সৌন্দৰ্য্য প্ৰয়াস" হৈ পৰিছে। এই বাস্তৱবাদ জ্যোতি-মনীষাৰ এক লাইখুটা স্বৰূপ। বাস্তৱ প্ৰজ্ঞা আৰু সৌন্দৰ্য্যৰ মাজত সমন্বয় গঢ়াৰ এক সবল ভূমি তৈয়াৰ কৰিছে জীৱনত সংস্কৃতি নামৰ অস্তিত্বই। সংস্কৃতিৰ সংজ্ঞাৰ বহল চাৰণভূমিত বিচৰণ কৰি ফুৰিছে ভিন্নধৰ্মী উপাদান সমূহ - জ্যোতিপ্ৰসাদে তাৰ অভিলম্বিত (vertical) বা আনুভূমিক (horizontal) ভিন্ন প্ৰকৃতিগত বিচাৰ কৰিছে। জ্যোতিপ্ৰসাদে আনুভূমিক সমতলত বিচাৰ কৰিছে উত্তৰ পূৰ্বাঞ্চল তথা অসমৰ ভিন্ন জনগোষ্ঠীসমূহৰ সাংস্কৃতিক উপাদান সমূহ; নতুন দিনৰ কৃষ্টি ৰচনাত অসমৰ থলুৱা জনগোষ্ঠী তথা বাহিৰৰ পৰা ক্ৰমাগত ভাবে প্ৰবজন হৈ থকা বিভিন্ন গোষ্ঠী সমূহৰ অস্তিত্ব সামৰি লৈছে। "এই অভ্যাগত সকলৰ মাজত আমাৰ কৃষ্টি প্ৰচাৰৰ বাহিৰে আন কাৰ্য্যকৰী উপায় নাই" বুলি দৃঢ় মত দৰ্শাইছে। আনহাতে অভিলম্বিত ৰূপত সংস্কৃতিৰ প্ৰকৃতি বিচাৰ কৰি চাইছে। এই ক্ষেত্ৰত জ্যোতিপ্ৰসাদে দুটা নতুন ভাবৰ সূচনা কৰিছে।

অন্তৰ সংস্কৃতি আৰু বহিঃসংস্কৃতি তথা সংস্কৃতি আৰু দুস্কৃতি। তেওঁৰ বাবে সংস্কৃতি, অস্তিত্বৰক্ষাৰ দৰে স্বাৰ্থপৰ প্ৰপথ্যৰ খাটিৰতহে প্ৰয়োজন তেনে নহয়-চিৰন্তন মানৱীয় আৱেগ তথা প্ৰমূল্যবোধৰ প্ৰকাশ হিচাবে ই সমন্বয়ৰ কাৰক ৰূপেহে কাম কৰে। সেয়েহে সংস্কৃতিৰ "অৰ্থ" এটা অত্যন্ত প্ৰয়োজনীয় বিষয়। তেওঁৰ মতে আমি ভাৰতীয় এটা নিজৰ সংস্কৃতিৰ অৰ্থ হেৰুৱাই ভ্ৰান্তিৰ খালত পৰি মৰা জাতি। আজি আমাৰ সংস্কৃতিৰ অৰ্থ বিচাৰি উলিয়াব লাগিব।" এই অৰ্থৰ অন্বেষণতে লুকাই আছে আমাৰ বাবেৰহনীয়া সাংস্কৃতিক অস্তিত্বৰ বীজ। কাৰণ সমন্বয় (assimilation) হৈছে প্ৰত্যেক সাংস্কৃতিক অস্তিত্বৰ মাজত আদান প্ৰদানৰ সেতু। এই সমন্বয়ৰ হোতা হিচাবে জ্যোতিপ্ৰসাদে ভাবিছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক। "মহাপুৰুষে যদিও ভৈয়ামত থকা অসমীয়াৰ সৈতে এটা সাংস্কৃতিক সংগঠন লৈ মিৰি, মিকিৰ, গাৰোসকলক আনিছিল তথাপিও তেওঁলোকৰ জাতীয় ৰীতি-নীতি যি খাপৰ সংস্কৃতি তেওঁলোকৰ আছিল, তাৰ বৈশিষ্ট্য নষ্ট হবলৈ নিদিয়াকৈ সেই সংগঠনত সুমুৱাইছিল। নিজৰ ভিতৰৰ সংস্কৃতিৰ যেনেকৈ বৈপ্লৱিক ৰূপান্তৰ কৰিছিল, সেইদৰে যাৰ সৈতে সমন্বয় কৰিব তাকো নতুন সংস্কৃতিৰ পোহৰত সলাবলৈ মাথোন বিচাৰিছিল। আজি আমি তাকেই কৰিব লাগিব। নতুনৰ পোহৰত আমাৰো পুৰণি সংস্কৃতিৰ কিছু এৰিব লাগিব, সেই দৰে আনসকলেও এৰিব লাগিব তেওঁলোকৰ লগত লৈ অহা পুৰণি সংস্কৃতি। (পৃঃ ৪৫১, "নতুনৰ পূজা")

সাংস্কৃতিক বৈচিত্ৰবাদৰ (multi-culturalism) উদ্যোক্তা হিচাবে আধুনিক মানুহৰ বাবে জাতিগত তথা সমষ্টিগত অস্তিত্বৰ ভিন্নধৰ্মী সাংস্কৃতিক উদাৰতা থাকিবই লাগিব। এই নতুন কৃষ্টি গঢ়িব লাগিব পৰস্পৰ সহনশীলতা, সন্মান আৰু সম্প্ৰীতিৰ মনোভাৱেৰেহে। আধুনিক যুগত সেয়েহে গোড়া গোষ্ঠীগত সংকীৰ্ণতাৰ বাবে বাট মুকলি নাই। অৱশ্যে এই ক্ষেত্ৰত নীতিগতভাৱে যিহেতু কোনো বিশেষ কৃষ্টিৰ আধিপত্য বা গুৰুত্ব নাথাকে উদাৰধৰ্মী আদান প্ৰদান বা বিনিময়েৰেহে সংস্কৃতিৰ বৰভেঁটি গঢ়িব পাৰি। এই মনোভাব বা নীতি একেবাৰে যুক্তিৰ খাতিৰত গ্ৰহণ কৰা এটা (theoritical) ষ্টেণ্ড হব নোৱাৰে ইয়াৰ বাস্তৱসন্মত সামাজিক অস্তিত্বৰ কথাও আছে। সেয়ে কোনো এক বিশেষ কৃষ্টিৰ আধিপত্যৰ অবৰ্তমানত এটা ৰাজনৈতিক গোটৰ প্ৰতি আনুগত্য সাংস্কৃতিক বৈচিত্ৰবাদৰ অন্তিম পৰ্য্যায়।

সেইবাবেই হয়তো জ্যোতিপ্ৰসাদে এনে এটা ৰাজনৈতিক গোটৰ কথা কল্পনা কৰিছিল - যিটো ভেটিয়ে, ত্ৰিভূজৰ ভূমিৰ দৰে ইটো সিটো অজস্ৰ সাংস্কৃতিক ভেটিৰ ভাৰ সহিব পাৰে। স্বাধীনতাৰ পূৰ্বে আৰু স্বাধীনোত্তৰ কালচোৱাত সেয়ে স্বৰাজ আৰু সমাজতান্ত্ৰিক গণতন্ত্ৰই এক মহৎ ভূমিকা লবলগীয়া হৈছিল। ধনতন্ত্ৰবাদ বা পুঁজিবাদৰ দৰে ৰাক্ষসৰ ক'লা ছাঁৰ গ্ৰাসৰ পৰা, সদাসচেতন বুৰঞ্জীবিদ্ বা সমাজতত্ত্ববিদৰ দৰে, আত্মসংস্কৃতি ৰক্ষাৰ উপায় চিন্তা কৰিছিল।

সভ্যতাৰ সত্যতা সম্পৰ্কে বিশেষ বিতৰ্ক নাই যদিও বৰ্ত্তমান পৃথিবীত এটা চিৰন্তন বিৰোধ (contradiction) হৈছে সভ্যতাৰ চৰম শিখৰত আৰোহণ কৰা মানুহৰ ইটো সিটোৰ প্ৰতি থকা ক্ৰমবৰ্দ্ধমান ধ্বংসৰ মনোভাৱ। এই দুখজনক পৰিস্থিতিৰ এটা বাস্তৱসন্মত বিশ্লেষণ আগবঢ়াইছে জ্যোতিপ্ৰসাদে। "ইয়াৰ কাৰণ আমি বাহিৰা সম্পদক সংস্কৃতি কৰিলোঁ আৰু তাৰ বাকীভাগ অন্তৰ সংস্কৃতি। হয় আওহেলা কৰিছো, নহয় চেষ্টা কৰিও আন্তৰিক দুস্কৃতিক সাংস্কৃতিক শৃঙ্খলা আৰু নিয়ন্ত্ৰণৰ ভিতৰলৈ আনিব নোৱাৰি ইমান কষ্ট, হেঁপাহেৰে কৰি লোৱা, গঢ়ি লোৱা সাংস্কৃতিক বাহিৰা সম্পদবোৰ শান্তিৰে উপভোগ কৰিব নোৱাৰি অসহায় হৈ ৰিপুবোৰৰ হাতৰ পুতলা হৈ বলিয়া-নাচ নাচিছোঁ।" (পৃঃ ৪১৫, "শিল্পীৰ পৃথিবী")

এতিয়া বৰ্ত্তমান সমাজ বিৱৰ্ত্তনৰ এই সন্ধিক্ষণত সামাজিক বা সাংস্কৃতিক বৈচিত্ৰবাদ এটা অতি প্ৰাসঙ্গিক চিন্তা যদিও এই ব্যৱস্থা বা স্তৰ মুঠেই সমস্যামুক্ত নহয়। ইয়াৰ মূলতে আছে ভিন্ন জনগোষ্ঠীৰ মাজত বাস্তৱ অভিজ্ঞতাৰ ভিত্তি অবলোকন কৰা গ্ৰহণযোগ্যতাৰ বৈষম্য মাজে মাজে অগ্ৰহণযোগ্য (misrecognition)। বোধকৰো জ্যোতিপ্ৰসাদে এনেধৰণৰ বৈপ্লৱিক চিন্তা বহুবছৰ আগতেই কৰিছিল আৰু সাংস্কৃতিগত বৈচিত্ৰৰ মাজত সমিলমিলৰ মাজেদি এটা সন্তোষজনক স্থিতিত উপনীত হবলৈ চেষ্টা কৰিছিল। জ্যোতিপ্ৰসাদৰ সংস্কৃতিগত ভিন্নধৰ্মীতাৰ গ্ৰহণযোগ্যতা আছিল কাৰণে উত্তৰ আধুনিক যুগৰ (multi-culturalism) জ্যোতিৰ চিন্তাত সহজেই জীণ যায়। সেয়ে আমাৰ বিশ্বাস, বৰ্ত্তমান সমাজবিৱৰ্ত্তনৰ এই ক্ষণত জ্যোতিপ্ৰসাদৰ সমাজ তথা সংস্কৃতি চিন্তা অত্যন্ত ফলদায়ক দিক্ নিৰ্দেশৰ দৰে কাম কৰিব। সমাজ সংশ্লেষণৰ দৰে কঠিন, আওপকীয়া বিষয়টো সম্পূৰ্ণৰূপে হৃদয়ঙ্গম নকৰিলেও অন্ততঃ ইতিবাচক দিশত যে ই বাটকটীয়া হ'ব ই ধুৰূপ। কিয়নো জ্যোতিপ্ৰসাদে কেৱল ক্ষেত্ৰীয় দৃষ্টিভঙ্গীৰ ঠেক মনোবৃত্তিৰে সমাজ সংস্কৃতি কেতিয়াও পৰ্য্যালোচনা কৰা নাই। ●

# অসমৰ জনজাতীয় ৰাইজৰ সমস্যা আৰু স্বাধিকাৰৰ সংগ্ৰামঃ

## এক পৰ্য্যালোচনা

ভাস্কো-ডি শইকীয়া

অসমৰ অনগ্ৰসৰ আৰু অবিকশিত জনজাতি সমূহে জাতীয় বিকাশৰ বাবে স্বাধীনোত্তৰ কালৰে পৰা চলাই অহা প্ৰচেষ্টাই আজিও সফলতাৰ মুখ দেখা নাই। যি অলপ সা-সুবিধা পাইছে তাকো এচাম মুষ্টিমেয় শ্ৰেণীয়ে সৰ্বসাধাৰণক বঞ্চিত কৰি কুক্ষিগত কৰিছে। সমস্যাসমূহ সমাধানৰ বাবে শাসকপক্ষৰ ওচৰত দাবী জনাই আহিছে, আন্দোলন কৰিছে, উগ্ৰপন্থী সংগঠনৰো জন্ম হৈছে। কিন্তু তেওঁলোকৰ সমস্যাসমূহ সমস্যা হৈয়েই আছে। বৃটিছৰ শাসনৰ দিনত জনজাতি সমূহৰ স্ব-নিৰ্ভৰশীল গ্ৰামীণ কৃষিভিত্তিক অৰ্থনৈতিক ভেটি বিধ্বস্ত হৈ পৰিছিল আৰু উচ্চাভিলাষী মনোভাৱৰ বশৱৰ্ত্তী হৈ একাংশ অসমীয়া ভাবীয়ে তেওঁলোকক অৱদমিত কৰি ৰাখিছিল। স্বাধীনতা লাভ কৰাৰ পিছত জনজাতীয় ৰাইজে তেওঁলোকৰ সমস্যাৰ ওৰ পৰিব বুলি ভাবিছিল যদিও এই সমস্যাবোৰে আৰু জটিল ৰূপহে ধাৰণ কৰিলে। ইয়াৰ উপৰিও নতুন কেতবোৰ সমস্যাই মূৰ দাঙি উঠিল। সাত পাঁচে লাগি এই সকলোবোৰ সমস্যাই জনজাতীয় ৰাইজৰ অৱস্থা অধিক শোচনীয় কৰি তুলিলে।

এইটো নিঃসন্দেহে কব পাৰি যে, অসমত চলি থকা বিভিন্ন জনজাতিৰ স্বাধিকাৰ আন্দোলনসমূহৰ এক বাস্তৱিক ভিত্তি আছে। অৱশ্যে এই আন্দোলনসমূহ কোনো কোনো ক্ষেত্ৰত ভুল পথে পৰিচালিত হৈছে। তাৰ বলি হ'ব লগা হৈছে নিৰীহ আৰু দৰিদ্ৰ জনসাধাৰণ। আনকি বড়ো আৰু কাৰ্বি জনগোষ্ঠীৰ আন্দোলনৰ ক্ষেত্ৰত গোষ্ঠী পৰিষ্কৰণৰো অভিযোগ উত্থাপিত হৈছে। জনজাতীয় সমস্যাসমূহৰ সমাধানৰ দাবীত জন্ম হোৱা উগ্ৰবাদী সংগঠনসমূহৰ কাৰ্যকলাপে অজনজাতীয়সকলক সততে ভীতিসন্ত্ৰস্ত কৰি ৰাখে। লগতে জনজাতীয় এলেকাসমূহত চলি থকা অতি লেহেমীয়া গতিৰ উন্নয়ন প্ৰক্ৰিয়াও ব্যাহত হৈছে। শক্তিশালী গণতান্ত্ৰিক আন্দোলনৰ অভাৱত জনজাতিসমূহৰ বিকাশৰ সংগ্ৰাম যথেষ্ট বিভ্ৰান্ত হৈ পৰিছে। তাৰে সুযোগ লৈ এচামে জনজাতিসমূহৰ স্বাধিকাৰৰ আন্দোলনৰ প্ৰাসংগিকতাকে নুই কৰে। যেতিয়াই আন্দোলনকাৰী উগ্ৰবাদী সংগঠনে ক'ৰবাত হিংসাত্মক কাৰ্য সংঘটিত কৰে অসমৰ সচেতন (?) মহলে একমুখে ইয়াক কেৱল তীব্ৰ গৰিহণাহে দিয়া দেখা যায়। কিন্তু এই সচেতন মহলৰ উদ্যোগত জনজাতীয় আন্দোলনসমূহৰ উদ্ভৱৰ কাৰণৰ বস্তুনিষ্ঠ পৰ্য্যালোচনা কৰা হোৱা নাই। অসমৰ জনজাতি সমূহে আন্দোলনৰ পথ ল'ব লগা হোৱাৰ আঁৰত এক মৰ্মস্পৰ্শী ইতিহাস আছে। সেই ইতিহাস অৰ্থনৈতিক শোষণ আৰু সামাজিক বঞ্চনাৰ ইতিহাস।

অসমৰ জনজাতীয় ৰাইজ দীৰ্ঘদিন ধৰি নানা শোষণ-বঞ্চনাৰ বলি হৈ আহিবলগা হৈছে। প্ৰাক স্বাধীনোত্তৰ কালত বৃটিছ সাম্ৰাজ্যবাদীসকলৰ ভাৰতবাসীৰ ওপৰত চলোৱা শোষণ-নিষ্পেষণ জনজাতীয় জনসাধাৰণৰ ওপৰতো চলিছিল। স্বাধীন ভাৰতৰ শাসকপক্ষৰ সদিচ্ছাৰ অভাৱত জনজাতিবোৰৰ সমস্যাসমূহৰ কোনো সমাধান নহ'ল। সমস্যাসমূহ সমাধান নোহোৱাৰ ক্ষোভেই জন্ম দিছে জনজাতীয় আন্দোলনৰ। অনুন্নত জনজাতি সমূহৰ সমস্যাৰ কাৰণ নিৰ্ণয় কৰিবলৈ গ'লে দেখা যায় যে দীৰ্ঘদিন ধৰি তেওঁলোক কেইবাতৰপীয়া শোষণ ব্যৱস্থাৰ দ্বাৰা শোষিত হ'ব লগা হৈছে। দেশী-বিদেশী পুঁজিপতি সকলে সৰ্বাধিক মুনাফা লাভৰ বাবে দৰিদ্ৰ জনসাধাৰণক কৰি অহা শোষণৰ পৰা জনজাতীয় সমাজো মুক্ত নহয়। তৃতীয় বিশ্বৰ দেশ অনুন্নত ভাৰতবৰ্ষৰ বাসিন্দা হিচাপে জনজাতিসমূহৰ মাজত শিক্ষা, জনস্বাস্থ্য আদি জনকল্যাণমুখী আঁচনিসমূহ সাৰ্বজনীন হোৱা নাই। সেইবাবেই ভাৰতবৰ্ষৰ অনগ্ৰসৰতাৰ পৰা জনজাতিসমূহৰ অনগ্ৰসৰতাক পৃথক কৰি চাব নোৱাৰি। আকৌ সৰ্বভাৰতীয় ৰাজনীতিৰ বজাৰত অসমৰ দাম কম বাবেই কেন্দ্ৰীয় চৰকাৰে (যি দলৰে নহওক কিয়) অসমক প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে। কেন্দ্ৰৰ বঞ্চনাৰ বাবেই অসমত এক সবল অৰ্থনৈতিক ভেটি গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনা থকা সত্বেও এতিয়াও পয়ালগা হৈয়ে আছে। সৰ্বভাৰতীয় আৰু দেশী বিদেশী পুঁজিপতিৰ শোষণ ব্যৱস্থাই কোঙা কৰি তোলা অসমৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ সামগ্ৰিক অনগ্ৰসৰতাই জনজাতিসমূহৰ অনগ্ৰসৰতাৰ মূল কাৰণ। কিন্তু জনজাতীয়সমূহে তেওঁলোকৰ স্বাধিকাৰৰ সংগ্ৰাম অসমীয়া প্ৰভাৱশালী শ্ৰেণীটোৰ পৰা মুক্ত হ'বৰ মনেৰেহে কৰিছে। জনজাতি সকল অসমৰ অন্যান্য জনগোষ্ঠীতকৈ অৰ্থনৈতিক অৱস্থা, শিক্ষা-দীক্ষা, সামাজিক প্ৰতিষ্ঠা আদি দিশত বহু পিছ পৰি আছে। তেওঁলোকে এই দুৰ্দশাৰ বাবে অসমীয়া প্ৰভাৱশালী শ্ৰেণীটোকে দায়ী বুলি ভাৱে। তেওঁলোকৰ এই ধাৰণা যুক্তিসংগত।

অসমৰ প্ৰভাৱশালী শ্ৰেণীটো হৈছে বৰ্ণহিন্দু প্ৰধান মধ্যবিত্ত শ্ৰেণীটো। এই শ্ৰেণীটোৰ চৰিত্ৰলৈ লক্ষ্য কৰিলে দেখা যায় যে সদায় এক সুবিধাজনক স্থিতি গ্ৰহণ কৰা অত্যন্ত সুবিধাবাদী মধ্যবিত্ত শ্ৰেণীটোৱে অতি কৌশলৰে শাসকৰ পক্ষ গ্ৰহণ কৰে, শাসনৰ ক্ষমতা নিজৰ হাতত ৰাখিব বিচাৰে। মধ্যবিত্তসকলৰ বাবে তেওঁলোকৰ স্বাৰ্থ, আশা-আকাংক্ষাই সৰ্বস্ব। বিপদৰ গোন্ধ পালেই নিজ স্বাৰ্থক জাতীয় স্বাৰ্থ হিচাপে প্ৰক্ষেপ কৰি এক জাতীয় জাগৰণৰ সৃষ্টি কৰি নিজ স্বাৰ্থ পূৰণ কৰাৰ লগতে শোষিত বঞ্চিত মেহনতী জনসাধাৰণৰ সম্ভাব্য আন্দোলনৰ ইন্ধন স্বৰূপ ক্ষোভক অৱদমিত কৰি ৰাখে। মধ্যবিত্ত শ্ৰেণীটোৱে অতি সহজেই জনগণক প্ৰভাৱিত কৰিব পাৰে। কিয়নো এওঁলোকৰ লগত আছে বুদ্ধিজীৱি-সাহিত্যিক, শিল্পী, উচচখাপৰ আমোলা, প্ৰচাৰ মাধ্যম সকলো।

মধ্যযুগৰ অসমৰ অৰ্ধ সামন্তীয় সমাজ ব্যৱস্থা ইংৰাজসকলেও নিজ শাসনৰ স্বাৰ্থত বাহাল ৰাখিলে। মধ্যযুগীয় অসমৰ মধ্যবিত্ত

শ্ৰেণীটোক বৃটিছে শাসন-শোষণৰ সুবিধাৰ্থে নতুন ৰূপত সজাই পৰাই তুলিলে। আধুনিক শিক্ষাৰে শিক্ষিত এই মধ্যবিত্ত শ্ৰেণীটোৱে জীৱিকাৰ বাবে প্ৰধানকৈ চৰকাৰী চাকৰিৰ ওপৰত নিৰ্ভৰ কৰিছিল। কিন্তু তেওঁলোকে শিক্ষা-দীক্ষাত বহুদূৰ আগবাঢ়ি থকা বঙালী ভাষীসকলে অধিকৃত কৰি পেলোৱা চাকৰিৰ ক্ষেত্ৰখনত সিমান সুযোগ সুবিধা লাভ কৰা নাছিল। সেইসময়ত অসমত চৰকাৰীভাৱে বঙালী ভাষাকহে মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছিল। মধ্যবিত্ত শ্ৰেণীটোৱে বঙালী ভাষাৰ ঠাইত অসমীয়া ভাষাৰ প্ৰচলনৰ দাবী তুলি সভা-সমিতিৰ জৰিয়তে জনসাধাৰণক একত্ৰিত কৰি এক ভাষা ভিত্তিক জাতীয়তাবোধৰ জন্ম দিলে। বঙালী ভাষাৰ প্ৰৱৰ্তনে আমাৰ যথেষ্ট ক্ষতি কৰিছিল সঁচা। কিন্তু মধ্যবিত্তসকলৰ মনত অসমীয়া ভাষাৰ পুনৰুত্থানতকৈ তেওঁলোকৰ শ্ৰেণীগত আকাংক্ষা পূৰণৰ হাবিয়াসহে বেছি আছিল। এইদৰেই অসমত মধ্যবিত্ত শ্ৰেণীটোৱে নিজৰ স্থিতি সৱল কৰি তুলিলে আৰু তেওঁলোকৰ উদ্যোগত অসমত এক উগ্ৰজাতীয়তাবাদৰ জন্ম হ'ল।

স্বাধীনভাৱে জীৱিকা উপাৰ্জন কৰা ডাক্তৰ, উকীল, ব্যৱসায়ী আদিয়ে ক্ৰমশঃ বৃটিছ শাসনৰ প্ৰতি অসন্তুষ্ট হৈ উঠিল। তেওঁলোকৰ স্বাৰ্থ আৰু ইংৰাজসকলৰ স্বাৰ্থৰ মাজত সংঘাতৰ সৃষ্টি হ'ল। কিয়নো দেশীয় পুঁজিক বৃটিছ পুঁজিয়ে সহজে বাট এৰি দিয়া নাছিল। লগতে মধ্যবিত্তসকলে এইটোও বুজিব পাৰিলে যে ইংৰাজসকলে তেওঁলোকক জনসাধাৰণক পতিয়ন নিয়াবৰ বাবেহে ব্যৱহাৰ কৰিছিল। ইয়াৰ আগলৈকে তেওঁলোক বৃটিছ ভক্তিত গদ গদ হৈ আছিল। অসম সাহিত্যসভাৰ প্ৰথম গৰাকী সভাপতি ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱাই প্ৰথম বিশ্বযুদ্ধৰ সম্পৰ্কত কৈছিল, "আমাৰ বিশেষ আনন্দ এয়ে যে, এই কালান্তক মহাৰণৰ সামৰণিত আমাৰ পক্ষৰেই জয় আৰু আমাৰেই গৌৰৱ লাভ হ'ল।...... আমাৰ ভাৰতবৰ্ষত শান্তি উৎসৱ বিৰাট আয়োজনেৰে পতা হৈছিল। ........... আজি তাৰ সুখ সোঁৱৰণীৰ সোণাময় ছেগত, আহক আমি ৰাজভক্ত অসমীয়া প্ৰজাই উৰ্দ্ধবাহু হৈ উবুৰিয়াই আমাৰ ৰজা, ৰাণী আৰু ৰাজপৰিয়াললৈ আন্তৰিক প্ৰীতি ভক্তি জনাও আৰু ঈশ্বৰৰ চৰণত সিবিলাকৰ দীৰ্ঘজীৱন আৰু জয় যুগুতি কামনা কৰোঁহক।" এনে উদাহৰণ আৰু অনেক আছে। কিন্তু এই মধ্যবিত্তসকলেই যেতিয়া ইংৰাজশাসনৰ প্ৰতি বিতুষ্ট হৈ উঠিল বুজিব লাগিব যে এওঁলোকৰ শ্ৰেণীগত স্বাৰ্থত বৃটিছ সকল হেঙাৰ হৈ থিয় দিছে। এওঁলোকক বৃটিছৰ প্ৰতি থকা অসমীয়া জনসাধাৰণৰ ক্ষোভক একত্ৰিত কৰিছিল আৰু ইয়েই অসমত জাতীয়তাবাদৰ জন্ম দিছিল। সেয়েহে এই জাতীয়তাবাদক আমি কেতিয়াও সুস্থ জাতীয়বাদ বুলি ক'ব নোৱাৰো। মধ্যবিত্তসকলৰ সপোন আছিল শাসনভাৰ নিজৰ হাতলৈ আনি নিজ স্বাৰ্থসমূহ পূৰণ কৰা। ভাৰতীয় মধ্যবিত্ত শ্ৰেণীটোৰ সচেতন প্ৰয়াসৰ ফলতে ভাৰতৰ শাসনভাৰ এক বুৰ্জোৱা শ্ৰেণীৰ হাতলৈ গ'ল। অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে স্বাধীন ভাৰতৰ সকলো সা-সুবিধা হস্তগত কৰিলে।

দেখা গৈছে যে মধ্যবিত্ত শ্ৰেণীটোৱে অতি কৌশলৰে শ্ৰেণীগত স্বাৰ্থসমূহ পূৰণ কৰি আহিছে। শিল্পায়নৰহিত অসমৰ সীমিত সা-সুবিধাসমূহ কুক্ষিগত কৰাত যাতে কোনেও হেঙাৰ স্বৰূপে ঠিয় দিব নোৱাৰে, তাৰ নিমিত্তেই জনজাতীয় জনসাধাৰণৰ বৈষয়িক বুদ্ধি উন্নত হ'ব নোৱাৰাকৈ অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে তেওঁলোকক অৱদমিত কৰি ৰাখিছে। অৰ্থাৎ ক'বলৈ গলে অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে অন্যান্য ক্ষুদ্ৰ জনগোষ্ঠীৰ মধ্যবিত্ত শ্ৰেণীক নিজৰ প্ৰতিদ্বন্দ্বী বুলি গণ্য কৰে। শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণ জনজাতি অধ্যুষিত এলেকাসমূহত যাতে বহলভাৱে নহয়, তাৰ প্ৰতি এই শ্ৰেণীটোৱে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। তথাপিতো অতি লেহেমীয়া গতিত হোৱা উন্নয়নৰ সুবিধাকন গ্ৰহণ কৰি জনজাতীয়সকলৰ পৰা যিসকল শিক্ষা-দীক্ষাৰে আগবাঢ়ি গ'ল তেওঁলোকেই নিজ নিজ জনজাতিৰ মাজত এটা সজাগ মধ্যবিত্ত শ্ৰেণী গঢ়ি তুলিলে। উদ্দেশ্য- বিভিন্ন সুবিধাসমূহ ভোগ কৰিবলৈ অসমীয়া ভাষী মধ্যবিত্তসকলৰ দ্বাৰা সন্মুখীন হ'ব লগা হোৱা বৈষম্যমূলক আচৰণৰ তীব্ৰ প্ৰত্যাহবান জনোৱা। লাহে লাহে তেওঁলোকৰ স্থিতি সৱল হৈ আহিল। জনজাতীয় মধ্যবিত্তসকলে এইটোও বুজিব পাৰিলে যে তেওঁলোকৰ আশা-আকাংক্ষা সমূহ পূৰণ হ'বলৈ হ'লে অসমীয়াভাষী মধ্যবিত্তশ্ৰেণীটোৰ পৰা তেওঁলোকে মুক্তি লাভ কৰিবই লাগিব। এওঁলোকৰ উদ্যোগতে সৰ্বসাধাৰণ জনজাতীয় ৰাইজেও বুজিব পৰা হ'ল যে দীৰ্ঘদিন ধৰি তেওঁলোকে বৰককাইৰ ভাও ধৰা অসমীয়া সকলৰ দ্বাৰাই শোষিত হৈ আহিছিল। এইদৰেই এই ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ মাজত জাতীয় চেতনা জাগৰিত হ'ল। প্ৰত্যেক জনগোষ্ঠীৰে নিজক বিকাশ কৰাৰ বাবে অধিকাৰ আছে আৰু এই বিকাশৰ স্বাধিকাৰ সংগ্ৰামযোৰেই হ'ল অসমৰ জনজাতীয় ৰাইজৰ আন্দোলনসমূহ।

অসমৰ বিভিন্ন জনজাতি সকলৰ সমস্যাসমূহ দীৰ্ঘদিন ধৰি উপেক্ষিত হৈ অহাৰ বাবে সমস্যাসমূহে এক জটিল ৰূপ ধাৰণ কৰিলে। ইয়াৰ বাবে তেওঁলোকে অসমীয়া শাসকশ্ৰেণীকে জগৰীয়া কৰে। জনজাতীয় ৰাইজ আৰু শাসক পক্ষৰ মাজত মানসিকভাৱে এক অলংঘ্য প্ৰাচীৰ গঢ়ি উঠিল।

অসমীয়া জনজাতীয় ৰাইজ জীৱিকাৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰশীল। বৃটিছ শাসনৰ আগলৈকে জনজাতীয় এলেকাসমূহত কেৱল তেওঁলোকেহে খেতি কৰিছিল। বিংশ শতিকাৰ আৰম্ভণিৰে পৰা অসমলৈ ব্যাপক হাৰত বংগদেশৰ পৰা প্ৰব্ৰজন ঘটিবলৈ আৰম্ভ কৰিলে। ১৯০১ চনতে প্ৰায় পাঁচ লাখ প্ৰব্ৰজনকাৰী বংগদেশৰ পৰা অসমলৈ আহিছিল। তাৰপিছৰে পৰা নেৰানেপেৰাকৈ অসমলৈ প্ৰব্ৰজনকাৰীৰ সোঁত ববলৈ আৰম্ভ কৰিলে, প্ৰব্ৰজনকাৰীসকলে বসতিৰ বাবে কমবসতিপূৰ্ণ আৰু লগতে উৰ্বৰা মাটিৰ জনজাতীয় এলেকাসমূহ বাছি ল'লে। উজনি অসমত খাৰুৱা তেল আৰু কয়লাৰ উদঘাটন ঘটে জনজাতীয় অধ্যুষিত এলেকাসমূহতে। ইংৰাজ সকলে চাহ খেতিৰ বাবে নিৰ্বাচন কৰে এই এলেকা সমূহকেই। খাৰুৱাতেল আৰু কয়লাৰ খনিসমূহে, চাহ খেতিয়ে উজনিৰ জনজাতীয় এলেকা সমূহৰ বিস্তৰ অঞ্চল দখল কৰিলে। আকৌ বানপানীৰ ফলত হোৱা গৰাখহনীয়াত মাটি হেৰুৱা সকলৰ অধিকাংশই জনজাতীয় লোক। এইদৰেই জনজাতিসমূহৰ ভূমি সমস্যাৰ পটভূমি গঢ় লৈ উঠিছিল। প্ৰথম অৱস্থাত জনসংখ্যা কম হোৱাৰ বাবে সমস্যাৰ উত্তৱ হোৱা নাছিল। কিন্তু জনসংখ্যা বাঢ়ি অহাৰ লগে লগে জনজাতিসমূহে তীব্ৰ ভূমি সমস্যাৰ সন্মুখীন হ'ল। অসমীয়া ভূস্বামী, মাৰোৱাৰী আদিৰ প্ৰৰোচনাত আৰ্থিক সংকটত ভোগা জনজাতীয় লোকসকলে সাময়িক আৰ্থিক স্বচ্ছলতাৰ প্ৰলোভনত পৰি,

পানীৰ দামতে মাটি বিক্ৰী কৰিছিল। ভূমিৰ লেনদেন এটা ডাঙৰ ব্যৱসায় হৈ পৰিছিল। উজনিৰ জনজাতিসকলৰ ক্ষেত্ৰত এই ভূমি সমস্যা ইমানেই তীব্ৰতৰ হৈ উঠিল যে বহুতো জনজাতীয় লোকে অসমৰ পৰা প্ৰতিবেশী ৰাজ্যকেইখন আনকি ম্যানমাৰলৈও প্ৰব্ৰজন ঘটিল। খামতি, খাময়াং, তুৰুং, আইতনীয়া আদি জনগোষ্ঠীৰ লোকৰ সংখ্যা কমি আহিছে আৰু এই জনগোষ্ঠী সমূহৰ অস্তিত্বৰ প্ৰতিয়ে ভাবুকিৰ সৃষ্টি হৈছে।

জনজাতীয় ৰাইজৰ ভূমি সমস্যা তীব্ৰতৰ হৈ অহাৰ লগে লগে তেওঁলোকৰ নিজস্ব এলেকাৰ খেতিমাটিয়েই পৰ্য্যাপ্ত নোহোৱা হ'ল। খেতিমাটিৰ বাবে তেওঁলোকে অসমৰ বিভিন্ন প্ৰান্তলৈ যাব লগা হ'ল। একোটা নিৰ্দিষ্ট অঞ্চলত সীমাবদ্ধ থকা জনজাতীয় ৰাইজ সমগ্ৰ অসমৰ বিভিন্ন অঞ্চলত সিঁচৰিত হৈ পৰিল। অসমৰ জনবিন্যাসত বিপুল পৰিবৰ্তন ঘটিল। জনজাতিসকলৰ হ'ব পৰা ভূমি সমস্যা সন্দৰ্ভত ১৯১৬ চনতে চিন্তা চৰ্চা কৰা হৈছিল। লাইন প্ৰথাৰ প্ৰচলন কৰা হৈছিল। কিন্তু লাইন প্ৰথাৰ আসোঁৱাহ আৰু কৰ্তৃপক্ষৰ অক্ষমতাৰ ফলত ভূমি সমস্যাই ক্ৰমান্বয়ে ভয়াবহ ৰূপহে ধাৰণ কৰিলে। স্বাধীনতাৰ পিছত গোপীনাথ বৰদলৈৰ তৎপৰতাত ১৯৪৭ চনত সৰ্বমুঠ ৩৩ টা জনজাতীয় আৰেষ্টনী (বেল্ট) আৰু খণ্ড (ব্লক) গঠন হ'ল। উদ্দেশ্য হ'ল এই জনজাতীয় সকলৰ ভূমি বহিৰাগতৰ পৰা ৰক্ষণাবেক্ষণ দিয়াৰ লগতে ভূমি হস্তান্তৰত বাধা প্ৰদান। অসম ভূমি আৰু ৰাজহ আইন, ১৮৮৬ সংশোধন কৰি 'লাইন প্ৰথা'ৰ ওপৰত ভিত্তি কৰি গঠন কৰা এই আৰেষ্টনী আৰু খণ্ড সমূহত আইনৰ সুৰুঙা লৈ অজনজাতীয় লোকৰ প্ৰৱেশ ঘটিল। এই আইনেই উপায়ুক্তৰ হাতত বিশেষ কামৰ বাবে মাটি আবণ্টনৰ আৰু বিশেষ খেতিৰ বাবে অজনজাতীয়কো মাটি আবণ্টনৰ অধিকাৰ দিয়ে। আন নালাগে ৰাজনৈতিক নেতাসকলৰ উদ্যোগতেই দেশ বিভাজনৰ পিছত অসমলৈ অহা শৰণাৰ্থীসকলক জনজাতীয় এলেকাসমূহত সংস্থাপন দিছিল। ইয়াৰ লগত জড়িত হৈ আছিল নেতাসকলৰ ৰাজনৈতিক ভৱিষ্যত। জনজাতীয় আৰেষ্টনী আৰু খণ্ডসমূহ গঠন কৰা নকৰা একেটাই হৈ পৰিল। তাতে গোপীনাথ বৰদলৈদেৱৰ মৃত্যুৰ পাছত জনজাতিসকলৰ প্ৰতি তেখেতৰ দৰে সদিচ্ছা থকা নেতাৰো অভাৱ ঘটিল।

জনজাতীয় ৰাইজৰ ভূমি সমস্যা বাঢ়ি যোৱাৰ লগে লগে তেওঁলোকৰ ক্ষোভো বাঢ়ি গৈছিল। তাৰ প্ৰতি লক্ষ্য ৰাখি ১৯৬০ চনত বে-আইনী ভূমি হস্তান্তৰ ৰোধ কৰিবলৈ ভাৰত চৰকাৰে গঠন কৰি দিয়া 'ধেবৰ কমিচনে' জনজাতি লোকৰ ভূমি হস্তগত কৰালোকক ক্ষতিপূৰণ বা বিনা ক্ষতিপূৰণৰে জনজাতি লোকসকলক ওভটাই দিবৰ বাবে উপায়ুক্তৰ হাতত বিশেষ ক্ষমতা প্ৰদান কৰিব লাগে বুলি মত পোষণ কৰিছিল। কিন্তু এই পৰামৰ্শও কাৰ্যকৰী কৰা নহ'ল। ১৯৬৭ চনত ভাৰত চৰকাৰে বিক্ষুব্ধ জনগোষ্ঠী সমূহৰ সমস্যা সমাধানৰ বাবে অসমক ফেডাৰেল আৰ্হিত গঠনৰ প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱ অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে অখণ্ডতাৰ প্ৰশ্ন তুলি কৰা প্ৰৱল প্ৰতিবাদৰ ফলত কাৰ্যকৰী কৰা নহ'ল। সত্তৰৰ দশকত মালচন্দ্ৰ পেগুৰ সভাপতিত্বত গঠন কৰি দিয়া এখন সমিতিৰ প্ৰতিবেদনত প্ৰতীয়মান হয় যে উদক ভেটাৰখীয়া পতা হৈছিল। দায়িত্বত থকা বিষয়া কৰ্মচাৰীসকলৰ দুৰ্নীতি আৰু আইন ভংগৰ বাবে দিয়া উঁচটনিয়ে জনজাতীয় আৰেষ্টনী আৰু খণ্ডসমূহ গঠন কৰাৰ অৰ্থ নাইকিয়া কৰি তুলিলে। ১৯৯১ চনৰ ড° ভূপিন্দৰ সিং সমিতিৰ বক্তব্য মতেও ভূ-সম্পত্তিৰ পৰা অপসাৰণেই জনজাতি সকল বিতুষ্ট হোৱাৰ অন্যতম কাৰণ।

জনজাতিসমূহৰ বাবে ভূমি সমস্যা এক প্ৰধান সমস্যা হৈ পৰিল। গোপীনাথ বৰদলৈৰ পাছত কোনো এজন মুখ্যমন্ত্ৰীৰে ভূমি সমস্যা সমাধানৰ বাবে সদিচ্ছা থকা দেখা পোৱা নাযায়।

জনজাতিসমূহৰ মাজত ক্ৰমে নিবনুৱাৰ সমস্যাইও গঢ় লৈ উঠে। চাকৰিৰ ক্ষেত্ৰত দেখা যায় যে জনজাতীয় সকল নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈছে। ১৮৯১ চনতে বড়ো কছাৰীৰ মাজত শিক্ষিত লোকৰ সংখ্যা আছিল ২৫৭৭ জন। কিন্তু ১৯৩০ চন পৰ্যন্ত এজন বড়োৱেও চৰকাৰী চাকৰি লাভ কৰা নাছিল। সেইসময়ত হয়তো চাকৰিৰ প্ৰতি সকলো আকৰ্ষিত নহৈছিল। তথাপিও এজনো চৰকাৰী চাকৰিয়াল নথকাটোৱে বড়োসকল যে বঞ্চিত হৈছিল তাকেই সূচায়, চাকৰিৰ বাবে দিয়া বিজ্ঞাপনত ভাল বংশৰ হোৱাটো এক অন্যতম চৰ্ত আছিল। অন্য নালাগে চতুৰ্থ বৰ্গৰ চাকৰিতো জনজাতীয় লোকতকৈ অন্য জনগোষ্ঠীৰ লোকক বেছি প্ৰাধান্য দিয়া হৈছিল। স্বাধীনতাৰ পিছত জনজাতীয়সকলৰ বাবে ১০% চাকৰি সংৰক্ষণ কৰা হৈছিল। কিন্তু ১৯৮৯ চনতো ৮.৯৯ শতাংশ লোকহে চৰকাৰী চাকৰিত নিযুক্ত হৈছিল। অৰ্থনৈতিক অনগ্ৰসৰতাৰ মাজত নিবনুৱা সমস্যাত ভোগা জনজাতীয় লোকসকলে অসমীয়া ভাষী সকলৰ বাবেই তেওঁলোক প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈছে বুলি ভাৱে। ঠিকা-ঠুকুলি, ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো তেওঁলোক বহু পিছ পৰি আছে। তেওঁলোকৰ অনভিজ্ঞতাৰ বাবে এনে হৈছে যেন ধাৰণা হ'লেও ঠিকা-ঠুকলিৰ ক্ষেত্ৰত তেওঁলোকক বঞ্চিত কৰি অসমীয়া মধ্যবিত্তই যে কুক্ষিগত কৰিছিল সেইয়া সত্য।

নিজ ভূমিৰ পৰা অপসাৰিত হৈ সন্মুখীন হোৱা ভূমি সমস্যা, চাকৰি-ব্যৱসায় আদিৰ ক্ষেত্ৰত প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ জনজাতীয়সকলৰ অৰ্থনৈতিক অৱস্থা অতি শোচনীয় হৈ পৰিল।

আৰ্থিক জুৰুলতাই জনজাতিসমূহক আন্দোলনৰ পথ লোৱাত ইন্ধন যোগাইছে সঁচা। কিন্তু জনজাতীয় জনসাধাৰণক ভাষা-সাহিত্য-সংস্কৃতিজনিত স্পৰ্শকাতৰ বিষয়হে বেছি আৱেগিক কৰি তুলি আন্দোলনমুখী কৰি তুলিছে। তেওঁলোকে সন্মুখীন হ'ব লগা সামাজিক বঞ্চনাৰ বাবেহে তেওঁলোক উত্তেজিত হৈ আন্দোলনৰ পথ ল'লে। অসমীয়াভাষী-মধ্যবিত্ত শ্ৰেণীৰ মনত থকা উচ্চাত্মিকা মনোভাৱ জনজাতীয় সকলক ক্ষুণ্ণ কৰি তুলিছিল। গুণাভিৰাম বৰুৱাৰ দৰে ব্যক্তিয়েও জনজাতি সমূহক বুজাবলৈ 'ইতৰ' শব্দৰ প্ৰয়োগ কৰিছিল। মেদিনী চৌধুৰীয়ে 'অসম আন্দোলন আৰু জনগোষ্ঠীগত সমস্যা" শীৰ্ষক প্ৰৱন্ধত উল্লেখ কৰিছে যে আনন্দৰাম ঢেকীয়াল ফুকনে ঘৰত ৰখা একমাত্ৰ কছাৰী বন্ধুৰাজনক অনা-অসমীয়া পিয়ন চকীদাৰৰ দৰে সম ব্যৱহাৰ কৰা নাছিল। এনে ব্যৱহাৰে জনজাতি লোকক স্বাভাৱিকতে বিক্ষুব্ধ কৰি তুলিছিল।

অসমত হিন্দুত্বৰ ধাৰণাই গা কৰি উঠাৰ লগে লগে বুজন সংখ্যক অনা হিন্দু জনজাতি লোকে হিন্দু ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল। কিয়নো ভাৰতীয় হিন্দুত্বৰ ধাৰণাৰ বাহিৰত জনজাতি সমূহৰ জীৱন-প্ৰণালী হোৱা বাবে এওঁলোকে

নানা ক্ষেত্ৰত বঞ্চনাৰ সন্মুখীন হ'ব লগা হৈছিল। এডৱাৰ্ড গেইটৰ মতে অসমৰ হিন্দুসকলৰ ৮০ শতাংশই পূৰ্বতে অনা হিন্দু জনজাতি লোক আছিল। যিসকল জনজাতি হিন্দুধৰ্মত দীক্ষা নললে তেওঁলোকে উচ্চবৰ্ণ হিন্দু প্ৰাধান্য অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ দ্বাৰা অনাদৃত হৈ থাকিল।

মননশীল নিবন্ধকাৰ, অসমৰ জনগোষ্ঠীগত সমস্যাৰ ওপৰত বিশেষভাৱে চৰ্চা কৰা ইন্দিবৰ দেউৰীৰ মতে, অসমীয়া সকলৰ সৰ্বব্যাপ্ত অন্যনতাৰ নীতিৰ বাবে জনজাতিসকল ক্ষুব্ধ হৈ উঠিছে। উদাহৰণস্বৰূপে অসম চুক্তিত উল্লেখ থকা অসমীয়া (Assamese) শব্দৰ কোনো ব্যাখ্যা নথকাৰ সুযোগ লৈ অসম আন্দোলনৰ পুৰুধাসকলে অসমীয়াভাষী সকলক অগ্ৰাধিকাৰ দি অন্য জনগোষ্ঠী সমূহক ক্ষুন্ন কৰি তুলিলে। অসম চুক্তিৰ পূৰ্বে আন্দোলনৰ নেতাসকলে জনজাতি জনগোষ্ঠীসমূহৰ আলোচনাৰ আহ্বানক অগ্ৰাহ্য কৰাৰ বাবেই এনে হবলৈ পলে। ১৯৮৭ চনত সদৌ বড়ো ছাত্ৰ সন্থাই প্ৰধানমন্ত্ৰীক দিয়া স্মাৰক পত্ৰত অসম চুক্তিৰ ছয় নং দফাত অসমীয়া জাতিৰ সাংস্কৃতিক, সামাজিক, ভাষিক স্বকীয়তা আৰু ঐতিহ্য ৰক্ষণ, সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে থকা সুবিধাৰ সুযোগ গ্ৰহণ কৰি তেওঁলোকৰ ওপৰত অগনতান্ত্ৰিক ভাৱে অসমীয়া ভাষা জাপি দিয়া বুলি অভিযোগ উত্থাপন কৰিছিল।

অসমৰ জনজাতিসমূহৰ ক্ষেত্ৰত দেখা গৈছিল যে মূল অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ সুঁতিটোৰ প্ৰতি বৈৰী মনোভাৱ পোষণ কৰাটো বাদেই, গ্ৰহণ কৰিবলৈহে চেষ্টা কৰিছিল। অসমীয়া ভাষাটোক সকলোৱে উমৈহতীয়া সংযোগী ভাষা হিচাপেও গ্ৰহণ কৰিছিল। কিন্তু অসমীয়া জাতীয়তাবাদী সকলৰ ধাৰণা এনে আছিল অসমীয়া ভাষা, সংস্কৃতি গ্ৰহণ কৰাটো জনজাতিসমূহৰ দায়িত্ব আৰু কৰ্তব্য। কিন্তু তাৰ বিনিময়ত তেওঁলোকৰ ভাষা-সংস্কৃতিৰ প্ৰতি প্ৰদৰ্শন কৰিবলগীয়া নূন্যতম সন্মানকনো প্ৰদৰ্শন কৰিবলৈ তেওঁলোক ৰাজী নাছিল। এওঁলোকৰ সংকীৰ্ণতাই জনজাতিসমূহৰ ভাষা-সাহিত্য-সংস্কৃতিৰ স্বাভাৱিক বিকাশত বাধা প্ৰদান কৰিছিল। অসম সাহিত্য সভাৰো ভূমিকা যথেষ্ট হতাশাজনক। 'অসমীয়া ভাষাক অসমৰ পৰ্বতে-কন্দৰে সকলোৱে গ্ৰহণ কৰিব পৰাকৈ বহুলভাৱে প্ৰচাৰিত কৰাৰ দৰে আগ্ৰাসী-নীতিয়ে অন্যান্য জনগোষ্ঠী সমূহৰ আত্মসন্মানত নিশ্চিত ভাৱে আঘাট কৰিছিল। ১৯৩৪ চনৰ অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনত আনন্দচন্দ্ৰ আগৰৱালাই সভাপতিৰ আসনৰ পৰা কৈছিল," এখন দেশৰ সকলো মানুহে একে ভাষা ভাষী নহ'লে জাতীয়তা গঠন কৰাটো টান।" উচ্চবৰ্ণৰে গঠিত মধ্যবিত্ত শ্ৰেণীটোৱে জনজাতিসকলক, তেওঁলোকৰ ভাষা-সাহিত্য সংস্কৃতি 'নীচ' বুলি নিলগাই ৰাখি তেওঁলোকৰ লগত থকা আমাৰ আত্মিক সম্পৰ্কৰ বান্ধোন ছিঙি পেলালে।

এনেধৰণৰ অৰ্থনৈতিক সামাজিক বঞ্চনাৰ ভিত্তিতে অসমৰ জনজাতি আন্দোলনসমূহৰ প্ৰেক্ষাপট গঢ়ি উঠিল। অসমৰ প্ৰভূত্বশালী উচ্চবৰ্ণ হিন্দুসকলৰ কৰ্তৃত্বশীল স্বভাৱ আৰু তেওঁলোকৰ আশা আকাংক্ষাসমূহ পূৰণৰ স্বাৰ্থত জনজাতিসকলক অৱদমিত কৰি ৰখাৰ মনোভাৱৰ বিৰুদ্ধে প্ৰথমে সংগঠিত ভাৱে মাত মাতে আহোম এচছিয়েশ্যনে। ১৮৯৩ চনৰ ১৩ মেত জন্ম হোৱা এই সংগঠনটোৱে অসম কংগ্ৰেছক বৰ্ণ হিন্দুলীগ আখ্যা দি অৱদমিত হিন্দু-মুছলমান সমন্বিতে সকলো জনগোষ্ঠী সংঘবদ্ধহৈ বৰ্ণ হিন্দুৰ আধিপত্যৰ বিৰুদ্ধে থিয় দিবলৈ আহ্বান জনাইছিল। একেদৰে বিভিন্ন জনগোষ্ঠীয়ে নিজ নিজ গোষ্ঠীৰ বিকাশৰ অৰ্থে গোষ্ঠীভিত্তিক সংগঠন কেতবোৰ গঢ়ি তুলিলে। ১৯১২ চনত কোচ-ৰাজবংশী ক্ষত্ৰিয় সন্মিলন, ১৯২৩ চনত বড়ো-কছাৰী মহাসন্মিলন, ১৯২৫ চনত আসাম চুতীয়া সন্মিলন স্থাপিত হয়। ইয়াৰ পিছতো সদৌ দেউৰী সন্মিলন, আসাম কছাৰী সন্মিলন, আসাম-বড়ো সন্মিলন, আসাম মিৰি সন্মিলন, সদৌ অসম লালুং সন্মিলন, সদৌ অসম মটক সন্মিলন আদি জনগোষ্ঠী সংগঠন গঠিত হৈ জনজাতিসমূহৰ বিকাশৰ অৰ্থে কাম কৰি যায়। ১৯১৫ চনত কালীচৰণ ব্ৰহ্মাৰ উদ্যোগত বড়ো ছাত্ৰ সন্থা স্থাপিত হয়। সেই সময়ৰ জনজাতিসকলৰ ভিতৰত কেইজনমান উল্লেখযোগ্য নেতা হ'ল ভীমবৰদেউৰী, যাদৱ চন্দ্ৰ খাখলাৰী, কালীচৰণ ব্ৰহ্মা, ৰূপনাথ ব্ৰহ্মা, মদাৰাম ব্ৰহ্মা আদি। ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনৰ যোগেদি প্ৰচলিত হোৱা দ্বৈত শাসন ব্যৱস্থাত বিধান পৰিষদত জনজাতি সকলৰ কোনো সদস্য নাছিল বাবেতেওঁলোকৰ অভাৱ অভিযোগসমূহে সিমান এটা গুৰুত্ব লাভ কৰা নাছিল। বড়োসকলে ১৯২৯ চনত চাইমন কমিচনক দিয়া স্মাৰক পত্ৰত স্থানীয় মণ্ডলী আৰু প্ৰাদেশিক বিধান পৰিষদত জনসংখ্যাৰ অনুপাতে সুকীয়া আসন আৰু ভাৰতীয় বিধান সভাত এখন আসনৰ দাবী উত্থাপন কৰিছিল। প্ৰথমবাৰৰ বাবে জনজাতি লোকে ৰাজনৈতিক অধিকাৰৰ দাবী উত্থাপন কৰিলে।

১৯৩৩ চনত ভীমবৰ দেউৰী, ৰূপনাথ ব্ৰহ্মা আদি জনজাতি নেতাৰ নেতৃত্বত টাইব্ৰেল লীগ নামৰ এটা উমৈহতীয়া জনজাতীয় সংগঠনৰ জন্ম হয়। লীগৰ নীতি আছিল, 'চলি থকা গভৰ্নমেন্ট আমাৰ শিক্ষা আৰু আৰ্থিক অৱস্থাৰ উন্নতিৰ কাৰণে কাম কৰিলে আৰু আমাৰ সমূহ স্বাৰ্থৰ বিৰুদ্ধে গ'লে সেই গৰ্ভণমেন্টক সমৰ্থন কৰা। অতি দূৰৰ এটা আদৰ্শ লৈ চলিত গভৰ্ণমেন্টৰ বিৰুদ্ধে আন্দোলন কৰি আমাৰ পিছপৰা অৱস্থা দূৰ কৰিবৰ কাৰণে চলিত গভৰ্ণমেন্টে কৰিব খোজা কাম বা দিয়া সুবিধাবিলাক হেৰুৱাই লৈ চিৰকাল পিছপৰা হৈ থাকিবৰ আমাৰ ইচ্ছা নহয়।" তেওঁলোকৰ মূলদাবী আছিল ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ জৰিয়তে অনগ্ৰসৰ জনজাতিসমূহৰ বাবে কমপক্ষেও ৭ খন আসন সংৰক্ষিত কৰিব লাগে। লগতে এইক্ষেত্ৰত যাতে জনজাতিসমূহক পৃথক পৃথক ভাৱে গণ্য নকৰে। ৭খন আসনৰ বিপৰীতে ৪ খন আসন তেওঁলোকৰ বাবে সংৰক্ষণ কৰা হ'ল। সমূহ জনজাতিকে এক উমৈহতীয়া গোট হিচাপে লোক পিয়লত পিয়ল কৰাৰ চৰ্ত্তত লীগে গোপীনাথ বৰদলৈ আৰু চাৰ মহম্মদ চাদুল্লাৰ চৰকাৰক ক্ৰমে ১৯৩৮ আৰু ১৯৪০ চনত সমৰ্থন দিছিল।

১৯৪৬ চনত কন্ষ্টিটিউৱেন্ট এছেম্বলিলৈ অসমৰ পৰা পঠোৱা দহজনীয়া দলটোত জনজাতীয় সকলৰ পৰা সৰ্বসন্মত ভাৱে ভীমবৰ দেউৰীক মনোনীত কৰি গোপীনাথ বৰদলৈক জনোৱা হৈছিল যদিও ধৰণীধৰ বসুমতাৰীয়েহে মনোনয়ন পালে। পৰিষদৰ সভাত অসমৰ ভৈয়ামৰ জনজাতিসকলক সংবিধানৰ বৰ্ষ্ঠ অনুসুচীৰ অন্তভূৰ্ক্ত কৰা নহ'ল। কংগ্ৰেছৰ ধৰণীধৰ বসুমতাৰীয়ে নিৰৱ হৈ ৰ'ল। পাহাৰীয়া জনজাতিসকলৰ দৰে ভৈয়ামৰ জনজাতি সকলেও এই সুবিধা লাভ কৰা হ'লে ভৈয়ামৰ জনজাতিসকলৰ আজি ইমান সমস্যাৰ উদ্ভৱ নহ'লহেঁতেন। ভাৰতবৰ্ষৰ স্বাধীনতাই যে

জনজাতিসকলৰ সমস্যাৰ সমাধান কৰিব নোৱাৰি (সদিচ্ছাৰ অভাৱত) সেই কথা স্বাধীনতা লাভৰ আগতেই প্ৰতীয়মান হ'ল। আনহাতে ভীমবৰ দেউৰীৰ মৃত্যুৰ পাছত জনজাতীয় নেতাসকলৰ ৰাজনৈতিক উচ্চাকাংক্ষাৰ ফলত টাইব্ৰেল লীগতো সক্ৰিয়তা কমি আহিল।

স্বাধীনোত্তৰ কালত জনজাতিসমূহৰ ভিতৰত শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি পাই অহাৰ লগে লগে তেওঁলোকৰ উদ্যোগত জনজাতীয় ৰাইজ ক্ৰমান্বয়ে সজাগ হ'ল। জনজাতি, জনগোষ্ঠীসমূহে বিকাশৰ বাবে থকা স্বাধিকাৰৰ কথা বুজি পোৱা হ'ল। ফলত তেওঁলোকৰ স্বাধিকাৰৰ সংগ্ৰামো অধিক শক্তিশালী হ'ল।

অসমৰ জনজাতি সমূহৰ ভিতৰত বড়োসকলৰ জনসংখ্যাই বেছি। মুঠ জনজাতি লোকৰ শতকৰা ৭০ জনেই বড়ো-কছাৰী। ১৯৫২ চনৰে পৰা বড়োসকলে বড়ো ভাষাৰ বিকাশৰ বাবে স্বোচ্চাৰ হৈ আন্দোলনৰ পথ লয়। তাৰ ফলশ্ৰুতিত ১৯৬৩ চনত প্ৰাথমিক বিদ্যালয়ত, ১৯৭১ চনত মজলীয়া বিদ্যালয়ত, ১৯৭৯ চনত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বড়ো ভাষা-সাহিত্যৰ প্ৰচলন হয়। ইপিনে পাহাৰীয়া জনজাতি নেতা সকলে APHLC(All Party Hill Leaders Conference) গঠন কৰে। পৃথক ৰাজ্যৰ দাবীত এওঁলোকে কৰা আন্দোলনৰ ফলত নাগালেণ্ড,মিজোৰাম, মেঘালয়ৰ জন্ম হয়। জনজাতিসমূহৰ বাঢ়ি অহা ক্ষোভৰ প্ৰতি লক্ষ্য ৰাখি ইন্দিৰা গান্ধী চৰকাৰে 'ফেডাৰেল আৰ্হি'ত অসমক গঠন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। কিন্তু বৰ্ণ হিন্দু প্ৰাধান্য অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে ইয়াক একেবাৰে নাকচ কৰে। এনেধৰণৰ কাৰ্য্যত অতিকে ক্ষুণ্ণ হৈ ১৯৬৭ চনতে 'অসম ভৈয়াম জনজাতি পৰিষদ, PTCA, গঠিত হয়। PTCA অৱশ্যে কেৱল বড়ো অধ্যুষিত অঞ্চলতহে সক্ৰিয় আছিল। এই সংগঠনৰ নেতাসকলৰ উগ্ৰতাৰ বাবে উগ্ৰ বড়ো জাতীয়তাবাদৰ জন্ম হয়। কেন্দ্ৰীয় শাসিত ৰাজ্য উদয়াচলৰ দাবীত কৰা PTCA ৰ আন্দোলন কিছুসংখ্যক ৰাজনৈতিক নেতাৰ উচ্চাকাংক্ষাৰ বাবে আৰু ১৯৭২ চনত বড়ো সাহিত্য সভাৰ ৰোমান লিপিৰ দাবীত কৰা আন্দোলনৰ ফলত ক্ৰমাৎ স্তিমিত হৈ পৰে। সংসদী ৰাজনীতিত প্ৰৱেশ কৰি পৰিৱদে জনতা দলৰ সংযুক্ত মন্ত্ৰীসভাত আৰু কংগ্ৰেছৰ সংযুক্ত মন্ত্ৰীসভাত যোগদান কৰে। কিন্তু জনজাতীয় সকলৰ সমস্যা সমাধানৰ বাবে কোনো কাৰ্যকৰী পদক্ষেপ লোৱাৰ বাবে উদ্যোগ ন'ললে।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত হোৱা অসম আন্দোলনত জনজাতিসকলে পূৰ্ণভাৱে সঁহাৰি জনাইছিল। তেওঁলোকৰ আশা আছিল এই বাৰ অসমৰ জনসাধাৰণৰ মাজত এক জাগৰণৰ সৃষ্টি হৈছে আৰু তেওঁলোকৰ এলেকাত বসতি অবৈধ অনুপ্ৰৱেশকাৰী সকলৰ পৰা মুক্ত হ'ব। কিন্তু আন্দোলনৰ মাজত আছুৱে জনজাতিসকলৰ বাবে থকা বিশেষ সংৰক্ষণ ব্যৱস্থাৰ বাতিলৰ দাবী জনায়। ইয়াৰ পাছত শাসনলৈ অহা অগপ চৰকাৰে ১৯৮৬ চনত এক নিৰ্দেশ জাৰী কৰি অসমীয়া ভাষাক বাধ্যতামূলক অসমীয়া ঐচ্ছিক বিষয় হিচাপে ঘোষণা কৰে। যি অনাঅসমীয়াভাষী ছাত্ৰ-ছাত্ৰীৰ বাবে বোজাস্বৰূপ হৈ পৰে। আকৌ চাকৰি প্ৰাৰ্থী সকলৰ বাবে অসমীয়া ভাষা জনাটো বাধ্যতামূলক কৰি বড়োসকলৰ বড়োভাষাক ৰাজ্যিক পৰ্য্যায়ত চৰকাৰী সহযোগী ভাষা হিচাপে ঘোষণা কৰাৰ দাবীক চৰকাৰে বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰিলে।

জনজাতীয় নেতৃত্বৰ মোহভংগ হ'বলৈ বেছিদিন নালাগিল। ১৯৮৬-৮৮ চনত সাৰ্বভৌম ৰাষ্ট্ৰ, পৃথক ৰাজ্য, স্বায়ত্বশাসিত অঞ্চলৰ দাবীত বড়োসকলে পৃথক পৃথক আন্দোলন আৰম্ভ কৰে। কাৰবি-ডিমাচাসকলে স্বায়ত্বশাসিত ৰাজ্যৰ দাবী, মিচিং-ৰাভাসকলে স্বায়ত্বশাসিত জিলা পৰিষদৰ দাবী, তিৱা সকলে স্বায়ত্ব শাসিত জিলাৰ দাবী উত্থাপন কৰে। এই সময়খিনিত বড়ো আৰু কাৰবিসকলে আন্দোলন জোৰদাৰ কৰি তুলিলে।

১৯৮৮ চনত উপেন ব্ৰহ্মাৰ নেতৃত্বত পৃথক বড়োৰাজ্যৰ দাবীত আবছুৱে 'Divide Assam fifty fifty' ধ্বনিৰে অসমৰ আকাশ বতাহ মুখৰিত কৰি তোলে। ৯২ দফীয়া দাবী চনদত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ভৈয়ামৰ জনজাতিসকলৰ নিমিত্তে পৃথক ৰাজ্য গঠনৰ দাবী উত্থাপন কৰে। আবছুৰ দৰে অৰাজনৈতিক সংগঠন এটাৰ এনে দাবীয়ে জনজাতিসকলৰ পৰা সঁহাৰি লাভ কৰিলে। ক্ৰমে আন্দোলন শক্তিশালী হৈ আহিল আৰু চৰকাৰেও তেওঁলোকক উপেক্ষা কৰিব নোৱাৰা হ'ল। কেন্দ্ৰীয় চৰকাৰে ১৯৯১ চনত ড° ভূপিন্দৰ সিঙৰ নেতৃত্বত "Expert Committee of the plains tribes of Assam" নামৰ এখন তিনিজনীয়া সমিতি গঠন কৰি দিয়ে। উক্ত সমিতিয়ে দাখিল কৰা প্ৰতিবেদনত জনজাতিসকলৰ লগত শাসক শ্ৰেণীৰ মানসিক ব্যৱধান সমূহ এইদৰে উল্লেখ কৰিছে (a) dispossession of land, (b) disappeareance of forests (c) a slow pace of socio-economic development, (d) persistent backlogs in reservation quotas (e) hegemoric attitudes in culture and language (f) intangible and tangible source of discrimination as psychological aclenationets.

১৯৯৩ চনৰ ২০ ফেব্ৰুৱাৰীত স্বাক্ষৰিত হোৱা বড়ো চুক্তি অনুসাৰে বড়োলেণ্ড স্বায়ত্বশাসিত পৰিষদ গঠন কৰা হয়। পৰিষদৰ হাতত ৩৮ টা বিভাগৰ দায়িত্ব অৰ্পণ কৰা হয়। BSF ৰ দৰে সশস্ত্ৰ সংগ্ৰামী সংগঠনেও স্বায়ত্বশাসিত পৰিষদত যোগ দিছিল। কিন্তু পৰিষদৰ হাতত কেৱল আঁচনি যুগুতোৱাৰহে অধিকাৰ থাকিল। আঁচনি ৰূপায়ণৰ বাবে প্ৰয়োজন হোৱা ধনৰ বাবে পৰিষদে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুখলৈ বাট চাই থাকিব লগা হ'ল। বি.এ.চিৰ সীমা নিৰ্দ্ধাৰণত চৰকাৰৰ কৌশলগত পলম, অৱহেলা আৰু অমনোযোগিতাত অতীষ্ঠ হৈ বড়োসকলে পুনৰ আন্দোলনৰ পথ গ্ৰহণ কৰে। বি এ চিক লৈ এক নিকৃষ্ট ৰাজনীতি চলিল। বড়ো সকলৰ মাজত এতিয়াও আন্দোলনৰ তিনিটা ধাৰা সক্ৰিয় হৈ আছে। আবছু আৰু সহযোগী দলসমূহে বিটিচি (বড়োলেণ্ড টেৰিটৰিয়েল কাউঞ্চিল) বিচাৰে। বি এল টিয়েও পৃথক ৰাজ্য বিচাৰে আৰু এন ডি এফ বিয়ে পৃথক ৰাষ্ট্ৰৰ বাবে সংগ্ৰাম কৰি আহিছে। কাৰবি আংলঙত আলফাৰ সহায়ত কাৰবি নেশ্যনেল ভলন্টিয়াৰ্ছ গঠন হয় আৰু এন.এছ.চি.এনৰ (কে)ৰ অধীনত প্ৰশিক্ষণ লৈ কে.পি.এফ গঠন হয়। ১৯৯৮ চনত দুয়োটা সংগঠন লগ লাগি ইউনাইটেড পিপুলছ ডেমক্ৰেটিক ছলিডাৰেটি (ইউ.পি.ডি.এছ) নামৰ সংযুক্ত সংগঠনটোৰ জন্ম দিয়ে।

জনজাতীয় আন্দোলনসমূহৰ যথেষ্ট

বাস্তৱিক ভিত্তি আছে সঁচা কিন্তু এই আন্দোলনবোৰ একেবাৰে দোষমুক্ত বুলি ক'লেও ভুল হ'ব। আগতেই উল্লেখ কৰা হৈছে জনজাতি সমূহৰ ভিতৰত এটা সবল আৰু সজাগ মধ্যবিত্ত শ্ৰেণীয়ে গঢ়লৈ উঠিছে। কিন্তু এই মধ্যবিত্ত শ্ৰেণীটোৱে প্ৰত্তি পত্তিশালী অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ লগত ফেৰ মাৰিব পৰা নাছিল। এই জনজাতীয় মধ্যবিত্ত শ্ৰেণীটোৱে ভাষা সাহিত্য-সংস্কৃতি জনিত প্ৰশ্নৰে জনগণক আৱেগিক কৰি আন্দোলনমুখী কৰি তোলে। আন্দোলনৰ নেতৃত্ব মধ্যবিত্ত শ্ৰেণীটোৰ হাততে থাকিল। মধ্যবিত্তীয় বৈশিষ্ট অক্ষুণ্ণ ৰাখি নিজৰ শ্ৰেণীগত স্বাৰ্থক অগ্ৰাধিকাৰ দি কোনো এটা বিশেষ জনজাতিৰ নেতৃত্বই অন্য এটা জনজাতিক বঞ্চিত কৰি নিজে সকলো সা-সুবিধা কুক্ষিগত কৰাৰ চেষ্টা চলালে। তাৰ ফলস্বৰূপে জনজাতিসমূহৰ মাজত গোষ্ঠী সৰ্বস্বতা দেখা গ'ল। প্ৰাক স্বাধীনোত্তৰ কালত জনজাতিসকলে চলোৱা সংহত প্ৰক্ৰিয়া উত্তৰ স্বাধীনতাৰ কালত দেখা নগ'ল। জনজাতিসকলে যৌথ প্ৰচেষ্টা অব্যাহত ৰখা হলে তেওঁলোকৰ সংগ্ৰাম বেছি জোৰদাৰ হ'লহেঁতেন। কিন্তু তাৰ বিপৰীতে জনজাতিসমূহৰ মাজত দেখা দিয়া গোষ্ঠী সৰ্বস্বতাৰ ফলত এটা বিশেষ জনজাতি অধ্যুষিত এলেকাত অন্য লোকৰ জীৱনৰ নিৰাপত্তা নাইকিয়া হ'ল। বড়ো আৰু কাৰবি সকলৰ বিৰুদ্ধে গোষ্ঠী পৰিষ্কৰণৰো অভিযোগ উত্থপিত হৈছে। তেওঁলোকে কৰা নিৰ্বিচাৰ হত্যাই বহুতৰে মনত একে ধাৰণাৰ জন্ম দিছে। বড়োলেণ্ডত আকৌ দুটা ভিন্ন মতক সমৰ্থন কৰা সংগঠনৰ মাজত হোৱা ভ্ৰাতৃঘাতী সংঘৰ্ষই বড়োলেণ্ডতে বড়ো সকলৰে জীৱন অসহনীয় কৰি তুলিছে। সৰ্বসাধাৰণৰ পৰা বল পূৰ্বক ধন দাবীও এক নিয়মীয়া ঘটনা হৈ পৰিছে। সেই বাবেই বড়োলেণ্ডত বাস কৰা অনা বড়ো জনগোষ্ঠীৰ সংগ্ৰামে তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইতিমধ্যে প্ৰস্তাৱিত ব্ৰিটিছৰ বিৰুদ্ধে সম্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতিৰ নেতৃত্বত অনা বড়োসকল সক্ৰিয় হৈ উঠিছে। ক'ব পাৰি জনজাতীয় স্বাধিকাৰৰ সংগ্ৰাম বহুক্ষেত্ৰত ভুল পথ পৰিচালিত হৈছে। সিয়েই নেকি সংগ্ৰাম লক্ষ্যত উপনীত হোৱাত জনজাতিসমূহক বিলম্বিত কৰিছে।

জনজাতীয় আন্দোলনৰ নেতাসকলৰ গণতান্ত্ৰিক মানসিকতাৰ অভাৱৰ ফলত যিধৰণৰ জনসমৰ্থন লাভ কৰিব লাগিছিল সেইধৰণে পৰা নাই। ১৯৮৬-৯২ চনৰ বড়োলেণ্ড আন্দোলনৰ অন্তত ABSU(সদৌ বড়ো ছাত্ৰসস্থা) আৰু BPA (বড়ো জাতি কাৰ্য সমিতি) য়ে বড়োলেণ্ডত বাস কৰা অন্য জনগোষ্ঠী সমূহৰ লগত আলোচনাত মিলিত নহৈ একপক্ষীয়ভাৱে বড়োলেণ্ড চুক্তিত স্বাক্ষৰ কৰে। ৰাভা-হাচং চুক্তি, মিচিং চুক্তি, লালুং-তিৱা চুক্তি স্বাক্ষৰিত হওঁতেও এনেধৰণৰ বিশ্বাসৰ অভাৱে চুক্তি সমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত অধিক জটিলতাৰ সৃষ্টি কৰিলে। ইয়াৰ উপৰিও বৰ্ণ হিন্দু প্ৰভূত্বশালী শ্ৰেণীটোক একমাত্ৰ শত্ৰু বুলি গণ্য কৰি বাকী সকলৈলে পিঠি দিয়াৰ ফলত জনজাতিসমূহ প্ৰকৃত মুক্তিৰ পৰা এতিয়াও বহুদূৰত। কেৱল এইয়াই নহয় সৰ্বসাধাৰণ অসমীয়া ভাষীকো তেওঁলোকৰ শত্ৰু বুলি গণ্য কৰাৰ ফলত অসমীয়া ভাষীৰ পৰা জনজাতিসমূহে পাব লগা সঁহাৰি নাপালে।

জনজাতি সমূহে তেওঁলোকৰ সমস্যাৰ সমাধান কেৱল ৰাজনৈতিক অধিকাৰ সাব্যস্তৰ জৰিয়তেহে হ'ব বুলি অনুভৱ কৰে। জনসংখ্যাৰ অনুপাতে ৰাজনৈতিক প্ৰতিনিধিৰ অভাৱৰ ফলত তেওঁলোকৰ সমস্যাসমূহে সিমান এটা গুৰুত্ব লাভ কৰা নাই। আমিও ভাবো যে ৰাজনৈতিক ক্ষমতাৰ সুষম বন্টনেহে জনজাতীয় সমস্যাৰ সমাধান কৰিব পাৰিব। তাৰ লগে লগে বিত্তীয় ক্ষমতাৰো সুষম বন্টন নিতান্তই প্ৰয়োজন। জনজাতিসমূহক নিজৰ বিকাশৰ, উন্নতিৰ যি অধিকাৰ সেই অধিকাৰ প্ৰদান কৰা উচিত। কিন্তু তাকে কৰিবলৈ যাওঁতে এটা জনগোষ্ঠীক দিয়া অধিকাৰে যাতে আন জনগোষ্ঠীৰ বিকাশৰ স্বাধীনতাত হস্তক্ষেপ নহয় তাৰ প্ৰতি চকু দিয়া নিতান্তই প্ৰয়োজন। লগতে লক্ষ্য ৰখা উচিত যাতে তেওঁলোকৰ সংগ্ৰামে নিৰীহ দৰিদ্ৰ সৰ্বসাধাৰণৰ ক্ষতি নকৰে। এটা জনজাতিয়ে অন্য এটা জনগোষ্ঠীৰ (ক্ষুদ্ৰ হলেও) জাতীয় চেতনাক সন্মান কৰা উচিত। তেহে জনগোষ্ঠীসমূহৰ সমন্বয়ৰ সাকোঁডাল নভঙাকৈ বৈ যাব। জনজাতীয় মধ্যবিত্ত শ্ৰেণীয়ে যাতে জনজাতিসমূহৰ জনসাধাৰণক আঁভুৱা ভৰিব নোৱাৰে তাৰ প্ৰতিও লক্ষ্য কৰা উচিত। এই জনজাতীয় মধ্যবিত্ত শ্ৰেণীটোৰ প্ৰকৃত স্বৰূপ ১৯৬৮ চনতে ওলাই পৰিছিল। গোপীনাথ বৰদলৈৰ চৰকাৰে সৃষ্টি কৰা জনজাতীয় আৱেষ্টনী আৰু খণ্ডসমূহৰ ভিতৰত থকা এতিয়াৰ গুৱাহাটী মহানগৰী আৰু উত্তৰ লক্ষীমপুৰৰ বৃহৎ অংশ অৰ্ন্তভূক্ত আছিল। কিন্তু ১৯৬৮ চনত অজনজাতি লোকৰ বসতিৰ সুবিধাৰ্থে দুয়োখন ঠাইতে এই ব্যৱস্থা বাতিল কৰে। জনজাতি সকলৰ বাবে খাচ ভূমিৰ বন্দোৱস্তিৰ সময়ত জনজতি লোকক অগ্ৰাধিকাৰ দিয়া আছিল যদিও আৰ্থিক দুৰৱস্থাৰ ফলত দুখীয়া জনজাতি লোকৰ ঠাইত কেৱল ধনী জনজাতীয় মধ্যবিত্তীয় শ্ৰেণীয়েহে এই সুবিধা লাভ কৰিলে। প্ৰভাৱশালী জনজাতীয় মধ্যবিত্তই এইবাবেই বৰদলৈ চৰকাৰে প্ৰচলন কৰা ব্যৱস্থা বাতিল হওঁতে প্ৰতিবাদ কৰা নাছিল। গতিকে জনজাতি লোকে নিজৰ মাজতে থকা সুবিধাবাদী মধ্যবিত্ত শ্ৰেণীটোৰ প্ৰকৃত স্বৰূপ অনুধাৱন কৰা উচিত। অন্যথা তেওঁলোকৰ স্বাধিকাৰৰ সংগ্ৰামে মধ্যবিত্ত শ্ৰেণীটোৰ উচ্চাকাংক্ষাকহে পূৰণ কৰিব। অসমীয়া ভাষী সকলেও সম্প্ৰসাৰণবাদী আৰু উচ্চাত্মিকা মনোভাৱ পৰিহাৰ কৰি জনজাতিসমূহক বিকাশৰ অধিকাৰ দিয়া উচিত। আমি সকলোৱে এইটো কথা মনত ৰখা উচিত যে আমাৰ প্ৰধান শত্ৰু এতিয়াও আমাৰ সৰ্বসাধাৰণৰ নজৰৰ বাহিৰত। আমাৰ প্ৰকৃত শোষক দেশী-বিদেশী পুঁজিপতিৰ বিৰুদ্ধেহে আমাৰ প্ৰকৃত সংগ্ৰাম আৰম্ভ হ'ব। তেওঁলোকৰ হাঁতোৰাৰ পৰা মুক্ত হ'ব পাৰিলেহে প্ৰকৃতাৰ্থত আমি প্ৰত্যেক জনগোষ্ঠীয়ে নিজকে বিকশিত কৰি তুলিব পাৰিম। তাৰ বাবে প্ৰত্যেককে প্ৰত্যেকৰে সহায়ৰ হাত প্ৰয়োজন হ'ব। আমাৰ মাজত সঁচা অৰ্থত এডাল সমন্বয়ৰ সাঁকো গঢ়ি তোলাটো খুৱেই প্ৰয়োজনীয়। তাৰ বাবে প্ৰয়োজন হ'ব এক সংহত নান্দনিক প্ৰয়াস।

গ্ৰন্থপঞ্জী ঃ

১/ জনগোষ্ঠীয় সমস্যা ঃ অতীত বৰ্তমান ভৱিষ্যত, ইন্দিৰৰ দেউৰী।
২/ অসমত জাতীয়তাবাদৰ উত্থান প্ৰসংগ, প্ৰফুল্ল মহন্ত।
৩/ অন্বেষণ, ডাঃ ধ্ৰুৱজ্যোতি বৰা
৪/ বিশ্বায়তন, ড° হীৰেণ গোঁহাই
৫/ Medieval and Early Colonial Assam, Amalendu Guha.
৬/ তৰা আৰু বোকা, ড° হীৰেণ গোঁহাই
৭/ অসম আন্দোলন প্ৰতিশ্ৰুতি আৰু ফলশ্ৰুতি।

# NTERDIS-CIPLINARY STUDIES: THE NEW MANTRA

Dr. Rakhee Kalita Moral
Lecturer in English

When I was came across this circular a few months ago inviting papers for an international seminar being hosted by the English Department of a major Indian University in collaboration with a reputed American University to be held in the North east I was at first somewhat baffled. Now, what was I, a teacher of English, going to actually talk about in a forum that discussed identities, global and local, ethnography and the politics of nationality? My readings in literature and history, though having extended over the years to areas wider than those permitted by the white Anglo Saxon literary canon in which I was originally trained, was perhaps not wide enough to accommodate anthropological theory and sociological conjecture about people around us. But the problem of identity was universal, I reasoned, and I could not remain absorbed in eloquent passages of poetry and shut myself in the safety of a rarefied aesthetic world and plead ignorance about more urgent and complex issues closer home. Besides, the question of nations, cultures and classes and the patterns of human movement and organization are infinitely more real and challenging than the exegesis of Romantic poetry or Latin American narrative per se. This does not imply a mechanical layering of social sub texts within a literary work of art for the benefit of adapting it to contemporary theory. The possibilities of relating texts to the resonances of history, to evolving human communities and reading patterns of social transition in them apart from their integral literary value are certainly more attractive and arresting ways of understanding literature.

Literature taught and read for its own sake undeniably affords pleasure, literature seen and interpreted as a mirror of human behaviour and interaction, as a consequence of cultural practices and as testing grounds for the limits of human nature and freedom is, however, far more complete and fulfilling. Literary study is thus increasingly, and more than ever before, displacing its own horizon, extending its purview to territories that may have in the past seemed only remotely connected or simply peripheral to any understanding of literature. The ideal student of literature is now also a student of Humanities in the unrestricted sense of the term, negotiating with the whole range of human sciences, freely wandering across boundaries that separate literature from philosophy, history from anthropology or economics from politics.

Given this space in their literary domain where interventions of cultural, political and social history provide sensitive and more nuanced readings of texts, the scholar or serious student of literature is certainly better equipped to handle questions bearing wider significance to human society, whether they address the problematic of gender, the racial tensions of South Africa, the postcolonial identities of the educated Indian or the conditions of exile faced by refugees in Bosnia. While it may still be adequate for the student to rely on a purely literary explanation of the text, globalisation and the postmodern age in which we live, have produced its own cultural mutants whose easy crossing of classes and mixing of genres demand a fresh postmodern approach. This new perspective was perhaps best summed up by William Spanos, a leading American critic, who founded the literary journal, *boundary 2,* after the Vietnam war in a bid to "get literature back into the domain of the world". The fresh direction in which literary studies seemed poised for suggested a different kin of accommodation between art and society that was to have far reaching implications on the whole business of the writer and his literary imagination. And, perhaps, much more on the traditions of

interpreting and understanding texts. A decade ago, I would not have insisted my students of the post-graduate class reading up the history of Imperialism before undertaking to teach literary theory to them or for instance, getting acquainted with Macaulay's famous Minute of 1835 on Indian education before I lectured them on Third World Literature. Neither would I have urged them to read Jefferson's Declaration of Independence even as I explained passages form American poetry, for, much as I understand the need for extra-literary knowledge, I could sense the immediate resistance of Eng. Lit students to dwell on aspects that are not, in the obvious sense, constituted of any literary value.

Gender, race and religion have today become focal points in any literary discussion and thanks to the criticism of eminent culture guru Edward Said and Marxist critics like Frederic Jameson or the theoretical propositions advanced by academics like Gayatri Spivak, reading a piece of fiction such as an Austin novel or a canonical work by Dickens is no longer a purely literary exercise. All that has been altered forever and the reader is now expected to address issues of the subaltern, of nation and location and foreground the narrative in broader social and cultural concerns that are in themselves separate areas of study. The literary 'field' if there is any thing like that still in existence has been thrown open to social scientists and the academy is now witness to the happy marriage of art and cultural politics. All these trends in contemporary theory have, besides causing a great deal of excitement in the approach to literature, allowed fresh dimensions to emerge out of texts that were summarily read, reviewed and put to rest with conclusive ideas about their meanings. The current thrust on interdisciplinary studies has made possible the resurrection of canonized texts into new sites of the study of social phenomena. The study of native literatures as opposed to mainstream literature now presupposes familiarity with the works of ethnographer Margaret Mead or the concepts of "collective conscience" of community as posited by sociologist Emile Durkheim. Likewise, the application of linguistic theory to fine literary notions now makes it necessary for the Eng. Lit student to delve into Swiss linguist Ferdinand De Saussure's theory of the structure of language to understand better the formal ideas of a text.

*Literature taught and read for its own sake undeniably affords pleasure. literature seen and interpreted as a mirror of human behaviour and interaction, as a consequence of cultural practices and as testing grounds for the limits of human nature and freedom is, however, far more complete and fulfilling. Literary study is thus increasingly, and more than ever before, displacing its own horizon, extending its purview to territories that may have in the past seemed only remotely connected or simply peripheral to any understanding of literature.*

Consider eminent social historian Sumit Sarkar's rereading of a nineteenth century Indian literary text to elicit meanings in emerging cultural ideologies of that time or Ramakrishna Guha's close scrutiny of peasant uprising in the Himalayas Bengal in order to gauge the political environment economy of India. Novelist Amitav Ghosh's concerns in his latest and much acclaimed work, The Glass Palace are not merely about love and loss drawn across three different nations but a larger attempt at remapping the pre and post colonial geographies and histories of South east Asia. The need to rethink literature just as well as the need to reconstruct history and society by Indian scholars bears ample evidence in the institutionalization of interdisciplinary fields in recent times. If the capital's Centre of Contemporary Studies is an example to watch and if their academic exercises are anything to go by then schdars in the Humanities would have the prerogative of liberating themselves from the narrow and insular "province" of literature, politics or history, emerging as true humanists in the global scenario, willing to and capable of traversing diverse grounds in their pursuit of knowledge. ●

# গুৱাহাটীত আধুনিক ক্ৰীড়া জীৱন সৃষ্টিত কটন কলেজৰ অৱদান

উদয়াদিত্য ভৰালী, অধ্যাপক, বুৰঞ্জী বিভাগ।



অসমৰ আধুনিক ক্ৰীড়া জীৱনে ভাৰতৰ আন অঞ্চলৰ দৰে ইউৰোপীয় সাম্ৰাজ্যবাদী শক্তিৰ শাসন প্ৰৱৰ্তিত হোৱাৰ পিচতহে জন্ম লাভ কৰিছিল, তাকো তেনে শাসন যথেষ্ট পুৰণি হোৱাৰ পিছতহে। কাৰণ প্ৰাচীন আৰু মধ্যযুগত আধুনিক ক্ৰীড়া শৃংখলাবোৰৰ উৎপত্তিয়েই হোৱা নাছিল? বেডমিন্টন (উৎপত্তিকালত যাৰ নাম আছিল "পুনা"), হকী, পলো', আদি খেলৰ উৎপত্তি যদিও ভাৰতত হৈছিল বুলি কোৱা হয় তথাপি এইবোৰে প্ৰকৃতাৰ্থত আধুনিক ৰূপ পাইছিল পশ্চিমীয়া দেশবোৰতহে। ইংৰাজ শাসন প্ৰৱৰ্তন হোৱাৰ পূৰ্বে অসমত থলুৱা খেল ধেমালিবোৰহে আছিল, আধুনিক ক্ৰীড়া শৃংখলাবোৰ নাছিল। ইংৰাজেই অসমত ফুটবলকে আদি কৰি আধুনিক ক্ৰীড়া শৃংখলাবোৰৰ প্ৰৱৰ্তন কৰিছিল। থলুৱা খেলুৱৈ সকলে তেওঁলোকৰ পৰাহে এই ক্ৰীড়াবোৰ শিকিছিল।

অসম যদিও ১৮২৬ চনতেই ইংৰাজৰ অধীনলৈ গৈছিল তথাপি উনবিংশ শতিকাত ফুটবল অথবা আন কোনো আধুনিক ক্ৰীড়াই অসমত বিশেষ জনপ্ৰিয়তা লাভ কৰিবৰ সুযোগ পোৱা নাছিল। কাৰণ তেনে ক্ৰীড়াত পাকৈত অথবা অতি অনুৰাগী ইংৰাজৰ সংখ্যা আছিল তেনেই তাকৰ। এনে খেল জনা আন লোকো অসমৰ বাহিৰৰ পৰা যথেষ্ট পৰিমানে অহা নাছিল। তথাপিও ইংৰাজে যিবোৰ স্থানত প্ৰশাসনীয় সদৰ প্ৰতিষ্ঠা কৰিছিল সেইবোৰত লাহে লাহে আধুনিক ক্ৰীড়াৰ বিভিন্ন শৃংখলা প্ৰৱৰ্তিত হবলৈ ধৰিছিল ফুটবল। কাৰণ ফুটবল হ'ল তেনেই কম খৰচী খেল আৰু মুকলি ঠাই থাকিলেই তাক খেলিব পৰা খেল। অসমৰ বিভিন্ন স্থানৰ তুলনাত যিহেতু প্ৰশাসনীয় সদৰ গুৱাহাটীয়ে বিশেষ গুৰুত্ব লাভ কৰিছিল সেয়ে ইয়াতেই আধুনিক ক্ৰীড়া জীৱনৰ বিকাশ হৈছিল তুলনামূলক ভাবে অধিক।

কিন্তু উনবিংশ শতিকাত এটা বিশেষ কাৰণত অসমত, আনকি গুৱাহাটীতো আধুনিক ক্ৰীড়া জীৱনে প্ৰয়োজনীয় বিকাশ লাভ কৰিবপৰা নাছিল। ক্ৰীড়া বিকাশ লাভ কৰাত এখন আধুনিক সমাজত প্ৰধান ভূমিকা লয় শিক্ষানুষ্ঠানে। কিন্তু উনবিংশ শতিকাত অসমত কলেজতো নাছিলেই আনকি আধুনিক স্কুলৰ সংখ্যাও আছিল তেনেই নগণ্য। ১৮৩৫ চনত অসমৰ প্ৰথম আধুনিক স্কুল হিচাপে গুৱাহাটীত এখন স্কুলৰ প্ৰতিষ্ঠা হৈছিল, যিখনে পিছলৈ কলেজিয়েট স্কুল নাম পালে। ১৮৪১ চনত অসমৰ দ্বিতীয়খন আধুনিক স্কুল শিৱসাগৰত স্থাপন কৰা হৈছিল। কিন্তু ১৮৬৪ চনলৈ তেনে স্কুলৰ সংখ্যা অসমত সিমানেই আছিল। ১৮৭৩ চনত অসমীয়া ভাষাক অসমৰ প্ৰশাসন আৰু শিক্ষাৰ মাধ্যম কৰাৰ পিছতহে লাহে লাহে আধুনিক স্কুলৰ সংখ্যা অসমত বাঢ়িবলৈ ধৰিছিল। তথাপিও উনবিংশ শতিকাৰ শেষলৈকে এই সংখ্যা তেনেই তাকৰ হৈয়েই আছিল। সমগ্ৰ অসমত ১৯০০ চনত তেনে স্কুলৰ সংখ্যা আছিল মাত্ৰ তেৰখনহে। তাৰে ৮ খন আছিল চৰকাৰী, এখন চৰকাৰী সাহায্য প্ৰাপ্ত আৰু চাৰিখন আছিল বেচৰকাৰী। ইংৰাজী এমই স্কুল আছিল এঘাৰখন আৰু মাতৃভাষাৰ মজলীয়া স্কুল আছিল এসত্তৰখন। তেনে পৰিস্থিতিত আধুনিক ক্ৰীড়া শৃংখলাবোৰৰ প্ৰচলন অসমত ব্যাপক হোৱাৰ সুবিধা আছিল তেনেই কম। নগৰবোৰতেই যিহেতু আধুনিক ক্ৰীড়াৰ প্ৰচলন তেতিয়াই ভালকৈ হোৱা নাছিল সেয়ে বিশাল গ্ৰামাঞ্চলত এইবোৰৰ প্ৰচলন হোৱাৰ সুবিধাই নাছিল।

যিকি নহওক অসমৰ সকলোতকৈ আগবঢ়া নগৰ হিচাপে আন ঠাইৰ তুলনাত গুৱাহাটীৰ আধুনিক ক্ৰীড়া জীৱনে বিকাশ লাভৰ সুবিধা অধিক পাইছিল। তাৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় প্ৰথমে হৈছিল ফুটবল খেল। তথাপিও প্ৰথম অৱস্থাত ফুটবল খেল মূলতঃ ১৯০১ চনত কটন কলেজ প্ৰতিষ্ঠা হোৱাৰ পিছতহে গুৱাহাটীত প্ৰতিযোগিতামূলক ফুটবল খেলে

পাতনি মেলিছিল। কলেজ স্থাপনৰ লগে লগে সংগঠিত তথা প্ৰতিযোগিতামূলক জীৱনে যে গুৱাহাটীত ঠন ধৰি উঠিছিল তেনেও নহয়। ১৯০৩ চনলৈ কটন কলেজৰ নিজস্ব কোনো ফিল্ডেই নাছিল। সেই বছৰটোতহে তেতিয়ালৈকে চৰকাৰী "পিলখানা" হিচাপে থকা আৰু পিছলৈ "নিউ ফিল্ড" নামেৰে জনাজাত হোৱা ফিল্ড খন চৰকাৰে কটন কলেজ আৰু কলেজিয়েট স্কুলক যুটীয়া ভাৱে দিছিল। (অৰ্থাৎ ১৮৩৫ চনতেই যদিও কলেজিয়েট স্কুল স্থাপিত হৈছিল তথাপি ১৯০৩ চনলৈ সেই স্কুলৰো নিজস্ব খেল পথাৰ নাছিল। অৱশ্যে তেতিয়া নগৰখন আছিল তেনেই সৰু আৰু সেই কালৰ গুৱাহাটীত মুকলি ঠাইৰ অভাৱ নাছিল। পানবজাৰৰ বৰ্তমান য'ত পৌৰ নিগমৰ পানী টেঙ্কি আছে তাত আছিল "জুবিলী ফিল্ড", য'ত ৰংমেলা পাৰ্ক হৈছে তাত আছিল "চাৰ্চ ফিল্ড"। অতি পৰিতাপৰ কথা যে যোৱা শতিকাৰ সত্তৰৰ দশকৰ অন্তত নিউ ফিল্ড কটন কলেজ আৰু কলেজিয়েট স্কুলৰ পৰা চৰকাৰে কাঢ়ি লৈ তাত "চাই কমপ্লেক্স" আৰু "মাৰ্কেট কমপ্লেক্স" স্থাপন কৰিলে। স্তম্ভিত হ'ব লগীয়া কথা যে গুৱাহাটীৰ আশে পাশে তেতিয়া যথেষ্ট চৰকাৰী মাটি থকা সত্বেও নিউ ফিল্ডহে চৰকাৰে অধিগ্ৰহণ কৰিলেতো কৰিলেই, অতি সম্প্ৰতি তাৰ "মাৰ্কেট কমপ্লেক্স" বিভিন্ন ব্যক্তিক বিক্ৰী কৰাৰ, অথবা লীজত দিয়াৰ কথা চৰকাৰে গুণাগথা কৰিছে বুলি বাতৰি প্ৰকাশ পাইছে।

আনহাতেদি কটন কলেজ ১৯০৩ চনত যদিও এখন নিজস্ব খেলপথাৰ চৰকাৰৰ পৰা পাইছিল তথাপি ১৯০৮ চনলৈ কলেজত কোনো ইউনিয়ন ছ'চাইটিয়েই নাছিল। সেই বছৰহে তেনেই অনুষ্ঠুপীয়া ৰূপেৰে তেনে ক্ৰীড়া সভা গঠিত হৈছিল। তাৰ আগলৈকে কলেজখনৰ ক্ৰীড়া জীৱন আছিল অসংগঠিত। আনকি ১৯১০ চনতো কলেজখনত ক্ৰীড়া জীৱনে যে অতি প্ৰাণময় ৰূপ ধাৰণ কৰিব পৰা নাছিল তাৰ প্ৰমাণ সেই সময়ৰ চৰকাৰী নথিত আছে। যি কি নহওক গুৱাহাটীত প্ৰতিযোগিতামূলক ফুটবলৰ আৰম্ভণি কৰাৰ ক্ষেত্ৰত কটন কলেজ আৰু কলেজিয়েট স্কুলৰ ভুমিকা আছিল অতি গুৰুত্বপূৰ্ণ। "প্ৰসেনজিৎ কাপ" আৰু "ৰায়চাহেব শ্বীল্ড"- এই দুখনৰ বাবে হোৱা প্ৰতিযোগিতাকেই গুৱাহাটীত অনুষ্ঠিত প্ৰখ্যাত ফুটবল প্ৰতিযোগিতাৰ আৰম্ভণি বুলি ধৰা হয়। এই দুয়োখনৰ লগতেই কটন কলেজ আৰু কলেজিয়েট স্কুলৰ নাম জড়িত। "প্ৰসেনজিৎ কাপটো" দান কৰিছিল কটন কলেজৰ ইংৰাজী বিভাগৰ প্ৰখ্যাত অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ৰায়ে তেওঁৰ পুত্ৰৰ সোঁৱৰণত। তেওঁ ১৯১০ চনৰ পৰা ১৯৪০ চনলৈ কটন কলেজত চাকৰি কৰিছিল। "ৰায়চাহেব শ্বীল্ড" খন কলেজিয়েট স্কুলৰ প্ৰখ্যাত হেড মাষ্টৰ ৰায়চাহাব মহেন্দ্ৰ নাথ দত্তৰ নামত দান কৰিছিল সেই স্কুলৰ ছাত্ৰ সকলে। কটন কলেজ স্থাপনৰ সময়ত তেওঁ আছিল কলেজিয়েট স্কুলৰ হেডমাষ্টৰ আৰু তেতিয়া দুয়োটা অনুষ্ঠান একেটা কৰ্তৃপক্ষৰ তলতেই প্ৰত্যক্ষ ভাৱে আছিল। এই টুৰ্ণামেন্ট দুখন সেই কলেজ তথা স্কুল কৰ্তৃপক্ষই চলাইছিল, কাৰণ কোনো ক্ৰীড়া সংস্থা তেতিয়া গুৱাহাটীত নাছিল। মহাৰাণা ক্লাৱ ১৯০৭ চনত স্থাপিত হৈছিল বুলি কিছুলোকে ক'বখোজে। কিন্তু বিংশ শতিকাৰ ত্ৰিশৰ দশকতহে সেই ক্লাৱ বিখ্যাত হৈছিল। ঠিক তেনেকৈয়ে যদিও গুৱাহাটীৰ টাউন ক্লাৱে ১৯৩৩ চনতহে পঞ্জীয়নভূক্ত ক্লাব হিচাবে আত্ম প্ৰকাশ কৰিছিল, কিন্তু ১৯২২ চনতেই কটন কলেজ ফুটবল টিমে "টাউন ক্লাব" নামৰ এটা ক্লাৱক পৰাজিত কৰি "প্ৰসেনজিৎ কাপ" আৰু "ৰায়চাহেব শ্বীল্ড" লাভ কৰাৰ উল্লেখো পুৰণা নথিত আছে। অৱশ্যে পিছলৈ সেই ক্লাবেই "গুৱাহাটী টাউন ক্লাৱ" হৈছিল নেকি তাক জনা যোৱা নাই। ১৯১৭ চনৰ পৰা "মানিক চন্দ্ৰ বৰুৱা শ্বীল্ড প্ৰতিযোগিতা" আৰম্ভ হৈছিল আৰু এই ক্ষেত্ৰতো কটন কলেজৰ উল্লেখযোগ্য ভূমিকা আছিল।

সেয়ে ইয়াক নিশ্চিতভাৱে কোৱা যায় যে আৰম্ভণিৰ সময়ত গুৱাহাটীৰ ফুটবল জীৱন শক্তিশালী কৰাত আগভাগ লৈছিল কটন কলেজে। কলেজত ক্ৰীড়া ক্লাব তেনেই অনুষ্টুপীয়া ৰূপেৰে প্ৰথম খোলা হৈছিল ১৯০৩ চনতেই। ক্লাব ফাণ্ডৰ (নিধিৰ) বাবে প্ৰতিজন ছাত্ৰৰ পৰা (তেতিয়া ছাত্ৰী নাছিল। ১৯৩২-৩৩ বৰ্ষৰ পৰাহে কলেজত ছাত্ৰীৰ নিয়মীয়া নামভৰ্তি আৰম্ভ হৈছিল) আধা অনা ক্ৰীড়া মাচুল মাহিলী লোৱা হৈছিল আৰু চৰকাৰে ১০ টকা বছৰি অনুদান আগবঢ়াইছিল। কটন কলেজ ছাত্ৰ একতা সভাই ১৯১৬ চনৰ পৰা প্ৰাক্তন কটনিয়ান আৰু কটনিয়ানৰ পুনৰ মিলন উৎসৱ হিচাপে "কটন সপ্তাহ" পালন কৰাৰ এটা পৰম্পৰাৰ আৰম্ভণি কৰিছিল। ১৯২২ চনৰ তেৰ নৱেম্বৰত "কটন কলেজ ক্ৰীড়া সপ্তাহ" উদ্‌যাপন কৰা সম্পৰ্কে নথিত পোৱা যায়। অৱশ্যে সেই নথিত এই উল্লেখ আছে যে তেতিয়ালৈকে ই এক নিয়মীয়া বছৰেকীয়া ক্ৰীড়া উৎসৱ হোৱাগৈ নাছিল।

কিন্তু সেই সময়ত কটন কলেজত ফুটবল খেল পুৰা দমে হৈছিল তাৰ প্ৰমাণ দি সেই নথিয়ে কয় যে অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ৰায়, অধ্যাপক ৰাধা কান্ত দাস আৰু ছাত্ৰ প্ৰতিনিধি মনমোহন ডেকা, কুমাৰ পবিন্দ্ৰ নাৰায়ণ দেৱ আৰু দণ্ডী দত্ত লহকৰকলৈ কটন কলেজ ফুটবল শাখাৰ কাৰ্যবাহী সমিতি গঠিত হৈছিল। মন কৰিবলগা কথা যে সেই সমিতিৰ সম্পাদক আছিল অধ্যাপক ৰাধা কান্ত দাস। এই জনেই অংকৰ প্ৰখ্যাত অধ্যাপক হিচাপে বিপুল খ্যাতি অৰ্জা "ৰাধা বাবু"। অংক শাস্ত্ৰত তেখেতৰ দৰে বিদগ্ধ পণ্ডিত অসমত খুব কমেই ওলাইছে। তেখেত অতি কাঢ়া শিক্ষক হিচাপেই জনাজাত আছিল। কিন্তু অনেকেই নাজানে যে তেখেত খেলা ধূলাৰ প্ৰতি, বিশেষকৈ ফুটবলৰ প্ৰতি অতি ৰাপ থকা লোক আছিল। আনহাতেদি প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ দৰে প্ৰখ্যাত ইংৰাজীৰ অধ্যাপক অসমত খুব কমেই ওলাইছে। তেখেতো অতি কাঢ়া শিক্ষক হিচাপেই জনাজাত আছিল। কিন্তু ফুটবলৰ প্ৰতি তেখেতৰ আছিল বিৰাট ৰাপ। "প্ৰসেনজিৎ কাপ" তেখেতে দান কৰিছিল। তেনে ব্যক্তিত্বসম্পন্ন লোক সকলে গুৰি ধৰিছিল বাবেই সেই কালত ফুটবল জীৱনো অতি নিকা আৰু প্ৰাণময় হ'ব পাৰিছিল। ক্ৰীড়া জীৱনৰ সুস্থ সৱল বিকাশ তেতিয়াহে এখন সমাজত সম্ভৱ হয়, যেতিয়া তাৰ গুৰি ধৰে ব্যক্তিত্ব সম্পন্ন লোকে। ৰাধাবাবু অথবা পি,চি, ৰয়ৰ সন্মূখত খেলুৱৈ সকল কেনে শৃংখলিত হৈ আছিল, তেনে লোকৰ পৰা পোৱা উৎসাহ খেলুৱৈ সকলৰ বাবে কেনে শ্ৰদ্ধা উদ্ৰেককাৰী আছিল সি অনুমেয়। তেনে ব্যক্তিত্ব সম্পন্ন ক্ৰীড়া সংগঠক আজি অসমত আছে কেইজন?

ইও লক্ষণীয় যে সেই সময়ত কটন কলেজৰ বয়জ কমন ৰূমৰ ছেক্ৰেটাৰী আছিল অধ্যাপক বাণীকান্ত কাকতি। মহা পণ্ডিত

কাকতিদেৱৰ ক্ৰীড়া প্ৰেম সম্পৰ্কে আমাৰ বহুতেই নাজানে। তেনেলোকৰ তত্বাৱধানত লালিত পালিত ক্ৰীড়া জীৱন কিমান নিকা আছিল তাক নকʼলেও চলে। ফলত দেখা যায় যদিও ১৯২১ চনৰ অসহযোগ আন্দোলনত অসমত আগভাগ লৈছিল কটনিয়ান সকলেই, কিন্তু লগতে তেওঁলোকে পঢ়া, খেলা ইত্যাদিৰ প্ৰতিও সমানেই মনযোগী আছিল। ১৯২২ চনত আন্দোলনৰ ঢৌ যদিও সম্পূৰ্ণ আতৰ হোৱা নাছিল তথাপি কটন কলেজৰ ফুটবল টিমে সেই বছৰ "প্ৰসেনজিৎ কাপ" আৰু "ৰায়চাহাব শ্বীল্ড" প্ৰতিযোগিতাত বিজয়ীৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। কটন কলেজ আৰু কলেজিয়েট স্কুলেই এই প্ৰতিযোগিতাত মূখ্য সংগঠকৰ ভূমিকাও লৈছিল। তদুপৰি সেইবছৰ ঢাকাৰ "জগন্নাথ হল" ফুটবল দল গুৱাহাটীলৈ আহি কটন কলেজ ফুটবল দলৰ সৈতে মেচ খেলিছিল।

সেই সময়ত গুৱাহাটীৰ ফুটবল জীৱনত কটন কলেজ ফুটবল দলৰ প্ৰাধান্য কিমান বেছি আছিল তাৰ প্ৰমাণ দিয়ে সেই দলে গুৱাহাটীত সেই সময়ত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাবোৰত লাভ কৰা সাফল্যই। ১৯২৩ চনত কটন কলেজ টিমে "ৰায়চাহাব শ্বীল্ড" লাভ কৰাৰ উপৰি "প্ৰসেনজিৎ কাপ" উপৰ্যুপৰি তিনিবাৰ লাভ কৰি সেই কাপৰ স্থায়ী গৰাকী হৈছিল আৰু নতুন কাপ সংগঠকে দিব লগা হৈছিল। সেই বছৰ বংগৰ ৰাজশ্বাহী কলেজ আৰু ডিব্ৰুগড়ৰ বেৰী হোৱাইট মেডিকেল স্কুল দলে কটন কলেজ দলৰ বিৰুদ্ধে খেলিবলৈ গুৱাহাটীলৈ আহিছিল। এনেকৈয়ে দেখা যায় ১৯৩২ চনলৈ কটন কলেজৰ ফুটবল দলেই মূলতঃ গুৱাহাটীত হোৱা ফুটবল প্ৰতিযোগিতাবোৰত চেম্পিয়ন হৈছিল। ইতিমধ্যে গুৱাহাটীত "মহেশ্বৰী চেৰাউগী শ্বীল্ড ফুটবল প্ৰতিযোগিতা" আৰম্ভ হৈছিল আৰু ১৯৩৩ চনত কটন কলেজৰ "এ টিম" আৰু "বি টিম" এই দুটা টিমে সেই প্ৰতিযোগিতাত যোগদান দিছিল আৰু "এ টিম" চেম্পিয়ন হৈছিল।

সেই সময়ত বংগৰ ঢাকা, ৰাজশ্বাহী, কলিকতা আদিৰ কলেজীয়া দলে কটন কলেজৰ দলৰ বিৰুদ্ধে খেলিবলৈ প্ৰায়েই গুৱাহাটীলৈ আহিছিল। ১৯২৯ চনৰ পৰা চিলেটৰ মুৰাৰী চান্দঁ কলেজ (সেই সময়ত দেশ বিভাজন হোৱা নাছিল! আজিৰ বাংলাদেশ ভাৰতৰ অংগ আছিল) আৰু কটন কলেজৰ ক্ৰীড়া দলৰ মাজত বছৰি প্ৰতিযোগিতা হোৱাৰ পৰম্পৰা প্ৰতিষ্ঠা হৈছিল। এবছৰ মুৰাৰী চান্দঁ কলেজ দল গুৱাহাটীলৈ আহে আৰু পিছৰ বছৰ কটন কলেজ দল চিলেটলৈ যায়।

এই নিয়ম দেশ বিভাজনৰ সময়লৈকে চলিছিল। ফুটবল খেল আছিল প্ৰতিযোগিতাৰ মূল আকৰ্ষণ। তেনে পৰিস্থিতিত গুৱাহাটীৰ ক্ৰীড়া জীৱনত কটন কলেজৰ কেনে প্ৰাধান্য আছিল তাক এইবোৰলৈ টং কৰিলেই বুজিব পাৰি। এই পৰিস্থিতিয়েই সৃষ্টি কৰিছিল শৰৎ দাসৰ দৰে অতি প্ৰখ্যাত ফুটবল খেলুৱৈৰ, যি জনে ১৯৩৭-১৯৩৯ এই সময় চোৱাত কটন কলেজত পঢ়িছিল। তেখেতেই দেশজুৰি খ্যাতি অৰ্জন কৰা প্ৰথম অসমীয়া খেলুৱৈ। ১৯৩৯ চনৰপৰা তেখেতে কলিকতাৰ মোহনবাগান ক্লাবত খেলিছিল। কটন কলেজৰ পৰাই ওলাই ছিল ড° টালিমেৰান আওৰ দৰে অলিম্পিয়ান। তেখেত ১৯৪১-৪২ এই সময়ছোৱাত আছিল কটন কলেজৰ শ্ৰেষ্ঠ এথলেট আৰু ১৯৪৮ চনৰ অলিম্পিকত তেখেতে ভাৰতীয় ফুটবল দলক নেতৃত্ব দিছিল। তেখেতেই উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথম অলিম্পিয়ান আৰু ভাৰতীয় ছিনিঅ'ৰ ফুটবল দলৰ নেতৃত্ব লাভ কৰা এই অঞ্চলৰ একমাত্ৰ ব্যক্তি। ১৯৫২ চনত বৰদলৈ ট্ৰফী প্ৰতিযোগিতা আৰম্ভ হৈছিল আৰু সেই বছৰেই অসমৰ কনক বৰদলৈ ভাৰতীয় ফুটবল দলৰ অতিৰিক্ত খেলুৱৈ হিচাপে আছিল। তেখেত ১৯৪৯-৫০ ৰ সময়ছোৱাত আছিল কটন কলেজৰ শ্ৰেষ্ঠ ফুটবলাৰ। এই তথ্যবোৰেই প্ৰাক বৰদলৈ ট্ৰফী যুগত গুৱাহাটীৰ ফুটবল জীৱন সম্পৰ্কে এখন থূলমূল চিত্ৰ নিশ্চয় দাঙি ধৰে। চিত্ৰখন যে যথেষ্ট উদ্দীপনাময় তাত সন্দেহ নাই।

কুৰি শতিকাৰ ত্ৰিশৰ দশকৰ পৰা গুৱাহাটীত ক্লাবৰ সংখ্যা বাঢ়িবলৈ আৰম্ভ কৰিছিল। গুৱাহাটী টাউন ক্লাব আৰু মহাৰাণা ক্লাবৰ উপৰি ইউনিয়ন ক্লাব, ভিক্টৰিয়া স্পৰ্টিং, চাডেন এটাক ক্লাব, চেৰিটেবোʼল ক্লাব ইত্যাদি ক্লাব প্ৰতিষ্ঠিত হৈছিল। কটন কলেজ আৰু কলেজিয়েট স্কুলৰ লগতেই সোনাৰাম স্কুল আৰু পিছলৈ বেঙ্গলী স্কুল, কামৰূপ একাডেমী এই শিক্ষানুষ্ঠান কেইখন আৰু ওপৰত উল্লেখ কৰা ক্লাববোৰেই আছিল তেতিয়াৰ গুৱাহাটীত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাবোৰৰ দলবোৰ। ফুটবলৰ উপৰি টেনিচ, ক্ৰিকেট, হকী, ভলিবল, এথলেটিক্স, বেডমিন্টন ইত্যাদি খেল গুৱাহাটীত প্ৰৱৰ্তিত তথা বিকশিত হোৱাৰ ক্ষেত্ৰত কটন কলেজৰ অৱদান অতি উল্লেখনীয়। তেতিয়াৰ কটন কলেজত কেইবাখনো টেনিচ কোৰ্ট আছিল। অসমৰ বুজন সংখ্যক প্ৰখ্যাত ক্ৰিকেট, বেডমিন্টন আৰু ভলীবল খেলুৱৈ আছিল কটনিয়ান। অনেক প্ৰখ্যাত এথলেটৰ সৃষ্টি হৈছিল। পৰিতাপৰ কথা যে আজিৰ কটন কলেজে সেই ক্ৰীড়া ঐতিহ্যক আগৰ দৰে উজ্জ্বল কৰি ৰাখিব পৰা নাই। আন্তঃগাঁথনি তথা ক্ৰীড়া বাজেটৰ অভাৱে পৰিস্থিতি অধিক জটিল কৰি তুলিছে।

সেই সময়ত গুৱাহাটীৰ ক্ৰীড়া জীৱনৰ এটা লক্ষণীয় দিশ আছিল খেলুৱৈ সকলৰ অধিকাংশই পঢ়া জীৱন আৰু আন সামাজিক কামতো আগৰণুৱা আছিল। উদাহৰণস্বৰূপে ১৯৩০ চনৰ আইন অমান্য আন্দোলনত কটনিয়ান সকলে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল আৰু কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, ৰবীন নবীশ, নগেন গগৈ ইত্যাদিয়ে নেতৃত্বদায়ী ভূমিকা পালন কৰিছিল। কামাখ্যা প্ৰসাদ ত্ৰিপাঠী ১৯৩১-৩২ চনত কলেজৰ সাধাৰণ সম্পাদকো আছিল। ইফালে তেওঁলোক লগতে আছিল কলেজৰ শ্ৰেষ্ঠ এথলিট সকলৰ একোজন আৰু আনফালে সুখ্যাতিৰে পৰীক্ষাতো উৰ্ত্তীর্ণ হৈছিল। দণ্ডীদত্ত লহকৰ, ডি গোঁহাই ৰাজকুমাৰ, শৰৎ চন্দ্ৰ বৰুৱা, হেমন্ত কুমাৰ গুহ, ললিত চন্দ্ৰ ভূঞা, গণেশ চন্দ্ৰ গগৈ, নগেন্দ্ৰ নাৰায়ণ দাস, ফণীধৰ পাঠক, ৰবীন্দ্ৰ নাথ নবিশ, মুনীন্দ্ৰ নাথ গগৈ, আনন্দ দত্ত, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী আৰু সুৰেন দাস এই কেইজনেই আছিল ১৯২২ চনৰ পৰা ১৯৩২ চনলৈ কটন কলেজৰ শ্ৰেষ্ঠ এথলিটচ্। তেওঁলোক প্ৰতিজনেই পঢ়া শুনাতো যথেষ্ট সুনাম অৰ্জন কৰিছিল আৰু পিছলৈ প্ৰতিজনেই সমাজৰ গণ্যমান্য ব্যক্তি হৈছিল গৈ। আমাৰ উঠি অহা চাম খেলুৱৈয়ে তেওঁলোকৰ উদাহৰণ অনুসৰণ কৰা উচিত।

# লৰেঞ্চৰ উপন্যাস জগতত এভুমুকি

দিব্যজ্যোতি বৰা
স্নাতক তৃতীয় বৰ্ষ

কুৰি শতিকাৰ আগলি সময় ইংৰাজী সাহিত্যৰ বাবে সম্ভাব্য পৰিপক্কতা আৰু বিস্ময়কৰ বিবিধতাৰ অনুশীলনৰ সময়। নতুন যুগৰ গৰ্ভযন্ত্ৰণাৰ সুৰ এইসময়তে ৰিনি ৰিনি কাণত পৰিছে, যাৰ ফচল তৈয়াৰ হৈছিল ভিক্টোৰিয়ান সাহিত্যৰ শেষ কালছোৱাত। ১৮৫৭ চনত ডাৰউইনৰ প্ৰাকৃতিক নিৰ্বাচনৰ দ্বাৰা প্ৰজাতিৰ উৎপত্তি' প্ৰকাশ পায়। কিতাপখনে দেখুৱালে যে মানুহৰ সৃষ্টিত ভগৱানৰ কোনো হাত নাই, বৰঞ্চ ই একপ্ৰকাৰৰ ক্ৰমবিবৰ্তনৰ ফলহে। ডাৰউইনৰ এই আৱিষ্কাৰ ৰক্ষণশীল আৰু ধৰ্মভীৰু ইংৰাজ সমাজৰ বাবে এক প্ৰচণ্ড জোকাৰণি আছিল। ঈশ্বৰহীনতাৰ সংশয় আৰু একধৰণৰ নিৰাশাবাদী আত্মনগ্নতা যি মানুহৰ মনৰ মাজত লাহে লাহে শিপাবলৈ ধৰিলে, সেইখিনিই আছিল আধুনিকতাৰ আৰম্ভণি।

প্ৰথম মহাসমৰৰ বিধ্বংসী ধ্বংসলীলা আৰু ফ্ৰয়ডৰ মনোবৈজ্ঞানিক বিশ্লেষণ আধুনিকতাৰ বাট মুকলি কৰাত অৰিহণা যোগোৱাত আন দুটা মুখ্য উপাদান। ডাৰউইনে যেনেকৈ দেখিছিল প্ৰাণীজগতৰ বিবৰ্তনৰ প্ৰক্ৰিয়াত পশুৰ দ্বাৰা বিবৰ্তিত হৈছে মানুহ, তেনেকৈ ফ্ৰয়েডে আৱিষ্কাৰ কৰিছে যে পাশৱিক উত্তৰাধিকাৰৰ পৰা পোৱা আদিম যৌনকামনা আৰু জিঘাংসাৰ অৱদমন আৰু উত্তৰোত্তৰ উৎপৰিৱৰ্তন ঘটি মানুহে গঢ়ি তুলিছে সভ্যতা, শিল্প সাহিত্য আৰু সংস্কৃতি।[১] দুখোন মহাসমৰে বিশ্বশান্তিক এক ট্ৰেজেদিত পৰিণত কৰিলে, মানুহৰ ক্ষমতা লিপ্সাৰ অন্ধ প্ৰবৃত্তি, হেৰুওৱাৰ মৰ্মবেদনা, যন্ত্ৰণা, মোহভংগৰ কালিমাৰে জটিল ৰূপত পৃথিৱী সলনি হ'ল। যেতিয়া ভাৰ্জিনিয়া উলফে ঘোষণা কৰিলে যে 'In or about December 1910, human character has changed', তেওঁ অতীতৰ কবৰৰ পৰা নৱজীৱাত্ম উঠি অহাৰ কথাই কৈছিল।

ডেভিদ হাৰ্বাট লৰেন্সৰ এই ধামখুমীয়াত উত্থান ইংৰাজী সাহিত্যৰ বাবে এক অন্যতম গুৰুত্বপূৰ্ণ ঘটনা। 'Morality and the Novel' শীৰ্ষক ৰচনাত লৰেন্সে কৈছিল- 'A thing isn't life just because somebody does it. This the artist ought to know perfectly well. The ordinary Bank Clerk buying himself a new straw hat isn't life at all. It is just existence, quite all right, like everbody dinners, but not life.'

লৰেঞ্চে আৰু কৈছিল যে যদি এখন উপন্যাসে সঁচা আৰু বৰ্ণীল সমন্ধৰ উন্মোচন কৰে তেন্তে সেয়া হ'ব এক নৈতিক কৰ্ম, যদি উপন্যাসিকজনে সমন্ধবোৰক মাথো সম্মান কৰিবলৈ শিকে তেনেহ'লে তেওঁৰ কৰ্ম মহৎ কৃতিৰ শাৰীলৈ উন্নীত হ'ব। বাস্তৱবাদৰ সৌন্দৰ্য্যগত আৰু মনস্তাত্বিক সীমাবদ্ধতাৰ ওপৰত আক্ৰমণ সেয়েহে অজ্ঞাতেই লৰেন্সৰ উপন্যাসত ফুটি উঠিছে। লৰেন্সৰ মতে বাস্তৱবাদক বিৰোধিতা কৰা উচিত কাৰণ ই সমসাময়িক আত্মকেন্দ্ৰিকতা, ব্যৱসায়কেন্দ্ৰিকতা আৰু জাতীয়তাবাদৰ জঠৰতাক সমৰ্থন কৰে। তেওঁ বিশ্বাস কৰিছিল যে মানুহে তেতিয়াহে একতা অৰ্জন কৰিব যেতিয়া তেওঁৰ তেওঁৰ গভীৰতম মৌলিক অনুভূতি বোৰ হাতেৰে লাৰি চাৰি চাব পাৰে আৰু বুদ্ধিমত্তাৰ লগত তাৰ সামঞ্জস্য ৰক্ষা কৰে। ফ্ৰয়েডীয় দৰ্শনৰ দৰে লৰেন্সৰ নতুন দৰ্শন কেন্দ্ৰীভূত হৈছে এহাতে এক ক্ষয়িষ্ণু একান্ত পুৰুষ চেতনা, আনহাতে ৰক্ষণশীল সামাজিক শোষণৰ পৰা যৌনতাৰ মুক্তিৰ ধাৰণাৰ ওপৰত। অথচ ৰক্ষণশীল ফ্ৰয়েডীয় ধাৰণাক তেওঁ প্ৰায়বোৰ ক্ষেত্ৰতে নিজস্ব অৰ্থ আৰু ধ্যান ধাৰণালৈ ৰূপান্তৰিত কৰিছে।

লৰেন্সৰ দৃষ্টিত বাস্তৱবাদে মাথো মানুহৰ বহিৰ্ভাগকহে প্ৰতিফলন কৰে। অৱচেতনৰ অনুভূতি তাতোকৈ বহুত বেছি শক্তিশালী। তেওঁ মাধ্যম বিচাৰি ফুৰিছিল পৰীক্ষা কৰিবলৈ, প্ৰকাশ কৰিবলৈ মানুহৰ অন্তৰ্জগতৰ চেতনাক। আৰু তাৰ বাবে তেওঁ এনে এক ধৰণৰ শক্তিশালী ভাষাৰ আৱিষ্কাৰ কৰিছে যি প্ৰতীক আৰু চিত্ৰকল্পৰ সহায়েৰে, কোনো ধৰণৰ ভমকাফুলীয়া উপস্থিতিৰ সহায় নোলোৱাকৈ বিষয়বস্তুৰ গভীৰতাক মৰ্মস্পৰ্শী ভাৱে ফুটাই তুলিব। মানুহৰ প্ৰকৃতিৰ আৱৰণ খুলি তাৰ অন্তভাগলৈ চলাথ কৰাৰ হেপাহে লৰেন্সক যৌনতা, ধৰ্ম আৰু মনস্তত্বৰ আলোচনা কোনো লুকঢাক নকৰাকৈ কৰিবলৈ সুযোগ দিছে। যিটো কোনো ইংৰাজ

১। সিগমুণ্ড ফ্ৰয়েড - মনঃসমীক্ষণেৰ ভূমিকা

উপন্যাসিকৰ ৰচনাত আগতে দেখা পোৱা নগৈছিল। বহুবোৰ পূৰ্বসুৰীতকৈ লৰেন্সে বেচি ভাগ্যবান কাৰণ তেওঁ উত্তৰাধিকাৰ সুত্রে এইবোৰ বিষয়ৰ ক্ষেত্রত এক বৈজ্ঞানিক মননশীলতা আহৰণ কৰিছে, নিজৰ ইচ্ছানুসৰি কেতিয়াবা সেইয়া তেওঁ ব্যৱহাৰ কৰিছে কিন্তু সাধাৰণতে তেওঁৰ নিজস্ব শব্দৰ সংসাৰ আছে, এক লৰেণটিয়ান কণ্ঠস্বৰ নিজাকৈ তেওঁ আত্মস্থ কৰি লৈছে। মানুহৰ ধাৰণা সলনি হৈছে, সমাজৰ ধাৰণা সলনি হৈছে, জীৱনৰ ধাৰণা সলনি হৈছে, সময়ৰ লগত লৰেন্সে খোজ মিলাই ধাৰণাক সাহিত্যলৈ আনিছে আৰু অনুভৱ কৰিছে 'All things that are alive are amazing. All things that are dead subsidiary to the living. Better a live dog than a dead lion. But better a live lion than a live dog. Man alive, feeling, experiencing, learning, and integrating , was the central concern of the supreme human achievement- the novel.'[2]

১৯১১ চনত লৰেন্সৰ প্ৰথমখন উপন্যাস 'The White peacock' প্ৰকাশ পায়। স্বভাৱতেই প্ৰথমখন উপন্যাস হিচাপে ইয়াত দেখা পোৱা গ'ল ফুলান ভাষাৰ চাতুৰ্য্য, প্ৰেম আৰু প্ৰকৃতিৰ অত্যুৎসাহী ৰোমাণ্টিক বৰ্ণনাৰ আধিপত্য। প্ৰথম পুৰুষত উপন্যাসখনৰ কাহিনী বৰ্ণনা কৰা হৈছে। তিনিওটা মূখ্য চৰিত্ৰ লেটি বাৰ্ডছন, জৰ্জ ছেক্সটন, লেছ্লি টেম্পেষ্টৰ কাহিনী লেছ্লিৰ ভাতৃ চিৰিলৰ মুখত বৰ্ণিত হৈছে। কিন্তু লেটিয়ে লেছলিক বিয়া কৰোৱাৰ পাছৰ পৰা সিহঁতৰ মাজৰ সমন্ধৰ অন্তৰংগ বৰ্ণনাৰ গতি ব্যাহত হৈ পৰিছে। সেইবাবে উপন্যাসখনৰ শেষৰফালে কাহিনীৰ গতিময়তা প্ৰায়েই দেখা নাযায়।

সামাজিক ভাবে শুদ্ধ হ'বলৈ গৈ আৰু সমাজত প্ৰতিপত্তি আৰু সন্মানৰ বাহ্যিক মুখা এটা পিন্ধিবলৈ গৈ লেটিয়ে কামুক জৰ্জক অস্বীকাৰ কৰি তাইৰ ভিতৰৰ মৌলিক প্ৰয়োজনবোৰক অৱদমিত কৰি ৰাখিছে। নিজস্ব আত্মতৃপ্তি আৰু সামাজিক দায়বদ্ধতাৰ মাজৰ এই দ্বন্দ্ব সমাজৰ দ্বাৰা প্ৰকৃতিৰ ওপৰত কৰা ঠেলা-হেঁচাৰেই নৈব্যক্তিক প্ৰতিফলন।

উপন্যাসখনৰ বহুবোৰ অধ্যায় মানুহৰ ভয়ানক প্ৰবৃত্তিৰ একধৰণৰ ৰূপক বৰ্ণনা। উদাহৰণস্বৰূপে জৰ্জৰ মৌমাখিৰ আৰু এন্দুৰ-চিকাৰ। প্ৰতিটো মুখ্যচৰিত্ৰৰ ভিতৰত সন্চালনিভাবে সোমাই আছে কিছুমান মৌলিক দুৰ্বলতা-জৰ্জৰ নাৰ্চিছিজম, লেছলিৰ যৌন অসম্পূৰ্ণতা,লেটিৰ নিজস্ব সত্তা যুৰাই পাবলৈ সাহসৰ অভাৱ। এনেদৰেই লৰেন্সৰ প্ৰথম উপন্যাসখন মানুহৰ ব্যৰ্থতাৰ অধ্যয়ন।

'The White Peacock'ৰ চৰিত্ৰসমূহে ব্যৰ্থতাক অৱধাৰিত বুলি স্বীকাৰ কৰি লৈছিল কিন্তু লৰেন্সৰ দ্বিতীয় উপন্যাস 'The Trespasser' একেপন্থৰ হলেও অন্ততঃ চৰিত্ৰসমূহে তুচ্ছতাৰ ওচৰত নিজকে আত্মবলিদান দিয়া নাই। লণ্ডনৰ উপকণ্ঠ এলেকা এটাৰ বৰ্ণনাৰে কাহিনী আৰম্ভ হৈছে। লণ্ডনে এক বিশিষ্ট ভূমিকা লোৱা দেখা যায় তেওঁৰ আন এখন উপন্যাস 'Aaron's Rod'ত। 'The Trespasser'ৰ নায়ক-নায়িকা ছিগমুণ্ডৰ আৰু হেলেনাই লণ্ডনৰ যান্ত্ৰিক জীৱনৰ পৰা পলাই ৱাইট দ্বীপত আশ্ৰয় লৈছে কিন্তু সোনকালেই দুয়ো লণ্ডনলৈ ঘূৰি আহিছে। হেলেনাই ইতিমধ্যে ছিগমুণ্ড স'তে সম্পৰ্ক বিছিন্ন কৰি দিছে, ছিগমুণ্ড আকৌ তাৰ বৈবাহিক জীৱনৰ কৃটিম খোলাত ধৰফৰাই সোমাই পৰিছে কিন্তু এদিন অতিষ্ঠ হৈ সি আত্মহত্যা কৰিছে।...... উপন্যাসৰ নায়কৰ এই দশাত লৰেন্সে নিজেও অসন্তুষ্ট হৈ পৰিছিল কাৰণ তাৰ পাছত তেওঁ তেওঁৰ কোনো উপন্যাসতে এই কৌশল প্ৰয়োগ কৰা নাই। লৰেন্সৰ উপন্যাসৰ মৰ্মৰ বাণী আছিল জীৱনটো সম্পূৰ্ণকৈ উপভোগ বা যাপন কৰিবলৈ বাহকবোৰ বিচাৰি উলিওৱা, ব্যৰ্থতাক স্বীকাৰ কৰি লোৱা নহয়। নিৰাশাক প্ৰশ্ৰয় দিয়া লৰেন্সৰ উপন্যাসৰ নিজস্ব ধাৰণাৰেই বিৰুদ্ধ আছিল। 'The Trespasser' ৰ পাছত লৰেন্সৰ সকলোবোৰ মূখ্য চৰিত্ৰই হতাশাৰ দেওনা পাৰ কৰিছে আৰু জীৱনৰ ধনাত্মক দিশলৈও হাজাৰ বাধা-বিঘিনিৰ মাজতো চকু দিছে।

'The Trespasser' নাৰীবাদ বিৰোধী উপন্যাস নহয়। অথচ নাৰী আৰু পুৰুষৰ মাজত থকা অসমানতাৰ বাবেই যে জীৱন ধ্বংসক্ষয়ী হৈ পৰিছে উপন্যাসখনে তাক সূচিত কৰে। যিহেতু পুৰুষ নাৰীতকৈ ভূমিৰ লগত বেচি ঘনিষ্ঠ আৰু নাৰীৰ পৰম্পৰাগত কাৰ্য্য হৈছে ঘৰৰ চাৰিবেৰৰ মাজত থাকি কাম-বন কৰা, পুৰুষে প্ৰাকৃতিক শক্তিবোৰৰ লগত এক সমতুল সম্পৰ্ক ৰক্ষা কৰি চলিব পাৰে, বেচি একাত্ম অনুভৱ কৰে। পিচৰ উপন্যাসবোৰত লৰেন্সে কিন্তু নাৰীয়েও নিজস্ব পৰম্পৰাগত কাৰ্য্যৰ আবুৰ ভাঙি বাহিৰৰ পৃথিৱীলৈ ওলাই অহা দেখুৱাইছে, যদিহে পুৰুষে নাৰীক অৱদমিত কৰি ৰখাৰ চেষ্টা কৰিছে, দিয়া আৰু লোৱা নীতি যদি মানি চলা নাই তেন্তে নাৰীয়ে তাৰ মনেপ্ৰাণে বিৰোধিতা কৰিছে। হেলেনাই কিছুদূৰ সেইপথকে অনুসৰণ কৰিছিল... কিন্তু দূৰ্ভাগ্যক্ৰমে শেষমূহুৰ্তৰ অৰ্ন্তদৃষ্টি তাইৰ হাতত নাছিল।

উপন্যাসখনত লৰেন্সে এজন শিকাৰু হিচাপে প্ৰমাণিত, নিজস্ব এটা গদ্যশৈলী বাচি উলিয়াবলৈ তেওঁ তেতিয়াও ঘুজি আছে। সেইবাবে 'She was the earth in which his strange flowers grew.........' 'She felt herself confronting God at home in his wild incandescence' আদিৰ দৰে ভাষা কৃটিম আৰু গতানুগতিক। অৱশ্যে নিজস্বতা বিচাৰি উলিয়াবলৈ লৰেন্সে বেচিপৰ ৰ'ব লগা নহ'ল, কাৰণ 'The Trespasser'ৰ পাছতেই 'Sons and Lovers'ত তেওঁ প্ৰথমবাৰৰ বাবে গভীৰ চেতনত নিজৰ অনুভূতি কল্পনা কৰিবলৈ, বাহ্যিক পৰিমণ্ডলৰ পৰা বোধি আতৰাই অজ্ঞাত, ৰহস্যময় জগতত জীৱনক খান্দিবলৈ আৰম্ভ কৰিছিল।

'Sons and Lovers' বোধহয় বিংশ শতিকাৰ সৰ্বাধিক পঠিত চিৰিয়াচধৰ্মী উপন্যাস। লৰেন্সৰ কল্পনাপ্ৰৱন মনে এই উপন্যাসতেই আকাশতুংগী উচ্চতাত বিচৰণ কৰিছে কিন্তু এই অনুভূতি পৰিশীলিত অথচ ভাৱঘন, পূৰ্বৰ দুয়োখন উপন্যাসৰ সীমাবদ্ধতা অতিক্ৰম কৰি লৰেন্সে ইয়াত শ্ৰমিক শ্ৰেণীৰ জীৱনৰ এক বিশ্বাসযোগ্য, হৃদয়দ্ৰৱিত চিত্ৰ আঁকিব পাৰিছে। শ্ৰমিকশ্ৰেণীৰ জীৱনৰ ওপৰত আধাৰিত আৰু শ্ৰমিকপ্ৰধান সমাজৰ পৰা উঠি অহা লেখকৰ

২। Why the novel matters (1925) শীৰ্ষক প্ৰবন্ধ

দ্বাৰা ৰচিত এইখনেই প্ৰথম ইংৰাজী উপন্যাস। উপন্যাসখনৰ কেন্দ্ৰীয় বিষয়বস্তু হৈছে প্ৰধান চৰিত্ৰ প'লমৰেলৰ বোধোদয় আৰু পৰিপক্কতা। মাক মিছেছ ম'ৰেল, মিৰিয়াম আৰু ক্লাৰাৰ লগত থকা সম্পৰ্কৰ জটিলতা আৰু দ্বন্দই কাহিনীক আগবঢ়াই নিছে। নিজস্ব মৌলিক চেতনাবোৰ, অনুভূতিবোৰ কেতিয়াবা দবাই কেতিয়াবা জাগৃত কৰি প'লে নিজকে প্ৰকৃতিৰ লগত সামঞ্জস্যতা ৰক্ষা কৰাৰ চেষ্টা কৰিছে, কেতিয়াবা সমাজ তথা ব্যাহ্যিক পৰিস্থিতিৰ ওচৰত নতি স্বীকাৰ কৰিছে। অথচ তাৰ পৰিণতি সুখকৰ নহ'ল। মিৰিয়াম ইয়াত এক প্লেটনিক আদৰ্শবাদী, আধ্যাত্মিক প্ৰেমৰ অবিকল প্ৰতিমূৰ্তি যি 'don't want to love. Your eternal and abnormal craving is to be loved. yor aren't positive, you are negative, you absorb, absorb, as if you must fill yourself up with love, because you have got a shortage somewhere.' যৌনতাৰ তাড়নাতকৈ একধৰণৰ শ্বহীদ হোৱাৰ মানসিকতাৰে মৰেলৰ ওচৰত তাই সমৰ্পণ কৰিছে, অথচ এই সমৰ্পণে তাক অনুভৱ কৰাইছে 'She had not been with him all the time, that her soul had stood apart, in a sort of horror.'

'The White Peacock'ৰ লেটিৰ দৰেই মিৰিয়ামৰ নিজৰ সংগীৰ লগত একেডাল ডোলেৰে বান্ধ খোৱাৰ মানসিকতা নাই। নাৰীবাদী সকলে অভিযোগ কৰে যে লৰেন্সে উপন্যাসখনত নাৰী চৰিত্ৰসমূহক পল'ৰ পুৰুষত্ব জাগৰণৰ আধাৰ হিচাপেহে ব্যৱহাৰ কৰিছে। কিন্তু দকৈ চালে দেখা যায় যে মিৰিয়ামে নিজেই তাইৰ অৱদমিত যৌনতাক প্ৰাকৃতিক প্ৰক্ৰিয়া হিচাপে ভাবি স্ফুৰিত হ'বলৈ সুযোগ দিয়া নাই আৰু তাকে কৰি তাই নিজৰ লগতে প'লৰো সুখৰ সম্ভাৱনাক ধুলিসাৎ কৰিছে। প'লৰ মাকেও দিয়া আৰু লোৱাৰ নীতি কোনোদিনে অৱলম্বন কৰা নাছিল। তেওঁ শুহি লৈ আৰু দমন কৰি জীয়াই থাকিব বিচাৰিছে আৰু তাৰ বাবে আনৰ সুখৰ বাটত হেঁঙাৰ হিচাপে থিয় দিবলৈও কুণ্ঠাবোধ কৰা নাই।

আগৰ দুখন উপন্যাসত লৰেন্সে যৌন অভিজ্ঞতাৰ বৰ্ণনা দিবলৈ গৈ বা যৌনতা সম্বন্ধীয় কথা-বতৰাক আগবঢ়াবলৈ গৈ প্ৰায়েই উজুটি খাবলগীয়া হৈছিল। কিন্তু 'Sons and Lovers'ত লৰেন্সে এইধৰণৰ ভাষাৰ ব্যৱহাৰত দক্ষতা অৰ্জন কৰিছে। যেতিয়াই তেওঁ কাব্যিকতাৰ আশ্ৰয় ল'বলগাত পৰিছে, তাত আমি সোনপানী চৰোৱা চাকচিক্য নেদেখো বৰঞ্চ ই এক ধৰণৰ যেন প্ৰতীকধৰ্মী ৰূপৰ স্বাভাৱিক অংশ। Chap 14 ৰ বৰ্ণনা —

"But then clara was not there for him, only a woman, warm, something he loved and almost worshipped, there in the dark. But it was not clara, and she submitted to him.The naked hanger and inevitability of his loving her, something strong and blind and ruthless in its primitiveness, made the Rour almost terrible to her."

এনেকৈয়ে লৰেন্সে ভাষাৰযোগেৰে ব্যক্তিগত আৰু মিষ্টিকেল অভিজ্ঞতা দুয়োৰে সন্ধান কৰিছে যি সাৱধানতাৰে কথিত সংলাপৰ কাব্যিক অনুভূতিৰ সমতুল সম্পৰ্ক ৰক্ষা কৰি চলিছে। এই আৱেগিক সত্যধৰ্মিতা লৰেন্সৰ আটাইবোৰ উপন্যাসৰে এটা অন্যতম শক্তিশালী দিশ। আনহাতে মানৱিক সম্পৰ্কৰ জটিলতাই নহয়, উনৈশ শতিকাৰ শেষাৰ্ধৰ খনি আৰু কৃষি সম্প্ৰদায়ৰ ঘটনাবহুল জীৱনৰ খুটি নাটি মাৰি বিশ্লেষণ কৰাতো লৰেন্সে যথেষ্ট দক্ষতা দেখুৱাব পাৰিছে।

"But no, he wouldnot give in. Turning sharply, he walked towards the citys gold phosphorescence. His fists were shut, his mouth set fast. He wouldnot take that direction, to the darkness, to follow her. He walked towards the fairly huinming, glowing town' quickly'. [Pg- 366]'fairly humming, glowing town' লৈ প'লমৰেল উভতি গৈছে। কিন্তু Sons and Lovers ৰ পাছত লৰেন্সে তেওঁৰ শ্ৰমিক শ্ৰেণীৰ জীৱনৰ ওপৰত উপন্যাস লেখালো সামৰণি মাৰিলে কাৰণ উপন্যাসখনৰ সফলতাই তেওঁৰ অধ্যয়ন বেলেগ এখন সমাজলৈ স্থানান্তৰিত কৰালে।

1915 চনত 'The Rainbow' প্ৰকাশিত হয়। কিতাপখন লেখি লৰেন্সে একপ্ৰকাৰৰ আত্মসন্তুষ্টি লাভ কৰিছিল। সেইবাবে যেতিয়া অশ্লীলতাৰ অপৰাধত 'The Rainbow'ৰ প্ৰকাশ নিষিদ্ধ কৰা হ'ল স্বাভাৱিকতেই তেওঁ হতাশ আৰু মৰ্মাহত হৈছিল। কিন্তু লৰেন্সৰ মৃত্যুৰ পাচত নিৰপেক্ষ সমালোচনাৰ বিচাৰত বহুতে 'The Rainbow'কে লৰেন্সৰ সৰ্বশ্ৰেষ্ঠ উপন্যাস হিচাপে অভিহিত কৰে। কাহিনীৰ বিস্তাৰ এটা পৰিয়ালৰ তিনিটা প্ৰজন্মলৈকে। চহৰীয়া আৰু যান্ত্ৰিক সভ্যতাই কেনেকৈ পৰিয়ালটিৰ গ্ৰাম্য অস্তিত্বক পৰিবৰ্তিত কৰি পেলাইছে সেইয়া অত্যন্ত মৰ্মস্পৰ্শী ভাবাত বৰ্ণিত হৈছে। কিন্তু এইয়া উপন্যাসখনৰ জুমুধিহে। মূল বিষয় সামাজিক খোলা অতিক্ৰম কৰি এক অন্তহীন অজ্ঞাত বাস্তৱৰ মুখামুখি হওঁতে মানুহৰ ব্যক্তিগত চেতনাই সম্মুখীন হোৱা দ্বন্দ্ব। বিবাহৰ পাছত নাৰী আৰু পুৰুষৰ প্ৰেম, যৌনতাৰ স্বৰূপ কেনেকুৱা? প্ৰত্যেকেই নিজস্ব অস্তিত্ব লৈ জীয়াই থকাৰ সাহস কৰিব পাৰেনে? নে তাৰ বাবে অহৰহ পুৰুষ আৰু নাৰীৰ মাজত একধৰণৰ শাৰীৰিক আৰু মানসিক সংঘাত চলি থাকে?

'She found that, in all her outgoings and her incomings, he prevented her. Gradually she realised that she was being borne down by him, borne down by the clinging, heavy weight of him, that he was pulling her down as a leopard clings to a wild cow and exhausts her and pulls her down." (pg. 187)

উপন্যাসখনত লৰেন্সে এইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰিবৰ চেষ্টা কৰিছে। বিবাহ নামৰ কৃত্ৰিম ৰক্ষণশীল অনুষ্ঠানটোৰ ভিতৰত বন্দী হৈ নিজস্ব মৌলিক অনুভূতিসমূহ দ্ৰৱিত কৰি ৰখাত আনা আৰু উইলৰ বৈবাহিক জীৱন সুখৰ নহ'ল। কিন্তু দুয়োৰে জেষ্ঠ্য সন্তান উৰ্ছুলাৰ দ্বাৰা লৰেন্সে অন্য এক নতুন জীৱনৰ সন্ধান কৰিছে।

১। 'Sons and Lovers' ৰ উদ্ধৃতিবোৰ Wordsworth Classics ৰ ১৯৯৯ সংস্কৰণৰ
২। 'The Rainbow' ৰ উদ্ধৃতি Pcackock Books 1998 সংস্কৰণৰ

গতানুগতিকতা অতিক্রমি এক অনুসন্ধিৎসু অনুভূতি -'Out of nothingness and the undifferentiated mass, to make something of herself'। তাইৰ পথ আংশিকভাবে বৌদ্ধিক, আংশিকভাৱে যৌন, কিন্তু মাকৰ নিচিনাকৈ তাই তাইৰ ভাগ্যক বৰণ কৰি লোৱা নাই। তাই ভাগ্যক স্বীকাৰ কৰি লৈছে যেনেকৈ -'a traveller on the face of the earth ......... ultimately and finally she must go on and on, seeking the goal that she know she did draw nearer to' আৰু তাই দেখিছে, আৱিষ্কাৰ কৰিছে-'She saw in the rainbow the earths new architecture, the old, brittle corruption of houses and factories swept away, the world built up in a living fabric of truth, flitting to the over-arching heaven.' (pg- 515)

'The Rainbow'ৰ পৰিৱৰ্ত অংশ হিচাপে লৰেন্সে 'Women in Love'ক লিখিব খুজিছিল কিন্তু পাছত তেওঁ সিদ্ধান্ত সলনি কৰে। অৱশ্যে উৰ্ছুলা ব্ৰেংগৱেন নামৰ চৰিত্ৰটো দুয়োখন উপন্যাসতে আছে। 'Women in Love' ৰ গঠনৰীতি 'The Rainbow' তকৈ যথেষ্ট পৃথক। 'The Rainbow' ৰ ঘটনাক্ৰম পৰ্য্যায়ক্ৰমে সংঘটিত হৈছিল। চৰিত্ৰবোৰ লাহে লাহে স্ফুৰিত হৈ ক্লাইমেক্স বিচাৰি পাইছিল কিন্তু 'Women in Love'ত একেলগে বিভিন্ন পৰিৱেশত কাহিনীয়ে বাট নুফলি কৰিছে। 'Women in Love' এখন ধাৰণাৰ উপন্যাস,যদিও এটা ধাৰণাই এই কথা প্ৰতীত কৰিবলৈ চেষ্টা কৰিছে যে বুদ্ধিমন্তা আৰু চিন্তাৰ কাৰণেই পৃথিৱীয়ে বহু যন্ত্ৰণা ভোগ কৰে। এই উপন্যাসত লৰেন্সে 'The Rainbow' ৰ কাব্যিক ভাষা পৰিহাৰ কৰি পোনপটীয়া বাট বিচাৰি লৈছিল। কাৰণ ভাষা হৃদয়ৰ নহয়, মস্তিষ্কৰহে আছিল। 'Women in Love' ৰ লৰেন্সে এনে এখন সমাজৰ সন্ধান কৰিছিল য'ত ধূৰ্ত মানুহৰ সাফল্যকৃতি মানৱজীৱনৰ অপৰিহাৰ্য্য হিচাপে গণ্য কৰা নহ'ব, য'ত পুৰুষ আৰু নাৰীৰ আবেগিক গভীৰতাক প্ৰকাশ কৰিবলৈ পূৰ্ণ সুযোগ সুবিধা প্ৰদান কৰা হ'ব, য'ত মানুহ আত্মনিয়ন্ত্ৰণৰ দাস নহ'ব।

উৰ্ছুলা,বাৰ্কিন, জেৰাল্ড ক্ৰিচ, গুড্ৰান আৰু বহু চৰিত্ৰৰ মাজেৰে লৰেন্সে 'Women in Love' ৰ ইংৰাজ সমাজৰ এটা পৰ্য্যায়ৰ নিখুত চিত্ৰায়নৰ লগতে এক অন্যতম জটিল মানৱিক সম্পৰ্কৰ ৰূপৰেখা ফুটাই তুলিছে। যিবোৰ চৰিত্ৰই সিহঁতৰ অৱচেতন, অপ্ৰাকৃতিক বা যৌন শক্তিক অস্বীকাৰ কৰি জীৱনক লৈ খেলা খেলিছে, সিহঁতৰ জীৱন ধ্বংসস্তূপত পৰিণত হৈছে। 'Women in Love'আৰম্ভ হৈছে বিবাহৰ বিষয়ে উত্তৰবিহীন এক প্ৰশ্নৰে আৰু শেষ হৈছে বৈবাহিক আৰু বিপৰীত লিংগৰ সম্পৰ্কৰ স্থায়িত্ব, দ্বিধা, দ্বন্দ্বৰ অভিধাৰণাৰে যাৰ উত্তৰো হয়তো চৰম্বে হাতত নাই। ই এনে এখন জগতৰ চলাথ কৰিছে যি একতাৰ সূত্ৰৰ অভাৱত ভাগিচিগি যাব ধৰিছে..... কিন্তু ইনষ্টালজিকভাৱে হেৰাই যোৱা প্ৰাগ উদ্যোগিক জগতখনৰ ৰক্ত-মাংসৰ অন্তৰংগতালৈও উভতিচোৱা নাই বা নতুন এক ধৰণৰ সামাজিক বন্ধন গঠন কৰিবলৈও আগবাঢ়ি যোৱা নাই। লৰেন্সে আনবোৰ উপন্যাসৰ দৰে 'Women in Love'তও কোনো সুস্পষ্ট পৰিণতি নাই, সমাজ আৰু ব্যক্তিগত স্বাধীনতাৰ বিষয়ে হোৱা তৰ্ক বিৰ্তকৰো উত্তৰ অস্পষ্ট। উৰ্ছুলা আৰু বাৰ্কিন ইফালে সিফালে ঘূৰি ফুৰিছে, ভৱিষ্যতে কি দিব সেই বিষয়ে সিহঁতৰ মনত কোনো নিশ্চয়তা নাই। প্ৰকৃতিৰ হাতত ধ্বংস হোৱাৰ আগতে যান্ত্ৰিক জেৰাল্ডে যাৰ গুড্ৰাণৰ প্ৰতি কোনো গভীৰ গোপন অনুভূতি নাছিল, অসহায়ভাৱে স্বীকাৰ কৰিছে 'Why don't I Love You?' আৰু গুড্ৰানে কৈছে 'I had to take pity on you. But it was never love.'............ 'Try to love me a little more and to want me a little less.'

জেৰাণ্ডক বাৰ্কিনেও খুব ভাল পাইছিল।(বহুতে ইয়াত সমকামিতাৰ উহঁ থকা বুলি সন্দেহ কৰে)। বাৰ্কিনে উৰ্ছুলাক কৈছিল 'Having you, I can live all my life without anybody else, any other sheer intimacy, But to make it complete, really happy, I wanted eternal union with a man to: another kind of love.'......' উৰ্ছুলা অসুখী হৈছে- 'Why arenot I enough? you are enough for me. I don't want anybody else but you.'..... সম্পূৰ্ণকৈ সুখী হোৱাৰ সম্ভাৱনা কাৰোৰে নাই। কাৰণ 'Women in Love' is less a novel about opposites than about checks and balance.'

'Women in Love' লেখাৰ পাছত লৰেন্সৰ উপন্যাসিক জীৱনলৈ এক জঠৰতা আহি পৰে আৰু তেওঁ উপন্যাস লেখা পৰিত্যাগ কৰাৰ কথা দকৈ ভাবিবলৈ লয়। পাঠক সমাজে আৰু বিদ্যৎ সমাজে 'The Rainbow'ক কৰা অনাদৰে তেওঁক বাৰুকৈয়ে দুখ দিছিল আৰু সেই হতাশাৰ কবৰৰ পৰা তেওঁ সম্পূৰ্ণকৈ উঠি আহিব পৰা নাছিল। এনেদৰে দিশাহীন হৈ পৰাৰ সময়তে, সমালোচকসকলে তেওঁৰ প্ৰতিভাৰ সূৰ্য্যাস্ত হোৱা বুলি কৰা সংশয়ৰ প্ৰত্যুত্তৰকল্পে লৰেন্সে 'The lost girl', 'Aaron's Rod', 'Kangaroo' 'The Plumed serpent' লেখি শেষ কৰে।

স্বাভাৱিকতেই লৰেনটিয়ান উপন্যাসৰ কাৰিকৰীগত আৰু গুণগত বৈশিষ্ট্যবোৰ এইবোৰ উপন্যাসত নাই। 'The Lost girl' ৰ মূখ্য নায়িকা এলভিনা হ'টনে ৰক্ষণশীল পৃথিৱীৰ পৰা মুক্ত পাবলৈ বিভিন্ন পথৰ সন্ধান কৰিছে। অথচ উপন্যাসখনৰ মূখ্য বিষয়বস্তু হৈছে এলভিনাৰ যৌনসত্তাৰ স্ফুৰণ। প'ল মৰেল আৰু উৰ্ছুলা ব্ৰেংগৱেনৰ ক্ষেত্ৰত যৌনতা সেই ব্যক্তিত্বৰ মাত্ৰ এটা অংশহে আছিল কিন্তু 'The Lost girl'ত সকলো বৰ্ণনাই এলভিনাৰ ভিতৰৰ মানুহজনীক বাহিৰলৈ তুলি অনাৰ প্ৰচেষ্টা। 'The Lost girl' এখন সংযোগী উপন্যাস, কিন্তু কিতাপখনক সেই হিচাপে বৰ বেছি হেয়জ্ঞান কৰিলে ভুল কৰা হ'ব, ইয়াৰ কৌতুকীয় পৰ্য্যবেক্ষণ আৰু মনোৰম বৰ্ণনাই উপন্যাসখনক ল'ৰেন্সৰ আটাইতকৈ সহজ বোধগম্য আৰু মনোৰঞ্জক উপন্যাসত পৰিণত কৰিছে।

পূৰ্বে উল্লেখ কৰা হৈছে লৰেন্সৰ দ্বিতীয়খন উপন্যাস 'The Trespasser' ত

১। 'Women in love' ৰ Surject Publication ৰ ১৯৮৭ সংস্কৰণৰ

নায়কে নিজৰ তিক্ত, সিক্ত, জীৱনৰ পৰা মুক্তি বিচাৰি আত্মহত্যা কৰিছিল। কিন্তু এনেধৰণৰ জীৱনৰ পৰা পলায়নে লৰেন্সকে সন্তুষ্ট কৰা নাছিল; কাৰণ লৰেন্সে আত্মহত্যাক 'escape from life, not into life' হিচাপেহে গণ্য কৰিছিল। 'The Lost girl' ৰ পিছৰ উপন্যাস 'Aaron's Rod' লৰেন্সে এইকথা পৰীক্ষা নিৰীক্ষা কৰিবলৈ আৰম্ভ কৰিছে যে যৌনতাৰ দ্বাৰা নহয়, অৱদমিত বাসনা, আকাংক্ষাৰ মুক্তিৰেই নহয়, আধিপত্য বিস্তাৰী মানুহ বা ভাৱনাৰ ওচৰত আত্মসমৰ্পণৰ দ্বাৰাও সম্পূৰ্ণতা বিচাৰি পাব পাৰি। সংগ্ৰাম বা প্ৰতিযোগিতাতকৈ মানুহে যৌনতাৰ ক্ষেত্ৰত, ৰাজনীতিৰ ক্ষেত্ৰত, ধৰ্মৰ ক্ষেত্ৰত সঠিক সমতুলতাৰ খোজ কৰা উচিত। 'Aaron's Rod'এখন অস্থিৰ মানুহৰ উপন্যাস। উপন্যাসখনত কোনো মুখ্য নাৰী চৰিত্ৰ নাই। সেই বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ লৰেনটিয়ান বৈশিষ্ট্যটো ইয়াত পোৱা নাযায়। শিথিল বিন্যাসৰ কাৰণে আৰু ভাৱনাৰ অস্পষ্টতাৰ বাবে উপন্যাসখন জনপ্ৰিয় আৰু সফল নহ'ল। কিন্তু লৰেন্সৰ বাবে ই এক অনুশীলন আছিল দুৰ্বলতাৰ পৰা শক্তি আহৰণ কৰাৰ কাৰণ ইয়াৰ পাছৰ উপন্যাস 'Kangaroo'ত তেওঁ এটা শক্তিশালী, বাংময় সূঁতি বিচাৰি পাইছে।

১৯২২ চনত প্ৰথমবাৰৰ বাবে ল'ৰেন্স আৰু ফ্ৰিডা ইউৰোপৰ বাহিৰলৈ ভ্ৰমণ কৰিবলৈ যায়। এইখিনিসময়তে অষ্ট্ৰেলিয়া ভ্ৰমণৰ আলম লৈ তেওঁ 'Kangaroo'লিখিবলৈ আৰম্ভ কৰে। ল'ৰেন্সে আশা কৰিছিল যে তেওঁ তাত একধৰণৰ আদিম সভ্যতাৰ উৎস দেখিবলৈ পাব য'ত মানুহে উত্তৰ ইউৰোপীয় জনগণৰ ভুলৰ পৰা শিকনি লৈ আকৌ নতুনকৈ ইতিহাস ৰচনা কৰিব। ....কিন্তু অষ্ট্ৰেলিয়াত সেইয়া তেওঁ দেখিবলৈ নাপালে যদিও তেওঁ তাৰ প্ৰকৃতিত পূৰ্বে কোনোদিনে অনুভৱ নকৰা এক মহানতা লক্ষ্য কৰিলে।

'To be alone, mindless and memoryless between the sea, under the sombre wall-front of Australia. To be alone with a long, wide shore and land, heartless, soulless. As alone and as absent and as present as an aborigiral dark on the sand in the sun. The strange falling away of everything.'

প্ৰথম মহাসমৰৰ পাছত বিশ্বাস, আস্থাৰ সোপান মৰমৰকৈ ভাগি পৰাৰ আৰু এখন শান্ত, সুখী পৃথিৱীত বাস কৰাৰ সপোন ধুলিসাৎ হৈ মোহভংগ হোৱাৰ যাতনা 'Kangaroo'ত মূৰ্ত হৈ উঠিছে। উপন্যাসৰ নায়ক ৰিৰ্চাড ছমাৰচে ইংলেণ্ডৰ উপকূল এৰি জাহাজত অষ্ট্ৰেলিয়ালৈ যাত্ৰা কৰোতে দেখিছে ইংলেণ্ড যেন 'a grey-dreary, grey coffin sinking in the sea behind'। নতুন দেশখনেও কিন্তু তেওঁলোকক কোনো ৰাজনৈতিক পুনৰাৱিষ্কাৰ বা সামাজিক অগ্ৰগতিৰ আভাস নিদিলে, কিন্তু আদিম সমাজ আৰু পেটি বুৰ্জোৱাবাদৰ সমন্বয়কাৰী হিচাপে আৰু ৰাজনৈতিক আৰু সামাজিক চেতনাৰ বিফলতাৰ পাছৰ আত্মিক জাগৰণৰ ফালে ঢাল খোৱা এক আহিলাৰ বাহক হিচাপে দেশখনে আশাৰ সঞ্চাৰ কৰিছে। অষ্ট্ৰেলিয়াত কটোৱা শেষদিনটোত ছমাৰচে অনুভৱ কৰিছে-

'One of his souls would stand forever out on those rocks beyond the jetty.'

মেক্সিকো ভ্ৰমণক আধাৰ হিচাপে লৈ লিখা - 'The Plumed serpent'ত আজটেক সভ্যতাৰ ঐতিহ্যমণ্ডিত দেৱ-দেৱীসকলৰ পূজা অৰ্চনাৰ বিশদ বিৱৰণ পোৱা যায়। ১৯২৬ চনত লৰেন্স মেক্সিকোলৈ আহোতে গীৰ্জাৰ পৰা খ্ৰীষ্টীয় ইমেজবোৰ বাহিৰ হৈ আজটেকীয় দেৱ-দেৱীৰ সন্মানাৰ্থে প্ৰদৰ্শন কৰা নৃত্য-গীতে স্থান পাইছিল। 'The Plumed Serpent' ত লৰেন্সে এইকথাই প্ৰতীয়মান কৰিব খুজিছে যে পৃথিৱীৰ প্ৰতিটো সম্প্ৰদায়ে নিজস্ব সংস্কৃতি, প্ৰকৃতি আৰু পৰিৱেশ বজাই ৰাখিব পাৰিলে কোনো ধৰ্মই 'আনটোতকৈ অধিক গুৰুত্বপূৰ্ণ নহ'ব, সকলোৰেই আত্মাৰ নতুন গোলকীয় নৱজন্মৰ অংশ হ'ব। 'The Plumed Serpent'এনেকৈয়ে যান্ত্ৰিক আৰু কৃত্ৰিম সভ্যতাৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে মানৱৰ এক সমূহীয়া আহ্বান হৈ পৰিছে। কিন্তু বোধহয় 'The Plumed Serpent' ত লৰেন্সে পুৰুষ আধিপত্যৰ ছবি খুব নগ্নভাৱে প্ৰকাশ কৰিছে। যেতিয়া কেটিয়ে ডন চিপৰিয়ানোক বিবাহ কৰিছে, সেই অনুষ্ঠানটোৱে আক্ষৰিক অৰ্থতে নাৰীক পুৰুষৰ তলতীয়া দ্ৰৱলৈ পৰিণত কৰিছে। লৰেন্সৰ দৃষ্টিত মেক্সিকোৰ পানী 'পুৰুষৰ বীৰ্য্যৰ বঙৰ পানী' 'Sperm-like water', মেক্সিকোৰ কেকটাচ লৰেন্সৰ বাবে পুৰুষৰ জননেন্দ্ৰিয়। আনহাতে যি আধ্যাত্মিক জাগৰণৰ কথা লৰেন্সে কল্পনা কৰিছিল সেইয়াও যেন 'The Plumed Serpent' ত পিচলৈ সংশয় আৰু দোমোজাৰে ধোৱাৰি হৈ পৰিছে। সামৰণিত কেটিয়ে অনুভৱ কৰিছে-

'What a fraud I am! I know all the time it is I who don't altogether want them. I want myself to myself. But I can fool them so that they shan't find out.'

১৯৩০ চনত লৰেন্সৰ মৃত্যু হয়। তাৰ ত্ৰিশ বছৰৰ পাছত তেওঁৰ সৰ্বশেষ উপন্যাস 'Lady Chatterley's Lover' প্ৰকাশ পায়। লগে লগে প্ৰকাশকসকল অশ্লীল কিতাপ ছপোৱাৰ অপৰাধত কাঠগড়াত থিয় দিব লগা হ'ল। সম্পূৰ্ণ ভুল কাৰণত লৰেন্সক কিতাপখনে ৰাতিটোৰ ভিতৰতে বিখ্যাত কৰি তুলিলে। তেওঁৰ নাম 'মুক্ত প্ৰেম' 'যৌনতাৰ ক্ষেত্ৰত সহিষ্ণু' আদি ধাৰণাৰ লগত সংপৃক্ত কৰা হ'ল। যিসকল পাঠকে লৰেন্সক বুজি নাপাইছিল তেওঁলোকৰ কাৰণে সামাজিক আৰু ৰাজনৈতিক ৰক্ষণশীলতাৰ পৰা যৌনতাক মুক্ত কৰিবলৈ ওলোৱা প্ৰফেট হিচাপে তেওঁ পৰিগণিত হ'ল। অথচ বস্তুতৰে এইকথা অজ্ঞাত যে উপন্যাসখনৰ তিনিটা মুখ্য থিমে কিতাপখনক যৌক্তিক পৰ্ণগ্ৰাফী হিচাপে মানুহে কৰা ধাৰণাকে অসাৰ প্ৰতিপন্ন কৰিছে। এই তিনিটা থিম হৈছে মানৱিক সম্পৰ্কৰ বিশ্বাসহীনতা, পুৰণা ইংলেণ্ডৰ অৱক্ষয় আৰু ৰক্ষণশীল নৈতিকতাই প্ৰকাশ কৰিব পৰাতকৈ বহু বেছি প্ৰকাশ কৰিব পৰা ইংৰাজী ভাষাৰ ক্ষমতা।

উপন্যাসখনত লৰেন্সে এই কথাই

১। 'Kangaroo' 1975 চনৰ Penguin সংস্কৰণ
২। 'The Plumed Serpent', Wordsworth Classics'ৰ 199? সংস্কৰণ

দোহাৰিছে যে পশ্চিমীয়া উদ্যোগিক পৃথিৱীৰ সমসাময়িক সমাজখন মিছা প্ৰমূল্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু মানুহৰ মাজত সঠিক ধৰণৰ সম্বন্ধ স্থাপন কৰিব নোৱাৰালৈকে মানুহে নিজকে যান্ত্ৰিকভাৱেই পূৰ্ণ কৰি ৰাখিব লাগিব। 'Lady Chatterley's Lover' ত এক ধৰণৰ সাধুকথা কোৱাৰ দৰে ষ্টাইল ল'ৰেন্সে বাচি লৈছে। চৰিত্ৰবোৰে মাথো কাহিনীৰ গতি আৰু বিকাশত সহায় কৰিছে।

বৈবাহিক সম্পৰ্কৰ বিশ্বাসহীনতাৰ ক্ষেত্ৰত এইকথা ক'ব পাৰি যে লৰেন্সে উপন্যাসখনত এনেকুৱা এক অতি ব্যক্তিগত জগত কণি চেটাৰ্লি আৰু অলিভাৰ মেলৰচৰ মাজত সৃষ্টি কৰিছে যে তাৰ ওপৰত ন্যায়িক নিয়ন্ত্ৰণ আৰোপ কৰিলে ই এক পবিত্ৰতাৰ ওপৰত আৰোপিত বাধাৰ নিচিনা হ'ব। সঠিক স্থাপনৰ ক্ষেত্ৰত লৰেন্সে সদায় অনুভূতিৰ সঁচা প্ৰকাশত সামাজিক প্ৰথাতকৈ বেচি গুৰুত্ব দিছে।

কণিৰ জীৱন উপন্যাসৰ আৰম্ভণিতে 'void................ spectral, not really existing' যেতিয়া তাই মাইকেলিচ নামৰ আলহীটোৰ লগত যৌনসম্পৰ্ক স্থাপন কৰিছে, তাইৰ বিবেকত একো দ্বন্দ্ব হোৱা নাই, ই মাথো তাইৰ শূণ্যতাৰ প্ৰতিফলন। নিবীৰ্য্য, প্ৰকৃতিৰ লগত অনাত্মীয় ক্লিফৰ্ড যাৰ প্ৰতি পত্নীৰ দায়িত্ব পালনৰ বাহিৰে তাইৰ আন একো ভাবনা নাছিল, সেই ক্লিফৰ্ডৰ পৰা আতৰি কনিয়ে সমন্ধ স্থাপন কৰিছে সমাজৰ পৰা বিছিন্ন যদিও প্ৰকৃতিৰ লগত এক ঐক্যসূত্ৰত আৱদ্ধ মেলৰচৰ লগত। উপন্যাসখনৰ শেষত গৰ্ভৱতী কণি বিবাহ বিচ্ছেদ আৰু সম্পূৰ্ণ ব্যক্তিগত স্বাধীনতাৰ বাবে অপেক্ষাৰত।

'লেডি চাৰ্টালিজ লাভাৰ' এনেকৈয়ে ক্ষয়িষ্ণু ইংলেণ্ডৰ বাবে এক শোক বিননি। উপন্যাসখনৰ প্ৰথমটো বাক্যতে লৰেন্সে কৈছে 'Ours is esentially a tragic age, so we refuse to take it tragically.' ট্ৰেজেদি এয়েই যে আধুনিক উদ্যোগিক মানুহ অভিশাপ প্ৰদানকাৰী ভগৱানৰ চিকাৰ নহয়, বৰঞ্চ নিজেই তেওঁলোকে বিৱৰ্তনৰ বাট বিচাৰি লৈছে। তেওঁৰ আশা এইয়াই যে মানুহে চাব পাৰে কেনেকৈ ধ্বংসৰ প্ৰক্ৰিয়া এতিয়াও সম্পূৰ্ণ নোহোৱাকৈ আছে। প্ৰাকৃতিক পৃথিৱীখন ক্ষয় হৈ গৈ আছে কিন্তু ধ্বংস হোৱা নাই। যেতিয়া কণি আৰু মেলৰচে ইটোৱে সিটোৰ যৌনাংগত ফৰগেট মি নট ফুল ৰাখিছে, সেইয়াই সিহঁতৰ প্ৰেমৰ অন্তৰংগতাকে অকল প্ৰকাশ কৰা নাই, বৰঞ্চ পুৰণি ইংলেণ্ডৰ প্ৰতি অযাচিতভাৱে মোহ আৰু আৱেগো ব্যক্ত কৰিছে যাৰ জীৱন এসময়ত যান্ত্ৰিকৰ সলনি জৈৱিক আছিল। মানুহে নিজকে ৰক্ষা কৰিব পাৰিব লাগিব, নহ'লে তেওঁ ধ্বংস হৈ যাব। লৰেন্সে আশা কৰিছে যে নিশ্চয় কণি আৰু মেলৰচে এদিন সেই মানৱীয় সত্তাহীনতাৰ প্ৰতিনিধিত্ব কৰিব যি মিল্টনে নিৰ্বাসিত আডাম আৰু ইভৰ মাজেৰে দেখুৱাইছিল।

'Lady Chatterley's lover' ত লৰেন্সে ভাবাক নিজৰ সম্পূৰ্ণকৈ আয়ত্তাধীন কৰিব পাৰিছে, প্ৰথম উপন্যাসিকখনৰ দৰে কাব্যিক বৰ্ণনাবহুলতাও নাই, 'The Rainbow' আৰু 'Women in Love' ৰ অত্যাধিক জৰুৰী নৈতিক প্ৰদৰ্শনও নাই বা 'লিডাৰছিপ' উপন্যাসত থকা অস্পষ্টতাও নাই। যৌন অভিজ্ঞতাৰ বৰ্ণনাই উপন্যাসখনত এক অনন্য ইংগিতময়তা আৰু প্ৰতীকবাদী গতিময়তা অৰ্জন কৰিছে।

'And it seemed she was like the sea, nothing but dark waves rising and heaving , heaving with a great swell, so that slowly her whole darkness was in motion, and she was ocean rolling its dark dumb mass.'

'Lady Chatterley's Lover' এজন অসুস্থৰ মানুহৰ দ্বাৰা লিখা হৈছিল (লৰেন্স সেইসময়ত নানাধৰণৰ ৰোগত জুৰুলা হৈ পৰিছিল যি সমাজৰ কোনো প্ৰশংসনীয় দিশ বিচাৰি পোৱা নাছিল।) এনে এক পৰিৱেশত কোনোবাই হতাশাৰ প্ৰতিফলনহে দেখা পাব পাৰে, কিন্তু উপন্যাসখনে এই কথাত্ব জোৰ দিছে যে 'The world is not only worth saving but that it can still be saved.' লৰেন্সৰ এইখনেই শেষ উপন্যাস কিন্তু উপন্যাসখনে প্ৰদৰ্শন কৰিছে এজন শিল্পীৰ তেওঁৰ ওপৰত প্ৰদত্ত প্ৰতিভাৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ, অতীতৰ শক্তিক পুনৰ জাগৰিত কৰিব পৰা আৰু নতুন ক্ষেত্ৰলৈ প্ৰতিভাক স্থানান্তৰিত কৰিব পৰা ক্ষমতা।'Lawrence died in the midstream of his creative flow, not at the point where the river widens into the dark sea.'[1]

ওপৰত লৰেন্সৰ আটাইকেইখন উপন্যাসৰ বিষয়ে থূলমূলকৈ আলোচনা কৰা হ'ল। প্ৰবন্ধটিত লৰেন্সৰ উপন্যাসসমূহৰ পৰা যিবোৰ উদ্ধৃতি দিয়া হৈছে তাক অনুবাদ কৰাৰ চেষ্টা আমি কৰা নাই, কাৰণ আমাৰ বিশ্বাস যে লৰেনটিয়ান ভাষাৰ কালিকা আৰু প্ৰাচুৰ্য্য পাঠকে তেতিয়াহে অনুধাৱন কৰিব পাৰিব। লৰেন্সৰ সাহিত্যিক প্ৰতিভাৰ বিষয়ে কণমান উৎসুক্যৰ সৃষ্টি কৰাই এই প্ৰৱন্ধটিৰ মূল উদ্দেশ্য।


সহায় লোৱা গ্ৰন্থসূচী

1. Encyclopaedia Americana
2. Encyclopaedia Britanica
3. Colliers Encyclopaedia
4. British Writers Vol.8
5. D.H. Lawrence, The novelists by F.R. Leavies.
6. Oxford History of English Literature ed by Sanders
7. The Second Sex- by Simon de Beauvoir.


---

১। Alstair Niven on D.N. Lawrence

২। 'Lady Chatterley's Lover' ৰ Rupa & Co ৰ 1999 সংস্কৰণ

# চেফো ঃ এক বিতৰ্কিত কবি সত্বা

লুট্‌ফা হানুম হেলিমা বেগম



বিশ্বৰ কবিতাৰ ইতিহাসত মহিলা কবিৰ সংখ্যা পুৰুষৰ তুলনাত তেনেই কম। বহুতে কব খোজে যে পুৰুষ-মহিলা বুলি দলবিভাজন কৰিলে মহিলা কবিসকলৰ মৰ্যদা হানি হব পাৰে। কিন্তু এই কথা স্বীকাৰ কৰিব লাগিব যে - জীৱনৰ স্বাচ্ছন্দ্য, ব্যক্তিস্বাতন্ত্র্য, আত্মপ্ৰত্যয়, আত্মসন্মান, প্ৰেম, বিষাদ, অমীমাংসিত নিঃসংগতা, আত্মপ্ৰকাশৰ তাগিদা, একান্ত নিজস্ব কৰুণ অভিজ্ঞতা ইত্যাদি সম্পৰ্কে মহিলাসকলৰ আত্মিক অনুভৱ নিশ্চয় পুৰুষৰ লগত নিমিলে। গতিকে তেওঁলোকৰ মাজত লালিত পালিত হোৱা কবিসত্তাৰ অন্বেষণ আৰু উপলব্ধিৰ স্বৰূপ আৰু প্ৰকাশ সুকীয়া, ভিন্ন। কিন্তু যেতিয়া এগৰাকী মহিলাই আত্মপ্ৰকাশৰ মাধ্যম ৰূপে কবিতাকে বাচি লয় আৰু পুৰুষ এজনেও যেতিয়া তাকে কৰে - দুয়োৰে পৰিচয় কেৱল কবি হোৱাই উচিত।

এতিয়া আমি প্ৰাচীন জীৱনীসমূহৰ পৰা পোৱা তথ্যক চেফোৰ জীৱনৰ বাবে কিমান দূৰ গ্ৰহণ কৰিব পাৰো- সি বিচাৰ্য বিষয়। প্ৰায়ে অনেকৰ জীৱনী লিখোতে তেওঁলোকৰ দ্বাৰা ৰচিত ৰচনাৰাজিৰ মাজত প্ৰকাশিত হোৱা ঘটনা অথবা চৰিত্ৰৰ ওপৰতহে নিৰ্ভৰ কৰা দেখা যায়। প্ৰকৃত ব্যক্তিজনৰ প্ৰতি অন্যায় কৰা এনে ঘটনাৰ এটা উদাহৰণ হ'ল -ইউৰিপিদিছৰ দ্বাৰা ৰচিত নাটকত কিছুমান ঈশ্বৰ অবিশ্বাসী চৰিত্ৰ থকাৰ বাবে স্বয়ং নাট্যকাৰ ইউৰিপিদিছক নাস্তিক বুলি ভবা হৈছিল। সেয়ে গ্ৰীক কবিসকলৰ জীৱনীৰ ক্ষেত্ৰতো এনে কথাই যে প্ৰভাৱ পেলাব পাৰে সেই কথা পাহৰি নোযোৱাকৈ আমি চেফোৰ জীৱনৰ বিষয়ে সামান্য আলোকপাত কৰাৰ চেষ্টা কৰিম।

ইউৰোপীয় সাহিত্যৰ বুৰঞ্জীত চেফোক এগৰাকী অসামান্য প্ৰতিভাৰ অধিকাৰী অদ্বিতীয় কবি ৰূপে স্থান দিয়া হৈছে। তৃতীয় শতিকামানত চেফোৰ স্বৰচিত কবিতা সমূহ ৯টা (নটা) সংগ্ৰহত সংকলিত হৈছিল বুলি জনা যায়। কিন্তু সেই সময়ৰ খ্ৰীষ্টানসকলৰ গীৰ্জাত এই কবিতাসমূহৰ অশ্লীলতা সম্পৰ্কে বিচাৰ হয়। বিচাৰৰ ৰায় অনুযায়ী চেফোৰ অধিকাংশ কবিতাই পুৰি পেলোৱা হৈছিল। যাৰ বাবে চেফোৰ কবিতাৰ কিছুমান খণ্ডাংশহে পোৱা গ'ল। আকৌ মধ্যযুগৰ পিছত আন কিছুমান পুৰণি লেখকৰ লেখনিত চেফোৰ কবিতাৰ শাৰী উদ্ধৃতি হিচাপে প্ৰয়োগ হোৱা পোৱা গ'ল। আশ্চৰ্যজনকভাৱে তেওঁৰ কবিতা, কিছুমান অন্ধকাৰ ঠাইৰ পৰাও উদ্ধাৰ কৰা হ'ল। উদাহৰণ স্বৰূপে গ্ৰীকসকলৰ পৰম্পৰা অনুযায়ী 'মামী' (Mummified) কৰি থোৱা ঘৰিয়ালৰ পেটৰ পৰাও চেফোৰ কবিতা উদ্ধাৰ কৰা হ'ল। অজ্ঞানতা আৰু নিষ্ঠুৰতাৰ এনে দুৰ্নিবাৰ আক্ৰমণকো নেওচি বিশ্বৰ কবিতাৰ ইতিহাসত চেফোৰ প্ৰায় কেইবাশ কবিতাৰ শাৰী ৰৈ গ'ল। সেয়ে কোৱা হয়-

"The flowers of Sappho-few, but roses."

চেফোৰ কবি প্ৰতিভা, অন্বীক্ষা, স্পৰ্শকাতৰতা যি দৰে তৰ্কাতীত, তাৰ বিপৰীতে চেফোৰ জন্ম, মৃত্যু, পিতৃ, ভাতৃ আনকি চেফো পুৰুষ নে মহিলা সেই কথাবোৰ ৰহস্যৰ বৃত্তত বন্দী হৈ আছে আজিও। তথাপি তেওঁৰ জন্মৰ সময় ৬১৫ বা ৬১২ খৃঃপূঃ (?) বুলি জনা যায়। কিন্তু তেওঁৰ জন্মৰ তাৰিখ আৰু কেনেকৈ মৃত্যু হৈছিল এই সম্পৰ্কীয় তথ্য এতিয়াও ৰহস্যৰ আৱৰণেৰে ঢকা আছে।

চেফোৰ জন্ম হয় গ্ৰীচৰ 'লেচবচ' (Lesbos) নামৰ দ্বীপত; এক সম্ভ্ৰান্ত পৰিয়ালত। তেওঁ বিবাহ সূত্ৰে এক বণিকৰ পত্নী হয় আৰু জনা যায় যে তেওঁৰ এগৰাকী মাত্ৰ কন্যা সন্তান আছিল। জীৱনৰ অধিকাংশ সময়েই তেওঁ সেই দ্বীপতে কটাইছিল। কিন্তু তেওঁ দুবাৰকৈ সেই দ্বীপৰ পৰা নিৰ্বাসিত হৈছিল আৰু সেই সুযোগতে তেওঁ গ্ৰীচৰ বিশাল ক্ষেত্ৰখনত ভ্ৰমণ কৰি ফুৰিছিল। এই কথাই তেওঁৰ কবিতাত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। এফালে যুদ্ধ আৰু ক্ষমতাধিষ্ঠ পুৰুষৰ ৰাজহুৱা জীৱন আৰু আনফালে নাৰীৰ প্ৰেম আৰু বন্ধুত্বৰ আবেগিক ক্ষেত্ৰখন- এই বিলাকৰ মাজত চেফোৱে অনুভৱ কৰিছিল- এক চৰম বৈপৰীত্য।



জীৱিত কালতেই চেফোৰ কবিতাই জনপ্ৰিয়তা আৰু যশস্যা দুয়োটাই লাভ কৰিবলৈ সক্ষম হৈছিল। বিশেষকৈ তেওঁৰ প্ৰেম, বিষাদ আৰু যন্ত্ৰণাৰ কবিতাবোৰত গভীৰ আবেগ অভিব্যক্ত হৈছিল। নাৰী জীৱনৰ মাজত লুকাই থকা গোপন পৃথিৱীখনৰ কথা গ্ৰীকসাহিত্যত একেবাৰেই উপেক্ষিত হৈ আছিল, সেই পৃথিৱীখনকে উন্মুক্ত কৰিবলৈ বিচাৰিছিল চেফোৱে কবিতাৰ মাজেৰে। সেয়ে আমি চেফোৰ কবিতাত গ্ৰীক নাৰীৰ অন্য এখন জগতৰ সন্ধান পাওঁ। তীব্ৰভাৱে যন্ত্ৰণাময় আৰু অৰ্ন্তদৰ্শী তেওঁৰ কবিতাবোৰ আজিও যেন নতুন, আজিও যেন আবেদনক্ষম। কাহানিও কোনেও নিলিখা কিছুসংখ্যক অনন্য প্ৰেমৰ কবিতাই আজিও আধুনিক কাব্যপ্ৰেমীক আকৰ্ষণ কৰে। তাৰে কেইটামান উদাহৰণ হ'ল-

<u>AT LAST</u>

You have come  
and you did well to come  
I pined for you  
And how you have put a torch to my heart  
a flare of love

O bless you and bless you and bless you:  
You are back..........  
We were parted

<u>WHAT IS</u>

Far sweeter-tuned  
than a lyre  
Golder than gold  
Softer than velvet  
Much whiter  
than an egg ?

<u>THE MOMENT I SAW HER</u>

Love  
like a sudden breeze  
tumbling on the oak-tree leaves  
left my heart  
trembling

গ্ৰীকসকলৰ আৰাধ্যা প্ৰেমৰ দেৱী এফ্ৰ'ডাইট (APHRODITE) এ চেফোৰ কবিতাত এক উল্লেখযোগ্য স্থান লাভ কৰিছে। চেফোৱে তেওঁৰ অনেক কবিতা এইগৰাকী দেৱীৰ উদ্দেশ্যে ৰচনা কৰিছিল। কেতিয়াবা নিজৰ অতৃপ্ত প্ৰেমৰ বাবে দেৱীৰ পৰা কৰুণা ভিক্ষা কৰিছে, কেতিয়াবা স্বয়ং দেৱীৰেই সৌন্দৰ্য বৰ্ণনা কৰিছে। এফ্ৰ'ডাইটৰ প্ৰতি নিবেদিত চেফোৰ কেইটিমান কবিতাৰ উদাহৰণ ঃ

<u>ONCE AGAIN APHRODITE</u>

I have run to you fluttering  
Like a little girl to her mother

<u>IN MY DREAM, APHRODITE</u>

A crimson handkercheif hung down  
Your cheeks, the one  
Timas sent to you from Phocaea :  
full of her adoration

চেফোৰ কবিতাৰ জনপ্ৰিয়তা সম্পৰ্কে যিদৰে অনেক কথা, কাহিনী আদি প্ৰচলিত, তেওঁৰ মৃত্যুক লৈ অনেক মিথ্ (MYTH) ধৰ্মীয় ৰূপক, লোককথা আদিৰ প্ৰচলন হৈআছে। এজন নাবিকৰ প্ৰতি থকা অনিৰুদ্ধ আকৰ্ষণৰ বাবেই চেফোৱে Leucade পাহাৰৰ পৰা সাগৰত জপিয়াই আত্মহত্যা কৰিছিল বুলি জনা যায়। প্ৰেমৰ প্ৰতি এনে আকৰ্ষণ আৰু চেফোৰ কবিতাৰ প্ৰতি থকা আন্তৰিক অনুৰাগৰ বাবেই অনেক চিত্ৰকৰে চেফোক কেন্দ্ৰীয় বিষয় হিচাপে লৈ চিত্ৰ আঁকিছে। তাৰ ভিতৰত GUSTAV MOREAU (1826-1898) এ অঁকা 'the death of Sappho' আৰু'Sappho with Leucade' শীৰ্ষক চিত্ৰ দুখন উল্লেখযোগ্য। নেদাৰলেণ্ডৰ এটা মিউজিয়ামত চেফোৰ এটা কাল্পনিক প্ৰতিকৃতিও সংৰক্ষিত হৈ আছে।



ফটোসমূহ ইণ্টাৰনেটৰ সৌজন্যত লেখিকাৰ দ্বাৰা সংগৃহীত। — সম্পাদক

# হেৰাই যোৱা ভোটা তৰা চিত্ৰ শিল্পী প্ৰণৱ বৰুৱা

ড০ প্ৰদীপ শৰ্মা
ভূগোল বিজ্ঞান বিভাগ

সেইদিনা ২২ ফেব্ৰুৱাৰী। ব্যক্তিগত কিবা এটা কামত ওলাই গৈ সন্ধিয়া হোৱাৰ আগে আগে ঘৰলৈ বুলি দীঘলী পুখুৰীৰ পাৰেৰে আহিছোঁ। দেখিলো দীঘলীপুখুৰীৰ পাৰত মানুহৰ সমাগম, কিবা এটা হৈছে। বহুতো মানুহৰ মাজতে ৰাস্তাৰ পৰাই কেইখনমান চিনাকি মুখ দেখা পালো। সোমাই চোৱাৰ ইচ্ছা হ'ল। অলপ আগবাঢ়োতেই চকুত পৰিল কেইবাজনো চিনাকি শিল্পীয়ে ছবি আঁকিছে। নিজৰ ওপৰতে খং উঠিল। নিজকে বৰ আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ যেন লাগিল। যিজন মহান শিল্পীৰ জন্মদিনত তেখেতৰ স্মৃতি সজীৱ কৰি ৰাখিবৰ বাবে 'ৰং তুলিকাৰ দিন' পালন কৰিছে, পুখুৰীৰ পাৰত কেন্‌ভাচত ৰঙ সানিছে, সেই দিনটোত প্ৰণৱ বৰুৱাৰ ছাত্ৰ হৈ নিতান্ত ব্যক্তিগত কামত ঘূৰি ফুৰিছো। ছবি এখন আঁকি সন্মান নজনালেও সেই অনুষ্ঠানত উপস্থিত থকাটো উচিত আছিল। যিজন চিত্ৰ শিল্পীক গুৰু মানি স্কুলীয়া জীৱনতে ছবি আঁকি দেখুৱাই আৱশ্যকীয় পৰামৰ্শ লৈছিলো সেই জনৰ স্মৃতিত আয়োজিত অনুষ্ঠান এটাৰ খবৰ ৰখা নাই, বাতৰি কাকতত পঢ়িও পাহৰি গৈলাইছো। তাতকৈ বেয়া কথানো কি হব পাৰে! এনেবোৰ চিন্তাত ডুবি দীঘলীপুখুৰীৰ পাৰত হয়তো বহুত সময় পাৰ কৰিলো। সেইখিনি সময়ত কোনোবাই যদি মোক মাতিছিলো মই সঁহাৰি জনালো নে নাই কব নোৱাৰো। এসময়ত চেতনা পোৱাৰ দৰে পাই বেগেৰে ঘৰমুৱা হ'লো। খৰখেদাকৈ পৰিয়ালৰ সকলোটি সদস্যক লগত লৈ পুণৰ দীঘলীপুখুৰীৰ পাৰ পালোগৈ। পত্নী আৰু ল'ৰা ছোৱালীহালক প্ৰণবদাৰ ছবিবোৰ এখন এখনকৈ দেখুৱাই গলো। তাৰে কিছুমান ছবি আগতে দেখাৰ সৌভাগ্য ঘটিছিল। ইতিমধ্যে আন্ধাৰ হৈ আহিছে। উদ্যোক্তা সকলে ছবিবোৰ সামৰিব খুজিছে। পুখুৰীৰ পাৰত মানুহৰ ভিৰ কমিছে। যি কেইজন শিল্পীয়ে তেওঁলোকৰ ছবি আঁকি সম্পূৰ্ণ কৰিব পৰা নাছিল সেই সকলৰ বাহিৰে বাকী চিত্ৰ শিল্পী সকল ইতিমধ্যে ঘৰাঘৰি গৈছে। সেইদিনা তাত কেইবাজনো স্বনামধন্য চিত্ৰ শিল্পীয়ে ছবি আঁকিছিল। নীলপৱন বৰুৱা, পুলক গগৈ, ননী বৰপুজাৰী, সমীৰণ বৰুৱা অতুল বৰুৱা, ধ্ৰুব ডেকা, গৌৰীবৰ্মণ, চম্পক বৰুৱা আৰু কবি হীৰেণ ভট্টাচাৰ্য্যইও ৰঙ তুলিকাৰে কেনভাচ ভৰাইছিল। ছবিবোৰ চাবলৈ, অনুষ্ঠানত ভাগ লবলৈ আহিছিল অসমৰ খ্যাতনামা শিল্পী সাহিতিক সকল। লগতে বহুতো গুণমুগ্ধ। অনুষ্ঠানটোৰ ভুয়সী প্ৰশংসাৰ কৰাৰ লগতে শিল্পীজনক এবাৰ সুঁৱৰি গ'ল সকলোৱে। গধুৰ মনেৰে আমিও ঘৰমুৱা হ'লো। প্ৰণৱদাৰ সান্নিধ্য মনতে পাগুলি থাকিলো।



প্ৰয়াত প্ৰণৱ বৰুৱাক পৰিচয় হোৱাৰ দিন ধৰি দাদা বুলিয়ে সম্বোধন কৰিছিলো। যেতিয়াৰ পৰা তেখেতক দেখিছো, চিত্ৰশিল্পী বুলি জানিছো তেতিয়াৰ পৰা মানুহজনৰ প্ৰতি এক বিশেষ শ্ৰদ্ধা উপজিছিল। ডাঠ লেন্সৰ চচমা পিন্ধা, ধুনীয়া গঢ়ৰ মানুহজনে মন চুলিখিনি অলপ দীঘলকৈ ৰাখিছিল। প্ৰায়েই কোলহাপুৰী চেণ্ডেল পিন্ধা প্ৰণবদাৰ চোলাবোৰ আছিল বেচ ৰঙীন। চিৰ নবীন, চৌখিন প্ৰণৱদাৰ হাঁহি মুখখনে, সুন্দৰ ব্যৱহাৰে আমাক কায চপাই নিছিল যদিও গাম্ভীৰ্যতা আৰু অসাধাৰণ ব্যক্তিত্বৰ বাবে প্ৰণবদালৈ ভীষণ ভয়ো লাগিছিল। এনে অৱস্থা যে আমাৰ চামৰে হৈছিল এনে নহয়, তেখেতৰ সান্নিধ্যলৈ অহা প্ৰায় সকলোৱে এই কথা উপলব্ধি কৰিছিল। ছবি শিকাৰ নামত আমি তেখেতৰ কিমান সময় ললো তাৰ হিচাপ নাই। বিনিময়ত পিচে একো দিয়া নহ'ল। সুধিবলৈ বা উপহাৰ এটা যাঁচিবলৈও সাহস গোটাব নোৱাৰিছিলো।

প্ৰথম দিনা বুদ্ধৰ ছবি এখন আঁকি প্ৰণবদাক দেখুৱাবলৈ গৈছিলো। প্ৰণবদাৰ ঘৰ কলঙৰ পাৰত, নগাওঁ পৰিবহন নিগমৰ আস্থানৰ থিক কাষতে। অসম আৰ্হিৰ এটা ঘৰ, চোঁহদত সোমোৱাৰ লগে লগে অনুভৱ হয় যেন এক শিল্পীৰ পৃথিৱীত সোমাইছো। আনকি 'কলিং বেল'টোও এটা বিশেষ ধৰণৰ টিলিঙাৰ কাঠ, বাঁহ, মাটি শিল আদিৰ বিভিন্ন মূৰ্ত্তি ছবিৰে ভৰা ঘৰখনৰ প্ৰতিটো কোঠা একো একোটা নিখুঁতভাবে সজোৱা গেলেৰী। এনেদৰে সজাই পৰাই ৰখাত অৱশ্যে আৰতি বৌৰহে (প্ৰণৱদাৰ পৰিবাৰ) অৰিহণা বেছি। দাদ বৌৰ যি মিলা-প্ৰীতি, বুজা-বুজি দেখিলেই ভাল লাগে। শিল্পীজনাৰ ঘৰুৱা অভাৱবোৰ কোনেও জানিব নোৱাৰাকৈ, বুজিব নোৱাৰাকৈ নিখুঁত ভাবে ঢাকি ৰাখিছিল বৌয়ে। শিল্প সাধনাও কৰে তেখেত। 'কলাজ' কেনেকৈ কৰে প্ৰথম জানিছিলো আৰতি বৌয়ে চটি কাপোৰত আলোচনীৰ পাত আঠা লগাই কৰা চিত্ৰকৰ্মৰ পৰা, যিখন ড্ৰইং ৰুমত

বহুত বছৰ দেখা পাইছিলো। দাদাৰ হাতত তুলি দিয়া মই অঁকা বুদ্ধৰ ছবিখন তেখেতে কিছুসময় চালে। দুবাৰমান মোৰ মুখলৈও চালে। কিছু সময়ৰ পিছত ক'লে ড্ৰইংটো ভাল হৈছে। কিন্তু তুমি বৰ ভয়ে ভয়ে আঁকিছা। মই তৎক্ষণাৎ বুজি পালো। প্ৰণবদাই ইতিমধ্যে মোক পঢ়ি পেলাইছে। মই মূহুৰ্ততে আত্মসমৰ্পণ কৰিলো। ছবিখন দেখুৱাবলৈ আহোঁতে ভাব আছিল বুদ্ধৰ ছবিখন হুবহু আঁকিছো যেতিয়া প্ৰশংসা পামেই। কিন্তু ধাৰণাটো ভূল হ'ল। সেইখন এখন ছবি বুলিও নক'লে। বুজাই দিয়াত গম পালো যিবোৰ ৰেখা ছবিখনত ব্যৱহাৰ হৈছিল সেইবোৰ ৰেখা আঁকোতে দৃঢ়তা আত্মবিশ্বাসৰ অভাৱ হৈছিল। ছবিখন অনুকৰণ কৰাতহে গুৰুত্ব দিয়া হৈছিল। সেইদিনা ছবি অঁকাৰ ভালেমান কথা বুজি ঘৰলৈ উভতিলো। বন্ধু বান্ধৱ বা আত্মীয়ই ভাল ছবি আঁকো বুলি কোৱাৰ বাবে মনত যি অলপ অহংভাৱ আছিছিল সেইখিনি প্ৰণবদাৰ ঘৰতে এৰি আহিবলৈ বাধ্য হ'লো। সেয়ে আৰম্ভণি। তাৰ পিছত ছবিদেখুৱাবলৈ প্ৰণবদাৰ ওচৰলৈ বহুতবাৰ গৈছিলো। এটা সময়ত অৱশ্যে প্ৰণবদাই কৈছিল তোমাৰ পৰ্ট্ৰেইট (Portrait) বোৰ বেছি ভাল হয়। প্ৰণবদাই পৰ্টট্ৰেইট কৰে যদিও এই কাম কৰি তেখেতে বৰ ভাল নেপাইছিল। তেখেতে মাজে মাজে কয় এই কাম তুমিয়ে কৰা। নগাঁৱত থাকোতে যিকোনো শিল্পকৰ্ম প্ৰণবদাক দেখুওৱাটো এক নিয়মত পৰিণত হৈছিল। প্ৰণদাই চাই দিলেই যেন ছবিখনে পূৰ্ণতা পায়। মোৰ দৰে বহুতেই প্ৰণৱদাৰ ওচৰলৈ নিঃসংকোচে আহি দিহা পৰামৰ্শ লৈছিলহি।

প্ৰণবদাই শিল্প সাধনাক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিছিল। আই এছ চি পৰীক্ষাত উত্তীৰ্ণ হৈ শান্তিনিকেতনত সুকুমাৰ কলা পঢ়িবলৈ গৈছিল। তাত প্ৰণবদাই ভাল নেপাই মুম্বাই পালেগৈ, নাম লিখিলে জে, জে আৰ্ট কলেজত। তিনিবছৰীয়া পাঠ্যক্ৰম সম্পূৰ্ণ কৰি স্নাতক ডিগ্ৰী লাভ কৰি অসমলৈ ঘূৰি আহিল। প্ৰথমতে গুৱাহাটীতে এটা ষ্টুডিঅ' খুলি কাম আৰম্ভ কৰিলে। কিছুদিনৰ পিচত গুৱাহাটী এৰি জন্মস্থান নগাওঁ পালেগৈ আৰু তাত জীৱনৰ শেষ দিনালৈকে চিত্ৰ শিল্পকে জীৱিকা হিচাপে গ্ৰহণ কৰি জীৱন সংগ্ৰাম চলাই গ'ল। অসমৰ দৰে ৰাজ্যত ৬০ৰ দশকত চিত্ৰ শিল্পক জীৱিকা হিচাপে লৈ প্ৰণবদাই যি সাহসৰ পৰিচয় দিলে সেই সাহস আজিও বহুতো শিল্পীয়ে কৰিব পৰা নাই। চাই থাকোতে প্ৰণবদাৰ কাষ চপা নবীণ শিল্পীৰ সংখ্যা বাঢ়ি আহিল। সেইবাবেই বোধহয় তেখেতে নগাঁৱত 'কল্লোল'কৈ প্ৰমূখ্যে কৰি চিত্ৰ কলা চৰ্চাৰ কেইবাটাও অনুষ্ঠান গাঢ়ি তুলিলে। সেই অনুষ্ঠানবোৰৰ পৰা যি সকল শিল্পী ওলাইছে তেওঁলোকৰ ভালেসংখ্যকৰ শিল্প কৰ্মই দেশখনৰ বিভিন্ন ঠাইত প্ৰশংসা লাভ কৰিছে। শিল্পী হিচাপে জীৱিকা নিৰ্বাহ কৰাৰ সাহস কৰা আৰু অগনন শিল্পীক বাট দেখুৱাই দিয়া কামে প্ৰণবদাক শিল্পীসমাজত নিঃসন্দেহে উচ্চস্থানত বহুৱাইছে। তেখেতৰ অপূৰ্ব সৃষ্টি সমূহে মুম্বাই, কলকাতা, দিল্লী আদি চহৰকে আদি কৰি দেশখনৰ বিভিন্ন ঠাইত হোৱা প্ৰদৰ্শনীত ভূয়সী প্ৰশংসা লাভ কৰিছে। দেশৰ আগশাৰীৰ চিত্ৰ সমালোচক সকলে তেখেতৰ তৈল চিত্ৰ সমূহৰ লগতে আন আন শিল্প কৰ্মবোৰৰ উচ্চ প্ৰশংসা কৰিছে। প্ৰণবদাই অঁকা গোপীনাথ বৰদলৈৰ বিশাল তৈলচিত্ৰ ভাৰতৰ সংসদ ভৱনত সংৰক্ষণ কৰা হৈছে। দেশখনত বহুতো বিখ্যাত গেলেৰীত প্ৰণবদাৰ চিত্ৰসমূহ সংৰক্ষিত কৰা হৈছে। অলপতে কলিকতা নিবাসী এক বিশিষ্ট ব্যৱসায়ীৰ ঘৰলৈ গৈছিলো এক চাহমেলত ভাগ লবলৈ। তেখেতৰ ড্ৰইংৰুমত দেখিলো কেইখনমান ছবি। তাতে এখন ছবি চিনাকি যেন লাগিল। ওচৰলৈ গৈ দেখো সচাই সেইখন প্ৰণবদাৰ ছবি। একে শাৰীতে সৰু সৰু আন দুখন ছবি। দুয়োখন এম এফ হুছেইনৰ। মনটো ভৰি গ'ল, হুছেইনৰ ছবিৰ শাৰীতে প্ৰণবদাৰ ছবিকো সমান স্থান দিয়া হৈছে।

প্ৰণব বৰুৱাৰ ছবি মুখ্যতঃ কম্পজিচন্ যদিও নেৰেটিভ ধৰ্মী ছবিও ভালেমান আছে। মুৰেল ধৰ্মী ছবিও প্ৰণবদাৰ অন্যতম সৃষ্টি। ৰঙ নিৰ্বাচন আৰু নিখুঁত ব্যৱহৰে ছবিবোৰ আঁকি আকৰ্ষণীয় কৰি তোলে। প্ৰিয় শিল্পী পাৱলো পিকাছো আৰু গগা যদিও সেইসকলৰ ছবিৰ প্ৰভাৱ প্ৰণবদাৰ ছবিত পৰিছিল বুলি কোৱা টান। প্ৰণবদাৰ ছবিৰ নিজস্ব ধাৰা স্পষ্ট। তেখেতৰ কিছু ছবি চোৱাৰ পিছত যি কোনোৱে হাজাৰখন ছবিৰ মাজৰ পৰা নাম নোচোৱাকৈ তেখেতে অঁকা ছবিখন বিচাৰি আনিব পাৰিব।

প্ৰণবদাই ন-শিকাৰু সকলক ছবিত সন্নিবিষ্ট কৰা যিকোনো বস্তু অঁকাৰ আগতে ভালদৰে চাবলৈ পৰামৰ্শ দিছিল। সেই পৰামৰ্শ কিমান প্ৰয়োজনীয় বহুত পিচতহে বুজিব পাৰিছিলো। এপাহ গোলাপ অঁকাৰ আগতে গোলাপ এপাহ চাই, চুই, গোন্ধলৈ গোলাপ পাহ ভালদৰে উপলব্ধি নকৰালৈকে গোলাপৰ ভাল ছবি এখন আঁকিব নোৱাৰি। গোলাপৰ পাহিবোৰ কেনেদৰে থাকে, কিমান কোমল, গোন্ধটো কিমান মিঠা, পাতৰ আকাৰ-আকৃতি, কাঁইটৰ আকাৰ-আকৃতি কেনেকুৱা, কিমান কঠিন ইত্যাদি আৰু সেইবোৰৰ ৰং কেনেকুৱা এই সকলোবোৰ পুঙ্খানুপুঙ্খভাবে চাই, চুই হৃদয়ঙ্গম কৰি ছবি এখন আঁকিলে আপোনাআপুনি এখন সুন্দৰ ছবি সৃষ্টি হ'ব পাৰে। প্ৰখ্যাত চিত্ৰসমালোচক নীলমনি ফুকনে 'ৰূপবৰ্ণ বাক'ত ন শিক্যৰু তথা স্কুলীয়া ছাত্ৰ-ছাত্ৰী চিত্ৰ কলাৰ প্ৰতি কেনেদৰে আকৰ্ষিত কৰিব পাৰি আৰু কি কি চৰকাৰী -বেচৰকাৰী ব্যৱস্থা ল'ব পাৰ তাৰ পৰামৰ্শ সুন্দৰকৈ উপস্থাপন কৰিছে। সেইবোৰ পৰামৰ্শ প্ৰণবদাই বহু দিনৰপৰাই ব্যৱহাৰিক ভাবে বিভিন্ন চিত্ৰকলা অনুষ্ঠানৰ জৰিয়তে ন-শিকাৰু সকলক দি গৈছে। তেখেতৰ এই প্ৰচেষ্টাত নগাওঁ জিলাৰ শিশু-যুৱক যুৱতী সকলেই যে উপকৃত হৈছে এনে নহয়, তেখেতৰ আদৰ্শতে অসমৰ বিভিন্ন ঠাইত চিত্ৰকলাৰ শিক্ষানুষ্ঠান গঢ়ি উঠিছে আৰু তাৰ জৰিয়তে বহুতো নিপুন চিত্ৰ শিল্পীৰ সৃষ্টি হৈছে। অলপতে 'আমাৰ অসম' বাতৰি কাকতে প্ৰথম শ্ৰেণীৰে পৰা স্নাতক পৰ্য্যায়লৈকে ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰা চিত্ৰাঙ্কণ প্ৰতিযোগিতাত সংগৃহীত কেইবাহাজাৰ ছবিৰ মাজতে যি দুহেজাৰ ছবি শঙ্কৰদেব কলাক্ষেত্ৰত প্ৰদৰ্শন কৰিছিল তাৰ মাজত এনে কিছুমান ছবি দেখা গৈছিল যিবোৰ অতি উচ্চমানৰ। ছবিবোৰ দেখি গৌৰৱ বোধ হয়। এনেদৰে আঁকি থাকিলে আমাৰ বিশ্বাস উঠি অহা চামৰ বহুতো শিল্পীয়ে অদূৰ ভৱিষ্যতে অসমৰ সুনাম আনিব পাৰিব। সৃষ্টিমূলক এনেবোৰ কামত প্ৰণব বৰুৱাৰ কিমান অৰিহণা আছে সেইখিনি কেৱল তেখেতৰ ছাত্ৰ-ছাত্ৰী সকলেহে বুজিব; তেখেতৰ সান্নিধ্যলৈ অহা সকলেহে বুজিব। প্ৰণবদাৰ এই ভাৰখন কোনে কান্ধ পাতি লয় নেজানো। কিন্তু প্ৰণবদাৰ অকাল বিয়োগে যে অসম তথা ভাৰতৰ যে চিত্ৰ-কলা জগতখনত অপুৰণীয় ক্ষতি কৰিলে সেইটো দোহৰাৰ প্ৰয়োজন নাই। শিল্প চৰ্চাক জীৱনত ব্ৰত কৰিবলৈ আমিবোৰ অক্ষম হলেও আমাৰ আশা তেখেতৰ কোনোবা কেইজনমান ছাত্ৰ-ছাত্ৰী আগবাঢ়ি আহিব তেখেতৰ সপোন দিঠকত পৰিণত কৰিবলৈ, নতুন প্ৰজন্মক উৎসাহিত কৰিবলৈ, বাট দেখুৱাবলৈ। ●

# বিপ্লৱ আৰু ফৰাচী বিপ্লৱ

গকুল কুমাৰ দাস,
স্নাতক ২য় বৰ্ষ, অসমীয়া বিভাগ

বিপ্লৱ সম্পৰ্কে এটা সৰ্বসম্মত সংজ্ঞা বাচি উলিওৱাটো এটা খুউব কঠিন কাম। বৰ্তমান সময়ত প্ৰচলিত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাক হঠাৎ হিংস্ৰভাবে গতিয়াই দি তাৰ ঠাইত এক নতুন সমাজ ব্যৱস্থাক আকোৱালি লোৱাৰ প্ৰচেষ্টাই হৈছে বিপ্লৱ। মানুহৰ জীৱনত, চিন্তাত আৰু আদৰ্শত এক নতুন পৰিৱৰ্ত্তন আৰু নতুন মূল্যবোধৰ জন্ম দি নতুন সমাজ ব্যৱস্থাক আঁকোৱালি লোৱাটোৱেই হৈছে বিপ্লৱ, যদিহে এই কাম হিংসাত্মক পন্থাৰে হয়। যদি এই কাম অহিংসভাবে হয় আৰু লাহে লাহে হয় তেনেহ'লে তাক বিৱৰ্তন বোলা হয়। আনফালে হঠাৎ কেৱল হিংসাত্মক ভাবে সমাজ ব্যৱস্থাৰ কোনো পৰিবৰ্ত্তন নোহোৱাকৈ ৰাজনৈতিক ক্ষমতাৰ হস্তান্তৰ হয় তেনেহ'লে তাক কোৱা হয় অভ্যুত্থান।

ডুৰাণ্টে বিপ্লৱৰ সংজ্ঞা দিছে এইদৰে— "A rapid and violent changes of Government in the person and policy."

যেতিয়ালৈকে সমাজত জনসাধাৰণৰ জীৱন-ধাৰাৰ পৰিবৰ্ত্তন নঘটে আৰু যেতিয়ালৈকে ৰজা আৰু ৰজাৰ নীতিৰ কোনো পৰিবৰ্ত্তন নহয় তেতিয়ালৈকে কোনো সাৰ্থক বিপ্লৱ হ'ব নোৱাৰে। যেতিয়া এই আটাইকেইটা একেলগে সংঘটিত হ'ব তেতিয়াহে সি হ'ব সাৰ্থক বিপ্লৱ। বিপ্লৱে মানৱ-জীৱনৰ লগতে চৰকাৰ, সমাজ ব্যৱস্থা, সমাজৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশৰো পৰিবৰ্ত্তন ঘটায়। ফৰাচী, ৰুচ আৰু চীনা বিপ্লৱৰ সময়ত সমাজৰ এনে ধৰণৰে পৰিবৰ্ত্তন হৈছিল।

বিপ্লৱ সম্পৰ্কে বিভিন্ন সময়ত বিভিন্ন ধৰণে চিন্তা-চৰ্চা কৰা হৈ আহিছে যদিও বিপ্লৱ সম্পৰ্কে নতুন আৰু আধুনিক চিন্তাধাৰা আৰম্ভ হৈছিল ইংলণ্ডৰ শিল্প বিপ্লৱৰ পিছৰে পৰা। সেই সময়তে মেকিয়া ভেলিয়ে বিপ্লৱক 'সমাজ বিশৃংখলতা দূৰ কৰি সুস্থিৰতা প্ৰৱৰ্ত্তন কৰাৰ উপায়' বুলিহে স্বীকৃতি দিছিল। এই কাৰ্য্যত তেওঁ প্ৰয়োজনবোধে হিংসাত্মক ব্যৱস্থাৰো পোষকতা কৰিছিল। সেয়েহে মেকিয়াভেলিক 'আধুনিক বিপ্লৱ'ৰ জনক বুলি কোৱা হয়।

ইংলেণ্ডৰ জন মিল্টনে বিপ্লৱক সমাজ পৰিবৰ্ত্তনৰ আহিলাৰূপে আৰু এটা অধিকাৰৰূপে স্বীকৃতি দি কৈছিল যে এই অধিকাৰ কেৱল অত্যাচাৰী শাসকৰ অত্যাচাৰ শেষ কৰাৰ অধিকাৰেই নহয়, ই হৈছে মানুহে নিজে বিচৰা ধৰণে চৰকাৰ প্ৰতিষ্ঠা কৰাৰ অধিকাৰ। ৰুচোই তেওঁৰ Natural Law ৰ জৰিয়তে মিল্টনৰ আদৰ্শৰেই অধিক বিকাশ ঘটাইছিল। বিপ্লৱ সম্পৰ্কে ইমানুৱেল কাণ্টে কৈছিল, — "Though a revolution may be accompanied by miseries and atrocities (as in French revolution) it was still a sign of moral propensity of man and hence related to human progress." তেওঁ বিপ্লৱক 'মানুহৰ মানসিক উৎকৰ্ষ সাধন আৰু শাশ্বত স্বাধীনতাৰ অধিকাৰ লাভৰ এটা মহত্তম পদক্ষেপ' বুলি বৰ্ণনা কৰিছিল।

বিপ্লৱ সম্পৰ্কে হেগেলে কৈছিল যে বিপ্লৱ হৈছে বিশ্বমানৱৰ চিৰন্তন মুক্তি আৰু স্বাধীনতাৰ আকাংক্ষাৰ এক সাৰ্থক প্ৰকাশ। তেওঁ ফৰাচী বিপ্লৱক বিশ্বমানৱৰ বুৰঞ্জীৰ এটা উল্লেখযোগ্য আৰু ঐতিহাসিক পদক্ষেপ বুলি অভিহিত কৰিছিল। বিপ্লৱ সম্পৰ্কে কাৰ্লমাৰ্ক্সে দিয়া মতবাদটোৰে আটাইতকৈ গ্ৰহণযোগ্য বুলি দাৰ্শনিকসকলে ক'ব খোজে। মাৰ্ক্সে হেগেলৰ মতবাদকে নতুন ধৰণে প্ৰতিষ্ঠা কৰিছিল। 'মাৰ্ক্সে উৎপাদন প্ৰক্ৰিয়াৰ ওপৰত থকা বস্তুবাদী নিয়ন্ত্ৰণ আৰু এই নিয়ন্ত্ৰণ কাৰ্য্যকৰী কৰা মানৱ সমাজৰ শ্ৰেণী বিভাগৰ ওপৰত গুৰুত্ব দিছিল।' তেওঁ কৈছিল, 'মানৱ ইতিহাস কেতবোৰ শৃংখলিত আৰু জানিব পৰা নীতি-নিয়মৰ দ্বাৰা পৰিচালিত।' সমাজত উৎপাদিত শক্তি আৰু উৎপাদন ব্যৱস্থা নিয়ন্ত্ৰণ কৰা শক্তিৰ মাজত দ্বন্দ হোৱাত প্ৰচলিত সমাজ ব্যৱস্থা আৰু পৰম্পৰাই উৎপাদিত শক্তিসমূহক উন্নতিৰ দিশলৈ যোৱাত বাধা প্ৰদান কৰে। ফলস্বৰূপে সমাজত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয় আৰু শেষত সিয়েই বিপ্লৱৰ ৰূপ লয়গৈ।

১৭৮৯ চনৰ ফৰাচী বিপ্লৱ সৰ্বহাৰাৰ বিপ্লৱ নাছিল। এই বিপ্লৱ আছিল সম্পূৰ্ণৰূপে বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বত চলা এক সংগ্ৰাম। ১৭৮৯ চনত ফ্ৰান্সৰ নতুন বিত্তবান শ্ৰেণীটোৰ নেতৃত্বত কৃষক আৰু সাধাৰণ শ্ৰেণীটোৱে সামন্তবাদ আৰু ৰাজতন্ত্ৰৰ বিৰুদ্ধে বিপ্লৱৰ সূচনা কৰিছিল। নতুন বিত্তবান শ্ৰেণীৰ লোকসকলৰ বাবে পুৰণি শাসক আৰু অভিজাত তান্ত্ৰিক সমাজ ব্যৱস্থা আছিল নতুন শ্ৰেণীটোৰ সন্মান, যশস্যা আৰু প্ৰতিপত্তিৰ বাটত প্ৰধান বাধা। অভিজাত আৰু যাজক শ্ৰেণীৰ লোকসকলে সমাজ তথা প্ৰশাসনৰ আটাইবোৰ গুৰুত্বপূৰ্ণ পদবী দখল কৰাৰ বিপৰীতে বুৰ্জোৱা, নতুন ধনীসকলে নিজৰ স্বচ্ছলতা অনুযায়ী কোনো ধৰণৰ ক্ষমতা নাইবা পদবী লাভ কৰা নাছিল।

সেয়েহে বুৰ্জোৱা শ্ৰেণীটোৱে প্ৰচলিত সমাজ ব্যৱস্থা ভৰিৰে গচকি তাক নবিমূৰ কৰি প্ৰথম শ্ৰেণীৰ সম্ৰাট আৰু অভিজাত সকলক আৰু দ্বিতীয় শ্ৰেণীৰ ধৰ্মযাজক সকলক ক্ষমতাচ্যুত কৰিবৰ বাবে উত্ৰাৱল হৈ পৰিছিল। সমাজৰ তৃতীয় শ্ৰেণীৰ অন্তৰ্গত বেপাৰীসকল, বুদ্ধিজীৱী, মধ্যবিত্ত, কৃষক, শ্ৰমিক আৰু সৰ্বহাৰা সকলো লোকেই দেশৰ শৃংখলা আৰু একতা বজাই ৰাখিবলৈ সাংবিধানিক ৰাজতন্ত্ৰৰ পোষকতা কৰিছিল। কিন্তু যেতিয়া তেওঁলোকে দেখা পালে যে তেওঁলোকৰ সম্ৰাটেই সামন্তবাদী সমাজব্যৱস্থাৰ প্ৰতিভূ হিচাপে দেখা দিছে, তেতিয়া তেওঁলোকে এই ৰাজতন্ত্ৰৰ অৱসান

ঘটাবলৈ উঠি পৰি লাগিল।

অষ্টাদশ শতিকাৰ যুক্তিবাদ আৰু ৰুচো-ভলটেয়াৰৰ দাৰ্শনিক মতবাদেই ফ্ৰান্সৰ বিপ্লৱৰ প্ৰধান কাৰণ বুলি বহুতে ক'ব খোজে। ভলটেয়াৰ আৰু ৰুচোৱে স্বাধীনতা, সাম্য আৰু মৈত্ৰীৰ যি দাৰ্শনিক ভিত্তি প্ৰস্তুত কৰি উলিয়ালে সেই দৰ্শনৰ দ্বাৰা সমাজৰ তৃতীয় শ্ৰেণী বা থাৰ্ড এষ্টেট (Third Estate) ৰ লোকসকল অনুপ্ৰাণিত হৈছিল। ১৭৮৯ চন মানৰ পৰা ১৭৯২ চন মানলৈ ফৰাচী বিপ্লৱৰ প্ৰথম ভাগত এই থাৰ্ড এষ্টেটৰ নেতা আছিল মীৰাবিউ, তাৰ্গত, লফায়েত আদি। এই সকল নেতা প্ৰধানতঃ ভলটেয়াৰৰ সাংবিধানিক ৰাজতন্ত্ৰৰ দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। সেই সময়ৰ বুদ্ধিজীৱীসকলে ৰাজতন্ত্ৰৰ মোহ এৰিব পৰা নাছিল, কিন্তু একে সময়তে তেওঁলোকে ৰজাৰ স্বেচ্ছাচাৰিতাকো বাধা দিবলৈ বিচাৰিছিল। সেয়েহে তেওঁলোকে সাংবিধানিক ৰাজতন্ত্ৰৰ পোষকতা কৰিছিল।

ধৰ্মীয় শোষণৰ বিৰুদ্ধে ভলটেয়াৰে তেওঁৰ কলম চলাইছিল। গীৰ্জাৰ ধৰ্মীয় শোষণৰ বিৰুদ্ধে তেওঁ যুঁজত অৱতীৰ্ণ হৈছিল। ইংলেণ্ডলৈ গৈ ভলটেয়াৰে তাৰ উদাৰ ৰাজতন্ত্ৰ দেখি পুলকিত হ'ল আৰু লিখিলে - 'Letters on the English' ফ্ৰান্সৰ ৰাজতন্ত্ৰৰ স্বেচ্ছাচাৰিতা কঠোৰভাবে সমালোচনা কৰা বাবে এই গ্ৰন্থখন নিষিদ্ধ কৰা হ'ল। ইয়াতেই অসন্তুষ্ট হৈ তেওঁ ধৰ্মীয় কু-প্ৰথা, ব্যভিচাৰ আদিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি লিখি উলিয়ালে 'Tritij of toleretion'। এই গ্ৰন্থখন লিখি তেওঁ ক'লে, -- 'এই পাগল (যাজক) আৰু বদমাচবোৰক হত্যা কৰা।' লগে লগে ক্ষোভত কপি উঠিল ফ্ৰান্স। ভলটেয়াৰৰ লগে লগে তেওঁৰ অনুগামী চামে গীৰ্জাৰ বিৰুদ্ধে ধৰ্মযুদ্ধ ঘোষণা কৰিলে।

*ফৰাচী বিপ্লৱৰ প্ৰকৃত শক্তি আছিল ফ্ৰান্সৰ কৃষকসকল। এই কৃষকসকলেই বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বত ফ্ৰান্সৰ বিপ্লৱত আগভাগ লৈছিল। ক্ৰমাৎ ধনবান হৈ পৰা বুৰ্জোৱা শ্ৰেণীটোৱে নিজৰ স্বাচ্ছন্দ্যৰ বাবে প্ৰাচীন অভিজাত শ্ৰেণীৰ লগত সংঘৰ্ষত লিপ্ত হৈছিল। বুৰ্জোৱা শ্ৰেণীটোৰ স্বাচ্ছন্দ্যত বাধা দিয়াৰ উদ্দেশ্যে অভিজাত শ্ৰেণীটোৱে সমাজৰ লোপ পোৱা কৰ ব্যৱস্থাক নতুনকৈ প্ৰৱৰ্তন কৰিছিল। কিন্তু এই ব্যৱস্থাৰ দ্বাৰা নতুন শ্ৰেণীটো ক্ষতিগ্ৰস্ত হোৱাৰ সলনি বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল কৃষক সমাজহে। বুৰ্জোৱা শ্ৰেণীটোৱে ৰাষ্ট্ৰৰ সুবিধা আহৰণ কৰি নিজকে প্ৰতিষ্ঠা কৰিবলৈ ৰুচোৰ আদৰ্শত উদ্বুদ্ধ হৈ সাম্য প্ৰতিষ্ঠা কৰিবলৈ উঠিপৰি লাগিল। একে সময়তে কৃষক শ্ৰেণীটোৱেও সাম্যৰ পোষকতা কৰিলে। কিন্তু বুৰ্জোৱা আৰু কৃষক - এই দুই শ্ৰেণীয়ে বিচৰা সাম্যৰ মাজত পাৰ্থক্য আছিল ভালেখিনি। বুৰ্জোৱা শ্ৰেণীটোৱে অভিজাত শ্ৰেণীৰ হাতত থকা ৰাষ্ট্ৰ ক্ষমতাৰ ভাগ বিচৰাৰ বিপৰীতে কৃষক শ্ৰেণীটোৱে শোষণ - বঞ্চনাৰ পৰা মুক্তি বিচাৰিছিল। সেইবাবেই পৰৱৰ্তী সময়ত বুৰ্জোৱা আৰু কৃষক এই দুয়োটা শ্ৰেণীৰ মাজত দ্বন্দৰ সৃষ্টি হৈছিল।*

আনহাতে ৰুচোৱে সেই সময়ত মানুহৰ স্বভাৱ জাত ইচ্ছা আৰু অনুভূতিবোৰৰ মুক্তিৰ ওপৰত গুৰুত্ব দিছিল। তেওঁৰ মতে প্ৰকৃতিগত ইচ্ছাৰ দ্বাৰা মানুহ পৰিচালিত হ'ব নোৱাৰে। ৰুচোৱেই প্ৰথমতে সাম্যৰ ধাৰণাটো ফ্ৰান্সৰ থাৰ্ড এষ্টেটৰ লোকসকলৰ মগজুত সুমুৱাই দিলে। ৰুচো হৈ পৰিল তেওঁলোকৰ পিতৃস্বৰূপ। ৰুচোৰ 'Social Contract' নামৰ গ্ৰন্থখনে ফৰাচী বিপ্লৱৰ দ্বিতীয় ভাগৰ নেতা ৰ'বছপীয়েৰ, মাৰাট আদিক গভীৰভাৱে প্ৰভাৱান্বিত কৰিলে। আনকি বিশ্ববৰেণ্য কবি ওৱৰ্ডচৱৰ্থো ৰুচোৰ দ্বাৰা প্ৰভাৱিত হ'ল। বিপ্লৱী নেতা ৰ'বছপীয়েৰে ৰুচোৰ সাম্যবাদী তত্ত্বৰ দ্বাৰা অনুপ্ৰাণিত হৈ এচাম লোকক লগত লৈ অভিজাত উচ্চ মধ্যবিত্ত আৰু সামন্ত প্ৰভুসকলৰ বিৰুদ্ধে 'সন্ত্ৰাসৰ ৰাজত্ব' আৰম্ভ কৰিলে। কিন্তু এই 'সন্ত্ৰাসৰ ৰাজত্ব'ত ৰোমান্টিকতাত বিশ্বাসী বহু থাৰ্ড এষ্টেটৰ লোকো অসন্তুষ্ট হৈছিল।

ফৰাচী বিপ্লৱৰ প্ৰকৃত শক্তি আছিল ফ্ৰান্সৰ কৃষকসকল। এই কৃষকসকলেই বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বত ফ্ৰান্সৰ বিপ্লৱত আগভাগ লৈছিল। ক্ৰমাৎ ধনবান হৈ পৰা বুৰ্জোৱা শ্ৰেণীটোৱে নিজৰ স্বাচ্ছন্দ্যৰ বাবে প্ৰাচীন অভিজাত শ্ৰেণীৰ লগত সংঘৰ্ষত লিপ্ত হৈছিল। বুৰ্জোৱা শ্ৰেণীটোৰ স্বাচ্ছন্দ্যত বাধা দিয়াৰ উদ্দেশ্যে অভিজাত শ্ৰেণীটোৱে সমাজৰ লোপ পোৱা কৰ ব্যৱস্থাক নতুনকৈ প্ৰৱৰ্তন কৰিছিল। কিন্তু এই ব্যৱস্থাৰ দ্বাৰা নতুন শ্ৰেণীটো ক্ষতিগ্ৰস্ত হোৱাৰ সলনি বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল কৃষক সমাজহে। বুৰ্জোৱা শ্ৰেণীটোৱে ৰাষ্ট্ৰৰ সুবিধা আহৰণ কৰি নিজকে প্ৰতিষ্ঠা কৰিবলৈ ৰুচোৰ আদৰ্শত উদ্বুদ্ধ হৈ সাম্য প্ৰতিষ্ঠা কৰিবলৈ উঠিপৰি লাগিল। একে সময়তে কৃষক শ্ৰেণীটোৱেও সাম্যৰ পোষকতা কৰিলে। কিন্তু বুৰ্জোৱা আৰু কৃষক - এই দুই শ্ৰেণীয়ে বিচৰা সাম্যৰ মাজত পাৰ্থক্য আছিল ভালেখিনি। বুৰ্জোৱা শ্ৰেণীটোৱে অভিজাত শ্ৰেণীৰ হাতত থকা ৰাষ্ট্ৰ ক্ষমতাৰ ভাগ বিচৰাৰ বিপৰীতে কৃষক শ্ৰেণীটোৱে শোষণ - বঞ্চনাৰ পৰা মুক্তি বিচাৰিছিল। সেইবাবেই পৰৱৰ্তী সময়ত বুৰ্জোৱা আৰু কৃষক এই দুয়োটা শ্ৰেণীৰ মাজত দ্বন্দৰ সৃষ্টি হৈছিল। আনকি বুৰ্জোৱা শ্ৰেণীটোৱে সময় অনুযায়ী কৃষকৰ ওপৰত গুলীচালনাও কৰিছিল একমাত্ৰ ৰাষ্ট্ৰৰ কৰ্তৃত্ব নিজৰ হাতত ৰাখিবলৈ। ফৰাচী বিপ্লৱৰ সাম্যৰ ধাৰণাটো আছিল শ্ৰেণী ভিত্তিক।

অৰ্থনৈতিক দুৰৱস্থাই ফ্ৰান্সৰ কৃষকসকলক বিপ্লৱী কৰি তুলিছিল বুলি বহু পণ্ডিতে ক'ব খোজে। কিন্তু মাৰ্ক্সে এই ক্ষেত্ৰত অন্য মত পোষণ কৰিছিল। মাৰ্ক্সৰ মতে মাটিৰ প্ৰতি থকা অপৰিসীম প্ৰেমৰ বাবেই কৃষকসকল বিপ্লৱী হৈ পৰিছিল। কষ্টোপাৰ্জিত ধনৰ অধিকাংশ কৰ হিচাপে দিব লগা হোৱাত তেওঁলোক অসন্তুষ্ট হৈছিল।

১৭৮৮ চনত ফ্ৰান্সত দেখা দিয়া অৰ্থনৈতিক সংকটৰ বাবে ফ্ৰান্সত খাদ্যৰ নাটনিয়ে দেখা দিছিল। এই সময়তে ৰজা ষোড়শ লুইয়ে ইংলেণ্ডৰ লগত সাক্ষৰ কৰা এখন চুক্তি অনুসৰি

ইংলেণ্ডৰ সুলভ সামগ্ৰীৰে ফ্ৰান্সৰ বজাৰ ভৰি পৰাত ফ্ৰান্সৰ অৰ্থনীতিৰ ৰাজহাড় ভাঙি পৰিল। এই চুক্তিৰ ফলত ফ্ৰান্সত উৎপাদিত সামগ্ৰীৰ দাম বেছি হোৱা হেতুকে এই সামগ্ৰীৰ বিক্ৰী বন্ধ হৈ পৰিল। ফ্ৰান্সৰ কাৰখানাবোৰ বন্ধ হৈ পৰিল।

ফলত কেৱল পেৰিচ নগৰীতে ৮০,০০০ নিবনুৱাৰ সৃষ্টি হ'ল। পেৰিচৰ এই লোকসকলকে ধৰি সমগ্ৰ দেশখনৰে কৰ্মহীন হৈ পৰা লোকসকলে একগোট হৈ বিপ্লৱৰ সূচনা কৰিছিল।

পেৰিচকে ধৰি সমগ্ৰ ফ্ৰান্স বিপ্লৱৰ অগ্নিত জ্বলি উঠিল। ফ্ৰান্সত থাৰ্ড এষ্টেটেটোৱে সাম্যৰ দাবীত প্ৰতিবাদ আৰম্ভ কৰিলে। মীৰাবিউ, তাৰ্গত, লফায়েত, ৰ'বছপীয়েৰ, মাৰাট আদি ব্যক্তিয়ে ফ্ৰান্সত বিদ্ৰোহৰ গুৰি ধৰিলে। এইসকলৰ উপৰিও ডেচম'লিনে ফ্ৰন্সৰ বিপ্লৱত বিশেষ অৰিহণা যোগাইছিল।

ফ্ৰান্সত দেখা দিয়া বিপ্লৱৰ ঢৌ মাৰ নিয়াবৰ বাবে ৰজা ষোড়শ লুইএ ১৭৮৮ চনৰ আগষ্ট মাহৰ ৭ তাৰিখে ১৭৫ বছৰৰ অন্তত পুনৰ 'ষ্টেট্ছ্ জেনেৰেল' (States General) আহ্বান কৰে। 'ষ্টেট্ছ্ জেনেৰেলে' জনসাধাৰণক নতুন আশা দিলে, কিন্তু সেই আশা দীৰ্ঘস্থায়ী নহ'ল। পুনৰ বিক্ষোভ আৰম্ভ হ'ল। বিক্ষোভ নিয়ন্ত্ৰণৰ বাবে সম্ৰাটে জনপ্ৰিয় মন্ত্ৰী নেকাৰক পদচ্যুত কৰিলে; সাতবছৰীয়া ৰণৰ নিষ্ঠুৰ সেনাপ্ৰধান মাৰ্চেল ব্ৰোগেলক নিয়োজিত কৰাৰ উপৰিও আভ্যন্তৰীণ বিশৃংখলা দমন কৰিবৰ বাবে জাৰ্মানী আৰু নেদাৰলেণ্ডৰ পৰা সেনা আমদানি কৰিলে। সম্ৰাটৰ এনে কাৰ্য্যত বিক্ষোভকাৰীসকল অসন্তুষ্ট হ'ল আৰু বিক্ষোভ ভৰপক দি উঠিল। এনে সময়তে ডেচম'লিনে বিক্ষোভ কৰিবলৈ ফ্ৰান্সৰ জনসাধাৰণক উদ্‌গনি জনালে। ডেচম'লিনৰ উদাত্ত আহ্বানত ফ্ৰান্সৰ প্ৰতিজন নিপীড়িত নাগৰিক ওলাই আহিল ৰাজপথলৈ।

ফ্ৰান্সৰ ৰাজতন্ত্ৰৰ নিষ্ঠুৰ শাসনৰ বাস্তৱ কাৰ্য্যপালিকা আছিল বাষ্টিল দুৰ্গটো। ফ্ৰান্সৰ বিপ্লৱী জনসাধাৰণে ৰাজতন্ত্ৰৰ নিষ্ঠুৰ শাসনৰ ওৰ পেলাবলৈ বাষ্টিল দুৰ্গটো দখল কৰিব খুজিছিল। কিন্তু এয়া সহজসাধ্য নাছিল। বহুকেইবাৰ বিদেশীয়ে আক্ৰমণ কৰিলেও এই দুৰ্গ দখল কৰিব পৰা নাছিল। কিন্তু ফৰাচী বিপ্লৱৰ অদম্য সাহসী বিপ্লৱীসকলে ত্ৰিশ ফুট ওখ দেৱাল বগাই বাষ্টিল দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰি অতি কৌশলপূৰ্ণভাবে বাষ্টিল অধিকাৰ কৰিলে। বাষ্টিল দুৰ্গৰ ভিতৰত থকা প্ৰতিজন সৈনিকক হত্যা আৰু কৰায়ত্ত কৰা হ'ল। বাষ্টিল দখলৰ বতৰাই ফ্ৰান্সৰ জনসাধাৰণলৈ কঢ়িয়াই আনিলে এক নতুন আশা।

বাষ্টিলৰ পতনৰ বতৰাই সমগ্ৰ পৃথিৱীতে উখল-মাখল লগালে। বাষ্টিলৰ পতনে ফ্ৰান্সৰ 'থাৰ্ড এষ্টেট'ৰ বিজয় ঘোষণা কৰিলে। আৰম্ভ হ'ল স্বাধীনতা, সাম্য আৰু মৈত্ৰীৰ এক নতুন যুগ।

১৭৯৯ চনত ৰ'বছপীয়েৰৰ মৃত্যুৰ লগে লগে ফৰাচী বিপ্লৱৰ সমাপ্তি ঘটিছিল। ১৭৯৯ চনত সমাপ্তি ঘটিলেও আজিও আছে ফ্ৰান্সৰ বিপ্লৱৰ প্ৰাসংগিকতা

ফ্ৰান্সৰ বিপ্লৱৰ ফলাফল ব্যাপক আৰু সুদূৰ প্ৰসাৰী। ফ্ৰান্সত সংঘটিত হোৱা বিপ্লৱৰ ফলত ফ্ৰান্সত স্বাধীনতা, সাম্য-মৈত্ৰীৰ অমৰ আদৰ্শ প্ৰতিস্থাপিত হ'ল। এই বিপ্লৱৰ ফলতে ৰাষ্ট্ৰত ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা আৰু মেট্ৰিক জোখমাখৰ পদ্ধতি প্ৰচলন হ'ল। ফৰাচী বিপ্লৱৰ ফলতেই ফ্ৰান্সত গীৰ্জা আৰু ৰাষ্ট্ৰৰ পৃথকীকৰণ সম্ভৱ হ'ল আৰু যাজক আৰু অভিজাত শ্ৰেণীৰ একাধিপত্যৰো অন্ত পৰিল। ফৰাচী বিপ্লৱে মানুহৰ সামাজিক, ৰাজনৈতিক আৰু মানসিক বিৱৰ্ত্তনৰ এক ঐতিহাসিক পৰিৱৰ্ত্তন সাধন কৰিলে। এই বিপ্লৱৰ ফলতেই বিশ্বমানৱৰ মন বিস্তৃত উদাৰ আৰু আদৰ্শময় হৈ পৰিল।

দুশ দহ বছৰৰো অধিককাল অতিক্ৰমি ফৰাচী বিপ্লৱে আজিও মানুহক অনুপ্ৰেৰণা যোগাই আছে। এই বিপ্লৱ বিশ্বৰ এক যুগান্তকাৰী ঘটনা। বাহ্যিক দৃষ্টিত এই বিপ্লৱ কেৱল ফ্ৰান্সতে সংঘটিত হৈছিল যদিও প্ৰকৃতাৰ্থত ই আছিল এটা ইউৰোপীয় বিপ্লৱ। ফৰাচী বিপ্লৱৰ ফলাফলসমূহ সমগ্ৰ ইউৰোপতে আৰু লাহে লাহে সমগ্ৰ বিশ্বতে বিয়পি পৰিছিল। এই বিপ্লৱৰ ফলতেই সমগ্ৰ পৃথিৱীতে এক নতুন ধাৰা বিকশিত হৈ উঠিছিল। ফৰাচী বিপ্লৱৰ পৰশ পাই যুক্তিবাদ আৰু স্বাধীন চিন্তাৰে সমগ্ৰ ইউৰোপ সমৃদ্ধ হৈ পৰিছিল।

*ফ্ৰান্সৰ ৰাজতন্ত্ৰৰ নিষ্ঠুৰ শাসনৰ বাস্তৱ কাৰ্য্যপালিকা আছিল বাষ্টিল দুৰ্গটো। ফ্ৰান্সৰ বিপ্লৱী জনসাধাৰণে ৰাজতন্ত্ৰৰ নিষ্ঠুৰ শাসনৰ ওৰ পেলাবলৈ বাষ্টিল দুৰ্গটো দখল কৰিব খুজিছিল। কিন্তু এয়া সহজসাধ্য নাছিল। বহুকেইবাৰ বিদেশীয়ে আক্ৰমণ কৰিলেও এই দুৰ্গ দখল কৰিব পৰা নাছিল। কিন্তু ফৰাচী বিপ্লৱৰ অদম্য সাহসী বিপ্লৱীসকলে ত্ৰিশ ফুট ওখ দেৱাল বগাই বাষ্টিল দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰি অতি কৌশলপূৰ্ণভাবে বাষ্টিল অধিকাৰ কৰিলে। বাষ্টিল দুৰ্গৰ ভিতৰত থকা প্ৰতিজন সৈনিকক হত্যা আৰু কৰায়ত্ত কৰা হ'ল। বাষ্টিল দখলৰ বতৰাই ফ্ৰান্সৰ জনসাধাৰণলৈ কঢ়িয়াই আনিলে এক নতুন আশা।*

*বাষ্টিলৰ পতনৰ বতৰাই সমগ্ৰ পৃথিৱীতে উখল-মাখল লগালে। বাষ্টিলৰ পতনে ফ্ৰান্সৰ 'থাৰ্ড এষ্টেট'ৰ বিজয় ঘোষণা কৰিলে। আৰম্ভ হ'ল স্বাধীনতা, সাম্য আৰু মৈত্ৰীৰ এক নতুন যুগ।*

ফৰাচী বিপ্লৱ বিশ্বৰ ইতিহাসৰ এক বিশিষ্ট ঘটনা। এই বিপ্লৱে বিশ্বৰ মানুহক এক নতুন চিন্তাৰে সমৃদ্ধ কৰি তুলিছিল। এই বিপ্লৱে আজিও বিশ্বমানৱক প্ৰেৰণা যোগাই আছে। সেয়েহে এই বিপ্লৱৰ প্ৰাসংগিকতা আজিও আছে। ●

সহায়ক গ্ৰন্থপঞ্জীঃ

1. French Revolution - Goodwin
2. Encyclopaedia Britanica.
3. Encyclopaedia Americana
4. সূত্ৰধাৰ - ১৬-৩১ জুলাই, ১৯৮৯,
সম্পাদনা-হোমেন বৰগোহাঞি

# মুক্ত বজাৰ অৰ্থনীতি প্ৰসংগত

কমল কুমাৰ তাঁতী

সৰ্বসাধাৰণ মানুহ এজনৰ অৰ্থনীতিৰ ওচৰত নিম্নতম প্ৰত্যাশা হৈছে- জীয়াই থকাৰ বাবে এটা জীৱিকা আৰু এইকথা এতিয়া স্পষ্ট যে "উদাৰ অৰ্থনীতি"য়ে মানুহৰ এই আশা, সমগ্ৰ বিশ্বৰ লাখ লাখ জনতাৰ এই প্ৰত্যাশা পূৰণ কৰাত কাৰ্য্যতঃ ব্যৰ্থ হৈছে। এই International Labour Organisation (ILO) ৰ দ্বাৰা প্ৰকাশিত ১৯৯৮ - ৯৯ বৰ্ষৰ World employment Report অনুসৰি সমগ্ৰ বিশ্বৰে কৰ্মক্ষম মানুহৰ এক তৃতীয়াংশই বৰ্তমান নিবনুৱা, প্ৰচলিত ভাবাত বেকাৰ; এনে মানুহৰ মুঠ সংখ্যা ১০০ কোটি। উক্ত ৰিপৰ্টত আৰু উল্লেখ কৰা হৈছে যে ইয়াৰ ভিতৰত ১ কোটি মানুহে 'মুক্ত বজাৰ অৰ্থনীতি'ৰ কবলত পৰি যোৱা কেইটামান বছৰৰ ভিতৰতে নতুনকৈ নিবনুৱা হৈছে, অৰ্থাৎ চাকৰি হেৰুৱাইছে।

উদাৰ অৰ্থনীতি অথবা লিবাৰেল ইক'ন'মি বা মুক্ত বজাৰ অৰ্থনীতি নাইবা নতুন অৰ্থনীতি, যি নামেৰেই ইয়াক অভিহিত কৰা নহওক কিয়, ই প্ৰকৃততে এক নতুন অৰ্থনৈতিক তত্ত্ব আৰু 'মুক্ত বজাৰ' হৈছে এই অৰ্থনীতিৰ মূল কথা। এই অৰ্থনীতিৰ প্ৰৱক্তাসকলে সগৰ্বে ঘোষণা কৰিছে- বজাৰ ব্যৱস্থাৰ ওপৰত থকা যাৱতীয় নিয়ন্ত্ৰণ তুলি দিলেই সমগ্ৰ বিশ্বজুৰি অৰ্থনৈতিক উন্নয়নৰ প্লাৱন হ'ব। এই প্ৰবক্তাসকলৰ নিৰ্দেশক্ৰমেই ইয়াৰ লগে লগে বৈছে বিশ্বায়ন (Globalisation) ৰ গৰম বতাহ। সমগ্ৰ বিশ্বজুৰি শাসক শ্ৰেণীয়ে উৰ্দ্ধবাহু হৈ বিশ্বায়নৰ, উদাৰ অৰ্থনীতিৰ জয়ধ্বনি দিছে। কিন্তু একেসময়তে দেখা গৈছে যে আৰ্জেণ্টিনা, মেক্সিকো প্ৰভৃতি বিশ্বায়নৰ খোজত খোজ মিলাই যোৱা তৃতীয় বিশ্বৰ দেশসমূহত আৰু আনকি প্ৰথম বিশ্বৰ দেশসমূহতে বিশ্বায়নৰ বিৰুদ্ধে, উদাৰ অৰ্থনীতিৰ বিৰুদ্ধে অহৰহ চলিব ধৰিছে প্ৰবল গণপ্ৰতিবাদ, অবিৰত জন বিক্ষোভ আৰু আন্দোলন।

'পৰিকল্পিত অৰ্থনৈতিক বিকাশৰ তত্ত্ব'ৰ বিৰোধিতা আৰু ইয়াক পশ্চাদঘাত কৰিয়েই আৱিৰ্ভাৱ ঘটিছে মুক্ত বজাৰ অৰ্থনীতিৰ, যাৰ মূলমন্ত্ৰ হৈছে পুঁজিৰ অবাধ চলাচল। নব্য-উদাৰতাবাদী মতাদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত মুক্ত বজাৰ অৰ্থনীতিয়ে সেইবাবে ৰাষ্ট্ৰক সামাজিক প্ৰগতিৰ পথত এক প্ৰতিবন্ধক হিচাপে গণ্য কৰিছে। ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ পৰা অৰ্থনীতিক মুক্ত কৰি নিয়ন্ত্ৰণমুক্ত আৰু স্বয়ংচালিত বজাৰ প্ৰতিযোগিতাৰ বুকুত এৰি দিলেই অৰ্থনীতিয়ে আপোনাআপুনি প্ৰগতিৰ জখলাত বগাই যাব বুলি এই মতাদৰ্শৰ প্ৰবক্তাসকলে সমগ্ৰ বিশ্বজুৰি প্ৰবল প্ৰচাৰ চলাবলৈ লৈছে। কিন্তু দিন বাগৰাৰ লগে লগে এটা কথা স্পষ্ট হৈ আহিছে যে পৰিৱৰ্তিত পৰিস্থিতিত পৰি, নব্য উদাৰতাবাদী মতাদৰ্শৰে দীক্ষিত হ'বলৈ গৈ ৰাষ্ট্ৰই নিজৰ স্বতন্ত্ৰতা (Autonomy) হেৰুৱাই বিশ্বায়নৰ ওচৰত আঁঠু লৈছে আৰু ক্ৰমান্বয়ে একচেটিয়া পুঁজিৰ বহতিয়াৰ চৰিত্ৰ পৰিগ্ৰহণ কৰিছে।

১৯১৭ চনত ছোভিয়েট বিপ্লৱ হোৱাৰ আগলৈকে অৰ্থনীতিৰ ক্ষেত্ৰখনক যি অৰ্থনীতিয়ে শাসন কৰি আছিল, সেই 'বুৰ্জোৱা অৰ্থনীতি'ত এইকথা বিশ্বাস কৰা হৈছিল যে, "পূৰ্ণ প্ৰতিযোগিতাৰ মাজেৰে অৰ্থনীতিৰ আকাংক্ষিত বিকাশ ঘটোৱা অসম্ভৱ; দেশীয় অৰ্থনীতিৰ বিকাশৰ বাবে অনুকুল নীতি-নিয়ম প্ৰণয়নৰ দায়িত্ব ৰাষ্ট্ৰই ল'ব লাগিব।" ইয়াৰ বিপৰীতে সমাজতান্ত্ৰিক অৰ্থনীতিত এইকথা কোৱা হৈছিল যে, "পুঁজিৰ ওপৰত, সম্পত্তিৰ ওপৰত ব্যক্তিগত অধিকাৰ নাকচ কৰি ৰাষ্ট্ৰীয় উদ্যোগত পুঁজিবাদী অৰ্থনীতিৰ বিপৰীতে এক জনমুখী অৰ্থনীতি প্ৰৱৰ্তন কৰাটো সম্ভৱপৰ।" ১৯১৭ চনৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পিছত ছোভিয়েট ৰাছিয়াত এইকথা প্ৰমাণিত হ'ল যে পুঁজিৰ বজাৰ আৰু শ্ৰমৰ বজাৰ দুয়োটাকে নাকচ কৰিও এক অৰ্থনীতি গঢ়ি তুলিব পৰা যায়। ইউৰোপৰ অসমাজতান্ত্ৰিক দেশবোৰত ইয়াৰ তাৎক্ষণিক প্ৰভাৱ দেখা গ'ল। অৰ্থনীতিৰ মঞ্চত 'ৰাষ্ট্ৰীয় হস্তক্ষেপৰ অৰ্থনীতিয়েই প্ৰধান গুৰুত্বপূৰ্ণ অৰ্থনীতি হৈ উঠিল। পুঁজিবাদী দেশবোৰত সমগ্ৰ বিষয়টো এনেভাৱে উপস্থাপন কৰা হ'ল - বজাৰ ব্যৱস্থা বলবৎ থাকিব, তাৰ লগে লগে জনকল্যাণৰ কৰ্মসূচী ৰূপায়ণৰ বাবে চৰকাৰী নিয়ন্ত্ৰণো থাকিব।

১৮৮৪ চনত প্ৰকাশিত হয় দাৰ্শনিক হাৰবাৰ্ট স্পেন্সাৰ ৰচিত বিখ্যাত গ্ৰন্থ "The Man versus the state." স্পেন্সাৰৰ মতে, যোগান-চাহিদা আৰু শ্ৰমবিভাজনৰ ওপৰত গঢ় লৈ উঠা সমাজেই স্বাভাৱিক সমাজ। ইয়াৰ ওপৰত কোনোধৰণৰ নিয়ন্ত্ৰণ আৰোপ কৰাৰ অৰ্থ হৈছে "Pretty certain to work mischiefs." উদাৰনীতি হৈছে সমাজখনক ইয়াৰ স্বাভাৱিক অৱস্থাত থাকিবলৈ দিয়া। এনে সময়ত ওৱালৰাছ নামৰ এজন অৰ্থনীতিবিদে এইবুলি এক সিদ্ধান্ত দিয়ে যে "বজাৰ ব্যৱস্থাক ঠিকমতে কাম কৰিবলৈ দিলে অৰ্থনীতিয়ে তাৰ কাম্য অৱস্থা (optimum) অৰ্জন কৰিব পাৰে।" ভিলফ্ৰেদো পেৰেটো নামৰ ইটালীৰ এজন অৰ্থনীতিবিদে এই সময়তে কাম্য অৱস্থা সম্পৰ্কে এটা প্ৰস্তাৱ আগবঢ়ায় যাক কোৱা হ'ল 'পেৰেটো চৰ্ত'। এই চৰ্তমতে, যি অৱস্থাত সমাজৰ প্ৰতিজন ব্যক্তিৰ মংগল এনে এটা অৱস্থাত আহি উপনীত হয়, যি অৱস্থাত আন এজনৰ ক্ষতি নকৰিলে কোনো এজন মানুহৰেই আৰু মংগল কৰিব নোৱাৰি। এই অৱস্থাটোকে কোৱা হ'ব সামাজিকভাৱে কাম্য অৱস্থা। ইয়েই পেৰেটো চৰ্ত। ওৱালৰাছৰ তত্ত্বৰ সৈতে পেৰেটোৰ জনকল্যাণ-সংক্ৰান্ত এই তত্ত্বৰ (অথবা চৰ্তৰ) মিলন ঘটায়েই গঢ়ি উঠিল মুক্ত বজাৰ অৰ্থনীতিৰ তত্ত্ব। হাৰবাৰ্ট স্পেন্সাৰে দাৰ্শনিক দিশৰ পৰা এওঁলোকক সহায় কৰিলে। কিন্তু ছোভিয়েট বিপ্লৱ আৰু তাৰ পৰৱৰ্তী এটা দশক এই উদাৰনীতি আছিল বিশেষত্বহীন, প্ৰভাৱহীন। দেশে দেশে 'হস্তক্ষেপৰ অৰ্থনীতি' জনপ্ৰিয় হৈ উঠিছে।

এনে সময়তে, ১৯২০ ৰ দশকত

সকলোৰে অলক্ষিতে, অষ্ট্ৰিয়াৰ ৰাজধানী চহৰ ভিয়েনাত দুজন অৰ্থনীতিবিদে 'নব্য-উদাৰ নীতি'ৰ ভেটি তৈয়াৰ কৰিলে। কালক্ৰমে এই উদাৰনীতিৰ ওপৰত ভিত্তি কৰিয়েই নব্য-উদাৰতাবাদী মতাদৰ্শই নিজস্ব ৰূপ পৰিগ্ৰহণ কৰিছে, ইয়াৰ ওপৰতে ভিত্তি কৰি গঢ় লৈছে মুক্ত বজাৰ অৰ্থনীতিৰ তত্ত্বই। অষ্ট্ৰিয়াৰ এই দিক্‌নিৰ্দেশক অৰ্থনীতিবিদ দুজন হৈছে - **লুডভিক্ ফন্ মিজেছ্ আৰু ফ্ৰেডৰিক ফন হায়েক**; মিজেছ হৈছে গুৰু, হায়েক হৈছে তেওঁৰ শিষ্য।

নব্য-উদাৰনীতিৰ মূল বক্তব্য আছিল এনেধৰণৰ— বজাৰব্যৱস্থা কোনেও ষড়যন্ত্ৰ কৰি সমাজৰ ওপৰত জাপি দিয়া নাই। প্ৰাণীজগতত যিধৰণে বিৱৰ্তন ঘটিছে, সমাজ জীৱনতো তেনে বিৱৰ্তন প্ৰক্ৰিয়াৰ মাজতেই গঢ় লৈ উঠিছে 'বজাৰ' নামৰ এটা প্ৰতিষ্ঠান; ইয়াৰ দোষ কি, ত্ৰুটি কি, সেয়া আলোচনা কৰাটো বৃথা চেষ্টা। বজাৰৰ নিয়ম-কানুন মানুহে মানি চলিবই লাগিব। বিৱৰ্তনৰ প্ৰক্ৰিয়াত যি টিকি থাকিব পাৰে, তাৰ বিশেষত্ব এই যে, পৰিবৰ্তনৰ প্ৰক্ৰিয়াত যি টিকি থাকিব পাৰে, তাৰ বিশেষত্ব এই যে, পৰিৱৰ্তনৰ প্ৰক্ৰিয়াত যি টিকি থাকিব পাৰে, তাৰ বিশেষত্ব এই যে, পৰিৱৰ্তনৰ সৈতে সি নিজকে মিলাই ল'ব পাৰে। সমাজজীৱনৰ বহুতো পৰিবৰ্তনৰ সৈতে সি নিজকে মিলাই ল'ব পাৰে। সমাজজীৱনৰ বহুতো পৰিবৰ্তন, প্ৰযুক্তিৰ বিপুল অগ্ৰগতি, মানুহৰ অৰ্থনৈতিক কাম-কাজৰ পৰিধিৰ বিপুল বিস্তৃতি - এই সকলোবোৰৰ মাজত যিহেতু বজাৰ-ব্যৱস্থাটো টিকি আছে, গতিকে এই কথা বুজিব পাৰি যে ই অপ্ৰতিৰোধ্য। যিমানেই ইয়াৰ সমালোচনা কৰা নহওক কিয়, ইয়াতকৈ নিশ্চয় কোনো উৎকৃষ্ট বিকল্প আচলতে নাই। সেয়ে বিৱৰ্তনৰ নিয়মবোৰক যিহেতু নাকচ কৰিব নোৱাৰি, বজাৰ ব্যৱস্থা তুলি দি এটা বিকল্প ব্যৱস্থাৰ প্ৰৱৰ্তন কৰাৰ চেষ্টা কৰাটো হ'ব এক মুৰ্খামি। এনে মুৰ্খামি কৰি কোনোৱে যদি অন্য কিবা এটা কৰাৰ চেষ্টা চলায়, সি শেষপৰ্যন্ত ব্যৰ্থ হ'বলৈ বাধ্য। নব্য-উদাৰনীতিৰ প্ৰবক্তা হায়েকৰ এই বক্তব্য তেওঁৰ বিভিন্ন ৰচনা আৰু কিতাপ-পত্ৰত বিস্তৃতভাৱে উল্লেখ আছে। ফন হায়েকৰ কেইখনমান বিশ্ববিখ্যাত কিতাপৰ নাম ইয়াত উল্লেখ কৰা হ'ল "Law, ligislation and liberty," "The constitution of liberty" "The Fetal conceit : the errors of socialism" আদি।

হায়েকে আৰু মিজেছৰ দুৰ্ভাগ্য যে ১৯২০ ৰ দশকত অষ্ট্ৰিয়াত তেওঁলোকৰ এই বক্তব্য শুনিবলৈ কোনো ৰাজী নহ'ল; বৰং তেওঁলোকক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰা হ'ল। সেই সময়ত ভিয়েনামত Social democracy ৰ জয়যাত্ৰাৰ যুগ; হস্তক্ষেপৰ অৰ্থনীতিৰ জয়যাত্ৰাৰ যুগ। 'ৰাষ্ট্ৰীয় হস্তক্ষেপৰ অৰ্থনীতি'ৰ জৰিয়তে জনসাধাৰণক ৰাষ্ট্ৰৰ উদ্যোগত বহুতো সা-সুবিধা দিয়া হৈছে, জনকল্যাণমূলক কাম-কাজৰ জৰিয়তে চৰকাৰে জনসাধাৰণক সন্তুষ্ট কৰিবলৈ বিচাৰিছে যাতে জনসাধাৰণৰ মাজত ছোভিয়েট প্ৰভাৱ বৃদ্ধি পাব নোৱাৰে। গতিকে এনে এক পৰিস্থিতিত, মিজেছ আৰু হায়েকে দেশত্যাগ কৰিলে। মিজেছ গ'ল জেনেভালৈ আৰু তাৰপিছত উত্তৰ আমেৰিকালৈ আৰু হায়েকে স্থায়ীভাৱে লণ্ডনত বসবাস কৰিবলৈ ল'লে। ফন হায়েকে এটা সৰু কিন্তু অত্যন্ত শক্তিশালী বুদ্ধিজীৱীৰ গোট গঠন কৰি তাৰ নেতৃত্ব দিবলৈ ল'লে। ইংলেণ্ডৰ বিখ্যাত অৰ্থনীতিবিদ লাওনেল ৰবিনছ আৰু দাৰ্শনিক কাৰ্ল পপাৰেও এই গোটত চামিল হ'ল। নব্য-উদাৰনীতিৰ তত্ত্বৰ সপক্ষে এই গোটটোৱে নিয়মীয়া, শক্তিশালী প্ৰচাৰ চলাবলৈ ধৰিলে। কিন্তু সাময়িকভাৱে এই প্ৰচাৰ ব্যৰ্থ হ'ল। কিয়নো সেইসময়ত ইউৰোপ আৰু আমেৰিকাৰ সৰ্বত্ৰ বুৰ্জোৱা অৰ্থনীতি অথবা স্পষ্টভাৱে ৰাষ্ট্ৰীয় হস্তক্ষেপৰ অৰ্থনীতিয়ে শাসন কৰিছে আৰু এই অৰ্থনীতিৰ মূল প্ৰবক্তা জন মেনাৰ্ড কেইনছৰ সেইসময়ত সকলোতে অখণ্ড প্ৰভাৱ। কেইনছে বজাৰৰ ভৰসাত অৰ্থনীতিক এৰি দিবলৈ ৰাজী নাছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী শীতল যুদ্ধৰ সময়তো কেইনছৰ এই হস্তক্ষেপৰ নীতিৰ এনে জয়যাত্ৰাৰ মূল কাৰণ আছিল মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপৰ দেশসমূহক ছোভিয়েট প্ৰভাৱৰ পৰা আঁতৰাই ৰখা, ছোভিয়েট নিৰ্দেশিত সমাজতান্ত্ৰিক পৰিকল্পিত অৰ্থনীতিৰ বিজয়যাত্ৰা ৰুদ্ধ কৰা। সেই বাবেই অৰ্থনৈতিক নিজস্ব 'স্বাভাৱিক' অৱস্থাত এৰি দিবলৈ অৰ্থনৈতিক নীতি-প্ৰণেতাসকল ৰাজী নাছিল, তেওঁলোকে বৰং ভয় কৰিছিল যে অৰ্থনীতিক 'স্বাভাৱিক' অৱস্থাত এৰি দিলে আকৌ দেশে দেশে সমাজতান্ত্ৰিক বিপ্লৱৰ জন্ম হ'ব পাৰে। সেয়ে হস্তক্ষেপৰ অৰ্থনীতিৰ জৰিয়তে ইংলেণ্ডত জাতীয়কৰণৰ ঢৌ উঠে, ইউৰোপৰ পুৰ্নগঠনৰ বাবে আন্তৰ্জাতিক পুঁজিয়ে মুক্তভাৱে ধন ব্যয় কৰিবলৈ বাধ্য হয়।

কিন্তু সত্তৰৰ দশকত কেইনছৰ হস্তক্ষেপৰ অৰ্থনীতিৰ কাৰ্য্যকাৰিতা সম্পৰ্কে সন্দেহৰ সৃষ্টি হ'ল। ইউৰোপ-আমেৰিকা-লেটিন আমেৰিকা আৰু এছিয়াৰ অসমাজতান্ত্ৰিক দেশসমূহত কেইনছীয় নীতিৰ ফলস্বৰূপে ব্যাপক মুদ্ৰাস্ফীতিয়ে দেখা দিলে, তাৰ লগে লগে নিবনুৱা সমস্যাও ব্যাপকৰূপত প্ৰকট হৈ উঠিল। চিকাগো বিশ্ববিদ্যালয়ৰ অধ্যাপক মিল্টন ফ্ৰিডমেন আৰু তেওঁৰ শিষ্যসকলে কেইনছৰ নীতিৰ সলনি প্ৰাক-কেইনছীয় অৰ্থনৈতিক নীতিলৈ উভটি যাবৰ বাবে পৰামৰ্শ দিলে- যি নীতি ত্ৰিশৰ দশকৰ great depression ৰ আগলৈকে জনপ্ৰিয় আছিল। আডাম স্মিথ, ডেভিদ ৰিকাৰ্ডো আদি অৰ্থনীতিবিদসকলৰ নীতি নিৰ্দেশনা মানি লোৱাৰ বাবে ফ্ৰিডমেন আৰু তেওঁৰ শিষ্যসকল আগ্ৰহী হৈ উঠিল। দেখা গ'ল, এই নীতি মুদ্ৰাস্ফীতি ৰোধ কৰাৰ বাবে সহায়কো। তাৰ লগে লগে ইংলেণ্ডত চৰকাৰী বিনিয়োগ ক্ষেত্ৰবিলাকৰ অৰ্থনৈতিক ব্যৰ্থতাক লৈ সমালোচনা আৰম্ভ হ'ল আৰু এই সমালোচনাৰ নেতৃত্ব দিলে সেই সময়ৰ ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী মাৰ্গাৰেট থেচাৰে। তেৱেঁই প্ৰথমবাৰৰ বাবে ফন হায়েকৰ নব্য উদাৰতাবাদী তত্ত্বক ৰাষ্ট্ৰীয় স্বীকৃতি দি ইয়াৰ অভিষেকৰ ব্যৱস্থা কৰিলে। থেচাৰে আনকি হায়েক ৰচিত "The constitution of Liberty" শীৰ্ষক গ্ৰন্থক 'এই যুগৰ বাইবেল' বুলি অভিহিত কৰিলে। তাৰ লগে লগে আৰম্ভ হ'ল নব্য উদাৰনীতিৰ জয়যাত্ৰা। তেওঁ দেশৰ নিৰ্বাচনত একেৰাহে তিনিবাৰকৈ জয়লাভ কৰি এই তত্ত্ব গ্ৰহণযোগ্যতাৰ ক্ষেত্ৰ প্ৰস্তুত কৰিলে। এনে সময়তে ছোভিয়েট ৰাছিয়াত বজাৰমুখী সংস্কাৰ আৰম্ভ হ'ল আৰু পৰ্য্যায়ক্ৰমে ছোভিয়েট ব্যৱস্থাটোকেই তুলি দি তাৰ ঠাইত ব্যক্তিগত পুঁজিৰ ৰাজকীয় প্ৰত্যাবৰ্তন ঘটিল। এনে পৰিস্থিতিত সমগ্ৰ বিশ্বজুৰি মুক্ত বজাৰ অৰ্থনীতিৰ তত্ত্ব আৰু ইয়াৰ মতাদৰ্শগত

ভিত্তিত নব্য উদাৰতাবাদী তত্ত্বৰ প্ৰবল জয়যাত্ৰা আৰম্ভ হ'ল - যাৰ মূলকথা হৈছে এয়ে যে, বজাৰ ব্যৱস্থাৰ কোনো বিকল্প নাই।

ফন হায়েকৰ বক্তব্য হৈছে, বজাৰ এটা নৈৰ্ব্যক্তিক প্ৰতিষ্ঠান। ইয়াত এজন মানুহে আন এজনক বুজে কেৱল দামৰ ভাষাত। বজাৰৰ ওপৰত যদি চৰকাৰী হস্তক্ষেপ নাথাকে, তেনেহ'লে দাম নিৰ্ধাৰিত হয় যোগান আৰু চাহিদাৰ জৰিয়তে। এজন বিশেষ উৎপাদকে বজাৰত টিকি থাকিব আৰু বজাৰ দখল কৰিব পাৰে তেতিয়াহে, যেতিয়া উৎপাদকজনে বজাৰৰ নিৰ্ধাৰিত দামতকৈ কম দামত তেওঁৰ উৎপাদন-সামগ্ৰী বিক্ৰী কৰাৰ বাবে ৰাজী হয়। কম দামত বিক্ৰী কৰাটো সম্ভৱপৰ যদিহে উৎপাদকজনৰ উৎপাদন-ক্ষমতা (productivity) বৃদ্ধি পায়। বজাৰত যিহেতুকে উৎপাদকসকলৰ মাজত প্ৰতিযোগিতা থাকে, সেয়ে উৎপাদন-ক্ষমতাৰ বৃদ্ধি ঘটিব আৰু তাৰ লগে এনে হোৱাৰ ফলত উৎপাদন কুশলতা (efficiency) বৃদ্ধি পায়। হায়েকে কৈছে যে পৰিকল্পিত সমাজতান্ত্ৰিক অৰ্থনীতি অথবা ৰাষ্ট্ৰীয় হস্তক্ষেপৰ অৰ্থনীতিত এনে হোৱাটো সম্ভৱপৰ নহয়, কিয়নো শেষ পৰ্যন্ত গোটেই ব্যৱস্থাটোৱেই অচল হৈ পৰে।

মাৰ্গাৰেট থেচাৰে 'উদাৰ অৰ্থনীতি'ৰ জয়ধ্বনি দি দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী পৃথিৱীত 'মুক্ত বজাৰ অৰ্থনীতি' চালু কৰাৰ আজি দুটা দশক অতিক্ৰম কৰিলে। তৃতীয় বিশ্বৰ দেশসমূহতো এই অৰ্থনীতি প্ৰবৰ্তন কৰাৰ এটা দশক অতিক্ৰম কৰিলে। ভাৰতবৰ্ষতো ১৯৯১ চনত তদানীন্তন নৰসিংহ ৰাও-মনমোহন সিং নেতৃত্বাধীন কংগ্ৰেছ(আই) চৰকাৰে দেশে ১৯৫০ চনৰপৰাই অনুসৰণ কৰি অহা নেহৰু মডেলৰ ৰাষ্ট্ৰীয় হস্তক্ষেপৰ অৰ্থনৈতিক নীতি পৰিত্যাগ কৰি নতুন অৰ্থনৈতিক নীতি প্ৰবৰ্তনৰ ঘোষণা কৰে-যাৰ মূল ভিত্তি মুক্ত বজাৰ অৰ্থনীতি। ভাৰতীয় অৰ্থনীতিৰ ব্যাপক কাঠামোগত সংস্কাৰ (structural adjustment) ৰ মাজেৰে দেশখনৰ অৰ্থনীতিত বিদেশী পুঁজিৰ অবাধ অনুপ্ৰবেশকে ধৰি, পুঁজিবাদী বিশ্বৰ স্বাৰ্থৰক্ষাকাৰী আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক প্ৰতিষ্ঠান IMF আৰু বিশ্ববেংকৰ নিৰ্দেশিত পশ্চিমৰ উন্নত ঔদ্যোগিক দেশসমূহৰ সুবিধা অনুযায়ী দেশখনৰ অৰ্থনীতিৰ বহু গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰা হয়। তাৰ লগে লগে সকলো ধৰণৰ কল্যাণকামী অৰ্থনৈতিক লভ্য পৰিহাৰ কৰি ভাৰতীয় অৰ্থনীতিক বজাৰমুখী অৰ্থনীতিৰ পশ্চিমীয়া ধাৰাৰ সৈতে একাকাৰ কৰি তোলা হ'ল। সাম্প্ৰতিক সময়ত অটল বিহাৰী বাজপেয়ী -যশৱন্ত সিং নেতৃত্বাধীন হিন্দুত্ববাদী, স্বদেশী চৰকাৰখনে এই প্ৰক্ৰিয়াক অধিক তৰান্বিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

'মুক্ত বজাৰ অৰ্থনীতি'ৰ জয়যাত্ৰাৰ লগে লগে কিন্তু সমগ্ৰ বিশ্বজুৰি ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত হ'বলৈ ধৰিছে- দেশে দেশে মানুহে ভোট দিছে 'মুক্ত বজাৰ অৰ্থনীতি'ৰ বিৰুদ্ধে। ইয়াৰ মূল কাৰণ কি? মুক্ত বজাৰ অৰ্থনীতিৰ, বিশ্বায়নৰ প্ৰধান প্ৰবক্তা আমেৰিকা যুক্তৰাষ্ট্ৰতে অৰ্থনীতিৰ বিকাশ স্তব্ধ হৈছে, আমেৰিকাৰ অৰ্থনীতি slow down হৈছে আৰু সৰ্বমুঠ জাতীয় উৎপাদনৰ পৰিমাণ হ্ৰাস পাইছে। তাৰ লগে লগে দ্ৰুতগতিত বৃদ্ধি পাইছে নিবনুৱাৰ সংখ্যা।

তৃতীয় বিশ্বৰ দেশসমূহত মুক্ত বজাৰ অৰ্থনীতিয়ে একপ্ৰকাৰৰ তাণ্ডৱ চলাইছে। World Trade Organisation (WTO) ৰ হেঁচাত তৃতীয় বিশ্বৰ দেশসমূহে আমদানি শুল্ক কমাই দি প্ৰথম বিশ্বৰ দেশসমূহৰ পণ্যৰ সুবিধাৰ বাবে নিজৰ বজাৰ মুকলি কৰি দি নিজৰ শিল্প-উদ্যোগ ধ্বংস কৰিছে। চৰকাৰী উদ্যোগত গঢ়ি উঠা পুঁজি পানীৰ দামত বেচৰকাৰী পুঁজিৰ হাতত বিক্ৰি কৰিছে- মুক্ত বজাৰ অৰ্থনীতিৰ স্বাৰ্থত। দেশীয় মুদ্ৰাৰ ওপৰত থকা কেন্দ্ৰীয় বেংকৰ নিয়ন্ত্ৰণ তুলি দিয়াৰ বাবে তৃতীয় বিশ্বৰ দেশবোৰক অহৰহ হেঁচা প্ৰয়োগ কৰা হৈছে। তাৰ লগে লগে মুদ্ৰাৰ মূল্য সাংঘাতিক ভাৱে কমিছে, মুদ্ৰাস্ফীতি ব্যাপক হাৰত বাঢ়িছে। তাৰ ফলত তীব্ৰ গতিত নিবনুৱাৰ সমস্যা বৃদ্ধি পাইছে। এইবোৰে দেশ একোখনৰ সাৰ্বভৌমত্বৰ ওপৰত তীব্ৰ আঘাত হানিছে। এই সকলোবোৰৰে জ্বলন্ত উদাহৰণ হৈছে ভাৰতবৰ্ষ।

মুক্ত বজাৰ অৰ্থনীতিৰ এনেবোৰ টোঘলকী কাণ্ড-কাৰখানাৰ অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে যেতিয়া দেশবোৰৰ অৰ্থনীতি ভাঙি পৰাৰ উপক্ৰম হৈছে, তেতিয়া মুক্ত বজাৰ অৰ্থনীতিৰ প্ৰবক্তাসকলে IMF ক সন্মুখত ৰাখি 'হস্তক্ষেপ' আৰু 'নিয়ন্ত্ৰণ' নামৰ উদাৰ অৰ্থনীতিত নিষিদ্ধ পন্থাৰ আশ্ৰয় লৈছে। উদাহৰণস্বৰূপে, থাইলেণ্ডৰ অৰ্থনীতি দেউলীয়া হোৱাৰ আগমূহূৰ্তত, ১৯৯৭ চনৰ ২০ আগষ্টত আন্তৰ্জাতিক অৰ্থভাণ্ডাৰে (IMF) ১৭২০ কোটি ডলাৰ ধাৰ দি আভ্যন্তৰীণ হস্তক্ষেপৰ মাধ্যমেৰে থাই অৰ্থনীতিত হস্তক্ষেপ কৰি ৰক্ষা কৰে।

একে ধৰণে ৰক্ষা কৰা হয় ইণ্ডোনেছিয়া (৪৩২৯ কোটি ডলাৰ), দক্ষিণ কোৰিয়া (৫৮০ কোটি ডলাৰ) আৰু ৰুছ অৰ্থনীতিক (২২৬ কোটি ডলাৰ)। অতি সম্প্ৰতি আৰ্জেণ্টিনাতো অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হৈছে। ইয়াৰ ফল হৈছেঃ আন্তজাতিক পুঁজিৰ একাধিপত্য প্ৰতিষ্ঠা আৰু তাৰ ওচৰত মানহৰ বশ্যতা সুদৃঢ় কৰা। সেই বাবে নব্য-উদাৰতাবাদীসকলে ৰাষ্ট্ৰৰ অৱলুপ্তি ঘটিছে বুলি প্ৰচাৰ চলাইছে। কথাটো সম্পূৰ্ণ সত্য নহয়, বৰং ভাৰত ৰাষ্ট্ৰৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহত ৰাষ্ট্ৰই এতিয়া নব্য-সাম্ৰাজ্যবাদৰ আগ্ৰাসনক জাতীয় পৰ্য্যায়ত বৈধকৰণ প্ৰক্ৰিয়াৰ নেতৃত্ব বহন কৰিছে। প্ৰকৃততে, বিশ্বায়নৰ যুগত, মুক্ত বজাৰ অৰ্থনীতিৰ যুগত আন্তজাতিক পুঁজিৰ অবাধ চলাচলৰ আন্তঃগাঠনি নিৰ্মাণ কৰি দিব লাগিব জাতি ৰাষ্ট্ৰসমূহেই। বিশ্বায়নৰ গতি তীব্ৰ হোৱাৰ লগে লগেই তৃতীয় বিশ্বই আন্তৰ্জাতিক পুঁজিৰ ওচৰত নিজকে সমৰ্পণ কৰিছে।

মুক্ত বজাৰ অৰ্থনীতি চালু কৰাৰ প্ৰথম পৰ্য্যায়ত কোৱা হৈছিল যে এই নীতি চালু কৰিলে সাধাৰণ মানুহ প্ৰথম অৱস্থাত কিছু অসুবিধাত পৰিব ঠিকেই, কিন্তু সোনকালেই পৰিস্থিতি অনুকুল হৈ উঠিব। কিন্তু কাৰ্য্যক্ষেত্ৰত ইয়াৰ ওলোটাটোহে দেখা গৈছে। ই ক্ৰমাৎ এক 'বিফল অৰ্থনীতি'তহে পৰিণত হৈছে। যিবিলাক দেশৰ অৰ্থনীতিৰ সাফল্য দেখুৱাই মুক্ত বজাৰ অৰ্থনীতিৰ নায্যতা প্ৰমাণ কৰাৰবাবে চেষ্টা কৰা হৈছিল, সেই "এছিয়ান টাইগাৰ" আৰু লেটিন আমেৰিকাৰ দেশবোৰৰ অৰ্থনীতি সম্পূৰ্ণৰূপে ভাঙি পৰিছে, 'হস্তক্ষেপ' আৰু 'নিয়ন্ত্ৰণ'ৰ জৰিয়তে এই দেশসমূহৰ অৰ্থনীতিক কোনোমতে জীয়াই ৰখা হৈছে। দেশে দেশে দুৰ্গত-দূৰ্দশাগ্ৰস্ত লোকৰ সংখ্যা বাঢ়িছে, নিবনুৱাৰ সংখ্যা তীব্ৰগতিত বৃদ্ধি পাইছে। তাৰ ফলত 'মুক্ত অৰ্থনীতি'ৰ মোহৰ পৰা জনগণ মুক্ত হৈ উঠিছে- দেশে দেশে ইয়াৰ স্পষ্ট ইংগিত পৰিলক্ষিত হৈছে। ●

# INDUSTRIALISATION IN THE N.E. REGION

## *Problems and scope for development*

**(From a study report made by the former Director of IIE,, Dr. D.D. Mali)**

*Deepjyoti Phukan*
**2nd Semister (Economics)**

In the North-East region, there is a huge possibility for industrialisation. The region is endowed with rich and varied resources. Also its agro-climatic condition is suitable for agro-horticulture based industries and its pollution free environment suits development of electronic industries.

The area of the land of seven sisters is 2.55 lakh sq.km. which is 7.7% of the total land area of the country. With the 3.83 core population (4% of India), the density of Assam is 340, Tripura 304 & lowest in Arunachal Pradesh which is 13 person per sq.km. It is to be noted, the NE region is one of the most bio-diverse zone in the world. From the history of industrialisation, the region has the distinction of having the first oil refinery and first tea garden in the country. But it is underdeveloped only because of not proper utilisation of natural resources.

The region has it's more than enough natural resources which are remaining unutilised. The region has 190 bn cubic meter natural gas which is 22% of national amount, it has 909 million tonnes coal reserves, 32000 MW (40% of India) hydroelectric potential, 513 mn tonnes (20%) oil reserves, 4933 mn. tonnes limestone reserves, 11mn. tonnes clay reserves. 2 mn. cubic meters granite reserves and forest resources.

With these huge amount of resources, the region has only 177 units large and medium industries of which 128 are in Assam (According to March 1998 report); the region has 44207 SSI units of which 23607 are in Assam (According March 2000 report) and 23506 sick SSI units (March 1999). These SSI units occupies only 1.7% of the nation's share in 1999-2000.

The main constraints of the development of these industries are—

→ Railway length is not adequate

→ Road network-surface road coverage is low, national highway 12.98% of total national highway.

→ Air transport in not adequate.

→ Power shortage except Meghalaya.

→ Per-capita power consumption ranges 100 to 143 KWH.

→ Problems of Institutional Finance (but 1900 bank branches are working in NE.)

→ C.D. ratio ranges from 14-42% as against 55% in the country.

→ Lack of entrepreneur-friendly environment.

→ Marketing problems etc.

But, there create many policies formulated for the development of industrial sectors in the region. Among these, Govt. of India policy, new policy for NE, state policies, policy package for SSI & tiny sector etc. are main. The main feature of these policies are fiscal concessions, preferential procurement, fiscal support, credit support, infrastructure support, technological support, marketing support etc. Meghalaya & Mizoram announced their Industrial policy in 1989. Then Govt. of India announced New Industrial Policy in 1991. Af-

ter this announcement, Arunacahal Pradesh announced their policy in 1994, Assam in 1997, Manipur in 1996, Nagaland in 1995 and Tripura in 1995. All these policies are emphasised on resource-based approach, skill-based approach-developing handloom and handicraft, development of electronic industries, development of service sector particularly tourism, IT sector etc., border trade, developing women entrepreneurs etc.

For rapid industrialisation, different organisation and banks are ready to give support. Among them, DI, SSIDc, KVIC, NEHHDC, NPC, BIS etc. are promotional organisation, IDBI, SIDBI, RGVN, NABARD, NEDFi, commercial banks etc. are financial institutions and NEITCO, NECON etc. are consultancy organisations. Also, SISIs, IIE, NSIC etc. are training institutions and several industry associations, entrepreneurs associations, NGOs etc. are always ready for proper help.

So, the people of North-East can take the opportunity to enlarge the industrial sector in this region. It is because, inherent competitive advantages of the region lies in certain sectors - agri-business, food processing, handloom and handicrafts, dedicated engineering services, tourism etc. and new areas like IT services, franchising, export trade. It is to be noted that economic liberalisation provides the scope to export industrial products from the region to neighbouring countries.

*The entire North-East Region has immense potentiality to develop through industrialisation. So, the region should put emphasis on resource-based industries. Developing linkages between industrial development plan and agro-horticulture plan should be set up for perspective of industrialisation; IT, Tourism, Health care etc. services sector have to be developed women entrepreneurship development scope is very high in the region. So, these sector should not be ignored. For all these, services of support organisation need to be tuned with the changing demand of the entrepreneurs. Banks and entrepreneurs should move towards becoming partners in progress. Bankers have to play greater role in this regard.*

The entire North-East Region has immense potentiality to develop through industrialisation. So, the region should put emphasis on resource-based industries. Developing linkages between industrial development plan and agro-horticulture plan should be set up for perspective of industrialisation; IT, Tourism, Health care etc. services sector have to be developed women entrepreneurship development scope is very high in the region. So, these sector should not be ignored. For all these, services of support organisation need to be tuned with the changing demand of the entrepreneurs. Banks and entrepreneurs should move towards becoming partners in progress. Bankers have to play greater role in this regard.

All these things will be impossible to achieve if government doesn't take initiative. Government has to support industries in some areas to develop competitive strength. Government's comprehensive intervention is needed in providing reliable and dependable infrastructure facilities. They may also encourage private initiative to develop infrastructure particularly in promotion of tourism. Coordination committee should form for industrialisation in North-East and contribution of state Government can come from any source. Moreover adequate marketing support should be make by any means.

# THE CALLING

**Manoj Kumar Talukdar,**
Lecturer in Economics

Cotton College - the mention of her evokes unmitigated reverence across a wide spectrum of the entire North-East and beyond. Nostalgic memories mingle with contemporary awe and wodernment. The elderly wax eloquent on the glory that was. Her brand equity is of the highest order. The percents a landmark, old and hallowed. She spells excellence and has the aura of Success written all over her. The young and the old, would all like to partake of the rich tradition. The uninitiated by walking into her sacred portals, the old by alluding to the good times spent in her bower or if they had missed the bus then, by extension-through the medium of the persons of their treasured wards. That is Glory for you.

Yet, at this juncture, there arises the need for deep introspection and unbiased stock-taking. Are we flogging her impeccable credentials much too far? Are we piggy-back riding on the immense goodwill that she generates ? Does she still attract the best of talent, to churn out the product she is most associated with-fresh young minds their skills honed, impatient to get along with the job at hand? Is she still sending forth the agents of positive change, those who permeate into the very depths of civil society, leading from upfront? To anyone with a close association with her personage, the answers to the queries posed are all too obvious.

The wake up call is then too evident. The time for complacence well past. The hour of action is upon us. In this fast paced world, reputation is no guarantee for continued dominance. Goodwill goes only thus far and no further. Only diligent effort and a committed sense of purpose can build on the success of the years gone by assuring her the pride of place in the intellectual firament of the region; a place she so richly deserves.

What needs be done is evident on observing her station against the backdrop of the surroundings that she be set. It is as though society were at the cross roads with nary an idea, on which way to turn. As if time has passed it by. Deep in our somnolent reverie we have failed to perceive the rapid strides humanity has made unto the brave new world, exemplified by cutting edge technology, revolutionary change in social dynamic sand organisation, an ever widening world view that has the capacity to enclose within its fold divergent ideology with its enabling humane approach to conflict management and the emergence of an informed awareness about the symbiotic relationship between matter, life forms and the natural ambience.

Herein lies the relevance of this enduring institution .Her undoubted potential for being the harbinger of radical transformation. Over the past century she always took on the onerous task of being the standard bearer, the catalyst for change, in all manner of human endeavour, and the repository from which could be drawn leaders of substance-people who did matter. Her contributions on all of these counts have been well documented.

The situation demands that we create the conditions where international best practices take root. Where fertile minds are allowed free play and find expression and fulfilment. Time it is to ensure that bright impressionable minds are exposed to the winds of change. Emboldened to make an effort at harnessing their latent talent, to hone their skills in order that they may take on whichever task they have a penchant for.

We need a vision and an effective blueprint to actualise this dream. Established departments have to be refurbished, re-oriented and at times consolidated. Newer

branches of knowledge have to be introduced. Micro-electronics and Software, Bio-technology and Genetics, the New Ethics and Sociology, Finance and Management Environmental science and urban planning, just to name a few. At the same time we have to lay the foundation for students who aspire to excel in the disciplines in the forefront of science and social dynamics as in oceanography and aerospace.


The stress on academic excellence where performance is judged by preset rules and strait-jacketed norms is but a minor player in this scheme of things. Innovation and novelty are the twin pillars on which the new approach would rest. Putting to practice all that is learnt would be encouraged. Cerebral pursuits would dominate over the lure for lucre. Above all our verdant plain must be refreshing, a funplace. Brimming with 'bon-hommie'. A place where the excess baggage of prejudice is dispensed with and the best in our varied traditions intermingle and coexist. The task is set and not too daunting given our strengths.

We are privy to the best of talent. Cotton College attracts the brightest young minds from the hinterland. The most promising sections of the young intellectuals, knock at her door seeking employment and an outlet for their creative instinct. It is for us to accommodate them and ensure their continued presence within her precints.

The need them is for enlightened leadership. Fortunately, the modern concept of leadership has undergone a paridigm shift. Hierarchy stands discredited and initiative is de-personalised. Dis-aggregated and can emanate for many where within the organisation. Ideas and suggestions are adopted on the basis of merit only.

All of this requires a healthy respect for the individual and an attitudinal change. Merit and performance ought to be the only consideration. The road may be long and winding. The stumbling blocks a plenty. Yet the task is not impossible. We cannot afford to fail for we then fail society and She who gives us sustenance and provides succour to so many. The future is bright given the will. Are we readied then? ●

> *We need a vision and an effective blueprint to actualise this dream. Established departments have to be refurbished, re-oriented and at times consolidated. Newer branches of knowledge have to be introduced. Micro-electronics and Software, Bio-technology and Genetics, the New Ethics and Sociology, Finance and Management Environmental science and urban planning, just to name a few. At the same time we have to lay the foundation for students who aspire to excel in the disciplines in the forefront of science and social dynamics as in oceanography and aero-space.*



***The Rhythm***

# প্ৰসংগ ঃ মানুহ আৰু কটন কলেজ

সুৰেশ কুমাৰ নাথ
প্ৰবক্তা, অৰ্থনীতি বিভাগ

**প্ৰসঙ্গ এক ঃ মানুহ**

লুচাকা নামৰ চহৰখনিৰ এখন চিৰিয়াখানাত থকা এটা পিঞ্জৰাত এখন জাননী আঁৰি থোৱা আছে। জাননীখনত লিখা আছে "পৃথিৱীৰ আটাইতকৈ বিপদজনক জন্তুটোক চাই লওঁক"। দেখা গ'ল, পিঞ্জৰাটোৰ ভিতৰত এখন আইনা লগোৱা আছে য'ত আপুনি সোমাই গলেই নিজৰ মুখখন দেখিবলৈ পাব। প্ৰিয় পাঠকবন্ধু, ভগবানে হেনো নিজৰ লগত সাদৃশ্য ৰাখিয়েই মানুহৰ সৃষ্টি কৰিছিল। শেষত ই যে গৈ এনে বিপদজনক হৈ উঠিব পাৰে সৃষ্টিকৰ্ত্তাই হয়তো প্ৰথমতে কল্পনাই কৰিব নোৱাৰিছিল। নহলে পৃথিৱীত ভগৱানৰ অৱতাৰৰ ধাৰণাটোৰ সৃষ্টি হোৱাৰ কোনো কাৰণেই নাছিল। কৃষ্ণই ভাগৱত গীতাতো গৈছে যে "যদা যদাহি ধৰ্মস্য গ্লানি ভৱতি ভাৰত ........." চিন্তা কৰকচোন, ইমান খেয়ালো কোনে কৰে? মানুহেই কৰে। ইমান মগজু মানুহক প্ৰয়োজন আছিলনে? মগজুটোৰে মানুহে কি কৰা নাই? যিমানবোৰ ভালকাম ইমানদিনে কৰা হ'ল, সেয়া মানুহৰ প্ৰখৰ মগজুৰ ব্যৱহাৰৰ দ্বাৰাই সম্ভৱ হৈ উঠিল। লগতে যিমানবোৰ বেয়া কাম এতিয়ালৈ কৰা হ'ল বা কৰি থকা হৈছে সেয়াও কিছুমান শক্তিশালী মগজুৰেই কাম। সমস্যাটোৰ উদ্ভৱ হৈছে আপোনাৰ, মোৰ মগজুৰ ব্যৱহাৰ কি ধৰণে কি কামত কৰা হৈছে তাৰ পৰাই। মহামতি আইনষ্টাইনে কৈছে "To many people the creator gave brains by mistakes- the spinal chord would have been amply sufficient."

গীতাত বা বুদ্ধ, প্লেটো, কনফুচিয়াচ অথবা বিবেকানন্দৰ দৰ্শনত জ্ঞান তথা প্ৰজ্ঞাৰ ধাৰণাৰ গভীৰতালৈ যোৱাৰ প্ৰৱণতা, সময় অধিক সংখ্যকৰেই হয়তো নাই। আজি মানবীয় প্ৰমূল্যবোধ ডাইনোচ'ৰৰ চলৈ ৰূপান্তৰিত হৈছে। এই অবক্ষয়ৰ ঢলে আমাক হিংস্ৰপশুৰ শাৰীলৈ নমাই আনিলে। মানসিক সংঘাত আৰু সামাজিক বিপৰ্য্যয়ে তুংগত আৰোহন কৰিছে। ক্ষন্তেক থমকি ৰৈ যদি এবাৰো ভালদৰে চিন্তা কৰি আমিবোৰ আগবাঢ়িলোহেঁতেন তেন্তে এই গৰাখহনীয়া হয়তো কিছু ৰোধ কৰিব পৰা গ'লহেঁতেন। বিবেকৰ নিৰ্দেশক আমি উপলুঙা কৰো। "বিবেকৰ দংশন" অনুভৱ কৰিবলৈ বিবেক থাকিবওতো লাগিব। সামান্য স্বাৰ্থসিদ্ধিৰ বাবে আমি আজি বিবেকক বিক্ৰী কৰি পেলাইছোঁ। জীৱন, জীৱনৰ সুখ-দুখৰ সংজ্ঞা সলনি হৈগৈছে। যিদৰে হেৰাই গৈছে সময়ৰ সোঁতত জ্ঞানৰ গভীৰতা আৰু প্ৰজ্ঞা। ভোগবাদৰ উৎপাতত, স্বাৰ্থপৰতাত মৰম-চেনেহ তাৰ মাৰিলে। এতিয়া কেৱল আমি খবৰবোৰৰ মাজতেই জীয়াই থাকোঁ। কবিৰ ভাবাত হেৰুৱাই পেলালো বিনন্দীয়া জীৱনৰ অমিয়া সৌন্দৰ্য্য।" টি এছ এলিয়টে এঠাইত কৈছে "Where is the life we have lost in living? Where is the wisdom we have lost in knowledge? Where is the knowledge we have lost in information?" প্ৰাত্যহিক জীৱনৰ তুচ্ছ-তাচ্ছিল্য, নিগনি চঞ্চল লৰা-ঢপৰাবোৰৰ মাজতেই জীৱনৰ বেছিভাগ সময় পাৰ হৈ যায়। আমাৰ দৰে অবোধ মানুহৰ সংখ্যা পৃথিৱীত যথেষ্ট বাঢ়িল। পৃথিৱীখনে বাৰু আৰু কিমানদিনলৈ কিমান অবোধ মানুহৰ ভাৰসহ্য কৰিব লাগিব সেয়া একমাত্ৰ ভগবানেহে জানে। আজি পৰিয়ালবোৰৰ, সমাজৰ, দেশৰ নে চকুলৈ চকু দিলেই আমি কি দেখিবলৈ পাম? "Dost thou know, my son" asked Count Oxenstierna "with how little wisdom the world is governed!"

কেতিয়াবা ভাবো ভগবান মানুহৰহে সৃষ্ট এক ধাৰণা মাথোন। 'ভগবান' নামৰ এক অলৌকিক পৰম শক্তিশালী সত্বাক আশ্ৰয় কৰি নললে মানুহৰ নচলে বাবেই সেইটোৰ সৃষ্টি। প্ৰথমতে ভগবান কেন্দ্ৰিক ধৰ্ম বা ধাৰণাটো ঠিকেই আছিল। অথবা সেইটোৰ প্ৰয়োজনো আছিল। মানুহৰ হাতত জীৱ-জন্তুৰ নিধন যজ্ঞ দেখি ধাৰণা হয় ভগবান বাৰুকেৱল মানুহৰ বাবেই নে বিশ্বব্ৰহ্মাণ্ডৰ সকলোৰে বাবে। গছ-গছনি, পশু-পক্ষীৰ দুখ- দুৰ্দশাবোৰৰ হিচাপ ভগবানে কৰেনে? সভ্যতাৰ বুৰঞ্জীত মানুহৰ সুখ দুখৰ প্ৰায় কাহিনীবোৰেই লিপিবদ্ধ হৈ ৰয়। এজনে এইক্ষেত্ৰত মন্তব্য কৰিছে " যদি সিংহবোৰৰ নিজা বুৰঞ্জীবিদ থাকিলেহেঁতেন সিহঁতেও চিকাৰীৰ বৰ্বৰতাবোৰ লিপিবদ্ধ কৰিলেহেঁতেন।" কিন্তু উপায় নাই প্ৰিয় পাঠক, আপুনি কেতিয়াবা মানসিক শান্তি-প্ৰশান্তি, সৌন্দৰ্য, আন্তৰিকতা, প্ৰেম, মানৱ দুখ-বিষাদ, সামাজিক কৰ্ত্তব্য-দায়িত্ব এনেবোৰ অদৰকাৰী-অদৰকাৰী যেন লগা কথাবোৰ চিন্তা কৰেনে? নে টকা-পইচা, ঘৰ-দুৱাৰ, ল'ৰা-ছোৱালী, মাটি-বৃত্তি, প্ৰতিহিংসা, ঈৰ্ষা, পৰচৰ্চা এইবোৰত লাগি থাকোতেই আপোনাৰ দিনটোৰ সময়বোৰ পাৰ হৈ যায়?" ছিগমুণ্ড ফ্ৰয়েডে কৈছে "The secret of happiness (of life) lies in loving well and working well." এই কথাটো আপুনিও বিশ্বাস কৰেনে? বেঞ্জামিন ফ্ৰেংকলিনে আকৌ কৈছে যে 'যি মানুহে কাৰো পৰা একো আশা নকৰে, তেঁৱেই সুখী আৰু ভাগ্যবান মানুহ। তেওঁ জীৱনত কেতিয়াও নিৰাশ হ'বলগীয়া নহয়। আপুনি, মই এজন শিক্ষিত,দায়িত্বশীল, সচেতন, বুদ্ধিমান মানুহ। সম্ভিৰ বাঁহ বুদ্ধিৰে কাটিব জনা মানুহ। বস্তুত শিক্ষিত, চালাক মানুহক চালে শিয়াল চাবলৈ আজিকালি আৰু হাবিলৈ যোৱাৰ প্ৰয়োজন নাই। কোনেও আমাক আমাৰ দায়িত্ববোধ , কৰ্ত্তব্য পৰায়ণতাৰ বিষয়ে পৰামৰ্শ দিয়াটো আমি নিবিচাৰোঁ। এক অহমিকা ভাৱে আমাক সদায় আচ্ছন্ন কৰি ৰাখে।

এবাৰ পৰীক্ষা এটাত ইংৰাজী বিষয়ৰ পৰীক্ষাৰ দিনা পৰীক্ষাৰ্থী এগৰাকীয়ে ৰচনা এখন নকল কৰি থাকোতে নিৰীক্ষকে ধৰা পেলালে। নিৰীক্ষকে চাই দেখে, যে সেইখন ৰচনা প্ৰশ্ন কাকতত অহাই নাই। আহিছে বেলেগ কেইখনমান ৰচনাহে। তেতিয়া নিৰীক্ষকে ধমক দি কলে 'তুমি নকল কৰি খুব বেয়া কামটো কৰিছাই আৰু আচৰিত কথা তুমি নকল কৰি লিখি থকা ৰচনাখনটো পৰীক্ষাত অহাই নাই"। তাই সেমেনাসেমেনিকৈ তলমূৰ কৰি উত্তৰ দিছে "বেলেগ আৰু একো অনা নাই ছাৰ"। অৰ্থাৎ একো বেলেগ ৰচনা তাইৰ নকল কৰিবলৈ নথকাত যিখন হাতত আছে সেইখনকেই পৰীক্ষাত আহক নাহক তাই নকল কৰি লিখি আছে। সেয়ে সেই সময়খিনিত তাইকো ব্যস্ত যেনেই দেখা গৈছে। কথাটো আমাৰ জীৱনতো খাটে। কৰিবলৈ একো

বিশেষ লক্ষ্য বা কাম নথকাৰ বাবেও বহুত মানুহে এনে এটা কাম লৈ ভীষণ ব্যস্ত থকা যেন দেখা যায় যে আনৰ দৃষ্টিত তেওঁ এজন খুব কামৰ মানুহ, ব্যস্ত মানুহ। ঠিক ছোৱালীজনীৰ দৰেই। প্ৰশ্ন হ'ল, আপুনি যদি কাম এটাৰ সাৰশূন্যতা সম্পৰ্কে জানেই, শিক্ষিত, বুদ্ধিমান যেন লগা মানুহ হিচাপে এনে কাম আপুনি কৰেনো কেলেই ? নে মহাভাৰতৰ যুদ্ধৰ সময়ত দুৰ্য্যোধনে স্বগতোক্তি কৰাৰ দৰেই আপুনিও কব খোজে "মই যে ভুল কৰি আছো মই জানো, কিন্তু বিধাতাৰ এয়েই বিধান যে, এই কাম মই নকৰি নোৱাৰোঁ।"

আমি আটায়েই আধুনিক যুগৰ মানুহ। অৱশ্যে আধুনিকতাৰ ধাৰণাটো এক আপেক্ষিক তথা যুগসাপেক্ষ ধাৰণাহে। আনৰ সতে তুলনা কৰিলেহে তাৰ পাৰ্থক্যটো ধৰিব পাৰি। আধুনিক যুগৰ বাসিন্দা হিচাপে আমি চিএণ্ড-বাখৰ কৰি থাকিলেও আমি কেতিয়াও এই শব্দটোৰ গভীৰতা বিবেচনা নকৰোঁ। বাৰু সিয়েই নহওঁক, আপুনি নিজকে সঁচাই 'আধুনিক'বুলি ভাবেনে? সঁচাকৈয়ে আপুনি এটা আধুনিক মনৰ অধিকাৰী হয়নে? কৌটিকলিয়া আচাৰ- বিচাৰবোৰৰ প্ৰতি আপোনাৰ ধাৰণা কেনে ধৰণৰ? বংশ-গৌৰৱ, জাতকুল, ধৰ্মীয় আচাৰ, আদি কথাত আপোনাৰ কাম-কাজবোৰ কেনে ধৰণৰ? নাৰী, শিশু-শ্ৰমিক, ভিক্ষাৰী, আপোনাতকৈ কম উপাৰ্জনক্ষম মানুহবোৰৰ ক্ষেত্ৰত আপোনাৰ আচৰণ কেনেকুৱা? নে ৰাজহুৱা স্থানত ধুমপান কৰা, অভিজাত হোটেলত সুৰাপান কৰি মতলীয়া হোৱা অথবা হলিউডৰ লেটেষ্ট হিট চিনেমাখন চোৱা অথবা ওৱেষ্টাৰ্ন পপ চঙৰ কলি গুণগুনাই থকাটোৱেই আপোনাৰ বাবে আধুনিকতাৰ সংজ্ঞা? আপুনি কাম কৰা চহৰ খনিত আপোনাৰ দৰে অলেখ মানুহে কিলবিলাই ফুৰে। প্ৰায়বোৰৰদৰেই আপোনাৰ ঘৰৰ বনকৰা লৰাটোৰ দ্বাৰা আপুনিও কিয় জাবৰৰ টোপোলাটো ৰাস্তাটোৰ ওপৰত দলিয়াই পেলোৱায় বা আপোনাৰ অফিচৰ নিম্নবৰ্গৰ কৰ্মচাৰী এজনৰ সাংঘাতিক বিপদ-আপদ আনকি মৃত্যু হলেও একাষাৰ মাত লগাবলৈ আপোনাৰ কিয় আহৰি নাই? বানপীড়িত লোকৰ সাহাৰ্য্যাৰ্থে আপুনি উপায় নেপাই দিবলগীয়া হোৱা-পইচাকেইটা আনিবলৈ যোৱা ল'ৰাকেইটাক আপুনি ত্ৰাহি মধুসূদন কিয় দেখুৱালে? অৱশ্যে আপুনি ঠিকেই কৰিছে। এবাৰ তেনে সেকা পালে সিহঁতবোৰ দ্বিতীয়বাৰ আপোনাৰ ওচৰলৈ নেযায়। ভিক্ষা-বৃত্তিক প্ৰশ্ৰয় দিয়াতো উচিত নহয় বুলিয়েই আপুনি ভিক্ষাৰীক ভিক্ষা দিবলৈ এৰিলে। আপোনাৰ ঘৰত কাম কৰা ল'ৰাছোৱালীবোৰক ভোকত ভাতকেইটা দিছো বুলিয়েই আপুনি যুক্তি দাঙি নধৰেনে? মুঠতে আধুনিক মানুহ এজনৰ সকলোবোৰ গুণেই আপোনাৰ গাত বিৰাজমান।

উইনষ্টন চাৰ্চিলে কৈছে যে, কিছুমান মানুহহে মাত্ৰ মহান। এজন মহান ব্যক্তিৰ বিশেষ বৈশিষ্ট্য হ'ল তেখেতক লগ পোৱা মানুহবোৰৰ মনত তেখেতে এক সাঁচ ৰাখি থৈ যাব পৰা ক্ষমতা। আন এটা বৈশিষ্ট্য হ'ল মহান ব্যক্তি এজনে বিষয়বোৰ, কামবোৰ এনেধৰণে পৰিচালনা কৰি থৈ যায় যে, তেখেতৰ মৃত্যুৰ বহু পাছলৈও সেইবোৰে সমাজত ক্ৰিয়া কৰি থাকে। আজিকালি প্ৰচাৰ মাধ্যমে বহুমানুহকেই 'বিখ্যাত' কৰি তুলিলে। বেছিভাগ 'বিখ্যাত' মানুহৰেই কেইটামান বৈশিষ্ট্য হ'ল তেওঁলোকৰ অশেষ পৰিশ্ৰম কৰাৰ ক্ষমতা, সমাজৰ সুবিধা আৰু আনৰ সময়ক নিজৰ বাবে ব্যৱহাৰ কৰাত সিদ্ধহস্ততা আৰু প্ৰচাৰ মাধ্যমকো নিজৰ পক্ষত অহৰহ ব্যৱহাৰ কৰাত পাৰ্গতালি। দেখা গৈছে যে, সকলো মহান ব্যক্তি বিখ্যাত হ'বও পাৰে, নহ'বও পাৰে। কিন্তু এইটো ঠিক যে সকলো বিখ্যাত 'ব্যক্তিয়েই মহান নহয়। কথাটো অভিজ্ঞতাৰ পৰাই আমি কব পাৰোঁ। বহুত বিখ্যাত ব্যক্তিয়েই নিজৰ কামৰ বাবে আত্মতৃপ্তিত সংপৃক্ত হৈ থাকে। বহুতেই নিজৰ এচিভমেন্টবোৰকলৈ বৰ আস্ফালন কৰি থাকে। বহুতকেই এবাৰ লগ পোৱাৰ পাছত দ্বিতীয়বাৰ কাষ চাপিবলৈ মন নেযায়। কিন্তু তেওঁলোকে ইতিমধ্যেই বহু কষ্টেৰে সমাজত এটা 'ইম্প্ৰেশ্যন' সৃষ্টি কৰি লৈছে আৰু সেইটোকেই ট্ৰাম্পকাৰ্ড হিচাপে, য'তে ততে ব্যৱহাৰ কৰে। ইম্প্ৰেশ্যন ৰৰ যাদুকৰী শক্তি। ধৰি লওঁক, মিট্‌চুবিচি পেনটো, গডৰেজৰ আলমীৰা, লাক্স চাবোন, বাটাৰ জোতা, মাৰুতি গাড়ী, ব্ৰিটানিয়া বিস্কুট এই সকলোবোৰ এই ইম্প্ৰেশ্যন বা ইমেজতেই চলি আছে। বজাৰত এবাৰ চলি গলে চলি গৈ থাকে। নামৰ মাহাত্ম্য। কিয় এনে হয়? এই তথাকথিত বিখ্যাত মানুহসকলৰ মাজত বাৰু কিহৰ অভাৱ। ভাব হয়, তেখেতসকল বিখ্যাতহে, জ্ঞানী নহয় আৰু এক গভীৰ প্ৰজ্ঞাৰ অধিকাৰীও তেওঁলোক নহয়। এইকেইটাৰ মিলন ঘটিলেই তেওঁলোক বিখ্যাত লগতে মহান হৈ পৰিলহেঁতেন।

সিদিনাখন কথাবাৰ্ত্তাত এজনে ক'লে যে, বহু মানুহেই সংগী আৰু বন্ধুৰ পাৰ্থক্যটো নুবুজে। বন্ধু বন্ধুয়েই, সংগী সংগীয়েই। দুয়োটাৰ মাজত সাগৰৰ ব্যৱধান। সংগী বন্ধুলৈ ৰূপান্তৰিত হোৱাটো এক বিশেষ ঘটনা। মোৰ বন্ধু এজনে এইক্ষেত্ৰত মোক আধুনিক, কাৰ্যকৰী যেন লগা পৰামৰ্শ এটা আগবঢ়াইছে- " কোনোবাই তোমাৰ সতে উপযাচি বন্ধুত্ব কৰিব খুজিলেই তুমি বুজিব লাগিব যে সিজন তোমাৰ পৰা পাব পৰা কিবা সুযোগৰ অপেক্ষাত আছে।" কথাষাৰ মই এতিয়াও ভাবি আছোঁ। তেওঁ পুনৰ কৈছে যে - আজিৰ এই জটিল যুগত 'বন্ধু' বুলি কোনেও কাকো বুকু ডাঠকৰি কব নোৱাৰে। ইমান মানুহৰ মাজত থাকিও বিপদত আপুনি ইমান নিসংগতা অনুভৱ কৰে কিয়? কথাটো হ'ল- শত্ৰু আহে বন্ধুৰ ৰূপত। মানুহ চিনাটো হিমালয় বগোৱাৰ দৰে। আচলতে বন্ধুৰ সতে গোপনীয়তা ৰক্ষা কৰিলেহে বন্ধুত্ব স্থায়ী হয়। ধৰক, ইমানদিনে বন্ধু বন্ধু যেন লগাবোৰক মনৰ দুৱাৰখুলি দি দি আপুনি হৃদয়ৰ অন্তেৰপুৰত বহুৱালে। পেটখুলি কথা কলে। আপোনাৰ চৰ্দি লাগিলে যেন তেওঁলোকেই হাঁচি মাৰিবলৈ আৰম্ভ কৰি দিয়ে। তথাপিও আপুনি সাৱধান হওঁক। এবাৰ বন্ধুত্ব গঢ়ি উঠাৰ পাছত বন্ধুৰ সতে সঘন যোগাযোগ নৰখাই হয়তো বন্ধুত্ব ৰক্ষাৰ উত্তম উপায়। বেছি ওচৰ চাপিলেই খলা-বমাবোৰ স্পষ্ট হৈ আহি থাকে। সহকৰ্মী এজনে কৈছে, আজিৰ দিনত বুৰ্বকৰহে বন্ধু থাকে। আজিকালি বন্ধুয়েহে বন্দুক টোৱায়। বন্ধুৰহে চন্দুকলৈ মন। যেন বন্দুক দেখুৱাই চন্দুক খোলায়। আপুনি আপোনাৰ বন্ধুক খুলি কোৱা গোপন কথাবোৰকেই তেওঁ সময়-সুবিধা বুজি বন্দুক হিচাপে ব্যৱহাৰ কৰে। প্ৰধানতঃ যৌৱনৰ উচ্ছল দিনবোৰত বন্ধুত্বৰ সৰবৰাহ বৰ বেছি হয়। ইয়াৰ অনেক কাৰণ আছে। দুখৰ দিনত সম্পদৰ দিনৰ এই বন্ধুবোৰনো বাৰু কলৈ যায়? বন্ধু বন্ধু যেন লগাবোৰে দিয়া 'চাৰ্টিফিকেট' বোৰৰ পৰাই চোন যত অথন্তৰখন ঘটে। তথাপিও, ইমানৰ পাছতো কওঁ,আমাক সকলোকে বন্ধু লাগে, বন্ধুত্ব লাগে। কিয় লাগে আপুনি ভাবি চাইছেনে? ঠগ খাই খাই, ঠেকি ঠেকি শিকিবলৈও বন্ধু লাগে। মনৰ বোজা কথা পাতিলেও পাতলে। বন্ধুত্ব বজাই ৰাখিবলৈ ত্যাগৰ প্ৰয়োজন। আপুনি ত্যাগ কৰিবলৈ সাজু থাকক। আপোনাৰ বন্ধুত্বৰ অভাৱ নহব। আপোনাৰ সততা, নিষ্ঠা, সহিষ্ণুতা, ব্যৱহাৰ, মনটোৰ বাবেই কোনোবা আপোনাৰ

ওচৰ চাপি আহিব পাৰে। বন্ধুত্ব স্থাপন প্ৰকৃতিত এক আকস্মিক ঘটনা। হঠাৎ আপোনাৰ ভাল লাগি গ'ল কাৰোবাক। কিয় ভাল লাগি গ'ল আপুনি নেজানিলে। কিবা এটা মিলি গ'ল। বচ্ হৈ গ'ল এটা চেনেহৰ টানৰ আৰম্ভণি। ইয়াৰ পাছতো অৱশ্যে এটা পৰীক্ষা-নিৰীক্ষাৰ ঢাপ আছে। আপুনি বিচৰা বস্তুবোৰ সঁচাকৈয়ে বাৰু সিজনৰ গাত আছেনে? জুখি চাওঁক। ধৈৰ্য্য ধৰক। জাতত উঠিল যদি আপুনি আগবাঢ়িব পাৰে। মুঠতে ই এক সম্পূৰ্ণ মনস্তাত্বিক পৰীক্ষা নিৰীক্ষাৰ বিষয়। আচলতে বন্ধুত্ব কৰাটো যিমান কঠিন তাতোকৈ হেজাৰগুণে কঠিন, বন্ধুত্ব সুন্দৰকৈ আজীৱন বজাই ৰখাটো। ই এক দুৰ্লভ বিমল, ঐশ্বৰীয় অনুভুতি।

**প্ৰসংগ ঃ দুই**

## কাৰ বাবেনো, কি এই কটন কলেজ?

(নিবেদন ঃ লেখকে আজিকালি বাটে ঘাটে লগ পোৱা চিনাকি-অচিনাকি হেজাৰজনৰ মুখৰ কথাবোৰ শব্দত গাঁথিলে তেখেতসকলৰ মনৰ কথাবোৰ, ক্ৰিয়া-প্ৰতিক্ৰিয়াবোৰ যেনে হ'লহেঁতেন, ঠিক তেনেধৰণেৰেই ঘঁহা-পিহা বিশেষ নকৰাকৈ সেইবোৰৰ তালিকা এখন প্ৰস্তুত কৰা হ'ল। মন্তব্যবোৰ লেখকৰ মুঠেই ব্যক্তিগত নহয়)

কটন কলেজ, কটন কলেজ, কটন কলেজ, কিনো বাৰু এই কটন কলেজ? ই আন একো নহয়, ই হ'ল ঃ

(১) এটি সত্তা (২) এখনি মানুহ গঢ়াৰ কমাৰশাল (৩) বিন্দুতে সিন্ধুৰ সোৱাদ পাব পাৰি য'ত (৪) এটি অনিৰ্বচনীয় আন্তৰিক অনুভূতি (৫) এটি প্ৰচণ্ড আবেগ (৬) এটি মাৰ্কা বা লেবেল বা ট্ৰেডমাৰ্ক (৭) এখনি অনুষ্ঠান যাৰ জন্মটোত এখন 'লতাকটা ৰণ' (৮) মাণিক চন্দ্ৰ বৰুৱাৰ 'মাণিক' (৯) এটি সৌৰভ বা এটুকুৰা মৃগনাভি (১০) চুডমাৰ্চন চাহাবৰ আন এটি নাম (১১) লুইতৰ পাৰত প্ৰাগজ্যোতিষৰ গৌৰৱ (১২) এটি শুই থকা সিংহৰ নাম (১৩) বাঘৰ বিচৰণ ভূমি (১৪) অসমৰ উচ্চশিক্ষাৰ বুৰঞ্জীৰ হিউৱেনচাং (১৫) এটি ড্ৰাগ বা নিচা (১৬) অসমৰ কুটুব মিনাৰ, (১৭) পকা মগজু কিছুমান থুপ খাই থকা এটি গুদাম (১৮) কিছুমান আধুনিক যন্ত্ৰ মানৱ সৃষ্টি কৰাৰ কাৰখানা (১৯) ভূৱন বৰুৱাৰ ভুবন, (২০) এখন ইণ্ডিয়া গেট (২১) হেনৰী কটনে আলফুলীয়াকৈ থৈ যোৱা এপাহি কপাহ (২২) যৌৱনৰ এটি বা (২৩) এখন গুৱাহাটীত থকা চৰকাৰী কলেজ (২৪) এখন পুৰণা মডেলৰ কলেজৰ নাম (২৫) জজখেলপথাৰ আৰু নেহৰুপাৰ্কৰ ওচৰত থকা চাহ-বাকচৰ নিচিনা বিল্ডিংবোৰ (২৬) যেন এটা অ'নিডা টিভি যেন neighbours envy owner's pride (২৭) আত্মাভিমান গঢ়াৰ উপযুক্ত ক্ষেত্ৰ, (২৮) আধুনিক মন্ত্ৰ শিকাবলৈ পূজাৰী থকা ঘৰ (২৯) ইংৰাজে কৰা ভাল কামবোৰৰ এটি, (৩০) হায়াৰ চেকেণ্ডাৰীত নামভৰ্ত্তিৰ বাবে চোকা চোকা ছাত্ৰ-ছাত্ৰীয়ে অসমত সবাতোকৈ ভিৰ কৰা কলেজ (৩১) এটা পাৰ ভাগি যোৱা উচ্ছ্বাসৰ নাম, (৩২) এটি মিউজিয়াম (৩৩) ভবিষ্যতে ছাত্ৰ কিছুমানে ৰাজনীতি, সমাজসেৱা আৰু আত্মসেৱা কৰাৰ বাবে আখৰা কৰা ঠাই। (৩৪) হেজাৰজনৰ ফুলকুমলীয়া সপোন (৩৫) কেৰিয়াৰিষ্ট সকলৰ ৰম্যভূমি, (৩৬) বাণীকান্তৰ বাতিকুৰিহা, (৩৭) সূৰ্যকুমাৰ ভূঞাৰ 'বুৰঞ্জী ৰচা ঠাই' (৩৮)ষ্টেণ্ড কৰা ছাত্ৰ-ছাত্ৰীয়েও দুবছৰৰ মূৰত কেতিয়াবা লাড্ডু খোৱাৰ সম্ভাৱনা থকা কলেজ, (৩৯) কবিৰাজসকলৰ বাসস্থান (৪০) কম পঢ়ি ভাল ৰিজাল্ট কৰিব খোজা যাদুকৰ সকলৰ যাদুঘৰ (৪১) এশৰ ভিতৰত এশ নম্বৰ পোৱা দুৰ্ধৰ্ষ কিছুমানৰ বাসভূমি (৪২) মগজু বলীয়ান সকলৰ দৌৰাত্ম্যত আধা কেচেলুৱাবোৰে তাহি মধুসূদন দেখাৰ ক্ষেত্ৰ, (৪৩) ধৰ্ণা আদি দিবলৈ প্ৰায় এহাজাৰ ল'ৰা ছোৱালী থাউকতে পাব কৰা এখন ঠাই (৪৪) কিছুমানৰ বাবে যৌৱনৰ ৰংঘৰ, তলাতল ঘৰ (৪৫) টি আওৰ খেলপথাৰখন (৪৬) নবীন বৰদলৈৰ হাৰমনিয়াম (৪৭) এক প্ৰহেলিকা, (৪৮)কেলেহুৱা শিক্ষকৰ বাবে বৰ কষ্টকৰ ঠাই (৪৯) এক ঐতিহ্যৰ নাম, (৫০) এখন মিনি ইউনিভাৰচিটি লন (৫১) এখনি মিনি ইণ্ডিয়া (৫২) সাতভনীৰ মিলনৰ ঠাই (৫৩) এখন কচমোপলিটান সমাজ, (৫৪) এক নষ্টালজিয়া (৫৫) কিছুমান এটমবোমাৰ সমষ্টি (৫৬) গৌৰৱময় অতীতক লৈ ফিতাহি মৰা, ঢালঢোল বজোৱা এটি পৰিয়ালৰ নাম (৫৭) জহৰমলে চকিদাৰী কৰা কলেজখনৰ নাম, (৫৮) দেশৰ, ৰাজ্যখনৰ ডাঙৰ ডাঙৰ মানুহবোৰে ভিজিট কৰা এডোখৰ ঠাই (৫৯) তৰাবোৰ তিৰবিৰাই থাকে য'ত কিছুমান উজ্বল, কোনো কোনো অনুজ্বল, (৬০) বাতৰি কাকতত সঘনাই উঠি থকা এটি নাম (৬১) আমিও পঢ়িছিলো বুলি কৈ ভাল লগা এটা নাম, (৬২) এটি ৰক্ষণশীল, গোড়া পৰিয়ালৰ নাম, (৬৩) অসমীয়া ভাষা-সংস্কৃতিৰ ধ্বজা বহনকাৰী সকলে চহোৱা এখন বিশাল পথাৰৰ নাম, (৬৪)এটি কৈ ভাল লগা নাম, (৬৫) হিয়াৰ আমঠু (৬৬) শুনি শুনি কৈ থাকিলেও ওৰকে নপৰা এটি সাধুকথা (৬৭) শুনি শুনি আমনি লগা এটি নাম, (৬৮) What it thinks today, others think tomorrow, (৬৯) হোমেনহঁতৰ আত্মানুসন্ধানৰ ক্ষেত্ৰ (৭০) যি অসমৰ শুক্লা দ্বিতীয়া, (৭১) নবীন বৰুৱাৰ এখন উপন্যাস, (৭২) পানবজাৰৰ পৰা দীঘলীপুখুৰীলৈকে বিয়পি থকা এখন কলেজ (৭৩) নৱকান্তৰ নবোন্মেষৰ থলী (৭৪) যজ্ঞেশ্বৰৰ "শতপত্ৰ" বিকশিত হয় য'ত (৭৫) তেজাল যোঁৱাবোৰৰ আস্তাবল, (৭৬) ৰতনবোৰ কেতিয়াবা পতন হয় য'ত (৭৭) পতানো ৰতন হয় য'ত (৭৮) মামনি ৰয়চমৰ মামৰে নধৰা তৰোৱালখন (৭৯) পি.চি. ৰয়ৰ ইংৰাজী ক্লাচবোৰ (৮০) ৰঘুনাথৰ এটি কবিতা নাম যাৰ 'আৱাহন' (৮১) নৱকান্তই প্ৰশ্ন কৰিছে যাক 'লাগেনে ডিগ্ৰী তোক লাগেনে নলেজ?' (৮২) বৰ্ত্তমানে আমাৰ দেশৰ বচা বচা মহাবিদ্যালয় সমূহৰ তালিকাত নাম নথকা এখনি মহাবিদ্যালয় (৮৩) মনালিছাৰ টেবুল টেনিচবোৰ্ড, (৮৪) এশবছৰীয়া এজন যুৱকৰ নাম (৮৫) দীপালি বৰঠাকুৰৰ 'সোণৰ খাৰু' (৮৬) মানিক চন্দ্ৰ বৰুৱা বোলা এজনৰ নামত তৰ্ক প্ৰতিযোগিতা এখন হয় য'ত (৮৭) সাংবাদিকৰ সংবাদৰ অক্ষয় ভাণ্ডাৰ (৮৮) 'কফি হাউছ' আছে য'ত (৮৯) সকলোৱে সকলোকে চিনি নোপোৱা এটি পৰিয়ালৰ নাম (৯০) চাৰে তিনিবজাৰ ক্লাচতো ছাত্ৰৰে শ্ৰেণীকোঠা ভৰি থকা এখনি কলেজ (৯১) ছাত্ৰৰ ইউনিফৰ্ম নথকা এখন শিক্ষানুষ্ঠান (৯২) শিক্ষকতাই জীৱনৰ ব্ৰত বুলি কব পৰা এচাম ঋষিতুল্য মানুহ বাস কৰিছিল য'ত (৯৩) মেধা আৰু বিনয়ৰ ৰাসায়নিক মিশ্ৰণ ঘটে য'ত (৯৪) এনে এখন ঠাই য'ত সফলতাৰ সংখ্যা বিফলতাতকৈ অধিক, (৯৫) এনে এটি পৰিয়াল যাৰ নাম নজনা মানুহ অন্ততঃ ৰাজ্যখনত নাই (৯৬) এনে এখন ঠাই য'ত জন্মৰ পূৰ্বেই স্বামী বিবেকানন্দই খোজ পেলাইছিল। (৯৭) শংকৰ দয়াল শৰ্মাই যাক সম্বোধন কৰিছে 'উৎকৰ্ষতাৰ কেন্দ্ৰ' বুলি (৯৮) 'নৈৰাশ্য'ৰ শব্দটো যাৰ অভিধানত নাই (৯৯) প্ৰতিভাবোৰে হাঁহি মাতি ঘূৰি থাকে য'ত (১০০) 'কিতাপৰ পোকবোৰে' কিতাপত ধূলি পৰিব নিদিয়ে য'ত (১০১) যি সগৌৰৱে কব পাৰে "মোৰ জীৱনেই মোৰ বাণী"। ●

# অসমীয়া ফকৰা-যোজনাত নাৰীৰ গুণাগুণ বিচাৰ

বিজুমনি দাস, উচ্চতৰ মাধ্যমিক,
২য় বৰ্ষ, কলা শাখা

সম্প্ৰতি বিশ্বব্যাপি পুৰুষৰ লগে লগে নাৰীকো সমান স্থান দিয়া হৈছে। আজিৰ বৈজ্ঞানিক যুগত যদিও নাৰীক সমান স্থান দিয়া হৈছে তথাপিও আমাৰ ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহত বিভিন্ন কাৰণত নাৰীৰ ওপৰত অত্যাচাৰ চলাই থকা দেখা গৈছে। যৌতুকৰ বাবেই হওক বা অন্য কিবা কাৰণতে হওক ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহত নাৰী আজিও বঞ্চিতা, লাঞ্চিতা। পুৰুষৰ কথাতো বাদেই নাৰীয়ে নাৰীৰ হাততেই লাঞ্চিতা হ'ব লগা হৈছে। সাম্প্ৰতিক কাকতসমূহৰ কোনো এটা পৃষ্ঠাত চকু ফুৰালে আপুনি দেখা পাব যৌতুকৰ বাবে শাহু ৰূপধাৰী এচাম নাৰীয়ে নিজৰে কন্যাসম বোৱাৰীৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাই শাহু বোৱাৰীৰ নিচিনা মধুৰ সম্পৰ্কত আউল লগোৱা দেখা গৈছে। সম্প্ৰতি পুৰুষৰ সমানে সমানে নাৰীও আগবাঢ়ি গৈছে যদিও এনেবোৰ কাৰণতে সমাজত নাৰীৰ স্থান সম্পৰ্কত আজি বহু কথা চিন্তা কৰিবলগীয়া হৈছে।

আমাৰ অসমীয়া সমাজতো আজি নাৰীয়ে পুৰুষৰ সমানে সমানে আগবাঢ়ি গৈছে। যদিও কল্পনা চাওলাৰ দৰে দুৰন্ত নাৰী মহাকাশলৈ গৈছে, সীমা বিশ্বাসৰ দৰে নাৰীয়ে বিশ্বত খলক লগাইছে তথাপি আজি এই বৈজ্ঞানিক যুগতো নাৰী সম্বন্ধে অসমীয়া সমাজত গোড়া মনোভাৱ অপৰিৱৰ্তিত আছে। এয়া বৰ দুখ লগা কথা।

আমাৰ অসমীয়া সমাজত ফকৰা-যোজনাৰ প্ৰভাৱ বিশেষভাৱে মন কৰিবলগীয়া। ফকৰা-যোজনা কোনে কেতিয়া ৰচনা কৰিছিল সেই সম্বন্ধে কোনো নিশ্চিত তথ্য পোৱা নাযায়। ভাবৰ বচন, নীতি বচন, ভকতীয়া ফকৰা আদিয়ে আমাৰ সমাজত অতি পুৰণি দিনৰ পৰাই মৌখিকভাৱে চলি আহিছে। ফকৰা-যোজনাবোৰত ধৰ্ম, সমাজ, দৰ্শন, বিজ্ঞান, অৰ্থনীতি, ইতিহাস, ৰাজনীতি, কৃষি, বাণিজ্য, গৃহস্থালি, শিষ্টাচাৰ আৰু সাধাৰণ চলন-পুৰণ আদি সকলো বিষয়ৰে সাৰগৰ্ভ উপদেশ পোৱা যায়। ফকৰা-যোজনাবোৰৰ বহু কথা চিৰন্তন সত্য হৈ আছে আৰু আগলৈকো থাকিব।

অসমীয়া ফকৰা-যোজনাত নাৰী সম্বন্ধে বিশেষ উল্লেখ পোৱা যায়। অসমীয়া নাৰী জাতিক ফকৰা-যোজনাই বিশেষ মৰ্যদাসহ অতি উচ্চ স্থান দি গৈছে। ফকৰা-যোজনাই নাৰীক "জগৎ-জননী, পতিত-পাৱনী" বুলি বিশেষ স্থান দিছে। নাৰীৰ মাতৃত্বৰ যি মমতা তাক ফকৰা-যোজনাই অনন্যতা প্ৰদান কৰিছে—

আইৰ সমান হ'ব কোন
নৈৰ সমান ব'ব কোন

আনহাতে আকৌ মাতৃৰ স্নেহক ফকৰা-যোজনাই তুলনীয়তা প্ৰদান কৰিছে এইদৰে—

আত্মীয় জাতীয় যত বন্ধুগণ
মাতৃৰ স্নেহতকৈ নাই কোনো জন

সেইদৰে মাতৃ মমতা প্ৰকাশ কৰা আন কেইটামান ফকৰা-যোজনা হ'ল—

১।
বাঠী বছৰত বোলে আই
তাৰ সমান ভাগ্য নাই

২।
আয়ে মুখলৈ চায়
তিৰোতাই হাতলৈ চায়

৩।
আইৰ ঘৰলৈ যাম, দুই হাতে খাম
বিধাতাই বোলে মই পাছে পাছে যাম

৪।
খুৱাই বুৱাই কোলাত ল'ম তেওঁ বুলিব 'তাই'
মাৰি ধৰি বাটত থ'ম তেওঁ বুলিব 'আই'

যিদৰে অসমীয়া সমাজত নাৰীৰ মাতৃত্বক এক স্বৰ্গীয় মৰ্যদা দিছে নাৰী সম্বন্ধে আমাৰ সমাজত বহু কু মনোভাবো থকা দেখা যায়। যেনে —

তিৰি হন্তে গিৰি
তিৰি হন্তে হতচিৰি

সেইদৰে নাৰীৰ কু-মনোভাব প্ৰসূত আন কেইটামান ফকৰা-যোজনা হ'ল—

১।
চকা বহিল পাটত
ঘৈণী উঠিল খাটত

২।
তিৰি, ধৰি(ধাৰ) কড়ি
এই তিনি প্ৰাণৰ বৈৰী

৩।
তৈৰা বেকা হ'লে কিহৰ ধৰণী
ভালবেয়া নেজানিলে কিহৰ ঘৰণী

৪।
অঘৈণী ঘৈণী হ'ল
দুপৰীয়া বগালে চাং

৫।
চামনী তিৰোতা নানিবা ঘৰক
ঘৰখন ভাঙি কৰে লৰক-ফৰক

৬।
তিৰি ভ্ৰমৰি ভাটৌ কোৰা

এই চাৰিৰ আঁসে নোপোৱা

নাৰীৰ লক্ষণ সম্বন্ধে ফকৰা-যোজনাই যি মত পোষণ কৰিছে সেয়া মন কৰিবলগীয়া। নাৰীয়ে যে সততে ধনৱন্ত লোকৰ ওচৰত বিসৰ্জন দিয়ে সেয়া ফকৰা-যোজনাত স্পষ্ট হৈ পৰিছে—

তিৰিয়ে বিচাৰে ধনবন্ত পৈ
নদীয়ালে বিচাৰে মাছ থকা নৈ

আকৌ, ফকৰা-যোজনাত নাৰীৰ মেল মিটিঙক মূল্যহীন বুলি কোৱা হৈছে—

তিৰিৰ মেল
কলৰ ভেল

এনেধৰণৰ আৰু কেইটামান ফকৰা-যোজনা হ'ল—

১।
তিৰি পিয়নে
মুনিহ ৰণে

২।
মাছৰ নানিবা সৰু কুটা
তিৰিৰ নানিবা বজৰি লুটা

৩।
সু তিৰি নষ্ট হয়
নিতৌ যেহায় হাট

৪।
তিৰিৰ ছুটি
বাঢ়নীৰ বুটি

৫।
ভালৰ বান্দীও আনিবা
নীচৰ ঘৈণীও নানিবা

৬।
যাৰ ঘৰত মটামুৱা তিৰি
তাৰ ঘৰত নাই টিৰি

৭।
স্বামীৰ দোষত ভৃত্যৰ দণ্ড
স্ত্ৰীৰ দোষত স্বামীৰ লণ্ডভণ্ড

ঘৰ এখন চম্ভলাৰ প্ৰধান দায়িত্ব যে নাৰীৰ হাতত সেয়া তাহানিৰ ফকৰা-যোজনাত জল জ্বল-পট পট হৈ আছে—

ঘৈণীৰেই ঘৰ
ঘৈণী নহ'লে ঘৰেই অথৰ

সেইদৰে—

ঘৰৰ ঘৈণী, ল'ৰাৰ মাক
তোক নুসুধি, সুধিম কাক?

আমাৰ সমাজত বাই-ভনীতকৈও পত্নীক অধিক মৰ্যদা দিয়া দেখা যায়। সেয়াও ফকৰা-যোজনাত উল্লেখ কৰা হৈছে—

বাই-ভনী খেৰৰ শণি
ভাৰ্য্যা হ'ল গলৰ মণি

ফকৰা-যোজনাই অসমীয়া সমাজৰ মাক-জীয়েকৰ সম্বন্ধ লৈও বহু কথা গৈছে। ফকৰা-যোজনাই মাকৰ গুণাগুণ চাইহে ছোৱালী পছন্দ কৰিবলৈ কৈছে। যেনে—

ছোৱালী আনিবা মাক ভাল
মাটি কিনিবা মাজ থাল

সেইদৰে আকৌ কৈছে—

১।
কল ইচ্ছাই পুলি
মাক ইচ্ছাই ছলি

২।
টিক্ বলধা ওলায় মাটি
মাক ভালেই জীয়েক জাতি

৩।
ছাগলী কিনিবা এচাৰি শিঙিয়া
গৰু কিনিবা গাই
ভাল মানুহৰ ছোৱালী আনিবা
তাই ঘৰ ধৰি খায়

৪।
মাকতকৈ জীয়েক কাজী
ঢেকী-থোৰাৰে বাটে পাঁজি

৫।
মাকে শলাগে জী
বাপেকে শলাগে জী
চা-চুবুৰীয়াই যাক শলাগিব
সেয়েহে মাকৰ জী

৬। জী ভালেই জোৱাই ভাল
আপোন ভালেই জগত ভাল

অতি প্ৰাচীন কালৰে পৰাই অসমত নাৰী নিৰ্যাতিত হৈ আহিছে। আনকি ফকৰা-যোজনাতো নাৰীক নিৰ্যাতন কৰাৰ কথা কোৱা হৈছে—

কটাৰী ধৰাবা শিলত
তিৰিক চলাবা কিলত

নাৰীৰ সৌন্দৰ্য্য সচেতনতাৰ বিষয়েও কেইটামান অতি ভাল লগা ফকৰা-যোজনা আমি পাইছো। যেনে—

১।
অকাজীৰ টিকাত মুগাৰ মেখেলা
ঝায় খম্‌খম্ বাজি

২। আৰ ছিগা চুলি, তাৰ ছিগা চুলি
মাৰি যাওঁ নেঘেৰী খোপাটি

৩। কাঁহৰ খাৰুৱে শুৱাই কি নুশুৱায়
হাত দাঙি দাঙি চায়

গাৰ সাজেনো শুৱায় কি নুশুৱায়
পিন্ধিলে উভতি চায়

৪। পিন্ধিলে উৰিলে বান্দৰীও সুন্দৰী হয়

বহু বিবাহ প্ৰথা সেয়া ফকৰা-যোজনাই স্পষ্ট কৰি দিছে—

১।
বহু তিৰোতাৰ ঘৰ ফেদেলা

২।
এক তিৰিৰ পৈ লোদোৰ পোদোৰ
দুই তিৰিৰ গাতৰ ইন্দুৰ
তিনি তিৰিৰ নাপাই ভাত
চাৰি তিৰিৰ মূৰত হাত

এইবোৰৰ উপৰিও আৰু বহুতো ফকৰা-যোজনা আছে যিবোৰে আমাৰ অসমীয়া সমাজৰ নাৰীৰ দোষ-গুণ, ভাল-বেয়া সকলো দিশ সাঙুৰি দেখুৱাইছে। এনে ধৰণৰ আৰু কেইটামান ফকৰা-যোজনা হ'ল—

১।
যি ছোৱালীৰ বহিবৰ মন
সাতোবোতে আজোৰে বন

২।
ভাৰ্য্যা শুৱনী বেইতা তিৰোতা
গুৱালী শুৱনী গাই

৩।
এনেই বুঢ়ী নাচনি
তাতেই নাতিনীয়েকৰ বিয়া

৪।
আহু চাবা গধূলি
শালি চাবা পুৱা
জীক যাওঁতে ছোৱালী চাবা
দেখি কেনেকুৱা

৫।
গৰু কিনিবা ৰিংটোৰ বাটত
ছোৱালী দিবা দিনটোৰ বাটত

৬।
সু-বাট দূৰ গমন কৰি তাক নিদিবা এৰি
বুঢ়ী হলেও জীয়াৰী আনিবা
তেওঁ নানিবা বাঁৰী।

৭।
মাছে গৰা পাচলি খাবা
শাহুৰে গৰকা বোৱাৰী বাবা

এইদৰে দেখা যায় যে ফকৰা-যোজনাই নাৰী সমাজক বিশেষভাৱে প্ৰতিনিধিত্ব কৰিছে। জ্ঞান আৰু অভিজ্ঞতাৰ গভীৰতা থকাৰ উপৰিও ফকৰা-যোজনাই আমাৰ নাৰী সমাজৰ বিবিধ দিশৰ প্ৰতিসমালোচনা আগবঢ়াইছে। ●

# Deconstruction :

## A PERSPECTIVE

*Mausum Baruah*
*M.A. (Final), Deptt. of English*

In the late 1960's, a movement, deriving its name from structuralism began to emerge-Post structuralism. "After" Structuralism, in terms of time, as the term can be interpreted at one level, Poststructuralism can be seen carrying forward certain ideas and issues within Structuralism. However when the term 'post' is interpreted as 'after' in the thematic sense, Poststructuralism begins to emerge as a break away from conventional Structuralism. It turns certain insights of Structuralism against itself and points to certain fundamental inconsistencies in method, which the structuralists could not correct. In his writings on Saussure, Derrida shows where Saussure failed to grasp the full significance of his own theories. However, it is difficult to understand Poststructuralism in any opening statement, because of its multi-faceted nature. What we have discussed until now is only the gateway of entering this defuse and diverse field. Another one, to begin exploring the topic under discussion is Deconstruction. It is one of the main movements within this stream. Let's discuss a little bit about this new critical theory.

Jacques Derrida (1930- ), the man with whom Deconstruction is associated, once asked by a Japanese friend to suggest a definition of the term. Derrida said - "All sentence of the type 'Deconstruction is X or Deconstruction is not X', a prior miss the point, which is to say that they are at least false. As you know one of the principal things at stake in what is called in my text Deconstruction is precisely "the delimiting of Ontology and...... the third person present indicative S is P". Derrida has always resisted attempts to reduce Deconstruction to a concept definable in terms of a method or technique. In order to put it in a simple way we can say that, Deconstruction designates a theory and practice of reading which claims to 'subvert' or 'undermine' the assumption that the system of language provides grounds that are adequate to establish the boundaries, the coherence or unity, and the determinate meaning of a text.

As we earlier mentioned, Deconstruction own much to the theories of Jacques Derrida, among whose precursors were German philosophers like Friedrich Nietzche (1844-1900), who is also the forerunner of existentialist thinking, and Martin Heidegger (1889-1976)- who put some radical questions on the validity of basic philosophical concepts such as 'knowledge', 'truth', and 'identity'. In this respect, it is also worthy to mention the name of Sigmund Freud (1856-1939), whose psychoanalysis violated traditional concepts of a coherent human consciousness and a unitary self. Derrida presents his basic view in his essay " Structure, Sign and Play in the Discourse of the Human Sciences" (1966)- which he was to follow with three books, all published in 1967, entitled "Of Grammatology", "Writing and Difference" and "Speech and Phenomena".

In his works, Derrida shows that a text can be read as saying something quite different from what it appears to be saying, and that it may read as carrying a

plurality of significance or as saying many things which are fundamentally at variance with, contradictory to and subversive of what may be seen by criticism as a single, stable 'meaning'. Thus a text may 'betray' itself. A deconstructive criticism of a text reveals that there is nothing except the text.' In "Of Grammatology" Derrida makes the now well known axial proposition that this is so. lead us to a single signified but to a batch of signified. Chairs of meaning, interwoven chairs of meaning, emerge whenever we try to pin down the relation between signifier and signified.

Jacques Derrida attacked the 'logocentrism' which, by giving primacy to speech over writing, presupposes a fusion between the signifier and the signified. Derrida gives primary to writing, where the speech and adding to it. His general position as a philosopher, however, is to discard 'hierarchial' formulation of relationship by firstly reversing them and then disposing of the reversal. In literature this process of 'deconstruction' enables us to identify when and where a text breaks the framework it seems to make for itself and thus disintegrates.

*Jacques Derrida (1930- ), the man with whom Deconstruction is associated, once asked by a Japanese friend to suggest a definition of the term. Derrida said - "All sentence of the type 'Deconstruction is X or Deconstruction is not X', a prior miss the point, which is to say that they are at least false. As you know one of the principal things at stake in what is called in my text Deconstruction is precisely "the delimiting of Ontology and...... the third person present indicative S is P". Derrida has always resisted attempts to reduce Deconstruction to a concept definable in terms of a method or technique. In order to put it in a simple way we can say that, Deconstruction designates a theory and practice of reading which claims to 'subvert' or 'undermine' the assumption that the system of language provides grounds that are adequate to establish the boundaries, the coherence or unity, and the determinate meaning of a text.*

That is, one cannot evaluate, criticize or construe a meaning for a text by reference to anything external to it.

However, we can say that, Structuralism reached out to take control of all things as a science of signs, but Deconstruction punctures this ambition. It does so by displaying instability of signification. If we look up the word 'chair' in the dictionary, we will find ourself wandering from a 'movable four legged seat' to talk of professional posts, positions, chairmanship, sedans or poles, and the like. So, the 'signifier' doesn't realisation of the meaning is always postponed by the very fact that it will always be read and reinterpreted in the future. This fact separates the signified from the signifier temporally. The meaning is 'deferred', and Derrida coined the word 'difference' to express the dual spatial 'difference' and temporal 'deferment' detaching the sign from the full presence of its meaning. He denies that writing is secondary to speech or doubles the gap between signifier and signified. Where Rousseau regarded writing as a supplement to speech, Derrida sees it as both taking the place of

Derrida carries his logic still further to suggest that the language of any discourse is at variance with itself and, by so being, is capable of being read as yet another language. Thus, hypothetically, one may conceptualize an endless regression of dialectical interpretations and reading without any stable, essential meaning. In short, a text may possess so many different meanings that it cannot have a meaning. There is no guaranteed essential meaning. An immediate deconstructive practice would be to question the foreign sentence by asking what is meant

by 'guaranteed,' 'essential' and 'meaning' in that context.

Jonathan Culler (1944-), the author of 'Struct- uralist Poetics" (1975) and "The Pursuit of Signs" (1981), has attempted to examine the intelligibility of literary works, that is to say the ways in which they make sense, the way in which readers have made sense of them. Literary studies cannot have as their prime aim an understanding of the meaning of individual works. The concern of criticism is to discover how this happens. Deivergence of interpretation presents a useful challenge. For the function of criticism is to 'analyse the interpretive operations that produce these disagreements.' Thus Culler's application of Structuralist thinking is not to the text directly, but to the reader and the act of reading. He seeks to formulate the system of conventions and rules which is brought into play when a reader interprets a text.

The American scholar Paul De Man (1919-83) locates 'literariness' in the exercise of the 'autonomous' potential of language' rooted in the fact that the relationship between word and thing is 'not phenomenal but conventional.' He argues that 'resistance to theory is a resistance to the use of language about language.' He locates literariness in use of language which gives primacy to the rhetorical over the grammatical and logical function. This means that the text will contain elements insusceptible to being decoded grammatically. Indeed the interplay of the rhetorical with the grammatical leaves a residue that resists rendering of its significance. Reading involves unsettling confidence in the adequacy of grammatical and logical analysis by pursuing the questions thrown up in examination of the rhetorical dimensions. That these questions are ultimately unanswerable is illustrated by De Man in his essay "The Resistance to Theory", where fanciful reading are suggested of the word "Fall" in the title of Keats's "The Fall of Hyperion" : suppose the 'Fall of Hyperion' is read as the 'Fall' (failure) of the earlier version of the poem "Hyperion" and so on.

Other Deconstructive theories have been elaborated by Geoffrey Hartman, J.Hillis Miller and Barbara Johnson. In "The Critical Difference" Barbara Johnson analyses the network of differences in both literary and critical texts, and deconstructs Roland Barthes's celebrated analysis of Balzac's "Sarrasine", in which he applies the implications of his distinction between the readerly and the writerly text. Basically, Johnson shows that Barthes makes his 'writerly' analysis by making the story 'readerly' and that Barthes constructs castration as the meaning of the story in a way which "Sarrasine" refuses.

J. Hillis Miller, one of the leading American Deconstructionalist critic, is known for his application of this type of critical reading to prose fiction. In his essay "Theory Then and Now" (1991) Miller says that any literary text, as a ceaseless play of 'irreconcilable' and 'Contradictory' meaning, is 'indeterminable" and 'undecidable', hence, that all reading is necessarily misreading."

However, it is difficult to discuss all the features and aspects of such a large and complicated school of criticism. What we have tried here is to spotlight certain demeanour and the views of various Deconstructionalist critics starting from the Jacques Derrida to J. Hillis Miller. At last, we can just say that Deconstruction is nothing, but a way of analysing a text from linguistic view point. It is a developed form of another famous school of criticism, which is known as Structuralism.

**Reference Books :**

1. David Lodge (ed) : Modern Criticism and Theory.

2. Frank Lentriccha : After the New Criticism

3. J.A. Cuddon : A Dictionary of Literary Terms and Literary Theories

4. Peter Berry : Beginning Theory

5. M.H. Abrams : A Glossary of Literary Terms.

6. Terry Eagleton : Literary Theory : An Introduction.

# ASPECTS OF CLASSICAL INDIAN THEATRE

*Madhur Kankana Roy*
**M.A. Final Year (Eng. Dept.)**

In the history of western theatre, theatre continously responded to the changing religious beliefs and socio-political events of major purport. However, it is somewhat surprising that the classical Indian theatre which has a history of more than 2000 years, has been consistently following models prescribed in the Natyashastra.

Today, whatever we know of the traditional values of Indian art and Indian aesthetics is the result of the last one century of conscious effort to study these values, that have been living in remote pockets for centuries, but the literary world that have survived make no mention about the time of their creation. In such a situation, two major treatises on dramaturgy, 'Natyashastra' by Bharatamuni and 'Abhinavabharati' by Abhinavaguptapada serve as lighthouses to infer the period and history of the development of various dramatic forms, styles of acting and aesthetics of play productions.

In Natyashastra, the author Bharatamuni mentions that Brahma created Natya Veda by carefully selecting and incorporating dramatic elements taken from four existing Vedas. Natyashastra is a voluminous collection of observations and rules concerned in the main with the production of drama and training of the actors, poets, play writes. For instance, Dasharupaka chapter describes 10 types of playscripts, which include one act plays, 4 to 5 act plays and 5 to 10 act plays. Natyashastra written approximately in 500 B.C., pinpoints a wonderful synthesis of the two apparently conflicting views of life; one the deep yearning for the life of the spirit, and another, the total acceptance of the life of senses. Great literature says, man make art to cultivate and culture his self. Taking this idea into consideration, the purpose and function of art or for that matter theatre can be assessed as follows – Art, according to the Brahmanical thought, helps man to move a step forward in experiencing a state of being which was more or less similar to the experience of bliss, which arose from his realisation of the ultimate truth. Thus, for the traditional Indian artist, regardless of the field in which he worked, artistic creation was the supreme means of realising the universal being. Art also has the special power to attract and communicate with people keeping this in mind, let us understand the purpose of theatre a little more clearly through the words of Brahma stated in the first chapter of Natyashastra — "I shall make a fifth Veda on Natya with the semi-historical tales (Itihasa) which will conduce to duty (Dharma), wealth (Artha) as well as fame; will contain good counsel and collection of traditional maxims, will give guidance to the future as well, in all their actions; will be enriched by all authoritative works (Shastras) and will give review of all arts and crafts. This will teach duty to those who go against duty, love to those

*In Natyashastra, the author Bharatamuni mentions that Brahma created Natya Veda by carefully selecting and incorporating dramatic elements taken from four existing Vedas. Natyashastra is a voluminous collection of observations and rules concerned in the main with the production of drama and training of the actors, poets, play writes. For instance, Dasharupaka chapter describes 10 types of playscripts, which include one act plays, 4 to 5 act plays and 5 to 10 act plays. Natyashastra written approximately in 500 B.C., pinpoints a wonderful synthesis of the two apparently conflicting views of life; one the deep yearning for the life of the spirit, and another, the total acceptance of the life of senses.*

who are eager for its fulfilment. It will chastise those who are ill-bred or unruly ........ Drama will be instructive to all, through actions and states depicted in it and through sentiments arising out of it."

According to Dr. A.B. Keith, a classical Indian drama is the imitation or representation of the conditions or situations in which personages the who form the subject of treatment are placed from time to time by means of gesture, speech, costume and expression. One version of the definition adds that the situations must be such as to produce pleasure or pain. This very fact distinguishes drama from a poem, because drama being a spectacle delights eyes and ears. Hence the term Rupa or Rupaka is generally applied to the drama, for it denotes the object of vision. It consists of three basic elements - Vastu, the plot; Neta, the characterization; and Rasa, the impact of the play in performance. The plot consists of narrative - Itivritta, a story which is revealed gradually to sustain the interest of the audience. When the story (Kathavastu) is selected from Vedic, mythological or historical source, it is called Prakhyata (known); purely original Kathavastu is named Kalpita (imaginary) and the mixture of the two, Mishra.

Including the mentioned above, Natyashastra refers to various chapters which deals with style of acting - Abhinaya, characterization of Nayika; the Nayak; their changing relationships with each other that relates to a minute study of psychology and sociology of human behaviour; types of Nayak; various characteristics of 10 Rupakas from the point of view of the plot, characterisation, emotional experience and the special features of each type.

Thus, one can very easily understand the importance and significance of Natyashastra in its influence on theatre in modern times in various forms. The period of Natyashastra considered by the scholars around 500 B.C. is close to Brahmanical and early epic period. According to Brahmanical thought, all creative activities are aimed at generating the interaction between the visible world of man and the invisible world of ideas, imagination, thoughts and images. Thus, the subject is also the subject of creation. And this act of self observation, which is considered to be the key point of all ancient arts, is further given importance in theatre by extending dramatic literature to stage through the actor.

In his quest for a flawless, perfect and all encompassing form, Bharatamuni made creative use of all existing artistic disciplines, whether it be classical dance, verbal discipline of recitation or classical music.

Natyashastra including 10 types of dramatic scripts, their specific structures and relationship with specific emotional experience explain that the dramatic entertainment was the most important, the basic need and attracted all status of society. ●

# অন্ধ সংস্কাৰ - অন্ধবিশ্বাস আৰু কিছু কথা

হোমেন ৰাজবংশী

১৯৮৬ চন। মধ্যপ্ৰদেশৰ প্ৰান্তে প্ৰান্তে এটোপাল পানীৰ কাৰণে হাঁহাকাৰ। ইয়াৰ বক্ষৰ সকলো পানীয়েই যে কোনোবাই শুহি লৈছে। হাজাৰ হাজাৰ মানুহে মৃত্যুক সাবটি লৈছে পানীৰ অভাৱত। মানুহৰ অপাৰ দুখ আঁতৰ কৰিবৰ কাৰণে আগবাঢ়ি আহিল দুজনমান অন্তৰ্য্যামী ব্যক্তি। তেওঁলোকে বিধান দিলে যে উলংগ নাৰীয়ে পথাৰত হাল বায় আৰু এজনী কিশোৰীক বলি দি তাইৰ ৰক্ত ভূমিত পেলালেহে মধ্যপ্ৰদেশৰ ভূমিত বৰুণ দেৱতাই জল দিব। নহ'লে মধ্যপ্ৰদেশৰ ভূমিত পানীৰ আবিৰ্ভাৱ নহয়। তেওঁলোকৰ বিধানমতেই উলংগ নাৰীয়ে পথাৰত হালবোৱাৰ লগতে এগৰাকী কিশোৰীক বলি দিয়া হৈছিল মধ্যপ্ৰদেশৰ ভূমিত নৃশংসভাবে।

এইয়া এক প্ৰকাৰৰ বিশ্বাস, যি বিশ্বাসৰ সৃষ্টি আমাৰ পূৰ্ব্ব পুৰুষৰ আদিম সমাজত। তেওঁলোকে নানান কাৰণত হাবি-বননি, পৰ্ব্বতৰ গুহা আদিত বসবাস কৰিবলগীয়া হৈছিল। সেইসময়ত তেওঁলোকে নানান বিপদৰ সন্মুখীন হৈছিল। তেওঁলোকৰ মাজত সৃষ্টি হৈছিল নানান বেমাৰ আজাৰৰ। তেওঁলোকে বিচাৰি নাপাইছিল আকাশত চন্দ্ৰ-সূৰ্য্যৰ উদয়-অস্ত যোৱাৰ কাৰণ, বতাহ-বৰুণ-বিজুলী অথবা অনাবৃষ্টি-মহামাৰীৰ ব্যাখ্যা। তেতিয়াই তেওঁলোকে ভাবিবলৈ ধৰিলে যে এই পৰিঘটনা বিলাকৰ আঁৰত কোনোবা অদৃশ্য শক্তিৰ হাত আছে। এইদৰেই আৰম্ভ হ'ল এক নতুন বিশ্বাসৰ। যাক পৰৱৰ্ত্তী কালত কোৱা হ'ল অন্ধবিশ্বাস।

অন্ধবিশ্বাস! মানৱ সমাজত আদিৰে পৰা আজিলৈকে প্ৰচলিত হৈ অহা এনে এক ব্যাধি যাৰ দ্বাৰা সমাজৰ প্ৰতিটো স্তৰেই কম-বেছি পৰিমাণে আক্ৰান্ত। অন্ধবিশ্বাসৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Superstitions' - যি মূলতঃ লেটিন শব্দ। যাৰ অৰ্থ হ'ল - "Fear for superhuman powers". অসমীয়াত 'অতি মানৱীয় শক্তিৰ প্ৰতি ভয়।'

আমাৰ সমাজত অন্ধবিশ্বাসে যদিও এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে তথাপিতো ইয়াৰ এক সৰ্ব গ্ৰহণযোগ্য সংজ্ঞা বিচাৰি পোৱা টান। অন্ধবিশ্বাস সম্পৰ্কে বিভিন্ন জনে বিভিন্ন মতামত আগবঢ়াইছে। নোবেল বঁটাৰে সন্মানিত বিশিষ্ট পদাৰ্থবিজ্ঞানী আৰু অতিমানৱীয় শক্তিৰ বিৰুদ্ধে আজীৱন যুদ্ধ কৰা মহামান্য P. Kushৰ মতে 'আজি সমাজৰ অন্ধসংস্কাৰ হ'ল - অতীতৰ কেতবোৰ জ্ঞান, কিন্তু এই জ্ঞান পৰীক্ষিত জ্ঞান নহয়।' আনহাতে লেটিন লিখক, বিশ্ববিশ্ৰুত সাহিত্যিক ভাৰ্জিলৰ মতে, 'অন্ধবিশ্বাস হ'ল ভিত্তিহীন, অন্তঃ সাৰশূন্য কথা।' অন্ধবিশ্বাস তথা অন্ধসংস্কাৰ সমূহ আমাৰ সমাজত প্ৰচলিত পৰম্পৰাৰ দৰে হৈ পৰিছে। প্ৰত্যেকটো চামে আন এটা চামক পৈতৃক সম্পত্তিৰূপে অন্ধবিশ্বাসসমূহ দান কৰি গৈছে। এই বিশ্বাস এনে এক বিশ্বাস যি কোনো ঘটনাক (পাৰ্থিব-অপাৰ্থিব) যুক্তিৰে বিশ্লেষণ নকৰাকৈ মানি লোৱা বা গ্ৰহণ কৰাৰ সিদ্ধান্ত। অশিক্ষিত সকলৰ লগতে শিক্ষিত সকলো ইয়াৰ পৰা বাদ পৰি যোৱা নাই।

এই যুগ, উত্তৰ আধুনিকতাৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতি আৰু সফলতাই চৰম শীৰ্ষত অৱস্থান কৰিছে। বিজ্ঞানে পৃথিৱীক 'গ্লোবেল ভিলেইজ'ত পৰিণত কৰিছে। প্ৰথম বিশ্বৰ পৰা আৰম্ভ কৰি তৃতীয় বিশ্বৰ দেশলৈকে সকলোৱে মহাকাশলৈ অভিযান চলাইছে, 'প্ৰাণ'ৰ উৎস বিচাৰিছে অন্য গ্ৰহত। সাগৰ - মহাসাগৰৰ তলিত অভিযান চলাই আজুৰি আনিছে পনীয়াসোণ। পৃথিবীৰ বক্ষফালি উদ্ধাৰিছে ক'লাহীৰা। কম্পিউটাৰ, ইন্টাৰনেটৰ লগতে মানুহে সৃষ্টি কৰিছে ক্লনিং পদ্ধতি। অথচ ঠিক তেনে সময়ত ভাৰতৰ দৰে প্ৰাচীন সভ্যতাৰ উত্তৰাধিকাৰী দেশৰ লগতে নতুন সভ্যতাৰ সৃষ্টিকাৰী আমেৰিকাৰ দৰে দেশো অন্ধবিশ্বাস তথা অন্ধসংস্কাৰৰ পৰা মুক্ত হ'ব পৰা নাই। পৃথিবীৰ বিভিন্ন দেশৰ বিভিন্ন সমাজত অন্ধবিশ্বাসবোৰ পুৰণি কালৰে পৰা কিয় আৰু কেনেকৈ বৰ্ত্তি থাকিল এই কথা ভাবি চোৱাটো অতি জৰুৰী।

প্ৰাচীন কালত পৃথিৱীত সংঘটিত সকলো প্ৰকাৰৰ প্ৰাকৃতিক আৰু অ-প্ৰাকৃতিক ঘটনাৱলীক সেই সময়ৰ মানুহে অজ্ঞতাৰ হেতু যুক্তিৰে পৰ্য্যালোচনা কৰিব পৰা নাছিল। কাৰণ 'বিজ্ঞান' বা 'বিজ্ঞান মানসিকতা'ৰ সেই সময়ত জন্ম হোৱা নাছিল বুলি কলেও অত্যুক্তি কৰা নহ'ব। তাৰ বাবে আমি সেই পূৰ্ব্বসূৰী সকলক দোষাৰোপ কৰিব নোৱাৰো। কিন্তু বৰ্তমানেও আমাৰ সমাজৰ প্ৰায় সকলো স্তৰৰ লগত বিভিন্ন প্ৰকাৰৰ অন্ধবিশ্বাস জড়িত হৈ আছে। বিশেষকৈ ভাৰতীয় সমাজত প্ৰায় সকলো ব্যক্তিয়েই অন্ধবিশ্বাসৰ মাজতে জন্ম গ্ৰহণ কৰে আৰু তাৰ মাজতে লালিত-পালিত হয়। আমাৰ সমাজত হাঁচি, শালিকাচৰাই দেখা, চকুৰ পতা নচা আদিক কেন্দ্ৰ কৰি বিভিন্ন অন্ধবিশ্বাস তথা অন্ধসংস্কাৰ প্ৰচলন হৈ আছে। যিবোৰৰ পৰা ইউৰোপ আমেৰিকা আদি দেশসমূহো মুক্ত নহয়। তাৰোপৰি পৃথিৱীৰ যিকোনো ধৰ্মৰ মানুহৰ মাজত সংখ্যা সম্পৰ্কেও নানা ধৰণৰ অন্ধবিশ্বাসৰ প্ৰচলন আছে। উদাহৰণস্বৰূপে - পৃথিবীৰ আটাইতকৈ অশুভ সংখ্যা হিচাপে গণনা কৰা হয় ১৩(তেৰ) নম্বৰটোক। যাক কোৱা হয় Unlucky thirteen. খ্ৰীষ্ট ধৰ্মততো এই দিনটোত (১৩ তাৰিখ) যিকোনো শুভ কাম কৰাটো নিষিদ্ধ। ১৩ সংখ্যাটোক অশুভ সংখ্যা হিচাপে গণ্য কৰা হয় যীশুখ্ৰীষ্টৰ অন্তিমটো ৰাত্ৰি ভোজৰ পৰা। উক্ত ৰাত্ৰি ভোজত ১২ (বাৰ) জন শিষ্যৰে সৈতে মুঠ ১৩ জন ব্যক্তি উপস্থিত আছিল। বিশ্বাসঘাতক জুডাছ ইছকেৰিয়টো ইয়াৰ ভিতৰত অন্যতম। যাৰ কাৰণে যীশুক ক্ৰুছবিদ্ধ কৰা হৈছিল। সেয়েহে খ্ৰীষ্টান ধৰ্মৰ মানুহৰ লগতে বৰ্তমান আন ধৰ্মৰ মানুহেও ১৩

সংখ্যাটোক অশুভ হিচাপে গণ্য কৰে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এপলো-১৩ নম্বৰ মহাকাশ যানখনৰ অসফলতা আৰু ১৯৮৮ চনৰ ১৩ জুলাই- ত ভাৰতৰ শ্ৰীহৰিকোট্টাৰ পৰা উৎক্ষেপন কৰা ASLV-D নামৰ উপগ্ৰহটো উৰা মৰাৰ খন্তেক পাছতে বংগোপসাগৰত পৰাৰ বাবে যান দুখনৰ কাৰিকৰী ক্ৰুটিতকৈ ১৩ নম্বৰটোকহে বেছিকৈ দায়ী কৰা হৈছিল।

আনহাতে বেমাৰ আজাৰক কেন্দ্ৰ কৰিও পৃথিৱীৰ বিভিন্ন সমাজত বিভিন্ন প্ৰকাৰৰ অন্ধবিশ্বাস আৰু অন্ধসংস্কাৰৰ প্ৰচলন আছে। উদাহৰণস্বৰূপে আমি আফ্ৰিকাৰ কাফ্ৰী জাতিৰ কথালৈ লক্ষ্য কৰিব পাৰো। তেওঁলোকে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হ'লে ৰোগীৰ ওচৰলৈ এটা ছাগলী নি গাওঁৰ সকলো পাপ সেই ছাগলীটোৰ আগত স্বীকাৰ কৰে। তাৰ পিছতে ৰোগীৰ দেহৰ তেজ ছাগলীটোৰ দেহত সানি দিয়া হয়। তেওঁলোকে বিশ্বাস কৰে এনেকৈ দেহৰ পৰা সেই দুৰাৰোগ্য আঁতৰ হয়। ঠিক সেই দৰে, বিশেষকৈ ভাৰতীয় সমাজত সৰ্বসাধাৰণ ব্যক্তি ৰোগত আক্ৰান্ত হ'লে চিকিৎসকৰ কাষ চপাতকৈ তেওঁলোক পুৰোহিতৰ কাষ চাপে। পুৰোহিত বিশেষে বিভিন্নজনে বিভিন্ন প্ৰকাৰে চিকিৎসা সেৱা আগবঢ়াই প্ৰচুৰ অৰ্থ আহৰণ কৰে সৰ্বসাধাৰণ ৰাইজক প্ৰৱঞ্চনা কৰি। কিছুমানে সাত ঘাটৰ পানী তুলি ৰোগীক স্নান কৰোৱায়। চাইবাবাই ৰোগীক বিভূতি খাবলৈ দিয়াৰ উপৰিও গাত আৰু কপালত বিভূতি সনাৰ লগতে ধাৰণ কৰিবলৈ দিয়ে। অথচ তেওঁক ১৯৭৮ চনৰ ১৬ এপ্ৰিলৰ 'চানডে' পত্ৰিকাত প্ৰকাশিত এক বাতৰি যোগে পি চি সৰকাৰে তেওঁক এজন সুদক্ষ 'ম্যাজিচিয়ান' বুলি অভিহিত কৰিছে। ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে তথাকথিত ধৰ্মগুৰু আৰু ৰোগ নিৰাময়কৰ্ত্তা সকল একো একোজন ভণ্ড আৰু চতুৰ ব্যক্তি। আনহাতে, আন কিছুমান ব্যক্তিয়ে ৰোগ নিৰাময়ৰ অৰ্থে বৃহৎ অৰ্থ আৰু সম্পত্তিৰ বিনিময়ত মাদলী, তাবিজ আদি প্ৰদান কৰে। তাৰোপৰি পৰিধান কৰিবলৈ ৰত্ন, পাথৰ, মুকুতা আদিও প্ৰদান কৰা হয়। তেওঁলোকৰ মনত এই ভণ্ড ব্যৱসায়ী শ্ৰেণীটোৱে বিশ্বাস জন্মায় যে ৰোগ-ব্যাধি আদিৰ মূলতে হ'ল গ্ৰহ-নক্ষত্ৰ।

বৰ্তমান পৃথিৱীৰ সকলো সমাজতে আধুনিক চিকিৎসাৰ পয়োভৰ ঘটিছে। চিকিৎসা বিজ্ঞান নতুন নতুন আৱিষ্কাৰেৰে পৰিপূৰ্ণ হৈ উঠিছে। কিন্তু এই চিকিৎসা সকলোৰে বাবে সুলভ হৈ উঠা নাই। কৃষক, শ্ৰমিক আদি দুখীয়া শ্ৰেণীৰ ব্যক্তিসকলে বিজ্ঞানৰ আধুনিক চিকিৎসাৰ সুযোগ-সুবিধা আদায় কৰিব পৰা নাই। কাৰণ আধুনিক চিকিৎসা অতিকৈ ব্যয়বহুল। চৰকাৰৰ দ্বাৰা চিকিৎসালয় স্থাপন কৰা হৈছে যদিও তাত পৰ্য্যাপ্ত পৰিমাণৰ সা-সুবিধাৰ অভাৱ। আনহাতে পুৰণিকলীয়া বিশ্বাসেৰে পৰিপূৰ্ণ সৰ্বসাধাৰণ মানুহ বিলাকক যথোচিতভাৱে আধুনিক চিকিৎসাৰ প্ৰতি সচেতন কৰি তুলিবও পৰা নাই। তেওঁলোকৰ মনত এটা দৃঢ় বিশ্বাস আছে যে সমাজত সৃষ্টি হোৱা বিভিন্ন ৰোগবোৰৰ মূলতে হ'ল অপদেৱতা, ভূত-প্ৰেত আদি। গতিকে তেওঁলোক বিজ্ঞান চিকিৎসাৰ কাষ চপাৰ সলনি তান্ত্ৰিক, বেজ, পুৰোহিত আদিৰ শৰণাপন্ন হয়। কিন্তু চিন্তাৰ বিষয় আজি একবিংশ শতিকাত ভৰি দিয়াৰ পিছতো আমাৰ সমাজত এনে ব্যৱস্থা সমূহ প্ৰচলন হৈ থকাৰ মূলতে কি কাৰণ থাকিব পাৰে। জ্ঞানৰ বিস্তৰ বিকাশৰ পিছতো জনসাধাৰণক কিয় বিজ্ঞান শিক্ষাৰ প্ৰতি সচেতন কৰি তুলিব পৰা হোৱা নাই? কিয় আমাৰ সমাজত দুৰাৰোগ্য ৰোগৰ পৰা মুক্তি লভাৰ আশাত আজিও মানৱ শিশু, জীৱ-জন্তু, বলি দিয়া হয়? এইবোৰৰ বাবে মূলত দায়ী কোন? এইবোৰ বিশ্লেষণ কৰাৰ উচিত সময় কেতিয়াবাই পাৰ হৈ গৈছে।

ৰেঁনেছাঁ বা নৱন্যাস যুগৰ মানৱতাবাদৰ জৰিয়তে বিজ্ঞানৰ বিপ্লৱৰ সূচনা হয় যদিও প্ৰাচ্য আৰু পাশ্চাত্য উভয়তেই কঠোৰ ধৰ্মীয় অনুশাসনে মানুহৰ মুকলি চিন্তা আৰু অনুশীলনত বাধাৰ প্ৰাচীৰ গঢ়ি তুলিছিল। যাৰ ফলত সমাজ আৰু বিজ্ঞানীসকলৰ মাজত সহজে কোনো ধৰণৰ সম্পৰ্ক গঢ়ি উঠা নাছিল। এই কথাৰ প্ৰমাণ ইতিহাসৰ পাতত প্ৰচুৰ পৰিমাণে মজুত আছে। আমি ইয়াৰ এক মুখ্য প্ৰমাণ হিচাপে গ্যালিলিও গ্যালিলিৰ কথা ইয়াত আলোচনা কৰিব পাৰো। তেওঁ ১৬৩২ চনতে প্ৰমাণ কৰিছিল যে সূৰ্য্যৰ চাৰিওফালে পৃথিৱীয়ে ঘূৰে। তেওঁৰ এই সিদ্ধান্ত বিশ্বৰ আগত প্ৰতিষ্ঠা কৰাৰ লগে লগে ধৰ্ম আৰু অন্ধসংস্কাৰৰ মাজত পোত গৈ থকা সমাজখন জাঙুৰ খাই উঠিল। মহান বিজ্ঞানীজন হৈ পৰিল অধাৰ্মিক। তেওঁ কৰা এই অক্ষমণীয় (!) অপৰাধৰ বাবেই বন্দীজীৱনো কটাবলগীয়া হ'ল। তেওঁৰ উক্ত সত্য সিদ্ধান্তটো যোৱা ১৯৯২ চনৰ ১২ অক্টোবৰতহে পোপ জন প'লে স্বীকাৰ কৰি লৈছে। গতিকে ইয়াৰ পৰা এই কথা স্পষ্ট হৈ পৰিল যে বিজ্ঞান মানসিকতা গঠনত প্ৰধান অন্তৰায় ৰূপে থিয় দিয়ে ধৰ্মীয় চিন্তাই আৰু ধৰ্মৰ ধ্বজাধাৰীসকল। আমাৰ ভাৰততো ইয়াৰ এক জলন্ত প্ৰমাণ পোৱা যায়। ১৯৯২ চনৰ ৬ ডিচেম্বৰত যেতিয়া ঐতিহাসিকভাৱে কোনো প্ৰমাণ নথকাকৈয়ে এচাম ব্যক্তিয়ে এসময়ত ৰাম মন্দিৰ থকাৰ অজুহাতত বাবৰি মছজিদটো ধ্বংস কৰি দিছিল। তাৰ পোটক তুলিবলৈ আন এচামে আকৌ দেশে-বিদেশে মন্দিৰ ভাঙি ছিল। দৰাচলতে পৃথিৱীৰ কোনো এটা জাতি বা ধৰ্মই অন্ধসংস্কাৰৰ পৰা মুক্ত নহয়। আমাৰ দেশত ই আৰু একোৰ চৰা। আমাৰ ধৰ্মীয় আচাৰ, বিশ্বাস,

*অন্ধসংস্কাৰ নিৰ্ম্মুল কৰাৰ বাবে প্ৰস্তুত কৰা আইন সমূহ কিতাপৰ পাততে সীমাবদ্ধ থাকে। আনকি চৰকাৰৰ 'Department of Science and Technology' নামৰ বিভাগটোৱেই অন্ধবিশ্বাসৰ পৰা মুক্ত নহয় তেনেস্থলত অশিক্ষিত দেশবাসীৰ পৰা কেনেকৈ আশা কৰিব পাৰি? ১৯৮৮ চনৰ ৩১ মে' তাৰিখে এক আমোদজনক ঘটনা ঘটিছিল। যেতিয়া চৰকাৰৰ এই বিভাগটোৱে বৰষুণৰ বাবে যজ্ঞৰ আয়োজন কৰিলে। যিটো ইতিহাসৰ পাতত এক নজিৰবিহীন ঘটনা। আমি এনে দেশৰ বাসিন্দা য'ত মহাকাশলৈ উপগ্ৰহ প্ৰেৰণ কৰা সময়ত বেদ মন্ত্ৰপাঠ কৰা হয়।*

সামাজিক প্ৰথা আৰু ব্যক্তিগত মূল্যবোধে অন্ধসংস্কাৰ আৰু অন্ধবিশ্বাস সমূহ জীয়াই ৰখাত সহায় কৰিছে। ইয়াৰ বাবে দেশৰ শাসনকৰ্ত্তা সকলকে পোনপটীয়াকৈ জগৰীয়া কৰিব পাৰো। প্ৰকৃতাৰ্থত তেওঁলোকেই দায়ী। কাৰণ তেওঁলোকৰ মতে ধৰ্মক বাদ দি ৰাজনীতি কেতিয়াও আগবাঢ়িব নোৱাৰে।

আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ আগতে বৃটিছ সকলে নিজৰ স্বাৰ্থ পূৰণৰ লক্ষ্য আগত ৰাখি অন্ধসংস্কাৰ আৰু অন্ধবিশ্বাস সমূহ জীয়াই ৰাখিছিল আৰু পৰৱৰ্ত্তী কালত দেশীয় শাসকসকলে জীয়াই ৰাখিছে গাদী লাভ তথা ৰাজনৈতিক স্বাৰ্থসিদ্ধিৰ আশাত। এটা কথা ঠিক যে চৰকাৰে অন্ধসংস্কাৰ সমূহ নিঃশেষ কৰাৰ বাবে বিভিন্ন সময়ত বিভিন্ন আইন প্ৰণয়ন কৰিছে। তথাপিতো দৈনন্দিন বাতৰি কাকতত ডাইনী হত্যা, শিশু-বধ আদি কাৰ্য্য সংঘটিত হোৱাৰ বাতৰি প্ৰকাশ পাই আহিছে। যোৱা ইংৰাজী ৭ জুলাই ২০০2 তাৰিখৰ কাকতত (অসমীয়া প্ৰতিদিন) প্ৰকাশ পোৱা বাতৰি মতে ইন্দোৰৰ কাঞ্জাৰৰ সাকাল গ্লিহাৰা সমাজত এজন স্বামীয়ে নিজ পত্নীৰ অগ্নি পৰীক্ষা লৈছে। পত্নীৰ দোষ তেওঁ এজন পুৰুষ বন্ধুৰ সৈতে তীৰ্থ ভ্ৰমণলৈ গৈছিল। এয়ে ভাৰতৰ প্ৰতিচ্ছৱি আৰু ভাৰতীয় শাসকসকলে তৈয়াৰ কৰা অন্ধসংস্কাৰ নিৰ্ম্মুল আইনৰ চৰম বিপৰ্য্যয়। এক কথাত এনে আইনৰ প্ৰতি চৰম অৱজ্ঞা আৰু উপহাস বুলি ক'ব পাৰি।

অতি দুখৰ বিষয় যে আমাৰ দেশৰ মুঠ জনসংখ্যাৰ আধাতকৈয়ো বেছি লোক অশিক্ষিত। চৰকাৰে সকলোকে শিক্ষা দিয়াৰ বাবে আইন প্ৰণয়ন কৰাৰ লগতে বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। কিন্তু কেনেধৰণৰ শিক্ষা? মাত্ৰ চহীটো কৰিব পাৰিলেই বা অ আ ক খ খিনি লিখিব বা পঢ়িব পাৰিলেই তেওঁলোকক জানো শিক্ষিত বুলি ক'ব পাৰি? অন্ধসংস্কাৰ নিৰ্ম্মুল কৰাৰ বাবে প্ৰস্তুত কৰা আইন সমূহ কিতাপৰ পাততে সীমাবদ্ধ থাকে। আনকি চৰকাৰৰ 'Department of Science and Technology' নামৰ বিভাগটোৱেই অন্ধবিশ্বাসৰ পৰা মুক্ত নহয়; তেনেস্থলত অশিক্ষিত দেশবাসীৰ পৰা কেনেকৈ আশা কৰিব পাৰি? ১৯৮৮ চনৰ ৩১ মে' তাৰিখে এক আমোদজনক ঘটনা ঘটিছিল। যেতিয়া চৰকাৰৰ এই বিভাগটোৱে বৰষুণৰ বাবে যজ্ঞৰ আয়োজন কৰিলে। যিটো ইতিহাসৰ পাতত এক নজিৰবিহীন ঘটনা। আমি এনে দেশৰ বাসিন্দা য'ত মহাকাশলৈ উপগ্ৰহ প্ৰেৰণ কৰা সময়ত বেদ মন্ত্ৰপাঠ কৰা হয়। এনে অৱস্থাত চৰকাৰৰ দ্বাৰা সৃষ্টি আইনসমূহ ক'ত যায়? সকলো মাত্ৰ আভুৱা ভৰা প্ৰতিশ্ৰুতিৰ বাহিৰে আন একোৱেই নহয়। আনহাতে এই বিজ্ঞানীসকলৰ বৈজ্ঞানিক মানসিকতা ক'ত? তেওঁলোক জানো প্ৰকৃততে বিজ্ঞান শিক্ষাৰে শিক্ষিত? অথচ চৰকাৰে তেওঁলোকক বিজ্ঞান মানসিকতা বৃদ্ধি কৰা প্ৰতিষ্ঠানত নিযুক্তি প্ৰদান কৰিছে।

আনহাতে যোৱা ২৭ জুন ২০০২ তাৰিখৰ দিনা বিশ্ব শান্তিৰ কাৰণে নেপালৰাজে 'পঞ্চবলি' আগবঢ়াই কামাখ্যা ধামত। নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে নিষ্পাপ জীৱ হত্যা। এইয়া নেকি জীৱশ্ৰেষ্ঠ মানুহৰ মানসিকতা। অথচ ইতিহাসে নকয় 'বলি'ৰ দ্বাৰা কোনো দেশত শান্তি স্থাপন হৈছে। এইবোৰ মাথো অন্ধসংস্কাৰৰ বাহিৰে আন একো নহয়। ৰজাই অন্ধবিশ্বাস অন্ধসংস্কাৰ সমূহ নিঃশেষ কৰাৰ বাবেহে অগ্ৰণী ভূমিকা ল'ব লাগে। নেপাল ৰাজৰ দৰে বৰ্ত্তাই ৰখাত নহয়।

বৰ্তমান ভাৰত চৰকাৰখনে বিশ্ববিদ্যালয় সমূহত জ্যোতিষ শাস্ত্ৰ প্ৰণয়নত উঠি পৰি লাগিছে। যাৰ কাৰণে তেওঁলোকে কোটি কোটি টকাৰ আঁচনি প্ৰস্তুত কৰিছে। কিন্তু অন্ধবিশ্বাস আৰু অন্ধসংস্কাৰ সমূহ সমাজৰ পৰা নিঃশেষ কৰিবলৈ কেনে ধৰণৰ আঁচনি প্ৰস্তুত কৰিছে? বিদ্যালয়-মহাবিদ্যালয় সমূহত তেনেধৰণৰ অৰ্থাৎ অন্ধসংস্কাৰ নিবাৰণমূলক পাঠ্যপুথি প্ৰৱৰ্ত্তন কৰাৰ বাবে কিম্বা আঁচনি গ্ৰহণ কৰিছেনে? অথচ এই খিনিতে গৌতম বুদ্ধৰ দুটা উক্তি মন কৰিবলগীয়া–

১। 'তৰাৰ সহায়ত ভাগ্য গণনা কৰা বা তেনে প্ৰতাৰণামূলক কাৰ্য্যৰে জীৱন নিৰ্ব্বাহ কৰা লোকৰ পৰা আঁতৰত থাকিব।' আৰু

২। 'জ্যোতিষ চৰ্চ্চা, তৰাৰ সহায়ত সৌভাগ্য বা দুৰ্ভাগ্য গণনা কৰা, ভালবেয়া নিৰ্দ্ধাৰণ কৰা এনেবোৰ কাম সম্পূৰ্ণ ৰূপে নিষেধ কৰা হ'ল।'


--তেওঁ এনেদৰে শিষ্যসকলক সাধনালব্ধ জ্ঞান প্ৰদান কৰিছিল। কিন্তু এই মহৎ চিন্তা সমূহ ভাৰতৰ পৰা কেতিয়াবাই বিদায় দিয়া হ'ল।

*আমেৰিকাৰ দৰে দেশো অন্ধবিশ্বাস তথা অন্ধসংস্কাৰৰ পৰা মুক্ত হ'ব পৰা নাই।*

আনহাতে, বৰ্তমান ভাৰতত বৈজ্ঞানিক, শিক্ষিত লোক, বিজ্ঞানৰ ডিগ্ৰীধাৰীলোক বহু ওলাইছে। অথচ কাঠফুলাৰ দৰে বাঢ়ি আহিছে নশ্বৰ অৱতাৰী পুৰুষ। 'উলংগবাবা' একেবাৰে শেহতীয়া সংযোজন। য'ত চৰকাৰে এই উলংগ ব্যক্তিজনৰ মুক্ত বিচৰণত সম্পূৰ্ণ সহযোগ আগবঢ়াইছে। সভ্য সমাজৰ সভ্য চৰকাৰ আমূল নিদৰ্শন। চৰকাৰৰ এনে নিদৰ্শন যুক্তিবাদী আৰু বিজ্ঞান মানসিকতাধাৰী লোকসকলৰ চকু কপালত তুলিছে। এনেবোৰ কাৰ্য্যৰ দ্বাৰা চৰকাৰৰ মানসিকতা স্পষ্ট হৈ পৰিছে। তেওঁলোকে প্ৰকৃতাৰ্থত সমাজখনক অন্ধবিশ্বাসমুক্ত কৰিব বিচৰা নাই। কৰিলে, তেওঁলোকৰ সান্দহ খোৱা বালি তল যাব!

দেশত অন্ধসংস্কাৰ বৰ্ত্তি থকাৰ বাবে শিক্ষিত সমাজখনো দায়ী। আধুনিক শিক্ষাৰে শিক্ষিত হৈয়ো প্ৰায় ৭০ শতাংশ ব্যক্তিৰ দেহৰ পৰা আঙঠি, মাদলি, তাবিজ আদি আঁতৰি যোৱা নাই। বিবাহৰ বাবে পাত্ৰ-পাত্ৰীৰ কোষ্ঠী বিশ্লেষণ কৰে, অথচ বিবাহৰ লগত তেজৰ গ্ৰুপৰহে সম্পৰ্ক আছে, কোষ্ঠীৰ নহয়। বিজ্ঞান শিক্ষাৰে শিক্ষিত হৈয়ো অন্ধসংস্কাৰৰ পৰা মুক্ত হ'ব পৰা নাই। আমি এনে এখন দেশৰ বাসিন্দা য'ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ বিভাগীয় মন্ত্ৰী মহোদয়ে প্ৰথমবাৰ চকীত বহাৰ আগতে পূজা অৰ্চ্চনা কৰি লয়; বিজ্ঞানৰ উন্নতিৰ অৰ্থে! ধন্য হে শিক্ষিতসকল!

গতিকে, আমি শাসক সকলৰ পৰা ইয়াতকৈ বেছি কিবা আশা কৰাটো মূৰ্খামিহে হ'ব। বৰ্তমান বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰততো বহুতো স্বেচ্ছাসেৱী সংগঠন গঢ় লৈ উঠিছে, জনগণৰ মাজত বিজ্ঞানক জনপ্ৰিয় কৰাৰ লগতে বিজ্ঞান মানসিকতা গঢ়াৰ কাম হাতত লৈছে। আমাৰ সমাজ তথা দেশৰ পৰা অন্ধবিশ্বাস, অন্ধসংস্কাৰ সমূহক নাশ কৰাৰ বাবে জনসাধাৰণৰ মাজত বিশেষকৈ কৃষক-শ্ৰমিক সকলৰ মাজত সোমাই পৰিব লাগিব। তেওঁলোকক বিজ্ঞান মানসিকতাৰ অধিকাৰী কৰিব লাগিব। তেতিয়াহে আমাৰ সমাজখন অন্ধসংস্কাৰ অন্ধবিশ্বাসৰ পৰা মুক্ত হ'ব পাৰিব। আৰু সৃষ্টি হ'ব এখন সুস্থ ভাৰতবৰ্ষ। ●



# শতবৰ্ষ, কটন কলেজ আৰু সাম্প্ৰতিক অসম

## এক পৰ্য্যালোচনা

জগদীশ দত্ত
প্ৰাক্তন সাধাৰণ সম্পাদক, শতবাৰ্ষিকী বৰ্ষ

যোৱা ২০০১ চনত উদ্‌যাপিত হোৱা কটন কলেজৰ শতবাৰ্ষিকী উৎসৱ সমগ্ৰ অসমবাসীৰ বাবেই এক গুৰুত্বপূৰ্ণ ঘটনা। অসমৰ শৈক্ষিক জগতৰ লাইখুটা স্বৰূপ এই অনুষ্ঠানটোৰ শতবাৰ্ষিকী উদ্‌যাপনে পাৰ হৈ যোৱা এশ বছৰৰ অসমৰ বৌদ্ধিক আৰু শৈক্ষিক জগতৰ প্ৰতিচ্ছবিক উপযুক্ত সন্মান প্ৰদৰ্শন কৰিছে। এই সোণালী সময়ৰ ৰূপৰেখাক আমি সাক্ষী হিচাপে, প্ৰত্যক্ষদৰ্শী হিচাপে উপভোগ কৰিছিলো, অতীতৰ সেই স্মৃতি-মেদুৰ সময়ৰ আৱেগ ৰঞ্জিত ৰোমন্থনত পুলকিত হৈছিল সমগ্ৰ অসমবাসী আৰু তাৰ বিশালতাক আমাৰ চেতনাক ধৰি ৰাখিবলৈ চেষ্টা কৰিছিলোঁ। শতবাৰ্ষিকী উৎসৱৰ সময়খিনিত গোটেই কলেজখন যেন এক জনসমুদ্ৰত পৰিণত হৈছিল। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অলেখ গুণী-মানী ব্যক্তিৰে ভৰি পৰিছিল কটন চৌহদৰ চৌপাশ। সুদূৰ ইংলেণ্ডৰ পৰা আহিছিল কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ ছুডমাৰ্ছনৰ নাতিনীয়েক মিচ গ্নিনিথ হোৱাইট। তেওঁৰ উপস্থিতিয়ে কটন কলেজৰ গোটেই পৰিৱেশটোকে এক অনন্য গৰিমা প্ৰদান কৰিছিল।

কটন কলেজ শতবাৰ্ষিকীৰ সেই স্মৃতি আমি এতিয়াও আমাৰ হৃদয়ত মধুৰ সুবাসৰ দৰে সাঁচি ৰাখিছোঁ। ই একধৰণৰ শ্বাশ্বত অনুভৱ; সময়ৰ বিশাল প্ৰেক্ষাপটত যাৰ অস্তিত্ব নগন্য। তৎসত্বেও সময়, সমাজ তথা ইতিহাসৰ বিচাৰত সি অতি মূল্যৱান অৱদান। দিন বাগৰে, জীৱনৰ স্থিতি সলনি হয়। অথচ যোৱা এশবছৰত কটন কলেজে আমাক যি উপহাৰ আগবঢ়ালে, তাৰ মূল্য আমাৰ মাজত এতিয়াও অম্লান হৈ আছে। অথচ সেই সোণসেৰীয়া অতীতকে খামোচ মাৰি ধৰি থাকিলে আমাৰ নচলিব, বৰ্ত্তমান ভৱিষ্যতৰ যি দুৰ্বাৰ গতি, তাৰ লগতো আমি খোজত খোজ মিলাই আগবাঢ়িব লাগিব। আমাৰ আক্ষেপ এয়ে যে কটন কলেজৰ শতবাৰ্ষিকীত আমি আমাৰ অতীত ৰোমন্থনতে ব্যস্ত থাকিলো, ভৱিষ্যতৰ পিনে মূৰ তুলি চাবলৈ আমাৰ সময়েই নহ'ল। পৃথিৱী দ্ৰুতগতিৰে আগবাঢ়িব লাগিছে মানুহৰ কল্পনাৰ পাখি গজিছে; এতিয়া ক্লনিঙৰ যুগ, ইলেক্ট্ৰনিক মিডিয়াৰ যুগ, গোটেই পৃথিৱী এখন ক্ষুদ্ৰ গাঁৱত পৰিণত হৈছে আধুনিকতাৰ দুৰ্বাৰ বতাহ লাগি। অথচ আমি সেই নিৰুদ্ধ সময়তেই

খামোচ মাৰি ধৰি আছো। এই কথাও সঁচা যে পৰীক্ষাৰ ফলাফল, প্ৰতিযোগিতামূলক পৰীক্ষা, ৰাজ্যৰ নেতৃত্ব আদিৰ ক্ষেত্ৰত কটন কলেজে সমগ্ৰ অসমৰেই পথ প্ৰদৰ্শকত পৰিণত হৈছে। কিন্তু সৰ্বভাৰতীয় প্ৰেক্ষাপটত বিচাৰ কৰি চালে ই এপাচি শাকত এটা জালুকৰ দৰে। আমাৰ হয়তো অন্তৰ্দৃষ্টি বা দূৰদৃষ্টিৰ অভাৱ ঘটিছে। এই সময়ত বহুতো সমস্যাই কটন কলেজক জুমুৰি মাৰি ধৰিছে। এই সমস্যাবোৰ প্ৰথমে এটা এটাকৈ আলোচনা কৰা যাওক।

সম্প্ৰতি ছাত্ৰ শিক্ষকৰ সম্বন্ধ এক বিতৰ্কিত বিষয় হৈ পৰা দৈখা গৈছে। জীৱন যিমানেই যান্ত্ৰিক হৈ পৰিছে, মানৱীয় সম্বন্ধবোৰ সিমানেই জটিল হৈ পৰিছে। এসময়ত ছাত্ৰ-শিক্ষকৰ আছিল গুৰু-শিষ্যৰ সম্বন্ধ। শিষ্যই গুৰুক নিজৰ পিতৃৰ দৰে জ্ঞান কৰিছিল; গুৰুৱেও শিষ্যক পুত্ৰসম জ্ঞান কৰি শিক্ষা প্ৰদান কৰিছিল। এসময়ত কটন কলেজৰ শিক্ষক ছাত্ৰৰ সম্পৰ্ক আছিল অত্যন্ত মধুৰ। অতীতৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ এতিয়া মাথোন স্মৃতিহে বাকী আছেগৈ। ছাত্ৰ সকলেও পাঠ্যক্ৰম সম্পৰ্কীয় যিকোনো কথাকে শিক্ষক সকলৰ পৰা সমূহীয়াভাৱে বা ব্যক্তিগত ভাৱে শ্ৰদ্ধা আৰু ভক্তিৰে আঁতি-গুৰি মাৰি বুজি লৈ এই পৰিৱেশ ৰচনাত সহযোগিতা কৰিব লাগে। ইয়াৰ বাবে কলেজত টিউটৰিয়েল ক্লাছৰ ব্যৱস্থা কৰি একধৰণৰ নতুন শৈক্ষিক বাতাবৰণ সৃষ্টি কৰিলে ছাত্ৰসকল লাভৱান হ'ব।

পাঠ্যক্ৰমৰ বৈচিত্ৰহীনতা কলেজখনৰ আন এটা সমস্যা। প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় শিক্ষা, কম্পিউটাৰ শিক্ষা, মনোবিজ্ঞান, সমাজবিজ্ঞান আদিৰ ক্ষেত্ৰত কটন কলেজ এতিয়াও হয়তো মান্ধাতাযুগতেই আছে। ইয়াৰ ফলত কটন কলেজে দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে সম্প্ৰতি মূৰ দাঙি উঠিব পৰা নাই। শিক্ষাৰ লক্ষ্যই হৈছে আধুনিকতাক বাহাল ৰখা অথচ কটন কলেজে আধুনিকতাক স্বীকাৰ কৰি লোৱাত ভালেখিনি ব্যৰ্থ হৈছে। পৰ্য্যাপ্ত পুঁজিৰ অভাৱ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰম্পৰাগত শিক্ষাৰ নীতি, ৰঙা ফিটাৰ মেৰপাক আদিয়েই ইয়াৰ মুখ্য কাৰণ।

সামাজিক, সাংস্কৃতিক ক্ষেত্ৰতো কটন কলেজৰ ভাবমূৰ্তি যথেষ্ট অৱনমিত হৈছে বুলি অভিযোগ উঠিছে। নব্বৈ দশকৰ আগতে কটন কলেজৰ ছাত্ৰ সমাজৰ সামাজিক সচেতনতাক সকলোৱে ভূয়সী প্ৰশংসা কৰিছিল। বিদেশী বহিষ্কাৰ আন্দোলন, ভাষা আন্দোলন, অৰ্থনৈতিক পৰিস্থিতি; বানপানী, দুৰ্ভিক্ষ সংক্ৰান্তীয় সমস্যাত ছাত্ৰসকলৰ ভূমিকা আছিল আগৰণুৱা। কিন্তু নব্বৈ দশকৰ পাছত ছাত্ৰসমাজ যেন যথেষ্ট স্বাৰ্থকেন্দ্ৰিক হৈ পৰিল; সামাজিক সচেতনতা তেওঁলোকৰ যথেষ্টখিনি লোপ পালে।

১৯৭৯ চনত আৰম্ভ হোৱা অসম আন্দোলনৰ অন্যতম কেন্দ্ৰবিন্দু আছিল কটন কলেজ। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য কাৰ্য্যালয় স্থাপন কৰা হৈছিল কটন কলেজত। সেই আন্দোলনে অসমীয়াৰ মাজত যি অভূতপূৰ্ব ৰাজনৈতিক জাগৰণৰ সৃষ্টি কৰি সকলো লোকৰে জাতীয়তাবোধক চৰমতম সীমাত উপনীত কৰাইছিল তাৰ তুলনা নাই। সেই সময়ৰ প্ৰধানমন্ত্ৰীৰ দূত হৈ কটন কলেজত উপস্থিত হৈছিল প্ৰয়াত ৰাষ্ট্ৰপতি ড০ শংকৰ দয়াল শৰ্মা আৰু যশপাল কাপুৰ আৰু তেতিয়া বিৰোধী দলৰ নেতা তথা বৰ্তমান প্ৰধানমন্ত্ৰী শ্ৰীঅটল বিহাৰী বাজপেয়ীয়েও পৰিস্থিতিৰ বুজ ল'বলৈ কটনলৈ আহিছিল। ১৯৭৯-৮৫ ৰ সময়ছোৱাত পৰিস্থিতি অধ্যয়ন কৰিবলৈ যশৱন্ত সিং, ৰাম জেঠমালানি আদি বহু ভব্য গব্য নেতাৰে কটনৰ চৌহদ গিজগিজাই আছিল।

১৯৮৩ চনৰ ২৫ অক্টোবৰত কেন্দ্ৰীয় চৰকাৰে বিদেশী বহিষ্কৰণৰ অৰ্থে IMDT আইনখন সংসদত বিধেয়ক হিচাপে উত্থাপন কৰি কোনো তৰ্ক-বিতৰ্ক বা আলোচনা নোহোৱাকৈ ইয়াক আইন আকাৰত প্ৰৱৰ্তন কৰে। কিন্তু প্ৰশাসনিক ষড়যন্ত্ৰ, ৰাজনৈতিক স্বাৰ্থপৰতা তথা ৰঙাফিটাৰ মেৰপাকে আইনখনিক এক প্ৰহসনত পৰিণত কৰিলে। ফলত বিদেশী বহিষ্কাৰৰ মূল বিষয়টোৱেই অৰ্থহীন হৈ পৰিল। বিশেষ মন কৰিবলগীয়া যে সেই সময়ত লাখ লাখ অবৈধ বিদেশী থকা ভোটাৰ তালিকাৰে অনুষ্ঠিত কৰিবলৈ লোৱা সাধাৰণ নিৰ্বাচনত সমগ্ৰ অসমৰ জনসাধাৰণে নিৰ্বাচন বৰ্জন কৰিছিল। সেই সময়ত কেন্দ্ৰীয় চৰকাৰে অসমৰ জলন্ত সমস্যা সমাধানত গুৰুত্ব নিদি ন্যস্ত স্বাৰ্থৰ বাবে কেৱল অসমতহে এই জনবিৰোধী আইন প্ৰৱৰ্ত্তন কৰে।

এই আইনে বৰ্তমান অসমত লাখ লাখ অবৈধ অনুপ্ৰৱেশ কাৰীৰ স্বাৰ্থ-সুৰক্ষা দিয়াৰ লগতে অসমৰ জনসাধাৰণৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰিছে। যাৰ ফলত অসমৰ সামগ্ৰিক উন্নয়নমূলক কাম বাধা প্ৰাপ্ত হৈছে। সংবাদ মাধ্যমত প্ৰকাশিত ৰ' (RAW) সমীক্ষামতে বৰ্তমান অসমত ৩৫ শতাংশতকৈ বেছি বিদেশী লোক আছে। অথচ চৰকাৰী তথ্যমতে অসমত এজনো বিদেশী নাই। কিন্তু ভোটবেংক খহি যোৱাৰ ভয়ত অসমৰ প্ৰতিখন চৰকাৰে এই কুখ্যাত আইনখন এতিয়াও বলবৎ কৰি আছে। কটনিয়ান সকল ৰাজনৈতিক ভাৱে যথেষ্ট সচেতন বুলি সমগ্ৰ দেশতে খ্যাত। জনগণৰ মাজত ৰাজনৈতিক সজাগতাৰ সৃষ্টি কৰি এই আইনখনৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিবলৈ সমগ্ৰ অসমবাসীয়েই ইয়াৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি স্বতস্ফূৰ্তভাৱে আগবাঢ়ি আহিব লাগিব।

IMDT চুক্তিখনৰ কিছুমান আঁসোৱাহ পূৰ্ণ ধাৰা বা দফা অনুসৰি বিদেশী চিনাক্তকৰণৰ দায়িত্বভাৰ থলুৱা অসমীয়াৰ ওপৰত পৰিল। কোনো অঞ্চলত আজি বিদেশীৰ অনুপ্ৰৱেশ ঘটিলে সেই ঠাইৰ স্থানীয়লোকে প্ৰমাণ সহকাৰে সেই এলেকাৰ আৰক্ষী চকীত গোচৰ তৰিব লাগিব আৰু লগতে একে আৰক্ষী চকীৰ অন্তৰ্গত এলেকাত বাসকৰা অতি কমেও দুইজন ব্যক্তিৰ শপত নামা দাখিল দিব লাগিব আৰু আবেদনৰ লগত অতি কমেও দহটকা আৰু অত্যধিক এশটকাৰ মাচুল গোচৰীয়া জনে দিব লাগিব (IMDT উপধাৰা ২) লগতে আইন সংক্ৰান্তীয় জটিলতা মূৰ পাতি ল'ব লাগিব। অৰ্থাৎ বিদেশীক ৰক্ষণা বেক্ষণ দিয়াৰ সকলো উপকৰণেই এই আইনখনত ৰাখি থোৱা হ'ল। বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ নামত চলা ভেকোভাওনাৰ বাবে অসমত পৰিসংখ্যাগত বিভ্ৰাটৰ সৃষ্টি হ'ল। বহিষ্কৰণৰ কথা সূদূৰ পৰাহত। ভাৰতৰ আন কোনো ৰাজ্যতে এই আঁসোৱাহপূৰ্ণ, বিতৰ্কিত আইনখন প্ৰযোজ্য নহয়।

অসম চুক্তিৰ কথালৈ আহোঁ। অসম চুক্তি অনুসৰি ১/১/৬৬ চনৰ পৰা ১৯৭১ চনৰ ২৪ মাৰ্চলৈকে অন্তৰ্ভুক্ত কৰি অসমলৈ অহা বিদেশী সকলক ১৯৪৬ চনৰ বিদেশী আইনৰ আৰু ১৯৬৪ চনৰ বিদেশী (ন্যায়াধিকাৰ)



আদেশৰ ব্যৱস্থা অনুসৰি চিনাক্ত কৰাৰ কথা দোহৰা হৈছিল। লগতে চিনাক্ত সকলৰ নাম চলিত ভোটাৰ তালিকাৰ পৰা বাতিল কৰাৰ কথা আছিল। ১৯৭৯ চনৰ ২৫ মাৰ্চৰ পাছত অসমত সোমোৱা বিদেশী সকলক আইন অনুসৰি চিনাক্ত কৰি ভোটাৰ তালিকাৰ পৰা নাম বাতিল কৰি বহিষ্কাৰ কৰাৰ যি ব্যৱস্থাৰ কথা কোৱা হ'ল - তাক কোনোধৰণেই কাৰ্যকৰী কৰা নহ'ল। তাৰ বাহিৰেও ৰক্ষাকৱচ আৰু অৰ্থনৈতিক বিকাশ সম্বন্ধীয় বিষয়ত কোৱা হ'ল যে, অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে যথোচিত, সাংবিধানিক, আইনগত আৰু প্ৰশাসনীয় ৰক্ষা কৱচ দিয়া হ'ব। জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ বাবে, অসমৰ তৎকালীন অৰ্থনৈতিক উন্নয়নৰ বাবে পদক্ষেপ লোৱাৰো প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত অসম্পূৰ্ণ গেছ ক্ৰেকাৰ প্ৰকল্প, বগীবিলত ব্ৰহ্মপুত্ৰৰ ওপৰত চতুৰ্থখন দলং নিৰ্মাণৰ লেহেমীয়া গতিলৈ আমি আঙুলিয়াব পাৰোঁ। বাংলাদেশ সীমান্তত যথাস্থানত দেৱাল, কাঁইটীয়া তাঁৰৰ জেওৰা আৰু আনধৰণৰ প্ৰতিবন্ধকতা নিৰ্মাণ কৰাৰ প্ৰস্তাৱ সমূহ শেষত প্ৰহসনত পৰিণত হ'ল। আন্তঃৰাষ্ট্ৰীয় সীমান্ত নিৰাপদ হোৱাৰ সলনি উন্মুক্ত হৈ ৰ'ল। তালাচী চকীবোৰৰ কৰ্মকাণ্ড পুনৰবাৰ সমস্যাৰ কাৰণ হৈ উঠিল। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ কাষে কাষে জনবসতি শূণ্য এলেকাৰ ব্যৱস্থা কৰি এক ৰাস্তা নিৰ্মাণৰ কথাও কোৱা হ'ল। চৰকাৰী মাটি আৰু জনজাতীয় বেষ্টনীৰ আৰু খণ্ডত বেদখল কৰাত বাধা দিবলৈ আইনৰ দফাবোৰ প্ৰয়োগ কৰাৰ কথাও প্ৰস্তাৱ আকাৰে লোৱা হ'ল। বেদখল কাৰীক উচ্ছেদ কৰাৰ নিশ্চয়তা প্ৰদান কৰা হ'ল। বিদেশীৰ স্থাৱৰ সম্পত্তি আহৰণ নিয়ন্ত্ৰণ কৰা আইনবোৰ কটকটীয়াকৈ কাৰ্যকৰী কৰাৰো নিশ্চয়তা দিয়া হ'ল। কিন্তু সকলোবোৰ কিহত পৰিণত হ'লগৈ অসমৰ ৰাইজে জানে। সদৌ অসম ছাত্ৰ সন্থাই অভিযোগ কৰা মতে - **ভাৰত-পাক সীমন্ত কেন্দ্ৰই দুবছৰ সুৰক্ষিত কৰিলেও ভাৰত বাংলাদেশ সীমান্ত ১৫ বছৰেও সুৰক্ষিত নহ'ল**। মুঠতে অসম চুক্তিখনে এখন সোণালী অসমৰ ছবি অংকণ কৰিছিল যদিও বিশেষতঃ ৰাজনৈতিক সদিচ্ছাৰ অভাৱে মূল বিদেশী বহিষ্কাৰৰ বিষয়টোক যেন কবৰহে দিয়ালে।

বানপানী সমগ্ৰ অসমবাসীৰ বাবে আটাইতকৈ বৃহৎ প্ৰাকৃতিক দুৰ্যোগ। এই দুৰ্য্যোগে অসমৰ অৰ্থনৈতিক ৰাজহাড়ডাল বেঁকা কৰি পেলালে। যিসকল লোকক বানপানীয়ে প্ৰতিবছৰে জীয়াতু ভোগাইছে, তেওঁলোকেহে ইয়াৰ আচল যন্ত্ৰণা অনুভৱ কৰিব পাৰে। সমগ্ৰ ভাৰতৰ ভিতৰতে বৃহত্তম ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাই বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনাই আহিছে আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়তো তেওঁলোকে আলোচনা চক্ৰৰ আয়োজন কৰিছে। কটন কলেজ আছু গোটে বানপানীৰ নিচিনা প্ৰাকৃতিক দুৰ্য্যোগত বলি হোৱা জনসাধাৰণৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰি আহিছে। এই উদ্দেশ্যে কটন কলেজ আছু গোটে ছাত্ৰ সন্থাৰ সহযোগত ধেমাজি, লখিমপুৰ, দৰং কামৰূপ জিলাৰ বানপীড়িত অঞ্চলৰ লোকক ঔষধ, কাপোৰ বিনামূলীয়া স্বাস্থ্য-সেৱা, প্ৰদান কৰাৰ লগতে পৰিস্থিতিও বুজ লৈছে। ইয়াৰ স্থায়ী সমাধানৰ অৰ্থে আমি সকলোৱে সন্মিলিত ভাবে এক জাগৰণ গঢ়ি তোলাটো অত্যন্তপ্ৰয়োজনীয়।

অসম ৰাজ্যিক লোকসেৱা আয়োগৰ ভিতৰচ'ৰাত হোৱা সীমাহীন দুৰ্নীতিৰ ক্ষেত্ৰতো কটনিয়ান সকলে সদায় মাত মাতি আহিছে। অসমৰ প্ৰশাসন যন্ত্ৰৰ লাইখুটা হ'ল এই আয়োগ। মাছ সদায় মূৰৰ পৰা গেলিবলৈ ধৰাৰ দৰে অসমৰ এই মূল অংগটোতে হোৱা ভীষণ দুৰ্নীতিৰ বাবেই সমগ্ৰ অসমৰ পৰিবেশ কলুষিত হৈ পৰিছে। আশ্চৰ্য্যজনকভাৱে সকলো ৰাজনৈতিক দলেই এইক্ষেত্ৰত অভাৱনীয় ধৰণে নিমাত। বিভিন্ন ধৰণৰ দুৰ্নীতিত নিমজ্জিত প্ৰাৰ্থী যেতিয়া আমাৰ প্ৰতিনিধি হয় আমি তেওঁৰ পৰা কি ধৰণৰ দুৰ্নীতি মুক্ত প্ৰশাসন আশা কৰিব পাৰো? অথচ সকলো জানি শুনিও অসমৰ জনসাধাৰণে তেনেলোকক বিধানসভালৈ নিৰ্বাচন কৰিলে। দুৰ্নীতি পৰায়ণসকল ধোৱা-তুলসীৰ পাত হৈ ৰ'ল। যেন অবৈধ দুৰ্নীতিক বৈধতাৰ ৰক্ষাকৱচ পিন্ধোৱা হ'ল।

গতিকে অসমবাসী সচেতন হ'বৰ হ'ল। পঞ্জাৱৰ লোকসেৱা আয়োগৰ অধ্যক্ষৰ বাসভৱনত বহু কোটি টকা উদ্ধাৰ হোৱাৰ পিছতে তেওঁক পদবীৰ পৰা বৰ্খাস্ত কৰা হ'ল। লগতে তেওঁ আইনৰ মেৰপাকত বন্দী জীৱন কটাব লগীয়া হয়। অসম বাসীৰ দুৰ্নীতিৰ বিৰুদ্ধে এনে নিমাত - নিতান্ত ভাৱ সঁচাকৈয়ে দুখজনক। এইক্ষেত্ৰত সদৌ অসম ছাত্ৰ সন্থাৰ বাহিৰে আনকোনো ৰাজনৈতিক সংগঠন, বিশিষ্ট বুদ্ধিজীৱী সকল বা চৰকাৰ কোনোৱেই উপযুক্ত পদক্ষেপ লৈছে বুলি ক'ব নোৱাৰি। সেই সময়ৰ কটন কলেজ ছাত্ৰ সন্থাই আয়োগৰ অবাধ দুৰ্নীতিৰ বিৰুদ্ধে সোচ্চাৰ হৈ উঠিছিল। লগতে উপযুক্ত প্ৰাৰ্থী নিযুক্তিৰে হোৱা ব্যাপক দুৰ্নীতিৰ বিৰুদ্ধেও কটনিয়ানসকলে সজোৰে প্ৰতিবাদ জনাই আহিছে। শিক্ষাৰ উদ্দেশ্য হৈছে ছাত্ৰক দেশৰ সু-নাগৰিক কৰি তোলা অথচ ছাত্ৰসকলক শিক্ষাপ্ৰদান কৰা শিক্ষকসকলেই যদি দুৰ্নীতিৰ বাটেৰে আহি শিক্ষাদান প্ৰক্ৰিয়াত সোমাই পৰে, তেন্তে তেনে শিক্ষা ব্যৱস্থাৰ অৰ্থই সাৰশূণ্য হৈ



পৰে। এই ক্ষেত্ৰত সমগ্ৰ অসমৰ জনগণে শিক্ষা ব্যৱস্থাৰ এনে অৱক্ষয়ৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিবৰ হ'ল।

আনহাতে সাহিত্যৰ পথাৰখনৰ ক্ষেত্ৰতো একে কথাই ক'ব পাৰি। ৫০ ৰ দশকত ড০ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, নৱকান্ত বৰুৱা, ড০ ভবেন্দ্ৰনাথ শইকীয়া, ড০ হীৰেণ গোহাঁই, শীলভদ্ৰ, নীলমনি ফুকন, হোমেন বৰগোহাঁই, বীৰেশ্বৰ বৰুৱা, মামণি ৰয়চম গোস্বামী, গৌতম প্ৰসাদ বৰুৱা আদি অলেখ প্ৰতিভাবানৰ সান্নিধ্যত কটন কলেজে সোণালী যুগ উদ্‌যাপন কৰিছিল। মুঠৰ ওপৰত ক'বলৈ গ'লে সেই সময়ৰ প্ৰতিভাবোৰেই বৰ্ত্তমানৰ অসমৰ সাহিত্যক আৰু বৌদ্ধিক চেতনাক বহুলাংশে নিয়ন্ত্ৰণ কৰি আছে। কিন্তু আগৰ সেই সোণালী দিন এতিয়া আৰু নাই। বৰ্ত্তমান কটনৰ সাহিত্যৰ জগতখনৰ ভাৱমূৰ্তিও যথেষ্ট পৰিমাণে নিস্তেজ হৈ পৰিছে।

আকৌ সাহিত্যৰ বৌদ্ধিক চিন্তাচৰ্চাৰ নতুনকৈ বিকাশ ঘটিব বুলি আমি আশা কৰিছো কটন কলেজত নতুনকৈ নিৰ্মিত 'কফি হাউচৰ' পৰা। যোৱা শতবাৰ্ষিকী মহোৎসৱত বিশ্ববিখ্যাত বিজ্ঞানী প্ৰফেচাৰ যশপালে কৈছিল - কটন কলেজত এখন কফি হাউচৰ প্ৰয়োজন। এই অভাৱ এতিয়া আমাৰ পূৰণ হ'ল - কটন কলেজৰ পুৰণি পুথিভঁৰালটো নতুনকৈ মেৰামতি কৰি ৰায় বাহাদুৰ ভুৱন ৰাম দাস ভৱন নামেৰে নামাংকিত কৰি কফি হাউচৰ ব্যৱস্থা কৰা হৈছে। কফি হাউচৰ ভৱনটো উদ্বোধন হ'ব বুলি জানিব পাৰি বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঁইদেৱৰ ইমান পুলকিত হৈছিল যে ভেখেতে ব্যস্ততাৰ মাজতো সকলো এৰি আহি এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে যোগদান কৰি ইয়াৰ প্ৰয়োজনীয়তা, তাৎপৰ্য্য ব্যাখ্যা কৰে। কটন কলেজত বৌদ্ধিক চিন্তা-চৰ্চা, তৰ্ক-বিতৰ্ক, নতুন সাহিত্য সৃষ্টি কৰাৰ বাবে কফি হাউচে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আমি অসমবাসীয়ে আশা কৰিছে।

সাংস্কৃতিক ক্ষেত্ৰটো একেই দশা। কটন কলেজে ভূপেন হাজৰিকা, দিপালী বৰঠাকুৰ, আদি অলেখ স্বনামধন্য সাংস্কৃতিক প্ৰতিভাৰে কটন কলেজ জাতিষ্কাৰ হৈছে। বৰ্ত্তমানৰ কটনে দ্বিতীয়জন ভূপেন হাজৰিকা জাগ্ৰত কৰি তুলিব পৰা নাই, জাগ্ৰত কৰিব পৰা নাই দ্বিতীয় এগৰাকী দিপালী বৰঠাকুৰক। কিন্তু বৰ্ত্তমান কটন কলেজৰ প্ৰাংগণত সংস্কৃতিৰ নামত কিছুমান অপসংস্কৃতিৰ বীজ সোমাইছে বুলি অভিযোগ উঠিছে। পশ্চিমীয়া অন্ধ অনুকৰণৰ দ্বাৰা লালিত-পালিত হৈ এচামলোকে সমস্ত সাংস্কৃতিক পৰিবেশকে দূষিত কৰিছে। সংস্কৃতি এক গতিময় সৃঁতি। আনৰ শুদ্ধ সাংস্কৃতিক উপাদান আদৰি লোৱাৰ আমি বিৰোধী নহয়; কিন্তু ঘৰচিৰিকাৰ দৰে আনৰ বাঁহকে নিজৰ বুলি আঁকোৱালি লোৱাৰো আমি বিৰোধিতা কৰো। এইক্ষেত্ৰত আমি কটনিয়ান সকলে সদায়েই পদক্ষেপ লৈ আহিছো। এনে ধৰণৰ অপসংস্কৃতিৰ মূল উৎখাত কৰিবলৈ কটনিয়ানৰ লগত সমগ্ৰ অসমৰ জনগণ মাৰ বান্ধি থিয় দিয়াটো আমি বিচাৰো।

> ১৯৮৩ চনৰ ২৫ অক্টোবৰত কেন্দ্ৰীয় চৰকাৰে বিদেশী বহিষ্কৰণৰ অৰ্থে IMDT আইনখন সংসদত বিধেয়ক হিচাপে উত্থাপন কৰি কোনো তৰ্ক-বিতৰ্ক বা আলোচনা নোহোৱাকৈ ইয়াক আইন আকাৰত প্ৰৱৰ্তন কৰে। কিন্তু প্ৰশাসনিক ষড়যন্ত্ৰ, ৰাজনৈতিক স্বাৰ্থপৰতা তথা ৰঙাফিটাৰ মেৰপাকে আইনখনিক এক প্ৰহসনত পৰিণত কৰিলে। ফলত বিদেশী বহিস্কাৰৰ মূল বিবৰটোৱেই অৰ্থহীন হৈ পৰিল। বিশেষ মন কৰিবলগীয়া যে সেই সময়ত লাখ লাখ অবৈধ বিদেশী থকা ভোটাৰ তালিকাৰে অনুষ্ঠিত কৰিবলৈ লোৱা সাধাৰণ নিৰ্বাচনত সমগ্ৰ অসমৰ জনসাধাৰণে নিৰ্বাচন বৰ্জন কৰিছিল। সেই সময়ত কেন্দ্ৰীয় চৰকাৰে অসমৰ জলন্ত সমস্যা সমাধানত গুৰুত্ব নিদি ন্যস্ত স্বাৰ্থৰ বাবে কেৱল অসমতহে এই জনবিৰোধী আইন প্ৰৱৰ্ত্তন কৰে।

অতীতৰ কটনিয়ানসকল ৰাজনৈতিকভাবেও যথেষ্ট সচেতন আছিল। সেই কটনিয়ান সকলৰ বহুতেই কেন্দ্ৰীয় মন্ত্ৰী, মুখ্যমন্ত্ৰী, ৰাজ্যিক মন্ত্ৰী আদি হৈ দেশ তথা ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি নিয়ন্ত্ৰিত কৰিছিল। অথচ এতিয়া অনুভৱ হৈছে যেন কটনিয়ান সকলৰ ৰাজনৈতিক সচেতনতা বৰ্ত্তমান সীমিত, স্থুল আৰু স্বাৰ্থ কেন্দ্ৰিক হৈ পৰিছে। অথচ কটন কলেজত সেই সময়ত দলীয় ৰাজনীতিৰ চিনমোকামেই নাছিল।

ক্ৰীড়াৰ দিশত অমনোযোগিতাও লক্ষ্য কৰিবলগীয়া। অতীতৰ কটনে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বহু ক্ৰীড়াবিদৰ উত্থান ঘটাইছিল কিন্তু বৰ্তমানে স্তিমিত হৈ পৰা ক্ৰীড়াৰ পৰিবেশ পুনৰুদ্ধাৰ উদ্দেশ্যেই ১৯৯২ চনৰ পৰা বন্ধ হৈ পৰা ইন্‌ড'ৰ ষ্টেডিয়াম প্ৰকল্পটিৰ কাম শতবৰ্ষৰ লগত সংগতি ৰাখি পুনৰ আৰম্ভ কৰা হৈছিল। কিন্তু এটা পৰ্য্যায়ৰ কাম বাকী থকা অৱস্থাত ইয়াৰ কাম প্ৰায় ১১ মাহ বন্ধ হৈ থাকে। বৰ্ত্তমান পুনৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছে। কটন কলেজৰ অগণণ সমস্যাৰ ইয়াত এটা থূলমূল আভাস দিবলৈ চেষ্টা কৰা হৈছে। এজন কটনিয়ান হিচাপে আমি বিচাৰো কটনে উপৰোক্ত দূৰ্বলতা সমূহ দূৰ কৰি এখন পূৰ্ণাংগ শিক্ষানুষ্ঠান হিচাপে দেশবাসীৰ আগত বুকু কিন্দাই থিয় দিয়ক। কাৰণ শিক্ষাৰ উদ্দেশ্য মাথোঁ ব্যক্তিৰ ব্যক্তিগত কল্যাণ সাধন কৰা নহয়, সমাজৰ সৰ্বাংগীণ উন্নতিৰ লগতহে ইয়াৰ ওতঃপ্ৰোত সম্বন্ধ।

১৯৯২ চনতেই প্ৰয়াত ৰাষ্ট্ৰপতি ড০ শংকৰ দয়াল শৰ্মাই কটন কলেজক "Centre of Excellence" হিচাপে ঘোষণা কৰিছিল। সেই ঘোষণাৰ মান অক্ষুণ্ণ ৰাখিবলৈ আমি সকলো কটনিয়ানে যথাসাধ্য চেষ্টা কৰা উচিত। কটনৰ বুকুৰ পৰা সকলো পংকিলতা আঁতৰাই আমি তাক পৰিণত কৰিব লাগিব এক নিকা, নিৰ্মল তীৰ্থত য'ত মানুহৰ আত্মাৰ, আধ্যাত্মিক জাগৰণ হয়, য'ত শিক্ষাৰ অমৰণ অভগণ বৃক্ষজোপা ফলে ফুলে জাতিষ্কাৰ হৈ পৰে। আমি দোহাৰো পুনৰ সেই উক্তি "As none can stop the natural flow of a river, same way no one can stop the spirit and will of Cottonians." ●

# NATARAJA

**Bahnishikha Dey**
M.A. Final year (Education)

*The Ganga, whose turbulent waters were caught upon the head of Shiva, embodies the Chitshakti (that which is deathless proceeding from heaven to earth).*

Symbol of the creation and de struction of the universe, final release from the bondage of the world, upsoaring spirit of man, is Shiva, the propitious one, in whom all things have their being. Countless, indeed are his manifestations. The finest concept of the deep significance underlying the Indian dance is the manifestation of Shiva as the Nritya-murti(—Supreme dancer.) In ancient sculpture the form flawlessly personified the two fundamental conflicts of creation and destruction, the tenderness and terribleness of the living world.

Shiva - The supreme dancer is also called "Nataraja" The ideal of Lord Nataraja is familiar to everyone. He has four hands, and the left leg is lifted up in a dancing position and this Nataraja statue or ideal is also known as "Natesh Murti"- but this is the South Indian statue of Lord Nataraja. The statue of Lord Nataraja is different in Assam. The Assamese statue of the "Supreme Dancer" has ten hands with ten different weapons in each hand, and here he dances on Nandibrishav with the right leg lifted in a dancing position.

The dance of Shiva represents God's five activities : Srishti (creation), Sthiti (preservation), Laya or Samhara (destruction), Amegraha (protection or salvation, the release from bondage) and Tirobhava (embodiment of the turning of the eternal wheel of life and death). These activities are depicted in Hinduism by the other Gods as Brahma (the creator), Vishnu (the preserver), Rudra (the destroyer), Paramashiva or Maheshwara (the protector) and Sadashiva or Mahanta (the embodiment).

The Ganga, whose turbulent waters were caught upon the head of Shiva, embodies the Chitshakti (that which is deathless proceeding from heaven to earth). From the drum all essential sounds are born and all languages are created. The fire represents knowledge, the lotus upon which Shiva stands is the heart of every man, and Muyalaka upon whom he dances is identifies as the six enemies of enlightenment - Kama, Krodha, Lobha, Moha, Mada, Matsarya - Desire, Anger, Greed, Delusion, Ego and Jealousy. Infact, it is the soul of the individual who struggles to free himself from the inevitable bonds of worldly existence. The lifted foot denotes the freedom of the soul. The frame of fire around the dancing form shows the universe all spring from and returning to the One. The arch and the dancing figure are also interpreted as the Panchakshara (na-ma-shi-va-ya, salutation to Shiva) connected symbolically with the sacred sound Om (ওঁ). The syllable 'Om' which is the symbol of Brahman, stands for the manifested world, the past, the present and the future as well as the unmanifested absolute.

In the bronze of Nataraja in the South, marvellous, indeed is the synthesis of deep philosophy and visual expression. Even today the figures of Nataraja is an inspiring representation in art, of the message of eternal life, serene and absolute.

It is said, "The supreme one dances in the soul, scatters the darkness of illusion (maya), burns all impurities (Karma), stamps down evil thoughts (mala, anava, avidya) showers grace and with compassion seeps the soul in the ocean of bliss (ananda).

And again, "out of the hand that shakes the drum arises creation, protection proceeds from the hand that blesses, from the hand of fire proceeds destruction, the feet upraised gives liberation, the foot placed upon the ground suppresses all darkness."

The dance of Shiva depicts the vigorous, masculine, eternal dance, the creation, maintenance and dissolution of the universe.

# EDUCATION, SOCIAL CHANGE AND COTTON COLLEGE IN THE 20TH CENTURY

*Dr. Lopita Nath*
Deptt. of History

Assamese Society in the 19th and the 20th Century witnessed a new phase of progress and development. This has been attributed by social scientists to be the result of a three fold impact of : (a) British administration and western education; (b) the propaganda and activities of the missionaries; and (c) the impact of the so-called Bengal Renaissance. It is also in the interplay of the three closely related forces of economic, governmental and missionary objectives that a process of social change began to emerge in the region. In this article we shall focus on progress of higher education which brought about social change in Assam and the role of Cotton College therein. Many may question the relevance of this write-up at a time when we are celebrating the centenary of the institution. But we feel that a knowledge of the past, to understand its present and plan for its future is both contextual as well as important, and hence its relevance in today's world.

The introduction of western education and its progress in Assam, was one of the main factors that heralded a social change in the region. It passed from the stage, of religious and secular knowledge in the tols and pathsalas, through the medium of Sanskrit and confined to the priestly classes, scribes and a few confined to the government, to first, the elite and then the masses. In Assam the two main agencies for the spread of education were the : (a) British government and (b) the Christian Missionaries. And as early as 1828 the process of establishing schools began in right earnest. In 1834, Jenkins Government declared education to be a governmental responsibility. And in 1835 an English school was established at Gauhati (Guwahati now). This school had patrons like the Raja of Cooch Bihar, Dayaram Baruah, Juggoram Phukan, The Sadar Amin of Guwahati, who made large contributions for its development. The Gauhati school, as it came to be known, with its increasing enrolment, worked towards the beginning of a new era in the progress of education among the Assamese people.

The spread of higher education in Assam did not receive much momentum till 1864. Early in 1858 The Gauhati school was affiliated to the entrance examination of the Calcutta University and in 1961, two students were successful from the school. However, since 1855 the demand for a college in Assam was raised among the official circles. In 1866, the collegiate section was opened at Gauhati school under Calcutta University. But the expenditure incurred did not compensate the results and the number of successful candidates deteriorated. The government was compelled to close the collegiate school.

The failure of the collegiate experiment did not lessen the demands. That collegiate education was the key by which doors of the offices could be opened was realised by the Assamese elitist class. The movement for the establishment of a college in Assam gained momentum toward the close of the nineteenth century. Under the earnest effort of leaders like Manick Chandra Baruah and the then Chief Commissioner of Assam Sir Henry John Steadman Cotton, the dream of a College in Assam became a reality. On 25th June, 1900, the Government of India gave its approval for the establishment of a socond grade College at Gauhati, on 27th

May 1901, Cotton College was formally inaugurated by Sir Henry Cotton, with F.M. Sudmerson as the founder Principal of the college.

The progress of education and the development of higher education in Assam had its impact on the society of the region. The greatest impact was felt in creating an awareness for education. This awareness for the development of education soon developed into a great enthusiasm. As remarked by Sudmerson at the establishment of Cotton College. "The College was but a tin house .... And the hostel a barrack yet enthusiasm was more potent in things educational than fine buildings .... I doubt if any educational institution in the world has had more anxiety expended upon it by those who were sponsors at its birth, or by those who succeeded to the guardianship." This enthusiasm was apparent when the college showed remarkable success in the university results, leading to its upgradation in 1909.

Education also created an awareness against evil social customs and caste and religious prejudices prevailing in the society. Caste considerations in the matter of food was also prevalent in the Cotton College hostels in the early years. Food for the Hindu hostels had to be prepared by 'twice born' or Brahmin cooks, and when not available the boarders trekked long distances to the Hindu Hotel at Fancy Bazar, Steamer Ghat, to have their meals. Further Hindu and Muslim Boarders were housed in different hostels. Most of the Hindu students of the College were from the upper castes. The spread of higher education among the lower castes and tribal were also very slow. Caste prejudices were also very much rampant in the Hindu hostels, as evident from the embarrassing situation faced by Omeo Kumar Das of a lower caste, who took admission in 1912. But as in many other occasions, Cotton College also stood as a first in battling caste prejudices. Students like Dhaniram Talukdar, Kamaleshwar Baruah, Harnath Barua, Gopi Bezbarua and others helped Das to fight against their prejudices was roommates, Ballabh Hazarika, Girish Chandra Barua and others of higher castes stood by him showing a remarkably progressive outlook by standing against caste prejudices.

The progress of education prepared the ground for the florescence of Assamese Literature. Inspired by the Bengali renaissance and English romantic literature many lyrics, short stories, ballads, novels, plays and articles came to be written. Lakshminath Bezbarua, HemChandra Goswami and others, through their writings emerged as spokesmen for social reform, hitting out against class and caste prejudices, and hypocrisy of the orthodox Assamese Society, and in favour of women's education. Newspapers like Jonaki, Banhi, Mau, emerged as harbingers of a new trend. Cotton College also followed in the same trend. In 1907, three manuscript magazines edited by students emerged - the 'Seuti' in Assamese, 'Arun' in Bengali, and 'Morning' in English. In the same wave the cotton College branch of 'Asomiya Bhaxa Unnati Sadhini Sabha,' and Assam Socio Literacy Club started functioning 'Seuti' emerged as a strong mouthpiece containing articles by noted writers like Dimbeswar Neog. Siddeswar Gohain, and others. Articles written by professors and students of Cotton College were published from time to in 'Jonaki' and 'Banhi'. The mouthpiece of the Assam Student Association 'Milan' had as its editor Dimbeswar Neog. The executive committee of 'Milan' had its meetings in the Cotton College Hindu Hostel. The Cotton College Magazine also served as an important mouthpiece of the students and teachers of the college. These writings ranging from Philosophy, to religion to Social development reflected the role of Cotton College as an institution of social change in Assam.

The period also witnessed a change in attitude in favour of women's education. The near lack of education among women, it was realised, was an obstacle to social change. Although efforts were made by the missionaries, social prejudice stood in the way of a progress in this direction. Even the initiative taken by Gunabhiram Barua and HemChandra Barua, among others were not too successful. But the $20^{th}$ century saw a definite progress in this direction under the aegis of Cotton College. As early as 1924 ($6^{th}$ Sept.) a debating competition was held with the topic - "That the status and occupation of women should be similar to those of men." This was evidence of the change in attitude. But it was only in the thirties (1933) that the first girl students, Ushalata Bhattacharyya and Lila Dewri were admitted to the College. Earlier in 1927, Amol Prabha Das was refused admission on the grounds that there was no provision for co-education in the college. Again in 1929, Sujata Roy, the daughter of Prof. P.C. Roy studied for sometime as an I.A. and B.A. student on special consideration, but went on to complete both

the courses from Calcutta. Although regular enrolment of girls started only in 1933, the trend was a precursor for later developments, when enrolment of girls in the college began to increase day by day. To accommodate the girl students the Sarah E White Memorial hostel was opened in Sept. 1937. In 1940 when Prof. Kamala Roy joined the Deptt. of Botany as the first lady teacher of the College, it was as if the initiative towards women emancipation in Assam had come full circle. Soon girls not only began to participate in College activities but also compete with the boys marking a definite change in an otherwise tradition bound conservative society.

The 20th century which saw the progress of higher education in Assam with the establishment of Cotton College added a new dimension to the social History of the region. Education opened the portals to a new civilization and those who would avail its benefits were charged with a new spirit of nationalism, liberalism and a new attitude to life. An article in the 'Cottonian' of 1941, although written with another matter in view, opines that, there was an 'awakening of a spirit of enquiry and consciousness of criticism in our brothers and sisters" in a society "based upon age-old sanction of tradition and conception of authority". This spirit of enquiry and consciousness was reflected in the change in attitude of the students of the college, specially in their participation during the Freedom Struggle when they rallied "under the common banner of Freedom, peace and progress." During times of common danger.

Yet we cannot ignore the fact that the growth of the college was hampered by the decision not to convert Cotton College into a potential University. It was a great disappointment to the enlightened circle of Assam in general and the staff of Cotton College. Furthermore, as of all the colleges affiliated to the Calcutta University none had greater opportunities of special useful studies : linguistic, literary, historical, archeological, ethnological, economical and geological. A separate University of Gauhati was established in 1948. It was the opinion of many that the conversion of Cotton College to a potential University would have helped a more vigorous academic growth as well as social progress in Assam. Even today this is one of the most cherished hopes of the Cottonians, to see the College as a University in Assam.

However, we cannot deny that Cotton College has stood and is still standing as a movement of Social progress in a land of diverse ethnic, linguistic, social and economic problems. Social awareness reached a new level and a critical spirit emerged in many of the educated helped which to bring Assam into the mainstream of Indian life during the next century. As remarked by Nehru, way back in 1937. " .......... you and I live in an age of transition. The world is passing through a process of complete change and it is upto you, the students ........... to take part, and effect those changes. If we do not think straight we cannot work straight and at a time when the world is at the turning of ways, we require straight thinking, above everything. I want you therefore, young men, to think about the future and the burden that will be upon you, train your mind and body so that although we may have weaknesses, I shall have no doubt that the mind of men, which is a pride of humanity will grow ever and ever" (cottonian, 1938). This remark has a bearing even today in an age of change and rapid globalization, specially for the students of this institution. The role of Cotton College as an institution of social change in Assam, should thus be assessed in an age of conflict and turmoil when many elements of the past and tradition bound society existed side by side with new trends and ideas which were in the process of evolution.

**References :**

1. H.K. Barpujari, (ed), The Comprehensive History of Assam, (Vol.-V) Guwahati, 1993

2. Lopita Nath : 'The progress of Education in Assam in the early nineteenth Century and its impact on the society' Paper presented at a U.G.C. seminar on 'Higher Education and social change in Assam, R.G. Baruah College, Guwahati, January, 2000.

— The impact of Education in the Changing values of the people of Assam in the colonial Period,' Paper presented at the national seminar on Changing Values of Education, Cotton College, Guwahati, January, 2002

— 'The socio- Economic History of Assam in the 18th and 19th centuries : A study of the Transition,' Unpublished thesis, G.U. 2000.

3. Udayaditya Bharali : Hundred years History of Cotton College, Guwahati, 2001

4. Editions of Cottonian

# "সংকল্প গ্ৰহণৰ পৰা সংকল্প ৰূপায়ণলৈ" ঃ এক খতিয়ান

## (শতবৰ্ষ উদ্‌যাপনৰ আঁত ধৰি)

**ভবেশ কুমাৰ নাথ**

সীমাহীন প্ৰত্যাশা আৰু উদ্দীপনাৰে আৰম্ভ হৈছিল ২০০১ চনৰ বছৰটো। চাওঁতে চাওঁতে অহাৰ দৰেই পাৰ হৈ গ'ল সময়বোৰ। বছৰটো। যোৱা এশটা বছৰেই এক নিজস্ব প্ৰজ্ঞাৰে লুইতৰ পাৰত থিয় হৈ আছে এই কটন কলেজ - যাক অলেখ গৰিমা আৰু শাব্দিক অলংকাৰেৰে ওপচাই দিয়া হ'ল। পুনৰ বাৰ এই এশ বছৰীয়া বৃদ্ধৰ(!) ধমনীত যৌৱন-প্ৰাচুৰ্য্য সঞ্চাৰ কৰি তোলা হ'ল; যাৰ জন্মটোতো হয়তো এনে এক প্ৰাচুৰ্য্যয়েই বিৰাজ কৰিছিল। উদ্দাম-উদ্দীপনাৰ মাজতো কিছু বিফলতা আৰু অলেখ সম্ভাৱনাক পুনৰবাৰ পৰীক্ষাগাৰত পৰীক্ষা-নিৰীক্ষা কৰি চোৱা হ'ল। হেজাৰজনৰ স্মৃতি ধূসৰিত এইখন কটন কলেজ। যাৰ জন্মটোও আছিল এখন যেন লতাকটা ৰণ। যোৱা এশটা বছৰত লুইতেৰে বহুত পানী বাগৰি গ'ল যদিও অসমৰ উচ্চশিক্ষাৰ এই মাজুলীত গৰাখহনীয়া হোৱা নাই বুলিয়েই এক মতামত প্ৰায় সকলোৱে পোষণ কৰা দেখা গ'ল। এজনৰ ভাষাত 'লুইতৰ পাৰত সগৌৰৱে আজিও দণ্ডায়মান এই প্ৰাগজ্যোতিষৰ গৌৰৱ।" আৰু কত যে কি? অধিকাংশ গুণগ্ৰাহীকেই যোৱা বছৰটোত বেছ আৱেগিক হৈ পৰা দেখা গ'ল। বিভিন্নতাৰ সমাহাৰ, প্ৰাণোচ্ছলতা আৰু দুৰ্বাৰ প্ৰত্যাশাই হয়তো আছিল যোৱা বছৰটোত কটন কলেজৰ বৈশিষ্ট্য। এক অৰ্থত, যোৱা দুহেজাৰ এক চনৰ বছৰটোক কব পাৰি "সংকল্প-গ্ৰহণৰ বছৰ।" অসমৰ মাননীয় ৰাজ্যপাল শ্ৰী এছ. কে. সিংহ আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ দেৱক মুখ্য পৃষ্ঠপোষক হিচাপে লৈ গঠন কৰা শতবৰ্ষ উদ্‌যাপন সমিতিখনৰ সভাপতি আছিল কটন কলেজৰ অধ্যক্ষ ড০ ৰামচৰণ ঠাকুৰীয়া দেৱ আৰু সাধাৰণ সম্পাদক আছিল অধ্যাপক ড০ সত্যেন্দ্ৰ কুমাৰ চৌধুৰীদেৱ। অধ্যাপক বিশ্বজিত ভাগৱতীয়ে কোষাধ্যক্ষ হিচাপে সেৱা আগবঢ়োৱা মূল সমিতিখনে শতবাৰ্ষিকীৰ বিভিন্ন কাৰ্যাৱলী সুশৃঙ্খলিত ভাৱে সম্পন্ন কৰিবলৈ এক বুজন সংখ্যক ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু শিক্ষকক অন্তভূৰ্ক্ত কৰি মুঠতে বাইছখন বিভিন্ন উপ-সমিতি গঠন কৰিছিল। আনন্দৰ কথা যে, সকলোৰে আন্তৰিক সহযোগত প্ৰত্যাশিত ভাৱেই এই শতবৰ্ষ সফলভাৱে উদ্‌যাপন কৰা হ'ল। শতবৰ্ষ উদ্‌যাপন সমিতিয়ে মূলত তিনিটা দিশত বিভিন্ন কাৰ্যপন্থা হাতত লৈছিল। (১)কলেজখনৰ আন্তঃগাঁথনিমূলক দিশ সবলীকৰণ কাৰ্য্যসূচী (২) শৈক্ষিক তথা বিদ্যায়তনিক কাৰ্য্যসূচী আৰু (৩) শতবৰ্ষ উৎসৱ সম্পৰ্কীয় কাৰ্যসূচী। শতবৰ্ষ উদ্‌যাপনৰ বাবে বছৰ যোৱা কাৰ্য্যসূচীৰ সময় সীমা হিচাবে ২০০১ চনৰ ২৭ মেৰ পৰা ২০০২ চনৰ ২৬ মেলৈকে ধৰা হৈছিল।


আন্তঃগাঁথনি মূলক উন্নয়নৰ বাবে কটন কলেজে ইতিমধ্যেই কেন্দ্ৰীয় চৰকাৰক নন্‌লেপচেবল পুলৰ পৰা অনুদান হিচাপে দিবলৈ এখন পঁচিশ কোটি টকাৰ বিস্তৃত আঁচনি দাখিল কৰিছিল। সেই সূত্ৰে প্ৰথম কিস্তি হিচাবে কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা তিনি কোটিৰ টকাৰ সাহাৰ্য্যৰে প্ৰধানভাৱে কটন কলেজৰ শতবাৰ্ষিকী ভৱন (সূৰ্য্যকুমাৰ ভূঞা পুথিভঁৰাল), বিদ্যাৰ্থী বিকাশ ভৱন, বাণীকান্ত কাকতি ভৱনৰ তৃতীয় মহলা আৰু কলেজ চৌহদৰ স্থায়ীবেৰ নিৰ্মাণৰ কাম সমাপ্ত কৰা হৈছিল। লগতে প্ৰয়োজনীয় আচবাবো এই পুঁজিৰ পৰাই আহৰণ কৰা হৈছিল। অসম চৰকাৰৰ ফালৰ পৰাও কলেজৰ পুৰণা কিছুমান ঘৰৰ মেৰামতিৰ কাম যেনে- কলা গুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহৰ নবীকৰণ, ছাত্ৰ-ছাত্ৰী নিবাসৰ আংশিক মেৰামতি, প্ৰশাসনীয় ভৱনটোত নতুনকৈ ৰং দিয়া আদি কাম সম্পূৰ্ণ কৰা হৈছিল। শতবৰ্ষ উদ্‌যাপন সমিতিৰ অহৰহ প্ৰচেষ্টাত বিভিন্ন ব্যক্তি আৰু অনুষ্ঠান, প্ৰতিষ্ঠানৰ পৰা পোৱা অনুদানৰ দ্বাৰা এখন শতবাৰ্ষিকী তোৰণ, কম্পিউটাৰ আৰু ইন্টাৰনেট সেৱাৰ ব্যৱস্থা আৰু প্ৰথম অধ্যক্ষ চুভ্‌মাৰ্টন চাহাবৰ আবক্ষ মূৰ্ত্তি নিৰ্মাণৰ কাম সম্পন্ন কৰা হৈছিল।

শৈক্ষিক আৰু বিদ্যায়তনিক দিশত লোৱা বিভিন্ন আঁচনি অনুসাৰে প্ৰাক্-শতবাৰ্ষিকী অনুষ্ঠান হিচাপে "Vision of Cotton College in the new millenium" শীৰ্ষক কৰ্মশালা এখনি অনুষ্ঠিত কৰা হৈছিল য'ত কটন কলেজৰ শৈক্ষিক উন্নয়নৰ বাবে কলেজ খনক স্বায়ত্বশাসিত মহাবিদ্যালয়লৈ উন্নীত কৰি শেষত

এক পৰিগণিত বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ মত পোষণ কৰা হৈছিল। ২০০২ চনৰ ভিতৰত কটন কলেজত কম্পিউটাৰৰ ব্যৱহাৰিক শিক্ষাৰ এক এবছৰীয়া স্ব-ব্যয়ী পাঠ্যক্ৰম প্ৰবৰ্তন কৰিবলৈও উদ্‌যাপন সমিতিয়ে আঁচনি প্ৰস্তুত কৰিছিল। উদ্‌যাপন সমিতিৰ উদ্যোগত ইতিমধ্যে প্ৰাক্তন কটনিয়ানৰ সংগঠন (Cotton College Alumni Association) এটি গঠন কৰা হৈছে আৰু শতবৰ্ষ উদ্‌যাপনৰ সময়ছোৱাত প্ৰায় চাৰিহাজাৰ সদস্যই নাম পঞ্জীয়ন কৰিছে। সমিতিয়ে ছিলং, ডিব্ৰুগড়, নগাওঁ, ডিফু, ধুবুৰী, তেজপুৰ, মঙ্গলদৈ, ডুলিয়াজান, আদি প্ৰায় ষোলখন চহৰত প্ৰাক্তন কটনিয়ানৰ পুনৰ-মিলন অনুষ্ঠানৰ আয়োজন কৰিছিল।

**শতবৰ্ষ উদ্‌যাপন ঃ**

বিশেষত শৈক্ষিক আৰু উৎসৱমুখী এই দুটা প্ৰধান দিশ সামৰি শতবাৰ্ষিকী উদ্‌যাপন সমিতিয়ে এক বছৰযোৰা কাৰ্য্যসূচী প্ৰস্তুত কৰি উলিয়াইছিল আৰু চাৰিটা পৰ্যায়ত এই কাৰ্য্যসূচী সমূহ ৰূপায়ণ কৰা হৈছিল। ইতিমধ্যে কটন কলেজত কম্পিউটাৰ আৰু ইণ্টাৰনেট সেৱাৰ লগতে নিজা ৱেবচাইট সেৱাও কেন্দ্ৰটিৰ জৰিয়তে আৰম্ভ কৰা হৈছিল। শতবাৰ্ষিকীৰ উদ্‌যাপনৰ প্ৰথম পৰ্য্যায়ৰ বিশেষ কাৰ্য্যসূচী হিচাপে তিনি হাজাৰ দৰ্শক বহিব পৰাকৈ স্থানীয় জজখেল পথাৰত সজা মঞ্চত যোৱা ২০০১ চনৰ ২৭ মে তাৰিখে উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। সেই অনুষ্ঠানত প্ৰথম অধ্যক্ষ, চুডমাৰ্চনৰ নাতিনীয়েক শ্ৰীমতী গুইনিথ হোৱাইটে ইংলেণ্ডৰ পৰা আহি অংশ গ্ৰহণ কৰিছিল। অনুষ্ঠানত ভাৰতীয় ডাকবিভাগে উলিওৱা কটন কলেজৰ ছবি সংকলিত এক বিশেষ খামো (Special Cover) উন্মোচন কৰা হয়। ২৯ মেত শতবাৰ্ষিকী বক্তৃতা প্ৰদান কৰে আন্তৰ্জাতিক খ্যাতি সম্পন্ন বিজ্ঞানী, শিক্ষাবিদ অধ্যাপক যশপালে। প্ৰথম পৰ্য্যায়ত ২৭ মে তাৰিখে আয়োজন কৰা শতবাৰ্ষিকী দৌৰৰ যাত্ৰা আৰম্ভ কৰিছিল অৰ্জুন বঁটা বিজয়ী প্ৰাক্তন কটনিয়ান মনালিচা বৰুৱা মেহতাই। ২৮ মে'ৰ প্ৰাক্তন কটনিয়ানৰ সমাবেশ আছিল এক আকৰ্ষণীয় কাৰ্য্যসূচী। ২৯ মেত কলেজৰ প্ৰাক্তন



যোৱা দুহেজাৰ এক চনৰ বছৰটোক কব পাৰি "সংকল্প-গ্ৰহণৰ বছৰ।" অসমৰ মাননীয় ৰাজ্যপাল শ্ৰী এছ. কে. সিংহ আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ দেৱক মুখ্য পৃষ্ঠপোষক হিচাপে লৈ গঠন কৰা শতবৰ্ষ উদযাপন সমিতিখনৰ সভাপতি আছিল কটন কলেজৰ অধ্যক্ষ ড০ ৰামচৰণ ঠাকুৰীয়া দেৱ আৰু সাধাৰণ সম্পাদক আছিল অধ্যাপক ড০ সত্যেন্দ্ৰ কুমাৰ চৌধুৰীদেৱ। অধ্যাপক বিশ্বজিত ভাগৱতীয়ে কোষাধ্যক্ষ হিচাপে সেৱা আগবঢ়োৱা মূল সমিতিখনে শতবাৰ্ষিকীৰ বিভিন্ন কাৰ্য্যাৱলী সুশৃঙ্খলিত ভাৱে সম্পন্ন কৰিবলৈ এক বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু শিক্ষকক অন্তভূৰ্ক্ত কৰি মুঠতে বাইছখন বিভিন্ন উপ-সমিতি গঠন কৰিছিল।

শিক্ষক কৰ্মচাৰীৰ পুনৰ-মিলন অনুষ্ঠানৰো আয়োজন কৰা হৈছিল। শতবাৰ্ষিকী উপলক্ষে আয়োজন কৰা শতবাৰ্ষিকী প্ৰদৰ্শনী খন আছিল নিশ্চয়কৈ এক অভিনৱ সংযোজন। ২৮ মে'ৰ শতবাৰ্ষিকী শোভাযাত্ৰাত অসমৰ বিভিন্ন নৃগোষ্ঠী সমূহৰ কলা সংস্কৃতিৰ প্ৰদৰ্শন আছিল আকৰ্ষণীয়। শতবাৰ্ষিকী ভৱনটো ২৯ মেত উন্মোচন কৰিছিল অসমৰ মুখ্য মন্ত্ৰী শ্ৰীতৰুণ গগৈদেৱে আৰু ভৱনটোৰ সন্মুখৰ শতবাৰ্ষিকীৰ তোৰণখন উন্মোচন কৰিছিল অসমৰ মুখ্য সচিব প্ৰণৱ কুমাৰ বৰা দেৱে। চুডমাৰ্চনৰ আৱক্ষ মূৰ্ত্তি উন্মোচন কৰিছিল শ্ৰীমতী গুইনিথ হোৱাইটে। ২৭,২৮ আৰু ২৯ মে' তিনিও দিনতে আতচ বাজী আৰু পোহৰ সজ্জাৰো ব্যৱস্থা কৰা হৈছিল। তিনিও দিনৰ সন্ধিয়াবোৰত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান সমূহত ড° ভূপেন হাজৰিকা, মুম্বাইৰ হৰিহৰণ আৰু জুবিন গাৰ্গ আদি শিল্পী সকলৰ সংগীত পৰিবেশনে উৎসৱটিক এক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। শতবাৰ্ষিকী উপলক্ষে প্ৰথম পৰ্য্যায়ত চাৰিখন গ্ৰন্থ ক্ৰমে Hundred Years History of Cotton College,

Cotton College Centenary Volume, Cotton College at a glance আৰু 'স্মৃতিগ্ৰন্থ' প্ৰকাশ কৰা হয়।

দ্বিতীয় পৰ্যায়ত মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণী ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ তৰ্ক প্ৰতিযোগিতা আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ এখনি আলোচনা চক্ৰও অনুষ্ঠিত কৰা হৈছিল। 'Research Journal of Cotton College" এই সময়তে প্ৰকাশ কৰা হয়। উদ্‌যাপনৰ তৃতীয় পৰ্যায়ত শতবাৰ্ষিকী বিজ্ঞান প্ৰদৰ্শনী, এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰ আৰু ক্ৰীড়া প্ৰতিযোগিতা তথা ক্ৰীড়াবিদক সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। চতুৰ্থ পৰ্য্যায়ত 'শতাব্দী-শিখা' নামৰ স্মৃতিগ্ৰন্থ এখন প্ৰকাশ কৰা হয় আৰু একেদৰে তৃতীয় পৰ্য্যায়তো এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হৈছিল। প্ৰস্তাৱিত বিভিন্ন প্ৰকাশন সমূহ যেনে Picking from the Cottonian, ভাবাঃ চিন্তন আৰু মনন,... আদি কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰা হৈছিল। ভাৰতৰ উপ ৰাষ্ট্ৰপতি কৃষ্ণকান্ত দেৱৰ উপস্থিতিয়ে মহীয়ান কৰা গাম্ভীৰ্য্য পূৰ্ণ অনুষ্ঠানটোৰ কথা কটন কলেজৰ বুৰঞ্জীত খোদিত হৈ ৰ'ব। কটন কলেজৰ নামত ভাৰতীয় ডাক বিভাগে উলিওৱা এটি বিশেষ ডাক টিকট মূল অনুষ্ঠানত উন্মোচন কৰা হৈছিল। প্ৰখ্যাত শিল্পী অভিজিতৰ সংগীত পৰিবেশনো আছিল এই পৰ্য্যায়ৰ আকৰ্ষণীয় দিশ। কলেজৰ মুখপত্ৰ কটনিয়ানৰ শতবৰ্ষ বিশেষ সংখ্যাটি ও ডঃ অমলেন্দু গুহ দেৱে উন্মোচন কৰিছিল।

এই সকলোবোৰৰ মাজেৰেই উদ্‌যাপিত হৈ গ'ল কটন কলেজৰ শতবৰ্ষ। কটন কলেজৰ অধ্যক্ষ ডঃ ৰামচৰণ ঠাকুৰীয়াই ২০০২ চনৰ বছৰটোক কটন কলেজৰ 'সংকল্প ৰূপায়ণৰ বছৰ' হিচাপে ইতিমধ্যে ঘোষণা কৰিছে। শতবৰ্ষ উদ্‌যাপনৰ সময়ত গ্ৰহণ কৰা বিভিন্ন সংকল্প বোৰক বাস্তৱত ৰূপায়িত কৰিবলৈ পূৰ্ণোদমে প্ৰচেষ্টা এই বছৰটোত অব্যাহত ৰখা হ'ল। ইতিমধ্যে এই বছৰটোত প্ৰস্তাৱিত অম্বিকাগিৰি ৰায়চৌধুৰী স্নাতকোত্তৰ ছাত্ৰাবাস, ডঃ টেলিম'ৰিয়ান আও ইন্‌ড'ৰ ষ্টেডিয়াম উদ্বোধন আৰু কটন কলেজৰ মূল প্ৰবেশদ্বাৰৰ আধাৰশিলা স্থাপন অনুষ্ঠান সমাপ্ত হৈছে। লগতে Information and Counselling Centre এটাও ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি কৰা হৈছে আৰু প্ৰয়োজনীয় আচবাবৰ বাবে সম্প্ৰতি প্ৰচেষ্টা হাতত লোৱা হৈছে। পূৰ্বৰ প্ৰস্তাৱ অনুসৰিয়েই কটন কলেজৰ বাবে এটি এককোটি টকাৰ Corpus Fund গঠনৰ প্ৰক্ৰিয়াও আৰম্ভ কৰা হৈছে। কলেজ কৰ্তৃপক্ষই কেন্দ্ৰীয় চৰকাৰক দাখিল কৰা এঘাৰ কোটি টকা সাহাৰ্য প্ৰদান আঁচনিখনত কেন্দ্ৰীয় চৰকাৰে দহকোটি টকাৰ অনুমোদন দিছে যদিও এতিয়ালৈ এই ধন কলেজৰ কৰ্তৃপক্ষৰ হাতত পৰাহি নাই। আশাকৰা হৈছে যে অচিৰেই এই ধন মুকলি হৈ আহিলে প্ৰস্তাৱিত উন্নয়ণমূলক কাৰ্য্যসমূহ সম্পন্ন কৰিব পৰা হ'ব। ইয়াৰ ভিতৰত বিশেষভাৱে ছাত্ৰীনিৱাস নিৰ্মাণ আৰু বিদ্যাৰ্থী বিকাশ ভৱনটিৰ ওপৰ মহলা নিৰ্মাণৰ আঁচনিও সন্নিবিষ্ট হৈ আছে। ইতিমধ্যে পুৰণা পুঁথিভড়ালটিক মেৰামতি কৰি ভূৱনৰাম দাস ভৱন ৰূপে নামাকৰণ কৰি পুনৰ ব্যৱহাৰৰ বাবে উপযোগী কৰি তোলা হৈছে। ইয়াত প্ৰাক্তন অধ্যাপক সকলৰ বাবে আচুতীয়া কাৰ্য্যালয়ৰো ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও কটনকলেজৰ বৰ্তমানে ৰসায়ণ বিভাগ থকা কলেজৰ মূল ভৱনটিৰ মেৰামতিকৰণ আৰু সংৰক্ষণ আঁচনি প্ৰস্তুত কৰা হৈছে। ইয়াৰ উপৰিও কটনকলেজৰ এক দ্বিতীয় প্ৰাঙ্গন (Second Campus) নিৰ্মাণৰ বাবে কলেজ কৰ্তৃপক্ষৰ অনুৰোধ ক্ৰমে চৰকাৰে উত্তৰ গুৱাহাটীত এক বৃজন পৰিমাণৰ ভূমি আবন্টন দিব বুলি আশা কৰা হৈছে। ইতিমধ্যে শতবাৰ্ষিকী উদ্‌যাপনৰ সময়ত গুৱাহাটীৰ ৰূপনগৰত পূৰ্বে আবন্টিত যোল্ল বিঘা ভূমিৰ বেদখল উচ্ছেদ কৰি সেই ঠাইত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ আৱাসগৃহ আৰু কলেজৰ এখনি নিজা খেলপথাৰ নিৰ্মাণৰ আঁচনি হাতত লোৱা হৈছে। বৰ্তমানে কটন কলেজৰ অধ্যক্ষৰ বাস ভৱনটিক এটি Heritage Building লৈ ৰূপান্তৰিত কৰি তাত আৰ্কাইভ আৰু মিউজিয়ামৰ লগতে এটা Heritage Club গঠনৰ আঁচনিও গ্ৰহণ কৰা হৈছে। লগতে সকলো সা-সুবিধা থকা অধ্যক্ষৰ কাৰ্য্যালয় এটিও বাসভৱন সংলগ্ন কৰি নিৰ্মাণ কৰিবলৈ চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ যোজা কৰা হৈছে । এই বছৰৰ পৰা ইতিমধ্যে ৰঘূনাথ চৌধাৰীয়ে ৰচনা কৰি ১৯০১ চনৰ ২৭ মে' তাৰিখে পৰিবেশন কৰা গীতটিক সম্পাদিত ৰূপত "প্ৰতিষ্ঠা দিৱসৰ গীত", শতবাৰ্ষিকী উদ্‌যাপনৰ সময়ত ড° ভূপেন হাজৰিকাই ৰচনা কৰা গীতটোক উদ্বোধনী গীত আৰু কলেজৰ বৰ্তমান অধ্যক্ষ ড° ৰামচৰণ ঠাকুৰীয়াই ৰচনা কৰা গীতটিক "পতাকা উত্তোলনৰ গীত" হিচাপে আনুষ্ঠানিক ভাৱে গ্ৰহণ কৰা হয়। তদুপৰি কটন কলেজত সময়োপযোগী নতুন বিষয় প্ৰবৰ্তন কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ভৱন নিৰ্মাণ আদি কথাও গভীৰ ভাৱে বিবেচনা কৰা হৈছে। এইটো স্বীকাৰ্য্য যে কটন কলেজত আজি এক সংস্কাৰ তথা পৰিৱৰ্ত্তনৰ তাৎক্ষণিক প্ৰয়োজনীয়তা আহি পৰিছে। এই সংস্কাৰ আৰু পৰিবৰ্ত্তনৰ আন্দোলনৰো হয়তো শুভাৰম্ভও হব লাগিব এই কটন কলেজৰ ভিতৰৰ পৰাই। যোৱা এশ বছৰে তথা শতবৰ্ষতো অসমৰ ৰাইজ, শুভাকাংক্ষী, প্ৰাক্তন তথা বৰ্তমানৰ শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীবৃন্দই যি নিষ্ঠা,সততা, আন্তৰিকতা, কৰ্মদক্ষতা প্ৰদৰ্শন কৰি অনুষ্ঠানটিক মহীয়ান কৰি তুলিলে সেইদৰেই পৰৱৰ্ত্তী পৰ্যায়তো এই শিক্ষানুষ্ঠানখনৰ উত্তৰণৰ ক্ষেত্ৰত সকলোৰে গধুৰ দায়িত্ব আহি পৰিছে। কটন কলেজখনক আন নহ'লেও সম্প্ৰতি শৈক্ষিক স্বতন্ত্ৰতাৰ বাটটি মুকলি কৰি দিলে হয়তো অসমৰ মেধাবী ছাত্ৰ-ছাত্ৰীসকলে ভাৰতৰ প্ৰখ্যাত মহানগৰীবোৰৰ উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰত নাম ভৰ্ত্তিৰ বাবে শাৰী পাতিব নালাগিব। এই Brain drain ৰোধ কৰাৰ এটাই হয়তো সম্ভাব্য পথ আমাৰ সমুখত খোলা আছে- সেয়া হ'ল শৈক্ষিক স্বতন্ত্ৰতা প্ৰদানেৰে মহাবিদ্যালয়খনক পৰিগণিত বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাৰ পথটি দৃঢ়তৰ কৰি তোলা। আমি পুনৰবাৰ আহ্বান জনাওঁ অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণে যেন কটন কলেজৰ উত্তৰোত্তৰ উন্নতিত সকলো প্ৰকাৰে সহায়ৰ হাত আগবঢ়ায় আৰু প্ৰয়োজনীয় তথা বাস্তৱমুখী দিহা পৰামৰ্শ আৰু সহযোগিতা প্ৰদানৰ জৰিয়তে অনুষ্ঠানটিক সঁচা অৰ্থত 'উৎকৃষ্টতাৰ কেন্দ্ৰ' ৰূপে জীয়াই ৰাখে। আমি বিশ্বাস কৰো সুস্থ বৰ্তমানেই সুন্দৰ সুস্থ ভৱিষ্যতৰ ইংগিত বহন কৰি আনে। ●

# গল্প গুচ্ছ




| | | |
|---|---|---|
| কাজলী | অঞ্জনাময়া ভেকা পাটগিৰি | ৭১ |
| জীয়ন | প্ৰাঞ্জল শৰ্মা বশিষ্ঠ | ৭৪ |
| জীৱন বাণা | শ্ৰীঅমল কৃষ্ণ ভঁৰালী | ৭৯ |
| কণ্ঠাগত প্ৰাণ | অংগনা চৌধুৰী | ৮২ |
| মই টেলিফোন কৰিবলৈহে আহিছিলো | মূল ঃ গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুৱেজ<br>অনুবাদ ঃ দিগন্ত শইকীয়া | ৮৫ |
| বিক্ষিপ্ত | দেৱপ্ৰতীম হাজৰিকা | ৯২ |
| The Steel Bangle | Ananya Saikia | ৯৬ |
| Kidnapped ! | Mitashree Sharma | ৯৯ |
| সময় নাই | মূল ঃ Alberto Moravio.<br>অনুবাদ ঃ অপৰাজিতা পূজাৰী | ১০০ |
| একক | মূল ঃ চালিম আগা কাৰিলবাশ (উৰ্দু)<br>অনুবাদ ঃ বিজয় শংকৰ বৰ্মন | ১০৩ |
| খিৰিকী মুখৰ আলহী | গুণীন শইকীয়া | ১০৫ |
| অকাল বৈধব্য, প্ৰেম আৰু একাঁজলি বিৰহৰ পাছত | আৰুণি কাশ্যপ | ১০৭ |
| Eternity | Maitrayee Sarma | ১০৯ |




"... কিন্তু একো ঠিক নহ'ল মাৰিয়াক পুনৰবাৰ চাবৰ বাবে তেওঁ বহুবাৰ চেষ্টা কৰিও সফল নহ'ল। ইমান চেষ্টাৰ মূৰত তেওঁ যি কৰিব পাৰিলে সেয়া মাথোঁ এখন চিঠি তাইৰ হাতত পৰাকৈ দিব পাৰিলে তাকো সেইখন নোখোলা নেমেলাকৈ চাৰিবাৰ ঘূৰি আহিছিল। তেওঁ মাৰিয়াক লগ পোৱাৰ আশা ত্যাগ কৰিছিল যদিও নিয়মীয়াকৈ মাৰিয়ালৈ বুলি চিগাৰেটৰ পেকেট পৰ্টাৰৰ কক্ষত দি আহিছিল কিন্তু সেই চিগাৰেট গৈ মাৰিয়াৰ হাতত পৰিছিলগৈ নে নাই সেই কথাৰ সম্ভেদ তেওঁ কোনোদিনে লোৱা নাছিল। অৱশেষত বাস্তৱৰ ওচৰত তেওঁ হাৰ মানিলে। ..." — মই টেলিফোন কৰিবলৈহে আহিছিলো



# কাজলী



অঞ্জনাময়া ডেকা পাটগিৰি

(১)

ফৰিংফুটা জোনাকৰ ঢল গোটেই চোতালত। ওচৰৰ কলগছ কেইজোপাৰ বহল পাতবোৰৰ নিমজ পিঠিত পৰি জোনাকবোৰ উফৰিগৈ ছিটিকি পৰিছে ই'ত ত'ত। অমিতাজোপাৰ পাতবোৰৰ মাজেদি সৰকি অহা জোনাকে চোতালত ছাঁ-পোহৰৰ খেলা খেলিছে। চোতালত যেন দৈত্যৰ হাত এখনহে মেলি থোৱা আছে। দীঘল দীঘল আঙুলি। অস্পষ্ট মায়াবী পোহৰত ডুবিগৈ ছায়ামূৰ্তি এটি স্থিৰহৈ বহি আছে মূঢ়া এটাত। অস্পষ্ট পোহৰতো ক্ৰমান্বয়ে সংখ্যাত বাঢ়ি যোৱা ৰূপালী চুলিবোৰ দেখা গৈছে। মৃদু গতিত জুৰমলয়া বৈছে। আৰু সেই মলয়াত উপঙি ফুৰিছে সুগন্ধি ফুলৰ সুবাস আৰু শুনা নুশুনা মাতেৰে গোৱা এটি গুণগুণনি...

"জোন ফট ফট তৰা লুকাল ক'ত
কপালতে লিখন নাই তোমাক পাম ক'ত....."

(২)

আহকচোন, কাৰনো সেই ছায়ামূৰ্তি কিতেওঁৰ পৰিচয় জানিবলৈ অকনমান আগবাঢ়ি যাও। তেওঁৰ ওচৰলৈ যাব খুজিছে। তেনে ভুল নকৰিব। সি হ'ব আপোনাৰ চূড়ান্ত মূৰ্খামী। তেওঁ কেতিয়াও নজনায় আপোনাক তেওঁৰ কথা। কাকো ভাল মুখেৰে মাতি পোৱা নাই তেওঁ। এটা সৰু ঘটনা কওঁ ৰ'ব আপোনাক। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে আপুনি যদি কেতিয়াবা গোৱালপাৰা মুৱা বাছত উঠি বাঁওফালৰ খিড়িকীকাষত বহি আছে তেন্তে হয়তো সেই বিশেষ ষ্টপেজটোত এখন সৰু অস্থায়ী ভাবে পতা পানৰ দোকান দেখিব (অৱশ্যে দেখিবই বুলি মই খাটাং নহয়) সৰু সৰু বাঁহৰ চাৰিটা খুটিৰ ওপৰত পাতি থোৱা সৰু চাং এখন আৰু তাৰ ওপৰত পান দোকানৰ কাৰণে অপৰিহাৰ্য্য ন্যূনতম পৰিমানৰ বস্তু কেইপদমান। বাছখন সেইদিনাও তাত সামান্য সময়ৰ কাৰণে ৰখোৱা হৈছিল। পানৰ দোকানখন দেখিয়েই যাত্ৰী এজন (খুউব তামুলী) দৌৰাদৌৰিকৈ নামি গ'ল। উদ্দেশ্য পলকতে তামোল এখন মুখত ভৰোৱা। গতিকে পকেটত খুচুৰা পইচা বিচৰা সময়কণৰ ভিতৰতে তেওঁ দোকানীক তামোল এখন বতনাই দিবলৈ ক'লে আৰু সেই মতে এখন হাতেৰে পইচা দি আনখন হাতেৰে তামোলখন লবলৈ বুলি হাত বঢ়াই দিলে। আৰু ঠিক তেতিয়াই ঘটিল অঘটনতো। অসাৱধানতাবশত যাত্ৰীজনৰ হাতখন লাগি চুণৰ পাত্ৰটোৰ পৰা চুণৰ মাৰি ডাল তলত পৰি গোটেইখন ধূলি বালিৰে লেটি খাই পৰিল। সাধাৰণ কথা। কিন্তু পানৰ দোকানী আছিল অন্য বিধৰ। যাত্ৰীজনে চূণৰ মাৰিডাল তুলি চাংখনত থৈ আতৰি আহিব খোজোতেই পানৰ দোকানী জাঙুৰ খাই উঠিল। সাংঘতিক জোৰসনা মাত এটাৰে (ডকাইতৰ লিডাৰৰ মাতটোৰ লেখীয়া) পাণদোকানীয়ে চিঞৰ মাৰিলে - "হেৰৌ কি বুলি ভাবিছ অ'। চূণৰ মাৰিডাল লেতেৰা কৰি এনেকৈ থৈ গলে হবনে অ'। ধুই আনি দে মোক।" যাত্ৰীয়ে থতমত খালে। একেবাৰে সাজু নাছিল তেওঁ তেনেকুৱা পৰিস্থিতিৰ বাবে। তেওঁ আতৰি আহিব খুজিলে কিন্তু পান দোকানীৰ মাতত যিটো জোৰ আছিল সেয়ে যাত্ৰীজনক ধৰাশায়ী কৰি পেলালে। তেওঁ বৈ দোকানীক ক'লে- "হব দিয়া, তুমি ধুই ল'বা।" পিছে নাই, পানৰ দোকানী

আকোৰগোজ। তেওঁৰ কথা হ'ল তেওঁ দোকানখন এৰি চূণৰ মাৰি ধূবলৈ গ'লে দোকান কোনে ৰখিব।। কাৰণ চূণৰ মাৰি ধূবলৈ তেওঁৰ ওচৰত পৰ্য্যাপ্ত পানী নাই। তদুপৰি তেওঁ যাত্ৰীজনক তামোলহে বেচিছে, চূণৰ মাৰি পেলাই তেওঁক অসুবিধাত পেলাবলৈ কোৱা নাই নহয়। ইফালে বাছ এৰো এৰো। চাৰিওফালে দুয়োকে আগুৰি মানুহ গোটখাই গ'ল। সকলোৱে পানৰ দোকানীক বুজালে যদিও একো ফল নধৰিল। উপায় নাপাই যাত্ৰীজনে চূণৰ মাৰিডাল লৈ গৈ অলপ আতৰত থকা চাহৰ দোকানখনত ধুই আনি দিহে ৰক্ষা পৰিল। গণ্ডগোলটো শুনি বাছৰ হেণ্ডিমেনজন নামি আহি কথাটো জানিব পাৰি বাছখন ৰখাইছিল। নহ'লে যাত্ৰীজন সেইদিনা তাতেই বৈ যাব লাগিলেহেঁতেন। কি কৈছে আপুনি? মানুহবোৰেনো পান দোকানীক ইমান অবুজন হ'লেও নিপিটিলে কিয়? হিচাপ মতেতো পাব্লিক ধুলাই হৈ যাব লাগিছিল। আপুনি ঠিকেই সন্দেহ কৰিছে। পান দোকানীৰ বিষয়ে নাজানিলে মইয়ো তাকেই ক'লোহেতেন। আৰু সেই একে কাৰণতে জুম বন্ধা মানুহবোৰেও হাত তুলিবলৈ উৎসাহবোধ কৰা নাছিল পান দোকানীৰ ওপৰত। আনকি সুবিধা পালেই মাৰপিট কৰি ভালপোৱা উৎসাহী চেঙেলীয়া ডেকা কেইটাও পিছ পৰি থাকিল। অন্ততঃ মাইকীমানুহৰ ওপৰত হাত উঠোৱাৰ পৰা নিজক বিৰত ৰখাৰ ভদ্ৰতাকন সিহঁতে জানে। তদুপৰি হাত উঠাবলৈ যোৱাজনৰ সাহটোও কম হব নালাগিব। কাজলী গুচি 'ৰাউনী' হোৱাৰ ৰহস্যটোও সেইখিনিতে। এৰা, পানদোকানখনৰ গৰাকী আন কোনো নহয় কাজলী, দুৰ্ভাগ্যৰ লগত যুঁজাৰ অনন্ত শক্তিৰ গৰাকিনী। পিছে কাজলী নামটো এতিয়া আৰু তাইৰ লগত খাপ নেখায়, এতিয়া তাইক চৰেই ৰাউনী (মুখৰা) বুলিয়েই জানে।

কিমান বয়স হ'ল বাৰু কাজলীৰ? চুলিত ৰূপালী ৰঙে মৰমৰ পৰশ পেলাইছে। তেওঁৰ চকুৰ সন্মুখতে জন্ম হৈ ধূলিত লেটিলে দৰা কইনা খেল খেলা তেওঁৰ কোলাই বোকোচাই ডাঙৰ হোৱা কিমানজনী ছোৱালী গাভৰু হ'ল। সংসাৰ পাতি ল'ৰা ছোৱালীৰ মাক হ'ল। আৰু কাজলী আজিও অবিবাহিতা। কিয়? হওতে কাজলীৰ বিয়াও হৈছিল শেষত। সিও এক অন্য অধ্যায়। আহক মই আপোনাক তাকেই কম।

(৩)

বিনোদ পানীকেচুৱা হৈ থাকোতেই কাজলীৰ বিয়াৰ বয়স পাৰ হৈছে। বিনোদৰ মাক তাইতকৈ বহুত সৰু। তাইৰ কিন্তু বিয়া হোৱা নাই। তাৰ বাবে তাইৰ কোনো আক্ষেপো নাই। গাঁৱৰ সৰু সৰু ল'ৰা ছোৱালী সোপালৈ কাজলীৰ অপাৰ চেনেহ। নিজৰ নহ'লেও এই ল'ৰা ছোৱালীজাকৰ নিৰ্মল পবিত্ৰ প্ৰাণবোৰৰ পৰশত কাজলী হৈ উঠে অপাৰ চেনেহময়ী। জীৱনৰ সকলো নিষ্ঠুৰতা পাহৰি তাই সিহঁতৰ মাজত নিজকে উটুৱাই দিয়ে। বিনোদলৈ তাইৰ মৰম আনবোৰ ল'ৰা ছোৱালীতকৈ সুকীয়া। বিনোদৰ মাজত কাজলীয়ে বিচাৰি পায় তাইৰ অতীত আৰু ভৱিষ্যৎ জীৱনৰ অৰ্থ। দুৰ্ভগীয়া জীৱনটো অৰ্থময় হৈ উঠে। প্ৰাণ পাই উঠে নিৰস শুকান মৰহি খোৱা অনুভুতিবোৰ। জীপাল হৈ উঠে মৰুময় বুকু। কিনো আছে বিনোদৰ মাজত? বিনোদৰ মুখখনলৈ চাই তাই থৰ লাগি ৰয়। ক'ব নোৱাৰাকৈয়ে তাৰ মুখখন যেন কাৰোবাৰ লগত মিলি গৈছে। তাই তালৈ চাই থাকোতেই তাইৰ দুচকুত কোমল মুখখন পুষ্ট হৈ উঠে। লাহে লাহে মুখখনত অন্য এখন মুখ ভাঁহি উঠে। তাই চিনি পায়। সেয়া গুণীন মাষ্টৰ। বিনোদহঁতৰ সম্বন্ধীয়া। মাজতে তাই এদিন শুনিছিল ওচৰৰ গাওঁখনলৈ কোনোবা এটা পগলা হেনো আহিছিল। দুদিন মান পিছতে আকৌ নোহোৱা হ'ল। পগলাটোৱে হেনো খুউব ধুনীয়াকৈ বিহুগীত গায়। শুনিয়েই তাই দৌৰি গৈছিল। কিজানি সেয়া গুণীণ মাষ্টৰেই। তাইক বুজি পোৱা, তাইক মৰম কৰা সেই বিশাল হৃদয়ৰ ডেকাজন। উস! কি নিকৰুণ পৰিণতি। হৃদয়ত তাইৰ শত হাহাকাৰ লাগে। তাইক যে গুণীণ মাষ্টৰে ভাল পাইছিল। কাজলী দেখিবলৈ ধুনীয়া নাছিল। মুখখনলৈ এবাৰ চালে দ্বিতীয়বাৰ চাবলৈ মন নাযায়। কিমান ঠাট্টা মস্কৰা শুনি শুনি তাই ডাঙৰ হৈছিল। কুৰূপা হৈ জন্ম হোৱাটো যেন মহাপাপ। আনকি মাক বাপেকেও তাইক দেখিব নোৱাৰিছিল পিছলৈ বিয়া দিয়াত অসুবিধাত পৰে বুলি। পঢ়া-শুনাত কাজলী ভালেই আছিল। কিন্তু স্কুললৈ গৈ মেট্ৰিকৰ ডেওনাখন জপিয়াবলৈ লওঁতেই তাইৰ দুৰ্ভগীয়া জীৱনটোৰ প্ৰেৰণাৰ চাকিগছি নুমাই গ'ল। সকলোৰে পৰা অনাদৰ অৱহেলা পাই পাই ডাঙৰ হোৱা কাজলী খিঙখিঙীয়া হৈ উঠিছিল। তাই কাকোকে মিঠা মুখেৰে নামাতিছিল। আৰু সেইবাবে চৰেই তাইক ৰাউনী বুলি জোকাইছিল। একমাত্ৰ গুণীণ মাষ্টৰত বাদে। দেখাই শুনাই ধুনীয়া আটাইতকৈ সুৰীয়াকৈ বিহুগীত গাব জনা ডেকাজনে কিন্তু কোনোদিনে কাজলীক জোকোৱা নাছিল বৰং তাইক পঢ়ি শুনি ভাল মানুহ হ'বলৈ উৎসাহ দিছিল। মৰম কৰিছিল তাইক বহুত বেছি। আৰু সেইটোৱে তাৰ কাল হ'ল। গুণীণ মাষ্টৰ আছিল গাঁওখনৰ আটাইতকৈ বেছিকৈ পঢ়া শুনা কৰা গুণী ল'ৰা। তাতে মাষ্টৰ। গতিকে কন্যা দায়গ্ৰস্ত পিতৃমাতৃৰ টিকাৰ আছিল। গাঁৱৰ আনবোৰ ধুনীয়া ধুনীয়া গাভৰুক এৰি সি কাজলীৰ দৰে ছোৱালী এজনীক মৰম কৰা, গুৰুত্ব দিয়া কথাটো কোনেও ভাল চকুৰে চাব পৰা নাছিল। তাইৰ পঢ়া-শুনা সি নিজেই আগ্ৰহেৰে চাই দিছিল আৰু তাৰ উৎসাহত প্ৰেৰণাত কাজলীও আগবাঢ়ি গৈ আছিল, কিন্তু তাই মেট্ৰিক দিয়াৰ বছৰতে ঘটিল সেই ভয়ংকৰ ঘটনাটো। কোনোবা হিংসুক মানুহৰূপী জানোৱাৰে তাক হেনো কিবা আহুদি খুৱালে। গুণীণ মাষ্টৰৰ মস্তিষ্কৰ বিকৃতি ঘটিল। দুদিনমান বলিয়ালি কৰাৰ পিছত সি গাওঁ এৰি গুচি গ'ল ক'ৰবালৈ। পৰি ৰ'ল কাজলী।

দুৰ্নিবাৰ গতিত সময়বোৰ পাৰ হল। কাজলীৰ বয়স বাঢ়িল। কাজলী হ'ল ঘৰ বুঢ়ী। অনাদৰৰ মাত্ৰা চৰিল। আৰু সৰুৰে পৰা জেদী আৰু খিঙখিঙীয়া হৈ উঠা কাজলীয়ে বাৰীৰ চুকত অকলে ঘৰসাজি থাকিবলৈ ল'লে। বুকুত গুণীণ মাষ্টৰৰ কাহানিবাই অতীত হৈ যোৱা মৰমৰ প্ৰেৰণা আৰু বাহিৰৰ উগ্ৰৰূপটোৱে কাজলীয়ে জীৱন নাওৰ বঠা অকলে বালে। বাৰীৰ পাণ-তামোল শাক পাচলি বেচি খোৱা সাজ যোগাৰ কৰে। সামান্যতমো অন্যায় সহিব নোৱাৰে। কাৰো ওচৰত শিৰ নত নকৰে। কাকো ভাল মুখেৰে নামাতে। কাজলীৰ বাহিৰৰ এই উগ্ৰৰূপটোৰ আঁৰত লুকাই থকা সুকোমল যন্ত্ৰনাময় অন্তৰখনৰ সম্ভেদ পায় অকল বিনোদে। গুণীন মাষ্টৰৰ মুখখনৰ লগত কৰবাত মিল থকা বিনোদক কাজলীয়ে অন্তৰ উজাৰি মৰম কৰে। সিও কাজলীক ইটো সিটো কৰি দি সহায় কৰে। তাইৰ অকলশৰীয়া জীৱনটোৰ সাৰথি হ'বলৈ ধৰে। সি সদায় যায় কাজলীৰ ওচৰলৈ। জোনাক ৰাতি অকলশৰে চোতালত বহি কাষেবাক ধিয়াই কাজলীয়ে গোৱা গানৰ কলি শুনে অকল বিনোদে। জোন ফট ফট তৰা লুকাল ক'ত...........

নতুনকৈ ডেকা হোৱা বিনোদৰ দুচকুত ভাঁহি উঠে তাৰ দৰে দেখিবলৈ একে গুণীন মাষ্টৰৰ ছবিখন। লাহে লাহে সি নিজকে গুণীন মাষ্টৰ বুলিয়ে

ভাবিবলৈ ল'লে। বাহ্যিক সৌন্দৰ্য্যক গুৰুত্ব নিদিয়া অন্তৰৰ স্বৰ্গীয় সৌন্দৰ্য্য টিনি পোৱা গুণীণ মাষ্টৰৰ সত্বাটো যেন বিনোদৰ মাজত প্ৰকট হৈ উঠে। ক'ব নোৱাৰাকৈয়ে সি কাজলীৰ ওচৰ চাপি যায়... ওচৰ আৰু ওচৰ। হেৰাই যায় তাৰ মনত বয়সৰ ব্যৱধান।

(৪)

গোটেই গাঁৱত কথাটো বু বু বা বা হৈ বিস্ফোৰণ হোৱাৰ পৰ্য্যায় পালেগৈ। দুকুৰিৰ যৰ চুই নাবালক ল'ৰাৰ লগত প্ৰেম। ছিঃ ছিঃ। ফুকলীয়া ল'ৰাটো অধঃপাতে গ'ল। কাজলীয়ে বিনোদক তাইৰ ওচৰলৈ আহিবলৈ মানা কৰে। কথাটো বৰ বেয়াকৈ লৈছে মানুহবোৰে। তাই বুজি নাপায় কিয় মানুহে হলা গছতে বাগি কুঠাৰ মাৰিব চায়। ঘিণ লাগি যায় তাইৰ মানুহবোৰলৈ। ইমান নীচ্ সংকীৰ্ণ মনৰ মানুহবোৰ। এৰাবাৰীৰ ভুতুনীহে তাই অকলশৰে কিমান যন্ত্ৰণা বুকুতলৈ কিমান নিশা সাৰে আছে তাৰ হিচাপ লবলৈ কাৰো আহৰি নাই। অথচ তাইৰ মৰমৰ টানত তাইৰ যন্ত্ৰণাবোৰ বুকুপাতি লবলৈ অহা বিনোদৰ ওপৰত বদনাম জাৰিবলৈ সীমাহীন সময় পায় সিহঁতে। তাই জানে বিনোদে অত্যন্ত ভাল পায় তাইক। সেই সৰুৰে পৰা তাৰ আত্মীয়তা তাইৰ লগত। কাজলীয়ে সকলো ল'ৰা ছোৱালীকে মৰম কৰে। সিহঁতৰ নিষ্কলুষ পৃথিৱীখনকহে কাজলীয়ে ভাল পায়। উদঙাই দিয়ে তাইৰ বাহিৰৰ উগ্ৰৰূপৰ আৰত লুকাই ৰখা মৰমেৰে উপচা কলিজাটো। কিন্তু এক নিৰ্দিষ্ট বয়সলৈহে। কাৰণ ডাঙৰ মানুহৰ ওপৰত তাইৰ সমূলি আস্থা নাই, নাই বিশ্বাস। শাৰীৰিকভাৱে দুৰ্বলী নাৰীয়ে পুৰুষৰ আশ্ৰয়ত নাথকিলে কি ভীষণ সংগ্ৰাম কৰিব লাগে কাজলীয়ে তিলতিলকৈ শিকিছে। তাইৰ দুৰ্ভগীয়া জীৱনটোৰ পৰা। সেইবাবেই তাইৰ বাহিৰৰ উপৰুৱা উগ্ৰ আৱৰণ। তীব্ৰ বাক্যবানত থৰ কাচুটি হেৰায় অবলা নাৰীৰ সোৱাদ লব বিচৰা মুখঢকা কাপুৰুষবোৰৰ। তাই ভালকৈ চিনিপায় মানুহ। গতিকে ল'ৰা-ছোৱালী ডাঙৰ হ'লেই তাই সিহঁতক আতৰায় পঠিয়াই তাইৰ নিজান নিঃসঙ্গ পৃথিৱীখনৰ পৰা। কিন্তু সৰুৰে পৰা তাইক ইটো সিটো কৰি দিয়া লাগ বুলিলেই হাততে পোৱা বিনোদক তাই ডাঙৰ হোৱাৰ পিছতো এৰিব নোৱাৰিলে। অকল সৰু ল'ৰা ছোৱালীৰ দুচকুতহে ধৰা দিয়া কাজলীৰ অপাৰ চেনেহময়ী ৰূপটো বিনোদৰ দুচকুত সলনি নোহোৱাকৈয়ে থাকি গ'ল। তাৰ লগে লগে সি বুজিব পৰা হ'ল কাজলীৰ যন্ত্ৰণাময় পৃথিৱীখন। শুনিব পালে জোনাকৰাতি হৃদয় গলি ছিঙি ভাঙি নিগৰি ওলোৱা সেই গানৰ কলি "জোন ফট ফট .......' অনুভৱ কৰিব পাৰিলে গুণীণ মাষ্টৰ নামৰ দুৰ্ভগীয়া ডেকা জনৰ উপস্থিতি এখন হৃদয়ত। আৰু তেনেকুৱাতে এক অবাঞ্চিত ঘটনা ঘটি গ'ল। কাজলীৰ নিষ্কলুষ মৰমবোৰৰ ওপৰত জঘন্য চেকা সানি দিয়া হ'ল। অবৈধ সম্পৰ্কৰ নাম দি কাজলীক বিনোদৰ হাতত ধৰি বান্ধি গতাই দিবলৈ ৰাইজমেল বহিল। ধনীৰাম গাওঁবুঢ়াৰ নিৰ্দেশতে সকলোবোৰ ষড়যন্ত্ৰ গঢ়ি উঠিল। হাত উজান দিলে বংশী মাষ্টৰ মানিক সত্যেনহঁতৰ দৰে ধনীৰামৰ চুৰা চেলেকা সোপাই। মেলত সেইদিনা কাজলী বাৰুকৈয়ে উগ্ৰ হৈ উঠিছিল। অবাইচ মাতৰ ফুলজাৰীত হয়তো কোনোৱে তাত তিষ্টি থাকিব নোৱাৰিলেহেঁতেন। কাৰণ কোনো পুৰুষৰ দুবাহুৰ আশ্ৰয়ত নথকা কাজলীৰ ওচৰত অকলশৰীয়া ৰাতিবোৰত কোনবোৰ মানুহে টুকুৰিয়ায় তাৰ হিচাপ সঠিক ৰূপত আছিল। দিনৰ পোহৰত সমাজত ভাল বোলাই থকা ব্যভিচাৰীবোৰৰ পৰা ৰাতি গা বচাই চলাটো কি ভয়ংকৰ সমস্যা হৈ উঠে তাক কাজলীয়ে বুজি পায়। তেনেবোৰ মানুহক চিনি পায় বাবেই তাই সিহঁতে জপা অন্যায় অবিচাৰ মূৰ পাতি লবলৈ ৰাজি নহ'ল। সিহঁতৰ মুখা খুলি দিবলৈ তাইৰ শক্তি আছে। তাই ক'ব লুকঢাক নকৰাকৈ কিন্তু বিনোদৰ কথাত তাই ৰৈ যাবলৈ বাধ্য হ'ল। তাই থৰ লাগি ৰৈ গ'ল তাৰ কথা শুনি। কি কয় এই ল'ৰাটোৱে... ? অঁ' সি হেনো কাজলীক বিয়া কৰাব। তাইৰ কষ্টবোৰ সি গুচাবই। সি তাইক সহায় কৰা বাবেইতো তাইৰ ওপৰত মানুহবোৰে ইমানবোৰ বদনাম জাপি দিছে। সেই বদনাম সি আতৰাব। কাজলীক আলৈ আথানি হবলৈ সি এৰি নিদিয়ে। তাৰ কথা শুনি কাজলী আঠুকাঢ়ি বহি গ'ল। সম্ভৱনে, সম্ভৱনে ? বিনোদৰ লগত তেনে এটা সম্পৰ্ক ? তাইৰ বাবে ? তাইৰ মুখৰ মাত হেৰাই গ'ল। কোনোদিনে কাৰো ওচৰত অৱনত নোহোৱা কাজলীযে মুখঢাকি কান্দি দিলে। বিচাৰৰ ৰায় হ'ল। কাজলীক বিনোদৰ হাতত গতাই দিয়া হ'ল। ধনীৰাম গাওঁবুঢ়াই বিজয়ৰ হাঁহি মাৰিলে। কাজলীৰ ওপৰত তেওঁৰ পূৰণি আখেজ আজি উজৰা হ'ল। এদিন ভালকৈয়ে অপদস্থ হৈছিল তেওঁ কাজলীৰ গাত হাত দিবলৈ গৈ। মানুহবোৰ দিহাদিহি গ'ল দুয়োকে এৰি থৈ বিনোদ কাজলীৰ ওচৰলৈ আহিল। কিন্তু সি তাইৰ কাষ পোৱাৰ লগে লগে তাই উগ্ৰমূৰ্তি ধৰি তাৰ ডিঙিত ধৰি গতা মাৰি দি ক'লে - সি যেন আৰু কাহানিও তাইক মুখ নেদেখুৱায়। নালাগে তাইক হেৰাই যোৱা গুণীণ মাষ্টৰ। তাইৰ বুকুৰ মাজতে আছে সেই ৰূপ আৰু চিৰকাল থাকিব। ইমানদিনতো তাই অকলেই চলিছে। দৰকাৰ নাই বিনোদৰ। তাই আজি হাৰি গৈছে। তাৰ বাবেই মানুহৰ ওচৰত। নাই, নাই হব নোৱাৰে। তাই জিকি যাব। অকলেই জিকি যাব। তাৰপিছত তাক একো কোৱাৰ সুযোগ নিদিলে। তাই ঘৰলৈ লৰ দিলে।

(৫)

তাৰপিছত কাজলীৰ কি হ'ল বিনোদে ক'ব নোৱাৰে। সেইদিনা সি আৰু কাজলীৰ মুখ দেখুৱাবলৈ সাহ গোটাব নোৱাৰিলে। গোটেই ৰাতি উজাগৰে থাকি পুৱতি নিশাই সি চহৰ পালেহি। আজি ছবছৰ সি অ'ত ত'ত খুন্দা খুন্দলি খাই বহেমিয়ান জীৱন কটালে। তাৰ মাজতে সি গাড়ীৰ ষ্টিয়াৰিং পকাবলৈ শিকিলে আৰু এবছৰে আমাৰ গাড়ীখনৰ ড্ৰাইভাৰ হৈ আছেহি। আজৰি সময়ত মই তাৰ লগত ইটো সিটো কথা পাতো। তজবজীয়া ডেকা ল'ৰাটোৰ দুচকুত ইমান উদাসীনতা দেখি তাৰ কাৰণ সুধি তাক পেষেনিয়াই থাকো। ঘৰৰ কথা সোধো। অৱশেষত মই যেতিয়া তাক এজনী চপাই লবলৈ নেৰানেপেৰাকৈ ধৰিলো সি তাৰ জীৱনৰ এছোৱা উদঙাই দিলে। মোৰ আগতে বাৰাণ্ডাৰ তলৰ ষ্টেপটোত বহিলে উদাস উদাস লগা মাতটোৰে সি কোৱা কথাবোৰ শুনি কেনে লাগিল ক'ব নোৱাৰিলো। দুচকুত ভাঁহি উঠিল সেই ছায়ামূৰ্তিটো। জোনাক ৰাতি ছাঁ পোহৰৰ মাজত বহি ৰূপোৱালী চুলি মেলি তাই যেন হিয়া ভঙা কণ্ঠেৰে গাইছে সেই গানৰ কলি ঃ "জোন ফট ফট....."। বতাহত উটি আহিছে সেই কৰুণ সুৰ। দুৰ্ভগীয়া বিৰহিনীৰ।

"বাইদেউ, মই এইবাৰ গাঁৱলৈ উভতি যামগৈ। কাজলীৰ ওচৰলৈ।" তাৰ মাত শুনি মই চকখাই গ'লো। সি ইতিমধ্যে থিয় দিছিল। মই থতমত খাই ক'লো, - "কাজলীয়ে তোক জানো মাফ কৰিব বিনোদ ?" সি ক'লে- " মই বিনোদ হৈ নহয়, গুণীণ মাষ্টৰ হৈ তাইৰ ওচৰলৈ যাম। গুণীণ পগলা হৈ।" কৈয়েই সি তলমূৰকৈ জপং জপংকৈ পদূলিয়েদি ওলাই গ'ল। মই চিএঞৰিব খুজিও ৰৈ গ'লো। কেৱল তালৈ চাই থাকিলো.. সি গৈ থাকিল। লাহে লাহে মোৰ দুচকুৰ পৰা তাৰ উদাস ৰূপটো হেৰাই গ'ল। তাৰ পৰিবৰ্তে দেখিলো ফটাছিটা সাজ পিন্ধা মূৰত বিহ্বান মৰা হাঁহি মুখীয়া ডেকা এটা গৈ আছে। জোনাকে ধোৱাই নিয়া চোতালখনলৈ। কাজলীৰ ওচৰলৈ। সেয়া বিনোদ নে গুণীণ মাষ্টৰ মই ধৰিব নোৱাৰিলো। ●



# জীয়ন

প্ৰাঞ্জল শৰ্মা বশিষ্ঠ

ছাগল-লাদুৰীৰ গছজোপা লমালমে লাগিছিল। বাৰীখনত ঘূৰি ফুৰোঁতে কৃষ্ণহঁতে গছজোপা দেখি উৰ্কলিকৃস্ত হৈ গছজোপাৰ ওচৰলৈ দৌৰ মাৰিলে আৰু ঠানি এটা হলাই আনি ছাল-লাদুৰীবোৰ ছিঙিবলৈ আৰম্ভ কৰিলে। সিহঁতৰ মনবোৰ পকা ফলবোৰৰ দৰেই ৰঙা হৈ পৰিল। উৎসাহৰ আতিশয্যত এটাই জুনজুনীয়া ঠানি এটা লৈ জঁপিয়ালে। ঠানিটো ভাগি গ'ল আৰু ল'ৰাটো হামখুৰি খাই পৰিল। বাকীকেইটাই তাকে দেখি ক্ষণিকৰ বাবে আনন্দতে চিএঁৰি উঠিল আৰু পাছমূহূৰ্ততে চিএঁৰ বন্ধ কৰি তাক তুলিবলৈ চেষ্টা কৰিলে। ঘপৰাই থিয় হৈ ল'ৰাটোৱে কৈ উঠিল- সি দুখ পোৱা নাই, তাৰ একো হোৱা নাই।

জঁাৰিলি বাঁহনিৰ ফাঁকেৰে টুকুৰা-টুকুৰ ৰ'দ সৰকি পৰিছিল। পঁচা বাঁহপাতে ঠাইখিনি পিছল কৰি তুলিছিল। কৃষ্ণহঁতে অতি সাৱধানে খোজ দি ইফালে-সিফালে ঘূৰি ফুৰিছিল। গছৰ শুকান সৰা পাতবোৰৰ তলত সাপ-কোপ আছে যদি সেই ভয়টোৱেও সিহঁতক পীড়িত কৰি ৰাখিছিল। বাঁহনিখনত পোহৰ বাঢ়ি আহিছিল। দুপৰীয়াই হ'ল। সিহঁতৰ মনবোৰ দুখাৰ্ত হৈ পৰিল। সিহঁতে শিয়াল মাৰিবলৈ আহিছিল। শিয়ালতো বাদেই, ক'তো এটা কেৰ্কেটুৱাৰো দেখাদেখি নাই। শিয়ালবোৰে আজিৰ দিনটোৰ তাৎপৰ্য্য গম পালে নেকি?

কৃষ্ণই আজি আন্ধাৰে পোহৰে সাৰ পাইছিল। আজি গৰু বিহু। কাবৰে ইন্দ্ৰদাক কৈ কালিয়েই সি মাখিয়তী আৰু নাহৰৰ পাত লৈ আহিছিল। ইন্দ্ৰই এবোজা মাখিয়তী আৰু নাহৰৰ ঠানি ক'ৰবাৰ পৰা আনি থৈছিল। লাও, বেঙেনা - এইবোৰ ঘৰতে আছে। কৃষ্ণহঁতৰ গৰুৰ সঁচেই নাই, কিন্তু ছাগলী এজনী আছে। দুপৰীয়া ছাগলীজনীক বাৰীৰ খালত ধুৱাই আনিব লাগিব। তাক পিতাকে কৈছিল- ছাগলীৰ কাণত পানী যদি সোমাল, তেতিয়াহলে ছাগলী শেষ। দুপৰীয়া তাক মাকে বিহুৱান দিব। সি যে ডাঙৰ ল'ৰা- অৱশ্যে তাৰ ভনীয়েকজনীক সেইহলেহে বিহুৱান দিব। ঘৰৰ ডাঙৰ ল'ৰা ছোৱালীক গৰু বিহুৰ দিনাই বিহুৱান দিয়া হয়। পুৱাৰে পৰা সেই কাৰণে কৃষ্ণৰ মনটো ভাল লাগি আছিল। তাতে দুপৰীয়াৰ আগে আগে তাৰ পিতাকো পামৰ পৰা আহি পাব।

পুৱা আঠ বজাতেই ভাত খাই সি মুৰ্তি সজাত লাগিল। সি অ'ৰপৰা ত'ৰপৰা কেঁচুমটা বিচাৰি আনে আৰু মুৰ্তি সাজি ৰ'দত শুকুৱায়। সি তাৰ খুড়াকক দেখি দেখি মুৰ্তি সাজিবলৈ শিকিছে। তাৰ খুড়াকে আচল মুৰ্তি সাজে। দুৰ্গা গোসাঁনী, সৰস্বতী গোসাঁনী, কালী

গোসাঁনী,বিশ্বকৰ্মা গোসাঁই, গণেশ গোসাঁই কত গোসাঁই। সিখন গাঁৱত দুখন দুৰ্গাপুজা হয়- এখন বামুণহঁতৰ আৰু আনখন শূদিৰ হঁতৰ। দুয়োটা কৈন্দৰে উখনা-উখনি। তথাপিও কৃষ্ণৰ খুড়াকে দুয়োখন গাৱঁৰ গোসাঁনীয়েই নিজে দান দিয়ে। খুড়াকে মুৰ্তি সাজিলে কৃষ্ণই তধা লাগি চাই থাকে। খেৰৰ গোসাঁনীজনীক আচল কাপোৰ পিন্ধাই দিয়ে। এইবাৰ অৱশ্যে খুড়াকে মুৰ্তি বনোৱা সি নেদেখে। যোৱা বছৰ কৃষ্ণৰ পিতাকৰ লগত কাজিয়া কৰি খুড়াকে বেলেগ গাঁৱলৈ উঠি গৈছে, নাহে। অৱশ্যে খুড়াকৰ সৰু ছোৱালীজনীক লৈ খুড়ীয়েক মাজে মাজে আহে। ভনীয়েকজনীক তাৰ বৰ মৰম লাগে। ইমান ধুনীয়া। সি এদিন মাকক সুধিছিল- ভন্টিজনীক খুড়াকে সাজি উলিয়াইছে নেকি বুলি। মাকে হাঁহিছিল। সি যেতিয়া কেঁচুমটাৰে ঘৰতে মূৰ্তি সাজি থাকে তেতিয়া মাকে ভালেই পায়। ক'ৰ ঢকুৱা আনি তাৰে গাড়ী কৰি চুঁচৰি ফুৰিব, ৰ'দে-বতাহে টলৌ-টলৌকৈ ঘূৰি ফুৰিব- তেওঁ বিচাৰি যাব লাগিব।

বহুসময় ধৰি সি মূৰ্তিয়েই সাজি থাকিল। এটা সময়ত সি শুনা পালে- বাটত চন্দ্ৰৰ মাত। চন্দ্ৰই তাক মাতি আছে। অকল চন্দ্ৰই নহয়, কিছু দূৰৈত দীপক, মনোজ, জিতুহঁতো থিয় হৈ আছে। সিহঁতৰ হাতে হাতে একোডাল লাঠি-বহাৰে পৰাই কৃষ্ণই চিএৰি সুধিলে- 'অ'ই, ক'ক যাহ তহঁে? ইমা লাঠি টোকোন কে ল'ছাহ?'

'শেল মাৰবা নাযাহ?'

আজি শেল মাৰা। কৃষ্ণৰ চাতকৈ মনত পৰি গ'ল। সি দৌৰি গৈ ঢেঁকীশাল পালেগৈ। মাকে তাত পিঠাগুড়ি খুন্দি আছিল। সি মাকক মাতিলে- 'মাই মাই, মই শেল মাৰবা যাওঁ। দুৱাৰৰ ডাংডাল ক'ত থ'ছাহ?'

মাক দাংখাই উঠিল 'ক'ক যাহ?'

মাকে তাক কোনোপধ্যেই আহিবলৈ দিয়া নাছিল। বাটত ৰৈ থকা চন্দ্ৰহঁতলৈ চাই চাই কৃষ্ণই কান্দিবলৈ আৰম্ভ কৰিলে। 'সেন্ধোক যাবা দিছি। ডাঙাৰে লাঠি-টোকান কাটি দিছি। মই গেলি কি হ'ই?

কান্দোতে কান্দোতে তাৰ মাত ভাগি গ'ল। তাৰ ভাগ্য ভাল আছিল- তেনেতে জীৱে জেঠাই আহি ওলাল। বাটত থিয় হৈ থকা ক'লুই সুধিলে- 'অ' জীৱে আই, তোমাৰ কিবা অসুখ হছি নেকি হা? গৰম পছি- ইতাও পছ্ৰা উৰি আছ্ৰা?

'এ কি কবি পিতি- গলটো বিহে আছে ৰহ। উবধ খাছু। ভাল পৰাই নাই।'বুড়ী এখোজ-দুখোজকৈ আহিকৃষ্ণহঁতৰ তুলসীজোপাৰ ওচৰত ৰ'ল আৰু এপাত এপাতকৈ তুলসীৰ পাত চিঙিবলৈ ধৰিলে। কাষতে কৃষ্ণই কান্দি আছিল। তেওঁ মাত দিলে- 'এ পিতি, কেকান্দছাহ? এ নামাই, কে কান্দছি আই সি?'

মাকে ক'লে - 'হা কি কবো বাই - সি অখাঁই ধছি, সিও বোলে শেল মাৰবা যায়। আটাহোত আকেবাৰে! মই বোলো তহ্মোৰ কি নধান্নপাৰ লাগছি? টেকেনা ছলিকেটা গেছি যাক। তহ্মে বাক্‌চানা পিন্ধবাৰ কেমান দিন হছি? সিগ্লাখান ধাণ্ডাৰ পাবাই নিলেগোত থাক। পিতেও আহা নাই। বুচ্চি বাই, মই ভুৰকে ভুৰকে ৰাখ্‌বা নৰোঁ। মই নিছ্‌লোঁ গুড়া খুন্দবা ঢেখালোক। সি ঢেখালোৰ কাথিতে বহি সেৰা জুৰি আছে। মই বোলো থাক।'

'হা তই কে সেনাই কল্লি? নাউমেন্‌টি ছলি। যাবা খুচ্চি যাবা নেদাহ কে? গাবাৰ কাক্ৰা হৈ থাকলি হবো? তই ছলিটোক চুখুন্দৰ কৰবি হেন পাছু। যাবা দি। ফন্টা আকযোৰ পিন্ধি যাবাদি। ডাঙৰ ছলিৰে নধান্নপাৰ লাগে।'

জীৱে জেঠায়ে ওকালতি কৰা কাৰণেহে সি আহিবলৈ পালে। দুৱাৰৰ ডাংডাল হাতত লৈ সি চন্দ্ৰহঁতৰ ওচৰলৈ লৰ ধৰিলে।

জীৱেশ্বৰী বুঢ়ীৰ পুতেকটোক কেইবছৰমান আগতে কোনোবাই ঘৰৰ পৰা মাতি নি মাজ পথাৰত পুতি থৈছিল। বুঢ়ীয়ে বিৰ্‌বিৰাই উঠিল- 'অঁ অঁ বহুত শেল হছি। মাৰবা লাগে। যা পিতি, মাৰগে যা। বিদেশোৰ পৰাই আহি আহি সেন্ধে আমাক খাবা ধছি। ঘৰোৰ পৰাই হাঁহ-পাৰা উলে লৈ যায়।'

ছাগল-লাদুৰীৰ গছজোপা চাঁহি-মুহি শেষ কৰি কৃষ্ণহঁত তাৰ তলতে বহি পৰিল। এটা নহয় এটা শিয়াল মাৰিবলৈ পাব বুলি সিহঁত নিশ্চিত হৈ আছিল। এতিয়া বেলা দুপৰেই হ'ল। বিফলতাৰ ছাঁয়াই সিহঁতক ক্ৰমে ক্ৰমে গ্ৰাস কৰি আনিব ধৰিলে। সিহঁতে কিছুসময় তাতে বহি থাকিল। নয়নে মাত দিলে- 'বহি থাক্‌লি কি হবো? আৰু অলপ চাওঁ আহ।'

আটাইকেইটা উঠিল। গছনিৰ মাজত সিহঁত অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিলে। সিহঁতে পাৰেমানে কম শব্দকৰি খোজকাঢ়ি থাকিল। শিয়াল পলাই যাব। এজোপা বাঁহৰ তলত এটা গাঁত আছিল। ক'লুই ক'লে- 'এতে আছে। আহ। কি চাই আছাহ?'

আটাইকেইটাই মহা উৎসাহেৰে গাঁতটোত লাঠি ভৰাই ভৰাই হাহাকাৰকৰিব ধৰিলে। বাঁহৰ জোপাটোৰ সিটো পাৰে গাঁতটোৰ আনটো মুখ আছিল। দুটা তাতে সাজু হৈ ৰৈ থাকিল। ইফালে ক'লুৱে শুকান গছৰপাত গোটাই গোটাই এটা দ'ম কৰিলে আৰু খোচনাৰ পৰা দিয়াচলাই এটা উলিয়াই তাত জুই লগাই দিলে আৰু দপ্‌দপকৈ জুই জ্বলি উঠিল। পোৰা পাতৰ ছাঁই পাক খাই খাই ওপৰলৈ উৰিবলৈ ধৰিলে। ধোঁৱাময় হৈ পৰিল গছৰ উপৰিভাগ। ধোঁৱাৰ তালে তালে বাঁহগছৰ পাতবোৰেও নাচিবলৈ আৰম্ভ কৰিলে। ক'লুৱে জুইকুৰা বঢ়াইদি থাকিল। শিয়ালৰ নিশ্চিত আত্মসমৰ্পণৰ কল্পনাই আঠ-ন বছৰ বয়সীয়া ল'ৰাকেইটাক আত্ম-বিস্মৃত কৰি তুলিলে। বেছ কিছুসময় ধৰি সিহঁত তাতে ৰৈ থাকিল। হঠাতে দীপকৰ মূৰত বুদ্ধি এটা খেলালে। সি সিহঁতক কথাটো ক'লে। কথাটো শুনিয়েই আটাইকেইটাই কাষৰ পিটনিখনৰ পৰা কচুপাতত পানী আনি সিখন মুখত ঢালিবলৈ ধৰিলে। এফালে জুই, আনপালে পানী। পানী ভৰোৱা মুখেৰে শিয়াল ওলাবই। ক'লুৱে সিফালে কলপাত আৰু বাঁহৰ বৌখাৰে বিচি বিচি জুইৰ ধোঁৱাবোৰো গাঁতত সুমুৱাবলৈ যত্ন কৰি আছিল। বহুপৰ ধৰি সিহঁতে কমত লাগি থাকিল। সেই মুহুৰ্ততে শিয়ালটো গাঁতৰ পৰা ওলাই আহিলে কেনে পৰিস্থিতিৰ উদ্ভৱ হ'ব- তাৰ কল্পনাই সেই সময়ত সিহঁতক আচ্ছন্ন কৰি ৰাখিছিল।

বহুত সময়ৰ পাছতো শিয়ালৰ দেখাদেখি নোহোৱাত সিহঁত ভাগৰিপৰিল। অৱশ হৈ সিহঁতে শিয়াল বিচাৰিবলৈ এৰি দিলে। থিয় হৈ থাকিয়েই সিহঁতে ইজনে-সিজনৰ মুখলৈ চোৱাচুই কৰিলে। জুইকুৰাই ঔ এজোপাৰ পাতবোৰ বাঁহ গছবোৰৰ পাতৰ লগতে পুৰি নিছিল।

দিনৰ এঘাৰমান বজিছিল। পুহ মাহৰ জাৰ নেওচা দি ইন্দ্ৰদাহঁত গৈছিল মেজিৰ বাবে বাঁহ কাটিবলৈ। বাঁহ কাটি কাটি সিহঁতে এইখন বাৰীত

সোমাইছিল। এই ঔজোপা সিহঁতে কাটিবলৈ আৰম্ভ কৰিছিল। অলপমান কটা যোৱাৰ পাছত হঠাৎ ইন্দ্ৰৰ লগৰ ল'ৰাকেইটাই বিশ্বশৰদেলৰ ধৰিছিল। হতভম্ব ইন্দ্ৰৰ হাত এখন সেই মুহূৰ্ততে থাপমাৰি ধৰিছিল বাৰীখনৰ মালিক ৰতন মহাজনৰ মোটোহা হাত এখনে। মহাজনে তাক টানি টানি ঘৰলৈ লৈ গৈছিল আৰু বাৰাণ্ডাৰ খুঁটাত পঘাৰে বান্ধি থৈছিল। ইন্দ্ৰদাৰ মাকে গৈ কাবৌ কোকালি কৰিহে মহাজনক সৈমান কৰিব পাৰিছিল ইন্দ্ৰক মোকলাই দিয়াবলৈ। আধাকটা ঔজোপা দেখি কৃষ্ণৰ মনত পৰি গ'ল তিনিমাহৰ আগতে ঘটি যোৱা ঘটনাটোলৈ। মেজিৰ বাঁহ চুৰি কৰিয়েই গোটোৱা হয়-কথাটো সকলোৱেই জানিছিল, কিন্তু ইন্দ্ৰ যে ধৰা পৰিল সেই কাৰণেই ঘটনাটো গাওঁখনৰ মুখৰোচক ঘটনা হৈ পৰিছিল।

নিৰাশাচ্ছন্ন হৈ লাহে লাহে খোজকাঢ়ি আহি থাকোতে কৃষ্ণৰ মনত পৰিল - কোটোহা বাঁহত জহামাল থাকে। সি কথাটো দীপকক ক'লে 'এতে জহামল্লা থাকবা পাৰে। চাবি নেকি?'

*সিঁহতে জহামালটোক ভাৰ বান্ধি নি নৈৰ পাৰ পোৱাইছিলগৈ। প্ৰথম গ্ৰীষ্মৰ শীৰ্ণকায় পাগলাদিয়াৰ পাৰৰ বিস্তীৰ্ণ বালিয়ৰি ঠাইৰ একোণত লাঠি-টোকোনবোৰেৰে সিহঁতে এখন চিতা সজালে আৰু এটাই জহামালটোক চিতাত তুলি মুখগ্নি কৰিলে। এটা ল'ৰাই ভুলে শুদ্ধই মন্ত্ৰ পাঠ কৰি পুৰোহিতৰ দায়িত্বও পালন কৰিছিল। দুটা ল'ৰাই আনকি মৃতকৰ পৰিয়ালৰ মানুহৰ নিচিনাকৈ হিলি জিলি কান্দাকটাও কৰিছিল। এটা আশ্চৰ্য্য শেষকৃত্যৰ অন্তত সিহঁত যেতিয়া জয়োল্লাসে গাঁৱলৈ উভতি আহিছিল, তেতিয়ালৈ ঘটনাটোৱে গাঁৱৰ মানুহখিনিক আলোড়িত কৰি তুলিছিল।*

কৃষ্ণৰ পিতাকে কৃষ্ণক প্ৰায়েই তেওঁৰ সৰুকালৰ কাহিনীবোৰ কয়। দয়াৰ বাৰী নামৰ বাৰীখনৰকোটোহা বাঁহ এজোপাত কোনোবাই এটা জহামাল দেখা পাইছিল। বহুসময় যুঁজি যুঁজি ল'ৰাবোৰে জহামালটো মাৰিব পাৰিছিল। জহামালটোৱে কোনোপধ্যেই ধৰা দিব খোজা নাছিল। ল'ৰাবোৰে লাঠি, ছুলাবাৰী আদিৰে খুচি তাক উপায়বিহীন কৰি তুলিছিল। অৱশেষত প্ৰাণ ৰক্ষা কৰিবলৈসি বাঁহগছেৰে চুঁচৰি নামি আহিছিল। মাটিলৈ নামোঁতেই ওপৰা উপৰিকৈ কোব মাৰি ল'ৰাবোৰে জহামালটো মাৰি পেলাইছিল। কেইটামান ল'ৰাৰ মনত কূটবুদ্ধি এটাই গা কৰি উঠিছিল। সিঁহতে জহামালটোক ভাৰ বান্ধি নি নৈৰ পাৰ পোৱাইছিলগৈ। প্ৰথম গ্ৰীষ্মৰ শীৰ্ণকায় পাগলাদিয়াৰ পাৰৰ বিস্তীৰ্ণ বালিয়ৰি ঠাইৰ একোণত লাঠি-টোকোনবোৰেৰে সিহঁতে এখন চিতা সজালে আৰু এটাই জহামালটোক চিতাত তুলি মুখগ্নি কৰিলে। এটা ল'ৰাই ভুলে শুদ্ধই মন্ত্ৰ পাঠ কৰি পুৰোহিতৰ দায়িত্ব ও পালন কৰিছিল। দুটা ল'ৰাই আনকি মৃতকৰ পৰিয়ালৰ মানুহৰ নিচিনাকৈ হিলি জিলি কান্দাকটাও কৰিছিল। এটা আশ্চৰ্য্য শেষকৃত্যৰ অন্তত সিহঁত যেতিয়া জয়োল্লাসে গাঁৱলৈ উভতি আহিছিল, তেতিয়ালৈ ঘটনাটোৱে গাঁৱৰ মানুহখিনিক আলোড়িত কৰি তুলিছিল। শাস্তি হিচাপ ল'ৰাকেইটাক ৰাজহুৱাভাৱে পৰাচিত কৰোৱা হৈছিল। কিছুমানে কৈছিল- পূৰ্বজন্মত জহামালটো ল'ৰাকেইটাৰ পিতাক আছিল। সেই দিন ধৰি দুখাৰ্ত হৈ কৃষ্ণৰ পিতাকে শপত খাইছিল তেওঁ আৰু কেতিয়াও অন্যায়ভাৱে জীৱ বধ নকৰে। তেওঁ শপতটো ৰক্ষা কৰিব পাৰিছিল।

কোটোহাবাঁহজোপাৰ তলেৰে আহোঁতে নয়নে হঠাৎ চিঞৰি উঠিল। তাৰ ভৰিৰ তলুৱাত কাঁইটে বিন্ধিছিল। মাটিত বহি লৈ সি নিজেই কাঁইটডাল টান মাৰি উলিয়ালে আৰু খোৰাই খোৰাই খোজ কাঢ়িবলৈ চেষ্টা কৰিলে। তাৰ চকুত পানী বিৰিঙি উঠিল। 'বিং ৰিঙাবা ধচ্ছি। মাই গালি পাৰবু। মই যাংগৈ।'

দীপকে কৈ উঠিল- ' কি পেনকা ছলি আই! সামেন্য কটাহোৰ কাটাই বিন্ধছি। আকো নহয় আহ। সকলোৱে তাক মাতিব ধৰিলে' আহ আহ। আকো নহয় আহ।'

কথাৰ মাজতে দীপকে বন-তুলসী এজোপা বিচাৰি উলিয়াই তাৰ পাত চেপি নয়নৰ তেজ ওলোৱা ঠাইখিনিত লগাই দিলে। অলপ পাছতে নয়নে খোৰাই খোৰাই ল'ৰাকেইটাৰ লগে লগে যাব ধৰিলে।

ধপলা-ধপল পাতেৰে এজোপা গছ। তাৰ কাষেৰে আহোঁতে ক'লুৰ গাত খজুৱতি উঠিল। 'চোৰাতৰ গছ' এটাই ক'লে -'ইয়াসান চোৰাতোৰ গাছ। খুজছি নহয়।'

আশ্চৰ্য্য দৃষ্টিৰে সকলোৱে গছবোৰলৈ চাবলৈ ধৰিলে। নয়নে সাহ কৰি আগুৱাই গৈ গছপাতটো ভালকৈ লক্ষ্য কৰিলে আৰু চিঞৰি উঠিল- 'অই চাহি চাহি। চোৰাত নহয়! পাতটোত এটু কি বস্তু চাহি। বিছা!'

ক'লুৱে জঁপিয়াবলৈ ধৰিলে। বাকীকেইটাৰ মুখত তাচ্ছিল্যৰ হাঁহি ফুটি উঠিল। তথাপি সিহঁত আগুৱাই গৈ থাকিল। এটাই ক'লে- বাৰাওটা বাজি গৈল কিজানি।'

*কোটোহা বাঁহজোপাতো একো নাপাই সিহঁত বিমৰ্ষ হৈ পৰিছিল।*

হঠাতে সিহঁতে দেখা পালে- মেকুৰীজাতীয় জন্তু এটা মুকলি ঠাইডোখৰত। কোনো বাক্য ব্যয় নকৰাকৈ ল'ৰাকেইটাই তাক খেদি গ'ল। কিন্তু জন্তুটোৱে খুউব বেগাই লৰ ধৰিলে আৰু তৰাগছৰ জোপোহাৰ মাজলৈ সোমাই গ'ল। ল'ৰাকেইটা হতভম্ব হৈ থিয় হৈ ৰ'ল। সিহঁতে নিজৰ মাজতে কথা পাতিবলৈ ধৰিলে।

'হাপা সেটু। মেকুৰৰ দৰে।'

'মেকুৰ? মেকুৰ নহয়, সেটু হাপা।'

'মই তেনাহলি কি বুলি ক'লোঁ?'

'সেটু হাপা? হাপা দিনোত ওলায় নেকি?'

'তেনাহলি কি?'

'নাজনো'

'শেল মাৰ্‌ৱা আছলু। শেল নাপ্‌লোঁ যেতা যি পাওঁ তাকে মাৰিম আৰ্।'

'যাবাৰেই হ'ল। আকো নাপলু।'

'দয়াৰ বাৰীক যাবি? তাতে পাম কিন্তু।'

'যঁ'ল যঁ'ল।'

দয়াৰ বাৰীত সোমোৱাৰ লগে লগে ক'লুৱে উত্তেজনাত চিঞৰি উঠি 'চাউ চাউ ভাইহেত। টেপোলোৰ গাছ। টেপোল খাবি?'

লাঠিডালকেই জাঁৱিকি হিচাবে ব্যৱহাৰ কৰি সি এটা টেপৰ পাৰিলে। সি সেইটো টপালি টপালি খাই থকা দেখি প্ৰত্যেকেই টেপৰ টেঙা পৰাত লাগি গ'ল। খাই তাকোঁতে এটাই ক'লে- 'টেপোলোত নহাল লোণ!' সকলোৰে গিৰ্জনি মাৰি হাঁহি উঠিল। হাতৰ লাঠিবোৰ মাটিত খুন্দিয়াই সিহঁতে ম'হ খেদা গীত গাবলৈ ধৰিলে-

অহ'ৰে মহৌহৌ।<br>
মহ খেদৰা টোকান লৌ।।<br>
মহে বোলে মল্লু দে।<br>
টেপোল পোৰা খালোঁ দে।।<br>
টেপোলাত নহাল লোণ।<br>
চাউল কাঢ়ে দোণ দোণ।।<br>
চাউল নেদি দিলাক খৰি।<br>
আইথেৰ ঘৰ লেৰি চৰি।।<br>
ল'ৰি চৰি যাওঁতে।<br>
সোণাৰ নাঙাল পাওঁতে।।<br>
সোণাৰ নাঙাল ৰূপাৰ ফালা।<br>
আইথেৰ ঘৰ দেখ্‌পা ভালা।।<br>
আইথেৰ ঘৰোত তুঁহুৰ ধোঁৱা।<br>
চলি কান্দে কোহা কোহা।।<br>
আমাক দিলাক ল'বা, আমি দিলোঁ পিটিকি।<br>
চলি গেল ছিটিকি।।

বেছ কিছুসময় তেনেদৰে ম'হ খেদা নাচ নাচি আৰু গীত গাই থাকি সিহঁতৰ ভাগৰ লাগিল। টেপৰ টেঙা জোপাৰ তলতে সিহঁত বহি পৰিল। সিহঁতে ভাল-ভলুকাৰ কথা উলিয়ালে। কোনে কিমান ভয়ানক ভাল-ভলুকা দেখিছে, উচ্ছাসিত হৈ তাকে বৰ্ণাই যাবলৈ ধৰিলে। কৃষ্ণৰ মনত পৰিল- যোৱাবাৰৰ ম'হ খেদাৰ দিনা কিছুমান ল'ৰাই এমুৰ জোঙা লাঠি, চিপৰাং আদি লৈ আহিছিল আৰু চোতালখন খান্দি থৈ গৈছিল। ভাল-ভলুকাকেইটাই মুখত ঢকুৱাৰ মুখ বা লাওৰ খোলা বান্ধি লৈ আহিছিল। ভয়ৰ অনুভূতি এটা কৃষ্ণৰ শৰীৰেৰে পাৰ হৈ গ'ল।

দয়ানন্দ নামৰ মানুহ এজনৰ মাটিত থকা বন বাৰী এখনক সকলোৱে দয়াৰ বাৰী বুলি কয়। কৃষ্ণহঁতে সেইখন বাৰীত একো নপালে। এইবাৰ সিহঁতে তাৰ কাষৰ বাৰীখনলৈ আগবাঢ়িল। দয়োখন বাৰীক এটা গৰু-বাটে দুভাগ কৰিছে। গৰু বাটটো পাৰ হওঁতে ঢেঁকীয়াৰ মাজত দীপকে পিছল খালে। লগে লগে তীব্ৰ দুৰ্গন্ধ এটা সকলোৰে নাকত লাগিল। সকলোৰে দেখিবলৈ পালে- দীপকৰ ভৰিত মানুহৰ মল লাগি আছে। দুটামানৰ ওকালি আহিব খুজিছিল। দীপকে মুখ বিকটাই কৈ উঠিল- 'ধেৎ চালা। গু লাগিল। কেন্থাকৈ লাগিল। অক্ থুঃ।'

অলপ দূৰৰ মানুহঘৰলৈ উদ্দেশ্য কৰি সি লেকেটিয়াই লেকেটিয়াই দৌৰ ধৰিলে।

হাত-ভৰি ভালকৈ ধুই দীপক ঘূৰি অহাৰ পাছত সিহঁতে আকৌ গৈ থাকিল। দীপকক কোনেও স্পৰ্শ কৰা নাছিল। সিহঁতৰ মানত সি চুৱা গৈছিল। সেই কাৰণে দুটামানে 'আংৰা গাঁঠি' দি ৰাখিছিল। বেছিভাগেই ভৰিত নখেৰে আঁচুৰি চুৱা নলগাৰ 'প্ৰতিষেধক' দি ৰাখিছিল।

কৃষ্ণহঁতে কোৱা শুনিছে এইখন বাৰীত যখিনী থাকে। ভৰদুপৰীয়া বা মাজ ৰাতি যখিনীয়ে বাৰীখনত খিলখিলাই হাঁহে। ৰাতিপুৱা বাটটোৰ কাষত থকাবনবোৰত, বন-কমলাৰ পাতবোৰত যখিনীৰ থু পৰি থাকে। কথাটো মন পৰাৰ লগে লগে কৃষ্ণৰ মনটোক ভয়ৰ ভাব এটাই জোঁকাৰি গ'ল। কিন্তু লগৰীয়াবোৰৰ মাজত থকা কাৰণে সি ভয়ৰ ভাবটো প্ৰকাশ নকৰিলে। তাৰ পিতাকে প্ৰায়েই কয়- 'ভুত নাই মিছা কথা!' কথাটো মনত পেলাই সি অলপ সাহস পোৱা যেন পালে। পিতাক আহিলনে বাৰু?

এইখন বাৰীত বহুসময় ঘূৰি ফুৰাৰ পাছতো সিহঁতে এটাও শিয়াল মাৰিবলৈ সক্ষম নহ'ল। শিয়ালতো বাদেই, কোনো বেলেগ জন্তু বা গুল্টি ব্যৱহাৰ কৰি এটা চৰায়ো সিহঁতে মাৰিব নোৱাৰিলে। কৃষ্ণই ক'লে- 'দুটামান বাজলেকেই কিজানি। যাওঁ আহ।' প্ৰত্যেকৰে মন গৈছিল ঘৰলৈ ঘূৰি যাবলৈ। ভোকে পিয়াহে ল'ৰাকেইটাক আতুৰ কৰি তুলিছিল। ঘৰলৈ উভতি গৈ গৰু- ম'হবোৰক পাগলাদিয়া নৈলৈ লৈ যাব লাগিব- কথাটো মনত পেলাই সিহঁতে এটা পুলক অনুভৱ কৰিলে। পিতাক আহিব- কথাটোৱে কৃষ্ণৰ বুকুৰ ভিতৰত আনন্দৰ হিল্লোল তুলি আছিল।

গৰু-বাটটোৰে উভতি আহি সিহঁতে মূল বাটটোত উঠিলহি। বাটটোৰে আহি থাকোতে এজোপা আমলখি গছ পোৱা যায়। আমলখিজোপাত এটা খোৰোং আছে। সিহঁতে আহি আহি আমলখিজোপাৰ ওচৰ পালেহি চন্দ্ৰই ক'লেঃ 'এটু খোৰোঙত বাদ্‌লিৰ বাহা। বাদ্‌লিকে মাৰোঁ আহ।'

গোটেই দিনটোৰ বিফলতাৰ পাছত এটি আশাৰ বাতৰি শুনি সিহঁত ৰোমাঞ্চিত হৈ পৰিল। ভাগৰ জুগৰ পাহৰি সিহঁতে দৌৰি গৈ আমলখিজোপাৰ ওচৰ পালেগৈ। চন্দ্ৰহঁতে হাতৰলাঠিবোৰেৰে খোৰোংটোৰ পৰা বাদুলিবোৰ উলিয়াই আনিবলৈ চেষ্টা কৰিলে। ক'লুৱে খোৰোংটোত পচা পাত ভৰাই দি জুই লগাই দিলে। খোৰোংটো তৎক্ষণাত ধোঁৱাই ছানি ধৰিলে। হঠাতে কেইটামান বাদুলি ধপধপাই ওলাই আহিল ধোঁৱাৰ মাজেৰে। দিনৰ পোহৰত সিহঁতে একো নেদেখা হৈ পৰিল। সিহঁতৰ ধপধপনি দেখি কৃষ্ণৰ গাৰ সমস্ত নোম ডাল ডাল হৈ উঠিল। চন্দ্ৰহঁতে সাহ কৰি লাঠিৰে কোবাই কোবাই বাদুলিকেইটাক মাটিত বগৰাই দিলে। তাৰপিছত উপৰ্য্যুপৰি লাঠিৰ আঘাতত সিহঁতৰ কোমল শৰীৰ পিষ্ট হৈ পৰিল।

মুগাৰঙৰ নোমেৰে ভৰা দেহ, ক'লা ৰঙৰ ডেউকা থকা, আৰু হালধীয়া নোমেৰেভৰা ডিঙিৰ অপূৰ্ব-সুন্দৰ বাদুলিকেইটাৰ ক্ষত বিক্ষত, জীৱহীন শৰীৰ চাৰিটা বাটটোত পৰি থাকিল। দুটা ডাঙৰ, দুটা সৰু। ডাঙৰ বাদুলি দুটাৰ ভৰি দুখনো ক'লা ছালেৰে সংলগ্ন। সৰু বাদুলি দুটাৰ আগ ঠেং দুখন পিছ ঠেং দুখনেৰে সৈতে লগ লাগিবলৈ আৰম্ভ কৰিছিল মাত্ৰ- কোমল

আৱৰণ এখনৰ দ্বাৰা। বাদুলি চাৰিটাৰ মৃত শৰীৰকেইটা লাঠিৰ আগত লগাই লৈ চন্দ্ৰহঁত মত্ত হ'ল উদ্দাম নৃত্যত। শিয়াল মাৰিব নোৱাৰিলেও বাদুলিচাৰিটা মাৰিব পৰাৰ আনন্দতে সিহঁত আত্মহাৰা হৈ পৰিল। কেৱল কৃষ্ণ কিছুসময় থৰ হৈ বহি ৰ'ল। অলপ পাছত সি হুকহুকাই কান্দিবলৈ ধৰিলে।

কৃষ্ণৰ পিতাকে বহুত বুজায়ো কৃষ্ণক শান্ত কৰিব নোৱাৰিলে। পিতাকে ক'বলৈ ধৰিলেঃ 'সৰুতে ময়ো মাচ্ছিলোঁ। আকবাৰ আধামৰা শহাপহু এটাক বিচৰি ঢেইকাত আৰু বেঁহুত কুবে ফুচ্ছিলোঁ। তাৰ পাছোত আমি যি জহামাল্লাটো মাচ্ছিলোঁ সেই তেন্তেৰ পাৰাই মই কাকো মাৰা নাই। কুনি কছি আজিকালিৰ ছলি বেয়া বুলি? ভাল ছলি আজিকালিও আছে। বুচ্ছা? তই নাকনবি। হবো দে। মই লেলপা পৰি গেছলু। তোৰ চকুৰ পানীখেনি মোক নতুনকৈ জীউ দিলাক। হ'বো দে।'

তথাপি কৃষ্ণই কান্দোন এৰা নাছিল। হঠাৎ সি অনুভৱ কৰিলে, তাৰ মূৰত এটোপাল পানী পৰিছে। পিতাকৰ বাহুবেষ্টনীত থাকিয়েই সি পিতাকৰ মুখলৈ চালে। সি দেখিলে, পিতাকে তাৰ ফালে চাই হাঁহি আছে আৰু তেওঁৰ দুগাল তিয়াই বাৰিবাৰ ঢলৰ দৰেই বৈ আহিছে আনন্দাশ্ৰু।

টোকা ঃ নলবাৰী জলাৰ অঞ্চলবিশেষে মানি অহা লোক-পৰম্পৰা 'শেল-মাৰা' (শিয়াল মৰা)ৰ উৎপত্তি সম্ভৱতঃ বনৰীয়া জীৱ-জন্তুৰ উৎপাত অসহ্য হৈ পৰাত হৈছিল। এতিয়া বনৰীয়া জীৱ-জন্তুৰ সংখ্যাটো সৰু হৈ গৈছে। গতিকে ই বিলুপ্ত প্ৰায় পৰম্পৰাত পৰিণত হৈছেগৈ। ব'হাগ বিহুৰ গৰু বিহুৰ দিনা এতিয়াও কোনো কোনো নৱযুৱকে হাতত লাঠি টোকোন লৈ শিয়াল মাৰিবলৈ যোৱা দেখা যায়।)

ক'ক যাহাই তঙ্কে? — ক'লৈ যাব তহঁতে।

ইগ্‌লা — এইবোৰ

কে ল'ছাহ — কিয় লৈছ?

সেঙ্কোক — সিহঁতক।

গৰম পচ্ছি — গৰম পৰিছে।

ইতাও পছ্‌ৰা উৰি আছ্‌ৰা — এতিয়াও গৰম কাপোৰ উৰি আছা

পিতি — পিতা

নামাই — ভনী

অখাঁই ধচ্ছি — জেদ ধৰিছে।

তঙ্কোৰ কি নধান্নপাৰ লাগ্‌ছি — তহঁতৰ কি লৰা-ঢপৰা লাগিছে। থোৱা মুদ্ৰাবিশেষ

টেকেনা ছলিকেটা — ডেকা ল'ৰাকেইটা

গাকচানা — গামোচা

নিলেগোত — নিলগত

ভুৰকে ভুৰকে ৰাখবা নৰোঁ — ফুচুলাই ফুচুলাই ৰাখিব নোৱাৰোঁ।

মই নিছলোঁ গুড়া খুন্দ্‌বা ঢেখালোক — মই নিছিলো পিঠাগুড়ি খুন্দিবলৈ ঢেঁকীশাললৈ।

সেনাই কল্লি — তেনেকুৱা কৰিলে

নাউমেন — সৰু।

গাৱাৰ কাকৰা — গাঁতৰ কেকোঁৰা

চুখুন্দৰ — চুক সুন্দৰ

কন্টা আকযোৰ — চেণ্ডেল এযোৰ



(ফানটি এযোৰ)

ৰিং ৰিঙাবা ধচ্ছি — ৰিং ৰিঙাবলৈ ধৰিছে।

যাংগৈ — যাওগৈ

পেন্‌কা — অলপতে কন্দা

সামেন্য — সামান্য

ইগলাখান — এইবোৰ

খুজছি — খজুৱাইছে

এটু — এইটো

বাৰাওটা বাজি গেল কিজেনি — বাৰ বাজি গ'ল কিজানি

সেটু — সেইটো

মেকুৰ — মেকুৰী

তেনাহলি — তেন্তে

যেতা — যেতিয়া

য'ল য'ল — ব'ল ব'ল

চাউ চাউ ভাইহেত — চা চা ভাইহঁত

কেম্বাকৈ — কেনেবাকৈ, বেয়াকৈ

আংৰা-গাঁঠি — হাতৰ তৰ্জনী আঙুলিত মধ্যমা আঙুলিটো পকাই

বাজলেকেই — বাজিলেই

মাচ্চিলোঁ — মাৰিছিলোঁ।

ঢেইকাত — ঢেঁকীয়াত

কুবে ফুচ্ছিলোঁ — কোবাই ফুৰিছিলোঁ

তাৰ পাছোত — তাৰ পাছত

তেন্তেৰ পাৰাই — তেতিয়াৰ পৰাই

কুনি কছি — কোনে কৈছে।

লেল্‌পা পৰি গেছলু — লেৰেলি গৈছিলোঁ

নাকানবি — নাকান্দিবি

পানীখেনি — পানীখিনিয়ে।

দিলাক — দিলে। ●



# জীৱন বাণা

শ্ৰীঅমল কৃষ্ণ ভঁৰালী
স্নাতকোত্তৰ চুড়ান্ত বৰ্ষ। (অসমীয়া বিভাগ)

মুহূৰ্তৰ ভিতৰতে বতৰটোৱে ৰং সলালে। নিশা তিনিবজাত যেতিয়া যোগেন বাহিৰলৈ আহিছিল, আকাশত তৰাবোৰে চিক্‌মিকাই আছিল। এঘন্টা হবলৈ নাপালেই গাজনি ঢেৰেকণি মাৰি বতৰটো গোমা কৰি আনিলে। যোগেনে ভঁৰাল ঘৰত আঁৰি থোৱা নাঙলটো আনি গোহালি ঘৰত আওঁজাই গৰুহালৰ আগত নৰা এমুঠি দি ফিকা চাহ এবাতি খাবৰ মনেৰে ডেক্সিটো জুহালত আঁৰি দিছিল। চাহবাতি বাকি লওঁতেই বতৰৰ ৰূপ দেখি তাৰ মনলৈ অৱসাদ নামি আহিল। আজি দুদিনমান আগৰ পৰাই হালবাবলৈ যাবলৈ ওলোৱাৰ সময়তে আপদীয়া বৰবুণজাকে মানুহবোৰক বৰ আহুকালত পেলাইছে। ৰবনৈত নিশ্চয় বান আহিব। বানপানীৰ সম্ভাব্য ছবিখন মনলৈ আহি তাৰ মন হতাশাৰে ভৰি পৰিল। যোৱা দুবছৰে মানুহবোৰে বছৰ জুৰাই ধান পোৱা নাই। বানপানীয়ে সংহাৰ মূৰ্ত্তি ধৰি গেৰেলি হোৱা কঠিয়াবোৰ মাৰি পেলায়ে আৰু তাৰ পাছত নতুন পাত ওলালেও আপদীয়া পোকবোৰৰ আক্ৰমণত ধানগছে বতৰ নাপায়।

সি চাহ বাতিত মুখ দিলে। আগেয়ে হোৱা হ'লে ঘৈণীয়েক জোনালীয়ে তাতকৈ আগেয়ে উঠি বাহিৰন সামৰি চাহটোপা যতনাই দিয়ে, দুয়োটাই জুহালতে বহি চাহটোপা খায়। তাৰ পাছত সি হাল বাবলৈ যায়। কিন্তু এইকেইদিন ব্যতিক্ৰম ঘটিছে। তাইৰ গা-মন একেবাৰে ভাল নহয়। জোনালীৰ চাহবাতি চেঁচা হোৱা দেখি যোগেনে 'বাপুকণৰ মাক' বুলি মাতিবলৈ লৈ হঠাৎ থমকি ৰ'ল। আজি এঘাৰ দিন হল বাপুকণক অচিন বেমাৰে সিপুৰীলৈ নিয়া। ভাবিলে তাৰ বুকুখন ৰমৰমাই যায়, অবুজ বেদনাই মন চাটিফুটি কৰে। পাঁচ বছৰত ভৰি দিছিল সি। লহপহকৈ বাঢ়ি অহা বাপুকণক চাই সিহঁত দুয়োটাই অপাৰ আনন্দ লভিছিল। তাক লৈয়েই সিহঁত সদায় ব্যস্ত আছিল। কত যে ৰঙীণ সপোন দেখিছিল। নিষ্ঠুৰ নিয়তিয়ে সিহঁতৰ সপোন বাস্তৱ হবলৈ নিদিলে। এদিন এবাতি মাত্ৰ জ্বৰ হৈছিল, কিছুমানৰ মতে সন্নিপাত জ্বৰ, দুই এক আকৌ মেলেৰিয়া বুলি সন্দেহ কৰিলে। গাঁৱৰে জগন্নাথ বেজে আকৌ পাছফালৰ তেতেলীজোপাৰ অপদেৱতাৰ চকু পৰিল বুলি বিহলঙনীৰে জৰাফুকাও কৰিলে। কিন্তু জ্বৰ হ'লে নকমিল। সকলোকে কন্দুৱাই ৰাতিপুৱা পাঁচমান বজাত তাৰ মৃত্যু হ'ল। বাপুকণৰ মৃত্যুতকৈও জোনালীৰ অৱস্থাইহে যোগেনক বেছি ভয় খুৱাইছিল। প্ৰায় এঘন্টা ধৰি তাইৰ মুখৰ মাত কোনেও উলিয়াব পৰা নাছিল। নাকান্দেও, নামাতেও, মাত্ৰ চকুদুটা অদ্ভুত ধৰণেৰে তিৰবিৰাই উঠিছিল আৰু মৃত বাপুকণৰ মুখলৈ একেথৰে চাই আছিল। গাঁৱৰ সকলোৱে বৰ ভয় খাইছিল, জোনালীৰ মাকেও তাইৰ মুখৰ মাত উলিয়াবলৈ বহু কষ্ট কৰিলে কিন্তু তাইৰ কোনো পৰিবৰ্তন নহ'ল। সকলোৱে জোনালী অপ্ৰকৃতিস্থ হ'ল বুলিয়েই ধৰি লৈছিল। শেষত যেনিবা যোগেনে তাইৰ কাবচাপি আহি হাতমূৰ মোহাৰি সান্ত্বনা দিয়াতহে সংজ্ঞা ঘূৰাই পায়। তাৰপাছত যোগেনৰ বুকুত মূৰ থৈ তাই হুৰাওহৰে কান্দিছিল।

বৰ্তমানৰ সমাজখন আৰু চৰকাৰৰ কাৰ্য্যকলাপ সমূহক লৈ তাৰ কেতিয়াবা বিৰাট খং উঠে। গাঁৱৰ মানুহবোৰে এতিয়াও পৰিবৰ্তন বিচৰা নাই। কিছুমান পুৰণি সংস্কাৰ আৰু অন্ধবিশ্বাস বুকুত বান্ধি সিহঁত জীয়াই থাকিব বিচাৰে। পঢ়া-শুনাত বেছি আগবাঢ়িব নোৱাৰিলেও যোগেন বাস্তৱ দৃষ্টিভংগীৰ আৰু সংস্কাৰমুখী। পৃথিৱীখন কেনেদৰে আগবাঢ়িছে তাক সি অলপ দূৰৰ পৰা হ'লেও লক্ষ্য কৰিব পাৰিছে। যি সময়ত অসমত তিনি চাৰি হাজাৰ মানুহৰ ভিতৰত এজন চিকিৎসক থকাটো বাধ্যতামূলক সেইসময়তসিহঁতৰ কীৰ্ত্তনপুৰ গাঁৱকে ধৰি প্ৰায়ে তেৰ চৈধ্যখন গাঁৱৰ প্ৰায় আঠহাজাৰ মানুহৰ মাজতো এজন চিকিৎসক নাই। কাৰোবাৰ কিবা এটা অসুখ-বিসুখ হ'লেও ত্ৰিশ কিলোমিটাৰ দূৰত থকা চিকিৎসালয়লৈ যাব লগা হয়। চৰকাৰক সিহঁতে বহুবাৰ অনুৰোধ জনাইছে। কিন্তু নিৰ্বাচনৰ সময়ত ভোটকেইটা বিচৰাৰ বাদে অন্যসময়ত মন্ত্ৰী বিধায়ক সকলে সেইকালে মূৰ নকৰে। প্ৰতিশ্ৰুতি সদায় প্ৰতিশ্ৰুতি হৈয়ে ৰয়। যোগেনে বুজি পায় উপযুক্ত চিকিৎসাৰ অভাৱেই বাপুকণৰ মৃত্যুৰ কাৰণ। হাতত সৰহকৈ টকা কেইটামান

থকা হলেও কাৰোবাৰ গাড়ী এখনকে ভাড়া কৰি বাপুকণক ডাক্তৰৰ ওচৰলৈ নিব পৰা হ'লহেতেন। গাঁৱৰ কাষতে স্বাস্থ্যকেন্দ্ৰ এটা থকা হ'লেও....। গাঁৱৰ মানুহবোৰেও আকৌ জগন্নাথ বেজক ঈশ্বৰ দেখাদি দেখে। তাৰ ভাবি আচৰিত লাগে একৈশ শতিকাত ভৰি দিও মানুহবোৰ কেনেকৈ অন্ধবিশ্বাসতে পোতগৈ আছে।

বাপুকণৰ কথা মনলৈ আহিলে তাৰ বুকুখন ভাগি যাওঁ ছিগি যাওঁ কৰে। তাৰ কবিতা কবিতা লগা কথাবোৰ, অভিমানবোৰ.....। অজস্ৰ অবান্তৰ প্ৰশ্নৰ উত্তৰ দি সিহঁত দুটা ভাগৰি পৰে। প্ৰত্যেকটো প্ৰশ্নৰ যিকোনো উত্তৰ নোপোৱালৈকে সি শান্ত নহৈছিল। মাকে পঢ়াবলৈ লওঁতে সি যথেষ্ট আমনিও কৰিছিল। মাকে যেতিয়া কিতাপখন তাৰ সন্মুখত লৈ 'ক' বুলি কয় তেতিয়া সি কয় 'নকওঁ'। 'খ' বুলি কবলৈ দিলে সি কয় 'নাখাওঁ' খঙতে যেতিয়া জোনালীয়ে তাক কাণচেপা দিয়ে, কান্দি কান্দি সি আইতাকৰ কোচত উঠেগৈ। এদিন যোগেনে বাপুকণক মৰমেৰে কলে, 'বাপুকণ তুমি ভালদৰে পঢ়া শুনা কৰিবা আকৌ, তেতিয়াহে ডাঙৰ মানুহ হবা।'

'মই নপঢ়ো'

'নপঢ়িলে কেনেকৈ ডাঙৰ মানুহ হবা?'

সি তপৰাই উত্তৰ দিলে, 'পঢ়িছিলো বুলি ক'ম।'

কথাবোৰ ভাবি তাৰ এটা হুমুনিয়াহ ওলাই আহিল। সি জোনালীলৈ বাকি থোৱা চাহ বাতি পুনৰ গৰম কৰি নিজ বাতিতে বাকি ললে।

বাহিৰত মুবলধাৰে বৰষুণ পৰিছে। বতাহত বাৰে বাৰে চাকিটো নুমাই গৈছে। সি শলাকাশিডাল অলপ বঢ়াই দিলে। বিজুলীৰ পোহৰত খিৰিকীয়েদি সি দেখা পালে বলদ গৰু হাল পুনৰ শুলে। সিহঁতেও নিশ্চয় চিন্তা কৰিছে যেন বৰষুণজাক নেৰিলেই হয়। বৰষুণ যেছি হ'লে যে যোগেনে পথাৰলৈ হালবাবলৈ নাযায় সেইকথা গৰু হালেও যেন ভালদৰেউপলব্ধি কৰিছে। যোগেনেও মুখত তামোল এখন ভৰাই আকাশ পাতাল ভাবিবলৈ ধৰিলে। তামোল নহয় যেন অতীতকহে পাগুলি আছে।

সাত বছৰ বয়সতে বাপেকক হেৰুৱাই সি যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। তাৰেই ভাগ্য যে পৈত্ৰিক সম্পত্তি হিচাপে বাপেকে তালৈ খেতিৰ মাটি এপুৰা এৰি থৈ গৈছিল। প্ৰথম কেইবছৰ মাক-পুতেকে মাটি কেইডৰা আধি দিয়েই চলি আছিল। সি অষ্টম মানলৈ পাওঁতেই সম্পুৰ্ণ খেতিৰ দায়িত্ব নিজৰ ওপৰত তুলি লয়। যেতিয়া প্ৰথমবাৰ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলে তেতিয়াই সি ঘৰুৱা কাম-কাজ, খেতি বাতিৰ কথা চিন্তা কৰি পঢ়া শুনা এৰি দিলে।

তাৰ যেতিয়া বয়স বাইশ, তেতিয়া সি এটা চফল ডেকা। সাত গাঁৱৰ ভিতৰতে সি এটা লেখত লবলগীয়া ল'ৰা। সকলোবোৰ সামাজিক কাৰ্য্যত সি আগৰণুৱা। সেই অঞ্চলৰ সকলো ভাওনা-বিয়া সকাম আৰু বিহুত তাৰ উপস্থিতি অপৰিহাৰ্য্য। সেই অঞ্চলৰ প্ৰায় সকলো ছোৱালীৰ একান্ত হেপাহ যোগেনৰ ঢোলৰ ছেৱাত এবাৰ নচাৰ বাবে। গাঁৱৰ ভাওনাত 'অভিমন্যু বধ' নাটৰ অভিমন্যুৰ অভিনয় কৰি সি কিমান যে নকন্দুৱায়।

জোনালী আছিল সিহঁতৰ গাঁৱৰ কাষৰে সোণতলী গাঁৱৰ জীয়াৰী। সিহঁতৰ দুয়োটাৰে মাজত চিনা-জনা আছিল যদিও বিহু গাওতেই সিহঁতৰ প্ৰথম অন্তৰংগ চিনাকি হয়। প্ৰথম চিনাকিতেই সিহঁত দুয়োটাই দুয়োটাৰ প্ৰেমত পৰিছিল। কিন্তু তাক প্ৰকাশ কৰাৰ সুবিধা পোৱা নাছিল, অৱশ্যে এটাৰো সাহস নাছিল। জোনালীহঁতৰ ঘৰৰ কাবেদিয়েই সিহঁতৰ পথাৰলৈ যোৱা গৰু বাটটো। পথাৰলৈ হাল বাবলৈ যাওঁতে সদায় সি জোনালীহঁতৰ ঘৰৰ সন্মুখত গৰুহালক অলপ শব্দ কৰি চিঞৰি চিঞৰি খেদে। তাৰ দৃষ্টিয়ে জোনালীক খেদি খুৰে। জোনালীয়েও যেন কিবা এটা বুজি পায় আৰু চোতাল সৰাৰ চলেৰে বাঢ়নীটো লৈ আগচোতাল পায়হি। সিহঁতৰ দৃষ্টি বিনিময় হয়। কিন্তু মুক অৱস্থাৰেই সি গুছি যাব লগা হয়।

জেঠ মাহ, যথেষ্ট গৰম, ৰ'দটো টানকৈয়ে ওলাই আহিছিল। যোগেনে দহ নাবাজোতেই হাল মেলি দিলে। গৰু হাল জুতি দি ঘৰলৈ বুলি সিহঁতৰ পাচে পাচে আগবাঢ়িল। নতুন গৰু যোৱাবছৰহে কিনিছে গতিকে পথাৰত মেলি নিদিয়ে। সি লাহে লাহে নাঙলটো কান্ধত লৈ আগবাঢ়িল। পথাৰখন পাৰ হৈয়েই জোনালীহঁতৰ গাওঁ আৰম্ভ হৈছে। সিহঁতৰ গাঁৱত ভৰি দিলেই সি সদায় অসহজ অনুভৱ কৰে। খোজবোৰো ভাঙুৱা মানুহৰ দৰে হৈ পৰে। বুকুখন ঢপঢপাই যায়। জোনালীহঁতৰ ঘৰৰ সন্মুখ পালে যে তাৰ উশাহবোৰ চুটি হৈ পৰে, চকুৰে ধুৱঁলি-কুঁৱলী দেখে। কিন্তু আজি সি এক সংকল্প মনত লৈয়েই আহিছে। কিবা প্ৰকাৰে জোনালীক সি লগ পাবই লাগিব। প্ৰয়োজন হ'লে সি তাইৰ ঘৰলৈ যাব বুলিও স্থিৰ কৰিলে। জোনালীহঁতৰ দীঘলীয়া পদূলিটোৰ কাষতে এটা ডাঙৰ পুখুৰী। ফট্‌ফটীয়া পানী। হালোৱা, জাকৈয়া বা গৰখীয়া বা বাটৰুৱা সকলোৱে সেই পুখুৰীৰ পানীৰে মুখ-হাত ধুই বা গলাধ কৰি প্ৰাণ শান্ত কৰে। যোগেন আহি আহি সিহঁতৰ পদূলিমুখ পালেহি। সি হঠাতে দেখা পালে জোনালীয়ে পুখুৰীত কাপোৰ ধুই আছে। সি থমকি ৰ'ল। বুকুত সজোৰে বসন্তৰ ঢোলে দপদপাবলৈ আৰম্ভ কৰিলে। এক অনামী উত্তেজনাত তাৰ সৰ্বশৰীৰ কঁপি উঠিল। বহুদিনৰ পৰা কম কম বুলি ভাবি থকা কথাষাৰক লৈ তাৰ মন উচপিচ লাগিল। নাঙলটো পুখুৰীটোৰ কাষতে থকা জেওৰা খনত আঁওজালে। নঙলাডাল নিশব্দে খুলি সি ধীৰে ধীৰে পুখুৰীৰ দলঙত একান্তমনে কাপোৰ ধুই থকা জোনালীৰ ফালে আগবাঢ়িল। লগে লগে তাৰ মনৰ অস্বস্তি বাঢ়ি গ'ল, বহুত চিন্তাই একেলগে ক্ৰিয়া কৰিবলৈ ধৰিল। সি কেনেকৈ তাইক তাইৰ প্ৰতি থকা একান্ত ভালপোৱাৰ কথা জনাব? তাই যদি মান্তি নহয়, তাৰ ব্যৰ্থ প্ৰেমৰ কথা যদি গোটেই গাঁৱত প্ৰচাৰ হৈ যায়। তাৰ নিজকে ফাঁচী দিবলৈ লৈ যোৱা অপৰাধীৰ দৰে লাগিল। চুচুক চামাককৈ সি পুখুৰীৰ দলংখনৰ মূৰত ঠিয় হ'লহি। ইফালে সিফালে সি এনেয়ে এবাৰ চালে, গৰুহালে একান্ত মনেৰে গৰুবাটৰ নতুনকৈ ওলোৱা কোমল ঘাঁহবোৰ খাই আছে। অন্য কোনো নৰ-মনিচ তাৰ চকুত নপৰিল। তাৰ উপস্থিতি জনাবলৈ সৰুকৈ কাহ মাৰিবলৈ যত্ন কৰিলে, কিন্তু ডিঙিৰ পৰা কোনো শব্দ নোলাল। জোনালীয়ে কিন্তু ছোৱালীৰ স্বভাৱ সুলভ দৃষ্টিৰে যোগেনৰ উপস্থিতি লক্ষ্য কৰি আছিল। তাইৰ মনতো এক অনামী উত্তেজনা বিৰাজ কৰিলে। ছোৱালী এজনীৰ পাছফালে এনেদৰে মাতবোল নিদি বৈ থকাটো অশোভনীয় বুলি ভাবি সি অৱশেষত মাত লগালে, 'জোনালী কাপোৰ ধুইছা নেকি?' জোনালীয়ে মৰম সনা দৃষ্টিত যোগেনলৈ ঘূৰি চালে আৰু মিচিকিয়া হাঁহিৰে চাৱনিৰ

উত্তৰ দিলে। তাইৰ দৃষ্টিত যোগেনৰ তৃষ্ণাতুৰ মন তৃপ্ত হৈ পৰিল। 'আজি দেখোন হাল অলপ সোনকালে মেলিলে?' তাই ক'লে। 'যিহে গৰম পৰিছে, গঞ্জহালক কষ্ট দিবলৈ মন নগ'ল, মেলি দিলো, ভাবিলো তোমালোকৰ পুখুৰীৰ পাৰতে মুখ-হাত ধুই পানী অলপ খাই গা-মন শাঁত পেলাই যাওঁ।'

'পানী খায় খাওক আপত্তি নাই, কিন্তু আপোনালৈহে বিপদ।' তাই হাঁহি হাঁহি ক'লে।

'বিপদনো কিটো হব? প্ৰথমতে চাম, তাৰ পাছতহে খাম, যদি মিঠা লাগে পুখুৰীটোকে ঘৰলৈ লৈ যাম।' এই বুলি কৈ যোগেনে তাইৰ প্ৰতিক্ৰিয়া লক্ষ্য কৰিলে। তাই খিলখিলাই হাঁহি দিলে। যোগেনে তাৰ দৃষ্টি অতি গভীৰ ভাবে জোনালীৰ মুখমণ্ডলত স্থাপন কৰিলে। তাই চাৎকৈ ৰঙা পৰি গ'ল।

'একো নক'লা যে? নিবলৈ দিবানে নিদিয়া?' যোগেনে প্ৰশ্ন কৰিলে। তাই খৰধৰকৈ ডাবৰটোত ধোৱা কাপোৰখিনি ততাতৈয়াকৈ ভৰাই এহাতে কঁকালত লৈ ইটো হাতত পানী এবাল্টি লৈ যাবলৈ উদ্যত হ'ল। যোগেনে অবুজ দৃষ্টিৰে তাইলৈ চাই থাকিল। তাই তাৰ কাষেদিয়েই গৈ পাৰত উঠিল আৰু তাৰ ফালে নোচোৱাকৈয়ে ক'লে,'পানী খালেও আপত্তি নাই, চালেও আপত্তি নাই। যদি কিবা নিবলৈ বিচাৰে দেউতাক সুধি নিব, দেৰি কৰিলে দেউতাই আন কাৰোবাক দি দিব।' একে উশাহতে কথাকেইটা কৈ তাই ঘৰলৈ ঢাপলি মেলিলে। তাইৰ সেই কথাকেইষাৰতেই যেন সি তাৰ প্ৰশ্নৰ উত্তৰ বিচাৰি পালে। সি তাইৰ কথাৰ অৰ্থ ভালদৰে জুকিয়াই ললে, মন আনন্দেৰে ভৰি পৰিল। জোনালীৰ কথাৰ ইঙ্গিতপূৰ্ণ অৰ্থই তাৰ অন্তৰত অখণ্ড জোৱাৰ তুলিলে। তাৰ আৰু পানী খোৱা নহ'ল। যুদ্ধত জিকি অহা এজন সৈনিকৰ দৰে সি বীৰদৰ্পে ঘৰলৈ আগবাঢ়িল।

প্ৰথমতে বাপেক নাইকীয়া, দুখীয়া যোগেনলৈ জোনালীক দিবলৈ তাইৰ দেউতাকে আপত্তি কৰিছিল। কিন্তু তাৰ সজ স্বভাৱ-চৰিত্ৰ কামিলা স্বভাৱ আৰু সিহঁত দুয়োটাৰে মনৰ মিল বুলি জানিব পাৰি অৱশেষত তাইৰ বাপেক মান্তি হ'ল। বৰ ধুম-ধামেৰে নহ'লেও উলহ-মালহেৰে সিহঁতৰ বিয়াখন হৈ গ'ল। যুগ্ম জীৱনৰ প্ৰথম নিশাই সিহঁতে পৰিকল্পনা কৰিছিল এখন সৰু সুখী সংসাৰত থাকিব মৰমৰ এটা সন্তান আৰু সিহঁতৰ ভালপোৱা। সেইমতে সিহঁতৰ মাজলৈ এদিন বাপুকণ আহিছিল। পিতৃ আৰু মাতৃত্বৰ অসীম গৌৰৱত সিহঁত ফুলি উঠিছিল। আনহাতে বুঢ়ীমাকেও নাতিয়েক বাপুকণক পাই যেন হেৰোৱা শৈশৱ ঘূৰাই পাইছিল। কিন্তু সেয়াও বিধিৰ সহ্য নহ'ল। এদিন হঠাৎ যোগেনৰ মাক নৰিয়াত পৰিল। গোটেই জীৱনজোৰা হাড়ভঙা পৰিশ্ৰমে বুঢ়ীৰ স্বাস্থ্য ভাঙি দিছিল। মৃত্যুৰ আগমূহূৰ্ত্তত বুঢ়ীমাকে কেৱল বাপুকণকহে বিচাৰিছিল। 'বাপুকণ,' 'বাপুকণ' বুলিয়েই বুঢ়ীমাকে চকু মুদিলে। গাঁৱৰে নদাই বুঢ়াই আকৌ যোগেনক কৈছিল,"নাতিয়েকলৈ বুঢ়ীৰ বৰ মৰম আছিল দেহি, পিছে মৰিবৰ সময়ত বুঢ়ীমাকে বাপুকণৰ প্ৰতি যি টান দেখুৱালে সেয়া কিন্তু ভাললৈ নহয়। বছৰেকীয়া হৈ নোযোৱালৈকে তঁহত সাৱধানে থাকিবি।" নদাই বুঢ়াৰ কথাই যেন সঁচা হ'ল। ছমাহ নৌ হওঁতেই মৃত্যুৰ কুটিল হাতোৰাই বাপুকণকো টানি লৈ গ'ল।

এটা প্ৰচণ্ড ঢেৰেকণিত তাৰ চিন্তাত আউল লাগিল, সি অতীতৰ পৰা ঘূৰি আহিল। পূব ফালৰ পৰা যতাহজাক বৰকৈ বলিছিল বাবে বৰষুণ অলপ কমিছিল। সি জোনালীৰ কথা ভাবিলে। হুবহুৰ আগৰ নৱবিবাহিতা জোনালী আৰু আজি কান্দি কান্দি মনৰ দুখত বিচনাত চটফটাই থকা জোনালীৰ তুলনা কৰি তাৰ মনত এক অবুজ বেদনাই দোলা দি গ'ল। তাৰ বুকুখন কোনোবা এঠাইত বিষাই উঠিল। বিভিন্ন চিন্তাই তাক জুমুৰি দি ধৰিলে। অৱশেষত সি পথাৰলৈ নোযোৱাটোকে স্থিৰ কৰিলে। কেৰাচিনৰ চাকিটো হাতত লৈ পাছদুৱাৰখনত ডাং দি পুনৰ শোৱা কোঠালৈ আহিল। বিচনাত জোনালীয়ে তললৈ মূৰ কৰি উচুপি আছে। চাকিটো কাষৰ টেবুল খনতে নুমোৱাই থৈ সি তাইৰ কাষ চাপি বিচনাতে বহিল। যোগেনৰ উপস্থিতি তেতিয়াও লক্ষ্য কৰা নাছিল। যোগেনে তাইৰ আৰু কাষ চাপি চুলিখিনিত হাত বুলাই দিলে। বিজুলীৰ চমকত এবাৰ সি দেখিলে তাই তাৰ মুখলৈ একেথৰে চাই আছে। আন্ধাৰতে তাই যেন যোগেনৰ মনৰ বতৰা লৈছে। এইবাৰ সি তাইক আলফুলকৈ বুকুৰ মাজত সুমুৱাই ল'লে। ফলত তাইৰ উচুপনি কান্দোনলৈ পৰিৱৰ্তন হ'ল। সি তাইক আগতকৈ জোৰেৰে সাৱটি ধৰিলে, কিন্তু কন্দাত বাধা নিদিলে। অলপ সময়ৰ পাছত তাইৰ কান্দোন বন্ধ হ'ল। জোনালীৰ চকুৰ পানীৰে তাৰ বুকুখন একেবাৰে ভিজি গ'ল। সি তাইৰ প্ৰতি টোপাল চকুলোৰ ওজন আৰু বেদনাৰ হিচাপ কৰিবলৈ ধৰিলে। বৰষুণ আৰু বতাহৰ তাণ্ডৱলীলা ক্ৰমান্বয়ে কমি আহিছিল। সিহঁতৰ কোঠাটোত এক অদ্ভুত নিস্তব্ধতাই বিৰাজ কৰিছিল। বাপুকণৰ মৃত্যুৰ দিনাখনৰ পৰাই যোগেনে তাইক প্ৰতিমুহূৰ্ত্ততে সান্ত্বনা দিব লগা হৈছে। তাই আজিও বাপুকণৰ মৃত্যুৰ সেই দৃশ্যটো মন-দাপোনৰ পৰা আঁতৰাই পঠাব পৰা নাই। আনহাতে সিও নীৰবে এই সকলোবোৰ চাই থকাৰ বাদে একো কৰিব নোৱাৰে। সি কৰিবনো কি? সিও এটা তেজ মঙহৰ মানুহ, তাৰো দুখ-বেদনা আছে, কিন্তু ঘৰখনৰ মূল মানুহটো হৈ আবেগৰ বহিঃপ্ৰকাশ ঘটাই ছট্‌ফটাই থাকিলে জোনালীৰ অৱস্থা কি হব? সি কথাবোৰ ঠিক তেনেকৈয়ে ভাবে। সি সৰুৰে পৰাই সংযমী আৰু আশাবাদী। জীৱনৰ বহুতো ঘাত-প্ৰতিঘাত, দুখ-বিষাদ সি প্ৰতি ক্ষণতে পাই আহিছে আৰু সেইবোৰ হেলাৰঙে পাৰ কৰিছে। কিন্তু জোনালীয়ে যেতিয়া উচুপি উচুপি কান্দে সি তেতিয়া মুখেৰে একো মাতিব নোৱাৰে, সান্ত্বনা দিবলৈ ভাষা বিচাৰি নাপায়। তাকেই সান্ত্বনাৰ প্ৰয়োজন অথচ সি তাইক সান্ত্বনা দিবলৈ যত্ন কৰিব লাগে।

আজি হঠাৎ যোগেনে লক্ষ্য কৰিলে তাই যেন বৰ সোনকালে কন্দা বন্ধ কৰিলে। সি যথেষ্ট সকাহ পালে। জোনালীৰ চুলিখিনিত সি পুনৰ মৰমেৰে হাত বুলাই দিলে। তাৰ মৰমেই তাইৰ বাবে সান্ত্বনাৰ বাণী। বৰষুণৰ ঝৰঝৰণিৰ মাজতেই যোগেনক আচৰিত কৰি জোনালীয়ে দৃঢ় কণ্ঠেৰে ক'লে, 'আমাৰ দুখবোৰৰ বোজা সদায় এইদৰে আমি লৈ ফুৰিব নোৱাৰো।' যোগেনে কাণপাতি আৰু কিবা শুনাৰ আশাত মনে মনে ৰ'ল।

'আমাৰ সংসাৰখন ইমান সহজতে ভাগি যাবলৈ নিদিওঁ, মই বাপুকণকো নেহেৰুৱাও। শুনিছে, মোক আৰু এটা বাপুকণ লগে।" এইবাৰ তাইৰ কণ্ঠত আগতকৈও বেছি দৃঢ়তা প্ৰকাশ পালে। যোগেনে মুখেৰে একো নকৈ জোনালীৰ কপালত এটা চুমা আঁকি দিলে। তাই কুচি মুচি যোগেনৰ উমাল বুকুৰ মাজত সোমাই পৰিল। ●



# কন্ঠাগত প্ৰাণ

অংগনা চৌধুৰী
স্নাতক ৩য় বৰ্ষ



ৰাতিপুৱাৰ পৰা ৰাতি শোৱাপাটীত পৰালৈকে চিকুৰ হাত শুকাবলৈকে নাপায়। 'চিকু চাহ অলপ কৰচোন, ভালকৈ কৰিবি কিন্তু, ইলাচী দে।

'চিকু, ঘৰ মোচা হ'লনে, পানীখিনিত কেৰাচিন দিলি জানো?'

চিকু, মাছৰ টেঙাখন হোৱাৰ পিছত শাক ভাজি অলপো কৰিবিচোন। পদিনাৰ চাট্‌নি অলপো খাবলৈ মন গৈছে।'

মুঠতে চিকু নহলে ঘৰ নচলে। বাহিৰৰ পৰা দেখাত চিকুৰ মুঠেই কাম নাই। আৰামেই আৰাম। প্ৰকাণ্ড হাউলি হেন ঘৰটোত শইকীয়ানী অকলে থাকে। লগতে সহায়কাৰিনী চিকু। ৰাতি হ'লে গেটৰ সমুখত হলিৰাম চকীদাৰে পহৰা দিয়ে। শইকীয়ানীৰো বয়স হৈছে। গা-মূৰ অনবৰতে বেয়া হৈ থাকে। তেওঁৰ ল'ৰা বোৱাৰী, জী-জোঁৱাই সকলো বৰ্তমান বাহিৰত। পূজাই বিহুৱে গোটেইবোৰ আহি শইকীয়ানীৰ ওচৰত গোট খায়। এসপ্তাহমান থকাৰ পিছত পুনৰ ঘৰ খালি। চিকু পুৱা চাৰি বজাতে উঠে। গোটেই ঘৰটো সাৰি মচি অতাই শইকীয়ানীয়ে বিদেশৰ পৰা অনোৱা সজোৱা বস্তুবোৰ মুচি চিক্‌চিকিয়া কৰে। তাৰ পাছত বহা কোঠা, শোৱা কোঠা আলহীৰ কোঠা-এইবোৰত কাঁচৰ পিপাৰ দৰে ফুলদানি কেইটাত নতুনকৈ ফুলা ৰঙা বা বগা গোলাপ পাতে সৈতে চিঙি আনি ধুনীয়াকৈ সজাই থয়।

পাকতে গাটো ধুই চিকুৱে গোঁসাই ঘৰটো চিকুনাই থবলৈ ওপৰলৈ দৌৰ মাৰে। যতাহতকৈয়ো বেগত যায় চিকু। দিনটো পাকঘৰৰ পৰা ওলাবলৈকে নাপায় তাই। ৰাতিপুৱাৰ জলপান, দুপৰীয়াৰ খোৱা, আবেলিৰ চাহ, ৰাতিৰ খোৱা, মাজতে শইকীয়ানীৰ ওচৰলৈ আহি থকা মানুহবোৰৰ কাৰণে কাঢ়া গাখীৰ চাহ বা কফি, লুচি, ফুলকবি ভাজি, আলুৰ চপ, অমলেট কৰাবোৰতো আছেই। তাৰ মাজতেই তাই লৰমাৰি দমাই খোৱা কাপোৰবোৰ ধুই লৈ শইকীয়ানীক কুহুমীয়া গৰম পানীৰে গা ধোৱাই কাপোৰ সাজ সলাই দিয়ে। ৰাতি ন মান বজাৰ পৰা টোপনিয়ে তাইক হেঁচা মাৰি ধৰে। পিছে শোৱা হয়গৈ বাৰ বজাতহে। কাৰণ খোৱা বাচনবোৰ ধুই উঠি তাই দিনটোৰ শুকোৱা কাপোৰবোৰ গেঠাই গেঠাই ইস্ত্ৰি কৰিবলৈ লয়। শইকীয়ানীয়ে ইস্ত্ৰি নকৰা কাপোৰ

মুঠেও গাত নোসোমায়। মাজৰাতি খন বিচনাত পৰোতে তাইৰ কঁকাল আৰু ভৰি দুটা বিবত টানি টানি ধৰে। ৰাতি শোৱাপাটিতো তাই নিজৰ কিবা এটা ভাবিবলৈ আহৰি নাপায়। কাৰণ দিনটোৰ ভাগৰত বিষে কোপে তাই পৰাৰ লগে লগে সেই ভাজেই টোপনি যায়।

তেতিয়া সন্ধিয়া নামিছে। চিকুৱে একান্ত মনে ফুলত পানী দি আছে। মুখত তামোল এখন। তাইৰ ভাঠ সেউজীয়া মেখেলাখনৰ পাতলিটো পানী লাগি লাগি উঁৱলি গৈছে। তেলেৰে জেপজেপীয়া দীঘল চুলি কোচা গাঠি খোপা এটা বান্ধি তাই এইবাৰ নাৰ্জী ফুলৰ শাৰীটোৰ ফালে গ'ল। গেটখন খুলি হলিৰাম চকীদাৰ সোমাই আহিল। মানুহজন ভাল। তাইৰ বাপেকৰ বয়সৰ। গাত খাকী-পোছাক। কঁকালৰ পেটীডালত খুকুৰী এখন সদায় ওলোমোৱা থাকে। কামত কেতিয়াও ফাঁকি নিদিয়ে। হলিৰামে চিৰিটোতে বহি চাধা মলিবলৈ ধৰিলে। কাবত পাঁচবেটেৰীয়া দীঘল টৰ্চ এটা। 'হলিকাই, কি খবৰ?' সেমেকা হাঁহি এটা মাৰি চিকুৱে সুধিলে। 'খবৰ আকৌ তোকহে মই সুধিব লাগে। তইঁতৰে কপাল আৰু!

'অ' আই, কিনো কপালখন দেখিলি। মানুহটোৱে এৰি থৈ যোৱা কাৰণে লোকৰ ঘৰত গেবাৰি খাটি মৰিছো।' ইচ্, কৈছে চোৱা। দিল্লীলৈ যাবলৈ পোৱাতো যেনিবা একো সুখৰ কথাই নহয়। 'দিল্লীলৈ আকৌ কোন যাবলৈ ওলাইছে?' চিকুৱে চাদৰৰ আঁচলটোৰে কান্ধটো ঢাকি লৈ সুধিলে। 'কেলৈ? তই আৰু শইকীয়া আইদেউ?' হলিৰামৰ কথাত হাঁহি হাঁহি চিকু চিৰিটোতে বহি পৰিল। 'হলিকাইৰ যে কথা আৰু! তোকো কথা এটা কওঁনে? যুইছ্, গোটেই জীৱনটো চকীদাৰী কৰি কৰি তোৰ মূৰটো একেবাৰে গ'ল।' হলিৰামে আকৌ অলপতে বেয়া পায়। সেয়ে সি মুখখন গোমোঠা কৰি তাইৰ ফালে নোচোৱাকৈয়ে উত্তৰ দিলে- 'নহয় যদি সুধি চা। কালি এই কাষৰ ঘৰৰ কাঞ্চন বাইদেউক আগবঢ়াই থবলৈ আহোঁতে আইদেৱে নিজেই কোৱা শুনিছো।' হতভম্ব হৈ চিকুৱে অলপ ওচৰ চাপি আহি সুধিলে - 'তই সঁচাই কৈছনে? মোকতো তেওঁ এবাৰো কোৱা নাই। কিমান দিনৰ বাবে বুলিছে?' 'জানো দুমাহমানৰ বাবে হবলা! কিবা বোলে কি কয়, অপাৰেচন নে তেনেকুৱা কিবা এটা হব।' হলিৰামে এইবাৰ তাইৰ ফালে মুখ ঘুৰালে। 'তই চাগে অকলেই যাব লাগিব।' চকু দুটা বহলকৈ মেলি তাই সুধিলে- 'কিকৰ, অকলে মানে?' 'মানে, শইকীয়ানী আইদেউ প্লেইনত যাব। প্লেইন বুজিছ নহয়, উৰা জাহাজখে, সেইটো। আৰু তই যাবি ৰেলৰ চেকেণ্ড ক্লাছত।' বুকুখন দুৰু দুৰুকৈ কঁপিবলৈ ধৰিলে চিকুৰ। মূৰটো গধূৰ হৈ পৰা যেন লাগিল। কোনো দিন নিজৰ গাওঁ আৰু শইকীয়ানীৰ ঘৰৰ বাহিৰে আন ক'লৈকো নোযোৱা তাই কেনেকৈ গৈ দিল্লী পাবগৈ। তাকো অকলে? ৰেলত? ভালকৈ ৰেলগাড়ী দেখিয়ে পোৱা নাই তাই। ৰাতি কেতিয়াবা উকিহে শুনিছে! ইমানবোৰ অচিনাকি মানুহৰ মাজত তাই হেৰায়ে থাকিবচোন। চকু দুটা চলচলীয়া হৈ পৰিল চিকুৰ। হলিৰাম ইতিমধ্যে তাৰ ওচৰৰ পৰা উঠি গৈ গেটৰ মুখ পাইছেগৈ।

সি দীঘলীয়া টৰ্চটো ইফালে সিফালে মাৰি তহল দি ফুৰিছে। এন্ধাৰে তাইক আগুৰি পেলালে। হলিৰামে অলপ আগতে কৈ যোৱা কথাবোৰ দকৈ ভাবি চাবলৈকে তাইৰ ভয় লাগিল। সনুখলৈ দিশহাৰাৰ দৰে চাই তাই মাথো জুপুকা মাৰি চিৰিটোতে বহি থাকিল।

তেতিয়া ৰাতি দহমান বাজিছে। শইকীয়ানীয়ে আৰামী চকীখনত বহি অথনিৰে পৰা কাৰোবালৈ ফোন মিলাই আছে। পোৱা নাই। তেওঁৰ মুখত বিৰক্তিৰ চিন। চিকুৱে সুধিম সুধিম কৈ এবাৰো সুধিব পৰা নাই প্ৰশ্নটো। অন্যমনস্কভাৱে তাই শইকীয়ানীৰ বাবে বিচনাখন পাৰিবলৈ ধৰিলে। মেঘ নোহোৱা আকাশৰ দৰে নীলা বিচনাচাদৰ আৰু গাৰুৰ গিলিপটো তাই নতুনকৈ লগাই দিলে। লগতে আগৰখিনি নি বাৰাণ্ডাত ধুবলৈ জমা কৰি থলেগৈ। ভৰিৰ পথানত দুভাজকৈ পাৰি থ'লে ডাঠ সেউজীয়া পানীৰ ওপৰত দুটা ডলফিনে জপিওৱাৰ ছবি থকা এখন কপাহৰ দৰে কোমল কম্বল। ৰাতি হাতৰ কাষতে পোৱাকৈ ফ্লাস্কত গৰম পানী থৈ চিকুৱে গুদ নাইটৰ চুইচটো অন কৰি দিলে। ইতিমধ্যে শইকীয়ানীয়ে লাখুটি ডালত ধৰি খুপি খুপি উঠি গৈ কোঠাটোৰ কোণে কোণে ৰুমস্প্ৰেটো মাৰিবলৈ ধৰিছে। তেওঁৰ লাখুটি ডালো পুতেকে আগ্ৰাৰ পৰা আনি দিয়া। দেখিবলৈ বৰ ধুনীয়া। হাতেৰে ধৰা ঠাইখিনিত হাতী দাঁতেৰে কাম কৰা আৰু তললৈ ক্ৰমে সোনোৱালী ৰঙেৰে চিক্‌মিকাই থকা বিভিন্ন নৃত্য ভংগীমাৰত যুৱতী খোদিত কৰা। লাখুটিডালৰ একেবাৰে তলডোখৰত ৰবৰৰ টুপ এটাও লগোৱা আছে। মিঠা সুগন্ধেৰে ইতিমধ্যে কোঠাটো ভৰি পৰিছে। টিভিটো বন্ধ কৰি শইকীয়ানী বিচনাত বহিলহি। পিন্ধনত তেওঁৰ পাতল গুলপীয়া ৰঙৰ এটা নাইটি। আধাপকা, আধা কেচা চুলিখিনি তেওঁ এতিয়া মেলি থৈছে। গাৰ ছাল সোঁতোৰা সোতোৰ যদিও অনুজ্জ্বল নহয়। চিকুৱে হাতৰ তলুৱাত তেল লৈ লাহে লাহে আঙুলি ভৰাই ভৰাই তেওঁৰ মূৰটো মালিচ কৰি দিলে। 'চিকু, কাইলৈ তোৰ কাপোৰ কানিবোৰ চাফাকৈ ধুই ৰঙা এয়াৰ বেগটোত সুমুৱাই লবি।' শান্ত কণ্ঠেৰে শইকীয়ানীয়ে কথাষাৰ কলে। 'কিয় আইদেউ? মাতটো কঁপি উঠিছিল চিকুৰ। 'মোৰ অপাৰেচন এটা হব অ'। তইতো মোৰ লগতে থাকিব লাগিব। অকলে কেনেকৈ ইয়াত থাকিবি? অ' 'আৰু শুন, মোৰ নিবলগীয়া কাপোৰখিনি কাইলৈ মই উলিয়াই দিম। তই ইস্ত্ৰি কৰি মই দেখুওৱামতে ভৰাই যাবি। কাঞ্চনক মই কৈয়ে থৈছো। পৰহিলৈ তোক হলিৰাম আৰু কাঞ্চনে ৰেলত উঠাই দি আহিবগৈ। মই তাৰ পিছদিনাখন প্লেইনত যাম।' একো নামাতি চিকুৱে একেথৰে মজিয়ালৈ চাই থাকিল। শইকীয়ানীয়ে এইবাৰ তাইলৈ মুখ কৰি অলপ কোমলকৈ ক'লে- 'তই ভয় কৰিব নালাগে নহয়, দিল্লীত ৰেলষ্টেচনৰ পৰা মোৰ ল'ৰা বোৱাৰীয়ে নিজেই তোক আনিবলৈ যাব।' চিকুৱে হেহোনেহোকৈ ক'লে- 'মোৰ ল'ৰা ছোৱালীকেইটাক এবাৰ চাই আহিব পৰা হলে!!' এইবাৰ শইকীয়ানীৰ মাতটো সামান্য অসন্তুষ্ট যেন লাগিল। 'অ' আই, এতিয়া শেষ মূহুৰ্তত কলে কেনেকৈ হব? পৰহিলৈচোন যাবৰে হ'ল। কাইলৈ গাঁৱলৈ গলে উভতিবি কেতিয়া? বস্তু সামৰিব কোনে? আহি পেলাই লগ ধৰিবি। সদায়ৰ কাৰণেটো নাযাৱ। এমাহহে।' ডিমলাইটো জ্বলাই দি শইকীয়ানীয়ে বিচনাত বাগৰ দিলে। কোঠাটো নীলাভ হৈ পৰিল।

ৰাতি দুপৰলৈকে চিকুৰ চকুত টোপনি নাই। আশংকাত মনটো কোচ খাই আহিছে তাইৰ। শোকে খুন্দা মাৰি ধৰিছে বুকুখন। চাৰিটাকৈ কণ কণ ল'ৰা-ছোৱালী। ডাঙৰ মোমায়েকৰ তাত দুটাক ৰাখিছে, সৰু মোমায়েকৰ তাত আন দুটাক। কেনেকৈ বা আছে সিহঁত! মামীয়েক কেইজনীয়ে যা ভালকৈ খাবলৈ ববলৈ দিছে নে নাই! চকুৱেদি গৰম লোটক এসোঁতা বৈ

আহিল তাইৰ। বাগৰ সলাই গাৰুটোত জোৰেৰে মুখ গুজি টোপনি যাবলৈ চেষ্টা কৰিলে। টিলিমিলিয়া টোপনিত তাইৰ অৱচেতন মনটোৱে বিচাৰি থাকিল তাইৰ মুদখোৱা চকু দুটিত এজুৰি ওঠৰ পৰশ, তাইৰ দিনটোৰ হাড়ভঙা কষ্ট খিনি নিমিষতে মোহাৰি দিব পৰা যাদুলগা আঙুলিৰ এখন কঠিন হাত আৰু তাই গোটেই মানুহজনী কুৰুকি কুৰুকি সোমাই যাব পৰাকৈ এখন বুকু।

অনাকাংক্ষিত দিনটো আহিল। কাঞ্চন বাইদেউ আৰু হলিকায়ে তাইক ৰেলৰ ডবাত বহুৱাই দিলে। কাষত বহা বিহাৰী পৰিয়ালটোকো চিকুক অলপ চকু দিবলৈ বুজাই দিলে কাঞ্চন বাইদেউৱে। চিকুৰ মুখখন ভয়ত টেমী যেন হ'ল। কাঞ্চন বাইদেউৱে চিকুৰ মূৰত হাতফুৰাই এশ টকীয়া নোট এখন তাইৰ বেগত ভৰাই দি ক'লে- 'বাটত কিবা কিনি খাবি। আৰুনো কি দিম তোক!' চিকুৰ ওঁঠ দুটা শুকাই গ'ল। ৰেলগাড়ীখনে লৰচৰ কৰিছে। হলিকাই আৰু কাঞ্চন বাইদেউ খৰখেদাকৈ তললৈ নামি গ'ল। চিকুৱে দীঘল চিটটোৰ অকনমান ঠাইতে চাপি কুচি বহি ললে। ভৰিৰ তলত তাইৰ ৰঙা এয়াৰ বেগটো। হলিকাইহঁতে বাহিৰৰ পৰা হাত জোকাৰিছে। তায়ো সোঁহাতখন অলপ ওপৰলৈ উঠাই কোনোমতে লৰালে। ৰেলৰ দীঘল দীঘল উকি কেইটা তাইৰ কলিজাত গোট মাৰি থকা কান্দোনবোৰৰ দৰে লাগিল। গছবোৰ প্ৰথমে লাহে লাহে আৰু ক্ৰমান্বয়ে তীব্ৰ গতিত পাছলৈ যাব ধৰিলে। চিকু ফেঁকুৰি উঠিল। পানী কেঁচুৱাটোক গাখীৰ খুৱাই থকা ৰঙা শাৰী পিন্ধা বিহাৰী মানুহজনীয়ে তাইৰ ফালে অদ্ভুতধৰণে চাবলৈ ধৰিলে। কন্দা কাৰণে বোধহয়। চিকুৱে চাদৰৰ আঁচলটো যিমান পাৰে আগলৈ টানি লোহাৰ ৰড কেইডালতে মূৰটো লগাই খিৰিকীৰে বাহিৰলৈ চাই যাবলৈ ধৰিলে।

সঁচাকৈয়ে দিল্লীত ষ্টেচনৰ পৰা তাইক নিবলৈ শইকীয়ানীৰ পো-বোৱাৰী আহিছিল। তাইক দীঘল, বহিলে নামিব মন নোযোৱা কলপতীয়া ৰঙৰ ধুনীয়া, টিভিত দেখুওৱাৰ দৰে গাড়ী এখনত বহাই লৈ গৈছিল এক বিৰাট ডাঙৰ হাস্পাতাললৈ। ষ্টেচনৰ মানুহৰ গিজগিজনিৰ পৰা বহু নিলগত। তাত চাৰিওফালে কিবা এক আচৰিত ধৰণৰ নীৰৱতা বিৰাজ কৰিছিল। চিকুৱে এবাৰ ওপৰলৈ মুখ কৰি চালে। হাস্পাতালটোত ইমান কেইটা মহলা আছে যে একেবাৰে ওপৰৰ মহলাটো আকাশত লাগি থকা যেন লাগিল।

ফটিকৰ দৰে ফটফটীয়া কোঠা এটাত চিকু সোমাল। য'ত খিৰিকীৰ পৰা পকালৈকে ওলমি আছে পিছল যেন কাপোৰৰ বগা পৰ্দা, বগা বিচনাচাদৰ, বগা কুচন আৰু ফুলদানিত বগা ৰজনীগন্ধা। দৰজাবোৰ কাঁচৰ। সিহঁতক দেখি শইকীয়ানীৰ মুখত পাতল হাঁহি এটা জিলিকি উঠিল। তেওঁক যথেষ্ট নিস্তেজ যেন দেখা গ'ল। কাষতে থকা মেজখনত বহুত দৰবৰ বটল আৰু মুঠামান টেবলেটৰ পেকেট। চিকু গৈ একেকোবে ভৰিৰ পথানত থকা সৰুটুল খনতে বহিল গৈ। শইকীয়ানীয়ে চিকু অহাত বেছ উৎসাহ পোৱা যেন দেখা গ'ল। শইকীয়ানীৰ বোৱাৰীয়েকে ডাঙৰ টিফিন কেৰিয়াৰ এটা মেজত থৈ চিকুক কলে- 'প্ৰথমতে তই গাপা ধুই ৰেষ্ট ল। তাৰ পাছত মাক এই খিনি খুৱাবি। মই আবেলি আহিম।' শইকীয়ানীৰ কপালত চুমা দুটা খাই 'পো'বোৱাৰী যাবলৈ ওলাল। গাত নীলা জীনচ আৰু বগা চুটি টপ এটা পিন্ধি শিৰত মিহিকৈ সেন্দুৰ লোৱা শইকীয়ানীৰ বোৱাৰীয়েকলৈ চিকুৱে ভেবা লাগি চাই থাকিল। অলপ পাছত তাই কাপোৰ কেইটা উলিয়াই ৰঙা



এয়াৰ বেগটো কোঠাৰ এচুকত থৈ গা ধোৱা ঘৰত সোমাল।

গধুলি পৰত আপোন পৰিয়াল ঢেৰ কোনোবা কোনোবা শইকীয়ানীৰ খবৰ লবলৈ আহিল। সকলোৱে হাতে হাতে ফলমূল আৰু ফুলৰ থোপা।

দিনবোৰ যাগৰি গৈ থাকিল। ফটিকৰ দৰে কোঠাটোৰ ভিতৰত চটফটাবলৈ ধৰিলে চিকু। মাজতে শইকীয়ানীৰ অপাৰেচনো হৈ গ'ল। দিনৰ দিনটো তাই শইকীয়ানীৰ আলপৈচান ধৰে। ফলৰ ৰস কৰে, সময়মতে দৰৱ খুৱায়, পায়খান কৰোৱায়, গৰম পানীত টাৱেল তিয়াই গা মোহাৰি দিয়ে, কাপোৰ পিন্ধায়, বেনী গোঠে, নখ কাটি দিয়ে, মুঠতে কামৰ উপৰি কাম। তাই নাজানে হাস্পাতালটোৰ ওচৰে পাজেৰে কি আছে। সেই যে প্ৰথম দিনা সোমাইছিল, তেতিয়াৰ পৰা ক'লৈকো ওলোৱা নাই তাই। যাবওনো ক'লৈ অকলে অকলে, কোঠাটোৰ একমাত্ৰ খিৰিকীখনেৰে বাহিৰলৈ চালে কাষৰ বিল্ডিংটোৰ বেৰখনহে দেখা পায়। নাৰ্ছবোৰৰ, ডাক্তৰবোৰৰ ভাষাও তাই বুজি নাপায়। শইকীয়ানীৰ বিচনাৰ ওচৰতে থেপেকা লাগি তাই বহি থাকে। মাজে মাজে ভাৱ হয় আৰু দুদিনমান এনেকৈ থাকিলে যেন তাই পাগল হৈ যাব। কিন্তু ক'তা পাগলতো নহ'ল। এনেকৈ থকা এমাহেই হবৰ হ'ল। তাইচোন যন্ত্ৰৰ দৰে কাম কৰিয়েইআছে, কৰিয়েই আছে। প্ৰায়ে শইকীয়ানীলৈ অসমৰ পৰা ফোন আহে। তায়েই ধৰে ফোনটো।কোনেওতো এবাৰো নোসোধে-'চিকু, তই কেনে আছ? ভালনে তোৰ?' সিদিনাখন শইকীয়ানীলৈ কাঞ্চন বাইদেউৰ চিঠিখন আহোতে তাই এপৰমান কান্দিলে। কাঞ্চন বাইদেউৱে চিঠিখন শেষকৰাৰ আগতে শাৰী এটা লিখিছিল। 'আইদেউ, চিকুৰ ভালনে?' শইকীয়ানীয়ে পঢ়ি শুনাইছিল। বাৰে বাৰে শুনিবৰ মন গৈছিল সেই শাৰীটো চিকুৰ। গাধোৱা ঘৰত সোমাই তাই বেৰখনতে আউজি হুক হুকাই কান্দিছিল। তেনেকৈয়ে বহি আছিল তাই বহুপৰ। চকুপানীবোৰ গালতে শুকালে। নুশুকাই পাৰিবনে? মোচোতা আছে জানো কোনোবা?

সম্পূৰ্ণ এমাহ তেনেদৰে থাকি অসমলৈ ঘূৰি অহাৰ দিনা তাইৰ একো নতুন যেন অনুভৱ নহ'ল। কাৰণ দিল্লী মানে তাইৰ মানত এটা ফটফটীয়া কাচৰ কোঠা। আন একো নহয়। এমাহৰ অনুপস্থিতিত হাউলীটো ধূসৰিত হৈ পৰিছে। আহি পোৱাৰ পিছদিনা খনৰ পৰা পুনৰ তাই কামত লাগিল।

আবেলি হলিকাইৰ লগত ইটো সিটো কথা পাতি আগৰদৰেই ফুলত পানী দিয়াত ব্যস্ত হ'ল তাই। শইকীয়ানীৰ খবৰ লবলৈ কেইবাগৰাকীও মাইকী মানুহৰে কোঠাটো ভৰ্ত্তি। খিৰিকীৰে কোনোবা এগৰাকীয়ে কোৱা কথা এবাৰ উফৰি আহিল বাহিৰলৈ- চিকুৰ হে ভাগ্য পায়, বিনা খৰছতে গোটেই খন দিল্লী ফুৰি আহিল।' হলিকায়ে তাইৰ মুখলৈ চালে। তাইৰ চকু মুখত কোনো পৰিৱৰ্তন দেখা নগ'ল। একেভাবেৰেই তাই ঝাৰ ঝৰকৈ পানী দিবলৈ ধৰিলে। ফুলবোৰে ট ট কৈ চিকুলৈকে চাই আছে। তাইয়ো সিহঁতৰ দৰেই হৈ পৰিল। বাকহীন। ●

# মই টেলিফোন কৰিবলৈহে আহিছিলো

**মূল ঃ গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুৰেজ**

**ভাষান্তৰ ঃ দিগন্ত শইকীয়া**

বসন্তৰ এটা বৰ্ষাসিক্ত আবেলি মাৰিয়া-দি-লা-লুজ চাৰ্ভেন্টিচে অকলে গাড়ী চলাই বাৰ্চিলনালৈ আহি থাকোতে তেওঁৰ ভাড়াকৰি অনা সেই গাড়ীখন মনেগ্ৰ'চ মৰুভূমিৰ মাজতে যান্ত্ৰিক বিজুতি ঘটি অচল হৈ পৰিল। যোৱা কেইবছৰমানৰ ভিতৰতে মিউজিক হল পাৰ্ফৰ্মাৰ হিচাপে বিশেষ খ্যাতি অৰ্জন কৰা মাৰিয়া আছিল অনন্যা সুন্দৰী তথা চিন্তাশীল এগৰাকী সাতাইশ বছৰীয়া মেক্সিকান যুৱতী। যাৰাগজাত থকা কোনো সমন্ধীয়ক দেখা কৰিবলৈ যাওঁতে লগ পোৱা এজন কেবাৰে' যাদুকৰৰ স'তে তাই বিয়াত বহিছিল। ভয়ভীত নোহোৱাকৈ প্ৰায় এঘন্টা সময় জুৰি তাই ৰাস্তাৰে পাৰহৈ যোৱা গাড়ী-মটৰবোৰ ৰখাবৰ বাবে বৃথা চেষ্টা চলালে। শেষত যেনিবা ঘেৰঘেৰীয়া বাচ এখনৰ চালকজনৰ তাইৰ প্ৰতি পুতৌ উপজিল। বাচখন ৰাখিলে যদিও সেইখন তাৰ পৰা বেছিদূৰ আগুৱাই নাযাব বুলিও তাইক সঁকীয়াই দিয়া হ'ল।

"কোনো কথা নাই, মই মাথোঁ এটা টেলিফোন পালেই হ'ল...।" -- মাৰিয়াই ক'লে।

আৰু কথাটো সঁচাও। তাই মাথোঁ সাত বজাৰ আগতে ঘৰ নাপাবগৈ বুলি গিৰিয়েকক জনাব পাৰিলেই হ'ল। সেই এপ্ৰিল মহীয়া কোট আৰু জোতাযোৰেৰে সৈতে তাইক বোকা পানী খচি লেতেৰা হোৱা এটা সৰু চৰাইৰ দৰে লাগিছিল। সেই ঘটনাৰ পিছত তাই ইমানেই আতংকগ্ৰস্ত হৈ আছিল যে খেলিমেলিতে এৰি অহা গাড়ীখনৰ চাবিটোও হাতত লৈ আনিবলৈ পাহৰিলে। মিলিটেৰী বেগ এটাৰে সৈতে এগৰাকী তিৰোতা চালকজনৰ কাষত আসনত বহি আছিল। তেওঁ মাৰিয়াক এখন টাৱেল আৰু এখন কম্বল দি কাষতে বহিবৰ বাবে অকনমান ঠাই এৰি দিলে। তাই বৰষুণৰ পানীবোৰ টুকি লোৱাৰ পিছত কম্বলখন গাত মেৰিয়াই লৈ বহি ল'লে আৰু চিগাৰেট এটা জ্বলোৱাৰ চেষ্টা কৰিলে। কিন্তু তাইৰ জুইশলাৰ বাকচটো সেমেকি আছিল। কাষৰ ঠাই এৰি দিয়া সেই তিৰোতা গৰাকীয়ে তাইক লাইটাৰটো দি তাইৰ পৰা এটা চিগাৰেট বিচাৰিলে। চিগাৰেট হুপি থাকোতে তাইৰ তিৰোতাগৰাকীৰ স'তে কথা পাতিবৰ মন গ'ল। সেয়েহে তাই সেই বৰষুণে সৃষ্টি কৰা কোলাহল আৰু বাচখনৰ কেৰেক্ - কেৰেক্ শব্দক চেৰ পেলাই ডাঙৰ মাতেৰে চিঞৰি উঠিল। তৰ্জনী আঙুলীটো ওঁঠত দি তিৰোতা গৰাকীয়ে তাইক নিচিঞৰিবলৈ ইংগিত দিলে।

"তেওঁলোক শুই আছে.." - তেওঁ ফুচফুচাই ক'লে।

মাৰিয়াই পিছলৈ ঘূৰি চাই দেখিলে বিভিন্ন বয়সৰ তিৰোতাৰে বাচখন ভৰি আছিল আৰু সিহঁতেও তাইৰ দৰে একোখন কম্বল গাত মেৰিয়াই শুই আছিল। তেওঁলোকৰ এই নীৰৱতা মাৰিয়াৰ গালৈও সোঁচৰিলে। বহা ঠাইতে কুচি-মুচি হৈ তাই সেই বৰষুণৰ শব্দত নিজকে ডুবাই দিলে। কিছুপৰৰ পিছত সাৰ পাই দেখিলে বাহিৰত আন্ধাৰ নামিছিল আৰু পূৰ্বৰ সেই দবাপিটা বৰষুণ জাকৰ ঠাই এজাক কিন্‌কিনীয়া বৰষুণে লৈছিল। বাচখনৰ ভিতৰত কিমান সময় তাই টোপনি গ'ল বা পৃথিৱীৰ কোনডোখৰ ঠাই সিহঁত আহি পালেহি সেই বিষয়ে ধাৰণাই কৰিব পৰা নাছিল। তাইৰ কাষত বহি থকা তিৰোতাগৰাকীক কিছু সতৰ্ক দেখা গ'ল।

"আমি ক'ত আছো ?" – মাৰিয়াই সুধিলে

"আমি পালোহি" – তিৰোতাগৰাকীয়ে উত্তৰ দিলে।

অৰণ্যৰ মাজৰ পুৰণি আশ্ৰম যেন লগা এটা প্ৰকাণ্ড ঘৰৰ শিলাময় প্ৰাংগণৰ ফালে বাচখন সোমাই গ'ল। বিজুলী চাকিৰ ক্ষীণ পোহৰত চকামকাকৈ ধৰিব পৰা যাত্ৰীবোৰক মাৰিয়াৰ কাষত বহি অহা সেই তিৰোতাগৰাকীয়ে বাচখনৰ বাহিৰৰ পৰা নাৰ্চাৰী স্কুলৰ ল'ৰা ছোৱালীক দিয়াৰ দৰে আকাৰে ইংগিতে নিৰ্দেশ নিদিয়া পৰ্যন্ত তেওঁলোক নিথৰ হৈ তাতে বহি ৰ'ল। সিহঁত আটাইবোৰ বয়সীয়াল মহিলা আছিল। চাল-চলনত ইমানেই ধীৰ স্থিৰ তথা লেহেমীয়া আছিল যে ক্ষীণ পোহৰত সিহঁতক এটা সপোনৰ ছায়া ছবিৰ দৰে দেখা গৈছিল। একেবাৰে শেষত বাচখনৰ পৰা নামি অহা মাৰিয়াই তেওঁলোকক নান্ বুলি ভাবিছিল। কিন্তু তাইৰ সেই ধাৰণাত তেতিয়াই আউল লাগি গ'ল যেতিয়া একে ধৰণৰ সাজপাৰ পৰিহিতা কেইবাগৰাকীও তিৰোতা বাচখনৰ দুৱাৰৰ সন্মুখত ৰৈ থকা দেখিলে। তেওঁলোকে বাচখনত উঠি অহা যাত্ৰীসকলক নমাই বৰষুণত নিতিতিবৰ বাবে কম্বল একোখন মূৰৰ ওপৰত ছাটি-মাৰি দিছিল আৰু শাৰীবদ্ধ হৈ থিয় দিবলৈ মুখৰ পৰিবৰ্তে ছন্দোময় হাত চাপৰিৰে নিৰ্দেশ দিছিল। মাৰিয়াই কাষত বহি অহা তিৰোতাগৰাকীক বিদায় জনাই গাত লৈ অহা কম্বলখন ঘূৰাই দিব খুজিলে কিন্তু তিৰোতাগৰাকীয়ে তাইক সেইখনেৰে মূৰটো ঢাকি প্ৰাংগণ পাৰহৈ গৈ দুৱৰীৰ কোঠাত থৈ যাবলৈ ক'লে। "তাত টেলিফোন আছেনে ?"– মাৰিয়াই সুধিলে।

"নিশ্চয়, তেওঁলোকে দেখুৱাই দিব।"– তিৰোতাগৰাকীয়ে ক'লে।

তেওঁ আৰু এটা চিগাৰেট বিচাৰিলে, মাৰিয়াই হাতত থকা চিগাৰেটৰ গোটেই সেমেকা পেকেটটো দি দিলে। "বাটত যাওঁতে এইবোৰ শুকাই যাব"– তাই ক'লে। চলন্ত বাচখনৰ পৰা তিৰোতাগৰাকীয়ে হাত জোকাৰি বিদায় দিলে আৰু প্ৰায় চিঞৰ মাৰি ক'লে– "গুড্ লাক্"। তেওঁ অন্য কোনো কথা কবলৈ সময়েই নাপালে কাৰণ বাচখন বেগেৰে তাৰ পৰা

আঁতৰি গ'ল।

মাৰিয়া ঘৰটোৰ দুৱাৰমুখৰ ফালে দৌৰিবলৈ আৰম্ভ কৰিলে। এগৰাকী মেট্ৰনে তাইক এটা সবল হাতচাপৰিৰে বাধা দিব খুজিছিল যদিও ফল নধৰাত শেষত চিঞৰিবলৈ বাধ্য হ'ল– "ৰৈ যোৱা বুলি কৈছো নহয়!" মাৰিয়াই কম্বলখনৰ তলৰ পৰাই চাই দেখিলে এযোৰ বৰফ শীতল চকুৰে তাইলৈ চাই আছে আৰু এটা তৰ্জনী আঙুলীয়ে তাইক সেই শাৰী পাতি থকা তিৰোতাবোৰৰ শাৰীত অন্তৰ্ভুক্ত হ'বলৈ ইংগিত দিছে। তাই সেই আদেশ মানি ল'লে। ঘৰটোৰ বাৰাণ্ডাখনৰ ভিতৰ সোমায়েই সেই দলটোৰ পৰা ফালৰি কাটি তাই ৰখীয়াজনক টেলিফোনটো ক'ত আছে সুধিলে। এগৰাকী মেট্ৰনে তাইক লাহেকৈ কান্ধত চপৰিয়াই পুনৰ আগৰ শাৰীটোলৈ ঘূৰাই আনি কোমল মাতেৰে ক'লে– "এইফালে আছে সোনজনী, টেলিফোনটো এইফালে আছে।"

মাৰিয়াই বিশাল কোঠাটো নোপোৱালৈকে ক্ষীণ পোহৰৰ কৰিডৰটোৰে গৈ থাকিল। তাত মেট্ৰন কেইগৰাকীয়ে তেওঁলোকৰ পৰা কম্বলবোৰ যুৰাই লৈ প্ৰত্যেককে একোখনকৈ বিচনা দেখুৱাই দিলে। দেখাত দয়ালু যেন লগা আন এগৰাকী মেট্ৰনে সিহঁত প্ৰত্যেকৰে বক্ষবন্ধনীৰ স'তে সী ওলমাই থোৱা নিজৰ নিজৰ নাম লিখা সৰু সৰু টিকটবোৰৰ লগত নিজৰ হাতত লৈ অহা নামৰ তালিকাখন ৰিজাই চালে। মাৰিয়াৰ কাষ পাই তেওঁ আচৰিত হৈ গ'ল কাৰণ তাইৰ বুকুত তেনে কোনো পৰিচায়ক টিকট নাছিল।

"মই টেলিফোন কৰিবলৈহে আহিছিলো"– মাৰিয়াই তেওঁক ক'লে।

তাই বাটত গাড়ীখন বেয়া হোৱাৰ কথা ক'লে। পাৰ্টি ক্লাব আদিত মেজিক দেখুৱাই ফুৰা তাইৰ গিৰিয়েকে বাৰ্চিলনাত তাইলৈ বাট চাই আছিল। মাজনিশাৰ আগলৈকে তেওঁলোকে তিনি ঠাইত প্ৰদৰ্শনীৰ বাবে চুক্তিবদ্ধ আছিল আৰু সেয়েহে তাই তেওঁৰ স'তে যাবলৈ সময়মতে ঘৰ পাবগৈ নোৱাৰিব বুলি জনাই দিব খুজিছিল। তেতিয়া প্ৰায় সাত বাজিছিল। দহ মিনিটৰ ভিতৰত প্ৰদৰ্শনীৰ বাবে ঘৰৰ পৰা ওলাই যাব লাগে। পলম হোৱাৰ বাবে তেওঁ সেইদিনাৰ সকলো কাৰ্যসূচী বাতিল কৰি দিব বুলি মাৰিয়াই মনে মনে ভয় খাই আছিল। মেট্ৰন গৰাকীয়ে মাৰিয়াৰ কথা কানপাতি শুনিলে। "তোমাৰ নাম কি?"– সুধিলে।

এটা স্বস্তিৰ নিশ্বাসেৰে মাৰিয়াই নিজৰ নামটো ক'লে কিন্তু সেই নামটো তেওঁ হাতত লৈ অহা নামৰ তালিকাখনত বাৰে বাৰে বিচাৰিও আবিষ্কাৰ কৰিব নোৱাৰি আন এগৰাকী মেট্ৰনক সংকেতেৰে সুধিলে। তেওঁ কান্ধ দুটা জোকৰাৰ বাহিৰে কোনো উত্তৰেই দিব নোৱাৰিলে।

"কিন্তু মই টেলিফোন কৰিবলৈহে আহিছিলো।"– তাই ক'লে।

"নিশ্চয় মাজনী..."– বিচনাখনৰ ফালে আগবঢ়াই লৈ গৈ থাকোতে পৰিদৰ্শক গৰাকীয়ে মাৰিয়াক অকৃত্ৰিম যেন লগা কোমল মাতেৰে ক'লে– "তুমি যদি ভাল ছোৱালী তেন্তে থাকেই বিচৰা তেওঁলৈকে ফোন কৰিব পাৰিবা; কিন্তু এতিয়া নহয়, কালিলৈ দেই।"

কিবা এক আশংকাই মাৰিয়াৰ মনত দোলা দি গ'ল। তেতিয়াহে তাই লাহে লাহে বুজি উঠিল কিয় সেই তিৰোতাগৰাকীয়ে একুৱাৰিয়ামৰ তলিত থকা মাছৰ দৰে বাচখনত পিত্‌পিতাই ফুৰিছিল। আচলতে সিহঁতক ঔষধ দি নীৰৱ কৰি ৰখা হৈছিল। শিলৰ প্ৰকাণ্ড দেৱাল আৰু খটখটিৰে সৈতে সেই আন্ধাৰ ঘৰটো আচলতে মানসিক ভাৱে বিকাৰগ্ৰস্ত নাৰীসকলৰ বাবে এখন চিকিৎসালয় আছিল। আতংকিত হৈ মাৰিয়া সেই ঠাইৰ পৰা দৌৰ মাৰিলে। কিন্তু মূল দুৱাৰখন পোৱাৰ আগতেই ভয়ানক চেহেৰাৰ এজনী মেট্ৰনে একে ঘোচাই তাইক মজিয়াত বগৰাই দিলে। মাৰিয়াই মাৰৰ কোব আৰু ভয়ত জঠৰ হৈ পৰি থকাৰ পৰাই ইফালে সিফালে চালে।

"মোৰ মৃত মাৰ শপত, মই টেলিফোন কৰিবলৈহে আহিছিলো।"– তাই ক'লে।

প্ৰথমবাৰ দেখোতেই তাই সহজে অনুমান কৰি লৈছিল যে সেই উন্মাদপ্ৰায় মেট্ৰনৰ হৃদয় কোনো ধৰণৰ ওজৰ-আপত্তিৰে গলাব পৰা নাযাব। অসাধাৰণ শাৰীৰিক শক্তিৰ বাবেই হয়তো তাইক মতা হৈছিল হাৰ্কিউলিনা বুলি। জটিল মানসিক ৰোগী বোৰৰ তত্বাৱধান লোৱাৰ দায়িত্ব তাইৰ ওপৰত ন্যস্ত আছিল। ইতিপূৰ্বে তাই ভালুকৰ দৰে সেই হাত দুখনেৰেই অনিচ্ছাকৃত ভাৱে হ'লেও চিকিৎসালয়ৰে দুগৰাকীক ডিঙিচেপি হত্যা কৰিছে। পিছত প্ৰথম ঘটনাটো এটা দুৰ্ঘটনা আছিল বুলি প্ৰমাণিত হয় আৰু দ্বিতীয়টোৰ কোনো জল জল পট পট সিদ্ধান্ত পোৱা নগ'ল যদিও পিছলৈ এনে কাম কৰিলে তাই ইয়াৰ পুংখানুপুংখ অনুসন্ধানৰ মুখামুখি হ'ব লাগিব বুলি সঁকিয়াই দিয়া হয়। এটা পুৰণি ভদ্ৰ পৰিয়ালৰ কুলাংগাৰ স্বৰূপ এই হাৰ্কিউলিনা নামৰ তিৰোতাজনী স্পেইনৰ বিভিন্ন মানসিক চিকিৎসালয়ত ঘটি যোৱা কেইবাটাও দুৰ্ঘটনাৰ স'তে জড়িত বুলি সন্দেহ কৰা হয়।


মাৰিয়াক প্ৰথম নিশা শুৱাবৰ বাবে ঔষধ প্ৰয়োগ কৰিব লগা হয়। দোব মোকালিতে, এটা চিগাৰেট হুপাৰ হাবিয়াসেৰে যেতিয়া তাই সাৰ পালে তেতিয়া নিজকে বিচনাৰ ধাতুৰ বাৰৰ সৈতে আঠু আৰু কঁকালত মেৰিয়াই মেৰিয়াই বান্ধি থোৱা অৱস্থাত আৱিষ্কাৰ কৰিলে। তাই চিঞৰ বাখৰ কৰিও কোনো সঁহাৰি নাপালে। ৰাতিপুৱা, যি সময়ত হয়তো তাইৰ গিৰিয়েকে বাৰ্চিলনাত তাইৰ কোনো সংসূত্ৰই উলিয়াব নোৱাৰিলে, সেই সময়তেই সংজ্ঞাহীন হৈ পৰি থকা অৱস্থাত মেট্ৰন কেইগৰাকীয়ে চিকিৎসাৰ বাবে আন এটা কোঠালৈ তাইক স্থানান্তৰ কৰিলে।

সংজ্ঞা ঘূৰাই পোৱাৰ পিছত তাই কিমান সময় পাৰ হৈ গ'ল ধৰিবকে নোৱাৰিলে। কিন্তু সেই মুহূৰ্ত্তত তাইৰ পৃথিৱীখন প্ৰেমৰ স্বৰ্গ যেন লাগিছিল। চিকিৎসালয়ৰ বয়সস্থ পৰিচালকজন তাইৰ বিচনাৰ কাষলৈ আহি এটা শীতল হাঁহিৰে তাইক একপ্ৰকাৰ মানসিক সকাহ দিয়াৰ প্ৰয়াস কৰিলে।

তেখেতৰ স'তে কোনো কথাৰ পাতনি নেমেলাকৈয়ে, আনকি কোনোধৰণৰ সৌজন্যসূচক সম্বোধন নকৰাকৈয়ে, পোনচাটেই মাৰিয়াই তেখেতক এটা চিগাৰেট বিচাৰিলে। তেখেতে এটা চিগাৰেট জ্বলালে আৰু প্ৰায় ভৰ্ত্তি আন এটা চিগাৰেটৰ পেকেটেৰে সৈতে দুয়োটা মাৰিয়ালৈ আগবঢ়াই দিলে। এইবাৰ কিন্তু তাই আনন্দৰ চকুলো ধৰি ৰাখিব নোৱাৰিলে।

"এতিয়া তুমি হিয়া উজাৰি কন্দা উচিত কাৰণ চকুপানীয়েই এতিয়া সকলোতকৈ শ্ৰেষ্ঠ ঔষধ"– ডাক্তৰজনে এক নিদ্ৰালস স্বৰেৰে ক'লে।

লাজ-চৰম একাৰৰীয়াকৈ ৰাখি তাই যেনেকৈ অন্তৰৰ সকলো কথা ডাক্তৰজনক খুলি ক'লে তেনেকৈ কিজানি তাই জীৱনৰ বাটত লগ পোৱা আকস্মিক প্ৰেমিক বোৰৰ স'তে দৈহিক সম্বন্ধ স্থাপন কৰাৰ প্ৰাকমুহূৰ্ত্তত



প্ৰেমালাপ কৰোতেও নিজৰ হৃদয় খুলি দিব পৰা নাছিল। কথাবোৰ শুনি থাকোতে ডাক্তৰজনে তাইৰ চুলিৰ মাজত আঙুলি বুলাই দিছিল, উশাহ নিশাহৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি শিতানৰ গাৰুটো ঠিক ঠাইত লগাই দিছিল আনকি তেখেতে তাইক মনৰ সেই অনিশ্চয়তাৰ চক্ৰবেহুৰ পৰা এনে এক প্ৰগাঢ় মমতা আৰু বুদ্ধিদীপ্ততাৰে উলিয়াই অনাৰ প্ৰয়াস কৰিছিল যিটো হয়তো তাই সপোনতো কল্পনা কৰিব পৰা নাছিল। এই ডাক্তৰজনেই হয়তো তাই জীৱনত লগ পোৱা প্ৰথম পুৰুষ যি তাইৰ কথা অন্তৰেৰে শুনিছিল আৰু বুজিও পাইছিল কিন্তু এইদৰে তাইক শুনা বা বুজাৰ প্ৰতিদান হিচাপে তাইৰ শৰীৰটো উপভোগ কৰিবলৈ বিচৰা নাছিল। এনেদৰে বহুসময় ধৰি নিজৰ সকলো কথা বিবৰি কোৱাৰ পিছত তাই গিৰিয়েকৰ স'তে টেলিফোনত কথা পাতিবলৈ অনুমতি বিচাৰিলে।

ডাক্তৰজন গুৰু গম্ভীৰ ভাৱেৰে থিয় হৈ পূৰ্বতকৈও অধিক কোমল মাতেৰে ক'লে–" এতিয়া নহয়, সোনজনী, সময়মতে সকলো কৰিব পাৰিবা।" ওলাই যাওঁতে দুৱাৰৰ ওচৰৰ পৰা তেওঁ মাৰিয়াক এজন বিচপৰ আশীৰ্বাদ জনালে আৰু তেওঁৰ ওপৰত বিশ্বাস ৰাখিবলৈ কৈ চিৰদিনৰ বাবে নিখোজ হ'ল।

সেইদিনা আবেলি মাৰিয়াক এটা ক্ৰমিক নম্বৰ আৰু তাইৰ পৰিচয় সম্বন্ধীয় ৰহস্যৰ কেইটামান টোকা সহ চিকিৎসালয়ত পঞ্জীভুক্ত কৰা হ'ল। টোকা সমূহ থকা কাগজখনৰ বাওঁফালে থকা খালী ঠাই খিনিত পৰিচালকজনে নিজহাতে লিখিলে– "এজিটেটেড্"

মাৰিয়াই পূৰ্বানুমান কৰাৰ দৰেই তাইৰ গিৰিয়েকে আধাঘন্টাৰ আগতে হ'টা জিলাত থকা তেওঁলোকৰ ঘৰটোৰ পৰা সেই নিশাৰ বাবে চুক্তিবদ্ধ হৈ থকা তিনিঠাইলৈ প্ৰদৰ্শনীৰ বাবে ওলাই গৈছিল। তেওঁলোকৰ দুবছৰীয়া মধুৰ দাম্পত্য জীৱনত সেইদিনাই মাৰিয়াৰ প্ৰথম পলম হৈছিল। সপ্তাহজুৰি নেৰা দবাপিটা বৰষুণৰ ফলত গোটেই চহৰখনত অচলাৱস্থা বিৰাজ কৰাৰ বাবেই মাৰিয়া ঘৰলৈ আহিব পৰা নাছিল বুলি তেওঁ অনুমান কৰি লৈছিল। ওলাই যোৱাৰ আগে আগে তেওঁ এটা টোকা আৰু সেইদিনাৰ কাৰ্যসূচীৰে সৈতে এখিলা কাগজ দুৱাৰত পিন মাৰি থৈ গৈছিল।

ল'ৰা-ছোৱালীবোৰে নিজকে কেঙ্গেৰুৰ দৰে লগাকৈ সাজ পাৰ পিন্ধি তেওঁৰ বাবে বৈ থকা প্ৰথম পাৰ্টিটোত তেওঁ নিজৰ 'অদৃশ্য মাছ' নামৰ শ্ৰেষ্ঠতম মেজিকটোকে মাৰিয়াৰ অনুপস্থিতিৰ বাবে দেখুৱাব নোৱাৰিলে। দ্বিতীয় প্ৰদৰ্শনীটো আছিল তিৰানব্বৈ বছৰীয়া হুইলচেয়াৰত চলা ফুৰা কৰা এগৰাকী বৃদ্ধাৰ ঘৰত যি বিগত একুৰি দহোটা জন্মদিনৰ প্ৰত্যেকটোকেই বেলেগ বেলেগ যাদুকৰৰ প্ৰদৰ্শনী অনুষ্ঠানেৰে উদ্‌যাপন কৰিছে বুলি গৌৰৱেৰে ঘোষণা কৰিছিল। মাৰিয়াৰ অনুপস্থিতিৰ ভাৱনাই তেওঁক ইমানকৈ আচ্ছন্ন কৰি ৰাখিছিল যে সেইদিনা সৰুতকৈ সৰু মেজিকটো দেখুৱাব পৰাকৈও তেওঁ মানসিক ভাৱে নিজকে প্ৰস্তুত কৰিব পৰা নাছিল। তৃতীয় প্ৰদৰ্শনীটোত তেওঁ প্ৰতিনিশা ৰেম্বলাচৰ কাফে'ত প্ৰদৰ্শন কৰা মেজিকটোকে কেইজনমান ফৰাচী পৰ্যটকৰ আগত প্ৰদৰ্শন কৰাত তেওঁলোকে চকুৰ আগত দেখা সকলো বিশ্বাস কৰিবলৈ অমান্তি হ'ল। ইয়াৰ কাৰণ হিচাপে তেওঁলোকে ক'লে যে তেওঁলোকে হেনো মেজিকত বিশ্বাস নকৰে। প্ৰতিটো দৰ্শনীৰ পিছতে তেওঁ ঘৰলৈ ফোন কৰি মাৰিয়াৰ উত্তৰলৈ আকুল হৈ বাট চাই আছিল। শেষবাৰ ফোন কৰি কোনো সহাঁৰি নোপোৱাত তেওঁ মাৰিয়াৰ কিবা নহয় কিবা এটা বিপিনী ঘটিছে বুলি অনুমান কৰি লৈছিল।

মেজিক প্ৰদৰ্শনীৰ বাবে লৈ ফুৰা গাড়ীখনেৰে ঘৰলৈ আহি থাকোতে তেওঁ মন কৰিলে যে পেছিও-ডি-গ্ৰেচিয়াৰ পাৰৰ খেজুৰ গছবোৰত বসন্তৰ পৰশ বাৰুকৈয়ে পৰিছে। আৰু মাৰিয়া অবিহনে তেওঁৰ বাবে সেই চহৰখন কেনেকুৱা হ'ব এই কথা চিন্তা কৰিয়েই গা সিয়ৰি উঠিল। ঘৰলৈ ঘূৰি গৈ দুৱাৰত লগাই থৈ যোৱা কাগজ টুকুৰা আগৰ ঠাইতে দেখি তেওঁৰ শেষ আশাতো চেঁচা পানী পৰিলে। সেইদিনা তেওঁ মানসিক ভাবে ইমানেই হতাশ আছিল যে পোহনীয়া মেকুৰীটোকো আহাৰ খুৱাবলৈ পাহৰি গৈছিল।

লিখি থকাৰ পৰত এই কথাটো মই এতিয়াহে অনুভৱ কৰিছো যে তেওঁৰ প্ৰকৃত নামটো মোৰ কোনোদিনে জনা নহ'ল কাৰণ বাৰ্চিলনাত আমি তেওঁক 'যাদুকৰ চেটাৰ্ন' বুলি পেছাদাৰী নামেৰেহে জানিছিলো। সামাজিক সচেতনতাহীন তথা কোনো ধৰণৰ সামাজিক বা-বতাহে চুব নোৱাৰা চেটাৰ্ন' আছিল এজন অদ্ভুত চৰিত্ৰৰ লোক। কিন্তু তেওঁৰ নথকাখিনিৰ তুলনাত মাৰিয়া আছিল অত্যন্ত বুদ্ধিদীপ্ত আৰু সুন্দৰী তিৰোতা। ঘৰ আহি পোৱাৰ লগে লগে তেওঁ ঘটনাটো পাহৰি যোৱাটোৱেই ভাল হ'ব বুলি মনে মনে থিৰাং কৰিলে। সেইকাৰণে সেই নিশা তেওঁ ঘৰাগ জালে ফোন কৰি মাৰিয়াৰ বিষয়ে সুধিলে। সিপাৰৰ পৰা এগৰাকী বুঢ়ীয়ে গেৰৌ-গেথৌ মাতেৰে ক'লে যে দুপৰীয়াৰ আহাৰৰ পিছতে মাৰিয়াই তাৰ পৰা বিদায় লৈছিল। একেবাৰে শেষনিশাৰ ফালে তেওঁ এঘন্টামান শুব পাৰিছিল। এটা খেলিমেলি সপোনত তেওঁ মাৰিয়াক এযোৰ তেজলগা ফটা-ছিটা কইনাৰ সাজ পিন্ধি থকা অৱস্থাত দেখি চক্‌খাই এই ভয়ানক নিশ্চয়তা মনত লৈ সাৰ পাই গ'ল যে মাৰিয়াই এই বিশাল পৃথিৱীখনত তেওঁক অকলে সংগ্ৰাম কৰিবলৈ এৰি চিৰদিনৰ বাবে গুচি গ'ল।

যোৱা পাঁচটা বছৰত তেওঁকে ধৰি মাৰিয়াই পাঁচজন মানুহ এৰিছে।

তেওঁলোকে দুয়ো দুয়োকো লগ পোৱাৰ ছমাহৰ পিছত মেক্সিকোৰ আজ্ঞাৰেছ নামৰ ঠাইৰ এগৰাকী তিৰোতাৰ সৈতে শাৰীৰিক ভাৱে মত্ত হৈ থাকোতে হঠাৎ এদিন মাৰিয়াই তেওঁক এৰি ক'ৰবালৈ গুছি গৈছিল। মাৰিয়াই তাইৰ সকলো বয় বস্তু তাতে এৰি থৈ গৈছিল, আনকি তাইৰ পূৰ্বৰ গিৰিয়েকে দিয়া আঙুঠিটোও। চিঠি এখন এইবুলি লিখি থৈ গৈছিল যে সেই পাশৱিক প্ৰেমৰ জ্বালা তাই আৰু সহ্য কৰিব নোৱাৰে। চেটান'ই অনুমান কৰিছিল যে মাৰিয়া নাবালিকা হৈ থাকোতেই বিবাহ পাশত আৱদ্ধ হোৱা সেই স্কুলৰ বন্ধুজন, বিজনৰ স'তে তাই দুটা প্ৰেমহীন বছৰ অতিবাহিত কৰি অন্য এজনৰ লগত গুছি আহিলে, সেই প্ৰথম পতিৰ ওচৰলৈকে পুনৰ ঘুৰি গৈছিল। কিন্তু নহয়, তাই মাকৰ ঘৰলৈহে উলটি গৈছিল। চেটাৰ্নই যিকোনো প্ৰকাৰে তাইক ঘূৰাই অনাৰ যোল্প অনা চেষ্টা কৰিছিল। "কিছুমান প্ৰেমৰ আয়ুস খুব চুটি থাকে, আন কিছুমানৰ দীঘল। এই প্ৰেমৰ আয়ুস একেবাৰে চুটি আছিল।"– মাৰিয়াই নিৰ্দয় ভাৱে ক'লে। তাইৰ সেই আকোৰগোজ স্বভাৱৰ ওচৰত চেটাৰ্ন'ই হাৰ মানিবলৈ বাধ্য হ'ল। পাহৰো বুলিয়েই মাৰিয়াক পাহৰি যোৱা চেটাৰ্ন'ই প্ৰায় এবছৰ মানৰ পিছত এদিন নিচেই পুৱাতে ঘৰলৈ আহোঁতে তাইক কুমাৰী কন্যাই পিন্ধা কমলাৰঙৰ ফুলৰ ক্ৰাউন আৰু দীঘল নেট কাপোৰৰ গাউন এটা পিন্ধি ঘৰৰ চ'ফাত শুই থকা অৱস্থাত দেখা পালে।

চেটাৰ্ন'ক তাই সঁচা কথাটো বিবৰি ক'লে। তাইৰ হ'বলগা নতুন দৰাজন আছিল এজন সন্তানহীন বৰলা। তেওঁ মাৰিয়াক কেথলিক গীৰ্জাত বিয়াকৰাব বুলি মাতি নি বহু সময় গীৰ্জাৰ বেদীতে অপেক্ষা কৰালে কিন্তু অৱশেষত নাহিলে। তাইৰ মাক-দেউতাকেও বিবাহৰ অভ্যৰ্থনাৰ বাবে যো-জা কৰিছিল। তাতে তাইও গান গালে, নাচিলে আৰু ভিঙিলৈকে মদ পান কৰিলে আৰু চেটাৰ্ন'ৰ কথা ভাবি বাৰুকৈয়ে অনুতপ্ত হৈ মাজনিশা তেওঁক বিচাৰি ওলাই আহিল।

চেটাৰ্ন' ঘৰত নাছিল। মাৰিয়াই ফুলদানীটোত খেপিয়াই চাই চাবিটো পালে। আগতেও তেওঁলৈকে সেইঠাইতে চাবিটো লুকুৱাই ৰাখিছিল। এতিয়া তাই বিনাচৰ্ত্তে চেটাৰ্ন'ৰ ওচৰত আত্মসমৰ্পন কৰাৰ বাহিৰে কোনো গত্যন্তৰ নাছিল– "কিমান দীঘলীয়া আছিল এই সময়"– চেটাৰ্ন'ই সুধিলে। তাই ভিনিছিয়াছ-ডি-মৰিছৰ এটা বাক্যৰে উত্তৰ দিলে– "যিমান দিনলৈকে জীয়াই থাকে সিমানদিনলৈকে প্ৰেম অপাৰ্থিৱ।" দুবছৰৰ পিছতো ই অপাৰ্থিৱই আছিল।

মাৰিয়া মানসিক ভাৱে কিছু পৈনত হৈছিল যেন লাগিছিল। এগৰাকী অভিনেত্ৰী হোৱাৰ সপোন পৰিত্যাগ কৰি তাই এইবাৰ কামে শয্যাই সকলো চেটাৰ্ন'ৰ নামত উৎসৰ্গা কৰিছিল। পাৰহে যোৱা বছৰটোৰ শেষৰ ফালে পাৰপিগনানত অনুষ্ঠিত হোৱা যাদুকৰ সকলৰ এখন সভাৰ পৰা ঘূৰি আহোতে প্ৰথম বাৰৰ বাবে তেওঁলোক বাৰ্চিলনাত ফুৰিবলৈ সোমাইছিল। বাৰ্চিলনাই তেওঁলোকক ইমানেই মুগ্ধ কৰিলে যে তাত দুয়ো সুদীৰ্ঘ আঠমাহ কাল অতিবাহিত কৰিবলগীয়া হ'ল। অকল সেয়াইনহয়, মোহাচ্ছন্ন হৈ তেওঁলোকে হঠাৎ এটা ঘৰো কিনি ল'লে। ঠাইডোখৰ হুলস্থুলীয়া আছিল তেওঁলোকৰ কোনো ঘৰ ৰখীয়া নাছিল। কিন্তু ঘৰটোত পাঁচোটা ল'ৰা-ছোৱালীৰ বাবেও প্ৰয়োজনতকৈ অধিক কোঠা আছিল। তেওঁলোকৰ জীৱনৰ দুয়োপাৰ সুখেৰে উপচি পৰিছিল। কিন্তু সোমবোৰে ৰাতিলৈ ঘূৰি আহিম বুলি কৈ শনিবাৰেই গাড়ী এখন ভাড়া কৰি জাৰগ'জাৰ আত্মীয়ৰ ওচৰলৈ ফুৰিবলৈ যোৱা মাৰিয়াৰ বৃহস্পতিবাৰৰ ৰাতিপুৱালৈকে কোনো খা-খবৰ নাছিল।

পিছৰ সোমবাৰে বীমা কোম্পানীৰ মানুহ আহি চেটাৰ্ন'ক মাৰিয়াৰ কথা সুধিলে। "মই একোকে নাজানো, তেওঁক জাৰগ'জাত বিচাৰি চাওক।"– তেওঁ কলে। এসপ্তাহৰ পিছত পুলিচ অফিচাৰ এজন আহি মাৰিয়াই ভাড়া কৰি নিয়া গাড়ীখন কেডিজৰ পৰা নশ কিলোমিটাৰ দূৰত উদ্ধাৰ হোৱাৰ কথা কৈ গৈছিল। পুলিচ অফিচাৰজনে, ঘটনাটোৰ বিষয়ে সবিশেষ কিবা জানে নেকি তেওঁক সুধিলে। তেওঁ মেকুৰীটোক আহাৰ খুৱাই আছিল। ওপৰলৈ মূৰ নোতোলাকৈয়ে তেওঁ পুলিচজনক ক'লে যে পুলিচে এনেকৈ সময় নষ্ট কৰি কোনো লাভ নাই কাৰণ মাৰিয়াই তেওঁক এৰি গৈছে আৰু কাৰ স'তে বা কলৈ গৈছে সেই বিষয়ে একোকে নাজানে। তেওঁ কথাকেইষাৰ ইমানেই দৃঢ় ভাৱে কৈছিল যে পুলিচ অফিচাৰজন তেওঁৰ আগত সহজ হৈ থাকিব নোৱাৰিলে আৰু প্ৰশ্ন সুধি আমনি কৰাৰ বাবে ক্ষমা বিচাৰিলে। পুলিচ বিভাগে ঘটনাটোৰ অনুসন্ধান সিমানতে শেষ বুলি ঘোষণা কৰিছিল।

মাৰিয়াই চেটাৰ্ন'ক ভৱিষ্যতে যে পুনৰ এৰি যোৱাৰ সম্ভাৱনা আছে এই সন্দেহ চেটাৰ্ন'ৰ মনত তেতিয়াই উকমুকাই উঠিছিল যেতিয়া ইষ্টাৰৰ সময়ত কেডেকুইছত থাকোতে তেওঁলোকক ৰ'জা ৰেগাছে সমুদ্ৰত বিলাস ভ্ৰমণৰ বাবে নিমন্ত্ৰণ জনাইছিল। নিম্ন মানদণ্ডৰ বিৰ দি বাট নোপোৱা সাগৰীয় বাৰখনৰ ছজন মানুহৰ জোখাৰে সজা সেই লোহাৰ টেবুল একোখনত একুৰি মানুহক ঠেলা-হেঁচাকৈ বহুৱাই দিয়া হৈছিল। দিনটোৰ দ্বিতীয় পেকেট চিগাৰেট খাই শেষ কৰাৰ পিছত মাৰিয়া পুনৰ জুইশলা বিচাৰি ওলাই গ'ল। ব্ৰ'জৰ ৰোমান খাৰু এপাত পিন্ধা এখন নোমাল হাতে সেই ভীৰ আৰু হুলস্থুলৰ মাজেৰে বাট উলিয়াই আহি মাৰিয়াক এটা জুই শলা দিছিল। ওপৰলৈ মূৰ নোতোলালৈয়ে তাই ধন্যবাদ জনালে। চেটাৰ্ন'ইও সেই দাড়িহীন পৰিষ্কাৰ মুখেৰে চকুত লগা ডেকাজনক দেখিলে। কংকাললৈকে ওলমি থকা এডাল টিকনিৰে সৈতে তেওঁ দেখাত মৃত্যুৰ দৰে শেঁতা আছিল। বাহিৰৰ সেই বাসন্তী বতাহজাক ইমানেই প্ৰৱল আছিল যে বাৰখনৰ খিৰিকীৰ কাঁচবোৰে কোনোমতেহে তাক বাধা দি ৰাখিছিল কিন্তু তেওঁ সেই বতৰতো এটা কপাহী পায়জামা আৰু ভৰিত এযোৰ অতি সাধাৰণ চেণ্ডেল পিন্ধি আছিল।

শৰৎ কালৰ শেহৰ ফালে সেই একেযোৰ সাধাৰণ পোছাকেৰে সৈতে লা-বাচেলনেতাৰ সেই সাগৰীয় বাৰখনত দেখাৰ আগলৈকে ইমানদিনে তেওঁলোকে তেওঁক ক'তো দেখা নাছিল। সেইবাৰ মাথোঁ তেওঁৰ টিকনি ডালৰ ঠাই এডাল বেনীয়ে অধিকাৰ কৰিছিল। তেওঁলোক দুয়োকে দেখি তেওঁ এনেদৰে সম্ভাষণ জনালে যেন তেওঁলোক বহুদিনীয়া পুৰণি বন্ধুহে। মাৰিয়া আৰু তেওঁৰ চুমাৰ আদান প্ৰদানৰ ভংগী দেখি চেটাৰ্ন'ৰ মনত এই সন্দেহে বুৰবুৰণি তুলিলে যে তেওঁলোক দুয়ো নিশ্চয় মাজে মাজে গোপনে মিলিত হয়। কিছুদিনৰ পিছত ঘৰুৱা ঠিকনা লিখি ৰখা বহীখন চকুফুৰাই চাওঁতে তেওঁ হঠাৎ এটা নতুন নাম আৰু টেলিফোন নম্বৰ আৱিষ্কাৰ কৰিলে। সেইটো কাৰ নম্বৰ সেইকথা নজনাটোৱেই তেওঁৰ মনৰ পোৰণিৰ কাৰণ হৈ পৰিলে। সেই মানুহজনৰ পৰিচয়টোৱেই চেটাৰ্ন'ই কৰা সন্দেহৰ চুড়ান্ত প্ৰমাণ আছিল। বাইশ বছৰীয়া এই কিশোৰজন আছিল

এক ধনী দম্পত্তিৰ একমাত্ৰ সন্তান। বিলাসী দোকানবোৰ পৰিপাটিকৈ সজোৱাটোৱেই তেওঁৰ পেছা আছিল। স্ত্ৰী-পুৰুষ উভয়ৰ প্ৰতি কামাসক্ত এই কিশোৰে অৰ্থৰ বিনিময়ত বিবাহিতা সকলক তেওঁলোকৰ দাম্পত্য জীৱনত নোপোৱাখিনি দিয়াৰ প্ৰয়াস কৰে বুলিও কুখ্যাত আছিল। এই সকলো কথা চেটাৰ্নই সেই নিশা পৰ্যন্ত মনতে গাপ দি ৰাখিছিল। তাৰ পিছৰ পৰা তেওঁ প্ৰতিদিনে সেই নম্বৰটোলৈ ফোন কৰিবলৈ ল'লে। যেতিয়াই তেওঁ টেলিফোনৰ কাষত থাকে সেই নম্বৰটোকেই লৈ মূৰ ঘমাই থাকে। কিন্তু সিফালৰ পৰা কোনো সঁহাৰি পোৱা নাছিল।

এনেদৰে ফোন নম্বৰটো ডায়েল কৰি থাকোতে চতুৰ্থ দিনা ঘৰ চাফ চিকুন কৰা এগৰাকী আন্দলুচীয় তিৰোতাই সিমূৰে ফোনটো তুলিলে। "তেখেত ওলাই গ'ল"– তিৰোতাগৰাকীয়ে ভোৰভোৰাই ক'লে। কেনেবাকৈ মাৰিয়া তাত আছেনেকি সেই কথাষাৰ চেটাৰ্নই তেওঁক নোসোধাকৈ নোৱাৰিলে।

"ইয়াত মাৰিয়া নামৰ কোনো নাথাকে, ঘৰৰ মালিকজন অবিবাহিত।"– তিৰোতাগৰাকীয়ে ক'লে।

"মই জানো মাৰিয়া তাত নাথাকে কিন্তু মাজে মাজে তেওঁ তালৈ গৈ থাকে, নহয়নে?"

তিৰোতাগৰাকী বিৰক্ত হৈ চিঞৰি উঠিল– "আপুনি কোন পাষণ্ডই কৈছে বাৰু?"

তিৰোতাগৰাকীৰ সেই অস্বীকাৰ কৰি কোৱা কথা কেইষাৰে তেওঁৰ মনত বাহ লোৱা সন্দেহক বিশ্বাসলৈ উন্নীত কৰিলে। তেওঁ ভাৰসাম্য হেৰুৱাই পেলালে। পিছৰ কেইদিন তেওঁ বৰ্ণমালা অনুক্ৰমে বাৰ্চিলনাত থকা চিনাকী প্ৰতিজন মানুহলৈকে টেলিফোন কৰিলে। কোনেও তেওঁক একো সম্ভেদ দিব নোৱাৰিলে মাথোঁ প্ৰতিবাৰ টেলিফোন কৰাৰ পিছত তেওঁৰ যাতনা বাঢ়িহে গ'ল কাৰণ তেওঁৰ সেই ঈৰ্ষাজাত উন্মত্ততাৰ কথা গছে ডিভাইনৰ অনুশোচনাহীন ফেঁচা বোৰৰ মাজত জনাজাত হৈ পৰিছিল সেয়েহে তেওঁৰ প্ৰশ্নৰ উত্তৰত এনে কিছুমান বিদ্ৰূপকাৰী কথা শুনিবলৈ পাইছিল যিবোৰে তেওঁক মানসিক অশান্তিত ভোগাইছিল। তেতিয়াহে তেওঁ অনুভৱ কৰিছিল সেই সুন্দৰ, উন্মাদ, দুৰ্বোধ্য নগৰখন তেওঁৰ বাবে কিমান নিঃসংগ আছিল, য'ত হয়তো তেওঁ কোনোদিনেই সুখী হ'ব নোৱাৰিব। নিচেই পুৱাতে মেকুৰীটোক আহাৰ খুৱাই উঠাৰ পিছত তেওঁ মন ডাঠ কৰি এই সিদ্ধান্তত উপনীত হ'ল যে তেওঁ মাৰিয়াক পাহৰি পেলাব।

দুমাহৰ পিছতো মাৰিয়াই সেই পাগলখানাৰ পৰিবেশৰ স'তে নিজকে খাপ খুৱাব পৰা নাছিল। বন্দীবোৰক খাবলৈ দিয়া নিকৃষ্ট খাদ্য খাই তাই কোনোমতে জীয়াই আছিল। মধ্যযুগীয়া ডাইনিংৰুমটোত থকা এটা লিথ'গ্ৰাফ মেচিনত তাইৰ দৃষ্টি সদায়েই বন্দী আছিল। ৰাতিপুৱা গধুলি প্ৰাৰ্থনাকে ধৰি বিভিন্ন ধৰ্মীয় কৰ্মৰাজিৰ ৰুটিনখনৰ পৰা প্ৰথমতে তাই নিজকে নিগলাই ৰাখিছিল। আজৰি সময়ত মুকলি ঠাইত বল খেলিবলৈও তাই অমান্তি হৈছিল, আনকি অন্য বহুজনী লগৰীৰ দৰে মনোযোগেৰে কাগজৰ ফুল প্ৰস্তুত কৰিবলৈও তাই অস্বীকাৰ কৰিছিল। তৃতীয় সপ্তাহৰ পিছত তাই লাহে লাহে সেই ধৰণৰ কামবোৰত মনোনিবেশ কৰিবলৈ ল'লে। ডাক্তৰবোৰে কৈছিল যে তালৈ যোৱা প্ৰতিগৰাকী তিৰোতাই তেনেধৰণেই লাহে লাহে সেই পৰিবেশৰ স'তে নিজকে খাপ খুৱাই লৈ আন বোৰৰ স'তে মিলি যায়।

প্ৰথম কেইদিনমান তাইক মেট্ৰনগৰাকীয়ে পইছা, সোণৰ অলংকাৰ আদিৰ বিনিময়ত চিগাৰেট যোগান ধৰি আহিছিল। পইছা পাতি সকলো শেষ হোৱাৰ পিছত চিগাৰেটৰ অভাৱে পুনৰ মূৰ দাঙি উঠিলে। যেতিয়া তাইৰ চিগাৰেট হুপাৰ বাসনা টেলিফোনটোত নিবদ্ধ তাইৰ দৃষ্টিৰ দৰেই তীব্ৰ হৈ উঠিছিল তেতিয়া লগৰীবোৰে পেলনীয়া চিগাৰেটৰ টুকুৰাবোৰৰ পৰা তৈয়াৰ কৰি দিয়া খবৰ কাগজৰ চিগাৰেটেৰেই কাম চলাই লৈছিল। পিছলৈ কাগজৰ ফুল তৈয়াৰ কৰি যি কেইপইছা পাইছিল সেইখিনিয়ে তাইক খন্তেকীয়া সান্ত্বনা প্ৰদান কৰিছিল।

তাইৰ বাবে সকলোতকৈ অসহনীয় আছিল ৰাতিৰ নিসংগতা। তাইৰ দৰে আন বহুতো তিৰোতাই সেই ছয়া-ময়া আন্ধাৰত ভয়ে ভয়ে সাৰে আছিল কাৰণ মূল দুৱাৰখনত হাতত এডাল শিকলি আৰু এটা তলা লৈ মেট্ৰন গৰাকীও সাৰে আছিল। কোনোবা এনিশা দুখেৰে ভাৰাক্ৰান্ত হৈ তাই কাষৰ বিচনাত শুই থকা তিৰোতাগৰীয়ে শুনাকৈ বেচ ডাঙৰ কৈয়ে চিঞৰি সুধিলে–

"আমি ক' আছো"

"নৰকৰ অন্ধকূপত"– গহীন মাতেৰে উত্তৰ আহিল।

"তেওঁলোকৰ মতে এইখন মূৰ সকলৰ দেশ। আৰু ই সঁচাও। কাৰণ জহকালি যেতিয়া আকাশত জোন থাকে তেতিয়া কুকুৰবোৰে সাগৰলৈ চাই চাই ভুকি থকা শুনিবলৈ পাবা।"– দূৰৰ অন্য এটা কণ্ঠ সৰব হৈ উঠিল।

তলাটোৰ ওপৰেৰে চুচৰি যোৱা শিকলিডালে জাহাজৰ লংগৰৰ দৰে শব্দ কৰি দুৱাৰখন খোল খাই গ'ল। হঠাৎ নীৰৱতা বিৰাজ কৰা কোঠাটোত একমাত্ৰ জীৱিত প্ৰাণী যেন লগা তেওঁলোকৰ নিৰ্দয় অভিভাৱক স্বৰূপ সেই মেট্ৰনগৰাকী কোঠাটোৰ ইমূৰৰ পৰা সিমূৰলৈ অহাযোৱা কৰিবলৈ ল'লে। এক বিশেষ কাৰণত মাৰিয়া আতংকিত হৈ উঠিছিল।

প্ৰথম সপ্তাহৰে পৰা ৰাতিৰ কৰ্তব্যত থকা মেট্ৰনগৰাকীয়ে মাৰিয়াক তেওঁৰ সতে গাৰ্ডৰুমটোত শোৱাৰ প্ৰস্তাৱ দি আহিছিল। তাৰ বিনিময়ত তাই চিগাৰেট, চকলেটৰ পৰা আদি কৰি যিহকে বিচাৰে তাকেই পাব। "তুমি সকলো পাবা, তুমি ৰাণী হৈ থাকিব পাৰিবা"– মেট্ৰনগৰাকীয়ে কঁপা কঁপা মাতেৰে ক'লে। তাই সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাত এইবাৰ তেওঁৰ কৌশল সলনি কৰিলে। তাইৰ গাৰুৰ তলত, চোলাৰ জেপত আনকি কিছুমান কল্পনাতীত গোপনীয় ঠাইতো তেওঁ সৰু সৰু প্ৰেমৰ চিঠি এৰি যাবলৈ ধৰিলে। সেইবোৰে তেওঁৰ ভগ্ন হৃদয়ৰ বতৰা বহন কৰিছিল। সেই ঘটনাটোৰ এমাহমান পিছলৈকে তেওঁ এনেধৰণে নীৰৱ হৈ পৰিছিল যেন মনে মনে পৰিস্থিতিৰ ওচৰত হাৰহে মানি লৈছিল।

মাৰিয়াৰ কাষৰ সকলো টোপনিত লালকাল বুলি নিশ্চিত হোৱাৰ পিছত মেট্ৰন গৰাকী মাৰিয়াৰ বিচনাৰ নিচেই কাষলৈ আহি তাইৰ কানে কানে কোমল মাতেৰে বহু অশালীন কথা ফুচফুচাই ক'লে আৰু প্ৰথমে তাইৰ ওঁঠ, তাৰ পিছত ভয়ত সেপ ঢুকি থকা ডিঙি, জঠৰ দুয়োটা বাহু আৰু ক্লান্ত ভৰি দুটাত চুমা খাবলৈ আৰম্ভ কৰিলে। তাই লচকচ নকৰাকৈ শুই দিয়াটো এক প্ৰকাৰ আওপকীয়া সম্মতি বুলি সাহস পাই তেওঁ আৰু আগবাঢ়ি গ'ল। এইবাৰ তাই সহিব নোৱাৰি তেওঁক হাতেৰে আঘাট কৰাত কাষৰ

বিচনাখনত উফৰি পৰিল। বাকী তিৰোতাবোৰে ভয়ত কাতৰ হৈ বন্ধা চিঞৰ-বাখৰৰ মাজতে তেওঁ পৰি থকাৰ পৰা থিয় দিলে।

"চাল্লা কুকুৰণী, তই মোৰ কাৰণে পাগল নোহোৱালৈকে এই নৰকত পচি থাকিব লাগিব।"— তেওঁ চিঞৰি চিঞৰি ক'লে।

কোনো আগজাননী নিদিয়াকৈয়ে জুন মাহৰ প্ৰথমটো দেওবাৰে গ্ৰীষ্মকাল সোমাল। গৰমৰ প্ৰকোপত থাকিব নোৱাৰি তিৰোতাবোৰে সিহঁতৰ জলহু চাৰ্জ্জ কাপোৰৰ গাউনবোৰ খুলি পেলাবলৈ লোৱাত কৰ্তৃপক্ষই তৎকালীন ব্যৱস্থা লোৱাৰ প্ৰয়োজনীয়তা আহি পৰিল। সমুখৰ মুকলি ঠাইখিনিত উলংগ তিৰোতাবোৰক মেট্ৰন কেইগৰাকীয়ে অন্ধকুকুৰাৰ দৰে খেদি ফুৰা দৃশ্যটো মাৰিয়াই বৰ আমোদেৰে চাই আছিল। এই দৃশ্য চাই বিভোৰ হৈ থাকোতে তাই তিৰোতাবোৰৰ উন্মাদ হাতৰ পৰিসৰৰ পৰা নিজকে বচাবলৈ চেষ্টা কৰোতেহে সম্বিত ঘূৰাই পাই দেখে যে তাই জন শূণ্য অফিচটোত অকলে বহি আছে। কাষত এটা টেলিফোনৰ ৰিং নেৰানেপেৰাকৈ বাজি আছে। মাৰিয়াই আগ পিছ নাভাবি ৰিচিভাৰটো দাঙি ল'লে সিমূৰৰ পৰা কোনোবাই টেলিফোন কোম্পানীৰ টাইম চাৰ্ভিচ'ৰ অনুকৰণ কৰি ক'লে—

"এতিয়া সময় পঞ্চল্লিচ ঘন্টা বিষানব্বৈ মিনিট এশ আঠ ছেকেণ্ড"

"চাল্লা ............"— তাই চিঞৰি উঠিল।

ফোনটো ৰাখি যাবলৈ লওঁতেই তাইৰ মূৰত এইকথা খেলালে যে ইয়াৰপৰা পলাবলৈ এইটোৱেই সূবৰ্ণ সুযোগ। উদ্বেগ বিহ্বল হৈ তাই ইমানেই উতাতৈয়াকৈ সংখ্যা ছটা ডায়েল কৰিলে যে এইটো নিজৰ ঘৰৰ নম্বৰটো হয়নে নহয় সঠিক ভাবে ক'বকে নোৱাৰিলে। ৰিচিভাৰটো কানত লগাই অপেক্ষা কৰি থাকোতে তাইৰ বুকুৱে ধান বানি আছিল। সিমূৰৰ টেলিফোনটোত ৰিঙৰ বিষাদসিক্ত শব্দটো শুনিবলৈ পালে ....... এবাৰ ......... দুবাৰ ......... তিনিবাৰ ......... অৱশেষত তাইৰ সেই নিঃসংগ মনৰ মানুহজনৰ কণ্ঠস্বৰ ভাঁহি আহিলঃ

"হেল্ল'"

ডিঙিলৈকে উজাই অহা দুখচপৰা নগলালৈকে তাই মুখেৰে একোকে ক'ব নোৱাৰিলে।

"মোৰ জানটো ....... সোনটো ........."— কথাষাৰ কোৱাৰ পিছতে মাৰিয়াৰ দুচকুৰে নামি আহিল অশ্ৰুৰ বন্যা। সিমূৰেও এক ভয়ংকৰ নিৰ্জনতা বিৰাজ কৰিছিল। কিছু পলৰ পিছত এক ঈৰ্ষাদগ্ধ কণ্ঠস্বৰ ভাঁহি আহিল—

"বেশ্যা"— কৈয়েই তেওঁ ধপকৈ ৰিচিভাৰটো থৈ দিলে।

সেই নিশা খণ্ডত একোনাই হৈ মাৰিয়াই চিচাৰ খিড়িকিখন লিট'গ্ৰাফ মেচিনটোৰে খুন্দিয়াই খুন্দিয়াই ভাঙি তললৈ জাপ মাৰি দিলে। তাই তেজেৰে লুটুৰি-পুটুৰি হৈ পৰিছিল। দ্বাৰৰ সমুখত দুহাত সাৱতি স্থিৰ দৃষ্টিৰে হাৰকিউলিনাই তাইলৈ চাই থকা দেখা পোৱাৰ আগমুহুৰ্ত্তলৈকে আন মেট্ৰনবোৰক পৰাভূত কৰাৰ জোখাৰে তাইৰ শৰীৰত শক্তি আছিল। এইবাৰ তাইৰ আশাত চেঁচাপানী পৰিল। তাইক উগ্ৰমানসিক ৰোগীবোৰক ৰখা এটা কোঠালৈ চোঁচৰাই নি বৰফ চেঁচা পানী আৰু দুভৰিত টৰ্পেনটাইনৰ বেজী দি কাবু কৰা হ'ল। সেই ঘটনাৰ ফলস্বৰূপে ভৰিত উঠা টেমুনা কেইটাৰ বাবে তাই মাটিত খোজ পেলাব নোৱাৰা হ'ল। তথাপিও তাই মনে মনে ঠিক কৰিলে যে সেই নৰকৰ পৰা ওলাই যাবৰ বাবে বাট-বিচৰাৰ কামত কোনোদিনেই চেষ্টাৰ ত্ৰুটি নকৰে। পিছৰ সপ্তাহতে তাইক পুনৰ আগৰ কোঠালৈ ওভটাই অনাৰ পিছত কোনো এৰাতি পহৰাৰ দায়িত্বত থকা মেট্ৰনগৰাকীৰ কোঠাৰ সমুখলৈ হাতত সাৰে ভৰিত সাৰে গৈ দুৱাৰত টোকৰ দিলেগৈ।

এই সকলোবোৰৰ বিনিময়ত মাৰিয়াৰ আগতীয়া দাবী এই যে মেট্ৰনগৰাকীয়ে তাইৰ গিৰিয়েকলৈ এটা খবৰ পঠাব লাগিব। আৰু মেট্ৰনগৰাকীও এই কথা কৈ ৰাজি হ'ল যে তেওঁলোকৰ সেই সম্পৰ্কৰ কথা নিজৰ মাজতেই আৱদ্ধ ৰাখিব লাগিব। শেষত তাইলৈ আঙুলি টোৱাই মেট্ৰনগৰাকীয়ে ক'লেঃ

*"যদি কেনেবাকৈ তেওঁলোকে গম পাই, তুমি জীয়াই নাথাকিবা।"*

পিছৰ শনিবাৰে চেটাৰ্ন' সেই পগলা ফাটেকলৈ মাৰিয়াক লৈ যাবৰ বাবে আহিল। যুদ্ধৰ জাহাজৰ দৰে পৰিপাটি আৰু শৃংখলাবদ্ধ অফিচটোত পৰিচালকজনে নিজেই তেওঁক আদৰ-সাদৰেৰে বহিবলৈ দি মাৰিয়াৰ মানসিক অৱস্থাৰ কথা বিবৰি ক'লে। আৰু এই কথাও ক'লে যে তাই ক'ৰপৰা কেনেকৈ আহি সেইঠাই পালেহি কোনেও ক'ব নোৱাৰে। তাইৰ পৰিচয় বিচাৰি তদন্ত চলোৱা হৈছিল যদিও কোনো ফল নধৰিলে। এইকথা ভাবি পৰিচালকজন আচৰিত হ'ল যে মাৰিয়া সেই ঠাইত থকাৰ কথা তেওঁ কেনেকৈ জানিলে। মেট্ৰনগৰাকীক সেই প্ৰসংগৰ পৰা নিলগাই ৰাখি চেটাৰ্ন'ই কলেঃ

"বীমা কোম্পানীৰ পৰা খবৰ পালো।"

তেওঁৰ উত্তৰত পতিয়ন গৈ পৰিচালকজনে মূৰ দুপিয়ালে। "মই ধৰিবই নোৱাৰো এই সকলোবোৰৰ পুং বীমা কোম্পানীবোৰে কেনেকৈ বিচাৰি উলিয়ায়।"— কথাষাৰ কৈয়েই পৰিচালকজনে ডেস্কখনত পৰি থকা ফাইলটো এবাৰ চাই মাৰিয়াৰ গুৰুতৰ মানসিক অৱস্থাৰ কথা ক'লে।

তেওঁ চেটাৰ্ন'ক মাৰিয়াৰ ওচৰলৈ লৈ যাবলৈ এই চুক্তিত মান্তি হ'ল যে দেখাকৰাৰ সময় চোৱাত তেওঁৰ নিৰ্দেশমতেহে চেটাৰ্ন'ই উন্মাদ মাৰিয়াৰ স'তে কথা পাতিব।

"কি আচৰিত! আগতে তেওঁ খিংখিঙীয়া আছিল সঁচা কিন্তু ইয়াৰ উপৰিও তেওঁ খুব আত্মসংযমী আছিল"— চেটাৰ্ন'ই কলে।

"এই লক্ষণ সমূহ বহুদিন ধৰি তেওঁৰ গাত সুপ্ত অৱস্থাত আছিল আৰু এদিন হঠাৎ ই আত্মপ্ৰকাশ কৰিলে। মুঠৰ ওপৰত তেওঁক এইখিনিতে সৌভাগ্যশালী বুলিব লাগিব যে অৱশেষত এইখিনি পালেহি।"— ডাক্তৰজনে অভিজ্ঞতাপুষ্ট অংগী-ভংগীৰে চেটাৰ্ন'ক কথাষাৰ ক'লে লগতে মাৰিয়াৰ টেলিফোনটোৰ প্ৰতি থকা আচৰিত দুৰ্বলতাৰ কথাও ক'লে।

"তেওঁক হঁহুৱাবলৈ চেষ্টা কৰিব"— তেখেতে ক'লে।

"চিন্তা নকৰিব ডাক্তৰ, সেই কামত মই সিদ্ধহস্ত।"— হাঁহি মাৰি চেটাৰ্ন'ই ক'লে।

বন্দী ৰখা ছে'ল আৰু স্বীকাৰোক্তিৰকক্ষ একেলগে সামৰি ভিজিটিং ৰূম নাম প্ৰাপ্ত সেই কোঠাটো পূৰ্বতে এটা আলোচনা কক্ষ আছিল। চেটাৰ্ন'ৰ আগমনে তেওঁলোকে বিচৰা ধৰণে হয়তো দুয়োকো সুখী কৰি তুলিব পৰা নাছিল। দুখন চকী আৰু ফুলহীন ফুলদানি এটা সজাই থোৱা এখন সৰু

টেবুলৰ কাষৰ কোঠাটোৰ ঠিক মাজভাগতে মাৰিয়া আহি থিয় দিলেহি। হাতত ষ্ট্ৰবেৰী ৰঙৰ কোটটো আৰু চেণ্ডেলযোৰৰ সৈতে তাই সেই ঠাই এৰি যাবলৈ সাজু হৈ আহিছিল। কাৰো চকুত নপৰাকৈ হাৰ্কিউলিনাই এচুকত হাত সাৱতি থিয় দি আছিল। গিৰিয়েকক নিজৰফালে আগবাঢ়ি অহা দেখিও মাৰিয়া আগৰ ঠাইতে দমকা মাৰি ৰ'ল, আনকি খিড়িকীৰ চিচাই সাঁচ বহুৱাই থৈ যোৱা তাইৰ সেই মুখখনতো অলপো আৱেগ অনুভূতি ফুটি নুঠিল। দুয়োৰে মাজত চুমাৰ আদান-প্ৰদান ঘটিলে।

"কেনেকুৱা লাগিছে"— তেওঁ মাৰিয়াক সুধিলে।

"সুখী ......., মই সুখী ......... শেষত যে তুমি আহিলা, ইয়াত মৰি মৰি জীয়াই আছিলো।"— মাৰিয়াই ক'লে। বহিবলৈ তেওঁলোকৰ সময় নাছিল। উচুপি উচুপি মাৰিয়াই নিজৰ দুৰ্দশাৰ লগতে মেট্ৰনবোৰৰ বৰ্বৰতা, কুকুৰৰ বাবেও অনুপযোগী তাৰ খাদ্য আৰু আতংকৰ বশৱৰ্ত্তী হৈ উজাগৰে কটোৱা অন্তহীন ৰাতিবোৰৰ কথা অনৰ্গল কৈ গ'ল। "ইয়াত মই কিমান দিন ........ কিমান মাহ .......... বা কিমান বছৰ পৰি আছো নিজেই ক'ব নোৱাৰো মাথোঁ এইটোৱেই জানো যে প্ৰতিটো নতুন দিনেই আগৰ দিনটোতকৈ বেছি বেদনাদায়ক আছিল। মই পুনৰ আগৰ দৰে হৈ উঠিব পাৰিম নে নোৱাৰিম ক'ব নোৱাৰো।"— কথা কেইষাৰ কৈ তাই এটা দীঘল হুমুনিয়াহ এৰিলে।

"দুৰ্যোগৰ দিন শেষ হ'ল। মই প্ৰতি শনিবাৰে ইয়ালৈ আহি থাকিম। যদি ভাক্তৰে দিয়ে ......... তাতকৈও বেছিকৈ। চাবা সকলো ঠিক হৈ যাব।"— তাইৰ মুখৰ আইনাই কটা দাগবোৰত আঙুলি বুলাই বুলাই চেটাৰ্নই কৈ গ'ল।

মাৰিয়াই তাইৰ ভয়াৰ্ত দুচকু তেওঁৰ চকুত থ'লে। লগে লগে তেওঁ যিমান পাৰি সিমান কোমল আৰু শিশুসুলভ কণ্ঠেৰে ক'লে— "তুমি সম্পূৰ্ণ সুস্থ হৈ উঠিবলৈ আৰু দুদিনমান ইয়াত থাকিব লাগিব।"— এতিয়াহে মাৰিয়াই আচল কথাটো বুজি পালে।

"ঈশ্বৰৰ শপত, তুমিও মোক পাগল বুলি নক'বা"

"তুমি ইয়াত আৰু দুদিনমান থাকি যোৱাতো সকলোৰে বাবে ভাল হ'ব"— হাঁহিবলৈ চেষ্টা কৰি তেওঁ কৈ গ'ল।

"কিন্তু মই তোমাক কৈছোৱেই যে মই টেলিফোন কৰিবলৈহে আহিছিলো।" — মাৰিয়াই ক'লে।

মাৰিয়াৰ এইধৰণৰ কথাবতৰাই তেওঁক কিংকৰ্ত্তব্যবিমূঢ় কৰি পেলালে। তেওঁ হাৰ্কিউলিনালৈ এবাৰ চালে। হাৰ্কিউলিনাই চেগ বুজি হাতৰ ঘড়ীটোলৈ এবাৰ চাই মাৰিয়াক এইকথা ইংগিতেৰে বুজাবলৈ বিচাৰিলে যে দেখাকৰাৰ সময় উকলি গৈছে। তাই ইংগিত বুজিব পাৰি পিছলৈ এপলক ঘূৰি চোৱাত হাৰ্কিউলিনাই তাইক আক্ৰমণ কৰিবলৈ উদ্যত হোৱা যেন দেখা পলে। তেতিয়া তাই চেটাৰ্নৰ ডিঙিত সাৱতি ধৰি এজনী সঁচা-সঁচি উন্মাদিনীৰ দৰে কন্দা-কটা আৰম্ভ কৰি দিলে। যিমান পাৰে সিমান আলফুলে চেটাৰ্ন তাইৰ বহুবন্ধনৰ পৰা মুক্ত হৈ পিছফালৰ পৰা তাইৰ গাত জঁপিয়াই পৰা হাৰ্কিউলিনাৰ হাতত এৰি দিয়ে। তৎক্ষণাত হাৰ্কিউলিনাই সেই লৌহসদৃশ হাতখনেৰে তাইৰ ডিঙিত পাক মাৰি ধৰি চেটাৰ্নক খঙেৰে চিঞৰি উঠিল—

"যোৱা"

চেটাৰ্ন গুছি গ'ল।

কিন্তু পিছৰ শনিবাৰে পূৰ্বৰ ঘটনাৰ উৎকণ্ঠা মাৰ যোৱাৰ পিছত তেওঁ সাইলাখ নিজৰ দৰে হালধীয়া আৰু ৰঙা ৰঙৰ কাপোৰ পিন্ধোৱা মেকুৰীটো লৈ তালৈ ঘূৰি আহিল। সেইদিনা তেওঁ তাত সুদীৰ্ঘ তিনিঘণ্টা ধৰি চলোৱা প্ৰদৰ্শনীটো চাই বেলকনিত বহি থকা তিৰোতাবোৰে লাগবান্ধ নোহোৱাকৈ চিঞৰ বাখৰ কৰিছিল আৰু হাত চাপৰি বজাইছিল। মাৰিয়াৰ বাহিৰে তাত সকলো উপস্থিত আছিল। মাৰিয়াই সেইদিনা তেওঁক আদৰণি জনোৱাটো দূৰৰে কথা আনকি বেলকনিত বহি প্ৰদৰ্শনী উপভোগ কৰাৰ পৰাও নিজকে নিলগাই ৰাখিলে। এই কথাত তেওঁৰ বৰ দুখ লাগিল।

"বৰ আচৰিত প্ৰতিক্ৰিয়া, কোনো কথা নাই, সকলো ঠিক হৈ যা.."— পৰিচালকজনে ক'লে।

কিন্তু একো ঠিক নহ'ল মাৰিয়াক পুনৰবাৰ চাবৰ বাবে তেওঁ বহুবাৰ চেষ্টা কৰিও সফল নহ'ল। ইমান চেষ্টাৰ মূৰত তেওঁ যি কৰিব পাৰিলে সেয়া মাথোঁ এখন চিঠি তাইৰ হাতত পৰাকৈ দিব পাৰিলে তাকো সেইখন নোখোলা নেমেলাকৈ চাৰিবাৰ ঘূৰি আহিছিল। তেওঁ মাৰিয়াক লগ পোৱাৰ আশা ত্যাগ কৰিছিল যদিও নিয়মীয়াকৈ মাৰিয়ালৈ বুলি চিগাৰেটৰ পেকেট পৰ্টাৰৰ কক্ষত দি আহিছিল কিন্তু সেই চিগাৰেট গৈ মাৰিয়াৰ হাতত পৰিছিলগৈ নে নাই সেই কথাৰ সম্ভেদ তেওঁ কোনোদিনে লোৱা নাছিল। অৱশেষত বাস্তৱৰ ওচৰত তেওঁ হাৰ মানিলে।

তেওঁ পুনৰ বিয়া কৰালে আৰু নিজৰ দেশলৈ উলটি গ'ল— ইয়াতকৈ অধিক তেওঁৰ বিষয়ে আৰু কোনেও একোকে নাজানে। বাৰ্চিলনা এৰাৰ আগে আগে তেওঁ সেই ভোকাতুৰ মেকুৰীটো এগৰাকী বান্ধবীক দি গ'ল যি মাৰিয়াক নিয়মীয়াকৈ চিগাৰেট যোগান ধৰি যাব বুলি তেওঁক কথা দিছিল। কিন্তু সময়ৰ লগে লগে তেওঁৰো অন্তৰ্ধান হ'ল। প্ৰায় বাৰ বছৰ মানৰ আগতে কৰ্ট ইংগলচৰ এখন ডিপাৰ্টমেন্ট ষ্ট'ৰত ৰ'জা ৰে'গাছে সেই তিৰোতাগৰাকীক লগ পোৱা মনত আছে। সেই সময়ত তিৰোতাগৰাকী গৰ্ভৱতী আছিল, পিন্ধনত কমলাৰঙৰ বসন আৰু মূৰৰ চুলিবোৰ ক্ষুৰোৱা আছিল। তিৰোতাগৰাকীয়ে ৰ'জাক কৈছিল যে কাহানিও কল্পনা নকৰা কিছু পৰিস্থিতিয়ে তেওঁৰ জীৱনত ভুমুকি মৰাৰ আগলৈকে যিমান পাৰে সিমান সঘনাই তেওঁ মাৰিয়াক চিগাৰেট যোগান ধৰি আহিছিল। এদিন তালৈ গৈ হঠাৎ তেওঁ মাথোঁ চিকিৎসালয়খনৰ ভগ্নাৱশেষহে দেখিবলৈ পাইছিল। এৰি আহা জঘন্য দিনবোৰৰ বিষাক্ত সোঁৱৰণিৰ দৰে সেইখনো জহি খহি গৈছিল। শেষবাৰ লগ পাওঁতে মাৰিয়াক অকনমান শকত, মানসিকভাৱে কিছু ফৰকাল যেন লাগিছিল আৰু সেই ঠাইৰ শান্তিময় পৰিৱেশৰ স'তে তাই নিজকে খাপ খুৱাই পেলাইছিল। সেইদিনাই তিৰোতাগৰাকীয়ে মাৰিয়াক মেকুৰীটো দি গ'ল কাৰণ তাৰ খাদ্য সম্ভাৰৰ বাবে চেটাৰ্নই তেওঁক যিখিনি পইছা দিছিল সেই সকলোখিনি ইতিপূৰ্বে খৰচ হৈ গৈছিল। ●



(টোকা ঃ ইংৰাজীত 'I Only Came to Use the Phone' শিৰোনামাৰএই গল্পটো গল্পকাৰৰ 'Strange Pilgrims' নামৰ সংকলনৰ অন্তৰ্ভুক্ত।)

# বিক্ষিপ্ত

দেৱপ্ৰতীম হাজৰিকা

Out of each pain
Which we donot mention
A chestnut tree grows up
And remains mysterious behind us.

আকাশখন ক্ৰমান্বয়ে ফুটছাই বৰণীয়া হৈ আহিছে। চাৰমিনাৰ চিগাৰেটটো জ্বলাই অনিবাৰ্ণে দূৰ আকাশখনৰ এই বৰ্ণ পৰিবৰ্তনৰ খেলা চাইছে। ছাই বৰণীয়া আন্ধাৰবোৰ খিৰিকীখনেদি সোমাই আহি কোঠাটোৰ সিঁচৰতি বস্তুবোৰৰ ওপৰত নিজৰ অধিকাৰ সাব্যস্ত কৰি বহি ল'লে। টেবুল-চকী, কিতাপবোৰ, বিচনাখন, আলনাৰ সেউজীয়া চোলাটোৰ ভিতৰত সোমাই সিহঁতে ধেমালি খেলা আৰম্ভ কৰিছে আৰু মই দেখিছো সিহঁতৰ লুকা-চুৰিৰ খেলত মোৰ প্ৰিয় সেউজীয়া চোলাটো বিবৰ্ণ ধূসৰ হৈ আহিছে।

সন্ধ্যাৰ পৃথিৱীখনকে চাওঁ বুলি দুৱাৰত তলাটো মাৰি লাহে -লাহে ওলাই আহিছো। ইতিমধ্যে মহানগৰীৰ নিয়ন লাইটবোৰ জ্বলি উঠিছে, গাড়ী মটৰৰ পেঁ পো শব্দ। বিদেশী গাড়ীবোৰৰ দৰে বেগত সন্ধ্যা নামিছে। অনিৰ্বাণৰ চিগাৰেটৰ কুণ্ডলীবোৰো ক্ৰমাৎ নেদেখা হৈ পৰিছে, তাৰমানে চিগাৰেটৰ ধোঁৱাৰ দৰেই আবেলিটোও মিলি গ'ল ক'ৰবাত নেদেখাকৈ। এনেকুৱাইতো হয় সাধাৰণতে, আমি দেখা পোৱাৰ, বুজি পোৱাৰ আগতেই কোনোবা ক'ৰবাত হেৰাই যায়। বহুদিনৰ মূৰত আমি তাৰ Portrait আঁকিবৰ যত্ন কৰো মনৰ মাজত, কিন্তু সি বিবৰ্ণ হৈ পৰে, স্মৃতিৰ এক পাতল চামনি থাকি যায়, ঠিক ভেঁকুৰৰ দৰে, সেউজীয়া অথচ উদ্ভিদ নহয়।

অনিৰ্বাণ, সেই যে এভাল এনাজৰী গঢ়ি ল'লো আমাৰ মাজত, সেই তেতিয়াৰ পৰাই কত দিন, কত প্ৰহৰ, শব্দৰ শৃঙ্খল সাজি সাজি পাৰ কৰি দিছো সময়। চিগাৰেটৰ ধোঁৱা আৰু কবিতা অথবা শব্দবোৰ উদ্ধতভাৱে ওপৰলৈ এৰি দি আমি আমাৰ দুচকুৰ আগত গঢ়িছো এখন অন্য পৃথিৱী। সেউজীয়া দুৱাৰিৰে মোজেইক কৰা মজিয়াত আমাৰ আগত সেয়া বহি আছে ৰবীন্দ্ৰনাথ, কাষতে ভিনচেন্ট, তেওঁৰ এখন কাণৰ বাহিৰৰ অংশ নাই, প্ৰেমৰ প্ৰমাণ দিবৰ বাবে যিখন আজিয়েই তেওঁ তেওঁৰ প্ৰেমিকাক উপহাৰ দি আহিছে। কাটি দিয়া কাণখনৰ গুৰিত তেজে কৰাল বান্ধি আছে। প্ৰেমৰো কি দুৰন্ত হাবিয়াস! হাতত তুলিকা এডাল লৈ বিষ্ণু ৰাভা, লগত বহি আছে বিথোফেন, কবি নৱকান্ত আৰু মলিয়ন খাদী কুৰ্ত্তাটো আৰু কান্ধত ৰঙা বেগটো ওলোমাই সেয়া অনিৰ্বাণ। বৰ আপোনভাৱে তেওঁলোকে কিবা এটা বিষয়ে আলোচনা কৰিছে। মই লুকাই চুৰকৈ তেওঁলোকৰ কথাবোৰ শুনিছো, কিবা কিবি বুজিছো, কিন্তু প্ৰায়খিনিয়েই বুজা নাই, ভাষাবোৰো বৰ কিবা আচহুৱা যেন লাগিছে। এনেদৰেই বহুদিন ভিন্নজনৰ লগত ভিন্নৰূপত মই তাক লগ পাইছো। সদায়েই অনিৰ্বাণৰ মাতত ঘূৰি আহিছো বাস্তৱলৈ।

এই যে অনিৰ্বাণ তাক মোৰ নাচিকেতাৰ সেই অনিৰ্বাণৰ দৰে লাগে। সি যেন নাচিকেতাৰ চহৰৰ পৰা ঘূৰি ঘূৰি আহি এই চহৰত সোমাইছেহি, আকৌ গুছি যাব। হয়তো নাযাবও পাৰে, তাৰ মতে- "য'ত মোৰ আপোন বুলিবলৈ, বিশ্বাস কৰি ল'বলৈ, মৰম দিবলৈ, মৰম পাবলৈ কোনোবা থাকে তেনে ঠাই এৰি যোৱাটো মোৰ বাবে বৰ কষ্টকৰ ; আৰু ইয়াত মই তোক লগ পাইছো। আচলতে কি জান, কোনো ঠাই কোনেও এৰি যাব নোৱাৰে, স্মৃতিবোৰেইতো এৰি দি যায় আকাশে বতাহে। কাৰোবাৰ কাণতটো বাজিব পাৰে তাৰ সুৰ। কিন্তু আনক নোকোৱাকৈ হঠাৎ গুছি যোৱাৰ আনন্দ আছে। তেতিয়া তোক সকলোৱে মনত ৰাখিব। 'কাৰোবাক যদি মনত ৰাখিব বিচাৰিছা তেওঁক প্ৰথমতে পাহৰিবৰ যত্ন কৰা, তেওঁ তোমাৰ মনত চিৰদিন সজীৱ হৈ ৰ'ব।' এয়েই অনিৰ্বাণ, নাচিকেতাৰ বন্ধু অনিৰ্বাণৰ দৰেই অনিৰ্বাণ। সি যেতিয়া মোৰ কাষলৈ আহে অথবা হঠাত ক'ৰবাত লগ পাই যাওঁ তেতিয়া মই যেন সুধি পেলাওঁ অথবা কৈ পেলাওঁ নজনাকৈ এনেদৰে- ' আৰে অনিৰ্বাণ, তুই এইখানে?" সি কয়- তাইতো কথাছিলো বন্ধু। আমাৰতো এখানেই থাকাৰ কথা ছিলো।

ঃ ভালো তো?

ঃ সুখে আছি .... সুখে আছি।

কিন্তু মই জানো অনিৰ্বাণ সুখী নহয়। সুখী মানুহবোৰৰ মন আৰু মগজুৱে এক অনামী শোভা বিকিৰণ কৰে। আনৰ দুখ দেখিব নোৱাৰা মানুহটোৱে নিজৰ বাবে অলপো সুখ গোটাব নোৱাৰিলে। কিন্তু, দুখী যদি সি মানুহবোৰক সুখবোৰ ক'ৰপৰা বিলায়? তাৰ সৰু সৰু বিক্ষিপ্ত কামবোৰে আনক সহায় কৰে, সুখী কৰে, সি তাক লৈয়ে ব্যস্ত। নিজে সুখী হ'ব লাগিলে হেনো কাৰোবাক দুখী কৰিব লাগিব, যিটো সি কৰিব নোৱাৰে। খেতিয়ক দেউতাকৰ একমাত্ৰ ল'ৰা সি। বহুত আশা, স্বপ্ন বুকুত বান্ধি সি ডাঙৰ হৈছে আৰু ডাঙৰ কৰিছে সপোনবোৰকো। অতিশয় স্পষ্টবাদী হৈ সি যাক-তাক যিবোৰ কথা কৈছিল আৰু তাৰ উত্তৰ দিব লগা হৈছিল দেউতাকে। যিটো সহজ-সৰল দেউতাকৰ বাবে আছিল কষ্টকৰ। এনেকৈয়ে এদিন সি ওলাই আহিছিল মহানগৰীৰ মাজলৈ, দেউতাক-মাকৰ বহুত আশা বুকুত বান্ধি, কিন্তু সি প্ৰায়খিনিয়েই পূৰণ কৰিব নোৱাৰিলে, যাৰ বাবে এটা তীব্ৰ অপৰাধবোধে তাক যেন খাবলৈ খেদি আহে। সি ধৰাও দিয়া নাই পলাবও পৰা নাই।

সন্ধ্যাৰ মাদকতাপূৰ্ণ পৰিবেশৰ সৌন্দৰ্য পান কৰিব পাৰিসেউজ গাঁৱৰ সান্নিধ্যতহে। পঙ্কিল নগৰীত এজাক জীৱন আৰু মানুহক বুজি নোপোৱা মানুহৰ মাজত অসম্ভৱ। যিবোৰে জীৱন মানে বুজি পায় ধুনীয়া ঘৰ, গাড়ী আৰু সুন্দৰী পত্নী অথবা প্ৰেম মানে যাৰ বাবে কেৱল যৌৱন বিলাসিতা, তেওঁলোকৰ আগত তুমি কৈ নিদিবা জোনাকৰ চোতালত গা-ধোৱাৰ কথা আৰু নক'বা কাহানিও প্ৰেয়সীৰ ওঁঠৰ হাঁহিত বকুল সৰাৰ

কথা। ইয়াতো প্ৰেম হয়, প্ৰেমৰ বাবেই পাগল হৈ উঠে মহানগৰীৰ দুয়োটা পাৰ। কিন্তু এসময়ত গৈ সকলো মিলি যায় সেই এটা বৃত্তত, য'ত আৱৰ্ত্তিত হয় কেৱল কিছুমান উদ্ভট সপোন আৰু এসোপা শব্দৰ শুষ্কতা, যাৰ অৰ্থ অতি দুৰ্বোধ্য। এইখন চহৰতে আমি বাস কৰো, অনিৰ্বাণে বাস কৰে। মহানগৰীৰ শুষ্কতাৰ মাজতো ৰ'দৰ ফুল ফুলে, লহপহকৈ বাঢ়ে, সপোন বাঢ়ে, জঠৰ সপোনবোৰ জ্বলি উঠে, ভিক্ষাৰীৰ জোলোঙাত কাতিৰ জুই জ্বলে, উচিষ্ট খাই লেৰেলা হয় কুকুৰ, মানুহ। তাৰ মাজতো নাচি থাকে অস্বচ্ছ, বিলীয়মান মূৰ্ত্তিৰ দৰে আমাৰ সপোনবোৰ। বুকুৰ মাজত বাহ সাজিবৰ বাবে এটা ফেৰেঙনি লাগে তেতিয়া তাত চৰায়ে আনন্দৰে জীৱন কটাব পাৰে। কিন্তু তেনে এটা ফেৰেঙনি সঠিক জোখৰ আৰু সঠিক মানৰ পোৱাতো কষ্টকৰ। অনিৰ্বাণে মোৰ আগত সেই বিষয়েই কৈ আছিল। হঠাৎ সি মোৰ গাত ধৰি জোকাৰি দিলে।

ঃ ভোক দেখা নাই বুলি কৈছিলি নহয়, চা।

ঃ ক'ত? সি আঙুলিয়াই দেখুৱাৰ ফালে মোৰ চকুদুটা ঘূৰাই দিলো, যি দেখিলো সেয়া মোৰ বাবে অতি আচৰিত হ'বলগীয়া অথবা মই বা আপুনি সকলোৱে বিশ্বাস কৰিবলৈ টান পোৱা।

এখন ক'লা মলিয়ন হাত আৰু এজনী-ছোৱালী, হয়তো বোৱাৰীও হ'ব পাৰে, কিন্তু তাইৰ সাজসজ্জা অথবা প্ৰসাধনে কয় তাই ছোৱালী, ঠিক ২০, ২৪ বা ২৬। সাধাৰণতে এজনী ছোৱালী দেখিলে ইমান আচৰিত হ'ব লগা একো নাই। কিন্তু কাৰ্য্যাৱলীয়ে আমাৰ দুচকু আৰু মন দুয়োটাকে জগাই তুলিছে। ফুটপাথত পৰি থকা এটা আদহীয়া ভিক্ষাৰী, তাৰ ভৰি এটা বেয়া, ভালদৰে খোজ কাঢ়িব নোৱাৰে। তাক ময়ো বহুবাৰ বহুঠাইত দেখিছো কলেজৰ সন্মুখত, অভাৰব্ৰীজৰ কাষত, হস্পিতালৰ চৌহদত। সি ফুটপাথত বহি আছিল, বস্তিৰ ইটোমূৰৰ পৰা ছোৱালীজনী আহি আছে আৰু আহি তাৰ কাষত বহি পৰিল, দুয়োটাই কিবা-কিবি কথা পাতিলে আৰু হঠাৎ একোবত ভিক্ষাৰীটোৱে এহাতেৰে তাইক গৱা মাৰি ধৰি তাৰ ক'লা, মলিয়ন হাত এখন তাইৰ চুৰিডাৰজোৰৰ মাজেৰে সোমাই দিলে। তাৰ হাতখন সাপ এডালৰ দৰে তাইৰ বুকুৰ খলা-বমাবোৰৰ মাজত কেৰমেৰাই ঘূৰি ফুৰিল আৰু আনখন হাত ক্ৰমাৎ তাইৰ কঁকালৰ তললৈ চুঁচৰি গ'ল, ঠিক তেনেকৈ যেনেকৈ সি চুঁচৰি ইফালৰ পৰা সিফাললৈ যুৰে। সি তাৰ মুখখন ক্ৰমাৎ হাউলাই তাৰ ওঁঠদুটাৰ কাষলৈ নিলে। ঘপহকৈ ছোৱালীজনী উঠিল আৰু গপ্‌গপাই গুচি গৈ আন এটা গলিৰে নেদেখা হৈ গ'লগৈ।

গোটেই ঘটনাটো ইমান আকস্মিকভাৱে হৈ গ'ল যে বিস্ময় আৰু কৌতুহলত মই হতবাক হৈ পৰিলো। অনিৰ্বাণে একোবত গাত ধৰি জোকাৰি দিলতহে সম্বিত ঘূৰাই পালো।

ঃ আচৰিত হৈছ? চিগাৰেটত দীঘলকৈ শোহা এটা মাৰি সি ক'লে-

ঃ ওঁ। মই মুখেৰে মাতিব পৰা নাছিলো, মোৰ মনৰ মাজত হাজাৰ প্ৰশ্নৰ তীব্ৰ প্ৰতিযোগিতা আৰম্ভ হৈ গৈছে

ঃ Love that doesn't care for others.

সিমানখিনি কৈয়ে সি চিগাৰেটটো দূৰলৈ দলি মাৰি দি ক'লে 'ব'ল যাওঁ।'

ঃ নাই ৰ'চোন, মই একো বুজিব পৰা নাই।

ঃ বুজিব নোৱাৰা কথাই বন্ধু। আচলতে সিহঁত দুয়োটা বৰ ভাল বন্ধু।

ঃ 'বন্ধু?' মোৰ আচৰিত হোৱাৰ পাল।



ঃ বন্ধুত্ব হ'বলৈ লক্ষ্য এক হ'ব লাগিব, অথবা দুয়োৰে অভাৱ এক হ'ব লাগিব। আমাৰ জীৱনটো যাপন কৰিবলৈ আমাক পদে পদে নানানটা বস্তুৰ (?) দৰকাৰ হয়, একেজন মানুহৰ মাজতে সকলো পোৱা নাযায়, এইযে আমি কথা পাতো, এইটোও এটা অভাৱ। আমি এই অভাৱবোৰ আঁতৰ কৰাৰ বাবে নানা প্ৰকাৰে চেষ্টা কৰো। সেয়ে অভাৱে অভাৱৰ লগত বন্ধুত্ব কৰে, ভোকে ভোকৰ লগত। এইযে ভিক্ষাৰীটো আৰু বেশ্যাজনী সিহঁতৰ অভাৱ কি জান- 'ভোক'। জীৱনে সিহঁতক একোৱেই দিয়া নাই। সিহঁতি মাথো আহৰণ কৰিবৰ যত্ন কৰে আৰু বাৰে বাৰে বিফল হয়। তথাকথিত আধুনিক মানুহৰ দৰে মৃত্যুতৃষ্ণা সিহঁতৰ নাই, সিহঁতে জীয়াই থাকিব বিচাৰে আৰু সেইবাবেই মৰি মৰিও জীয়াই থাকে। এইচাম মানুহ মহানগৰীৰ বিষাক্ত কলেৰা খাই ডাঙৰ হয়, মৃত্যুৱে সিহঁতক সহজে মাৰিব নোৱাৰে।

মিঠাতেলৰ টিন, পলিথিনৰ চালিৰ মাজত সিহঁতৰ সপোনবোৰ, আশাবোৰ, ক্ষোভবোৰ, ভোকবোৰ সকলোবোৰ বাঢ়ে। কিন্তু যেতিয়া ভোক বাঢ়ে আন আন বাঢ়ি অহাবোৰে নিজা শাখা-প্ৰশাখাবোৰ সংকুচিত কৰিবলৈ বাধ্য হয়। তেতিয়া সিহঁত ওলমি থাকে বাদুলিৰ দৰে উলঙ্গ ৰাতি। অগণন মানুহৰূপী কিছুমান মূৰ্ত্তিৰ আহযাহ হয়, ঢৌ উঠে শব্দৰ, এক অদ্ভুত (?) নিয়ম সৃষ্টি কৰি নিয়ম ভঙ্গ কৰি সিহঁতবোৰ দুজোপা ডাঙৰ গছৰ মাজত থকা গছপুলিটো কেটেঙা হৈ বাঢ়ি অহাৰ দৰে লাহে লাহে বাঢ়ে।

ঃ কিন্তু তাইৰতো তেনে অভাৱ থাকিব নালাগে?

ঃ তই জানো ভাব, এই যে ৰাতি প্ৰতিদিনে তাই জীৱনৰ এক অদ্ভুত

জটিল বিন্যাস সাজে, চাদৰত জবা ফুল আঁকে কাৰোবাৰ ইচ্ছাৰ আঙুলিত ; তাত প্ৰাপ্তি থাকে, পূৰ্ণতা থাকে, নিশ্চয় নাথাকে। এটা অনিচ্ছা আৰু অপ্ৰাপ্তি, যি তাইক খেদি ফুৰে অহৰহ, যাৰ বাবে তাই বা কোনোৱেই ইচ্ছাৰ বিৰুদ্ধে মনক সমৰ্পন কৰিব নোৱাৰে। তথাপি তাই আশা পুহি ৰাখে সযতনে, এপদ এপদকৈ তাইৰ দেহৰ সকলো আৱৰণ খুলি তাইৰ দেহৰ মাজত কোনোবাই খেপিয়াই চাওক তাইৰ কলিজাখন, গুণগুণাই উঠক সন্ধ্যা কিম্বা ৰাতি। তেতিয়া জটিলতকৈ জটিল বিন্যাসকো তাই বুকুৰ মাজত সাৱটি ল'ব, ওঁঠত গুজি দিব পাৰিব ওঁঠ। কিন্তু কেৱল ভালপোৱাৰ বাবে তাইক ভালপাবলৈ সকলো অপাৰগ। অক্ষম হ'লেও ভিক্ষাৰীটোৰ পৰা তাই মৰম পায়, যিখিনি আন ৰাতিৰ সহযাত্ৰীসকলে দিবলৈ অক্ষম। এই দুয়োটা অক্ষমতাক তই যদি Compare কৰ তেতিয়া তাইক বুজি পোৱাত অসুবিধা নিশ্চয় নহ'ব।

একেলেথাৰিয়ে কথাখিনি কৈ অনিৰ্বাণ অলপ সময় ৰ'ল।

ঃ তই ব্ৰাউনিঙৰ 'পৰফিৰিয়াজ লাভাৰ' পঢ়িছনে। কেনেকৈ প্ৰেমক অমৰ কৰি ৰাখিবৰ বাবে মানুহে কি কৰিব পাৰে। ধুমুহা বৰষুণৰ ৰাতি প্ৰেয়সী পৰফিৰিয়াক পূৰ্ণৰূপত পাই আহ্লাদিত প্ৰেমিকে অনুভৱ কৰিছে যে পৰফিৰিয়াক তথা প্ৰেম, পূৰ্ণতা আৰু প্ৰাপ্তিৰ এই পৰম ক্ষণটোক অমৰ কৰি ৰাখিব লাগিব। তেনেতে হঠাৎ সি তাইৰ দীঘল চুলিকোচাৰে তাইৰ ডিঙিত চেপি ধৰি অমৰ কৰি ৰাখিব খুজিলে সিহঁতৰ প্ৰেম।

All her hair
In one long yellow string I wound
Three times her little throat around
And stragled her ......

এয়াই জীৱন, প্ৰেম, যৌনতা। একান্ত হৈ ক'ৰবাত মিলি যোৱাৰ বাসনাৰে বঞ্চিত হৈ মানুহ আগবাঢ়ে। চৰম প্ৰাপ্তিৰ মুহূৰ্তটোত মানুহৰ আৰু একো পাবৰ ইচ্ছা নাথায় কিন্তু যেতিয়া সেই সময় উকলি যায় মানুহে আকৌ ভৰি থয় অপ্ৰাপ্তিৰ পদূলিত আৰু এঢাপ দুঢাপকৈ বগাই অপ্ৰাপ্তিৰ জখলা। এই অপ্ৰাপ্তিযে বাৰে বাৰে আমাৰ মনৰ একোণত থাকি যায় তাৰ বাবেই আমি নোপোৱাক পাবৰ যত্ন কৰি একেটা কামকে ভিন্নৰূপে, ভিন্নভাৱে কৰিবৰ যত্ন কৰে। এই যে বেশ্যাজনী তায়ো মনৰ সুপ্ত বাসনাৰ আকুতিৰ বাবেই বৃদ্ধ ভিক্ষাৰীটোৰ মাজতো প্ৰাপ্তিৰ সন্ধান কৰে।

ঃ ব'ল অনিৰ্বাণ যাওঁগে, সাত বাজিল Portrait টো আঁকিব লাগিব, ১২ তাৰিখে নিবলৈ অহাৰ কথা।

যাওঁ বুলি অভাৰব্ৰীজৰ ৰেলিঙৰ পৰা জাপমাৰি নামোতেই সিটোফালৰ পৰা অপৰ্ণাক বেগটো জোকাৰি জোকাৰি পখিলা এজনীৰ দৰে আহি থকা দেখিলো। লাইটৰ পোহৰত তাইক কোনোবা সপোন পুৰীৰ যাদুকৰী পৰী যেন লাগিছে, এই যেন তাই এখন সোণালী ৰথেৰে আহি এইমাত্ৰ আকাশৰ পৰা নামিল আৰু আমাৰ ভাগ্যচকৰী ঘূৰাই দিবলৈ আমাৰ কাষলৈ আহি আছে।

ঃ হেই, কি কৰি আছা ইয়াত ? আৰু হাতত কি ? কিমান কওঁ চিগাৰেট নাখাবা, নুশুনা কিয় ?

ঃ ইমান শাসন নকৰিবা, যোৱা ঘৰলৈ

ঃ ভাল কথা ক'লে বেয়া পোৱা, Portrait এটা আঁকাৰ কথা কৈছিলো, আঁকিলা ? কিয় ইমান নিৰামিষ হৈ গৈছা আৰু দাড়িবোৰ নাকাটা কিয় ?

ঃ OK বাবা হ'ব, সব হ'ব।

ঃ মই যাওঁ, গপগপাই কিছুদূৰ গৈ অপৰ্না অলপ দূৰত ৰৈ দিলে আৰু তাৰ পৰাই চিঞৰি ক'লে ' কালিলৈ মোলৈ ফোন কৰিবাচোন, অ' নালাগে মই আহিম তোমাৰ ৰুমলৈ।

ঃ না.... । নালাগে বুলি সম্পূৰ্ণকৈ কোৱাৰ আগতেই তাই বহুদূৰ পালেগৈ। তাই এনেকুৱাই, কৰিম বুলিলেই কিবা এটা কৰি দিবি পাৰে, যাওঁ বুলিলেই গুছি যায়। তাই যোৱাৰ ফালে কিছুসময় চাই থাকি ভৰিদুখন লাহে লাহে মোৰ ৰুমৰ ফালে আগবঢ়াই নি আছো, মুখেৰে একো শব্দ কৰা নাই। অনিৰ্বাণে কিবা গুণগুণাই আছে আৰু কেতিয়াবা মোৰ গাত লাহেকৈ থাপৰ এটা মাৰি মিচিকিয়াই হাঁহে। তাৰ হাঁহিটোৱে নোসোধাকৈ মোক বহুত কথা সুধিছে, বুজাইছে। মই তাৰ প্ৰশ্নৰ উত্তৰ দিব পৰা নাই। কিবা এটা সঠিকভাৱে নাজানিলে উত্তৰ দিয়াতো কঠিন হয়, তথাপি মনে বাৰে বাৰে সোধে কি হ'ল আৰু কিয় ? অৰ্পনা, অৰ্পনা যাক মই ভাল পাওঁ যেন মোৰ বোধ হয়।

প্লেটখনত ৰঙ এসোপামান মিলাই লৈ একান্তমনে বেশভাচ এখনত সানিছো। ৰঙৰ বিচিত্ৰ বৰ্ণালীয়ে মোৰ তৰ্জাৰ বেৰবোৰত, টেবুলখনত, বিচনাখনত এক অপূৰ্ব আভা সানি দিছে। মোৰ মন সঁচাকৈয়ে ভাল লাগিছে, মই যেন বৰ্তমান এখন পৃথিৱী সাজিবলৈ গৈ আছো আৰু সেউজীয়া, ৰঙা, নীলা, হালধীয়া ৰঙেৰে পৃথিৱীখনো ক্ৰমাৎ ৰঙীন হৈ গৈ আছে।

ঃ হেই বাহ ! আজি দেখোন নতুন ৰূপত, ছবি আঁকিছা ?

অৰ্পনা সোমাই আহিছে কোঠাটোলৈ

ঃ অ' তুমি আহিছা, সেইবাবে ইমানকৈ বতাহজাকে ভিৰ কৰিছে কোঠাটোত খবৰ দি আহিছা চাগৈ বতাহক, চৰাইক, নদীক সকলোকে।

ঃ দিছিলো।

ঃ কি ক'লে।

ঃ বতাহে কি ক'ব আৰু তুমি আহি থাকা মোৰ সতে তোমাক সৌ সিপাৰলৈ লৈ যাম, চৰায়ে ক'লে মোৰ লগত আঁহা মই তোমাক উৰিবলৈ শিকাম, নদীয়ে ক'লে মোৰ লগত আঁহা মই তোমাক সাগৰলৈ লৈ যাম।

ঃ তুমি ক'লৈ , কাৰ লগত যাবা।

ঃ কাৰো লগত নগ'লোচোন, ইয়ালৈকে গুছি আহিলো।

বাহিৰত এতিয়া বৰষুণ আৰম্ভ হৈছে। এজাক ফিনকিনিয়া বৰষুণ, সৰুতে আমি এনেকুৱা বৰষুণক 'ছাগলী খেদোৱা' বৰষুণ বুলি কৈছিলো আৰু দৌৰি ফুৰিছিলো ঘৰৰ চোতালত ইফালৰ পৰা সিফাললৈ। বৰষুণজাক খিৰিকীয়েদি ভিতৰ সোমাই আহিছে, তথাপি উঠি গৈ খিৰিকীখন বন্ধ কৰি দিবৰ মন নগ'ল, বৰঞ্চ খিৰিকীৰ কাষত থকা টেবুলখনকে অলপ আঁতৰাই দিলো। বৰষুণ অলপ বাঢ়িছে।

ঃ খিৰিকীখন জপাই নিদিয়া কিয় ? চাঁও মই জপাই দিওঁ। গোটেইখন পানী পানী হৈ যাব এতিয়া। এনেয়েই জেকি আছে, ভেঁকুৰ উঠিছে মজিয়াত।

ঃ সেইটোৱেইতো মোৰ ৰুমৰ বৈশিষ্ট্য। ভেঁকুৰ ভেঁকুৰ গোন্ধ চাৰিওকালে আৰু কিছুদিনৰ পিছত নয়ো কিজানি ভেঁকুৰৰ দৰেই গোন্ধাম। মানুহবোৰৰ মনবোৰেই ভেঁকুৰি গৈছে, তাতে আকৌ মোৰ এই ভাড়াৰূমটো ভেঁকুৰাৰ কথা কৈছা।

সঁচাকৈ বাৰু আমাৰ মনবোৰত ভেঁকুৰে ধৰিলেনে ? গাড়ীএখন বহুদিন নচলাই গেৰেজত ভৰাই থ'লে সহজে ষ্টাৰ্ট কৰিব নোৱাৰি যেনেকৈ

আমিও বাৰু আমাৰ মনবোৰত কোনো কৰ্মত নখটুৱাই সহজে ষ্টাৰ্ট নোহোৱা এখন গাড়ী হৈ পৰিছো নেকি? নে আমি নিজকে নিজৰ পৰা আঁতৰত ৰাখিবৰ যত্ন কৰিছো। কোনো মানুহ নথকা এনে এখন ঠাইত আমি নিৰ্বাসন দিছো নিজকে আৰু পাহৰিবৰ, পলাবৰ যত্ন কৰিছো জীৱনৰ পৰা, সমাজৰ পৰা অথবা বিশ্বাসৰ পৰা। এইদৰে নিৰ্বাসিত হৈ আমি এতিয়া ক'ত বাস কৰিবলৈ গৈ আছো নিজেই নাজানো।

গাঁৱৰ ঘৰৰ পৰা পঢ়িবলৈ আহি এই মহানগৰীত ভৰি থওঁতে প্ৰথমদিনা মোৰ এনেকুৱা লাগিছিল যেন মই কক্ষপথৰ পৰা বহু বাহিৰত গৈ এটা নিৰ্দিষ্ট বিন্দুক কেন্দ্ৰ কৰি আবৰ্ত্তিত হৈ আছো। নিজক কেন্দ্ৰ কৰি মই ঘূৰিছো, মোৰ লগে লগে ঘূৰিবলৈ লৈছে মোৰ চিন্তা-ভাৱনা, সপোন সকলো। কিন্তু মইতো এনেকুৱা নাছিলো। নিজৰ বাবে চিন্তা নকৰি আনৰ বাবে সকলো বিলাই দিব খোজো বুলি কলেজত মোৰ লগৰবোৰে মোক হাঁহিছিল। এতিয়া ভাবিছো মই সঁচাই কিজানি তেনেকুৱাই আছিলো, নিজৰ বুলি একো ভাবিবলৈয়ে নহ'ল আৰু যিদিনা মই মোৰ নিজৰ বাবে কিবা এটা কথা চিন্তা কৰিলো সেয়া প্ৰকাশ কৰাৰ বাবে মোৰ সাহ নহ'ল। তথাপিতো মই এনেকৈয়ে সুখী যেনেকৈ দুখৰ মাজতো হাঁহি থাকিব পাৰে অনিৰ্বাণে। সুখ কি ধাৰণা কৰিব নোৱাৰি, দুখক ধাৰণা কৰা যায়। সেয়ে জীৱনৰ বাবে সুখ যিমান জৰুৰী তাতোতকৈও জৰুৰী দুখ, দুখৰ গভীৰতা অথবা নিঃসঙ্গতা।

বৰষুণজাক লাহে লাহে শাম কাটিছে। গছপাতবোৰৰ পৰা টোপ-টোপকৈ বৰষুণবোৰ সৰিছে, ঘৰৰ ছালৰ পৰাও নামিছে বৰষুণবোৰ, মোৰ বুকুৰ মাজতো বৰষুণ আহিছে, জৰ্জৰকৈ, ঝিপঝিপকৈ, মুষলধাৰ নহয় তথাপি তীব্ৰভাৱে। কিমান সময় বৰষুণ আহিছিল ক'ব নোৱাৰো পাছত দেখিলো বুকুখন পানী পানী হৈ গৈছে আৰু তাত ক'ৰবাৰ কণমানি ছোৱালী এজনীয়ে কাগজৰ নাঁও এখন উটাই দিলেহি। অপ্ৰকাশৰ বেদনাত দুচকু মোৰ সেমেকি উঠিল।

ঃ বৰষুণ এৰিছে, মই যাওঁ। অৰ্পনাই যাবলৈ সাজু হৈ ক'লে। 'অ' চোৱা, মোৰ ছবিখন আঁকিবা। মোৰ বাবে ছবি আঁকিবলৈহে তোমাৰ সময় নহয়। আৰু আৰু নাই.....।

তাই একো নক'লে, এই যে ক'লে 'আৰু নাই' সঁচাকৈয়েই বাৰু একো নাইনে। অথবা সকলো থাকিও নথকাৰ অভিনয়। ছবি এখন আঁকিবৰ মই যত্ন কৰি আছো, কিন্তু বাৰে বাৰে বিফল হৈছো, এয়া যেন তুমি নহয়, তোমাৰ ছবিখনো নহয়।

ৰাতি ভাত পানী খাই টেবুলত ডায়েৰী লিখিবলৈ বহিছো, ঘৰলৈ এখন চিঠি লিখিবলৈও আছে। দুদিনমান দেৰি হ'লেই মায়ে বৰ চিন্তা কৰে। চিঠি এখনকে লিখো বুলি সেয়ে ৰাইটিং পেডটো কিতাপৰ মাজৰ পৰা টানি আনিলো আৰু খচখচকৈ লিখি গ'লো।

পূজনীয়া মা,

সেৱা লবি, আশা কৰো তইঁতৰ ভাল। (ভালনো ক'ত হ'ব, বছৰি বানপানীয়ে উটাই নিয়া সংসাৰত লহপহ সপোনৰ সম্ভাৱনা কঢ়িয়াই চাগৈ জীয়াই আছ।) ময়ো কিজানি সুখেৰে আছো। (সুখেৰে? সুখী কেনেকৈ? আচলতে মোৰ সুখৰ কোনো ধাৰণাই নাই, অথবা মই সুখী হ'বই নাজানো।) মা, মা মই যে তোক কওঁ, অনিৰ্বাণ সি বহুদিন মোৰ ওচৰলৈ অহা নাই। সিদিনা হঠাতে কিবা কথাত লাগি তাক ক'লো - 'এহ, কাল্টু কথা কৈ নাথাকিবি, তোৰ Philosophy শুনিলে কাৰো পেট নভৰে। আৰু সেইদিনা মোৰ বৰ ভোক লাগি আছিল। সি কিজানি বেয়া পালে। সকলোৱে মোক এনেকৈয়ে বেয়া পাই মা। ঘৰত থাকোতে যে মই যাকে-তাকে যি টি কওঁ সেইকাৰণেই মোক মানুহবোৰে বেয়া পাইছিল। "সৰুকণৰ ল'ৰাটো বৰ অহংকাৰী, ডাঙৰ সৰু একো নামানে।" মই কিন্তু তেনেকুৱা নহয় মা,। তেওঁলোকে মোক বেয়া পালেও মই বেয়া পোৱা নাই, কবি। আৰু গাঁৱৰ সেইবোৰ মানুহৰ বাবেই মই এদিন ঘূৰি যাম।

মা, পঢ়া-শুনা মই ভালদৰেই কৰি আছো, চিন্তা নকৰিবি, ছবিও আঁকিছো। আৰু কবি দেউতাৰ একমাত্ৰ ল'ৰাটো তেওঁ ভবাৰ দৰে হ'ব নোৱাৰিলে, তথাপি সি জীয়াই থাকিব অন্ততঃ দেউতাৰ আশাৰ বাবেই........

চিঠিখন লিখি ল'ৰালৰিকৈ খাম এটাত ভৰাই address লিখিলো। কাইলৈকে দিব পাৰিলে ভাল, পৰহিলৈ অসম বন্ধ। এনেদৰে বন্ধ দি থাকিলে এদিন অসমখন সঁচাই বন্ধ হৈ পৰিবগৈ।

চকীখনত হেলান দি বহি আছো। ৰেলগাড়ীৰ ভবাবোৰ খৰকৈ পাৰ হৈ যোৱাৰ দৰে কিছুমান ছায়া-ছবি জোৰেৰে মোৰ মনৰ পৰ্দাইদি পাৰ হৈ গৈছে, মই কোনো এখন ছবিকে স্পষ্টকৈ ধৰিব পৰা নাই। আমাৰ যদি সুবিধা থাকিলহেঁতেন যে আমি এদিনত এটাহে স্মৃতি ৰোমন্থন কৰিম আৰু সেইমতে প্ৰগ্ৰাম কৰি মনিটৰত চাই থাকিব পাৰো আমাৰ স্মৃতিৰ বচা বচা অংশ। এতিয়া কোনো সময়ত সকলোবোৰে একেলগে ভিৰ কৰেহি, মোৰ সিমান Control Capacity নাই আৰু মই দৌৰ মাৰি ওলাই যাব খোজো বাহিৰলৈ আৰু তেতিয়াই মোৰ সঙ্গী হয় অনিৰ্বাণ। অনিৰ্বাণ কিয় অহা নাই, গুছি গ'ল নেকি এই চহৰ এৰি কোনোবা অজান চহৰলৈ। সি বাৰু নাহিব নেকি মোক সপোন দেখুৱাবলৈ, পঙ্কিলতাত খোজ দিবলৈ সযতনে অথবা আমি যে কথা দিছিলো ইজনে সিজনক আমি বহু দূৰলৈ গুছি যাম, এদিন এসন্ধ্যাত শব্দৰে উপচাই দিম ভোকৰ উপত্যকা, অথবা আঁকি দিম ৰঙা আপেলৰ দৰে সূৰ্য মানুহবোৰৰ মনৰ মাজত। কিন্তু অনিৰ্বাণ নাই। খাদী চোলাটো আৰু ৰঙা বেগটোত এসোপা সম্ভাৱনা কঢ়িয়াই সি আহিব, মই তাৰ বাবে বাট চাই ৰ'ম।

'মইতো নিজেও আগবাঢ়ি যাব পাৰো তাক বিচাৰি।' কথাষাৰ ভাবিয়েই মই কিবা এটা পুলক অনুভৱ কৰিলো। মোৰ নিজকে চকৰি ঘূৰাই দৌৰি ফুৰা কণমানি ল'ৰা এটা যেন লাগিছে, যি আজি জীৱন চকৰি ঘূৰাবৰ যত্ন কৰি আছে। ভৰিত চামৰাৰ পুৰণা চেণ্ডেলজোৰ সোমোৱাই লৈ মূৰটো ফণিয়াবলৈ বুলি আইনাখন চাঁওতেই দেখিলো, "এইখন কাৰ মুখ? এয়াতো অনিৰ্বাণ! আৰু মোৰ মুখখন ক'ত? অনিৰ্বাণ, অনিৰ্বাণ তই ইয়াত? কিয় অহা নাছিলি ইমান দিন, কিয় সঁহাৰি দিয়া নাছিলি মোৰ নিঃসঙ্গ মূহুৰ্তবোৰত? এয়াই তোৰ বন্ধুত্ব। অনিৰ্বাণ!' ঘূৰি চাই দেখিলো কোনো নাই, তেন্তে কোন সেয়া? মোৰ মনত পৰিছে কাহানিও হাৰি যাব নোখোজা বাবে দেউতাই তেওঁৰ একমাত্ৰ ল'ৰাটোৰ নামেই ৰাখিছিল 'অনিৰ্বাণ'। ●

সেৱা লবি, আশা কৰো তইঁতৰ ভাল। (ভালনো ক'ত হ'ব, বছৰি বানপানীয়ে উটাই নিয়া সংসাৰত লহপহ সপোনৰ সম্ভাৱনা কঢ়িয়াই চাগৈ জীয়াই আছ।) ময়ো কিজানি সুখেৰে আছো। (সুখেৰে? সুখী কেনেকৈ? আচলতে মোৰ সুখৰ কোনো ধাৰণাই নাই, অথবা মই সুখী হ'বই নাজানো।)



# The Steel Bangle

**Ananya Saikia**
H.S. 2nd Yr.

"Yes, I will do the job", said Rohan.

"Well done Rohan, I knew you would do the job. You have just to board the bus AS-01D9370 at Guwahati and get down at Jakhalabandha leaving the bag I'll give you in the bus itself. Its easy job, but it will field much, We can frighten of the government and make it concede to our demands", said the gang leader Bhargav.

"When will the work be done?" asked Rohan.

" Tomorrow at 6:30 am you will board the bus and place the bag-bomb there," replied Bhargav. "Then just before embarking from the bus you will switch on the bomb, which will burst. Three hours later when the bus is full."

"All right, Boss", said Rohan picking up the fatal bag and heading towards the door. "Good bye and wish me luck."

.......................................................

"Will Arihana ever understand it? I don't think so. She was always against every sort of terrorism and violence," thought Rohan as the bus headed to Jakhalabandha from Guwahati. "She was very much against, of my association with Bhargav. Oh! what a row we had when I refused to avoid Bhargav. I had to move heaven and earth to pacify her." His lips formed a very smile as he remembered Arihana, his sweet heart. "She can be quiet an old grandmother sometimes. Thank god that she is not here, otherwise she would have guessed what I was going to do. Yes, Arihana is very important to me, but this is important too. Only by frightening the government, we can achieve our ends. Only by this we can achieve freedom and liberate Assam.

The more Rohan thought of the unjust Government the more he became determined to fulfil the task the militant conflict had given him to accomplish at which he had wavered a bit at the thought of Arihana.

.............................................................

"Yes, ma I am just coming," called back Arihana to her mother's frantic calls. She was at her maternal uncle's house in Nagaon, when due to certain change of plans she and her family had to go to Moran. They

were just about to go and everyone was at the courtyard bidding fond farewells to Arihana's family.

"No one is at home. Thank God, that everyone is in the courtyard. Now a quick call to Rohan," mused Arihana, as she punched the numbers into the phone.

"Hello!" came a female voice from the other end.

"Hello! can I please speak to Rohan?" quipped Arihana.

"I am sorry, but Rohan is not at home. May I know who is calling," said the voice from the other and Arihana abruptly cut the phone. Gosh! what ill luck! Why on earth did that female Hitler-Rohan's mother had to pick up the phone. My, my, my! How I am scared of her. And that Rohan, he couldn't have chosen a better time to be absent from house" grumbled Arihana as she made her way towards the courtyard and waved her uncle, aunt and cousins goodbye and boarded the white Maruti van belonging to her youngest uncle, which made its way towards the bus stop, a little distance away.

"All job done. Now for a cup of tea." Thought Rohan pleased at having planted the bag successfully at the most convenient place without attracting anyone's notice. He looked at his watch and yawned, '7:20 a.m. Quiet early for a late riser like me, and feeling very pleased with himself he made his way towards a roadside hotel for a refreshing cup of tea.

"Here are the tickets. The bus itself will be coming in a few minutes. It's a day super coming from Guwahati to Dibrugarh. No. AS-01 D9370." said Arihana's uncle as he handed the tickets over to her father.

As the bus sped away from Nagaon, Arihana let her face be placed at such an angle that it is hit mercilessly by the wind, a feeling she greatly enjoyed. She was sitting with her father, while her elder sister was sitting with their mother in the front seat. Both of the sister's, Arihana and Aarti liked to sit near the window and the fight always ended thus, both of them sitting separately. Aarti was elder to Arihana by three years, but they were the best friends ever. Arihana would disclose all her secrets to Aarti including Rohan. And she always advised Arihana wisely.

The bus soon came to Bukakhat and the driver halted the bus so that he could stretch his legs while the passengers had some refreshments. As every one stretched themselves to get out of the bus, there was a loud noise 'Boom' ............... and .................

Sahh! Sahh! look the terrorists have struck again will they never rest? What do they gain by killing innocent people" said Rohan's father as he powered over the newspaper.

"These lot! they are horrible. God will surely punish them for their sins," replied Rohan's mother.

Rohan who was in the next room cringed as he heard those words, but again he remembered the words he had read in Jane Eyre when Mr. Rochestor while declaring his love for Jane said that God rewards and punishes through his own instruments, i.e., the human brings themselves, which in this case, Rohan mused was he - he was the punisher - God's instrument to punish people for their misdeeds.

As he entered the living room, his parents had meanwhile deserted it and the paper carrying the news was lying limply on the sofa. He didn't want to look at the newspaper, but his eyes strayed towards it and suddenly they saw something which immediately drew his attention. The big coloured photograph at the front page of the newspaper. Something in it looked familiar very familiar. But what. Oh yes! The dress. He knew that dress, light blue with white roses. Arihana often wore it and she really looked heavenly in it. Her serene face went beautifully with the light blue dress. Now that same light blue dress adorned a bloody body. The face was distorted beyond recognition, but the hand-the right hand. He recognised it. The same hand with its soft fingers had pressed into his many a time with assurance. The steel bangle which had hurt him in his cheek when he had pulled her over to him and she in her turn had lost her balance and fell on him, the sharp edge in the bangle making a cut on his face. 'No, it can't be!'

After a few days Rohan recovered and made his way towards Arihana's house. Soon he reached there but he couldn't bring himself to look into the

house. But when at last he looked towards the house, he was surprised beyond words. He rubbed his eyes, but he still saw the thing which he had last expected to see - Arihana herself. She was sitting in an armchair. As if hypnotised, he made his way towards the house, opened the gate and looked into the unmoving figure. The torso was indeed of Arihana. But only the figure belonged to a girl named Arihana, all the other features relating to it have disappeared. No smile in her lips which would light up her eyes. The eyes - they were glazed, they didn't seem to look at him. Infact they were fixed on eternity.

"Arihana, is that really you. I thought that that..."

*"The bomb blast took away all the things that ever mattered to her. Her sister, her mother." His eyes grew misty as he spoke. "The bus had halted in Bukakhat and both of us had got down from the bus and had gone to the nearest hotel to freshen ourselves. No sooner had we reached the bathrooms of the hotel we heard the bombast. We rushed outside, the blast had divested the whole bus. The impact was so great that many of the nearby shops were also in shambles. As soon as we rushed outside, we saw the ill fated bus with its ill-fated passengers; and among them were my wife and my eldest daughter. They were dead.*

"She was dead," a voice finished Rohan's unfinished sentence.

Rohan looked up and saw Arihana's father. Rohan opened his mouth to say something but no words came out, instead his father spoke.

"The bomb blast took away all the things that ever mattered to her. Her sister, her mother." His eyes grew misty as he spoke. "The bus had halted in Bukakhat and both of us had got down from the bus and had gone to the nearest hotel to freshen ourselves. No sooner had we reached the bathrooms of the hotel we heard the bombast. We rushed outside, the blast had divested the whole bus. The impact was so great that many of the nearby shops were also in shambles. As soon as we rushed outside, we saw the ill fated bus with its ill-fated passengers; and among them were my wife and my eldest daughter. They were dead. Ari when she saw her dead sister and mother lost all her senses and when she regained her senses, she became a living corpse."


He stopped and looked at his younger and only daughter and helped her from the chair and bought her to the living room. Rohan silently followed them.

Once Arihana was made comfortable, her father again said, "that day they both were fighting over their dresses and Aarti died in Ari's dress. Someone told me that her photo has appeared in newspapers. May be you mistook her for Ari. So saying he went inside.

Rohan was bewildered beyond measure. He kneeled down before Arihana and looked into her eyes. But Arihana was not looking at him. He followed her gaze and found her looking into a picture of a beautiful girl very much like Arihana, all posed up and in her right hand gleamed a steel bangle. ●

# KIDNAPPED !

Mitashree Sharma



Alfred, why don't you say anything to jack. You have seen how spoilt he has become. He bunks schools, goes to the cinema, keeps bad company and what not. I want you to cane him Alfred ! Alfred! Are you listening? Stormed Jack's mother, Mrs. Joan Scott "Yes, Honey," replied Jack's father Mr. Alfred Scott. He was reading a newspaper and wasn't paying much attention.

"Alfred", shouted Joan, snatching the newspaper, "I received a letter from the head master. He said that Jack always bunks school now a days."

"What! why didn't you tell me earlier?" Told Mr. Scott. "Let him come home and see what I do."

"Trrring"......"Trrring", rang the telephone. It was from school. Jack hadn't arrived that day too.

Mr. Scott got extremely infuriated and paced up and down the room, grumbling and grudging.

It was late in the afternoon when Jack arrived, dirty and ragged

"Hi mom, Hi Dad" said Jack as he whistled upstairs. But Mr. and Mrs. Scott caught him and brought him down. They raged upon him and scolded him for negligence of studies when Jack started sobbing.

They were surprised. Jack never cried. As they looked at him puzzled, he began, "Mom, I was waiting for the bus as usual on the pavement. The bus was late today. Suddenly a big black car appeared from the highway. It stopped beside me and four big black men stepped out. They had big black eyes and big black beard. They caught me and gagged me and put me into the car. As they drove me in the car, I saw big black pistol with them." "They took me to a big black house and put me into a big black room. They tied my hands and feet. I began to cry. Then suddenly one of the men took out a pistol and pointed at me and .................... and............... " stammered Jack.

" And what, son?" exclaimed his parents.

"And that was why I missed school, Dad," he said mischievously. ●

# সময় নাই

মূল ঃ **Alberto Moravio.**
অনুবাদ ঃ অপৰাজিতা পূজাৰী



যাবৰ সময় প্ৰায় হ'লেই তথাপি মই যে এতিয়াও ঢিলাঢুলা কাপোৰ সাজ পিন্ধিয়েই বহি আছো। মোৰ চাৰিওফালে দ'ম হৈ থকা চুটকেছ, খোলা আলমাৰি, চকী সবতে মাত্ৰ কেন্‌চেল কৰা কাপোৰ। গতিকে সময় মোৰ হাতত তেনেই কম। কিন্তু এই কথাও ঠিক যে সময়ত মোৰ সব কামেই হৈ যাব। ই এক বিৰক্তিকৰ বৈপৰীত্য। অৱশ্যে মোৰ বহুত কামেই কৰিশেষ কৰিব লাগিব। গা-ধোৱা, মুখৰ প্ৰসাধন, কেশসজ্জা, পিন্ধি যাবৰ বাবে কাপোৰ পচন্দ আৰু সৰ্বশেষত বেন - মোৰ প্ৰেমিক সেই সুন্দৰ জাৰ্মান যুৱকজন, ফোন কৰি ক'ব লাগিব যে তেওঁ যেন তিনিমাহ আগেয়ে আমাৰ মাজত থকা সম্বন্ধটোক এটা জবৰদস্ত অভিযান বুলিয়েই ভাবে তাতকৈ বেছি একো নহয়।

বিশেষত ঃ এটা কথা ক'বই লাগিব, মোৰ যে সময় নাই- প্ৰেম কৰিবৰ বাবে সময়ৰ দৰকাৰ। সচাঁ ক'বলৈ গলে মোৰতো উশাহ ল'বলৈও সময় নাই। গতিকে প্ৰেমনো ক'ত কৰিব পাৰিম? চল্লিশোৰ্ধৰ বয়সত দুই এটা দায়িত্ব আৰু ফেশ্বনৰ আলোচনীবোৰত বিশ্বসুন্দৰীবোৰৰ মাজত জিলিকি থকাৰ বাবে কৰা কামবোৰৰ বাবেই মোৰ সময় আছে। লগতে সেই কামবোৰ পৰিকল্পনামতে কৰাৰ বাবে, যেনে- নিমন্ত্ৰণ, ভ্ৰমণ, ৰিচেপছন, টিকাৰ, ব'লডান্স, খেলা-ধূলা ইত্যাদি। কিন্তু প্ৰেম ভালপোৱা, য'ত এই নিয়ম নীতিৰ স্থান নাই, তাৰবাবে মোৰ সচাঁয়ে সময় নাই। কোনোবাই এনেদৰে লিখাতো বাৰু কল্পনা কৰা যায়নে বাৰ ডিচেম্বৰৰ পৰা বিশ জানুৱাৰীলৈ প্ৰেম!! যাৰ সময় আছে, অৰ্থাৎ যি সময়ৰ বহিৰ্ভূত, প্ৰেম-পীৰিতি তাৰ বাবেহে? ভালপোৱাই আপোনাৰ জীৱনত কোনো গুৰুত্বপূৰ্ণ ভূমিকা লৈছেনে- এজন সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মই কি কৈছিলো জানেনে? সচৰাচৰ মৰা সেই মিচিকিয়া হাঁহিটোৰে কৈছিলো ঃ

ঃ মই আকাশীযানত বাস কৰা মানুহ। আকাশীযানত থাকি কি প্ৰেমৰ কথা ভাবিম? যি স্থায়ীভাৱে একে জেগাতে থাকে প্ৰেম তাৰ বাবেহে।

গতিকে বিচনাত বহি টেলিফোন ইনডেক্সত সমস্ত জগতৰ ফোন নম্বৰৰ মাজত বেনৰ নম্বৰটো বিচৰাত লাগিলো। ট্ৰেৰ ওপৰতে চাহ আছে, কিন্তু খাবৰ সময় নাই। ফোনটো ক্ৰেডেলৰ পৰা উঠায়ে থমকি ৰ'লো।

ঃ আপোনাৰ ভনীটি! কামকৰা মানুহজনীয়ে বতৰা দিলেহি।

ঃ হেল্ল' মেৰিয়ানা!

সবেই কয় বাই ভনীৰ হেনো আচৰিত মানসিক বন্ধন থাকে- এজনী অসুস্থ হ'লে আনজনীয়ে তাৰ প্ৰতিক্ৰিয়া অনুভৱ কৰে, নেহাৎ অৰ্থহীন কথা। মই কোৱা নাইযে সুজানা মোতকৈ একদম বেলেগ, কিন্তু কথাটো প্ৰায় তেনেধৰণৰেই। অৱশ্যে আমি যঁজা- দুয়োৰে ডাঙৰ নীলাভ চকু, সোণালী চুলি, জোঙা নাক আৰু ৰঙা ওঁঠ। কিন্তু সাদৃশ্যবোৰ তাতেই শেষ। মই নাৰ্ভাচ আৰু খেয়ালী। সুজানা চিলাচোপা, নিস্তেজ, সহজে উত্তেজিত নহয়। মই অত্যাধিক আগৰণুৱা, স্মাৰ্ট, তাই আমনিদায়ক ভাৱে সোৰোপা। ধৰিব নোৱাৰিলেও স্বভাৱৰ এই ভিন্নতাৰ বাবেই আমাৰ দুয়োৰো ভাগ্য বেলেগ হৈ গ'ল। আগৰে পৰাই মোৰ উদ্দেশ্য আছিল ডাঙৰ মানুহ হোৱাৰ আৰু মই সকলো হৈছো, যদিও এই কামৰ বাবে মই বয়স্ক ভদ্ৰলোকৰ লগত সুবিধা জনক বৈবাহিক সম্বন্ধত আবদ্ধ হৈ দিলো। অৱশ্যে ভাগ্যক্ৰমে তেখেতে মোক বিধৱা কৰি থৈ গ'ল সোনকালেই। সুজানাই একো নিবিচাৰে,

মাত্ৰ একো নোপোৱাকৈ দিন কটাইছে। এতিয়া তাইৰ উপস্থিতিয়েই বা কি বিস্ময়কৰ! সাজপাৰ জলহস্ত দৰে ঢিলাঢোপা এটা চুৱেটাৰ, ৰংযোৱা পটলুং, গোৰোহা ক্ষয় যোৱা জোতা। মুখত প্ৰসাধনৰ নামগোন্ধ নাই, মূৰত মৰা ৰুমালেৰে মুখখনো যেৰি থৈছে। তাইক দেখাৰ লগে লগে মইতো চিৎকাৰ কৰি উঠিলো-

ঃ তই! মইযে এতিয়া যাবই লাগিব, অথচ কিমান কাম কৰিবলৈ' বাকী। তই গুছি গ'লেই ভাল হয় বুজিছ।

কিন্তু সেয়া নঘটিল। তাই হাত দাঙি মোৰ পিনে আগুৱাই আহিল। মইতো একেবাৰে পিছুৱাই আহিলো তাইক আকোঁৱালি ধৰাৰ পৰা। কাৰণটো হ'ল তাইৰ গাৰ দুৰ্গন্ধ! তাই কিন্তু বিচলিত নহ'ল। ঘৰৰ চাৰিওপিনে অবাক চকুযুৰি ফুৰাই টেংটেঙীয়া মাতেৰে ক'লে-

ঃ উস্ কি সুন্দৰ পোছাক। আয়ৈ, দেহি তোৰ ছাগে ঢেৰ কাপোৰ আছে।

ইতিমধ্যে মই মোৰ কাপোৰ খুলি বাথৰুমলৈ' যাবলৈ ওলালো। হঠাতে মনত খেলালে, কিবা এটা দি দিলে তাই হয়তো এৰা খাব। গতিকে কাপোৰ নিপিন্ধাকেই ৰুমটোত বিচাৰি কেতিয়াও নিপিন্ধা এটা পটলুং, কাশ্মীৰি চুৱেটাৰ আৰু নতুন জোতা কেইযোৰমান তাইৰ হাতত তুলি দিলো-

ঃ এইবোৰ ল। আৰু লেতেৰা কাপোৰবোৰ খুলি এয়া পিন্ধ। যি নহওঁক তোৰতো অলপমান লাভ হ'ল। দয়াকৰি তই যাচোন। মোৰ সময়েই কম।

খুউব লাহে ধীৰে তাই পোছাকবোৰ ল'লে, অনেকবাৰ পৰীক্ষা কৰিলে, বাৰে বাৰে সন্দেহজনক আৰু হয়তো বিদ্ৰূপাত্মক ভংগীৰে মোক 'ধন্যবাদ' কৈ উঠিল-

ঃ মই ইয়াতে এবাৰ পিন্ধি চাওঁ।

ঃ নাঃ, পিন্ধি চাব নালাগে। ইয়াৰ পৰা গৈ পিন্ধিবি দে।

সুজানাই মোৰ কথা নুশুনিলে। লাহেকৈ পটলুংটো খুলিলে। তাৰপাচত চুৱেটাৰটো মূৰৰ ওপৰেদি খুলিলে। এতিয়া তাইৰ গাত অন্তৰ্বাসহে মাত্ৰ। দুয়োটাই শতচ্ছিন্ন, সুতা ওলোৱা, লেতেৰা। খণ্ডত মই একো নাই হৈ গ'লো-

ঃ তই কি লেতেৰা, জঘন্য! মোৰ কাপোৰ পিন্ধাৰ আগেয়ে তই গা ধুব লাগিব। আহ, মোৰ লগত গা ধুবি।

তাই পিন্ধা কাপোৰকেইটা ফালি তাইক শ্বাৱাৰৰ তলতে ঠেলি দিলো। সুজানাই নাযাওঁ নথওঁ, খেৰো-গেৰোখন লগালে, শেহত হাৰ মানিব লগা হ'ল। শেষত পানীৰ ধাৰাৰ তলত আমি দুজনী। মই তাইৰ গা-মূৰে চাবোন সানি দিলো। চাবোন সানি থাকোতেই গম পালো মই তাইতকৈ কিমান বেলেগ। মই যে অকল স্নায়ু আৰু মাংসপেশীৰেই গঢ়া। কোনেও মোক বিশেষভাৱে লক্ষ্য কৰা নাই, আৰু ময়ো নাই কৰা কাকো। আনহাতে সুজানা কোমল নৰম, মসৃণ। যিয়েই তাইৰ ওচৰত এক পল ৰৈছে, ভালদৰে পৰ্য্যবেক্ষণ কৰে, তাইকো স্থিৰভাৱে নিজকে চাবলৈ দিছে, গভীৰভাৱে বিচাৰ কৰিবলৈ সুযোগ দিছে। ..... বাথৰুমৰ পৰা দুয়ো ওলালো। গাত পানীবোৰ মুচি, টাৱেলেৰে গাটো মেৰাই বেডৰুমৰ ফালে ঠেলি দিলো তাইক।

ঃ তই এতিয়া চাফা, মোৰ কাপোৰবোৰ পিন্ধিব পাৰ দে।

আমি সাজ-পাৰত লাগিলো। সুজানাই ইমান ধীৰে সুস্থিৰে কৰে যে মই যেতিয়া প্ৰসাধনৰ টেবুলত বহো, তাই মাত্ৰ পটলুং টোহে পিন্ধিছে। আইনাখনত দেখিলো, তাই কাপোৰ পিন্ধি নিজে নিজে হাঁহিছে আৰু পাছমূহুৰ্ততেই শান্ত হৈ পৰিছে। বিলাপৰ সুৰত অন্যমনস্কভাৱে কৈ গ'ল-

ঃ মই বছৰত এবাৰ বা দুবাৰহে তোক লগ কৰো। তইতো এতিয়ালৈকে ল'ছালী কেইটা কেনে আছে সোধা নাই—

সুজানাৰ তিনিকন্যাৰ জন্মদাতা তিনিজন ভিন্ন পুৰুষ যাৰ কোনোজনেই সুজানাৰ স্বামী নহয়। মই নৈতিকতাৰ প্ৰশ্ন নোতোলো, কিন্তু এনেধৰণৰ পৰিয়ালটোৰ জটিলতাৰ মেৰপাক খোলাৰ সময় মানুহে পায় ক'ত? গতিকে ফটাফট সুধিলো

ঃ অ' হেৰি নহয়- সিহঁতৰ কেনে? ইচাবেলা, জিয়ানিনা, আলি সব ভালে আছেতো?

ঃ কুশলে আছে। কিন্তু সিহঁত গাভৰু হৈ উঠিছে, গতিকে কাপোৰ-কানিৰ সমস্যাটো ডাঙৰেই হৈছেগৈ। কাপোৰ ডাঙৰ কৰি দি সমস্যাটো



টানি আছো। মানে ভৰিলৈকে পৰা কাপোৰ বনাই স্কাৰ্টৰ পাতলি খুলি দিছো। কিন্তু সিহঁতে প্ৰতিবাদ কৰে, লাজ পায়, এতিয়াটো সিহঁতে ডাঙৰ হোৱা যুৱতীৰ দৰে দাবীও তোলে।

মই চকুৰ প্ৰসাধন শেষ কৰিছো ইতিমধ্যে। খণ্ডত মোৰ চকু দুটা জ্বলি উঠিল, আতংকিত হৈ হৈ সুধিলো-

ঃ তাৰমানে তই এতিয়াও সেই তলৰ মহলাৰ ঘৰতে আছ?

ঃ নাই, ঘৰ বদলালো। এতিয়া ভালদৰে থাকো। ৰুম দুটা মুঠতে কিন্তু ছাদত জেগা বহুত। চহৰতলিত থাকো, প্ৰায় গাঁৱৰ মাজত। তাই মোৰ ঠিক পাছফালে থাকি কথাবোৰ কৈ আছিল, গতিকে মই তাইক দেখা পোৱা

নাছিলো, কিন্তু তাইৰ উপস্থিতি অনুভৱ কৰি মোৰ বিৰক্তি লাগিছিল। ড্ৰেচিং টেবুলত থকা জিকমিকোৱা পাথৰৰ গহনাবোৰৰ পৰা হালধীয়া ধাতুৰ এধাৰি মালা তাইক দিলো-

ঃ এইডাল ল। আৰু ইয়াৰ পৰা যা।

মই এনেদৰে কৰা উচিত নাছিল। তাই মালাধাৰ দুহাতত ল'লে। তাৰ পাছত নিঃশব্দে, লোলুপ বিস্ময়ত এটা এটা কৈ প্ৰতিটো পাথৰ যেন নিৰিখি চাব ধৰিলে। তাইৰ এই প্ৰচণ্ড ধীৰতাৰ কাৰণ, সব বস্তুৰে ইন্দ্ৰিয়পোলব্ধি। কিন্তু মই একদম খৰতকীয়া। সব বস্তুৰেই মনতে তৎক্ষণাৎ বুজি লওঁ। অৱশেষত সুজানাই লোভাতুৰ অথচ শংকা মিশ্ৰিত কণ্ঠেৰে সুধিলে-

ঃ মই হলে এইডাল তোৰ পৰা লৈ নাযাওঁ। কি যে জকমকীয়া বস্তু! তই সচাঁ মোক দিছ? তোক নালাগে? তই পিন্ধিও নাযাব?

ঃ না, মই সেইদাল তোকে দিছো। কিন্তু এইডাল ডিঙিত পিন্ধা নহয়. ককালৰ হে দেই।

ঃ এনেকৈ?

মই তাইৰ প্ৰশ্নৰ উত্তৰ এইবাৰ নিদিলো। ওঁঠৰ প্ৰসাধন শেষ কৰি জোৰেৰে বেলটো টিপি দিলো। চাকৰণী জনী অহাত তীক্ষ্ণ স্বৰেৰে তাইকে ক'লে

ঃ ভিনচেনজ' মোৰ চুটকেচবোৰ তললৈ' লৈ যাবলৈ ক।

নাজানো কি কাৰণে, এটা অদ্ভুত ঘটনা মোৰ মনলৈ মূহুৰ্ততে আহি গ'ল। তাৰ কাৰণটোও অদ্ভুত, ঘটনাটো তেনেই সৰু। দুদিনমান আগেয়ে লনত পায়চাৰি কৰাৰ সময়ত মুখত ৰ'দৰ তাপ পাই ভাবিছিলো-

ঃ উস্ ৰ'দটো ইমান যে তপত! সেয়া আছিল গ্ৰীষ্মকাল। সুজানাই যি ধৰণে হালধীয়া ধাতুৰ হাৰডালৰ ফালে মু'কৰি আছে, তাকে দেখিয়েই ঘটনাটো মোৰ মনলৈ আহিল। লনত পায়চাৰি কৰাৰ সময়ত থ্ৰৰ্ম'মিটাৰ ক্ৰমবৰ্দ্ধমান সংখ্যাৰ পৰিৱৰ্তে ইন্দ্ৰিয়ৰ সহায়ত গম পাইছিলো সেয়া যে গৰমকালি। একেদৰেই সুজানাক হাৰডাল দিয়াৰ আগেয়েই তাই সেইডালৰ সৌন্দৰ্য্য "আৱিষ্কাৰ" কৰিছে। ........বহুকাল যে পাৰ হৈ গ'ল মই ইন্দ্ৰিয়জাত একো অনুভূতি পোৱা নাই, হয়তো কোনো বস্তুৰ গভীৰতালৈ ধীৰে ধীৰে সোমাই যোৱা নাই!! কিন্তু সুজানাই মোক এতিয়া কয়ঃ তই মোক ভিক্ষাৰীৰ দৰে ব্যৱহাৰ কৰিলি, যেন মই তোৰ ওচৰত ভিক্ষা মাগিবলৈহে আহিছো। এটা কথা সচাঁ যে তোৰ ওচৰলৈ মই এটা বস্তু চাবলৈ আহিছো। কিন্তু একো পোছাক পাতিৰ কথা নহয় দেই।

লাহে ধীৰে মই ক'লো

ঃ চা মোৰ সময় নাই। এয়াৰপৰ্ট যাবলৈ গাড়ীখন ৰৈ আছে।.....

ঃ কথাটো খুব জটিল আৰু দীঘল হ'লেও মই তোক সংক্ষেপতেই ক'ম। তই জনা ভীষণ দৰকাৰ......

দৰজাখন পোৱাৰ ওচৰৰ পৰাই মই চিঞৰি ক'লো-

ঃ মোৰ যে সময় নাই তই কথাটো বুজি নাপাৱ নেকি?

মই গুছি আহিলো। সুজানা চিৰিবোৰৰ ওচৰত মোৰ কাষতে ৰ'ল।

ঃ তই জনা দৰকাৰ যে কেইমাহমান আগেয়ে এজন অসাধাৰণ ৰূপৱান যুৱক মই লগ পাইছিলো আৰু সি মোৰ প্ৰেমত পৰিল।



ঃ তাত মোৰ কি আহে যায়?

ঃ সি যে মোৰপ্ৰেমত পৰিছে, তাৰ কাৰণ সি তোক ভাল পায়।

ঃ বিস্ময়কৰ!

ঃ অলপ ভাবি চা। তাৰলগত মই ....... কেনেকৈযে কওঁ? ....... তোৰ একধৰণৰ বদলি বুলিবও পাৰ! তাৰমতে তোৰ লগত তাৰ সম্পৰ্ক আছিল। তাৰ পাছত তই তাক প্ৰত্যাখান কৰিছ। গতিকে সি এতিয়া মোৰ জৰিয়তে তোক ভাল পাবলৈ বিচাৰিছে- কাৰণ তই মই বঁজা। মোৰ কোনো প্ৰব্লেম নাই। সি যে ইমান ধুনীয়া......... তদুপৰি তই ভালপোৱা মানুহটোক পাবলৈ মোৰ হলে খুবেই ইচ্ছা।

ঃ তোৰ কাৰণে ভালেই! ভাল কাম কৰিছ। শুন, মই সেই হাৰডাল যেনেদৰে তোক উপহাৰ দিছো, মানুহটোকো দিছো। তাক ল, আৰু মস্তি কৰ।

ঃ তাৰ নাম বেন- এজন জাৰ্মান।

মোৰ সময় নাছিল হাতত, গাড়ীখন মোৰ বাবে ৰৈ আছে। মোৰ মগজুত মাথো উৰাজাহাজৰ আৱাজ, মোক নিবলৈ যেন ৰৈ আছে। সুজানাক সাৱটি ধৰি ব্যগ্ৰভাৱে ক'লো-

ঃ বিদায় তোৰ বেনক লৈ সুখী হ।

ঃ তই ক'ব লাগিছিল 'তোৰ' বেন বুলি।

মুখ ঘূৰাই মই গাড়ীত উঠিলো। মোৰ হয়তো গম্ভীৰ বুদ্ধিগত চিন্তা থকা উচিত আছিল। হয়তো সুযোগো আছিল। কিন্তু সময় যে নাছিল হাতত! ●

# একক

**মূল ঃ চালিম আগা কাঝিলবাশ (উৰ্দু)**
**অনুবাদ ঃ বিজয় শংকৰ বৰ্মন**

(লিখক পৰিচিতি ঃ ১৯৫৬ চনত লাহোৰত জন্মগ্ৰহণ কৰা চালিম আগা কাজিলবাশে পাঞ্জাৱ বিশ্ববিদ্যালয়ৰ পৰা উৰ্দুত এম,এ কৰে আৰু ১৯৯৬ চনত এই বিশ্ববিদ্যালয়ৰ পৰা পি,এইচ,ডি লাভ কৰে। চুটিগল্পৰ ভাল লিখক হিচাপে খ্যাতি অৰ্জন কৰা কাঝিলবাশৰ গল্পবোৰ ৰাজনৈতিক আৰু সামাজিক অস্থিৰতাৰ বাবে সৃষ্টি হোৱা পৰম্পৰা আৰু সাংস্কৃতিক ৰূপান্তৰৰ প্ৰতিফলন। পাকিস্থানত বাস কৰা এই লিখকজনৰ ইতিমধ্যে এখন লঘু ৰচনা সংকলন আৰু দুখন গল্প সংকলন প্ৰকাশ হৈছে। এইগল্পটো তেওঁৰ 'একাই' গল্পৰ অনুবাদ।)

জৰ জীৱনকো তুচ্ছজ্ঞান কৰি তুলিবলৈ ধৰা ছোৱালীজনীক বচাবলৈ সি আপ্ৰাণ চেষ্টা চলালেঃ কিন্তু নিথৰ দেহটো পাৰলৈ দাঙি অনাৰ পিছতহে সি গম পালে, তাই ইতিমধ্যে শেষ নিশ্বাস পেলাইছিল।

সি হত্যাকাৰী সাব্যস্ত হ'ল। কিয়নো ছোৱালীজনীক উদ্ধাৰ কৰিবলৈ যোৱাৰ সময়ত কোনেও তাক দেখা নাছিল। মানুহবোৰে ভাবিলে, তাইৰ প্ৰতি থকা পুৰণা কিবা আখেজৰ বাবে সি তাইক বুৰাই মাৰিলে। এনে বিভিন্ন বিচাৰ বিবেচনাৰ অন্তত মুখীয়ালজনে এটা সমূহীয়া ৰায় দিলে। কোৱা হ'ল, সি তাৰ হাতদুখন কাটি পেলাব নে ভৰি দুখন, নে চকুদুটাই উলিয়াই আনিব, এই বিষয়ে সিদ্ধান্ত লোৱাৰ বাবে তাক স্বাধীনতা দিয়া উচিত। এই তিনিটা বিকল্পৰ মাজৰ পৰা তাৰ পছন্দ বাচি দিবলৈ কোৱা হ'ল। লগতে এইটোও কোৱা হ'ল যে পুবে ঢলফাট দিয়াৰ সময়লৈ যদি তেনে কৰিবলৈ অসমৰ্থ হয় তাৰ শিৰচ্ছেদ কৰা হ'ব।

এন্ধাৰ কুঠৰীটোত বন্দী কৰি সিহঁত যেতিয়া আঁতৰি গ'ল, কেইটামান দীঘল উশাহেৰে সি তাৰ মানসিক স্থিৰতা ঘূৰাই পোৱাৰ চেষ্টা কৰিলে। সি যে এতিয়া ভীষণ গুৰুত্বপূৰ্ণ সিদ্ধান্তটোত উপনীত হ'ব লাগিব। মাত্ৰ এটা ভুল চিন্তাই তাক লৈ যাব পাৰে বিপৰ্যয় আৰু ধ্বংসৰ চৰম উপত্যকালৈ। তাৰ ভাব হ'ল - গোটেই শৰীৰটো যেন কঠিন হৈ পৰিছে। কামিহাড়ৰ ভিতৰত বিহ্বলভাৱে বাজিবলৈ আৰম্ভ কৰিছে। বন্দী হৃদযন্ত্ৰই ভাঙি গুড়ি কৰি দিব দেৱালখন আৰু পলাই যাব এইমূহৰ্ততে। সি অনুভৱ কৰিলে, কুঠৰীটোৰ চুক-কোণৰ পৰা চেঁচুকীয়া স্তুপ এটা কম সন্তৰ্পনে তাৰ ফালে আগুৱাই আহিছে। ক্লান্তিত লেবেজান হৈ সি নলখাগৰিৰ পাটীখনত ঢলি পৰিল।

কিন্তু, হাত দুখন অস্থিৰভাৱে মোহাৰি সি আকৌ উঠি বহিল। এনেকুৱা এটা উদ্ভট ৰায় দিয়া হ'ল কিয়? মুখীয়ালে তাক দোষী সাব্যস্ত কৰিছে, গতিকে শাস্তিৰ দায়িত্বও তেওঁৰ আছিল। হ'ব পাৰে, সিহঁতে মোক ময়ে হত্যা কৰাতো বিচাৰিছে! প্ৰতিশোধৰ কেনে ভয়ানক পন্থা! এয়াতো কৃতঘ্নতা - জঘন্য ষড়যন্ত্ৰ। প্ৰথমবাৰৰ বাবে সি উপলব্ধি কৰিলে - নিজৰ কাৰণে শাস্তি পচন্দ কৰাতো কেনে আতঙ্কজনক।

প্ৰথমে তাৰ চকুদুটাই ডুবিবধৰা ছোৱালীজনীক দেখা পাইছিল আৰু ভৰি দুখন স্বয়ংক্ৰিয়ভাৱে দৌৰি গৈছিল নদীখনলৈ। হাত দুখনে তাইক খাপ মাৰি ধৰিছিল আৰু পাৰলৈ দাঙি আনিছিল। ক'বলৈ গ'লে, তাৰ চকু, ভৰি আৰু হাত - আটায়ে দায়ী কামটোৰ বাবে। কিন্তু, নেতৃত্ব লৈছিল কোনে? চকু দুটাই নিশ্চয় নহয়! ভৰি দুখনে নে কি বাৰু? হয়তো হাত দুখনে? কোন দায়ী আছিল এই কৰ্মৰ বাবে? হয়, নিশ্চিতভাৱে চকু দুটাই কিয়নো ইহঁতেই তাক এই মৃত্যুগহ্বৰলৈ ঠেলি দিলে।

কিন্তু, চকুদুটা অসহায় আছিল। সিহঁতো ঘটনাটোৰ প্ৰত্যক্ষদৰ্শী। ভুল কৰিছিল ভৰি দুটাই - এই ঝামেলাটোলৈ সিহঁত দৌৰি আহিছিল।

পিছে নহয়, প্ৰকৃততে কামটো কৰা হৈছিল হাত দুখনৰ দ্বাৰা যদি চকু আৰু ভৰিয়ে ভুল কৰিছিল, হাত দুখনে ইয়াত সহযোগ কৰা উচিত নাছিল। সিহঁত সঠিক সময়ত থমকি ৰোৱাহেঁতেন, সি মৃত্যুপ্ৰস্তুতিৰ এই কঠিন মুহূৰ্তবোৰৰ অতিক্ৰম কৰিব নালাগিলহেঁতেন। কিন্তু ভাবিবলৈ সময় নাছিল তাৰ। ভিতৰৰ ক'ৰবাৰ পৰা সি আদেশ পালে আৰু তৎমূহৰ্ততে জপিয়াই পৰিল নদীত। কোনে দিছিল তাক এই আদেশ?

পাৰ হৈ যোৱা প্ৰতিটো মূহুৰ্ত আৰু বুকুৰ আনুষঙ্গিক শব্দই লাহে লাহে ৰাতিপুৱাৰ ফালে আগবঢ়াই নিলে তাক। জীৱনত প্ৰথমবাৰৰ বাবে পোহৰৰ আগমনৰ প্ৰতি তাৰ ঘৃণা উপজিল। ভিতৰখন এনে এটা মহাপ্ৰলয়ৰ বাবে প্ৰাৰ্থনাত কাতৰ হৈ উঠিল - যিয়ে পোহৰৰ কোনো কণাকে প্ৰবেশ কৰিবলৈ নিদিব আৰু গোটেই পৃথিৱী এন্ধাৰে ঢাকি ৰাখিব।

ৰাতিৰ প্ৰহৰৰ অন্ত পৰিল। মনতে কৰা বহু বিশ্লেষণৰ শেষত সি থিৰাং কৰিলে - ভৰি দুখনৰ প্ৰতিয়ে কঠোৰ হ'ব। সি যি কি নহওঁক, কোনোমতে সিদ্ধান্ত এটাত উপনীত হোৱাৰ পিছত সি গম পালে প্ৰবল তৃষ্ণাই তাক আগুৰি ধৰিছে। কুঠৰীটোৰ চুক এটাত দুটা ইটাৰ ওপৰত থিয় হৈ থকা লেতেৰা কলহটোৰ ফালে আগবাঢ়ি যাবলৈ সি প্ৰস্তুত হ'ল। কিন্তু, লগে লগে তীব্ৰ বিষ এটা ভৰিপতাৰ পৰা সিৰসিৰাই বগাই আহিল। সমস্ত শৰীৰতে ই বিয়পি পৰিল। তাৰ পিয়াহ হেৰাই থাকিল।

নলখাগৰিৰ পাটীখনলৈ উভতি গৈ সি বহি পৰিল। ভৰিদুখনৰ ওপৰত মৰমেৰে হাত বুলাই থাকিল কিছুপৰ। ইহঁত অবিহনে জীৱনৰ কথা



দ্বিতীয় প্ৰহৰৰ আধা সময় পাৰ হোৱাৰ পিছতো সি পচন্দৰ এই চক্ৰবেহুত দিশহাৰা হৈ ৰ'ল। ভাবিলে - হাত দুখনৰ প্ৰতিয়ে দাৰুণ হ'ব। মনলৈ এনে এজন মানুহৰ চলছবি আহিল - যিয়ে ভাৰসাম্য ৰক্ষণৰ কোনো সামগ্ৰী নোহোৱাকৈ টনটনীয়া ৰচী এডালৰ অতিক্ৰম কৰিবলৈ চেষ্টা কৰিছে। তলৰ গভীৰ খাদত নানা বিষধৰ সৰ্পই চিকাৰৰ উদ্দেশ্যে গ্ৰন্থিত বিষ জমা কৰি আছে। দীঘল দীঘল কাইটীয়া শুঁ‌ড়বোৰ ঘূৰাই বৃশ্চিকবোৰে বগুৰা বাই ফুৰিছে। তাৰ ওপৰত হিংস্ৰ হৈ উঠিছে।

ভাবি উশাহহীন হোৱাৰ উপক্ৰম হ'ল। খোজ এটা দিবলৈও পেং। আহঃ। নিজৰ ভৰিত থিয় হ'ব নোৱাৰাজন ভেটি নথকা অট্টালিকাৰ দৰে - জহি খহি যোৱাতো নিশ্চিত।

দ্বিতীয় প্ৰহৰৰ আধা সময় পাৰ হোৱাৰ পিছতো সি পচন্দৰ এই চক্ৰবেহুত দিশহাৰা হৈ ৰ'ল। ভাবিলে - হাত দুখনৰ প্ৰতিয়ে দাৰুণ হ'ব। মনলৈ এনে এজন মানুহৰ চলছবি আহিল - যিয়ে ভাৰসাম্য ৰক্ষণৰ কোনো সামগ্ৰী নোহোৱাকৈ টনটনীয়া ৰচী এডালৰ অতিক্ৰম কৰিবলৈ চেষ্টা কৰিছে। তলৰ গভীৰ খাদত নানা বিষধৰ সৰ্পই চিকাৰৰ উদ্দেশ্যে গ্ৰন্থিত বিষ জমা কৰি আছে। দীঘল দীঘল কাইটীয়া শুঁ‌ড়বোৰ ঘূৰাই বৃশ্চিকবোৰে বগুৰা বাই ফুৰিছে। তাৰ ওপৰত হিংস্ৰ হৈ উঠিছে। মতিভ্ৰষ্ট মানুহৰ দৰে সি শৰীৰৰ পৰা এই বিকটিনা লগোৱা প্ৰাণীবোৰ আঁতৰ কৰিবলৈ চেষ্টা কৰিলে।

তেতিয়াই সি হাত দুখনৰ প্ৰতি কঠোৰ হোৱাৰ বিষম সিদ্ধান্তৰ মৰ্মাৰ্থ বুজি পালে। এনে ভয়ানক অৱস্থাৰ কথা কল্পনা কৰি সি সিদ্ধান্তটোৰ পৰা পিছুহুঁকি আহিল। হাত অবিহনে কিমান অসহায় আৰু পৰাধীন হয় মানুহ! জীৱনৰ কোবাল নদীত হাতে ধৰি ৰাখে অস্তিত্ব নাৱৰ ব'ঠা। তাৰ বাবে হাত দুখন, দুখন কাগজ য'ত লিখা আছে তাৰ ভৱিষ্যত। হাত নাথাকিলে ৰুটিত একামোৰ মাৰিবলৈ অথবা এটুপি পানীৰ বাবেও আনৰ কৰুণাৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব। তেন্তে বোন্দা কেঁচুতকৈও চোন তাৰ মানদণ্ড নিম্ন হৈ যাব।

সি যেতিয়া চকুদুটাৰ ওপৰত সিদ্ধান্ত ল'লে, তৃতীয় প্ৰহৰ শেষ হ'বলৈ অলপ বাকী। সকলোধৰণৰ বিচাৰ বিবেচনাৰ অন্তত সিদ্ধান্তটো লোৱা হৈছিল। সি চিন্তা কৰিলে, হাতেৰে খেপিয়াই হ'লেও জীৱনটো কেনেবাকে পাৰ কৰিব পাৰিব। লাঠী এডালে তাক খাদ নাইবা গাঁতৰ পৰা ৰক্ষা কৰিব; নহ'লে জীৱন যাত্ৰাটোৱে আন কাৰোবাৰ হাতত ধৰি পাৰ হৈ যাব - অন্ততঃ বাহ্যিক শৰীৰটো নষ্ট নোহোৱাকৈ ৰাখিব পাৰিব। এনেয়ো চকু যিকোনো মুহূৰ্ততে বেয়া হৈ যাব পাৰে; পাপ, আশা, হেঁপাহ, আকাংক্ষা আদিবোৰ চোন এই দুখন খিৰিকিৰেহে হৃদয়ত প্ৰবেশ কৰে। চকুৰ পোহৰ হৃদয়ৰ আলোকৰ ওচৰত তেনেই নিষ্প্ৰভ।

অৱশেষত, নিজৰ যুক্তিত প্ৰতীয়মান হৈ এটা বিনিদ্ৰ নিশাৰ অন্তত সি তাৰ চকুহাল মুদি দিলে আত্মসন্তুষ্টিত। সম্ভৱ সি টোপনি গৈছিল। চৰাইবোৰৰ কিচ্‌মিচনিত তাৰ চকুপতা খোল খালে। সন্মুখৰ উকা দেৱালখনলৈ একেধিৰে চাই ৰ'ল সি। কিন্তু, চেতনা ঘূৰাই পোৱাৰ লগে লগে তীব্ৰ হেঁপাহ এটাই তাক জুমুৰি ধৰিলে। যেন্দ্ৰজালিৰ মূহুৰ্তটো প্ৰত্যক্ষ কৰাৰ হেঁপাহ। তন্ময় হৈ সি ভৰি দুখন কোঠাটোৰ একমাত্ৰ খিৰিকিখনৰ ফালে চোঁচৰাই নিলে। পদাগ্ৰত থিয় হৈ বাহিৰলৈ চাই ৰ'ল। কিমানযে মৰ্মান্তিক আছিল সেই দৃশ্য! তাৰ চকুত তেতিয়া বগলী পাখিৰ ঢকঢকীয়া জিলিকনি। সমগ্ৰ সত্বা চকুৰ খিৰিকিত থৰ লাগি ৰ'ল। কেইটামান মূহুৰ্ত পাৰ হ'ল। যেন কোনোবাই চিক্‌মিক মুদ্ৰা কেইটামান নিক্ষেপ কৰিছে সিহঁতলৈ। আৰু ঠিক সেই মূহুৰ্ততে সি উপলব্ধি কৰিলে জীৱনৰ এনে বৰ্ণময়তা অবিহনে জীয়াই থকা, তাৰ পক্ষে সম্ভৱ নহ'ব। লোৰ দুডাল ৰঙা শলা চকুহালৰ ফালে আহি থকা যেন ভাৱ হ'ল তাৰ। সি ভয়তে আৰ্তনাদ কৰি উঠিল। মজিয়াত বহি হাত দুখনেৰে চকুহাল ঢাকি কৰুণভাৱে উচুপিব ধৰিলে। আৰু যেতিয়া চকুপানী শেষ হ'ল, সি অনুভৱ কৰিলে, কিবা এটা বগাই উঠিছে তাৰ শৰীৰত। ব্যাখ্যাতীত সিৰসিৰনি এটাই মুঠি মাৰি ধৰিলে তাক। এনে লাগিল যেন কোটি কোটি পোকে তাৰ শৰীৰত বগুৱাব ধৰিছে আৰু কেইটামানে ডিঙিত সোপা দিছে। কপালেদি ঘামৰ জোল বৈ গ'ল, ডিঙিৰ সিৰাবোৰ দৃঢ় হৈ পৰিল আৰু তাৰ সমস্ত দেহ নিঃসাৰ হৈ ৰ'ল। আৰু তেতিয়া কোনো এজনে কুঠৰীৰ শেঁতা লোৰ দুৱাৰখন জোৰেৰে খুলি দিলে। দুৱাৰখন বিবত কেঁকাই উঠিল। গধুৰ বুটজোতাৰ শব্দই বিদীৰ্ণ কৰি দিলে কোঠাৰ নিতাল মজিয়া। ন্যায়ৰ সেই অপৰাধীহঁতৰ কুটিল চকুৱে দেখা পালে - খিৰিকিখনৰ তলত মানুহ এটা জুপুকা মাৰি বহি আছে। চকুদুটা আঁঠুৰ মাজত লুকুৱাই ভৰিদুখন হাত দুখনেৰে জোৰেৰে ধৰি সেমেকা শৈলমজিয়াত সি বহি আছে গতিহীন, অসংবেদনশীল, নিঃস্পন্দ এটা সমষ্টি হৈ - মম হৈ যোৱা যাৰ, সমগ্ৰ অঙ্গ-প্ৰত্যঙ্গ একো একোটা পৰিপূৰ্ণ আৰু অবিচ্ছিন্ন একক। ●

# খিৰিকী মুখৰ আলহী

গুণীন শইকীয়া,
স্নাতক ২য় বৰ্ষ (অসমীয়া বিভাগ)

খিৰিকীখন মেলি দিলেই মতলীয়া বতাহজাকে তাৰ দুৰ্বাৰ শক্তিৰে কোঠাটোৰ ভিতৰলৈ সোমাই আহে। নিৰ্লজভাৱে চুই যায় তাইৰ তুলাসম কোমল দেহতো। কেতিয়াবা কামনাৰ উচ্ছ্বাসত বতাহজাকে তাইৰ আঁচলখনো উৰাই লৈ যাব বিচাৰে। ক'ৰপৰা বাৰু আহে বতাহজাক। প্ৰতিদিনাই যেন সিহঁতে অপেক্ষাৰত হৈ থাকে তাই খিৰিকীখন খোলালৈকে আৰু খিৰিকীখন খোলাৰ লগে লগেই অপেক্ষাৰ সীমা চেৰাই তাইক দি যায় এটি মৃদু স্পৰ্শ। যাৰ স্পৰ্শত ভৰি পৰা মূৰলৈ বৈ যায় এক শিহৰণ। শিহৰণৰ সজাগতাত আৰম্ভ হয় কৰ্মব্যস্ততা। খিৰিকীখনৰ পৰাই আৰম্ভ হয় জোনাকীৰ দৈনন্দিন জীৱন। প্ৰতিটো ঋতুৰ সলনিৰ দৰেই সলনি হয়। খিৰিকীমুখৰ আলহী বতাহজাক। শৰতত শেৱালি, শীতত কুঁৱলি, আৰু বসন্তত তগৰ ফুলৰ গোন্ধই বতাহ জাকক নব্যতা প্ৰদান কৰে।

জোনাকীৰ বাবে খিৰিকীৰ বাহিৰৰ পৃথিৱীখন বেছিদিনৰ চিনাকি নহয়। দেউতাক ৰাধাকৃষ্ণই এই পাহাৰীয়া অঞ্চলটোত ঘৰটো সজোৱাৰ আজি মাত্ৰ পাঁচ বছৰমান হৈছে। এই পাঁচ বছৰত তাই খিৰিকীখনেৰে কিমান যে মানুহ দেখি আহিছে তাৰ হিচাপৰ অন্ত নাই। মাথো এখনি মুখৰ বাহিৰে বাকী কাৰোৰে মুখ জোনাকীয়ে স্পষ্টকৈ মনত পেলাব নোৱাৰে। সকলো মুখ অস্পষ্ট বিবৰ্ণ হৈ যায় তাইৰ স্মৃতিৰ পটত। দেউতাক ৰাধাকৃষ্ণই সঠিক ঠাইতেই ঘৰটো নিৰ্মাণ কৰিছে। ঘৰটোৰ সন্মুখেদি পাৰ হৈ যোৱা ৰাস্তাটোৱেদি ওচৰৰ বজাৰখনলৈ অঞ্চলটোৰ প্ৰায়বোৰ মানুহেই যায়। ঠাইডোখৰৰ জনবসতি বেছ ঘন। সিহঁতৰ ঘৰটোৰ সমান্তৰালকৈ আৰু কেইটামান দুই তিনিমহলীয়া ঘৰ আছে। ইয়াৰ মাজে মাজে অনেক সৰু সৰু ঘৰ। ৰাস্তাটোৰ সিটো পাৰে কেইটামান টিনৰ চালিঘৰ। কেইজনমান ক্ষুদ্ৰ ব্যৱসায়ীয়ে ৰাতিটো যাপন কৰিবৰ বাবে অস্থায়ীভাৱে বনাই লৈছে যদিও ই সংৰক্ষিত এলেকাৰ ভিতৰত পৰে। সেই ঘৰকেইটাৰ কোনোবা এটাতেই থাকে জোনাকীৰ মানস পটত স্পষ্টভাৱে দেখা পোৱা সুঠাম, সুযুগল এটি পুৰুষ মূৰ্তি। সেই মূৰ্তিটোক তাই দিনত এবাৰ হলেও দেখিছিল। নেদেখিলেও তাক চাবৰ বাবে মনে মনে পৰ্দাৰ ফাঁকত জোপ লৈছিল। কিন্তু তাই সদায়ে সচেতন আছিল কাৰোবাৰ দৃষ্টিত ধৰা নপৰাৰ বাবে। এনেদৰে পৰ্দাৰ ফাঁকেৰে জোপলৈ থাকোঁতে কৰিড'ৰত কাৰোবাৰ আগমনৰ পদশব্দ শুনা পালে তাই সন্ত্ৰস্ত হৈছিল আৰু চোফাৰ কাপোৰ ঠিক কৰাৰ চলেৰে আগন্তুকৰ পৰা হাত সাৰি গৈছিল। মানুহজনক চাবলৈ উদ্বাউল হৈ থকা অৱস্থাত যদি কেতিয়াবা মাক ইন্দ্ৰানীয়ে, "জোনাকী, দেউতাৰাক চাহ কাপ দি আহগৈ" বুলি পাকঘৰৰ পৰা মাতিছিল, জোনাকীৰ খং উঠি গৈছিল। মুখতে মাথো ভোৰভোৰাই কৈছিল, "এতিয়াহে পালে মাতিবলৈ" তথাপিও বাধ্য হৈ তাই দৌৰ মাৰিছিল ল'ৰালৰিকৈ দেউতাকৰ বাবে চাহকাপ আনিবলৈ। দেউতাক ৰাধাকৃষ্ণই সেই সময়ত হয়তো বাতৰি পঢ়াত ব্যস্ত থাকে। তাই দেউতাকৰ কাষতে থকা টেবুলখনত চাহকাপ দি পুনৰ কোঠালৈ গৈছিল। ইচ্ছা কৰিলে তাই দেউতাকৰ ওচৰতে থাকি বেলকনিৰ পৰাই ঘৰটোলৈ লক্ষ্য ৰাখিব পাৰে কিন্তু দেউতাকৰ দৃষ্টিত ধৰা পৰি যোৱাৰ শংকাই তাইক পুনৰ কোঠাৰ আৱদ্ধতালৈ লৈ যায়, মাথো খোলা থাকে খিৰিকীখন যিখন খিৰিকীয়েদি সোমাই আহে তাইৰ মনৰ আলহীজন। ঠিক দহমান বজাত ডেকাজন ঘৰটোৰ পৰা ওলাই দৈনিক বজাৰখনৰ ফালে খোজ লয়। জোনাকীৰ মনটোৱেও তেওঁৰ ছাঁয়াটোৰ দৰে পিছে পিছে খেদে। ক'লৈবা গৈছে তেওঁ, নাম বা কি? আৰু ঘৰত কোন কোন আছে আদি অজস্ৰ প্ৰশ্নই তাইক উৎকণ্ঠা জগায়। ধুমুহাৰ পিছৰ বৰষুণৰ দৰে সেই উৎকণ্ঠাত কিছুসময়ৰ বাবে বিষণ্ণও হৈ পৰে। ডেকাজন ওলাই যোৱাৰ পিছত আৰু জোনাকীয়ে খিৰিকীখনৰ ওচৰলৈ যাবলৈ প্ৰয়োজন বোধ নকৰে। কিয় বাৰু তাইৰ ডেকাজনৰ প্ৰতি ইমান দুৰ্বলতা? কি দেখা পাইছিল তেওঁৰ গাত? মাত্ৰ সিদিনা দেউতাকৰ লগত আবেলি বজাৰলৈ যাওঁতে বজাৰত দেখা পাইছিল তাক। মানুহৰ জুমৰ মাজেৰে বাট উলিয়াই দেউতাকৰ পিছে পিছে যাওঁতে তাই আৱিষ্কাৰ কৰিছিল এখন গোলাৰ পৰা সেই ডেকাজনে তাইক চাই আছিল। জোনাকীয়ে নিজকে সংযত কৰিবলৈ বুকুৰ ওৰনাখন ওপৰলৈ উঠাই ল'লে। তথাপিও ডেকাজনৰ দৃষ্টি ভ্ৰষ্ট হোৱা নাই। জোনাকীয়ে এবাৰ মূৰ তুলি ডেকাৰ চকুৱে চকুৱে চালে। তেওঁৰ চকু দুটা আৰু তিৰ্‌বিৰাই উঠিল। জোনাকীৰ ভৰিৰ বুঢ়া আঙুলিলৈকে এটা মৃদু শিহৰণ বৈ গ'ল। দেউতাকৰ পিছে পিছে জোনাকীয়ে গোটেই বজাৰখন এপাক ঘূৰিলে। প্ৰথমে মাছৰ বজাৰৰ পিনে, তাৰ পৰা শাক-পাচলিৰ বজাৰ হৈ গেলামালৰ দোকান পায়হি মানে বজাৰৰ প্ৰায়বোৰ দোকানীয়ে নিজৰ বিজুলী বাতিবোৰ জ্বলাই লৈছিল। হেল'জেন লাইটৰ পোহৰে সকলোকে বিৱৰ্ণ শেঁতা কৰিলে যেন কোনোবা বেপাৰীয়ে বজাৰত বিক্ৰিৰ বাবে ৰাতিপুৱাই অনা মৰিছা শাকহে। গোটেই বজাৰখন ঘূৰি ৰাধাকৃষ্ণ বৰুৱাই গোলাখনৰ ফালে আগবাঢ়ি গ'ল। জোনাকী প্ৰথমে শংকিত হৈছিল। কিন্তু যেতিয়া ডেকাজনে "বৰুৱা ছাৰ আহক" বুলি আদৰণি

সম্ভাষণ জনালে তেতিয়া নিঃসংকোচে জোনাকীয়েও দেউতাকৰ সতে খোজ আগবঢ়ালে, তাৰ মানে ইমান সময় তাইৰ মনত হেন্দোলনি দি থকা ডেকাজনে তাইৰ দেউতাকক ভালকৈ জানে।

ঃ "ছাৰ কি দিম ? অই পোৱালি ছাৰৰ কাৰণে তামোল এখন আৰু বাইদেউৰ বাবে চফ দুটামান লৈ আহ।" ডেকাজনে একে লেথাৰিয়ে কথাখিনি কৈ আন মাল বস্তু দি থকা গ্ৰাহকক সোনকালেই আজৰি কৰি বিচাৰিছিল। কিন্তু সময়ৰ লগে লগে মানুহৰ ভিৰ বাঢ়িহে গৈছিল। বৰুৱাই এটাৰ পিছত এটাকৈ বস্তুৰ তালিকা দি গ'ল। ডেকা দোকানীজনে এপদ এপদ বস্তু দি বিজুলীৰ দৰে মাজে মাজে মূৰ তুলি তাইৰ ফাললৈ লক্ষ্য কৰিছিল। প্ৰথম ঢেৰেকণিৰ পিছত দ্বিতীয় ঢেৰেকণিৰ বাবে সচেতন হৈ থকা লোকৰ দৰে জোনাকীয়ে নিজৰ মনটো সৰল কৰি লৈছিল আগন্তুক চাৱনিবোৰৰ বাবে।

তামোল আনিবলৈ যোৱা ল'ৰাটোৱে তামোলৰ টোপোলাটো বৰুৱাৰ ফালে আগবঢ়াই দিলে। আৰু লগে লগে চফৰ প্লেটখনো জোনাকীৰ ফালে আগবঢ়াই দিলে। জোনাকীয়ে তাইৰ লিহিৰি আঙুলি কেইটাৰে এটা টিপা মাৰি চফ ল'লে। তাই আচৰিত হ'ল দোকানীজনে তেওঁলোকৰ ওপৰত কৰা আচৰণ দেখি, তেওঁলোকৰ দৰেই অনেক গ্ৰাহকও আহিছিল তেওঁৰ দোকানলৈ, অথচ তেওঁলোকৰ প্ৰতি এই ভিন্ন আচৰণ। হয়তো তাই বাংগালোৰত থকা সময়ত গোলাখনৰ মানুহজনৰ লগত দেউতাকৰ এক সুসম্পৰ্ক গঢ়ি উঠিছে।

সন্ধিয়াই ৰাতিলৈ পৰিবৰ্তন হোৱাৰ আগে আগে বজাৰৰ পৰা প্ৰায় মানুহবোৰ ঘৰাঘৰি যাবলৈ আৰম্ভ কৰিছে। কোনোৱে পলিথিনৰ কেৰিবেগত শাক-পাচলি আৰু কোনোৱে মাছ-মাংস ভৰাই লৈছে। ৰং-বিৰঙৰ কুকুৰাৰে ভৰি থকা কুকুৰা খাং বিলাকৰ মাজত বহি কুকুৰা বেপাৰী কেইজনে দিনটোৰ হিচাপ নিকাচ কৰাত ব্যস্ত হৈছে। মুঠতে বিক্ৰেতাৰ মালবস্তু উদং হৈছে আৰু ক্ৰেতাৰ জেপ উদং হৈছে। কিন্তু জোনাকীৰ মনত ডেকা-দোকানীজনৰ চিন্তাই ভৰি পৰিছে। জোনাকী আৰু বৰুৱা ঘৰমুৱা হ'ল। ঘৰ পাই তেওঁলোকে মন কৰিলে দোকানীজনৰ তাত তেওঁলোকৰ এটা বস্তুৰ টোপোলা থাকি আহিল। বৰুৱাই পুনৰ বজাৰলৈ যোৱাৰ আগ্ৰহ নেদেখুৱালে।

ৰাতি ন মান বাজি গৈছে, এনেতে তেওঁলোকৰ ঘৰৰ কলিং বেলটো বাজি উঠিল। বৰুৱাই দুৱাৰখন খুলি, "অ' তুমি" বুলি উচ্চাৰণ কৰিলে।

ঃ "ছাৰ অথনি আপুনি এই টোপোলাটো এৰি আহিল। মই বোলো ঘৰলৈ যাওঁতে সোমাই দি যাম বুলি আহিলো।"

বৰুৱাই "অ' ভালেই কৰিলা, অকণমান বহাচোন" বুলি কৈ ইন্দ্ৰানীক মাতিলে। ইন্দ্ৰানীয়ে তেতিয়া জীয়েক জোনাকীৰ লগত পাকঘৰত কাম কৰাত ব্যস্ত আছিল। সেয়ে জোনাকীকেই পঠাই দিলে। জোনাকীয়ে ড্ৰয়িং ৰুমলৈ আহি ডেকা দোকানীজনক দেখি হতভম্ব হ'ল যদিও দেউতাকৰ আগত একো ফুটাই নেদেখুৱালে। জোনাকীয়ে এইবাৰ ডেকাজনৰ চকুলৈ দৃষ্টি নিক্ষেপ কৰিলে। তাইৰ দৃষ্টিত ম্লান পৰি ডেকাজনে তলমূৰ কৰিলে। জোনাকীয়ে কিন্তু তৃষ্ণা ভৰা চকুৰেই চাই থাকিল। এইখিনি ইমান কম সময়ৰ ভিতৰতেই ঘটি গ'ল যে ৰাধাকৃষ্ণ বৰুৱাই একো তৰ্কিবই নোৱাৰিলে। " জোনাকী এইটো ভিতৰলৈ লৈ যা আৰু এওঁৰ বাবে চাহৰ ব্যৱস্থা কৰগৈ" বুলি বৰুৱাই ক'লে আৰু জোনাকীয়ে কোনো উত্তৰ দিয়াৰ পূৰ্বেই ডেকাজনে "নাই নালাগে, মোৰ দেৰিয়েই হ'ব" বুলি কৈ প্ৰায় বহাৰ পৰা উঠি পৰিল। বৰুৱাই আৰু এবাৰ অনুৰোধ কৰিছিল যদিও "নাই পিছে পৰে খাম" বুলি কৈ যাবলৈ ওলাল আৰু বৰুৱাইও বেছি জোৰদি নধৰিলে।

ডেকাজনে চাহ নোখোৱাকৈ যোৱাৰ বাবে সিদিনা জোনাকীয়ে নিজকে দোষী যেন জ্ঞান কৰিলে। তাইৰ খিৰিকীমুখৰ আলহীজন সিদিনা তাইৰ ঘৰত সোঁ শৰীৰে উপস্থিত হৈছিল যদিও তাই তেওঁক বহিবলৈ এবাৰ মাত দিব নোৱাৰিলে; হয়তো তাই এবাৰ চাহখাই যাবলৈ কোৱা হ'লেতেওঁ বৈ গ'লাহেতেন। বৰুৱাৰ ঘৰলৈ অহা প্ৰতিজন মানুহকে চোন তাই আদৰে, চাহ জলপানৰ ব্যৱস্থা নকৰিলেও এখন শুদা তামোলেৰে সকলোকে অতিথি আপ্যায়ন কৰে। অথচ এজন মানুহ যিজনে ঘৰ নথকা স্বত্বেও বজাৰৰ এখন গোলাত এজনী অচিনাকী ছোৱালীক চফ দি আতিথ্য প্ৰদান কৰে, এনে এজন মানুহক তেওঁ চাহৰ দূৰৈৰ কথা বহিবলৈও মাত এষাৰ দিব নোৱাৰিলে। এয়া কি তাইৰ অন্তৰত লাহে লাহে গজি উঠা প্ৰেমৰ সেউজ সংকেত নেকি ?

সিদিনা সন্মুখৰ ফুলৰ বাগানখনত পানী দি থাকোঁতে ডেকাজনক ওচৰৰ পৰা দেখাৰ সৌভাগ্য ঘটিছিল জোনাকীৰ। তাই ইচ্ছা কৰা হ'লে সিদিনা তেওঁৰ লগত চিনাকী হ'ব পাৰিলেহেঁতেন। নাই তাইৰ সাহস নহ'ল সেই অচিনাকী আলহীজনৰ নাম জানিবৰ। বাক্‌হীনভাৱেই তেওঁলোকৰ মাজত বহু সময় দৃষ্টিৰ আদান প্ৰদান হ'ল। মাথো-মাজত থাকিল এটা ক'লা সাপৰ দৰে পৰি থকা অকোৱা পকোৱা পকা আলিটো। সেই আলিৰ সিপাৰে থাকে তাইৰ মনৰ আলহীজন। তাই অতিথি পৰায়ণ হৈয়ো আদৰি আনিব পৰা নাই সেই আলহীক।

আজিও জোনাকীয়ে আনদিনাৰ দৰেই আৰম্ভ কৰিব বিচাৰিছিল দিনটো। মনৰ উচ্ছাসত তাই খুলি দিছিল সেই খিৰিকীখন। কিন্তু ! কিন্তু সেই তাইৰ বাবে অপেক্ষাৰত বতাহজাকে খিৰিকীখন খোলাৰ লগে লগে আনদিনাতকৈও এক বেলেগ ধৰণৰ শিহৰণ দি যায় তাইৰ দেহত। এই শিহৰণে ক্ৰমাৎ গভীৰৰ পৰা গভীৰতালৈ গতি কৰি হিয়াৰ গোপন কোণক জোকাৰি গ'ল। আজিৰ সেই আলহী বতাহ জাকত আগৰ দৰে শেৱালি তগৰৰ সুবাস নাই, আছে যন্ত্ৰণাদায়ক কেইটামান ঘেৰেং ঘেৰেং শব্দ। এইয়া কি! কেইবাখনো বৃহৎ বুলড'জাৰে তাৰ দীঘল দীঘল বোৰেৰে শুৰ এফালৰ পৰা ৰাস্তাৰ সিপাৰৰ ঘৰবোৰ ভাঙি যাব লাগিছে। ক্ষন্তেকৰ ভিতৰতেই বতাহবুলিৰ বতাহ কোলাহলেৰে ভৰি পৰিল। এফালৰ পৰা খহি যাব ধৰিলে অবৈধ বেদখলকাৰীৰ ঘৰ। জোনাকীৰ আৰু চাই থকাৰ ধৈৰ্য্য হেৰাই গ'ল। তাই ধাম্‌কৈ খিৰিকীখন জপাই দিলে। আবদ্ধ কোঠাত থাকি তাই মাথো বোবা যন্ত্ৰণাত ধৰফৰাই থাকিল। এফালৰ পৰা খহি গ'ল তাইৰ হিয়াৰ ঘৰখন। ক'লৈ যাব, কি কৰিব তাইৰ খিৰিকীমুখৰ আলহীজন, বুলড'জাৰে উচ্ছেদ কৰাৰ দৰে পাৰিব জানো তাইৰ হিয়াৰ অবৈধ বেদখলকাৰীক উচ্ছেদ কৰিব। তাই খিৰিকীখন জপাই দিলেও জানো আলহীজনৰ বাবে বন্ধহৈ যাব তেওঁৰ আগমণি দুৱাৰ। খিৰিকীমুখৰ আলহী জানো প্ৰস্তৰ বেৰৰ মাজৰ খিৰিকীয়েদি আহে ? আহে মাথো হিয়াৰ অনুভূতিৰ দ্বাৰাহে। ●

# অকাল বৈধব্য, প্ৰেম আৰু একাঁজলি বিৰহৰ পাছত

*আৰুণি কাশ্যপ, উঃ মাঃ ২য় বৰ্ষ (কলা)*

তাই দাপোণখনৰ আগত থিয় দিলে। জোনটোৰ দৰে গোল আৰু উজ্জ্বল মুখখন দাপোনত ভাঁহি উঠে। ভাঁহি উঠে টনা-টনা চকুহাল, ধেনুভিৰীয়া ভ্ৰূযুগল, তিলফুলৰ দৰে নাকটো, আৰু এযোৰ পুৰঠ, ৰঙচুৱা ওঁঠ। দাপোণখনত ভাঁহি উঠে এখনি তেজে ফুটো ফুটো কৰা লাৱনি মুখ। তাই নিজৰ মূৰৰ বগা ওৰণীখন পেলাই দিয়ে। তাইৰ উকা কপালখন, আৰু চুলিৰ মাজত এটা বগা লুংলুঙীয়া নিৰ্জন পথৰ দৰে পৰি থকা উকা সেঁওতাটো দাপোনখনত প্ৰতিফলিত হয়। তাই জানে তাই ধুনীয়া। নিজৰ ৰূপৰ প্ৰশংসা তাই সৰুৰে পৰা শুনিছে। শুনি আহিছে। তাই যেতিয়া মানুহ হৈছিল,তিৰোতাবোৰে কথা বতৰা পতা তাই শুনিছিল। "নৱমী আৰু ধুনীয়া হ'ব।" তাইৰ ভাল লাগিছিল।। মাকহঁতে তাইক বিয়াৰ দিনা পাটৰ কাপোৰ, গহনা-গাঁথৰিৰে সজাই তুলিছিল। ইমান চালে চকুৰোৱাকৈ সাজোন-কাচোন কৰিবলৈ পাই তাইৰ ভাল লাগিছিল। কপালত আঁকি দিয়া সুমথিৰাৰ দৰে গোল আৰু মাৰ যাবলৈ ধৰা বেলিৰ দৰে তেজবঙা ফোঁটটোৱে তাইৰ ৰূপ দুগুণে চৰাইছিল। তাই বাৰে বাৰে চাইছিল সেই ফোঁটটো। "ইমান ধুনীয়া দেখাইছে মোক।" কিন্তু তাই সেই আনন্দৰ উত্তাল জোঁৱাৰত বেছিদিন ডুবি থাকিব নোৱাৰিলে। ফুলতে বাঁৰী হ'ল তাই। মাৰ যোৱা বেলিৰ বৰণৰ তাইৰ ফোঁটটো অকালতে মচ খাই গ'ল। স্বামীৰ স্মৃতি বুলিবলৈ তাইৰ অন্তৰত একো নাই। মাত্ৰ কেইটিমান দিনৰ সংগ পাইছিল তাই। 'স্বামী' কি, সেয়া বুজাৰ আগতেই তাই হেৰুৱাইছিল তেওঁক। তাইৰ জীৱনটো কি যে হৈ গ'ল সেয়া বুজি পোৱা নাছিল। এৰা, বয়সনো কিমান আছিল তেতিয়া? পিছদিনা গা ধুই উঠি চুলিৰ মাজৰ সেওঁতাটোত সেন্দুৰ ল'ব ধৰোঁতে বাধা দি উঠিছিল ডাঙৰ জাকে।

ঃ তুমি আৰু কোনোদিন সেন্দুৰ ল'ব নোৱাৰিবা।

ঃ তুমি আৰু কোনোদিন ফোঁট ল'ব নোৱাৰিবা।

ঃ কি? ফোঁট লব নোৱাৰিম?" দাপোনত নিজৰ উকা কপালখন আৰু শিৰটো দেখি হুকহুকাই কান্দি উঠিছিল তাই। নিজৰ মুখখন, তাইৰ কাতিমহীয়া সন্ধিয়া এটাত চাকি এটাও নজ্বলোৱাকে পেলাই থোৱা নতুনকৈ লিপা তুলসী ভেটি এটাৰ দৰে শেঁতা আৰু বিসদৃশ লাগিছিল। অথচ, এসময়ত তাইৰ কিমান হেপাঁহ আছিল কপালখনৰ সোঁমাজত ঘূৰণীয়াকৈ এটা সেন্দুৰৰ ফোঁট লোৱাৰ, চুলিৰ মাজৰ ধকধকীয়া,বগা সেঁওতাটোত ম'হৰ শিঙৰ কাঁকৈ খনেৰে এসোপা সেন্দুৰ ঘঁহি দিয়াৰ! আহ! কি দুৰ্বিসহ অকাল বৈধব্য ব্ৰত! আৰু তাইৰ সেই শিৰটো? এটা বগা পথৰ দৰে সেওঁতাটো? সি হৈ পৰিছিল অহৰহ মানুহ অহা যোৱা কৰি থাকি কোনোদিন বন গজিবলৈ নিদিয়া এটা বাট। সংস্কাৰবোৰ তাৰ ওপৰেদি নিৰন্তৰ অহা যোৱা কৰি আছিল। সেন্দুৰৰ এটাও কনিকা তাত পৰিবলৈ দিয়া নাছিল। তাই সংযমী হ'বলৈ শিকিছিল।

সেইবোৰ আছিল আজিৰ পৰা এঘাৰ বছৰ আগৰ কথা। তেতিয়া তাইৰ বয়স বাৰ নে তেৰ বছৰ আছিল। কপালত সেন্দুৰৰ ফোঁটলৈ নিজকে চোৱাৰ আশাটো লাহে লাহে মাৰ গৈছিল। কিন্তু আজি হঠাতে কি হ'ল তাইৰ? তাইৰ শহুৰেকৰ ভাড়াঘৰত থাকিবলৈ অহা, কটন কলেজত পঢ়া বিমলজ্যোতিক দেখাৰ পিছৰে পৰা তাইৰ আকৌ আগৰ দৰে সাচোন কাচোন কৰিবলৈ মন গৈছে নেকি? তাইৰ মন গৈছে কপালৰ সোঁ মাজতে সেন্দুৰৰ ফোঁট লৈ ৰঙীন সাজ এযোৰ পিন্ধি তাৰ সন্মুখলৈ' যাবলৈ ! হেৰুৱাই পেলাইছে মনৰ সংযম। আগতে হৈছিলনে এনেকুৱা? কাৰোবাৰ লগত কথা পাতিবলৈ, কাৰোবাৰ আগত সাজি কাচি ওলাবলৈ মন গৈছিলনে এনেদৰে? কেতিয়াও হোৱা নাই। তাই বিচাৰে বিমলজ্যোতিয়ে তাইক এবাৰ হ'লেও মূৰ তুলি চাওক। পদূলিমুখলৈ ওলাই যাওঁতে আন ডেকাবোৰে চোৱাৰ দৰে। নাই, তাৰ কিন্তু তাইৰ প্ৰতি যেন একো আগ্ৰহেই নাই। এদিন মাথো তাৰ চকুৱে চকুৱে পৰিছিল। সি কেইজনমান বন্ধুৰ আগত কিবা কথা গৈ আছিল কিছু উত্তেজিত হৈ

ঃ মানুহবোৰৰ দুখে কুলাই পাচিয়ে নধৰা হৈছে। চীনাৰ আক্ৰমণত অহা ভগনীযাবোৰক ছাত্ৰ সন্থাৰ তৰফৰ পৰা ঠায়ে ঠায়ে সহায়-

দুয়োৰে চকুৱে চকুৱে পৰিছিল। কিন্তু সি একমূহুৰ্তও ৰোৱা নাছিল। অহৰহ কৈ গৈছিল। তাই আঁতৰি আহিছিল। সি কলেজ থকা দিনত কলেজলৈ গৈছিল। আৰু নথকা দিনত কোঠাটোত সোমাই কিবাকিবি লিখা-মেলা কৰি থাকে। নাইবা উদাত্ত কণ্ঠেৰে জ্যোতিপ্ৰসাদৰ কবিতা আবৃত্তি কৰে। আহ! কিযে সুন্দৰ কণ্ঠ এটাৰ অধিকাৰী সি!..... চঞ্চল হৈ উঠে তাইৰ মন।সেই কণ্ঠৰে সি তাইক যদি এবাৰ হ'লেও প্ৰশ্ন কৰিলে হয়।

ঃ কি নাম আপোনাৰ?

ঃ কি নাম তোমাৰ?

ঃ এটা কবিতা আবৃত্তি কৰি শুনাওনে?

তাৰলগত কথা পাতিবলৈ ভীষণ ইচ্ছা হয় তাইৰ। কি হৈছে বাৰু তাইৰ? প্ৰেম? এয়াতো অসম্ভৱ কথা। এয়া ,ষাঠিৰ দশকৰ গুৱাহাটী চহৰ। সমাজৰ সংস্কাৰবোৰে তাইক এনে কৰাৰ অনুমতি নিদিয়ে। তাই লগে লগে দৌৰি যায়। স্বামীৰ খৰমযোৰৰ কাষলৈ। তাক শিৰত লৈ তাই বিৰবিৰাই ক্ষমা খোজে।

কিন্তু কিমানদিন তাই নিজৰ হৃদয়ক ফাঁকি দি থাকিব? দুহাত দূৰৰ

কোঠাটোত ভাড়া লৈ থকা পুৰুষজন, সেই পুৰুষজনে তাইক নিজকে জীৱনত প্ৰথমবাৰৰ বাবে এগৰাকী পূৰ্ণাংগ নাৰীৰ দৰে অনুভৱ কৰাইছে। কেনেদৰে বাধাদি ৰাখে তাই হৃদয়ৰ আবেগবোৰক? তাইৰ বয়স মাত্ৰ একুৰি তিনিবছৰহে। তাইৰ হৃদয় নদীত একভীষণ প্লাৱন আহে, আৰু সেই প্লাৱণত তাই নিজেই যেন ককবকাবলৈ ধৰে। তাৰ পৰা পৰিত্ৰাণ পাবলৈ তাই এদিন সি কবিতা আবৃত্তি কৰি থাকোতে গৈ তাৰ কোঠাৰ দুৱাৰ মুখতে থিয় দিলেগৈ। খোলা আছিল দুৱাৰখন। তেওঁ দুৱাৰৰ ফালে পিঠি দি আছিল। হঠাতে ঘূৰি চালে তেওঁ-

"দুৱাৰমুখত কিয় আছা? আহা চকীত বহাহি।"

"কবিতাটো কেনেকুৱা লাগিল।"

তাক কিছু বিৰক্ত হোৱা দেখা গ'ল।

ঃ কিবা কথা আছিল নেকি? সি কিছু ৰূঢ়ভাৱে সুধিলে।

ঃ আপুনি ইমান চিঞৰি চিঞৰি কবিতা গালে আমাৰ ঘৰৰ মানুহবোৰৰ অসুবিধা হয়। - তাই হুটা মাতেৰে ক'লে।

ঃ কিন্তু এতিয়া ঘৰতটো বেছি মানুহ নাই? আপুনি

ঃ মই, মোৰ জা আৰু অসুখীয়া শাহুৱো আছে। - তাই তীক্ষ্ণ দৃষ্টিৰে তাৰফালে চাই ক'লে।

ঃ তেওঁৰ কোঠাটো চোন বহুত দূৰৈত । উত্তৰ কাটিলে সি। তাৰ স্বাভাৱিকতে খং উঠিছিল। তাই উচাৎ মাৰি আঁতৰি আহিছিল। নিজৰ কোঠাৰ দুৱাৰ মাৰি তাই আবেগৰ অতিশয্যত চকু মুদি পেলাইছিল। তাই আচৰিত হোৱা নাছিল নিজৰ অদ্ভুত ব্যৱহাৰত । যেনেকৈয়ে নহওক তাই বিমলজ্যোতিৰ লগত কথা পাতিবতো পাৰিলে। ইয়াতকৈ বেছি আৰু কি লাগে তাইক? তাৰ লগত মিঠা-মিঠা কথা পতাটোতো তাইৰ বাবে সম্ভৱ নহয়, সমুখত আছে সংস্কাৰৰ অদেখা বন্ধন। দাপোণখনৰ ওচৰলৈ গৈ তাই আকৌ নিজকে চালে। এইখিনিতে .....এইখিনিতে যদি এটা ৰঙাকৈ ফোঁট থাকিলেহেঁতেন সি তাইলৈ কিছুসময় হ'লেও ৰ' লাগি চালে হয়।

সেয়াই আৰম্ভণি আছিল। সৰু সৰু কথালৈ তাই তাৰ লগত কথা কটা-কটি কৰি নিজৰ হৃদয়ৰ উত্তাল আবেগবোৰক শান্ত কৰাৰচেষ্টা কৰিছিল। কিন্তু সেয়া কেৱল চেষ্টাহে আছিল। তাই তাৰ লগত হকে বিহকে কাজিয়াকৰি, কথা কটা-কটি কৰি শান্তি লভিবলৈ চেষ্টা কৰিছিল। বিমলজ্যোতিৰ বাবে হয়তো তাই এক মূৰৰ কামোৰণিৰ উৎস হৈ পৰিছিল। কিন্তু সি জানো বুজি পাইছিল তাইৰ মনৰ কথা ? ভাষা? তাইৰ এই কাজিয়া আৰু বাক বিতণ্ডাবোৰ তাইৰ অন্তৰত তাৰ প্ৰতি থকা প্ৰেমৰ বৰ্হিপ্ৰকাশহে আছিল দৰাচলতে। সংস্কাৰৰ চেকনীৰে চেকা খাই নিগৰি অহা নৰমীৰ প্ৰেমৰ আবেগৰ প্ৰকাশ। ..... কিযে নিষ্ঠুৰ এই সংস্কাৰবোৰ। মনৰ মানুহজনৰ লগত কথা পাতিবলৈও যে মানৱ চৰিত্ৰৰ এক অপ্ৰিয় অংশৰ আশ্ৰয় ল'ব লগীয়া হয়।

নৰমী আৰু বিমলজ্যোতিৰ কাজিয়াই এসময়ত চূড়ান্ত ৰূপ ল'লেগৈ। এদিনাখন সি কিবা লিখি থাকোতে তাই গৈ মুখপাতি ধৰিলেগৈ-

ঃ চাওক, এতিয়া ঘৰৰ মানুহবোৰ সাৰ পাই আছে। দুপৰীয়া শাহুআই শুব। তাৰ আগতেই আপুনি কবিতা গায় নে বিছৰেই গায় লওক। পাছত যাতে আমাৰ অসুবিধা নহয়।

নিমিষতে ঘটিল অভাৱনীয় ঘটনাটো । সহ্যৰো এটা সীমা থাকে! যোৱা তিনিমাহ এই 'দন্দুৰী' তিৰোতাজনীয়ে তাৰ জীৱন দুৰ্বিসহ কৰি তুলিছে। আজি সি এটা দৰকাৰী কথা লিখি আছিল আৰু ক'ৰবাৰ পৰা নৰমী আহি এনে হুটা মাত কথাৰে তাৰ চিন্তাত যতি পেলোৱাত সি খঙত একো নাই হৈ নিজৰ হাতত থকা কলমটোকে তাইৰ ফালে দলিয়াই দিলে। কি নিৰ্ভুল লক্ষ্য। কলমটোৱে তাইৰ কপালৰ ছালফুটা কৰি সোমাই আকৌ উফৰি পৰিল।... ওলাই আহিল এসোঁতা তেজ! ৰঙা!!

সি ব্যস্ত হৈ পৰিল তাইক লৈ

ঃ মোক ক্ষমা কৰক। আপুনি মোক ভুল নুবুজিব। সি তাইৰ হাতত ধৰি ক'লে। সংস্কাৰবোৰে বিছা হৈ ডাকিবলৈ ধৰিছিল তাইক। তাই দৌৰি গুছি আহিল নিজৰ কোঠাটোলৈ। স্বামীৰ খৰমযোৰক শিৰত লৈ বিৰবিৰাই উঠিল তাই। "পতিপৰম গুৰু।" তাই লৰৰি গ'ল দাপোণখনৰ ওচৰলৈ। ক'ত দুখ পালে চাবলৈ।

চমকি উঠিল নৰমী!

এয়া কি হৈ গ'ল? কপালৰ সোঁমাজত তেজে তুমুৰলি দি ঘাঁ টুকুৰা এটা সেন্দুৰৰ ফোঁট হৈ পৰিল। আহা ! কি সুন্দৰ দেখাইছে তাইক! আনন্দৰ অতিশয্যত তাইৰ চকুৰ পৰা সৰসৰাই পানী ব'বলৈ ধৰিছিল। বিমলজ্যোতিয়ে তাইক এই ৰূপত দেখা পাই এবাৰ হ'লেও বিচলিত হৈ উঠা নাছিলনে বাৰু? তাৰ মনটো চঞ্চল হোৱা নাছিলনে?.....

কিন্তু তাইৰ এই আনন্দ বেছিদিন চিৰস্থায়ী হৈ থাকিব নোৱাৰিলে। কপালৰ ঘাটুকুৰা শুকাই আহিব ধৰিছিল। এই কেইদিন বিমলজ্যোতিৰ ওচৰলৈ যাবলৈ অলপো সাহস গোটাব পৰা নাই তাই। সিয়ো যেন তাপ মাৰি আছে যোৱা দিনকেইটা! তাই তাক এবাৰ দেখা কৰিঅহাৰ কথা ভাবিলে। চুই চালে ঘাঁ টুকুৰা। এই খিনিতে তেওঁৰ কলমটোৱে আঘাত কৰিছিল তাইক। তেজ ওলাইছিল, এটা সেন্দুৰৰ ফোঁটৰ দৰে হৈ পৰিছিল, কিযে সুন্দৰ দেখাইছিল তাইৰ মুখখন।

তাই নিজৰ কপালৰ ঘাঁ টুকুৰা চিকুটি চিকুটি তেজ উলিয়াবলৈ ধৰিলে। তেওঁ দিয়া এই অমূল্য উপহাৰ তাই অকালতে হেৰাই যাবলৈ নিদিয়ে। তাইৰ কপালৰ ঘাটুকুৰা আকৌ সজাল হৈ উঠিছিল। তেজেৰে এটা সেন্দুৰৰ ফোঁটৰ দৰে সেই সেই তেজখিনি জিলিকি থাকিল। ●





# ETERNITY

*Maitrayee Sarma*
B.Sc. 2nd Year

It was 5 O'clock in the morning. Grandpa came out of the bathroom and gradually moved towards the table near his bed and picked up his spectacles lying on it. Then he looked out through his window to the world outside. It was a cloudy morning. It seemed that the sun could not spread its rays to the earth as the sun was hidden by the black clouds.

Grandpa's heart grew heavy on looking to the sky. He gradually walked near to the calendar hanging on the wall. He picked up a pen and then marked a circle around 29th of February. Then suddenly, his grand-daughter-Rim, came running to him. Grandpa was shocked when Rim jumped up to his lap. Rim was very close to Grandpa. Rim uttered "Grandpa, won't you go to the park for morning walk? Today I will go with you, please Grandpa." Grandpa then smiled amiably and took Rim with him to the park. Grandpa sat on the bench. Today he was not willing to do morning walk. Rim was collecting flowers lying on the ground. She was very happy to see fog at a distance. She noticed that today Grandpa was not well. Rim came near him and gazed at grandpa. Grandpa began "Rim, today is 29th of February is not it?" Rim said, "Yes" and then ran after the butterflies through the mist. Grandpa tried to call out her but could not let out his voice.

"Rim Trivedi, you are her first candidate of the interview", called out the host. Rim was a very jolly and polite girl. She was discussing something among her group of friends.

Aangan was one of the good friends from childhood. He was very simple and emotional and the next candidate to Rim. Rim was waiting for Aangan outside the hall. It was a very sunny day. Both of them shared their experiences of the interview. Aangan's interview was good. He thought Aangan could not believe the situation. He was so shocked that he lost his voice for some hours. Loneliness gradually began to kill him and taunt him every moment.

On seeing his condition, his father decided to arrange his marriage as soon as possible. Aangan was persuaded to marry by his family members. He got married but he could not forget Rim. He used to celebrate her birthday every year with his family. Aangan loved Rim so much that he felt that Rim was always with him. But after every four years, on 29th of Feb., he used to realise that she was not with him her eversmiling face used to taunt him now & then.


"Grandpa! Grandpa, its time for school," uttered Rim. Grandpa was shocked and came to reality. He saw Rim smiling and thought of the day when he decided to keep his grand daughter's name 'Rim'. He then smiled at Rim's innocent face and gradually took her towards home. If he would get the job then he would persuade her to marry him. Rim was very polite and understanding. Aangan liked her innocent smile which she used to wear on her lips everytime.

When the result of the interview came out, both of them got selected for different jobs. They were very happy. Aangan brought a bouquet of flowers for Rim and proposed her to marry him. Rim accepted his proposal. Both the families were in favour of their decision. They decided to marry after establishing themselves to their respective jobs.

On 28th of February, Rim celebrated her birthday with Aangan only. Rim enjoyed a lot on that day. Aangan hoped that her innocent smile would last always. When Rim went home, she suddenly felt a severe headache. She suddenly fainted and totally lost her sense. She was taken to the hospital. Aangan on receiving the news, rushed to the hospital. He was with her all the day. Unfortunately doctors could not do anything. Inspite of their best efforts her condition detoriated and on the next day she breathed her last.

# কবিতাৰ কৰণি


| | | |
|---|---|---|
| ৰৰষুণৰালা | শিৱ প্ৰসাদ বড়া | ১১১ |
| পুতলাৰ মহানগৰীত এদিন | প্ৰশান্ত কুমাৰ বৰুৱা | ১১২ |
| ভূত আৰু মানুহ | মূল ঃ তাৰাপদ ৰায়<br>অনুবাদ ঃ কমল কুমাৰ মেধি | ১১২ |
| বাগেশ্বী | দণ্ডিনাথ কলিতা | ১১৩ |
| তিনিটা গীত ঃ কটন কলেজৰ<br>প্ৰতিষ্ঠা দিৱসৰ গীত | ৰচনা ঃ ৰঘুনাথ চৌধাৰী<br>সম্পাদনা ঃ ড০ ৰামচৰণ ঠাকুৰীয়া | ১১৪ |
| পতাকা উত্তোলনৰ গীত | ৰচনা ঃ ড০ ৰামচৰণ ঠাকুৰীয়া<br>সুৰ ঃ ৰমেন বৰুৱা | ১১৪ |
| উদ্বোধনী গীত | ৰচনা আৰু সুৰ ঃ ড০ ভূপেন হাজৰিকা | ১১৫ |
| Vain | Original : 'Byartha' (Bengali)<br>Poet : Rabindra Nath Tagore<br>Sonika Bokshi | ১১৬ |
| Death's Dirage. | Bijoyeta Das | ১১৬ |
| Loneliness...... | Upasana Khound | ১১৬ |
| পাক | হীৰা মান্না দাস | ১১৭ |
| গণিকা | মানিক মেধি | ১১৭ |
| বিষণ্ণ প্ৰেমৰ স্তৱক | অংগনা মিশ্ৰ | ১১৭ |
| সাঁঝ | মোনিকা বক্সী | ১১৮ |
| An Inherent Question? | Sabreen Ahmed | ১১৮ |
| On Our Way | Ankurita Pathak | ১১৯ |
| নদী | ৰঞ্জন জ্যোতি বেজবৰুৱা | ১১৯ |
| পৰিচয় | বেদব্ৰত ভড়ালী | ১১৯ |
| লজ্জা | অনুপম বৈশ্য | ১২০ |
| কটন ঃ এবুকু অনুভৱ | মৌচুমী বড়া | ১২০ |
| শ্বহীদ | অনন্ত চহৰীয়া | ১২০ |
| "Mimag csar " | Satya Nath Doley | ১২১ |
| When A Paradise is lost | Lakshmi nath Rabha. | ১২১ |
| To An Unknown Friend | Luna Das | ১২১ |
| RCNGAM ASINA<br>: NG LOTTALO | Laikhyodhan Taye | ১২২ |





# বৰষুণৰালা

শিৱ প্ৰসাদ বড়া

(অভিনেতা তথা গল্পকাৰ তপন দাসৰ হাতত শ্ৰদ্ধাৰে)
সিদিনাৰ আবেলিটো আহিছিল
আটাইতকৈ বিষণ্ণ বতৰৰ চোলা এটা পিন্ধি
মই লেপৰ উম লৈ শুই পৰিছিলো
মোৰ কোঠালীৰ বাহিৰে-ভিতৰে
কিবা মেঘ মেঘ ভাৱ এটা ওপঙি ফুৰিছিল
মৰ-টোপনিয়ে মোক হেঁচা মাৰি ধৰাত
মই লেপখন মূৰে গায়ে টানি লৈছিলো
আৰু চকুৰ পতাৰ আন্ধাৰত দেখিছিলো
নিদ্ৰাদেৱীৰ কোমল হাত এখন মোৰ বুকুলৈ
ক্ৰমাত ভিতৰলৈ সন্তৰ্পণে সোমাই গৈ আছিল

দেৱীৰ ষোল্ল অনা মায়াৰে মোৰ দুচকু গধুৰ হৈ পৰিছিল
যেতিয়া ..... মোৰ কোঠাৰ একমাত্ৰ দুৱাৰখনত
একেবাৰে দহটা টোকৰ পৰিছিল- মই খপ্‌জপ্‌কৈ
বিচনাখনতে বহিছিলো আৰু এঙামুৰি এটা মাৰি
দুৱাৰখন খুলি দিয়াত দেখিছিলো
বাহিৰত বাৰিষাৰ প্ৰথম জাক বৰষুণ



এই উদাৰা—এই মুদাৰা এই উদাৰা— এই মুদাৰা গৈছে গৈ গৈ তাৰা অৰা তাৰা

আৰু হঠাতে দেখিছিলো- মোৰ অকণমানি বাৰান্দাখনত
থিয় হৈ আছে এজন অচিনাকী মানুহ
তিতি জুৰুলি-জুপুৰি কিছু বিবৰ্ণ দুটা চকু
সৰু হাঁহি এটাৰে মানুহজন সোমাই আহিছিল
মোৰ কোঠাৰ ভিতৰলৈ আৰু আচৰিত নহৈ নোৱাৰিছিলো
মানুহজনৰ চকুৰে মুখে, কাপোৰে-কানিয়ে চুলিয়ে
কেৱল জ্বলমল বাৰিষাৰ ঢল

কোনো কথা নাই বতৰা নাই
তেওঁৰ সৰ্বাংগত জ্বলমলাই থকা বাৰিষাই
নিৰুদ্বেগ চিত্তে বুৰাই পেলাইছিল
মোৰ কোঠালিৰ গোটেই মজিয়াখন আৰু আৰু
একালৰ পৰা বিচনাৰ লেপ-তুলি-চাদৰ
পঢ়াটেবুলৰ টেবুলক্লথ, কিতাপ-পত্ৰ, কাগজ, আলোচনী
এচুকৰ চচপেন, কেৰাহী, কাঁহী-বাতি গিলাছ টেমা
আনকি আলনা ডালত সযতনে থৈ দিয়া
পিন্ধা কাপোৰবোৰ চামৰাৰ নতুন জোতাযোৰ
তিয়াই পেলাইছিল তেওঁ আৰু নৈৰ বুকুত
চপ্‌চপীয়া হৈ হাবু ডুবু খাই থকা নাওঁ এখনিৰ দৰে
সেই সময়ত মেয়ো যেন হৈ পৰিছিলো সৰ্বস্বান্ত ক্লান্ত

কিন্যা ভাবত মই বিভোৰ হৈ থাকোতেই
কোবাকুৰিকৈ ওলাই গৈছিল তেওঁ আৰু দেখিছিলো
বেৰত ওলমাই থোৱা আৰ্চিখনত অকণি অকণি
গোট গোট বৰষুণৰ টোপালেৰে লিখি থৈ গৈছিল তেওঁ
মোৰ জীৱনৰ যেন আটাইতকৈ চেঁচা কোমল এটা শব্দ- 'বৰষুণৱালা'

# পুতলাৰ মহানগৰীত এদিন

প্ৰশান্ত কুমাৰ বৰুৱা

### এক

চিটিবাছৰ পৰা আজি
পুতলাবোৰে ৰবটৰ দৰে খোজকঢ়া দেখিছো
কষ্ট কৰি পুতলাবোৰে হাঁহিছে
হেণ্ডচেক্ কৰিছে
ফোনৰ ৰিচিভাৰ ধৰিছে
দেখা পাবলৈ নাই ক'তো
খিৰিকীৰ বাহিৰৰ পৃথিৱীত বিচাৰি আছো মোক

### দুই

স্মৃতিৰ মৃত্যু এখন সহজ ছবি
পুতলাবোৰ এদিন স্মৃতি হৈ পৰে
শুকাই কৰাল বান্ধে তাৰ তৈল বৰণ
স্মৃতিও হৈ পৰে
ক্ৰমশঃ সন্ধিয়াক সাৱটিব খোজা ৰঙীণ বেলি

### তিনি

চিটিবাছৰ কঁপনিয়ে বৈ বৈ
শিজু গছৰ ঠালেৰে মোৰ ভিতৰখনত কোবাইছে
আৰু যন্ত্ৰণাত কণ্ডাক্টৰৰ হাতত তুলি দিছো
জেপৰ শেষ দেড় টকা
নামি আহো লতাশিল ষ্টপেজৰ পুতলাৰ

### চাৰি

দীঘলীপুখুৰী আজি দাপোনৰ দৰে জিলিকিছে
চিটিবাছৰ ভিতৰৰ পৃথিৱী নাচাই
হেঁপাহেৰে বৰষুণত তিতিছো
হৰ্ণ বজাই গুচি যায় বাছবোৰ
একমিনিট দুইমিনিট বৈ বৈ

### পাঁচ

অলপ আগতে এয়া মোহাৰি দিলে
বুকুত দোঁ খাই থকা
ৰঙা আপেলবোৰত পৰা ধূলিৰ চাদনি
ৰবটৰ দৰে লাগিছে  নিজৰ খোজবোৰ
পুতলা হৈ পৰাৰ ভয়ত
শিশু এটাৰ দৰে মুক হৈ পৰিছো মই
লাহে লাহে শিকিছো খোজ



# ভূত আৰু মানুহ

মূল ঃ তাৰাপদ ৰায়
অনুবাদ ঃ কমল কুমাৰ মেধি

জনৈক ভূতে দ্বিতীয়জন ভূতক সুধিলে,
"তুমি মানুহ বিশ্বাস কৰানে
তুমি মানি লোৱানে যে মানুহ আছে?"
দ্বিতীয়জন ভূত অলপ ভীৰু প্ৰকৃতিৰ
প্ৰশ্নটো শুনা মাত্ৰেই তাৰ গা শিঁয়ৰি উঠিল
চাৰিওফালে এবাৰ চাই ভয়ে ভয়ে ক'লে-
"এই তিনি সন্ধিয়া এনে কথা কিয় কোৱা!"
প্ৰথম ভূতে এইবাৰ ক'লে- "তেনেহলে তুমি মানুহ মানা
বিশ্বাস কৰা যে মানুহ আছে"
দ্বিতীয় ভূতে মূৰ দুপিয়ালে-বিশ্বাস নকৰি উপায় কি?
এই যে আজি দলে দলে মানুহ
শোভাযাত্ৰা কৰি ময়দানলৈ আহিলে, সভা পাতিলে
দৈনিক লাখ লাখ মানুহ বাটে-ঘাটে,
হাটে-বজাৰে ঘূৰা ফুৰা কৰিছে
কাম কৰিছে, কাম বিচাৰিছে,
হাঁহিছে-কান্দিছে, প্ৰেম কৰিছে,
কাজিয়া কৰিছে......
দ্বিতীয় ভূতক আৰু ক'বলৈ নিদি
প্ৰথম ভূতে পোন পটীয়াকৈ সুধিলে
" তুমি কেনেকৈ বুজিলা যে সিহঁত মানুহ
তুমি সিহঁতৰ বুকুৰ ভিতৰখন দেখিছানে
সিহঁতৰ মনৰ ভিতৰত মানুহৰ মন,
মানুহৰ আত্মা, মানুহৰ বিবেক আছে নে
নাই- তুমি দেখিছানে?"
দ্বিতীয় ভূতে চিন্তিত হৈ ক'লে,
"সিমান কাষলৈ মই যোৱা নাই
সিমানলৈকে সাহস হোৱা নাই"
অৱশেষত তেতিয়া প্ৰথম ভূতে ক'লে,
"তেনেহলে ভালদৰে নজনালৈকে নক'বা
ইয়াৰ পিছত আৰু কাহানিও মোক নক'বা
যে মানুহ আছে, মানুহ দেখিছো।"

# বাগ্‌দেৱী

দণ্ডিনাথ কলিতা

(১)
অনন্তৰ হুঙ্কাৰত যিদিনা জগৎ
জন্ম লভি ল'লে বাট অনন্ত পথত,
ঘোৰ অমা-অন্ধকাৰ
বিশাল বসন গাৱ,
নাছিল আলোক ক'তো অনন্ত বিশ্বত,
আন্ধাৰ-আন্ধাৰ মাথোঁ সকলো দিশত।

(২)
দেখি বিশ্ব খনিকৰে দৃশ্য ভয়ঙ্কৰ,
ভাবিলে উপায় ঘোৰ তমো বিনাশৰ,
ফলে ৰবি-চন্দ্ৰ-তাৰা
বৰষি আলোক ধাৰা,
কৰিলে বিশ্বক দান শোভা মনোহৰ
হাঁহিলে সৃষ্টিয়ে ধৰি নৱ কলেৱৰ।

(৩)
সৃষ্টিৰ বৈচিত্ৰ কত স্থাৱৰ-জঙ্গম,
বসুধা-বুকুত লভি, নতুন জনম,
বাহিৰে পোহৰ পাই
দেখে আপোনাৰ কায়
নিচিনে নিজক কিন্তু অবিদ্যা-বিভ্ৰম,
অন্তৰ আন্ধাৰ ঘোৰ, অন্ধকাৰ-সম।

(৪)
দেখি সকৰুণ বিধি ভাবিলে পুনৰ
কিদৰে প্ৰাণীৰ হ'ব পোহৰ অন্তৰ,
কিদৰে আপোন ভাব
কৰি পৰ হিয়া ছাব
সাধিব পাৰিব নৰে কৰ্ম্ম জীৱনৰ,
এনেতে দেখিলে দৃশ্য আহা কি সুন্দৰ!

(৫)
দেখিলে শোভিছে এটি পুখুৰী নিৰ্ম্মল,
ফুলি ফুলি আছে তাত শুভ্ৰ শতদল,
ৰাজহাঁহে চৌপাশে
ঘূৰিছে মৃণাল- আকৌ,
পাখিৰ চোটত টৌৱে কৰে টলমল,
নাচি উঠে নলিনীৰ শ্যামল অঞ্চল।

(৬)
মাজতে সুশ্বেত এটি প্ৰফুল্ল কমল,
মধুৰ মলয়ে তাৰ ৰয় পৰিমল,
তাৰেই বুকুৰ পৰা
বৰষি আলোকধাৰা,
কৰিছে উজ্জ্বল ভেদি প্ৰাণী-অন্তঃস্থল,
প্ৰথম পাতনি এয়ে বিশ্বৰ মঙ্গল।

(৭)
ই কি! ইকি! মূৰ্ত্তি'ই যে অতি সুশোভনা!
শ্বেতভূজা, শ্বেতাম্বৰা, শ্বেতপদ্মাসনা।
প্ৰতি অঙ্গভাগ জুৰি
পৰিছে আলোক জৰি,
দৃষ্টিত প্ৰকাশ কিযে স্বৰ্গীয় সুষমা,
কিবা ভাব! কিবা ভঙ্গী! জ্যোতি নিৰুপমা!

(৮)
মধুৰ সংগীত পুনু! বীণাৰ সুস্বৰ!
অপূৰ্ব ৰাগিনী গাই ভেদিলে অন্তৰ।
পৰশত পাই জীপ
জ্বলিল জ্ঞানৰ দীপ,
শিকিলে বচন-ভঙ্গী প্ৰাণ জগতৰ,
আৰম্ভিলে মহাযজ্ঞ মৰ্ত্ত্য জীৱনৰ।

(৯)
এয়ে জ্ঞান আৰম্ভণ, বচন-বিকাশ
বিশ্বৰ কল্যাণ হেতু ভাৰতী প্ৰকাশ
জ্যোতিৰ্ম্ময়ী জগন্মাতৃ,
জ্ঞানদাত্ৰী জগদ্ধাত্ৰী,
সিদিনাৰে পৰা দেৱী কৰি তমোনাশ,
কৰিলে ভক্তৰ আলো মানস-আকাশ।

(১০)
আলোকমণ্ডিত হ'ই জিলিকিল নৰ,
বাণী-বাণী শিৰে ধৰি প্ৰফুল্ল অন্তৰ,
পুষ্প-বিশ্বদল ল'ই
আভূমি প্ৰণত হ'ই
মাগিলে কৰুণাময়ী, দিয়া এট বৰ,
কৃপা কৰি দেৱী ৰেণু চৰণৰ।

(১১)
সিদ্ধ হ'ল বিধাতাৰ উদ্দেশ্য মহান,
ব্যাপ্ত হ'ল ব্ৰহ্মাণ্ডত বাক্যময় গান।
অজ্ঞান-আন্ধাৰ খেদি
সৃষ্টিৰ ৰহস্য ভেদি
অমৃতৰ সন্ধানত আগুৱালে নৰ,
মৰতত জয়যাত্ৰা হ'ল মানৱৰ।

(১২)
সেই হন্তে বাণী-পূজা লক্ষ্য জগতৰ,
জনে জনে কৰে পূজা ৰুচিৰে নিজৰ।
কৰে পুনু মৰুৰত
ৰবি মহামিলনত
শুক্লা-পঞ্চমীত পূজা মিলি ভক্তদল,
কৰি ব্ৰত উপবাসে অন্তৰ নিৰ্ম্মল।

(১৩)
আজি সেই মহাদিন বাণী-মহোৎসৱ,
সমবেদ শিষ্যদল তুলি গীত-ৰৱ,
সুক্ষণত নামি আই
বীণধ্বনি বাই বাই,
কৰিব সাদৰে দান আশীষ বিভৱ,
মুৰ পাতি ল'ব আহি প্ৰিয় পুত্ৰসৱ।

(১৪)
ৰাজসিক, তামসিক বৃথা আয়োজন,
শ্ৰদ্ধা ফুল বিনে আয়ে নকৰে গ্ৰহণ।
ভকতিৰ অৰ্ঘ্য লই
ভাৱত তন্ময় হ'ই
কৰোঁ আহাঁ কৰযোৰে জননী-অৰ্চ্চন,
উঠক আকাশ ছানি সঙ্গীতৰ স্বন।

(১৫)
"জগৎ বন্দিতে দেৱী, তমোবিনাশিনী
শ্বেত ভূজে, কৃপাময়ী, জ্ঞান প্ৰদায়িনী,
অবোধ সন্তান আমি,
সততে বিপথ গামী
পদধূলি ভিক্ষা কৰোঁ তথাপি জননী
কৃপাময়ী, কৰা কৃপা আনন্দদায়িনী।

(১৬)
"জননী, নাজানো আমি পূজা আৱাহন,
কিদৰে তোমাৰ তুষ্টি কৰিম সাধন!
তথাপি মাতিছো আই,
লোৱাহি হিয়াত ঠাই,
দীন বুলি, কৰা আজি কৃপা বৰিষণ,
উজ্জ্বলোৱা অজ্ঞানৰ আন্ধাৰ জীৱন।"

---

*(এই কবিতাটো ভুডমাৰ্চন চাহাবৰ প্ৰিয় ছাত্ৰ, প্ৰথিতযশা সাহিত্যিক, সংস্কৃত পণ্ডিত প্ৰয়াত দণ্ডিনাথ কলিতাদেৱৰদ্বাৰা ৰচিত আৰু কটন কলেজত ১৯১৩ চনত অনুষ্ঠিত সৰস্বতী পূজা উপলক্ষে পতা সভাত পঠিত) (অংগনা চৌধুৰীৰ দ্বাৰা সংগৃহীত।)*

# কটনৰ তিনিটা গীত

## প্ৰতিষ্ঠা দিৱসৰ গীত

আজি সুপ্ৰভাতে নৱ অনুৰাগে
ৰঞ্জিতা প্ৰকৃতি ৰাণী,
অপাৰ্থিৱ স্নেহ বিতৰিছে আহা
করুণাৰ ছবিখনি।
উষাৰ বৰণ সনা দুগালত
বালাক সিন্দুৰ ভালে,
পৱিত্ৰ ভাৰত প্ৰাণ মুগ্ধ হয়
স্বৰ্গীয় দৃশ্যটি চালে।
অসীম অনন্ত সুনীল গগণ
আনন্দে চুমিছে গিৰি,
প্ৰেম-অশ্ৰু টুকি বইছে তটিনী
কুলু কুলু সুৰ ধৰি।
কিবা অপৰূপ প্ৰকৃতিৰ শোভা
আহা কি সুখৰ দিন,
যতী সামবেদী কৰে বেদপাঠ
প্ৰেমানন্দে সয়ে লীন।
আঁহা হে জননী ইন্দু-নিভাননী,
দিয়াহি জ্ঞানৰ ভাতি,
হৃদয় মন্দিৰ ভক্তি নীৰে ধুই
ৰাখিছোঁ আসন পাতি।
সাদৰে গ্ৰহণ কৰাহে জননী,
সেৱকৰ পুষ্পাঞ্জলি,
স্বাৰ্থ বলিদান জীৱন আহুতি
দিলোঁ চৰণত ঢালি।

ৰচনা ঃ ৰঘুনাথ চৌধাৰী
সম্পাদনা ঃ ড০ ৰামচৰণ ঠাকুৰীয়া

## পতাকা উত্তোলনৰ গীত

কটন কলেজ
কটন কলেজ
এইখন জ্ঞানৰ কলেজ;
মাণিক, ভূৱন আৰু
প্ৰভাতৰ কীৰিতিৰে
এইখন আমাৰ কলেজ।
আকাশত উৰে সৌৱা
আশাৰ পতাকাখনি
উছৱৰ মহা আয়োজন;
আন্ধাৰৰ বুকুৰেদি
পোহৰ বিৰিঙি উঠে
দশোদিশ কৰি আলোড়ন।
পাহাৰ ভৈয়াম মিলি
নানা জাতি, নানা ভাষী
ইয়াতেই জাতিটি গঢ়িলে;
বৈচিত্ৰ্যৰ মাজতো যে
একতাৰ সুৰ বাজে।
কটন কলেজে তাকেই শিকালে
এইখন জ্ঞানৰ কলেজ।।

ৰচনা ঃ ড০ ৰামচৰণ ঠাকুৰীয়া
সুৰ ঃ ৰমেন বৰুৱা

# উদ্বোধনী গীত

ওঠৰশ নিৰান্নবৈ চন্।
বৃটিছ শাসন
মাণিক চন্দ্ৰ বৰুৱাৰ প্ৰতিবেদনঃ
প্ৰাগজ্যোতিষ পুৰতে
কৰিব লাগিবই
এখনি কলেজ স্থাপন।।
উনৈচশ এক
আৰু দুহেজাৰ এক
এই উজ্জ্বল এশটা বছৰ
অসমীৰ কপালত
ভোটাতৰা জিলিকিছে
হেনৰী কটন কলেজৰ
আমাৰ কটন কলেজৰ
কটন কলেজ
আমাৰ কটন কলেজ।।
কটন কলেজ
চিক্‌মিকনি নহয়
পুৰাতেই অন্ত যোৱা
কটন কলেজ হ'ল, জ্ঞানৰ উৎস
উদ্দীপনা যোগোৱা।।
উনৈচশ একৰ সাতাইশ মে'ত
বিহগী কবি ৰঘুনাথ ৰচিত
উদ্বোধনী গীত হ'ল নিনাদিত
নবীন বৰদলৈ কৰ্ম্মবীৰে
যন্ত্ৰ-সঙ্গীতেৰে, কৰে সজ্জিত
উনৈচশ সোতৰত পোৱা হ'ল স্বীকৃতি
বিশ্ববিদ্যালয়ৰ সম্মান
(মাথোঁ) সোতৰ বছৰতে
পৃথিৱীয়ে শলাগিলে
গুণগত বৈশিষ্ট্যৰ মান।।

ভুবন দাস আৰু হেনৰী কটন
টুইট চাহাব, চুদমাৰ্চন্
আৰু শিক্ষাবিদ আছে যত
সৰে মিলিজুলি কটন কলেজতে
জ্ঞানৰ হেঁপাহ কৰে, চিৰ জাগ্ৰত
জ্ঞানত গভীৰ
বিজ্ঞানত গভীৰ
খেলত সুস্থিৰ
কলাত অধীৰ
হে আগবাঢ়ো আমি
কটনিয়ান
যোৱা শতিকাৰ
ঐতিহ্যৰে
আগুৱাওঁ আঁহা
হে চিৰ বলীয়ান
কটনিয়ান আমি
কটনিয়ান

পৃথিৱী আজি হ'ল
গ্লবেল ভিলেজ
জিন্দাবাদ কটন কলেজ
কটন কলেজ
কটন কলেজ
কটন কলেজ

ৰচনা আৰু সুৰ ঃ ডঃ ভূপেন হাজৰিকা

টোকা ঃ এই গীত তিনিটা যোৱা ২ ছেপ্তেম্বৰ ২০০২ তাৰিখে অনুষ্ঠিত কলেজৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সাধাৰণ সভাত কটন কলেজৰ প্ৰতিষ্ঠা দিৱস, পতাকা উত্তোলন আৰু উদ্বোধনী গীত হিচাপে গ্ৰহণ কৰা হয়।

—সম্পাদক

## ইতিমালা

### ব্যর্থ

**রবীন্দ্র নাথ ঠাকুর**

যদি প্রেম দিলে না প্রাণে
কেন ভোরের আকাশ ভরে দিলে এমন গানে গানে?
কেন তারার মালা গাঁথা,
কেন ফুলের শয়ন পাতা,
কেন দখিন হাওয়া গোপন কথা জানায় কানে কানে?

যদি প্রেম দিলে না প্রাণে
কেন আকাশ তরে এমন চাওয়া চায় এ মুখের পানে?
তবে ক্ষণে ক্ষণে কেন
আবার হৃদয় পাগল হেন
তরী সেই সাগরে ভাসায় যাহার কুল সে নাহি জানে?

শান্তিনিকেতন
২৮ আশ্বিন ১৩২০

## Vain

Original : 'Byartha' (Bengali)
Poet : Rabindra Nath Tagore
*Translated by : Sonika Bokshi*

If thy did not bless my soul with love.
Why did thy fill the morning sky with such songs?

Why are the stars stringed together like a garland,
Why is the bed laid with flowers,
Why does the wind from the south whispers secret in every ear?

If thy did not bless my soul with love.
Why then the sky gives such glances at my face ?
Why then each moment
My insane heart sails a boat
On that sea whose shore it does not know ?

## DEATH'S DIRAGE.

*Bijoyeta Das*
*H.S. (Arts)*

A little sleep, a silent slumber,
Is kind nature's signal of retreat.
A period to sojourn in the land of living,
A go to the terminal jaunt across eternities.
The ebb of life with firmness suck all divine breath.
Aloud there shall be the last certain call
And as I cross the stygian ferry,
And back I go home,
Friends sing for me no eulogy
But sing for sure–a dirge.
For death–the dreamless sleep.



## Loneliness......

*Upasana Khound*
*H.S. 2nd year*

Loneliness, Loneliness............
as my heart weeps,
The audibility of shattering heart
make me blench ; beholding
the unity of cords.
Oh solitude! Is it universal ?
Or my fortune at loggerheads tricking me
to force through solitude.
Ruthless fortune, a desperate cry
make me question who am I ?
Freedom, to seek from the taint of solitude
A companion to befriend is too good.

## পাক

হীৰা মান্না দাস
স্নাতক ২য় বার্ষিক

সর্পিল হওঁক পোণ হওঁক পথ
পাক খাই মানুহ পৰে
মানুহৰ দেহে দেহে পাক
হাতেভৰিয়ে
আঙুলিৰ পাবে পাবে পাক
প্ৰেমিকৰ প্ৰসাৰিত দুবাহুত পাক
গাভৰুৰ বৈ পৰা চেলাউৰি
বেনাৰসী শাৰীৰ ভাঁজত পাক
আন্ধাৰ হওঁক পোহৰ হওঁক পথ
পাক খাই মানুহ পৰে
মুখ থেকেচা খাই পৰে
পাকক ঘিন কৰে
কিন্তু খুলি নথয়
নিজৰ হাত ভৰি আঙুলিৰ পাক



## গণিকা

মানিক মেধি
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ

সেইখন পৃথিৱীৰ গা সাৰটি
এখন নিবিদ্ধ নদী শুই থাকে
তাত পাখিকটা চৰাইয়ে
নাত নুফুটা বাঁহী এটি বজাই গায়
সঁজা ধৰফৰ সভ্যতাৰ গান
নীড়ৰ নিজৰাৰে বঠা বিচাৰি উটি অহা
ভায়'লিন খন
গা ধুবলৈ অহা অৰণ্যই গচকি ভাঙি থৈ যায়
ফুঁ দিলেই নাবাজে বুলি জানিও
হাতত তুলি ললো বাঁহী
মোৰ চকুলোত দহি পুৰি যদি
সি ফুকিলেহেঁতেন হমুনিয়াহ

## বিষণ্ণ প্ৰেমৰ স্তৱক

অংগনা মিশ্ৰ
স্নাতক চূড়ান্ত বৰ্ষ
ইংৰাজী বিভাগ

বিষণ্ণতা,
মই তোমাৰ সনাতন প্ৰেমিকা
মই তোমাক বিচাৰি পাইছো
প্ৰতিটো ৰঙৰ আঁৰে-আঁৰে
প্ৰতিটো অনুভূতিৰ ইপাৰে-সিপাৰে।।

আকাশৰ এজাউৰী সুগন্ধি কান্দোনত
জুৰুলি-জুপুৰিকৈ তিতি
যেতিয়া অবাক হৈ পৰিছিল
এটা সৰু নিৰীহ পাহাৰীয়া ৰাস্তা,
তেতিয়া তুমি
এটা নিচুকনী গীত গাইছিলা,
সূৰ্য্যৰ হাত ধৰি সেইদিনা
ময়ো গধূলিতে টোপনি গৈছিলো।।

বৌদ্ধ মন্ত্ৰৰ প্ৰাচীন হাত ধৰি
শিলৰ চিৰিৰে
তুমি আগবঢ়াই নিছিলা মোক
বৌদ্ধ মঠটোৰ বতাহত ভাঁহি থকা
তোমাৰ নিমগ্ন ঘৰলৈ
তোমাৰ সৈতে সেইদিনা ভগাই লৈছিলা
এটা নিৰ্বাক দুপৰীয়া।।

মই জনা নাছিলো তেতিয়াও
যে মই তোমাৰ প্ৰেমত পৰিছো
আৰু ভাবিছিলো
বোধহয় সেই নিবিড় উপত্যকাতে
তোমাক এৰি আহিছো
অথচ
আমি পুনৰ মুখামুখি হ'লো
এই মহানগৰীৰ
নিৰ্মম সময়ৰ আঁৰত।
এতিয়া,
এই যান্ত্ৰিকতাৰ মাজতে
জাতিষ্কাৰ হওক
আমাৰ নীৰৱ প্ৰেম, বিষণ্ণতা,
ইয়াত
তুমিও অকলশৰীয়া,
ময়ো অকলশৰীয়া।।



# साँझ

मोनिका बक्षी
भूगोल विभाग (छात्रा)

मैं .... साँझ, दिनभर के चहल-पहल को
अपने आप में समेट लेती हुँ,
अंधेरे को ओढ़ लेती हुँ।
रास्ते, खेत-खलिहान, बाँस के झुटमुट .... सब
मेरे आगोश में गुम हो जाते हैं।
झींगर के झाएँ-झाएँ की शोर से टुटता सन्नाटा,
खेतीं से लौटते रास्तों पे
चलते किसी थके कदमों की आहट मेरी पहचान हैं।
मेरी काली ओढ़नी से चाँद पूर्णिमा का झाँकता है ...
कहता है मुझसे .."ए-साँझ, मुझसे जरा सी चाँदनी उधार लेले।"
"क्यों बैवा बनी तु उजाले के जाने का मातम मना रही है?"
हाँ ... सच ही तो कहता है वो चाँद .....
........ जाते कदम तो जाएँगे अपनी मंजिल की ओर।
क्यों किसी के जाने का मातम मनाएँ?
सब कुछ एक तो लो जिन्दगी में नहीं
तो क्यों न फिर से एक नया आशियाना सजाया जाए।





## An Inherent Question?

Amidst solitary moments,
of Creeping silence,
Hazzled thoughts reverberates.
In dark chambers
of minds eye,
grotesque pictures formulate,
My past is gone,
The present is on,
But what does future behold?
May bc the dreams
That sparkle in my eyes,
Fade away to steal off their dazzle,
of the voice that answers to my question of existence,
Is shrouded
By a canopy of muteness,
The smile that radiates,
At my cause I happiness
If strines to wear a freusing attise,
Tough will be my time,
Hard even for sustenance,
My wings are not so strong,
I can't carry on two long,
With broken wings and ailing heart,
Will my existence hold on.
With the faint hope of a new start?

Sabreen hmed
B.A. 3 year.

## On Our Way

*Ankurita Pathak*

Never knowing the reason
We smile cause
The world is ours.
Leaping for the sun.
Yellow dreams flourish
Running through the valley
A river of stars
Ouenching the thirst unbound.
Splashing the water of joy
An unending road of cover.
A long way to go ahead and
A march towards tomorrow
Our eyes on the distant horizon



# নদী

ৰঞ্জন জ্যোতি বেজবৰুৱা

বিষণ্ণ নাৰীৰ সকলো দুখ সামৰি সুতৰি নদী
জিৰ্ জিৰ্ নদী

দুৰ্গম সোঁত ভাঙি নদীৰ কাষলৈ আহে
স্বপ্নাতুৰ নক্ষত্ৰ, জোন আৰু বেলি
নদী পৃথিৱীৰ মহাধমনী
ক্লান্তিহীনভাৱে যিয়ে কঢ়িয়াই তেজৰ পকনীয়া
চৰ্মচক্ষুৰ আঁৰত, তেজৰ আন্ধাৰত যাযাবৰী পৃথিৱী
নগ্ন, সকলো মগ্ন-কোৰ্হালবিহীন
আমৰণ দুখৰ পণত সকলো কণিকা
নদীৰ কোনো বৰ্তমান নাই
অপ্ৰতিদ্বন্দী, নিৰৱধি নদী
কবিৰ দুখত নদীলৈ নামে তুষাৰ পাত
নদী- কবিৰ এটি সুমথিৰা বাঁহী
আচলতে, নদীতে লুকাই থাকে ভালপোৱাৰ সকলো চৰ্ত
আৰু প্ৰিয় নাৰীৰ বুকুতে শেষ হয় নদীৰ মোহনা।

## পৰিচয়

বেদব্ৰত ভড়ালী
স্নাতক তৃতীয় বৰ্ষ

সকলো শেষ হোৱাৰ পাছত
আমি বৈ গ'লো
আৰু বৈ গ'ল
বহুতো স্মৃতি।

হৃদয়ৰ দুৱাৰত
আজি কিয় শেষ ৰাতি
স্মৃতিৰ হাহাকাৰ
ঠিকনা বিচাৰি।

বিচৰা নাছিলো
আমি উলটিব
সুদা হাতে,
কিয়নো
পাখি মেলি
উৰা মাৰে আমাৰ
মনবোৰ
হৃদয়ৰ যাতৰি লৈ।

সুৰীয়া সুৰীয়া গান
ভাল নালাগে আজি
কিয়,
কিয় বাৰু ?
মঞ্চত আমাৰ শেষ অংকৰ
শেষ দৃশ্যৰ অন্ত পৰিল।
সকলো খালী খালী
সমুখত নিৰৱ দৰ্শক হৈ
বহি ৰোৱা নাই
হাজাৰ হাজাৰ শ্ৰোতা।

আমি উলটিম যদিও
সুদা হাতে
আমাৰ পাছে পাছে
শোভাযাত্ৰা হব
আমি এৰি অহা
শীতৰ ৰাতিবোৰৰ।
আমি যে নিঃসংগ নহয়
তাৰেই পৰিচয় দাঙি ধৰি।

## লজ্জা


*অনুপম বৈশ্য*

বৰ কৰুণভাৱে তাই বুজি উঠিছিল
খং উঠিলে
কিমান জনৰ উশাহ পাগলাদিয়াই
কাঢ়ি নিয়ে এদিনত
ভাঙিব পাৰে সাধনাৰ সাঁকো
অথবা
উদ্ভিন্ন গাভৰুৰ সাঁচতীয়া লাজ
নিমিষতে শেষ কৰে
ক'ত জনৰ সেউজীয়া স্বপ্ন।।

তাই আৰু বুজিছিল
মাজনিশা উকিয়াই যোৱা ল'ৰাজনৰ ভাষা
আৰু
জলফাইৰঙী ধুমুহাৰ গধুৰ গচক।।

সেই যে,
সিহঁতে বিচাৰি তনচন কৰিছিল
তাইৰ সুবাসিত ঘ্ৰাণ,
তাইৰ দেহৰ নিষিদ্ধ নামৰ কোনোবাজন।

লাজত ওলোৱা নাছিল জোন
ৰাতিৰ চিঞঁৰত থমকি ৰৈছিল পাগলাদিয়া
বৰ পৰা নাছিল দিন, বহু দিন।।



## কটন ঃ এবুকু অনুভৱ

মৌচুমী বড়া
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

ৰ'দ পিচলা গানৰ সুবাসত গুজি লোৱা
তুমি সপোন তাহানিৰেই
অজানিতেই শিপাইছিলা বুকুত
তেজৰঙা বেলি হৈ ফুলিছিলা দুচকুত
আজি তোমাৰ ছায়াত
হৃদয় খুলি দেহ জুৰাব পাৰো মই
এন্ধাৰৰ মাজতো বিচাৰিব পাৰো
তোমাৰ দেহৰ কোমল কোমল সেউজীয়া গোন্ধ
হেঁপাহৰ আকাংক্ষিত বীজবোৰ
সিঁচিম এতিয়া তোমাৰ বুকুত
সপোনবোৰো গুঠিম এটি এটিকৈ
তোমাৰ দুহাত সাৱটি বিচাৰিম জীৱনৰ ৰূপোৱালী ঘাট
আনে নাজানিলেও
জোন গলা নিশাবোৰে জানিব
তোমাৰ মোৰ সহৃদয়তাৰ বাতৰি
পল-অনুপল, দিন, মাহ বছৰ ভেদি
তোমাৰ বাবেই জ্বলাম মই জোনাকৰ চাকি........।।



## শ্বহীদ


*শ্ৰীঅনন্ত চহৰীয়া*

এতিয়া ইয়াত সকলোবোৰেই প্ৰাচীন
ভোকৰ পথাৰখনৰ পৰা
স্বৰ্গদেউৰ চ'ৰাঘৰলৈ
প্ৰেয়সীৰ চুলিৰ পৰা
উদয় উদ্যত অৰুণলৈ
অকাৰণ জন্মৰ পৰা
আজন্ম আমৰণ মৃত্যুলৈ

কমলা কুঁৱৰী মোৰ!
ইয়াত এতিয়া সকলোবোৰেইতো প্ৰাচীন
তোমাৰ ভৰিৰ পৰা নূৰলৈ
কঁকালৰ পৰা ডিঙিলৈ

বাস্তৱ হৈও অবাস্তৱ
ৰূঢ় হৈও কোমল
মোৰ অসুখীয়া আইৰ
অসুখৰ বতৰা

ইয়াত এতিয়া সকলোবোৰেইতো প্ৰাচীন
সুৰ বিচাৰি সুৰুযৰ
নিজানত কোনোবা একে পথৰ পথিকে
বাঁহী বজোৱা
বুকুত লৈ সেয়া তেজে ধোৱা ইতিহাস



## "Mimag csar "

Satya Nath Doley
M.Sc. 2nd semester.
Deptt. of Botany.

Ngolu porin kcbangc ;
Ngolu mimag Kcbangc ;
Rengam lcgangc ;
Dungko legangc
Dakko lcgangc
Mimag mola molenye.
Ngolu mising rcngamc turyarye
Ngolu porin kcbangc rcngamem luyirye
Ngolu mimag kcbangc dvrbcm bvrrenye.
Obonori bidyakdung, siyang anc koyakdung
Apin moko meramlo asi siyad yadadung
Anc abuk pongka pvko jvrvkdo
abung asi bida dung.
Kombong po:lod ayemvl...
Gidmur csar saryemvl...
Ali legang yumc do
Ribi gaseng gcgela
Gomc ubon gcgela
Pobor pongkang tvnggela
Ngolu regam lc:ko:ye:



ভাবাৰ্থ-
: সংগ্ৰামৰ বতাহ :
আমি ছাত্ৰ সংগঠন
আমি সংগ্ৰামী সংগঠন
দেশৰ কাৰণে
দহৰ কাৰণে
যুঁজিম সংগ্ৰামী হৈ ।।
আমি মিচিং জাতি হ'ম চিৰজীৱী
আমি শিক্ষিত জাতি সকীয়াম কূটনীতি
আমি সংগ্ৰামী আনিম সৰ্বমুক্তি ।।

## When A Paradise is lost

***Lakshmi nath Rabha.***
*T.D.C. 1st year ,Deptt. of English.*

There's a wilting flower
right in my heart,
As you left no moisture
making it like a desert.
Now I flutter
like an arrow-striken dove,
As you've vanished in the fog
leaving no more hope.
I don't know whether
You'll come back or not,
But your memory flick my soul
Oh, it's really cold.

Now, I know it's wrong
Even to think of you,
But can I erase your face?
If so, then how..........?
Sometimes a flash emerges
making me frenzy,
And my soul flitters
leaving no way to rectify

## To An Unknown Friend

*Luna Das*

"I came, I saw, But.........
Could I conquer?
Or was I conquered?"
A Pair of steel eyes
that forms images blurred.
A lonely chin
with a clouded brow.

The well-known stone face,
That glitters with
every shy smile;
Like the blooming beauty of desert.
That bears blossoms at every tip.
Is it Love? Or illusion smiling at
Grief to cheer her up!
"I wonder," sighs
the lover of dreams
with downcast moist eyes.
Who desires to be a dew drop
Rather than a golden leaf,
Wants to be seduced............
Than vanish unnoticed.


নিচিং কবিতা

# RCNGAM ASINA : NG LOTTALO

Mg. Laikhyodhan Taye

Donyi Po:lob du: tvmvlo
Yume longcd a: tvmvlo
Ngo lckoda gvladkupc
ayang appunpc punbikupc
rcngam asina: ng lotta lottalo.

Mala mabegla:pcmang
Scmyang aiya:nc di:tengko
mc:mi: daggom mc: begmang
taniycm dcrya:n ru:namko
Mcngkinsumvlo, dungkinsumvlo
Takamcm asina:ng bimonsumvlo
Scvv:rcngama turkode
asin mc:pol dungkode.
Silo,
Taniyc asincm gcmangkolo
asin ayangcm bimangkolo
Taniyc taorpc badrobdung
Soben so:bo yurbomdung.
Dcpila,
Sidag ledudo ru: tenkumvlo
ru:ncbv lckoda ngom
Pumbikupc, Punmokupc
asin ayang appunpc
Rcngam asina:ng lotta lottalo
Rcngam asina:ng lotta lottalo.





ভাবাৰ্থ

## জনতাৰ হৃদয়ৰ চোতালে চোতালে

জোন বেলি তৰা যদি একেদৰে ৰয়
দিন গৈ ৰাতি যদি একেদৰে হয়
আহিব বিচাৰো মই আকৌ ঘূৰি
প্ৰীতিৰ ফুল হৈ উঠিম ফুলি
জনতাৰ হৃদয়ৰ চোতালে চোতালে।।
জনতাৰ হৃদয়ৰ চোতালে চোতালে।।
অলেখ বিচাৰিও তুমি নাপাবা কিজানি
ইয়াতোধিক এক ৰসাল মাটি,
অলেখ ভাবিও তুমি নোপোৱা বিচাৰি
মানৱৰ অধিক এক উত্তম সৃষ্টি।।
ভাবিব জানিলে ভবাব জানিলে
মানৱী মৰম-স্নেহ বিলাব পাৰিলে
এইখনেই ধৰা জীয়াই থকাৰ
সুখ-সম্ভোগ আৰু বিলাস-বাসনাৰ
আজি
মানৱী জঁকাত ৰিক্ত হৃদয়
আন্তৰিকতাৰ চৰম বিপৰ্যয়
মানৱে দানৱ হোৱা দেখি
ইতৰ জীৱই মাৰে বিকট হাঁহি।
সেয়ে,
পৰজনমত, পাওঁ যদি পুনৰ
নশ্বৰ দেহা এই মানৱী ৰূপতে
ফুলিব বিচাৰো আৰু ফুলাব বিচাৰো
মানৱীয় 'প্ৰীতি পুষ্প'
জনতাৰ হৃদয়ৰ চোতালে চোতালে
জনতাৰ হৃদয়ৰ চোতালে চোতালে।।



# ভিন্নছন্দ


| | | |
|---|---|---|
| অনুভৱৰ জলডাৱে মৃত্যুৰ দৰবাৰত এভুমুকি | ৰত্নোত্তমা দাস | ১২৩ |
| এটা পিষ্টল, এখন ভগা আকাশ আৰু অনিন্দিতা গোস্বামী | হিমাংশু প্ৰসাদ দাস | ১২৬ |
| মই আৰু মোৰ ছাঁৰ অনুভৱ | হিৰন্ময়ী মেধি | ১২৯ |
| জীৱনৰ কিছুমান অনুভৱৰ টুকুৰা | ঈশান জ্যোতি গগৈ | ১৩১ |
| বিষয় ঃ সমস্যা | ধনজিৎ দাস | ১৩২ |

# অনুভৱৰ জলঙাৰে মৃত্যুৰ দৰবাৰত এভুমুকি



ৰত্নোত্তমা দাস

"মৃত্যুৰ সতে কোনে কাজিয়া কৰে, জীৱনৰ সংগীত
মৃত্যুৰ সুক্ষ্মতাত শুদ্ধ, স্বৰ যাৰ ধ্বনিৰ প্ৰাকৃত উদ্ধৃতি।"

(হীৰেণ ভট্টাচাৰ্য্য, 'অপ্ৰতিদ্বন্দী')

## প্ৰসংগ ঃ মৃত্যু

মৃত্যু.... একেবাৰেহেৰাই যোৱা নে চিৰদিনৰ বাবে নোহোৱা হৈ যোৱাৰ অন্য নাম 'মৃত্যু'? যিয়েই নহওঁক, আমি নিৰ্বিবাদে মানি লওঁ- মৃত্যুৰ বিষয়ে এইটোৱেই প্ৰথম আৰু শেষ সত্য যে ই জীৱনৰ চৰম সত্য। সত্য আৰু বাস্তৱৰ পূৰ্ণ প্ৰতিফলন আৰু সম্পূৰ্ণ প্ৰকাশ ঘটে মৃত্যুত।

মৃত্যু... অনিত্য জীৱনৰ শূণ্যতাৰ নে ক্ষণভংগুৰ জীৱনৰ ক্ষণিকৰ পূৰ্ণতাৰ অনুভৱ কৰাই তোলা এক তুষাৰশীতল অনুভূতিৰ অন্য নাম 'মৃত্যু'? যিয়েই নহওঁক এই 'মৃত্যু', আমি যিদৰেই চিহ্নিত কৰো বা নকৰো এই মৃত্যুক, আমাৰ জীৱনধাৰণৰ নিৰ্দিষ্ট আৰু সীমিত কালচোৱাত চেতন বা অৱচেতন মনৰ পটত মৃত্যুচেতনা সদায়েই মূৰ্ত্ত হৈ থাকে।

...... জীৱনৰ অংগাংগীভাৱে জড়িত মৃত্যুচিন্তাৰ প্ৰাবল্য হেনো আটাইতকৈ বেছিকৈ থাকে শৈশৱত আৰু বাৰ্ধক্যত। আৰু জীৱনৰ আটাইতকৈ গৌৰৱময় বুলি ভবা আৰু উত্তাল প্ৰাণ শক্তিৰ প্ৰাচুৰ্য্যৰে ভৰা সময়খিনিত অৱগাহন কৰি অহংকাৰী যৌৱনৰ বিনয়ী অধিকাৰী মই। কোৱা হয়, এয়া হেনো মৃত্যুক পাহৰি থকাৰেই সময়। ওঁহো, মৃত্যুক পাহৰি থকা অসম্ভৱ। ময়োতো পাহৰি থকা নাই মৃত্যুক। মোৰোতো মনৰ পটত মূৰ্ত মৃত্যুচেতনা। নাই-নাই, মৃত্যুলৈ মোৰ ভয় নাই, যদিও পৃথিৱীৰ প্ৰতি সেই ৰাবীন্দ্ৰিক মোহ মোৰো আছে- " মৰিতে চাহিনা আমি এই সুন্দৰ ভুবনে......."("মৰণ, তুহু মম শ্যাম সমান" বুলি কৈয়ো ৰবীন্দ্ৰনাথেই লিখিছিল এই আপ্তবাক্যৰ দৰে হৈ পৰা বিখ্যাত শাৰীটো) মাথো মৃত্যু সম্পৰ্কে মোৰো কিছু নিজস্ব অনুভৱ আছে। (বোধকৰো সকলোৰে থাকে) মোৰ অনুভৱৰ জলঙাৰে জুমি চাব খোজো মৃত্যুৰ ৰহস্যময় দৰবাৰ।

## এনেতে জিব্ৰানৰ 'প্ৰফেট'ৰ সৈতে সাক্ষাৎ ঃ

মোৰ কোঠাৰ পৰা পোনে পোনে চালেই দেখা পোৱা যায় চেনিকুঠিৰ খ্ৰীষ্টান সমাধিক্ষেত্ৰ। খোলা খিৰিকীৰে প্ৰায়ে তন্ময় হৈ চাই ৰওঁ তাৰ শান্ত, কোমল প্ৰকৃতিৰ সেউজীয়া স্নিগ্ধতা। সোণাৰু, কৃষ্ণচূড়া, সেউজীয়া জোপোহা আৰু সেউজীয়া ঘাঁহ-বনৰ দলিচাৰে আগুৰা চিৰ প্ৰশান্ত সেই ঠাই দেখিলে কাৰুণ্যৰে সিক্ত এক স্নিগ্ধ অনুভুতিয়ে মনত দোলা দি যায়। কেতিয়াবা বুকুত অনুভৱ কৰা হয় কিবা এক শূণ্যতা, কিবা এক ৰিক্ততা.......। কিন্তু অপৈণত বয়সৰ বাবেই হওঁক বা অনুভূতি আৰু অভিজ্ঞতাৰ ন্যূনতাৰ বাবেই হওঁক, মনত মৃত্যুৰ বিষয়ে কোনো সুস্পষ্ট ধাৰণা নথকাটোৱেই স্বাভাৱিক। কিন্তু মৃত্যুৰ এৰাব নোৱাৰা চেতনাৰ এজাৰবুলীয়া ৰহস্যময়তাই মোক আচ্ছন্ন কৰি ৰাখে। তথাপি অনুভৱৰ জলঙাৰে মৃত্যুৰ দৰবাৰত এভুমুকি মাৰি চাব খোজো।

.......... এপাহ, দুপাহ, কেতিয়াবা হেজাৰ পাহ বেজাৰৰঙী এজাৰ ফুলি আকাশৰ নীলাখিনি ছানি ধৰিব খোজে আৰু তেতিয়াও খহটা পাতৰ সেউজীয়া ওৰণি নেওচি ক'ৰবাত এপাহি উজ্জ্বল সূৰুযমুখী ফুলে।

মনত মৃত্যুচেতনাৰ উপস্থিতিক অগ্ৰাহ্য কৰিব নোৱাৰোঁ। মৃত্যু-দৰবাৰৰ দুৱাৰ বিচাৰি নাপালেও অনুভৱ কৰিব খোজো মৃত্যুক। কিন্তু চিন্তাৰ আঁত হেৰুৱাই নিজৰ মাজতে নিজে মেৰ খাই যোৱাকৈ শালিকী-জোঁট লগাই পেলাওঁ। আৰু এনেতে এদিন হঠাৎ সাক্ষাৎ ঘটিল 'প্ৰফেট'ৰ সৈতে। এৰা, খলিল জিব্ৰানৰ সেই প্ৰফেট। প্ৰফেট আহি মোৰ কাষত থিয় দিছিল।

নাই, মোৰ মূঢ়তা, সীমাবদ্ধতা আৰু অসহায়তাক দেখি আৰু জানিও তেওঁ ভ্ৰূকুটি কৰা নাছিল। এক স্বৰ্গীয় জ্যোতি বিকিৰিত সৌম্য হাঁহি ফুটি উঠিছিল প্ৰফেটৰ ওঁঠত। আৰু অৰ্ফেলিছ নগৰবাসীক কোৱাৰ দৰেই গভীৰ আশ্বাসেৰে মোকো তেওঁ কৈ উঠিছিল- "তুমি যদি সঁচাকৈয়ে মৃত্যুৰ সত্তা চাব খোজা, তেনেহ'লে তোমাৰ জীৱিত দেহাটোত হিয়াখন বহলকৈ মেলি দিয়া। কিয়নো জীৱন আৰু মৰণ একেটাই, যিদৰে নদী আৰু সাগৰ একে।"

কিবা সোধাৰ আগতেই প্ৰফেটৰ কাল্পনিক অবয়ব চকুৰ আগতে শূণ্যত বিলীন হৈ গৈছিল। কিন্তু হায়.....! প্ৰফেটে ভবাতকৈও মই অধিক মূঢ়। মইতো নাজানো, কেনেকৈ হে প্ৰফেট, কেনেকৈ মই মোৰ হিয়াখন মোৰ দেহাত বহলকৈ মেলি দিম? "প্ৰফেট, প্ৰ-ফে-ট মই মৃত্যুৰ সত্তা চাব খোজো।"

## মৃত্যু, এক অৱধাৰিত সত্যৰ স্বৰূপ ঃ দ্য লাষ্ট ষ্টপেজ অৱ লাইফ

"The eye- it cannot choose but see ;
We Cannot bid the ear be still,
Our bodies feel where'er they be
Against or with our will."
(William Wordsworth, 'Expostulalion and Reply')

নোৱাৰোঁনে আমি জীৱনটোক এক পশ্চিমাভিমুখী বা অন্তৰ্মুখী যাত্ৰা বুলি অভিহিত কৰিব? গতিময় জীৱনৰ নিৰৱধি সোঁত স্তব্ধ হৈ যায় মৃত্যুতেই! জীৱন-সূৰ্য্য অস্ত যোৱা দিগন্ত ৰেখাডালেইতো মৃত্যু! এৰা মৃত্যু, Death- The last stopage of the journey of life. আমি বিচাৰো বা নিবিচাৰো মৃত্যু আহিবই। অথবা গতিময় জীৱনে নিজেই গৈ গৈ বিলীন হয়গৈ মৃত্যুত। এয়ে সত্য আৰু এই সত্য অৱধাৰিত।

"Because I couldnot stop for death

He kindly stopped for me."

(Emily Dickinson)

যুদ্ধয়ো ব্যাখ্যা কৰিছিল মৃত্যুৰ অৱধাৰিত সত্যক। অন্ততঃ মোৰ বাবে প্ৰাথমিক বিদ্যালয়তে পঢ়া বুদ্ধৰ সেই সাধুটো আছিল এই সত্যৰ স্বৰূপ বুজি পোৱাৰ আটাইতকৈ সহজবোধ্য ব্যাখ্যা।....... গাঁওখনৰ মাজেৰে পাৰ হৈ গৈছিল গৌতম বুদ্ধ আৰু এগৰাকী শোকাকুলা সদ্যসন্তানহাৰা মাতৃয়ে সেই মহাত্মাৰ চৰণ সাৱটি ধৰি কাকূতি-মিনতি কৰিছিল তেওঁৰ মৃত সন্তানটোক জীৱন দান কৰিবলৈ। তেতিয়া মহান জ্ঞানোদ্দীপ্ত বুদ্ধদেৱে কৰিছিল কি, সেই অবুজ মোহান্ধ মাতৃক কৈছিল, " তোমাৰ সন্তানক জীয়াই তুলিবলৈ মোক বাৰু প্ৰথমতে এমুঠি সৰিয়হ আনি দিয়া। সৰিয়হ মুঠি আনিবা এনেকুৱা এঘৰৰ পৰা, যাৰ ঘৰত কেতিয়াও কোনো মৰা নাই।"

Death conquers all. দুৰন্ত প্ৰতাপ এই মৃত্যুৰ। কিন্তু সামান্য মৰণশীল মানুহ হৈ আমি নিৰ্বিবাদে মৃত্যুক মানি লোৱাৰ বাদে কৰিবই বা পাৰো কি? বিজ্ঞান, চিকিৎসা-বিজ্ঞানৰ উন্নতিয়ে মৃত্যুৰ আগমণৰ তাৰিখ সামান্য পিছুৱাব পাৰিলেও ৰোধ কৰাতো জানো সম্ভৱ মৃত্যুক? মৃত্যুৰ অমোঘ শক্তিক স্বীকাৰ কৰি লৈ এই অৱধাৰিত সত্যক সহজে গ্ৰহণ কৰিবলৈ চেষ্টা কৰাটোৱেই নিশ্চয় শ্ৰেয়, যদিও ই সহজসাধ্য নহয়। সেয়ে আপোনজনক হেৰুওৱাৰ শোকত আমি ম্ৰিয়মান হৈ পৰো। আপোনজনৰ লগতে নিজৰো মৃত্যুৰ চিন্তাই আমাক কাতৰ কৰি তোলে অথচ আমাৰ জাতীয় জীৱনৰ বিবেকস্বৰূপ 'গীতা'ত বাৰম্বাৰ উল্লেখ আছে নশ্বৰ জীৱন আৰু অবিনশ্বৰ মৃত্যুৰ শাশ্বত সত্যক সহজভাৱে গ্ৰহণ কৰাৰ কথা।

"জাতস্য হি ধ্ৰুৱো মৃত্যু ঃ
ধ্ৰুৱং জন্ম মৃতস্য চ।
তস্মাদ পৰিহাৰ্য্যেহৰ্থে
ন ত্বং শোচিতুমৰ্হসি।।"
('সাংখ্যযোগ'ৰ ২৭ নং শ্লোক)
(ড° মহেন্দ্ৰ বৰাৰ অসমীয়া অনুবাদ-
"জন্মিলে মৰিব লাগে মৰিলে পুনৰ লাগে উপজিব,
মাজখিনি মাথো আত্মাৰে তৰুণ জীৱনৰ ক্ষণিক ব্যক্ততা,
জন্ম আৰু মৰণ দুয়োটা ধ্ৰুৱ
আছে জানো সেই মৰণৰ বাবে বিবাদৰ কিবা অৱকাশ?)

## মৃত্যু যেতিয়া প্ৰাত্যহিক সংবাদ ঃ

শাৰীটো হীৰুদাৰ, হীৰেণ ভট্টাচাৰ্যৰ। কি দেখি, কি ভাবিয়েই বা হীৰু দাই তেতিয়াতে লিখিছিল- "মৃত্যু যেতিয়া প্ৰাত্যহিক সংবাদ..."

নিজৰেই চৌপাশে মূৰ ডাঙি চালেই ভাব হয়, মৃত্যুচোন এতিয়াই প্ৰাত্যহিক সংবাদ! আমি বাস কৰিছো এতিয়া তেজ, ধোঁৱা আৰু বাৰুদৰ গোন্ধেৰে ভৰা এক সংকট-সময়ত। এতিয়া মৃত্যু হৈ পৰিছে 'প্ৰাত্যহিক সংবাদ'। সহজ আৰু সুলভ হৈ পৰিছে মৃত্যু। আৰু ক্ৰমে মৃত্যু ঘটিছে 'মৃত্যু'ৰ! হয়, একেজন হীৰুদায়েই "জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য" বুলি আখ্যা দিয়া নিৰ্বাণ সদৃশ সুন্দৰ, সৌম্য আৰু স্বাভাৱিক মৃত্যু ক্ৰমে দুৰ্লভ হৈ পৰিছে।

এয়া যে সংকট সময়। বৰ কঠিন, বৰ শুষ্ক। T.S. Eliot-ৰ "Waste Land"ৰ শাৰীকেইটা মনলৈ আহে -

"Here is no water, only rock
Rock and only rock, no water
And the sandy way."

শিলৰ দৰেই নিষ্প্ৰাণ যন্ত্ৰৰ যুগত আমি বাস কৰিছো। পুৱা বাতৰি কাকত মেলি মৃত্যুক প্ৰাত্যহিক সংবাদৰ ৰূপত 'ব্ৰেক ফাষ্ট টেবুল' অতে পাণ কৰিছো। কিন্তু তথাপি এচেৰেঙা আশাই বুকুত ভুমুকি মাৰে। ক'তা, এই যন্ত্ৰৰ যুগত যন্ত্ৰণাৰতো মৃত্যু হোৱা নাই। মানৱৰ চিৰন্তন সেই যন্ত্ৰণা হৃদয়ৰ যন্ত্ৰণা। নিজৰ বুকুতেই সন্তৰ্পণে কাণ উনাই কওঁ- " আছে- আছে, একেই আছে। সেই একেই চিৰন্তন দগমগীয়া কেঁচা যন্ত্ৰণা।" তেনেহ'লে চিৰন্তণ মূঢ় মানৱৰ আশাৰে নিশ্চয় মৃত্যু হোৱা নাই। এৰা, "As long as there are fools in the world, there will be hope."

(G.B. Shaw)

## মৃত্যু গচকি আনা জয় জিনি .......

"Thus that which is the most awful of evils, death is nothing to us. Since when we exist, there is not death and when there is death, we donot exist."

(Eppicurus)

মৰণশীল মানুহ মৃত্যুৰ উৰ্দ্ধলৈ উন্নীত হ'ব নোৱাৰে। কিন্তু মৃত্যুচিন্তাক চেৰাই গৈ আৰু মৃত্যুক হাঁহি হেলাৰঙে গ্ৰহণ কৰি মানুহ হ'ব পাৰে মৃত্যুঞ্জয়। কিন্তু মৃত্যুৱে, মৃত্যুৰ চিন্তাই আমাক আচ্ছন্ন কৰি ৰাখে আমৰণ।

'সাউদৰ পুতেক' বাপুকণে ( নে হোমেন বৰগোহাঞিয়ে নিজে) শৈশৱত দেউতাকৰ মৃত্যু চিন্তাত উজাগৰী ৰাতি কটাইছিল, নিজৰ 'যুৱক পিতৃ'ৰ কাষতে শুই থাকি। ন কি দহ বছৰ বয়সতে মামণি ৰয়চমৰ মনলৈও ক্ৰিনোলীন কলছৰ পানী দেখি মৃত্যুৰ চিন্তাই আহিছিল। আৰু এনেবোৰ অভিজ্ঞতা নিশ্চয় বহুতৰে জীৱনত, শৈশৱত হৈছে। (হয়, মোৰ নিজৰো হৈছিল।) শৈশৱত নিজতকৈ পিতৃ-মাতৃৰ মৃত্যুচিন্তাই বিহ্বল-বিতত কৰি ৰাখে আৰু বাৰ্দ্ধক্যত নিজৰ।

মহাকবি গ্যেটেই বোলে মাক মৃত্যু শয্যাত পৰি থাকোতে মাকে মতা স্বত্বেও যোৱা নাছিল। প্ৰিয় মাতৃৰ বিধ্বস্ত আৰু মৃত্যুৱে গ্ৰাস কৰি অনা দাৰুণভাৱে পৰাজিত মুখখন চাবলৈ গ্যেটেই সাহস সঞ্চয় কৰিব পৰা নাছিল।

তেনেহ'লে মৃত্যুৰ চিন্তাই জীৱনদশাত আমাৰ লগ নেৰে নেকি? মৃত্যুৰ চিন্তাক আমি বাদ দিব নোৱাৰোঁ। একেদৰেই বাদ দিব নোৱাৰোঁ আপোনজনৰ চিৰবিচ্ছেদৰ মৰ্মান্তিক যন্ত্ৰণা, যি বহুদিনলৈ এটুকুৰা দগমগীয়া কেঁচা ঘাঁ হৈ কলিজাত খোচা-বিন্ধা কৰি থাকে। এইবোৰ আমি বাদ দিব নোৱাৰো, অস্বীকাৰ কৰিবও নোৱাৰোঁ আৰু তেনে কৰাও অপ্ৰয়োজনীয়। মাথো আমি মৃত্যুক জন্মৰ দৰেই সহজভাৱে লোৱাৰ অবিশ্ৰান্ত চেষ্টা কৰা উচিত।

....... কিন্তু কিবা যেন এক উদাস ভাবে উৰি যোৱা চৰাইৰ সৰা পাখি এটাৰ দৰে কোমলকৈ চুই যায় মন, চুই যায় গাল, মুখ, মুদখোৱা

দুচকু.......। এনেকুৱাতে বুকুৰ শূণ্যতাত আকাশৰ ওখ সুদূৰত উৰি থকা গঙা চিলনীৰ দৰে ওপঙি ৰয় মৃত্যুৰ দৰে গভীৰ, মৃত্যুৰ দৰে করুণ মৃত্যুচেতনা.......

তথাপি জানো, মানুহ অমৃতৰ সন্তান আৰু সেয়ে মানুহেই হ'ব পাৰে মৃত্যুঞ্জয়। এনে বহু মৃত্যু আছে, যাক আকোঁৱালি মৃতক হৈ পৰে অমৰ। ত্যাগ আৰু উচৰ্গাৰ মহানতাৰে তেনে মৃতক মহীয়ান। তেনে মৃত্যুৰ সমুখত মূৰ দোৱাই ভূপেন হাজৰিকাৰ সুৰত সুৰ মিলাবৰ মন যায়-

" সেই মৃত্যু অপৰাজেয়
তেনে মৃতক নহ'লো মই কিয়......"

সেই গৰিমাময় মৃত্যু সচাঁকৈয়ে অপৰাজেয়। আৰু একেবাৰে সৰল, সাধাৰণ মৃত্যু? এটোপ এটোপকৈ এটা সহজ জীৱনৰ চিৰি সফলতাৰে অথচ সাধাৰণভাৱে বগাই গৈ শেষত স্বাভাৱিকভাৱেই নিজেই মৃত্যুৰ দুৱাৰত টুকুৰিয়াবলৈ সক্ষম হোৱাজনৰ মৃত্যুও নমস্য নহয়নে? এনেদৰে ভাবি চালে সঁচাকৈয়ে মৃত্যু মহিমাময়। আৰু মৃত্যুবিজয়ী মানৱে মৃত্যুক প্ৰাপ্য শ্ৰদ্ধা অৰ্জন কৰিও মৃত্যুৰ ওপৰত জয় সাব্যস্ত কৰিব পাৰে।

## মৃত্যু — 'ৰাগ ঃ কল্যাণ, তাল ঃ খৰমান

" অজো নিত্য ঃ শ্বাশ্বতোহয়ং পুৰাণো ন হন্যতে হন্যমানে শৰীৰে।।"
- গীতা (সাংখ্যযোগ বা ২য় অধ্যায়ৰ ২০ নং শ্লোক)
-কঠ উপনিষদ (১/২/১৬)

অমৰণ অভগান আত্মাৰ কথা ভাৰতীয় দৰ্শনত (চাৰ্বাক দৰ্শনৰ বাদে) বিস্তৃতভাৱে উল্লেখ আছে। বৌদ্ধ দৰ্শনে স্থায়ী আত্মাৰ অস্তিত্ব অস্বীকাৰ কৰে যদিও এগছ বন্তিৰ পৰা আন এগছ বন্তি জ্বলোৱাৰ দৰে এটা জীৱনে আন জীৱনৰ সূচনা কৰে বুলি ক'ব খোজে। গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে -

"অন্তৱন্ত ইমে দেহা নিত্যস্যোক্তাঃ শৰীৰিণঃ।
অনাশিনোহপ্ৰমেয়স্য তস্মাদ যুধ্যস্ব ভাৰত।।"
(২/১৬)
(ড° মহেন্দ্ৰ বৰাৰ অসমীয়া অনুবাদ -
"মৃত্যু মানে আত্মাৰ আস্থান মাথো এই শৰীৰৰ সামৰণি
আত্মা সিযে মৃত্যুহীন ধ্বংসৰ অতীত,
দেহৰ বিনাশ মানেই নহয় জানা দেহীৰো বিনাশ,
সেয়ে তুমি ধৰা অস্ত্ৰ, কৰা যুদ্ধ - নহ'ক চিন্তিত।"

সচাঁকৈয়ে মৃত্যু মানে কেৱল মাত্ৰ শৰীৰৰ সামৰণি নহয় যদি আৰুনো কি? মৃত্যুৰ লগে লগেইতো সকলো শেষ হৈ নাযায়। যদিও একেবাৰেই হেৰাই যোৱাৰ বাসনাৰ বাবেই নোহোৱা হৈ যোৱাৰ অন্য নাম মৃত্যু, ব্যক্তিৰ মৃত্যু হ'লেওতো ব্যক্তিত্ব ৰৈ যায়, ৰৈ যায় স্মৃতিৰ সজল আভাস।

এই পৃথিৱীৰ প্ৰতি মোহৰ সূচনা চাগৈ হয় ভূমিষ্ঠ হৈয়েই প্ৰথমবাৰ পৃথিৱীৰ উমাল পোহৰত স্নান কৰাৰ সেই মাহেন্দ্ৰ ক্ষণতে। অথচ তথাপি ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে 'অনুৰাধাৰ দেশ'ত লিখাৰ দৰেই কেতিয়াবা অনুভৱ কৰা হয়- "মৃত্যুৰ প্ৰলোভন কেতিয়াবা কি দুৰ্নিবাৰ!"

কিন্তু মৃত্যুৰ কোনো প্ৰলোভনেই ডাঙৰ হ'ব নোৱাৰে জীৱনৰ আগত। যাৰবাবে জীৱন সদায়েই জয়ী হয়। মনলৈ আহে হোমেন বৰগোহাঞিৰ 'অন্তৰাগ'ৰ নায়ক দিলীপৰ মনত জীৱন-মৃত্যুৰ মাজত দোলা দিয়া সেই চিৰন্তন দ্বন্দ —

"মই মৰিব খোজো, কাৰণ মৃত্যু আছে বুলিয়েই জীৱন ইমান সুন্দৰ আৰু প্ৰাৰ্থনীয়, কিন্তু মই মৰিব নোখোজো, কাৰণ মোৰ মাজত মূৰ্ত হৈ উঠা চৈতন্যৰ চিৰবিলুপ্তি মই কেতিয়াও নিবিচাৰো।"

আকৌ দিলীপৰ চিন্তাত উদ্ভাসিত হৈ উঠে দৰ্শন- "মৰণৰ পাছত মোৰ দেহাটো মাটিৰ লগত সমূলি নিহলি হৈ যাব হয়, কিন্তু সিটো চিৰকাল মাটি হৈ নাথাকে। পৃথিৱীৰ গৰ্ভৰ পৰা মই আকৌ এদিন ওলাই আহিম এডাল ঘাঁহ হৈ, এটা ফৰিং হৈ, এপাহ কপৌফুল হৈ, এখন নৈ হৈ- ঋতুচক্ৰৰ অন্তহীন আবৰ্তনৰ মাজেৰে ময়ো অনন্তকাল ধৰি অংশ লৈ থাকিম অন্তহীন প্ৰকৃতিৰ বিচিত্ৰলীলাত।"

শইচৰ দৰেই সুন্দৰ এই জীৱন। মাটিৰ বুকুত গজা শস্যবীজ এদিন গঁজালিৰ পৰা গছ হয়। সেউজীয়াৰ পৰা সোণোৱালী হয় আৰু হালধীয়া নৰানি হৈ অপেক্ষা কৰে পুনৰ বৰষুণেৰে সিক্ত পথাৰৰ বুকু চহ কৰালৈ।........ পূৰঠ পকা ফল গছে গম নোপোৱাকৈ নীৰৱে সৰাৰ দৰে জীৱনো এদিন নিঃশব্দে সৰি পৰে শূণ্যতাৰ হাতৰ পৰা। কিন্তু সৰি পৰা ফল বা বীজৰেইতো অংকুৰণ হয় আৰু সেই অংকুৰেই এদিন সুবিশাল মহীৰূহ হয়গৈ।


'শস্যমিৱ মৰ্ত্যঃ পচ্যতে শস্যমিৱজায়তে পুনঃ।"
(কঠ উপনিষদ ১/১/১৬)

(মৰণশীলজন শস্যৰ নিচিনাকৈ পচে, শস্যৰ নিচিনাকৈয়ে আকৌ গজি উঠে।')

........... প্ৰেম, দয়া আৰু ক্ষমাৰ বাণী বিলাই জীৱনক সুন্দৰ কৰাৰ অপৰাধত (!) এদিন কাঁইটৰ মুকুট পিন্ধোৱা হৈছিল 'ভগৱানৰ পুত্ৰ'ক। যীশুক ক্ৰুছত দিয়া হৈছিল। কিন্তু য'ত নেকি মৰণশীল মানুহেই বহুক্ষেত্ৰত অমৰ হ'ব পাৰে, সেই মহান আত্মাক জানো মৃত্যুৰ তুচ্ছতাৰে বান্ধিব পাৰি। যীশু মানুহৰ মাজত, মানবীয়তাৰ মাজত অমৰ। .... জীৱন নাটৰ অন্তিম পৰ্ব কল্যাণ ৰাগ আৰু খৰমান তালত গোৱা মৃত্যু-সংগীত প্ৰতিধ্বনিত হ'লে বুকুৰ গভীৰৰ পৰা যেন প্ৰাচীন গীৰ্জাৰ ৰৈ ৰৈ বজা ঘন্টাধ্বনিৰ দৰে ওলাই আহে যীশুৰ সেই অমৰ আশাবাদী বাণী — "I must fall and die like a karnel of wheat that falls into the sorrows of the earth. Unless I die, I'll be alone- a single seed. But my death will produce many new fruit karnel - a plenifeel harvest of new lives."

পুচ্ছখণ্ড ঃ

অনুভূতি আৰু অভিজ্ঞতাৰ ন্যূনতাৰ বাবেই কিজানি মৃত্যুৰ বিষয়ে মোৰ অনুভৱৰাশি প্ৰকাশত মোৰ কলম অপাৰগ। তথাপি সামান্য অনুভৱৰ সূক্ষ্ম জলঙাৰে মৃত্যুৰ দৰবাৰত এভুমুকি মাৰি নিৰ্বিবাদে কওঁ ঃ



"হে মৃত্যু, গৰিমাময় হে শ্বাশ্বত সত্য,
তোমাক নমস্কাৰ।" ●

ভিন্ন ছন্দ

# এটা পিষ্টল, এখন ভগা আকাশ আৰু অনিন্দিতা গোস্বামী

হিমাংশু প্ৰসাদ দাস



**এটা প্ৰেমৰ কবিতা**
তোমাৰ বুকুৰ টৌত থৌকি বাথৌ
মোৰ হাঁহিৰ জাহাজ অ' অনিন্দিতা
তুমি চুই দিলে লাজুকীলতা
তোমাৰ ৰ'দালী হাঁহিত
অ' সপোনকুঁৱৰী মই কুমজেলেকুৱা।

সপোন বিলাসী জগলীয়া পাৰৰ অযৰী ল'ৰা মই
অত্যাচাৰৰ পৃথিৱীত ঈশ্বৰৰ বিৰুদ্ধে ঘোষণা কৰো জেহাদ
কোনে আহি মোহাৰি যায় মোৰ স্বপ্নৰ সেউজ বাগিছা
তিৰাশীৰ জুইত পুৰিছিল নে তোমাৰ দেউতাৰৰ সপোনবোৰ অথবা
উনাশীত নিৰুদ্দেশ হৈছিল নে তোমাৰ চহৰৰ বুলেটক ভয় নকৰা
স্বাধীনতাৰ কোনো মাতাল প্ৰেমিক।


অ' অনিন্দিতা, মোৰ মৰমৰ
তোমাৰ হাঁহিৰ জুৰণীয়া বতাহত বুৰি থাকিবলৈ দিয়া মোক
তোমাৰ চুলিৰ শীতল ছাঁয়াত জিৰাবলৈ দিয়া
তোমাৰ স্পৰ্শৰে পুৰি নিয়া মোক
তোমাৰ মৰমেৰে জীয়াই থাকিবলৈ দিয়া
গলি গলি তোমাতে নিঃশেষ হ'বলৈ দিয়া।

অ' অনিন্দিতা, মোৰ যে কিমান হেঁপাহ
সিঁচিবলৈ তোমাৰ ওঁঠত মোৰ দিগন্তজোৰা অভিমান
ভাগৰি পৰিলে বুলাই দিবানে তোমাৰ পাঁজিসোৰিয়া আঙুলি
মোৰ অস্থিৰ চুলিৰ মাজত
মই যে এখন হাতেৰে পথাৰ খামুচি
আনখন হাতেৰে সূৰ্য চুব খোজো
বিৰিঙাব খোজো অমল হাঁহি
ফুটপাথৰ অনাহাৰী মানুহৰ মুখত।

দুখৰ বতাহক সাক্ষী কৰি মইতো যাম গুছি
খান্দিবলৈ পাপৰ পৃথিৱীত প্ৰেমৰ পুখুৰী
পথাৰৰ হালধীয়াত সাঁতুৰিবলৈ
এদিন তুমিও দলিয়াই দিবানে
সংস্কাৰৰ মলিয়ন পোছাকবোৰ

## পৃথিৱীত প্ৰেম নাই, প্ৰেমৰ ধাৰণাহে আছে

কোনোবাই কৈছিল আমি হেনো কোনো ল'ৰা বা ছোৱালীৰ প্ৰেমত নপৰো, প্ৰেমত পৰো সেই ল'ৰা বা ছোৱালীজনীৰ সম্বন্ধে থকা ধাৰণাৰহে। মই কেতিয়াবা ভাবো অনিন্দিতা, কিয় মই তোমাৰ প্ৰেমত বাট হেৰুৱাইছিলো, কিয় জোনাকী পৰুৱাৰ পোহৰকে মই জোনাক বুলি ভুল কৰিছিলো। কিয়, কিয় একেখন নদীতে দুবাৰ গা ধুব নোৱাৰি বুলি জানিও মই স্নান কৰিব বিচাৰিছিলো তোমাৰ বুকুৰ উত্তাল জলপ্ৰপাতত। কেতিয়াবা ভাবো যিবোৰ দুখৰ বাবে, যিবোৰ যন্ত্ৰণাৰ বাবে, যিবোৰ অসহ্য হাহাকাৰৰ বাবে জীৱন কেতিয়াবা হৈ পৰে উদং চকুপানীৰ শুকান নিৰ্জীৱ এক মৰুভূমি তাক জানো আমিয়েই জানি বুজিও মাতি নানো সুখৰ মৰীচিকা খেদি। আকৌ ভাবো দুখক আলিঙ্গন কৰিবৰ বাবে আমাৰ যি এয়া নিৰ্বোধ যাত্ৰা, তাৰ প্ৰতিটো খোজতেই জানো লুকাই নাথাকে জীৱনৰ গতি। আচলতে দুখৰ যি অভিজ্ঞতা আছে সেয়া সুখৰ নাই। কিন্তু মই তো সহস্ৰ ধুমুহাৰ অভিজ্ঞতাৰে অভিজ্ঞ হৈ জীৱনৰ বিজ্ঞ দাৰ্শনিক হ'বলৈ তোমাৰ ভালপোৱাৰ বাবে আকুল হোৱা নাছিলো। মই তোমাক বিচাৰিছিলো, তোমাৰ ভালপোৱা বিচাৰিছিলো। মই বিচৰা নাছিলো যে তুমি মোৰ বাবে এৰি থৈ যাবা এটা অসুখৰ কবিতা, মৰমৰ, খুব মৰমৰ উপহাৰস্বৰূপে। বিশখন কলিঙ্গ পাৰ হৈ আজি আত্মগ্লানিৰ ৰাতি মই নিজৰ প্ৰতি থকা অজস্ৰ অভিযোগেৰে নিজকে নিজে ৰক্তাক্ত কৰিছো.... প্ৰথম দেখাতেই তোমাক ভাল লাগিছিল। তোমাৰ মায়াময় দুচকুত মই সুখৰ মুদ্ৰা এটা বিচাৰি পাইছিলো। আকৌ এবাৰ জীৱনৰ বিলাসী প্ৰেমিক হোৱাৰ দুঃসাহস কৰিছিলো। মোৰ জীৱনৰ অংকত তুমি এটা নতুন সমীকৰণ হৈ আহিছিলা। আৰু এটা উত্তৰৰ সন্ধানত ব্যস্ত হৈ পৰিছিল আঙুলিবোৰ। সেয়ে লিখিছিলো তোমালৈ চিঠি, জীৱনৰ প্ৰথম প্ৰেমৰ চিঠি। আস! তোমালৈ মই সুখৰ সাতখলপীয়া তাজমহল সজাৰ সপোন দেখিছিলো। শীতৰ শুকান দিনবোৰৰ পিছত জীৱনক সজাব বিচাৰিছিলো আযোণৰ পথাৰৰ দৰে। হায়ৰে...... দুখৰ উৎসৱ পাতিবলৈ কিযে ব্যাপক আয়োজন। ......... লিখিছিলো, হৃদয়ৰ টোপ টোপ আবেগেৰে লিখিছিলো সেই চিঠি-



## ইতিৰ সীমনাত তোমাৰ মৰমৰ

অনিন্দিতা মৰমৰ,

কুশলেতো আছা চাগে তুমি। বৰ তীব্ৰ হৈ পৰিছে মোৰ ওঁঠৰ সেই প্ৰাচীন পিয়াহ। এই যন্ত্ৰণাবোৰেই বৰ সাহসী কৰি তুলিছে মোক। সেয়ে মোৰ দুচকুৰ সুপ্ত দেওলগা পুখুৰীত নামিবলৈ মই সাজুহৈ উঠিছো।

কথাবোৰ আৰু তোমাৰ বুজিবলৈ বাকী নাই। আৰু ময়ো ইমান নিৰ্বোধ নহয়, তোমাৰ সমস্ত উত্তৰৰ সাৰাৰ্থ বুজিবলে। তথাপিতো কওঁ মই তোমাক ভালপাওঁ অনিন্দিতা। মই তোমাক বিচাৰো। (I adore you) তোমাৰ প্ৰতি থকা ভালপোৱাবোৰৰ ভাঁজে ভাঁজে এক ধৰণৰ শ্ৰদ্ধাও লুকাই আছে। আচলতে যি মৰমত শ্ৰদ্ধা নাথাকে বা যি শ্ৰদ্ধাত মৰম নাথাকে সেয়া বৰ ঠুনুকা হৈ পৰে। মই জানো তুমি উচ্চবংশৰ ছোৱালী আৰু তোমাক পাবৰ বাবে মই কোনোদিন তোমাৰ সংস্কাৰে তৈয়াৰ কৰা সেই উচ্চতাত থিয় হ'ব নোৱাৰো বা মোৰ কোনো ইচ্ছাও নাই। যি মূহুৰ্ত্তত মই তোমাৰ প্ৰেমত পৰিছিলো সেই মূহুৰ্তত মই অংক কৰা নাছিলো যে এদিন তোমাৰ সেঁওতাত মই সেন্দুৰীয়া সপোন এটা আঁকিব পাৰিম নে নোৱাৰিম। তোমাৰ মনত আছেনে দুয়ো কথাপাতি এদিন ৰাস্তাৰে গৈ থাকোতে তুমিযে হঠাৎ পিছল খাই পৰিছিলা। কিন কিনকৈ বৰষুণ দিছিল সিদিনা। তুমিযে খামোচি ধৰিছিলা মোৰ হাতত। যদি তুমি মোক বুজি পোৱা, যদি মই পঢ়িব পাৰো তুমি নামৰ মহাকাব্য খনৰ সমস্ত পৃষ্ঠা। জীৱন বাটত দুয়ো পিছলি নপৰাকৈ কিয় হ'ব নোৱাৰিম ইজনে সিজনৰ সহযাত্ৰী।

মই কেনেকৈ সহ্য কৰিম কোৱা, তুমি আনৰ হৈ যোৱাতো, কোৱা। মোৰ অনুভূতিৰ মজিয়াত তুমিয়েইতো আঁকিছিলা ছবিবোৰ আৰু আঁকিছিলা

পানীৰ কলকল শব্দ। অথচ আজি কৈছা তুমি নাজানা নদীৰ ঠিকনা। জানা, বৰ দুখত আছো এতিয়া, এবাৰ চুই চোৱাচোন মোৰ বুকুৰ ঘাবোৰ।.......

## কিয় জানো এনেকুৱা হয় ঃ

মই জানো তুমি নিষ্ঠুৰ নোহোৱা। হ'ব নোৱাৰা। তুমি মোৰ প্ৰতি কৰা প্ৰতিটো আচৰণ কেৱল অভিনয় আৰু তোমাৰ পৰিচালক এই সমাজখন। তুমি জীৱন আৰু বাস্তৱৰ পৰা পলাই যাব খুজিছা দুখৰ আকাশ নাচাই তুমি যাবা কলৈ। য'তেই থিয় হোৱা, মুৰ তুলি চালেই দেখিবা চকুৰ আগতে একেখন আকাশ দুফাল হৈ যোৱা বিদীৰ্ণ ছবি। এই পৃথিৱীখনৰ মাজতেই আমি থাকিব লাগিব। মই কিন্তু ঠিক কৰিছো অনিন্দিতা মই সলনি নহওঁ। প্ৰয়োজনত এই পৃথিৱীখনকে সলনি কৰি ল'ম। হাঁহিৰ বাবে কিয় অভিনয় কৰিব লাগে। যিবোৰ মানুহৰ চন্দুকত বন্দী হৈ আছে আমাৰ প্ৰাপ্য হাঁহিবোৰ, পৃথিৱীৰ আটাইতকৈ কঠিন বান্ধোন খুলি হ'লেও তাকে মোকলাই আমি আনিমেই।

ভালকৈ গমি চালে দেখিবা মাত্ৰ কেইজনমান মানুহৰ বাবেই এই সমস্ত হাঁহাকাৰবোৰ। সকলো জানি বুজিও কিয় অস্থিৰ হৈ পৰো। কিয় থাকিব লাগে একেখন পৃথিৱীতে এখন নিউয়ৰ্ক এখন চোমালিয়া। কিয়? কিয় সমান ভাবে বিতৰণ কৰা নহ'ল পৃথিৱীৰ সম্পদ। লঘোণে ভোকে টোপনি যোৱা অজস্ৰ শিশুৰ ওঠৰ হাঁহি কাঢ়ি কোনবোৰ মানুহ সুখী হব বিচাৰে। আচলতে পৃথিৱীত সুখৰ আকাল হোৱা নাছিল। কেৱল কিছুমান মানুহে সুখৰ উদ্বৃত বিচাৰে। আৰু সমস্ত খেলিমেলিৰ আৰম্ভণি ইয়াৰ পৰাই। কিছুমানক সকলোবোৰ লাগে আৰু আনকিছুমানে জীৱনৰ বাবে উশাহ বেছি উশাহ কিনিব লাগে। শত চিন্ন বস্ত্ৰৰ মাজত মাতৃৰ কোলায়ে কোলায়ে শীতৰ অযুত ঠেৰেঙা ৰাতি। অনিন্দিতা তুমি তাজমহল দেখিছা, দেখা নাই প্ৰতিটো বগা মাৰ্বলৰ হেজাৰ কলঙ্ক আৰু তাত অঙ্কিত হেজাৰ জন নিষ্পেষিত শ্ৰমিকৰ তেজ আৰু ঘামৰ ক'লাজ। সেয়ে আমি বুজি উঠিছো অনিন্দিতা, যিদৰে ৰজা সকলে নিজ স্বাৰ্থ আৰু ভোগ-বিলাসত মত্ত হৈ জননীক বলাৎকাৰ কৰে, সেই জননীয়ে প্ৰসৱ কৰে কংস বধৰ বাবে দৈৱকীৰ অষ্টম সন্তান। 'গেলিলিঅ'ক হত্যা কৰিব পৰা যায়। কিন্তু এক মাইক্ৰ ছেকেণ্ডৰ বাবেও স্তব্ধ কৰিব নোৱাৰি পৃথিৱীৰ গতি। সত্য যি সেয়া স্বাচ্ছন্দ্য। এই অন্যায়বোৰৰ এদিন অন্ত পৰিবই। যিবোৰে আনৰ হাঁহি কাঢ়ি নিজ চন্দুকত সঞ্চয় কৰি সুখী হব বিচাৰে এদিন তেওঁলোকক ঘেৰাও কৰা হবই সেই মানুহবোৰৰ দ্বাৰা, যাৰ হাঁহি নিৰুদিষ্ট হৈছিল প্ৰস্তৰ সময়ৰ কুৰুক্ষেত্ৰত।

## মোক এটা পিস্তল দিয়া

সঁচা কথা, আকৌ এবাৰ আৰম্ভ কৰিব মন যায় জীৱন তোমাক দেখা সেই প্ৰথম দিনটোৰ পৰা। বহুত কথা বৈ গ'ল তোমাক ক'বলৈ। তুমি যি গ'লা এবাৰো উভতি নাচালা। বুকুৰ মাজত তাৰেই অস্ফুট চিৎকাৰ। এটা সন্ধ্যা তোমাৰ স'তে কটোৱাৰ হেঁপাহ, ঠিক আগৰ অনিন্দিতাজনীৰ দৰে। ক'ত লগ হবা? দীঘলীপাৰ, চানক্লাৱাৰনে নেহেৰু পাৰ্ক? মোৰ ভাল নালাগে বিলাস তাতকৈ ভাল ফুটপাথ।? জুখিব পাৰি জীৱন, শিকিব পাৰি ভোৰৰ গান। মেঘত ঘৰপতা মোৰ বিলাস নাই। মাটিয়েই মোৰ আপোন। সিচিব পাৰি শইচ, গজাব পাৰি জীৱন। মাটিৰ প্ৰেমত নিষিদ্ধ মোৰ সহোদৰ।

*যি মুহূৰ্তত মই তোমাৰ প্ৰেমত পৰিছিলো সেই মুহূৰ্তত মই অংক কৰা নাছিলো যে এদিন তোমাৰ সেঁওতাত মই সেন্দুৰীয়া সপোন এটা আঁকিব পাৰিম নে নোৱাৰিম। তোমাৰ মনত আছেনে দুয়ো কথাপাতি এদিন ৰাস্তাৰে গৈ থাকোতে তুমিযে হঠাৎ পিছল খাই পৰিছিলা। কিন্তু কিনকৈ বৰষুণ দিছিল সিদিনা। তুমিযে খামোচি ধৰিছিলা মোৰ হাতত। যদি তুমি মোক বুজি পোৱা, যদি মই পঢ়িব পাৰো তুমি নামৰ মহাকাব্য খনৰ সমস্ত পৃষ্ঠা। জীৱন বাটত দুয়ো পিছলি নপৰাকৈ কিয় হ'ব নোৱাৰিম ইজনে সিজনৰ সহযাত্ৰী।*

ভূটানৰ পাহাৰত স্বাধীনতাৰ হিয়া দিয়া নিয়া। তুমি কেতিয়াবা জোনটোক ৰুটি বুলি ভাবিছানে? মই ভাবো। তুমিও ভাবিবা। জোনক ৰুটি বুলি ভবা মানুহৰ বাবেই মই শব্দৰ মেলা পাতো। শব্দৰ উৎসৱত তুমি হাঁহিৰ পতাকা উৰাবা। কিবা ক'বা? কোৱা। খুলি দিয়া তোমাৰ বুকুৰ মিডিয়া। কি বুলি মাতিবা মোক শ্বাহৰুখ, ৰবচন নে ডান্টে? তুমি কেতিয়াবা শুনিছানে পশ্চিমীয়া মিডিয়াৰ সাধু। বেইমান মাৰ্ক্স, লম্পট লেনিন, চুঁৰবৰ বাচ্চা মাও চে তুং। শুকান গছবোৰক কৈ দিবা আমিয়ে বসন্তৰ সেই ধুমুহা।

তোমাৰ পৰা উভতনি মোৰ এই যাত্ৰাৰ শেষ ক'ত? ঠন ঠনাই ভাগিযোৱা সপোন সামৰি মই কি কেৱল বিষাদৰ গান গাম। মই কি আত্মসমৰ্পন কৰিম অন্ধকাৰৰ ওচৰত। মদ-খাই কি লিখিম মই ব্যৰ্থ প্ৰেমৰ নিলাজ স্তৱক। মইতো বিশ্বাস কৰো প্ৰতিজন প্ৰেমিকেই বিপ্লৱৰ অগ্ৰণী সৈনিক। তোমাৰ পৰা ওভতনি এই যাত্ৰা সত্যৰ ওচৰলে, প্ৰেমৰ ওচৰলে, জীৱনৰ ওচৰলে। তুমি ভাল নাপালেও মইতো জীয়াই থাকিব লাগিব অনিন্দিতা। তেত্ৰিশ কোটি অনাহাৰী মানুহৰ বাবে। তুমি ভাল নাপালেও মই জীয়াই থাকিমেই মাতৃৰ কোলাই কোলাই শুই থকা ভোকাতুৰ সেই ৰাতিপুৱাবোৰৰ বাবে। জীয়াই থাকিম, জীয়াই থাকিবই লাগিব সেই মানুহবোৰৰ বাবে যাৰ শোষণত ক'লা পৰা ছাল। যি দেশত বানপানীত উটি যায় পথাৰ, কৃষকৰ হেঁপাহ তাত তোমাৰ টোপ টোপ হাঁহিৰ বাৰিষা নহ'লেও হ'ব। বাৰুদৰ ধোঁৱাই আৱৰা এই পৃথিৱীত তোমাৰ বিজুলী চাৱনি নহ'লেও চলি যাব অনিন্দিতা। মোক মাথো এটা পিস্তল লাগে। মোক হত্যাকাৰী হ'বলে দিয়া। নৃশংস হ'বলে দিয়া। জ্বলাই দিওঁ এই অপ্ৰেমী পৃথিৱী। অনিন্দিতা তুমি জানা নেকি এটা ভাল পিস্তলৰ দাম কিমান?

**পুনশ্চ ঃ মই তোমাৰ প্ৰেমিক অনিন্দিতা**

ভুল নুবুজিবা অনিন্দিতা, যুদ্ধৰ কথা ক'লেও মই সেই প্ৰাচীন প্ৰেমিকজনেই তোমাৰ। কোনো প্ৰেমিকেই সহ্য কৰিব নোৱাৰে অত্যাচাৰ আৰু অন্যায়। প্ৰতিজন প্ৰেমিকেই একো একোজন বিদ্ৰোহী। কলমৰ দুহাতত পিস্তল লৈয়ো মই তোমাৰ বাবে সাজিব পাৰো মৃন্ময় এখন প্ৰেমৰ ঘৰ। তোমাক এসাগৰ ভাল পাব পৰা মই তোমাৰ প্ৰেমিক অনিন্দিতা.....

(অসমাপ্ত)

# মই আৰু মোৰ ছাঁৰ অনুভৱ

**মই জ্বালামুখী, মই কৃষ্ণা-কাবেৰী ঃ**

হিৰন্ময়ী মেধি

(১)

পাতনিত ঃ এই ধৰা তোমাৰ নামটো

নীলাভ - আকাশ - প্ৰান্তিক - সাগৰ ....................

শিৰোনামাত ঃ মৃত্যুৰ উন্মাদ পাণশালা, য'ত বেঙুনীয়া হৈ ৰয় আলাপ। ৰক্তাবৃত সমাধিৰ বুকুফালি মই ঐশ্বৰ্য্য-বৈভৱ-সৌন্দৰ্য্য-সংস্কৃতিৰ প্ৰতিৰূপ হয় হয়, তুমি ঠিকেই ধৰিছা মই কেতিয়াবা জ্বালামুখী আৰু কেতিয়াবা কৃষ্ণা-কাবেৰী।

অলপ অশ্ৰুঃ অলপ হাঁহিঃ অলপ নুবুজা সাঁথৰঃ

নাই নাই, মোৰ কথা আজি নকওঁ,

ক'বলৈযে মোৰ কথাবোৰৰ মৃত্যু হ'ল তেনে নহয় কিন্তু তুমি আজি বতাহৰ প্ৰেমত বাৰ্ককেয়ে মাতাল হৈ আহিছা এতিয়া,

ভদ্‌কাত তন্ময় মেৰুদণ্ডহীন বৃদ্ধ সময় আৰু জীৱনৰ বৃদ্ধা সন্ধিয়া, বিধ্বংসতাৰ মাজত এটা পংগু ঠিকনা (হেৰুৱাই হেৰুৱাই যাৰ হালধীয়াৰ পৰা সেউজীয়া কৰিব খোজা ঘৰ) মৃত্যুৰ মাজত নিৰৱতাৰ এটা ক্ৰুদ্ধ বিননি -

যেন মোৰ প্ৰত্যেকটো কম্পিত নিশাহৰ ঢৌ।

(২)

ছিঃ তুমি এনেদৰে তোমাৰ স্বপ্নাতুৰ ওঁঠেৰে সুৰসুৰনি তুলি পৃথিৱীৰ শ্ৰেষ্ঠতম সুৰীয়া আবেলিটোৰে মোৰ লজ্জাভৰণ আকুলতাক মেৰিয়াই ধৰিছা যে সাপৰ দৰে?

হৃদয়ৰ সমুখত পিকেটিং কৰি, হৃদয়ৰ দালাল হৈ তুমি মোক দালান সাজি নিদিলেও হ'ব। দেহাৰ বুভুক্ষাত যৌৱন জ্বলাৰ বিপক্ষে তুমি জেহাদ ঘোষণা কৰাটোকে মই বিচাৰো।

(মই ক্ৰমান্বয়ে জ্বালামুখী হৈ পৰো।)

তুমি ছিদ্ৰহীন গভীৰ নিৰ্লজ্জতাত সেমেকা সেমেকা ৰঙেৰে যেতিয়া অনুভৱৰ করুণ কেনভাচত বাংময় সন্ধিয়াৰ সুৰ এটা আঁকা মই তোমাৰ প্ৰতিটো নিশ্বাস সংগ্ৰহ কৰি

আকাশৰ বুকু ছাইৰঙী কৰো।

তোমাৰ দুনয়নৰ সমস্ত লহমা আনি প্ৰগাঢ় প্ৰলেপেৰে গোটেই সাগৰখন নীলা কৰি পেলাওঁ

তেতিয়া তোমাৰ দৃষ্টিৰ প্ৰতিটো স্পৰ্শই মোৰ আশাবোৰক ৰুগীয়া বতাহ কৰি যায়। পাহোৱাল দুপৰীয়াই সাৱধান কৰি যায়, "মোৰ কাষলৈ নাহিবা, আকাশ-বতাহ-মাটি-পানীৰ সতে মোৰ কোনো চিনাকি নাই।" আকৌ এটা নিসংগ আবেলিৰ ত্ৰাসত মই ভিতৰি ভিতৰি ক্ৰমান্বয়ে কোঁচ খাই আহোঁ।

(৩)

মই বাট এটা বিচাৰো

ঠিক তোমাৰ কপালৰ নিমজ বাটটোৰ দৰে

যিটোৰে আবেলি আবেলি মই অহা যোৱা কৰিছিলো ফুল সিঁচি সিঁচি, যিয়ে এদিন মোক উচটাইছিল বিশলতাৰ স্থৱিৰ প্ৰেমক বিপথে নিবাল তোমাৰ আইৰ পদূলিৰ আগে-পিছে থকা বহল পথাৰ দুখনিত হোৱা ভাওনা চাবলৈ ৰাতিয়ে যেতিয়া তোমাৰ বোকোচাতে ৰাতিটো কটায়, তুমি নজনাকে তেওঁ মোক কৈ যায়,

পুবেৰুন হৃদ্যতা আৰু মানৱীয়তাৰ মুক্তি স্বপ্নেৰে

এটি নিবিদ্ধ নদীৰ বিক্ষুব্ধ অভিৰতিৰ কাহিনী আৰু

মেঘ বিদীৰ্ণ উঁকিৰে হাত-ভৰি জৰাজীৰ্ণ হোৱা এটি ঠিকনাৰ ঠিকনা।

তাৰ পিছত,

মোৰ উদং বাউসীত লাগি ৰয় তোমাৰ কুহুমীয়া নিশ্বাসৰ উচুপনি বুকুত এবুকু উষ্ণতা ভৰা হুমুনিয়াহ, অনুভৱৰ কুঁৱলীয়া অৰুণিমা। তোমাৰ বহল ঘাঁহনিডৰাৰ প্ৰতিজোপা কঁহুৱাই মোক সুধি যায় তুমি পাৰিবা নেকি মোৰ ডাং-দিয়া দুৱাৰত হাত থৈ বাহিৰৰ পৰা সহ্য কৰিব ভিতৰত ডাৱৰ আৰু বিজুলীৰ প্ৰত্যেকটো তাচ্ছিল্য? তোমাৰ দুহাতৰ জোনাকৰ আবিৰেৰে যেতিয়া মোৰ শেতেলীখন শেতাই পেলোৱা, মোৰ ঐক্যতানত নাচি থকা পেণ্ডুলামটোৱে খণ্ডতে নিহালীখন নেফানেফ কৰে।

তুমি গৈ আছাযে দূৰলৈ? অ' তুমিতো জানা মোৰ বুকুয়ে পিঠিয়ে বাঁহ লোৱা কবিতাবোৰ লাভাত পৰিণত হৈ আহিছে।

শুনা, এ ..... ই ...... ই .........

মই তোমাৰ বাবে চোলা এটা আনিছিলো, তেজ আৰু ঘামৰ দাগলগা, হালধীয়া সুবাস আৰু শূণ্যতাই লাজত মুখ ঢাকিব পৰা, ফিটিকি যোৱা ধূসৰ

..........

**প্ৰত্যয় পুষ্ট অনুৰোধ ঃ**

মোৰ অন্তহীন বিষাদ আৰু কাৰুণ্যক উপহাস নকৰিবা জনাইতো, মোৰ বিহাৰ ভাজত হেজাৰটা প্ৰতিতীৰ প্ৰাণস্পন্দন মোক শান্তি স্নিগ্ধতা কিম্বা মধুৰতা বুলিও নাভাবিবা

মোৰ বুকুতে পৃথিৱীৰ সমস্ত শ্যামলীমা আৰু জটিলতা।

পটান্তৰত ঃ

মইতো আগ্নেয়গিৰি নহওঁ কিম্বা কৃষ্ণা-কাবেৰী

তেনেহলে মোৰ নাম?

এন্ধাৰ আউসী জোনাকী বতাহ ইত্যাদি

মোৰ ঠিকনাটো জানাই নিশ্চয়

নহ'লেবা সুধি সুধি আহিবা

হৃদয় আৰু সময়ৰ গাওঁখনিৰ পৰা এক ক্ৰোশ দূৰৈৰ সেউজীয়া সপোনৰ বুকুলৈ ...........

**আকাশৰ সৈতে এটি আবেলি ঃ**

মই আৰু একো ক'বলগীয়া হোৱা নাছিল। আকাশ আহিব বুলিয়েই মই অপেক্ষা কৰি আছিলো

শুক্লেশ্বৰ ঘাটৰ ঘাঁহনিডৰাৰ মাজৰ সেই পকী বেঞ্চখনত আবেলিটো ক্ৰমান্বয়ে পুৰঠ হৈ আহিছিল। নাৱৰীয়া এজনে ব'ঠা কোবাই নাওএখন ব্ৰহ্মপুত্ৰৰ মাজলৈ ঠেলি আছিল, লক্ষ্য হয়তো সিপাৰলৈ। ধীৰ গতিত নাওখন আগবাঢ়িছিল। মই কিছুমান অৰ্থহীন চিন্তাত ডুব যাব ধৰিছিলো। এব'ঠা দুব'ঠাকৈ আগবাঢ়িব লাগিছিল নাওখন। নাৱৰীয়া জনৰ ঘৰ্মাক্ত দেহটো আবেলিৰ সোনোৱালী ৰ'দে জিলিকাই তুলিছিল। বঠাৰ প্ৰত্যেকটো চপ্ চপ্ শব্দই মোৰ দেহ-মন-জিকাৰ খুৱাই তুলিছিল। নাওখনৰ সোঁৱে-বাৱে বুকুৱে-পিঠিয়ে যেন মোৰ ঘৰ পৰিয়ালবোৰ আৰু নাৱৰীয়াজন যেন স্বয়ং মোৰ দেউতা কিয় জানো মোৰ অনুভৱটো গাঢ় হৈ আহিব ধৰিছিল; বুকুখনত গধুৰ কিবা এটাৰ প্ৰচণ্ড হেঁচা অনুভৱ কৰিছিলো। সূৰ্য্যাস্ত চোৱাৰ লোভত, আকাশ হেঙুলীয়া হোৱা দেখাৰ লোভত, সূৰ্য্যলৈ যাব পৰা (?) বাটটো দেখাৰ লোভত বহি থকা মই জনী, আকাশে নীলা কামিজটো পিন্ধি থাকোতেই গুছি আহিছিলো। মনে মনে যে আকাশক কিমানবাৰ কৈছিলো, "মোক তোমাৰ দৰে গঢ়ি তোলা আকাশ উদাৰ স্থিৰ ভাৱলেশহীন, মই তোমাক অনুৰোধ কিৰছো।" ওঁহো, আকাশে মোৰ কথা শুনাই নাছিল। কোনেও নুবুজে কিয়, মই কিয় ক'তো শান্তিৰে থাকিব নোৱাৰো কিয় মোৰ হৃদয়খন অনবৰতে কিছুমান আতংক আৰু অজান অশংকাই পহৰা দি থাকিব লাগে? কিয় মই সকলোৰে পৰা পলাই ফুৰিব বিচাৰো? ইমানজনী হ'লোহি কিয় এতিয়াও মা-দেউতাই ভাত-কাপোৰৰ যোগান ধৰিব লাগে? চব কিয়বোৰে যেন মোৰ মূৰতো এফালৰ পৰা চোবাই গুড়ি কৰি দিব ঠিক তেনেকুৱা লাগে মই কি কৰিব পৰা হোৱা নাই? কিয়েই বা কৰিব নোৱাৰো? কিন্তু ক'তেই বা কি কৰো। প্ৰত্যেকটো কিবা কৰিব যোৱাৰ মূলতেই আহিব অৰ্থৰ প্ৰশ্ন। ক'ৰ পৰা আহিব সেই টকা? মা-দেউতাৰ ঘৰ্মাক্ত কপালৰ মাটি মোহাৰি মোহাৰি কৰা উপাৰ্জন কি কেৱল পঢ়াৰ বাবেই খৰচ কৰিম? আজিৰ সাধাৰণ শিক্ষাইচোন লাখ লাখ নিবনুৱাৰহে জন্ম দিব লাগিছে। পঢ়া-শুনাৰ অৰ্থ অৰ্থহীন হৈ পৰিছে। কিতাপৰ আখৰবোৰ লাইন-বাই-লাইন মুখস্থ কৰি নাই বা তথাকথিত টিউটৰবোৰৰ ৰেডিমেড্ নোটচ্‌বোৰ জোগাৰ কৰি (সেয়া কৰিবলৈওতো মা-দেউতাৰ ঘামকেই বিক্ৰি কৰিব লাগিব) পৰীক্ষাৰ বহীত নম্বৰ পোৱাৰ কুটনীতিত সোমাই পৰাই জানো স্কুল-কলেজৰ শিক্ষা হ'ব পাৰে? শিক্ষা মানে জানো এয়া। যাক নেকি লাভ কৰি আমি আমাৰ জ্ঞানৰ পৰিধি বঢ়াব পাৰো আৰু সেই জ্ঞানেই হ'ব পাৰে ভৱিষ্যত বাটৰ লাখুটি।

মই একো ভাবিব নোৱাৰা হৈ পৰো। প্ৰচণ্ড হীনমন্যতাই মোৰ মনৰ চাৰিওটা কোন ক্ৰেন্দাক্ত কৰোহি। উপাৰ্জিত শিক্ষাবোৰ বমি কৰি দিবলৈ মন যায়। চিঞঁৰি চিঞঁৰি সবকেই সুধিবৰ মন যায় মোক আগুৰি থকা সমস্ত 'কিয়'ৰ উত্তৰ। ভিতৰি ভিতৰি মই সাজু হৈ থাকো সেই বাটটোৰ বাবে।

যিটো বাট মই
কেৱল উভতাৰ বাবে ৰাখিব বিচাৰো
নৈখনৰ নিজৰ বাটটোৰ দৰে
কৰিব বিচাৰো মোৰ বাট
ট্ৰেফিক-জামহীন চৰাইবোৰৰ বাটৰ
দৰে কৰিব বিচাৰো মোৰ বাট
আৰু,
সূৰ্য্যৰ বাটটোৰ দৰে, পোহৰৰ বাটটোৰ দৰে
সময়ৰ বাটটোৰ দৰে, বাধাহীন, শংকাহীন .....

**ক্লান্তিময় দিনৰ সেউজীয়া কবিতাবোৰ ঃ**

তুমি কোৱা কথাবোৰেই ঠিক আছিল। মই ক্ৰমান্বয়ে হেৰুৱাই আহিছিলো মোৰ প্ৰিয় কলমটো (যাৰ নাম মই মৰমতে 'সপ্তৰ্ষি' ৰাখিছিলো), মোৰ সেই অনুভৱৰ উমেৰে গিজ্ গিজাই থকা সেউজীয়া চোলা পিন্ধা ডায়েৰীখন যেন মোৰ আটাইতকৈ আপোন বস্তু দুবিধ মোৰ চকুহাল আৰু সোঁ হাতখন। কিহৰ কথা লিখিবৰ বাবেই বা সিহঁত বৈ থাকিব? প্ৰেম? ভালপোৱা? সহানুভূতি নে হৃদ্যতাৰ? আজিৰ ডেকা-গাভৰুৱে প্ৰেম বুলি কলে কেৱল ম'বাইল ফোন, ই-মেইল বা ইন্টাৰনেটইটো বুজে। ৰক্তাক্ত হৃদয়ৰ কহুৱা-কোমল অনুভূতিটো কেনেদৰে জানো যন্ত্ৰৰ বুকুলৈ গুছি গ'ল! আজি কালি নিজৰ বস্তুবোৰ চব বেয়া-নিজৰ ভাষা, নিজৰ মাটিৰ গোন্ধ, আনকি ভাব হয় নিজৰ বুকুৰ ভাৱ-ভাষাবোৰো আনৰ পৰা ধাৰ কৰা। অনুভূতিৰ ফালৰ পৰা আমিবোৰ পংগু হৈ পৰিছো আৰু যিসকল সুস্থ আছিল তেওঁলোককো কি সুবুদ্ধিৰে যে অসুস্থতাৰ চৰমসীমালৈ লৈ গৈছো।

বৰ এলেহুৱা হৈ পৰিছে দিনবোৰ। একেই গতানুগতিকতাত আৰম্ভ হয়, শেষ হয় তাৰ পিছত আকৌ সেই একেই আৰম্ভণি। নতুনত্বৰ নামত বৈ যায় কিছুমান অৰ্থহীন ছবি আঁকি বৈ যোৱা শুকান ৰং, ভঙা ইজেলৰ টুকুৰা আৰু দাঁত-ওলোৱা তুলিকা।


ঠিক তেনেকুৱা এটা গতানুগতিকতাৰ আৰম্ভণিত
মই মোৰ ছাঁৰ সতে কথা পাতো
(যি মোৰ হ'ব পাৰে আটাইতকৈ বিশ্বাসী বন্ধু)
মই তাক তাৰ নামটো সোধো, সি মোক ওলোটাই ধৰে
মই যি কৰো সিও তাৰেই ৰিহাৰ্চেল কৰে
মই প্ৰলাপ বকিব ধৰো ক্ৰমান্বয়ে ...........

অৱশেষত আকৌ যেন টো সপোন হৈ মোৰ চিনাকি পুৰণি বাটটো সমুখলৈ আহে। বাটেতো বাটৰ লগ নেৰে।

মই যিকোনো এটা বাটত খোজ পেলাও
ক্ৰমান্বয়ে আগবাঢ়ি যায় মোৰ দুভৰি ... ●

# জীৱনৰ কিছুমান অনুভৱৰ টুকুৰা

ঈশান জ্যোতি গগৈ



**বিষয় ঃ জীৱন**

জীৱন এক নিষ্ঠুৰ সত্য, হাঁহি-কান্দোন, মৰম ভালপোৱা, সুখ-দুখ যাৰ কোনো শেষ নাই। অথচ এয়া কি জীৱনক জানিবলৈ, বুজিবলৈ আৰু তাৰ বিশাল ৰহস্যৰ গুপুত সন্ভেদ বিচাৰি নিঃকিন মানৱৰ সীমাহীন নিষ্ফল প্ৰয়াসেই নেকি জীৱন?

ভাৱৰৰ পৰা টোপাটোপে খহা নিয়ৰবোৰ পুৱাৰ ৰাঙলী আভাত জলমলাই উঠে সেউজীয়া দূবৰিত পৰি। জলমলাই উঠাৰ আনন্দত পৰশিত হৈ পাহৰি থাকে হেৰাই যোৱাৰ প্ৰতিশ্ৰুতিৰ কথা। ....... মৰুভূমিৰ বুকুত দুপৰৰ উজ্জ্বল খেলাত নিমগ্ন হৈ তৃষ্ণাতুৰ পথিকৰ আকুলতাত খোজবিলাক আগবঢ়াই দিয়ে সুবিশাল জলাধাৰ বিচাৰি যেন কোনো নিৰিবিলি স্বপ্নৰ সুদূৰ প্ৰদৰ্শনী। তপত বালিৰ প্ৰতি খোজতে মৰুদ্যানৰ স্বপ্ন, কিন্তু সেয়া যে মাথোঁ মৰীচিকা।

**ধোঁৱা ধূলিয়ৰি বাটেৰে ঃ জীৱন**

জীৱন কেতিয়াবা থমকি ৰয় জানো? কোনোবাই জানো স্থবিৰতা আনি দিব পাৰে এই গতিশীলতাৰ? সেই প্ৰশ্নৰ উত্তৰ নাই। জীৱনৰ গতিত আমিবোৰো আগুৱাইছো। আমি নাজানো আমাৰ লক্ষ্য ক'ত - উদিত সূৰ্য্যৰ হেঙুলী ৰশ্মিৰ দিশে নে পশ্চিমত বিদায় ল'বলৈ ওলোৱা বেলিৰ পিছে পিছে ৰাতিৰ আন্ধাৰৰ ফালে। জীৱনৰ ধূলি ধূসৰিত পথত আশাৰ মৰীচিকা খেদি ফুৰোতেই হেৰায় যায় ঠিকনাবোৰ। আমি যে গমেই নাপাওঁ মৰীচিকাৰ সপোনত দিকভ্ৰান্ত হৈ আমি অস্তগামী সূৰ্য্যতে বিচাৰি পাওঁ নবোদিত সূৰ্য্যৰ অনুভৱ আৰু পাহৰো নোপোৱাৰ বিষাদ। হেৰুওৱাৰ বিষাদতে অনুভৱ কৰো পোৱাৰ বিবাদক আৰু তেতিয়াই আমি পিন্ধি লওঁ কিছুমান উৎসৱৰ সাজ......।

একেটা ভুলকেই কৰো বাৰে বাৰে, অথচ সুধিবলৈ পাহৰি যাওঁ — 'আকাশ তোৰ বিশালতা কিমান?'

**নিসংগতা ঃ শূন্যতাৰ প্ৰতীক**

জীৱনৰ পৰা আমি পাওঁ কি? যদি কিবা পাওঁ সেয়া আন একো নহয় মাথোঁ শূন্যতা। শূন্যতাই যেন আমাৰ জীৱন বোধৰ পৰিচয়। আশাহীন হৈ পৰা মূহূৰ্তবোৰত আমি প্ৰত্যেকেই যেন অনুভৱ কৰোঁ জীৱনৰ এক বিৰাট শূন্যতা....। নিসংগ হৈ পৰা মূহূৰ্তবোৰত পান কৰো আলেকজেণ্ডাৰ চেলকাৰ্কৰ সেই অকলশৰীয়া স্মৃতিৰ টুকুৰাবোৰ। তেতিয়াই বিশ্বাস হেৰুৱায় পেলাওঁ নিজৰ ওপৰত, সকলোৰে ওপৰত। গছকি গছকি ভাঙি পেলাওঁ অতি নিষ্ঠুৰভাৱে, নিৰ্মমতাৰে অতদিনে মনৰ কোনোবা কোণত সাঁচি ৰখা সেউজীয়া সপোনবোৰ। সপোন ভঙা গঢ়াতেই ব্যস্ত হৈ বাস্তৱৰ পৰা আঁতৰি আহি ধাবিত হওঁ অন্ধকাৰ গুহাৰ মাজেদি অকলশৰে। সেই বিষাদতে হেৰুৱাওঁ বিশ্বাস। তথাপি আকৌ সাজু হওঁ এক দীঘলীয়া যাত্ৰাৰ বাবে, নতুন উদ্যমৰ অমোঘ মন্ত্ৰেৰে- নীৰৱতাৰ সুৰুঙাইদি, বোধ আৰু বিবেকৰ নতুন ৰাস্তাৰে-

" সূৰ্য থাকে মানে আকাশৰ এটা নাম নীলিমা
সূৰ্য হেৰাই গ'লে কেৱল শূন্যতা আৰু বিশাল অন্ধকাৰ।"

অতনু ভট্টাচাৰ্য

**সেউজীয়াৰ পিছে পিছে**

মই সেউজীয়াৰ প্ৰেমত পৰিছো। প্ৰকৃতিৰ অমিয়া ৰূপৰাশিয়ে সেউজীয়া কৰি তোলে মোৰ হৃদয়- বুকুৰ শূন্যতাত ক্ৰমে ক্ৰমে পাৰি দিছো সেউজীয়া এক আৱৰণ- মূৰ তুলি চাই দেখো এখনি নীলা আকাশ, ঠন ধৰি উঠা এখন নদী- সেই পৃথিৱীখনলৈ কিমান দূৰ য'ত কোনোৱেই নিঃসঙ্গ নহয়- সিঁচিব পাৰে অনাবিল মৰম ভালপোৱা... য'ত ধূলি ধূসৰিত ৰংবোৰ পৰিবৰ্তন হয় সেউজীয়া অথবা হালধীয়ালৈ বতাহৰ ছেৱত শাৰদী সেউজীয়াবোৰে গান গায়, নাচে- 'শাওনৰ ক্ৰন্দময় পথাৰৰ পৰা আঘোণৰ পথাৰৰ গান।' ক্ৰমে ক্ৰমে সোণোৱালী হ'ব খোজে সেউজীয়াবোৰ... কবিতাবনৰ এজাক কনমানি চৰাই উৰি আহি হাঁমখুৰি খাই পৰিব খোজে পথাৰত। পথাৰত পৰিয়েই যেন নিজৰ কৰি ল'ব এটি এটিকৈ প্ৰতিটো সোণালী শইচৰ থোক আৰু উভটি যায় দুপাখিত ৰং সানি, লঠঙা গছৰ ফুলপাত সৰুৱাই সৰুৱাই সেউজীয়া ৰং উৰুৱাই। ঠোঁটত মাথো শব্দ আৰু এটি শইচৰ গুটি.......।

**বাস্তৱৰ সপক্ষে একলমঃ**

সঁচাকৈ বাস্তৱ জটিলতাৰেই নামান্তৰ। কল্পনাৰ পাখিৰ বিশালতাত উৰি থাকোতে বাস্তৱ কোনোবা দূৰৰ অচিনাকি গোন্ধৰ দৰে... বিষাদৰ ঘন ছাঁয়াত বাস্তৱ যে বৰ্তমানৰ ৰূপান্তৰ। বৰ্তমান পাৰ হৈ ভৱিষ্যত আহিব, বৰ্তমানৰ আৱৰ্তিত অতীতে মেলানি মাগিব আৰু সেই বৰ্তমানতেই ভৱিষ্যত সাৰ পাব। স্মৃতি মাথোন স্মৃতি হৈ ৰ'ব, শিল্প শিল্প হৈ ৰ'ব আৰু আমিবোৰ হৈ ৰ'ম একোটা কঠিন শিলৰ ভাস্কৰ্য য'ত থাকিব সম্পূৰ্ণ, অসম্পূৰ্ণ কিছুমান প্ৰতিশ্ৰুতি আৰু কিছু প্ৰাপ্তিৰ আনন্দৰ ইতিহাস.......।

# বিষয় ঃ সমস্যা

ধনজিৎ দাস

যি সময়ত অসমখনত কেইবাখনো গাঁৱৰ ল'ৰাৰ বাবে (সেইসময়ত স্ত্ৰী শিক্ষাৰ কথাটো অপ্ৰাসঙ্গিক আছিল) একোখন প্ৰাইমাৰী স্কুল আছিল, তেনে সময়তে কেইজনমান উচ্চশিক্ষিত অসমীয়া ব্যক্তিৰ প্ৰচেষ্টাত কটন কলেজ নামৰ জ্ঞান বৃক্ষজোপাৰ পোখা মেলিছিল। বয়সৰ জোখেৰে বৃদ্ধ অৱস্থাপোৱা বৰ্তমানৰ কটন কলেজ কালক্ৰমত অসমীয়া জাতীয় জীৱনৰ অঙ্গ হৈ পৰিছিল। কটন কলেজৰ ৰেজিষ্টাৰ বহীত নামভৰ্তি কৰিব পৰা ভাগ্যবান ছাত্ৰ-ছাত্ৰীসকলক কটনিয়ান বোলা হয়। ব্যক্তিগতভাৱে কোনো ছাত্ৰ-ছাত্ৰীৰ মানসিকতাক গুৰুত্ব নিদি সামুহিকভাৱে কটনিয়ানৰ সামাজিক ভাৱাদৰ্শৰ এক সুকীয়া গুৰুত্ব আছে। প্ৰতিবছৰে কটনত নামভৰ্তিৰ কাট্ অফ নম্বৰৰ গ্ৰাফডাল উৰ্ধগামী হৈছে যদিও আজি কোনেও নকয় -"হোৱাট কটনিয়ান থিংক টু-ডে, আসাম কেন থিংক টুমৰো।"

আমি ব্যৱহাৰ কৰি থকা সামগ্ৰীবোৰ, মটৰ গাড়ীৰ পৰা লিখা কলমটোলৈকে এচাম চিন্তাবিদৰ চিন্তাৰ উৎকৰ্ষতাৰ বাবে পূৰ্বৰ চেহেৰা সলাই নিত্য নতুন ৰূপ লৈ সকলোকে আপ্লুত কৰিছে। উৎকৃষ্টতালৈ আমাৰো পৰিবৰ্তন হোৱাৰ প্ৰয়োজন আছিল যদিও আগৰ দিনবোৰৰ দৰে চিন্তা চৰ্চা কৰিব নোৱাৰা হৈছো। ভাৰতীয় ৰাজনীতিৰ গিণিপিগ সদৃশ আৰু কটা ছিঙা কৰি বিভিন্ন লেগু বনাবলৈ ঠাই নোহোৱা হৈছে। "এটা তিলকে সাত ভায়েকে ভগাই খোৱা" অসমীয়া জাতিৰ বৰলুইতৰ বুকুত উপনৈসমূহে পিক্-নিক খাবলৈ অহা বছৰেকীয়া উৎসৱটো আছেই। দুৰ্নীতিয়েই অঘোষিত নীতিৰূপে ঘোষিত অসমত ৰাশিফল নোহোৱা বাতৰি কাকতৰ প্ৰচলন নাই। দ্ৰুত উৰ্ধমূখী নিবনুৱাৰ গ্ৰাফডালৰ পৰা নিজকে আতৰোৱাৰ নিষ্ফল প্ৰচেষ্টাত প্ৰতিজন বেকাৰে বিজনেজ কৰিবলৈ উঠি-পৰি লাগিছে। সৰুৰে পৰা মা দেউতাৰ মুখত শুনা- "ভালদৰে পঢ়া-শুনা কৰ! ডাঙৰ হলে ভাল চাকৰি কৰিব লাগিব।" কথাষাৰ পাহৰিবলৈ যত্ন কৰি আভাৰ এজেদ হবলৈ কেইদিনমান বাকী থকা অৱস্থাত "আজি নগদ-কালি বাকী" বুলি ডাঙৰকৈ চাইনবোৰ্ড লগাই আৰম্ভ কৰিছে ব্যৱসায়। কিছুদিনৰ ভিতৰতে বাকী বিচৰা গ্ৰাহকৰ আৱদাৰৰ আতিশয্যত ডাউনফল আৰম্ভ হৈ যায়! ৰাজ্যৰ বাহিৰত তৈয়াৰী বিস্কুটৰূপী গাৰে মোচাৰে কংকালৰ টঙালিটো পেটত বান্ধি তথাপিতো আমি গাম-"আমি অসমীয়া নহও দুখীয়া, কিহৰ দুখীয়া হম।" সমস্যাৰ এনেবোৰ প্ৰাচুৰ্য্যৰ মাজত কটনিয়ানসকলে অহাকালিৰ বিষয়ে ভাবিব কেনেকৈ?

যি সময়ত গুজৰাট, হাৰিয়ানাত পানীৰ বাবে বৰুণ দেৱতাক সন্তুষ্ট কৰিব নোৱাৰি আত্মহত্যা কৰিছে, সেইসময়ত অসমৰ নৈসমূহে বৰলুইতৰ বুকুত পিকনিক খাবলৈ অহা উৎসৱটো উদ্‌যাপিত হৈছে। যানপানীৰ ষন্বলত সকলোৱে ৰুকবকাই থকাৰ সময়তে, আবাসী কটনিয়ানে নিয়মীয়া পানী যোগানৰ দাবীত ইতিমধ্যে মৃত বুলি শ্ৰাদ্ধ, তিলনি অনুষ্ঠিত হৈ যোৱা গুৱাহাটী পৌৰ নিগমৰ বিপক্ষে আন্দোলনৰ কাৰ্য্যসূচী লৈছে। খোৱা পানীৰ অভাৱত ছাত্ৰাবাসৰ ৰান্ধনীশাল বন্ধ হৈ বৈছে। এনে সমস্যাৰ সমাধানৰ বাবে কিছুমান



সামগ্ৰীৰ বিজ্ঞাপন মূৰ্খৰ বাকচত সদায় প্ৰচাৰিত হৈ আছে। পানীৰ অভাৱত কটনিয়ানে মুখ ধুব পৰা নাই, গা ধুব পৰা নাই, কোনো কথা নাই, মুখত সতেজতা অনা ৰবৰবিধ চোবালেই হ'ল। একেদৰে চাৰিদিন গা নুধুলেও আমাৰ ৰাশি অনুসৰি, প্ৰিয়জনৰ পচন্দ অনুসৰি লগাব পৰা ডিঅ'ড্ৰেন্ট সোপা নাই জানো? আৰু খাদ্য..... কদৰ্য চিটি গুৱাহাটীত তিবেতিয়ান, ইটালিয়ান, চাইনিজ সকলো ধৰণৰ খাদ্য সুলভতে পোৱা যায়।

যিসময়ত গছ গছনিৰ শ্ৰীবৃদ্ধিত লয়যুক্ত শব্দই সহায় কৰিছে, তেনে সময়তে শব্দৰ আতিশয্যৰ বিপক্ষেও কটনিয়ানে আন্দোলন কৰিব লগা হৈছে। মহানগৰীৰ বুকুত চালিত ৰঙা ৰঙা অচল বাচবোৰৰ কেইবাহাজাৰ ডেচিবলযুক্ত সচল হৰ্ণে শ্ৰেণীকোঠাত পাঠদান বিঘ্নিত কৰাৰ লগতে আবাসীৰ স্বাভাৱিক জীৱন ধাৰণা ভয়াবহ কৰি তুলিছে। মনৰ প্ৰয়োজন অনুসৰি আমি কম-বেছি ভলিউমত গান শুনো। কাৰণ গাড়ী মটৰৰ বেসুৰা শব্দবোৰত সুৰৰ কল্পনা কৰি মানৱীয় ক্ৰিয়া বুলি ধৰি ললে সকলোবোৰ তেনেই সহজ হৈ পৰিব।

এনেদৰেই আজিৰ কটনিয়ানৰ মূল্যবান সময় এনেবোৰ সমস্যাৰ প্ৰতিবাদ কৰোতে ব্যয় হৈছে।

[এক]

প্ৰতি

সম্পাদক মহোদয়,

হোমেন বৰগোহাঞিদেৱৰ 'পৃথিৱীৰ স্বৰ্গ' কটন কলেজ অসমৰ বৌদ্ধিক, সামাজিক তথা জাতীয় জীৱনৰো কেন্দ্ৰস্থল। কিন্তু বৌদ্ধিক উৎকৰ্ষতাৰ কেন্দ্ৰ (Centre of Excellence) হিচাপে সাম্প্ৰতিক অসমত কটন কলেজৰ ভূমিকা কোনোপধ্যেই সন্তোষজনক নহয়। এগৰাকী কটনিয়ান হিচাপে এয়া মোৰ অত্যন্ত ব্যথিত কিন্তু সঁচা অনুভৱ। অসমৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অচলাৱস্থাৰ পৰিণতিয়ে কটন কলেজত যি বৌদ্ধিক শূণ্যতাৰ সৃষ্টি কৰিছে, সি হয়তো অনাগত ৰূঢ় ভৱিষ্যতৰ আগজাননী। কিন্তু ইও সত্য, জীৱশ্ৰেষ্ঠ মানুহো যিদৰে সমস্যাৰ মেৰপাকত; থিক সেইদৰেই মানুহৰেই সৃষ্টি কটন কলেজে সমস্যাৰ সন্মুখীন হোৱাতো আশ্চৰ্য্যকৰ নহয়। এই সন্দৰ্ভতেই মই সম্পাদক মহোদয়ক কলেজখনৰ এটা গুৰুতৰ সমস্যাৰ বিষয়ে অৱগত কৰিব খুজিছো আৰু আশা কৰিছো ছাত্ৰ একতা সভাই আশুধীয়া প্ৰচেষ্টাৰে ইয়াৰ দূৰীকৰণত আগভাগ ল'ব।

বৌদ্ধিক উৎকৰ্ষতাইহে এগৰাকী ছাত্ৰক জীৱন যুদ্ধত সফলতা প্ৰদান কৰে। কিন্তু আজি দুই দশকমানৰ পৰা কটন কলেজে আমাক সেই পৰিবেশ দিব পৰা নাই, যি আমাক সৰ্বভাৰতীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্য্যায়তো সফলৰূপে গঢ় দিব পাৰে। এটা নিচেই ক্ষুদ্ৰ পৰিসৰ লৈকেহে আজি কটনিয়ান আগবাঢ়ি গৈছে। (অৱশ্যে মুষ্টিমেয় সংখ্যকে সফলতাৰ উচ্চ শিখৰতো আৰোহণ কৰিছে।) কিন্তু সেইকেইজনৰ সাফল্যৰ মাপকাঠিৰে কটনৰ সফলতা নিৰূপিত নহয়। বৰ্তমান প্ৰশাসনীয় সেৱাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ যি আগ্ৰহ আৰু স্পৃহা দেখা গৈছে; সি বৰ্তমানৰ 'ইণ্টাৰনেটৰ যুগত' সঁচাকৈয়ে উল্লেখযোগ্য। কিন্তু অসমীয়া ছাত্ৰসকলৰ এই দিশত সৰ্বভাৰতীয় পৰ্য্যায়ত প্ৰদৰ্শন অতি দুখজনক। যিকেইজন ছাত্ৰ-ছাত্ৰীয়ে আজি কেইবছৰমানৰ পৰা ইয়াত সফলতা পাইছে, তেওঁলোকে দিল্লীতহে সেই পৰিবেশ পাইছে, ইয়াত নহয়। বহুতো ছাত্ৰ-ছাত্ৰীয়ে নানান অসুবিধা স্বত্তেও বাহিৰলৈ ঢাপলি মেলিছে নিজ উচ্চাকাংক্ষা পূৰণৰ বাবে। কিন্তু কটনিয়ান আৰু অসমৰ বাকী শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ জানো সেই লক্ষ্য থাকিব নোৱাৰে? কিয়নো এইটো আমাৰ বাবে উত্তৰ হ'ব নোৱাৰে যে অসমত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে উপযুক্ত পৰিবেশ তথা সুবিধা নাই। সাম্প্ৰতিকত কটন কলেজে সন্মুখীন হোৱা ই এক প্ৰধান সমস্যা আৰু সমাধানৰ পথো বিচৰা উচিত কটন কলেজেই।

সম্পাদক মহোদয়, কটন কলেজ ছাত্ৰ একতা সভাই শিক্ষক সমন্বিতে সেইখিনি পদক্ষেপ লোৱা উচিত বুলি ভাবো, যাৰ দ্বাৰা অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে অসমতে এক সুন্দৰ শৈক্ষিক পৰিবেশ পাব পাৰে। কলেজত অতিৰিক্ত পাঠদানৰ জৰিয়তে ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন কেৰিয়াৰ সম্পৰ্কীয় পাঠ্যক্ৰমৰ জ্ঞান দিয়াৰ লগতে উন্নতমানৰ প্ৰশিক্ষণ দিয়া উচিত। সৰ্বভাৰতীয় পৰ্য্যায়ৰ শৈক্ষিক সংগঠনবোৰৰ লগত যোগাযোগ কৰি আধুনিক পাঠ্যক্ৰমৰ প্ৰচলন কৰি অভিজ্ঞ শিক্ষক, প্ৰাক্তন প্ৰশাসনিক বিষয়া তথা বিভিন্ন ক্ষেত্ৰৰ সফল ব্যক্তিসকলৰ দ্বাৰা শিক্ষাদানৰ ব্যৱস্থা কৰিলে কটন কলেজে অসমৰ যুৱ প্ৰজন্মলৈ আশা আৰু সাফল্যৰ বাণী কঢ়িয়াব বুলি মই ভাবো। অৱশ্যে কলেজ কৰ্তৃপক্ষ, শিক্ষক, ছাত্ৰ আৰু চৰকাৰৰ সম্মিলিত প্ৰচেষ্টাতহে ই সম্ভৱ হ'ব আৰু ইয়াক ফলৱতী কৰিবলৈ ছাত্ৰ একতা সভাই অগ্ৰণী ভূমিকা লোৱা উচিত।

উপৰোক্ত সমস্যাটো মাথো এটা অংশহে। কাৰণ বিভিন্ন সৰু বৰ সমস্যাৰে আজি কটন কলেজ ভাৰাক্ৰান্ত। কিন্তু কটনিয়ান হিচাপে আমাৰ বিশ্বাস থকা উচিত সৎ প্ৰচেষ্টা আৰু কৰ্মত। গতিকে প্ৰত্যেকজন কটনিয়ানৰ দৃঢ়তা, সংগ্ৰামী মানসিকতা, অধ্যৱসায় আৰু শ্ৰমে কটন কলেজৰ সাম্প্ৰতিক বৌদ্ধিক শূণ্যতাক আঁতৰাই উৎকৰ্ষতাৰ বন্যা বোৱাওঁক, কটনিয়ানক প্ৰকৃতাৰ্থত মানুহ হোৱাৰ স্বীকৃতি দিয়ক আৰু কটন কলেজক অসমীয়া জাতিৰ পথ-প্ৰদৰ্শক ৰূপে অনন্য ৰূপত প্ৰতিষ্ঠা কৰক।

লখিমী দত্ত
স্নাতক দ্বিতীয় বৰ্ষ (বুৰঞ্জী বিভাগ)
কটন কলেজ

[দুই]

প্ৰিয় সম্পাদক,

এখন সমাজে নিজৰ মাতৃভাষাৰেহে বহিৰ্বিশ্বত সগৌৰৱে আত্মপ্ৰকাশ কৰিব পাৰে। আজিৰ সমাজখনত নিজ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ পঢ়াশালিত পঢ়োৱাটো এক ঢঙ (Fashion) ত পৰিণত হৈছে। তেওঁলোকৰ চিন্তত মাতৃভাষা এখন ৰাজ্য বা দেশৰ ভাষা হয়, কিন্তু ইংৰাজী এক আন্তঃৰাষ্ট্ৰীয় ভাষা। ল'ৰা-ছোৱালী বাহিৰলৈ যাবৰ কাৰণে ইংৰাজী ভাষাৰহে প্ৰয়োজন।

পৃথিৱীৰ উন্নত দেশ ৰাচিয়া, জাপান আদিয়ে বেলেগ দেশৰ পৰা জ্ঞান, বিজ্ঞান সকলো গ্ৰহণ কৰিলেও নিজ ভাষা বাদ দিয়া নাই। কিন্তু দুশ বছৰ বৃটিছ শাসিত ভাৰতত ইংৰাজী ভাষাটোহে ৰাষ্ট্ৰভাষা হৈ পৰিছে। গতিকে উচ্চতৰ মাধ্যমিক স্তৰত ইংৰাজীত অধ্যয়ন কৰাটো প্ৰয়োজনীয় হৈ পৰিছে।

শিশু এটিয়ে যি ভাষাৰে 'মা' বুলি কবলৈ শিকে সেয়াই তাৰ মাতৃভাষা। প্ৰকৃততে এই ভাষাটোত শিক্ষা দিলে ল'ৰা ছোৱালীজনৰ বৌদ্ধিক বিকাশ হয়। যিদৰে মাকৰ গাখীৰ এটি শিশুৰ বাবে অমূল্য সম্পদ। প্ৰাৰম্ভিক অৱস্থাতে তাক বেলেগ ভাষা শিকিব দিয়াটো মাকৰ গাখীৰ খাব নিদি তাৰ ওপৰত অত্যাচাৰ কৰাৰ দৰে হয়।

বাপুজীয়ে কৈছিল -"শিশুৱে নিজৰ প্ৰথম পাঠ মাকৰ পৰা শিকে, সেয়ে মাতৃভাষা বাদ দি বেলেগ ভাষাত শিকোৱাটো পাপ। মহামানৱজনাই আকৌ কৈছিল, "ভাষা বদলিৰ বাবে উচ্চ শিক্ষাত মই অলপ সময়ৰ হীনদেৰি সহ্য কৰিব পাৰিম, কিন্তু বিদেশী শিক্ষাৰ বাবে ব্যৰ্থভাৱে সময় নষ্ট কৰাৰ মই ঘোৰ বিৰোধী।"

বৰ্তমান প্ৰতিযোগিতাৰ যুগ। এই যুগত থলুৱা মাধ্যমৰ কিছুমান বিদ্যালয়ৰ কিছুমান শিক্ষকৰ শ্ৰেণীকোঠাত উপস্থিত নথকা, চৰকাৰৰ অসহযোগিতা আদি বহুত কাৰণত মানুহবোৰ ইংৰাজী মাধ্যমলৈ ঢাপলি মেলিছে।

মাতৃভাষা হ'ল নিজৰ পূৰ্বপুৰুষৰ ভাষা। মাতৃভাষাক অৱমাননা কৰা মানে নিজৰ মাতৃক অৱমাননা কৰা। যি সন্তানে নিজৰ মাতৃৰ পৰিচয় দিবলৈ টান পায় সি দেশ আৰু দহৰ উন্নতিত কি অৰিহণা যোগাব। এই নৈতিক স্খলন বিনামেঘে বজ্ৰপাতৰ দৰে অসমলৈ আহিবলৈ আৰম্ভ কৰিছে। ইয়াক সোনকালে ত্যাগ কৰা উচিত।

ৰসৰাজে কৈছিল,"স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মঙ্গল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা। যি দেশৰ বতাহ আৰু পানীৰে আমি পৰিপুষ্ট হৈছো, যি জাতিৰ সভ্যতা আৰু সংস্কৃতিৰে আমি পৰিপুষ্ট হৈছো, যিয়ে আমাৰ অন্তৰৰ সুকুমাৰ ভাৱ আৰু অনুভূতিৰ বিকাশ ঘটাইছে, সেই জন্মভূমি আৰু স্বজাতিক মন্দিৰৰ প্ৰৱেশ কৰাৰ উত্তম পথ হ'ল মাতৃভাষা। যিটো ভাষাৰ শব্দ আৰু পদ বিন্যাসৰ লগত আমি জন্মৰ পৰাই চিনাকি, তাক বাদ দি এটা আমাৰ লগত ৰাহি যোৰা নহা বিদেশী ভাষাক ফুলকুমলীয়া অৱস্থাৰ পৰা আঁকোৱালি লোৱাৰনো কি যুক্তি থাকিব পাৰে।

উচ্চতম ন্যায়ালয়ৰ কানাড়ী ভাষা শিক্ষাৰ মাধ্যম সম্পৰ্কত ৩০-৯-৯৫ ইং তাৰিখে দিয়া ৰায়টোত কোৱা হৈছে-প্ৰাৰম্ভিক অৱস্থাত অন্ততঃ চতুৰ্থ শ্ৰেণীলৈ ল'ৰা ছোৱালীৰ শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে। তেওঁলোকে কৈছে বহু চিন্তা চৰ্চা আৰু শৰীৰ বিজ্ঞানলৈ লক্ষ্য ৰাখিহে এই সিদ্ধান্ত লোৱা হৈছে।

আনন্দ শিক্ষাৰ সহচৰ। আনন্দহীন শিক্ষা পদ্ধতি এটা নিৰস হোৱা হেতুকে শিশুৱে গ্ৰহণ কৰিব নোখোজে। গঠন শক্তি বৃদ্ধি কৰিবলৈ হ'লে আনন্দৰে সৈতে পঢ়িব লাগিব। বাধ্য-বাধকতাত পৰি গ্ৰহণ কৰা শিক্ষা মুখস্থগতই হয় আৰু তেনে শিক্ষাই কোনো কাম নিদিয়ে।

শ্ৰীনৱজ্যোতি গোস্বামী
উচ্চতৰ মাধ্যমিক(দ্বিতীয় বৰ্ষ)
বিজ্ঞান শাখা

[তিনি]

প্ৰিয় সম্পাদক,

গৌৰৱান্বিত এশটা বছৰ পাৰ কৰা কটন কলেজৰ হোষ্টেল সমূহৰো এটা সুকীয়া ঐতিহ্য আছে। মূলত এই হোষ্টেল কেইটাই কটন কলেজৰ সকলো দিশৰ ভেটি মজবুত কৰি ৰাখিছে। নিঃসন্দেহে ক'ব পাৰি কলেজখনৰ কলা-সংস্কৃতি, সাহিত্যৰ বৃদ্ধি আৰু বিকাশত হোষ্টেলৰ অবদানেই বেছি। অসমৰেই কিয় উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে কলা-সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰত উজলি থকা ব্যক্তিকেইজনৰ বেছি ভগেই এই হোষ্টেলৰে সৃষ্টি।

শেহতীয়াকৈ হোষ্টেলসমূহৰ ৰিজাল্ট নিম্নগামী হোৱা পৰিলক্ষিত হৈছে। এনে হোৱাৰ মূলতে আন আন আনুষঙ্গিক কাৰণৰ লগতে হোষ্টেলৰ কিছুমান ভিতৰুৱা কাৰণো জড়িত হৈ আছে বুলি ভাবিবৰ থল আছে। কলেজত অনুষ্ঠিত সকলো কাৰ্যসূচীতে হোষ্টেলৰ আবাসীয়েই ওতঃপ্ৰোত ভাবে জড়িত হৈ পৰিব লাগে। হোষ্টেল আৰু কলেজৰ নৱাগত আদৰণি, এম চি বি ডিবেট, কলেজ নিৰ্বাচন, কলেজ সপ্তাহ, সৰস্বতী পূজা ইত্যাদি কামবোৰত আবাসীসমূহৰ খাটনিয়েই বেছি হয়। যিকোনো এটা অনুষ্ঠান নিয়াৰিকৈ পাতিবলৈ পূৰ্ব প্ৰস্তুতিৰ কিমান প্ৰয়োজন প্ৰতিজন কটনিয়ানে ভালদৰে উপলব্ধি কৰে। অসমত এনেয়ে পাঠ্যবৰ্ষৰ দিন আন ৰাজ্যৰ তুলনাত বহুত কম, তাতে এই অনুষ্ঠানবোৰৰ নামতো বহু দিন উৰ্চগা কৰিব লাগে। আমি এইটো ক'ব খোজো নাই যে এই অনুষ্ঠানবোৰ বন্ধ কৰি দিব লাগে। এই বোৰ আছে বাবেইতো কটনৰ এক পৃথক বৈশিষ্ট্য আছে আৰু আছে হোষ্টেলীয়া জীৱনৰ এক সুকীয়া মাদকতা। তাৰোপৰি বৌদ্ধিক আৰু শাৰীৰিক বিকাশৰ বাবে এইবোৰ অনুষ্ঠান অত্যন্ত প্ৰয়োজনীয়। কথা হ'ল কটন আবাসৰ ছাত্ৰ ছাত্ৰীয়ে নিজৰ সকলো দিশৰ উন্নতি সাধন কৰাৰ লগতে অধ্যয়নৰ প্ৰতিও মনোনিবেশ কৰা নিতান্তই প্ৰয়োজনীয়। দ্বিতীয়তে হোষ্টেলত ৰেগিং সম্পৰ্কে কিছু কথা ক'ব খোজো। কটন হোষ্টেলত বৰ্তমান কোনো ধৰণৰ ৰেগিং নাই। ৰেগিঙৰ পৰম্পৰাই বিদায় লোৱা ইতিমধ্যে কেইবাবছৰো পাৰ হৈ গৈছে। হোষ্টেলত ৰেগিং থকা বুলি বাহিৰৰ মানুহে এতিয়াও ভয় খায়। কিন্তু যি এবাৰ হোষ্টেলত থকাৰ সুযোগ পায়, তেওঁ ভালদৰে উপলব্ধি কৰে কটনত ৰেগিং নাই। তথাপিও দুই এজন নবাগত আবাসীয়ে হোষ্টেলত টিকিব নোৱাৰে। ইয়াৰ অন্তৰ্নিহিত কাৰণ বিশ্লেষণ নকৰাকে মিডিয়াই হুলস্থুল কৰে কটন হোষ্টেলত ৰেগিঙৰ আতিশয্য বুলি।

হোষ্টেলৰ নৱাগতসকলৰ আদৰণি সভা উলহ মালহৰে পতাৰ লগতে প্ৰতিভাবান নৱাগতক পুৰস্কৃত কৰা হয় আৰু এই প্ৰতিভা নিৰ্ণয়ৰ বাবে যিবিলাক প্ৰতিযোগিতা নিৰ্ণয় কৰা হয় সেয়া অতিকে যোগাত্মক। এই অনুষ্ঠানসমূহৰ জৰিয়তে হোষ্টেলৰ ন-পুৰণি আবাসীসকলৰ মাজত আন্তৰিক সম্পৰ্ক গঢ়ি উঠে। বিভিন্ন ঠাইৰ পৰা অহা ছাত্ৰসকলৰ নিজা সাহিত্য-সংস্কৃতিৰ আভাস পায় সকলোৱে। তাৰোপৰি বিতৰ্ক, আকস্মিক বক্তৃতা, গীত, নৃত্য আদিৰ প্ৰতিযোগিতাবোৰৰ সময়ো সকলোৱে একোটা আড্ডাৰ দৰেই উপভোগ কৰে। ইয়াৰোপৰি অনুষ্ঠিত খেল-ধেমালিয়ে ছাত্ৰজনৰ সৰ্বাংগীন বিকাশৰ সহায়কহে হয়। এইবিলাক কামকো যি বিয়োগাত্মক দৃষ্টিভংগীৰে লয়, তেওঁলোকেহে হোষ্টেলৰ পৰা ওলাই যোৱাৰ চিন্তা কৰে। এনে বিয়োগাত্মক চিন্তাধাৰাৰ ছাত্ৰ ছাত্ৰীৰ বৰ্তমান সময়ত কটন কলেজ কিয় ক'তোৱেই প্ৰয়োজন নাই বুলি আমি দৃঢ়তাৰে কওঁ। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সকলো ছাত্ৰ ছাত্ৰী তথা অভিভাৱকক কটনিয়ানৰ সম্পাদক ডাঙৰীয়াৰ জৰিয়তে আমি হোষ্টেল সম্পৰ্কত এইখিনি কথা দৃষ্টি গোচৰ কৰিলো।

অনুজ কুমাৰ বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (ইংৰাজী বিভাগ)

[চাৰি]

To
The Editor
Sir,

At the very outset, I would like to convey my heartful thanks for giving me the opportunity to divert the attention of public to a very important issue

of 'brain-drain,' through the columns of your prestigious magazine.

What exactly is brain-drain? The flow of exceptionally gifted persons & intellectuals from their native place to another as in own's country to another. Brain-drain from India is a huge loss for the country in terms of draniage of skills and talents from the country. When brains from a highly subsidised Indian educational system leave their motherland to serve another's interest, it is certainly a great loss for the former. But why exactly this brain-drain occurs? It occurs just because our government has failed to provide sufficient facilities be if in the field of higher education or employment opportunity? What people cherish today is a heavy wallet in their pockets, an air conditioned car, a triple-storied flat and a high and luxurious standard of living which the Indian system has failed to provide in comparison to the foreign countries. According to reports, the demands for IIT procucts is rising all over the world. As soon as talented students come and after completion of their specified courses, multi-national companies are ready to locate them. The ultimate result Brain-drain. Why do you we need to see this in such a broad aspect when Assam itself is a victim of brain-drain? A lot of talented Assamese students go out every year in search of better horizons and most of them look back. From one aspect, this is quite justified. Assam govt. has not been able to provide sufficient facilities to students in different spheres to keep themselves abreast with the changing times. They are bound to go out for higher studies. Lack of care guidance in adequate are also are reasons for this out-flow. But the question arises, isn't it better to go outside to test our talents and capabilities? When it is clear that our administration has failed to fulfil our needs, Isn't it better to be allowed to have a vision of a better world outside instead of seeing our potentialities remaining latent. When it is clear that our administration has failed to fulfil our needs. Or in other words, we can put it in the words of Dr. Abid Hussain, "Isn't it better to have brain-drain, than brain in drains?"

Which would you choose, "Brain-drain" or "Brains in drains?" As it is my request to the readers to make efforts to find a solution to this grave problem.

Thanking you,

Your's sincerely
Sayanika Dutta
B.A. IInd year,
Dept. of Pol.Sc.

---

"মই আহিছো অ' কটন কলেজ তোমাৰ খিবিকীৰে জুমি চাব পৃথিৱীৰ ভূগোল"



## উপ-সভাপতিৰ প্ৰতিবেদন



পোন প্ৰথমেই মই আন্তৰিক কৃতজ্ঞতা যাঁচিছো সমূহ কটনিয়ানলৈ, যি সকলৰ আশিসধন্য হৈ মই কটন কলেজ ছাত্ৰ একতা সভাৰ ২০০১-২০০২ শিক্ষা বৰ্ষৰ ছাত্ৰ উপ-সভাপতি হিচাপে কাৰ্য্যভাৰ চলাই নিয়াৰ সুযোগ লাভ কৰিলো।

প্ৰতিবেদন মানেই স্মৃতি ৰোমন্থন। কাৰ্য্যভাৰ এৰিবৰ পৰত বিগত বছৰটোলৈ ঘূৰি চাওঁতে মনলৈ আহিছে বহুতো সুমধুৰ আৰু তিক্ত অভিজ্ঞতাৰ সোঁৱৰণ। যদিও ছাত্ৰ-উপসভাপতি পদটোৰ নিৰ্দিষ্ট কাৰ্যভাৰ অৰ্পণ কৰা নাথাকে, তথাপি বিভিন্ন কাৰণত ওতঃ প্ৰোতঃ ভাবে জড়িত হৈ পৰিবলগীয়া হৈছিলো ছাত্ৰ একতা সভাৰ সমূহ কাৰ্যসূচীত। বহুজনৰ সহায়ৰ হাত পাইছিলো বহু সংঘাতৰ সময়ত। এই সুযোগতে মই তেওঁ লোকলৈ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

শতবাৰ্ষিকী সমাৰোহৰ তৃতীয় আৰু চতুৰ্থ পৰ্য্যায়ৰ কাৰ্য্যসূচী আমাৰ একতা সভাৰ দিনতে উদ্‌যাপিত হৈছিল। মই ছাত্ৰ একতা সভাৰ উপ-সভাপতি তথা শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ ছাত্ৰ সহ-সম্পাদক হিচাপে সম্পূৰ্ণ সহযোগিতা আগবঢ়াই গৈছিলো। চতুৰ্থ তথা অন্তিম পৰ্য্যায়ৰ কাৰ্য্যসূচীৰৰ প্ৰথম দিনা কাৰ্য্যসূচী একতা সভাৰ উদ্যোগত উদযাপিত হৈছিল। উক্ত কাৰ্য্যসূচী চলাই নিয়াত শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ পৰা আমি যি সহায় সহযোগিতা লাভ কৰিলো তাৰ বাবে আমি কটন কলেজ ছাত্ৰ একতা সভা চিৰ কৃতজ্ঞ।

কাৰ্য্যকালৰ খতিয়ান দিবলৈ যাওঁতে উল্লেখ্য অধ্যক্ষ ড° ৰামচৰণ ঠাকুৰীয়া চাৰ, উপাধ্যক্ষ ড° জয়মতী মেধি বাইদেউ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেত সকলৰ আশীষ তথা মৰমকে বুকুত বান্ধি লৈ মেলানি মাগিবলৈ ওলাইছো।

জয়তু কটন কলেজ

জয়তু কটন মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰীবিভূতি ভূষণ বৰঠাকুৰ

ছাত্ৰ উপ-সভাপতি

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদন লিখাৰ আগতেই মোক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি শতবৰ্ষ গৰকা এই ঐতিহ্য মণ্ডিত কটন কলেজলৈ এফেৰি সেৱা আগবঢ়াবলৈ সুবিধা দিয়া প্ৰতিজন কটনিয়ানলৈ হিয়াভৰা কৃতজ্ঞতা যাচিছোঁ।

অসমৰ শিক্ষা আৰু সংস্কৃতিৰ ইতিহাসত কটন কলেজে কেনে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে তাক নকৈ দোহৰাৰ নিশ্চয় প্ৰয়োজন নাই। কটন কলেজৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিয়ে কলেজখনৰ এই গৰ্ব, এই কৃতিত্ব যাতে চিৰদিন অম্লান হৈ থাকে আৰু লগতে বৰ্তমানৰ বন্ধ্যা সময়ক অতিক্ৰমি কটনে যাতে সময়ৰ অগ্ৰগামী দূত হৈ বিজয় ধ্বজা উৰুৱাব পাৰে তাৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছিলো। তাৰেই যৎকিঞ্চিত দৃষ্টান্ত দাঙি ধৰা হ'লঃ

**মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন ঃ**

২০০১ চনৰ ০১ পৰা ১২ জানুৱাৰী তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ ক্ৰীড়া, সাংস্কৃতিক আৰু বৌদ্ধিক প্ৰতিভা বিকাশৰ অন্যতম প্লেটফৰ্ম মহাবিদ্যালয় সপ্তাহ আড়ম্বৰপূৰ্ণভাবে পালন কৰি ১২ জানুৱাৰী তাৰিখে অধিবেশন আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। এই সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে সাংবাদিক, 'সাদিন'ৰ সম্পাদক অনুৰাধা শৰ্মা পূজাৰীয়ে।

**সৰস্বতী পূজা পালন ঃ** বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী 'সৰস্বতী'ৰ পূজা মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা আৰু উপস্থিতিত কলেজ চৌহদত ১৭ জানুৱাৰী তাৰিখে আড়ম্বৰপূৰ্ণভাবে পালন কৰা হয়।

**শতবাৰ্ষিকী সমাৰোহৰ শেষ স্তৱক ঃ** আমাৰ কাৰ্যকালৰ শতবাৰ্ষিকী সমাৰোহৰ তৃতীয় আৰু চতুৰ্থ পৰ্যায় দুটা সাফল্যমণ্ডিত ভাবে অনুষ্ঠিত কৰা হয়। শতবাৰ্ষিকী সমাৰোহৰ তৃতীয় পৰ্যায়ৰ মূল আকৰ্ষণ আছিল বিজ্ঞান প্ৰদৰ্শনী আৰু ইয়াৰ লগত সংগতি ৰাখি আয়োজন কৰা এলানি প্ৰতিযোগিতা। ৰাজ্যৰ ভিতৰৰ আৰু বাহিৰৰ এক বৃহৎ সংখ্যক প্ৰতিষ্ঠানে অংশ গ্ৰহণ কৰা এই বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ প্ৰদৰ্শনীখনে জনসাধাৰণৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়।

শতবাৰ্ষিকী সমাৰোহৰ চতুৰ্থ তথা অন্তিম পৰ্যায়টো আৰম্ভ হয় এই বছৰৰ ২৪, ২৫ আৰু ২৬ মে' তাৰিখে। এই অনুষ্ঠানত কেইবাগৰাকী বৰেণ্য ব্যক্তিয়ে অংশ গ্ৰহণ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

তিনিদিনীয়াকৈ আয়োজিত শতবাৰ্ষিকীৰ শেষ পৰ্য্যায়ৰ প্ৰথম দিনটো 'বৰ্তমান কটনিয়ানৰ দিন'ৰূপে উদ্‌যাপন কৰা হয়। সেই দিনা আয়োজিত মুকলি সভা, প্ৰীতি সন্মিলন, সাংস্কৃতিক সন্ধিয়াত কেইবাজনো প্ৰাক্তন কটনিয়ানে অংশগ্ৰহণ কৰাৰ উপৰিও বৰ্তমানৰ প্ৰায় সকলো কটনিয়ানৰ উপস্থিতি লক্ষণীয় আছিল। কাৰ্যসূচীৰ অন্তিম দিনা, মুকলি সভাত ভাৰতবৰ্ষৰ উপ-ৰাষ্ট্ৰপতি কৃষ্ণকান্তে অংশগ্ৰহণ কৰে। এই সভাতে কটন কলেজ স্মাৰক ডাক টিকট এটাও উন্মোচন কৰা হয়। ২৬ মে'ৰ সাংস্কৃতিক সন্ধিয়াত অংশ লয় বলিউডৰ বিশিষ্ট গায়ক অভিজিতে। এই অনুষ্ঠানটোৰ সামৰণিৰ লগে লগে কটন মহাবিদ্যালয়ৰ এবছৰজোৰা শতবাৰ্ষিকী সমাৰোহ উদ্‌যাপন অনুষ্ঠান সফলভাবে সমাপ্ত হয়।

**কফি হাউচ উন্মোচন ঃ** কটন কলেজৰ শতবাৰ্ষিকী সমাৰোহ উদ্‌যাপনৰ দ্বিতীয় পৰ্যায়ত প্ৰফেচাৰ যশপালে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ সমূহীয়া মিলনৰ ঠাই আৰু Recreation Centre হিচাপে Coffee House এটা বিশিষ্ট সাহিত্যিক অসম সাহিত্য সভাৰ সভাপতি হোমেন বৰগোহাঞিৰ দ্বাৰা উন্মোচন কৰোৱা হয়।

**পুথিভঁৰাল উদ্বোধন ঃ** আমাৰ কাৰ্যকালতে কটন মহাবিদ্যালয়ৰ ড০ সূৰ্যকুমাৰ

ভূ এণ্ডা পুথিভঁৰালৰ নৱনিৰ্মিত গৃহটো আনুষ্ঠানিকভাবে উদ্বোধন কৰা হয় আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি পুথিভঁৰালৰ সা-সুবিধা বৃদ্ধি কৰাৰ ওপৰত আমি গুৰুত্ব আৰোপ কঁৰো।

**গতিৰোধক নিৰ্ম্মাণৰ সফল আন্দোলন** ঃ মহানগৰীত ক্ৰমান্বয়ে বিপজ্জনক ভাবে বাঢ়ি অহা গাড়ী-মটৰৰ বাবে শিক্ষানুষ্ঠানসমূহৰ সন্মুখৰ পথছোৱাত গতিৰোধক নিৰ্মাণৰ প্ৰয়োজনীয়তা কেইবাবছৰ আগৰ পৰা আহি পৰিছিল। সেই উদ্দেশ্যে আমি কটন কলেজৰ সমুখৰ ৰাস্তাটোত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে গতিৰোধক নিৰ্মাণ আৰু অঞ্চলটোক 'নীৰৱ ক্ষেত্ৰ' ঘোষণা কৰিবলৈ দাবী জনাই আন্দোলনৰ কাৰ্যসূচী হাতত লোৱাত গতিৰোধক নিৰ্মাণৰ কাম সফল হয়।

**বানাক্ৰান্তক সাহাৰ্য বিতৰণ** ঃ বানপানীয়ে আক্ৰান্ত কৰা লোকসকলৰ সাহায্যাৰ্থে কটন মহাবিদ্যালয়ৰ ছাত্ৰসভাই এক সাহাৰ্য কোষ গঠন কৰে আৰু বানপীড়িত অঞ্চললৈ গৈ দূৰ্গত লোকসকলৰ সাহায্যাৰ্থে এক অস্থায়ী শিবিৰ স্থাপন কৰি বিনামূলীয়া চিকিৎসা সেৱা আৰু সাহাৰ্য সামগ্ৰী বিতৰণ কৰে।

**২২ তম মানিক চন্দ্ৰ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা** ঃ এই বছৰৰ ৬ আৰু ৭ চেপ্তেম্বৰ তাৰিখে দ্বাবিংশ মানিক চন্দ্ৰ বৰুৱা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখনি ৰাষ্ট্ৰীয় ভিত্তিত অনুষ্ঠিত কৰা হয়। এই তৰ্ক প্ৰতিযোগিতাত নতুন দিল্লী আৰু কলিকতাৰ কেইবাটাও শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি অনুষ্ঠানটোৰ গাম্ভীৰ্য বৰ্দ্ধন কৰে। প্ৰতিযোগিতাখনিত দিল্লীৰ লেডী শ্ৰীৰাম কলেজে প্ৰথম, আমাৰ মহাবিদ্যালয় দ্বিতীয় আৰু দিল্লীৰে মিৰাণ্ডা হাউচে তৃতীয় স্থান অধিকাৰ কৰে।

**মহাবিদ্যালয়ত নিয়মীয়া পাঠদানৰ বাবে পদক্ষেপ গ্ৰহণ** ঃ কটন মহাবিদ্যালয়ত মাজে মাজে পাঠদান ব্যাহত হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে বহুতো অসুবিধাৰ সন্মুখীন হয়। আমি মহাবিদ্যালয়ত পাঠদান কাৰ্যসূচী নিয়মীয়া হোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰো।

**ছাত্ৰাবাস সমূহত পানীৰ সমস্যা দূৰ কৰিবলৈ পদক্ষেপ গ্ৰহণ** ঃ ছাত্ৰবাস আৰু ছাত্ৰীনিবাস সমূহত পানীৰ নাটনি সঘনাই হোৱা বাবে আবাসীসকলৰ দূৰ্ভোগৰ সীমা নোহোৱা অৱস্থা হয়। ছাত্ৰাবাসৰ আবাসী হিচাবে মই এনেবোৰ সমস্যাৰ লগত ভালদৰে পৰিচিত আছিলো। সেয়ে এই সমস্যাটো সমাধানৰ উদ্দেশ্যে ছাত্ৰসভাৰ তৰফৰ পৰা গুৱাহাটী পৌৰনিগমৰ কাৰ্য্যালয়ৰ সমুখত ধৰ্ণা কাৰ্যসূচী চলাইছিলো আৰু কৰ্তৃপক্ষৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান কৰিছিলো।

**যুৱ মহোৎসৱত কটনৰ বিজয় ধ্বজা** ঃ বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত এইবাৰ আমাৰ মহাবিদ্যালয়ৰ গোটটোৱে শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

**বৃক্ষৰোপণ কাৰ্যসূচী পালন** ঃ কটন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু অসম আৰক্ষীৰ সহযোগত মহাবিদ্যালয় চৌহদত 'সেউজী ধৰণী' প্ৰকল্পৰ অধীনত এক বৃক্ষৰোপন কাৰ্যসূচী পালন কৰি জনসাধাৰণক বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলক পৰিবেশ সংৰক্ষণৰ প্ৰতি সজাগ কৰি তুলিবলৈ চেষ্টা কৰা হয়।

**নবাগত আদৰণি সভা** ঃ ২০০২ চনৰ ১৪ চেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাখনি অনুষ্ঠিত হৈ যায়। সভাখনি উদ্বোধন কৰে শিল্পী ৰমেন বৰুৱাই আৰু মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিখ্যাত কবি, গীতিকাৰ কেশৱ মহন্ত দেৱ। সাংস্কৃতিক সন্ধিয়াৰ অন্যতম আকৰ্ষণ আছিল গায়িকা তৃষ্ণা দেৱী আৰু গায়ক মিঠুন হাচান। মহাবিদ্যালয়খনৰ বিভিন্ন অসুবিধাৰ ফলত ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলে বহুতো কষ্টৰ সন্মুখীন হ'ব লগা হৈ অহাৰ পৰিপ্ৰেক্ষিতত এইবোৰৰ সমাধানৰ উদ্দেশ্যে ছাত্ৰ একতা সভাৰ তৰফৰ পৰা কেইবাটাও প্ৰচেষ্টা হাতত লোৱা হয়।

**কটনৰ গৌৰৱত অভিনৱ সংযোজন, Indoor Stadium** ঃ বহুদিন ধৰি অনাদৃত আৰু অৰ্ধনিৰ্মিত হৈ ৰোৱা কটন মহাবিদ্যালয়ৰ Indoor Stadium খনি সৰ্বাঙ্গসুন্দৰ কৰি গঢ়ি আমাৰ কাৰ্যকালতে শুভাৰম্ভ কৰা হয়। ইয়াৰ লগে লগে কটনিয়ানৰ বহু বছৰৰ স্বপ্ন একোটা বাস্তৱত পৰিণত হয়। ১৯৯৮ চনৰে পৰা অৰ্ধনিৰ্মিত অৱস্থাত থকা Indoor Stadium ৰ আমাৰ কাৰ্য্যকালতে নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ কৰি তোলা হয়।

এইবোৰৰ উপৰিও ছাত্ৰীনিবাসত পানীৰ সুবিধাৰ বাবে নতুন পাইপলাইনৰ ব্যৱস্থা কৰা, দূৰভাষৰ সংযোগ কৰা আদি কামো আমাৰ কাৰ্যকালত কৰা হয়। তদুপৰি, পটৰ বিৰুদ্ধে ধৰ্ণা দিয়া, কলেজৰ মেইন গেট নিৰ্ম্মাণৰ বাবে কৰ্তৃপক্ষক স্মাৰক পত্ৰ প্ৰদান কৰা, ছাত্ৰাবাস সমূহত দীপ-টিউবেল যোগান ধৰিবলৈ স্মাৰক পত্ৰ প্ৰদান ইত্যাদিৰে যোগেদি কটন কলেজক উন্নতিৰ উচ্চ শিখৰলৈ লৈ যোৱাৰ বাবে কটন কলেজ ছাত্ৰ একতা সভাই চিৰদিন অহোপুৰুষাৰ্থ কৰিছিল।

বৰ্তমান কটন কলেজত আবাসী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় এহেজাৰতকৈ অধিক যদিও প্ৰতিবছৰে কটনত নামভৰ্তিৰ সুযোগ পাইয়ো ছাত্ৰাৱাসত ছিট নাপায়। কটনত পঢ়াৰ ইচ্ছা সামৰিবলগা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঙুলিৰ মূৰত লেখি শেষ কৰিব নোৱাৰি। সেই সমস্যাটোৰ কিছু পৰিমাণে সমাধান হোৱাকৈ আমাৰ কাৰ্য্যকালতে বহু বছৰ ধৰি অব্যৱহৃত হৈ থকা ড০ কমলা ৰয় ছাত্ৰী নিৱাসটো মুকলি কৰা হয়। ১৯৯২ চনতে ড০ শংকৰ দয়াল শৰ্মাই নিৰ্মাণকাৰ্য্য আৰম্ভ কৰা অম্বিকাগিৰী ৰায়চৌধুৰী ছাত্ৰাৱাসৰ নিৰ্মাণকাৰ্য্য ১০০ শতাংশ সম্পূৰ্ণ কৰি তোলা হয়।

সদৌ শেষত, মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ ড০ ৰামচৰণ ঠাকুৰীয়া চাৰ, ড০ জয়মতী মেধি বাইদেউ, ড০ ৰূপজ্যোতি চৌধুৰী চাৰ, অমিয়া চৌধুৰী বাইদেউ, ড০ বন্দনা দত্ত বাইদেউ প্ৰমূখ্যে কটন পৰিয়ালৰ প্ৰতিজন সদস্যলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰি এই ক্ষুদ্ৰ প্ৰতিবেদন ইমানতে সামৰিলো।

**ৰাহুল চন্দ্ৰ দাস**

সাধাৰণ সম্পাদক, কটন কলেজ ছাত্ৰ একতা সভা

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন




প্ৰতিবেদনৰ আৰম্ভনিতে কটন পৰিয়ালৰ সদৌটি সদস্যলৈ মোৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলো।

দায়িত্বভাৰ গ্ৰহণৰ পিছত কলেজৰ আভ্যন্তৰীণ তথা বাহ্যিক সমস্যা সমূহ সমাধান কৰিবলৈ আমি চেষ্টা কৰিছিলো। তাৰোপৰি কটন কলেজৰ স্বায়ত্ব শাসন প্ৰসংগত আবাস সমন্বয়ৰক্ষী কমিটিৰ সহযোগত মুকলি বিতৰ্কৰ আয়োজন কৰিছিলো। য'ত ডঃনীতানাথ লহকৰ, ডঃ সত্যেন্দ্ৰ কুমাৰ চৌধুৰী প্ৰমূখ্যে আন আন শিক্ষা গুৰু সকলে নিজৰ মতামত ছাত্ৰ-ছাত্ৰী সকলৰ আগত দাঙি ধৰিছিল।

সকলো কথা ভবাৰ দৰে নহয়। সমস্ত পৰিকল্পনাৰ আধাও আমি বাস্তৱ কৰিব নোৱাৰিলো বুলিয়েই আমাৰ আজি বোধ হয়। তথাপি কটনিয়ান সকলৰ বৌদ্ধিক বিকাশৰ বাবে আমি কাৰ্য্যকালৰ ভিতৰতে "আগমনী উদ্ধৰ পুৱা", ইন্দ্ৰধনু, ন-সতীৰ্থ আদি আলোচনী প্ৰকাশ কৰিছিলো।

শেষত চিৰসেউজ কটন কলেজ সদায় আশা আৰু সচেতনতাৰ প্ৰতীক হৈ ৰ'ব বুলি আশা কৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধৰ্মেন্দ্ৰ বেজ
সহকাৰী সাধাৰণ সম্পাদক



# প্ৰতিবেদন



শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ মোৰ সেৱা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ আৰু সুহৃদ কটনিয়ান সতীৰ্থবৰ্গলৈ মোৰ আন্তৰিক শুভকামনা জনালোঁ। ২০০১-২০০২ বৰ্ষটোত সংগীত বিভাগৰ কাম কাজসমূহ কিদৰে চালিত হ'ল সেয়া বিচাৰৰ ভাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু সতীৰ্থ কটনিয়ান সকলৰ হাতত অৰ্পণ কৰিলো।

বিভাগটোৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত প্ৰথম কামটো আছিল 'ভাৰত বিকাশ পৰিষদ' এ মুম্বাইত সৰ্বভাৰতীয় ভিত্তিত আয়োজন কৰা 'বৃন্দ গীত' প্ৰতিযোগিতালৈ অসমৰ পৰা নিৰ্বাচিত হোৱা 'কটন মহাবিদ্যালয়'ৰ দলটি প্ৰেৰণ কৰা। দলটিয়ে প্ৰতিযোগিতাখনিত গীত-মাত পৰিবেশনৰ যোগেদি যথেষ্ট সমাদৰ লাভ কৰে।

'মহাবিদ্যালয় সপ্তাহ' সূচী নিৰ্দ্ধাৰিতমতে সমূহ গীত-মাতৰেই প্ৰতিযোগিতা সুফলমে হৈ যায়। সাংস্কৃতিক সন্ধিয়াত প্ৰতিযোগিতাসমূহত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলে গীত পৰিৱেশন কৰে।

কটন কলেজ 'নবীন' গোটৰ উদ্যোগত অনুষ্ঠিত হোৱা শ্যামাপ্ৰসাদ শৰ্মাদেৱ ৰচিত আৰু পৰিচালিত নাট 'অমৃতম্ গময়' লৈ সংগীত বিভাগেও সহায়ৰ হাত আগবঢ়ায়। অৱশ্যে সেয়া গীত-মাতৰ যোগেৰে। নাটখনি সফলতাৰে মঞ্চস্থ হৈ যায়।

এই বৰ্ষৰ এটি অন্যতম গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী আছিল শতবৰ্ষ উদ্‌যাপন কাৰ্য্যসূচীৰ অন্তিম খণ্ড। এই খণ্ডটিৰ অন্তৰ্গত এটি অনুষ্ঠান হিচাপে কটন কলেজ ছাত্ৰ একতা সভাই শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ সহযোগত ২৪ মে' ২০০২ তাৰিখে দিনৰ ভাগৰ কাৰ্য্যসূচীসমূহ সফলতাৰে ৰূপায়ণ কৰে। ৰাতিৰ ভাগত সংগীত আৰু সাংস্কৃতিক বিভাগৰ সহযোগিতাত সতীৰ্থ কটনিয়ানৰ দ্বাৰা বিভিন্ন গীত-মাত নৃত্যৰ এক সন্ধ্যা অনুষ্ঠিত হয়।

বিগত বৰ্ষটোত সংগীত বিভাগৰ তত্বাবধায়িকা আছিল মোৰ শ্ৰদ্ধা আৰু মৰমৰ শ্ৰীযুতা বন্দনা দত্তবাইদেউ। তেখেতলৈ মই হিয়াভৰা কৃতজ্ঞতা যাছিলোঁ। তদুপৰি শ্ৰীযুত তৰুণ শৰ্মা, শ্ৰীযুতা তিলোত্তমা বৰুৱা, শ্ৰীযুত সুৰেশ বৰা, শ্ৰীযুতা বিনীতা বৰুৱা, শ্ৰীযুত নৃপাংক শইকীয়া, শ্ৰীযুতা অৰুণাভা ভূএগ, শ্ৰীযুতা অমিয়া চৌধুৰী, শ্ৰীযুতা যনানী ৰয় - এইসকল শ্ৰদ্ধাৰ শিক্ষাগুৰুবৃন্দলৈ মোৰ কৃতজ্ঞতা যাচিলোঁ। তদুপৰি শ্ৰদ্ধাৰ শ্ৰীযুত জ্যোতিৰ্ময় কাকতি চাৰ, নমিতা ভট্টাচাৰ্য্য বাইদেউ আৰু শ্ৰীযুত ঋতুপৰ্ণ শৰ্মালৈ মোৰ কৃতজ্ঞতা যাচিলোঁ।

পৰাগদা (বাদ্যবাদক), জয়ন্ত, কুঞ্জ, অৰূপ নাথ, দেবাংগ পল্লৱ, ৰূপম ভূএগ, প্ৰণৱ ডেকা, ভাতৃপ্ৰতীম অনুপম, প্ৰণৱ ভূএগ, মিলন আৰু ভাস্কৰ্ডি শইকীয়ালৈ মোৰ ধন্যবাদ জনালোঁ।

সমূহ কটনিয়ান আৰু শিক্ষাগুৰুলৈ শুভকামনা আৰু শ্ৰদ্ধাৰে—

মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল ঃ

১। জ্যোতি সংগীত
১ম ঃ ভাস্বতী ডেকা
২য় ঃ ঋতুৰাণী মৌচুমী
৩য় ঃ গীতাৰ্থী মেধি

২। ৰাভা সংগীত
১ম ঃ ঋতুৰাণী মৌচুমী
২য় ঃ ভাস্বতী ডেকা
৩য় ঃ লিপিকা দাস

৩। পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত
১ম ঃ ভাস্বতী ডেকা
২য় ঃ লিপিকা দাস
৩য় ঃ ঋতুৰাণী মৌচুমী

৪। ৰবীন্দ্ৰ সংগীত
১ম ঃ ঋতুৰাণী মৌচুমী
২য় ঃ সুকন্যা ভট্টাচাৰ্য্য
৩য় ঃ জ্যোতিশিখা দত্ত

৫। জয়ন্ত / ভূপেন্দ্ৰ সংগীত
১ম ঃ ৰূপম ভূএগ

২য় : গীতাৰ্থী মেধি
৩য় : ভাস্বতী ডেকা

৬। পাশ্চাত্য সংগীত
১ম : দীপলিপ চৌধুৰী
২য় : অশোক মুছাহাৰী
৩য় : ভাস্বতী ডেকা, গীতাৰ্থী মেধি

৭। জনজাতীয় গীত
১ম : অশোক মুছাহাৰী
২য় : জ্যোতিশিখা দত্ত
৩য় : ঋতুৰাণী মৌচুমী

৮। বৰগীত
১ম : ভাস্বতী ডেকা
২য় : গীতাৰ্থী মেধি
৩য় : ৰূপম ভূঞা

৯। লোকগীত
১ম : ভাস্বতী ডেকা
২য় : ৰূপম ভূঞা
৩য় : গীতাৰ্থী মেধি, ঋতুৰাণী মৌচুমী

১০। ভজন
১ম : ৰূপম ভূঞা
২য় : জুনুমণি দত্ত
৩য় : গীতাৰ্থী মেধি

১১। গজল
১ম : ভাস্বতী ডেকা
২য় : ঋতুৰাণী মৌচুমী
৩য় : গীতাৰ্থী মেধি

১২। খেয়াল
১ম : গীতাৰ্থী মেধি
উদ্‌গণিমূলক বঁটা - জ্যোতিশিখা দত্ত

১৩। আধুনিক গীত
১ম : ৰূপম ভূঞা
২য় : জ্যোতিশিখা দত্ত
৩য় : ভাস্বতী ডেকা

১৪। সমবেত সংগীত প্ৰতিযোগিতা
১ম : ৰূপম ভূঞাৰ দল
২য় : স্বহীদ কনকলতা ছাত্ৰীনিবাসৰ দল

শ্ৰেষ্ঠ গায়িকা ঃ ভাস্বতী ডেকা
দ্বিতীয় শ্ৰেষ্ঠ গায়িকা ঃ গীতাৰ্থী মেধি

**অনন্ত চহৰীয়া**
সম্পাদক, সংগীত বিভাগ

# প্ৰতিবেদন

## সাধাৰণ খেল বিভাগ

### বিজু ফুকন



প্ৰতিবেদনৰ আৰম্ভণিতে সমূহ কটনিয়ানলৈ মোৰ আন্তৰিক মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। কটন কলেজ ছাত্ৰ একতাসভাৰ সাধাৰণ নিৰ্বাচনত (২০০১-২০০২) মোক সাধাৰণ খেল বিভাগৰ সম্পাদকৰ পদৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰা বাবে আৰু কটন কলেজত সেৱা আগবঢ়াবলৈ সুযোগ দিয়া বাবে সমূহ কটনিয়ানলৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। শাৰীৰিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ বাবে খেলৰ প্ৰাসংগিকতা আমি কেতিয়াও নুই কৰিব নোৱাৰোঁ। কিন্তু কটন কলেজ কৰ্তৃপক্ষই ইয়াক সম্পূৰ্ণৰূপে আওকাণ কৰা দেখা গৈছে। দপ্‌দপণি এতিয়া মাথো এক স্বপ্ন। কটন কলেজত পূৰ্বৰদৰে প্ৰতিভাৱান খেলুৱৈৰ অভাৱ নাই। কিন্তু শতবৰ্ষ গৰকা কটন কলেজত খেল ধেমালিৰ বাবে নিম্নতম সুবিধাখিনিৰো অভাৱ। আশ্চৰ্যজনকভাৱে আমাৰ আনকি এখন খেলপথাৰো নাই। কলেজ সপ্তাহৰ সময়ত খেল পথাৰ ভাড়া কৰিহে খেলাব লগা হয়। ষ্টেডিয়ামটো আজিও সম্পূৰ্ণ ৰূপ নাপালে। এই অভিযোগ আজিৰ নহয়। কিন্তু কৰ্তৃপক্ষৰ সদিচ্ছাৰ অভাৱত কটনিয়ানৰ বাবে এই মৌলিক প্ৰয়োজনীয়খিনিও পূৰণ নহ'ল। শেষত "লুইত পাৰৰ চিৰ যৌৱনা কটন কলেজ"ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

"২০০১-২০০২"বৰ্ষৰ কলেজ সপ্তাহত সাধাৰণ খেল বিভাগৰ অধীনত অনুষ্ঠিত খেলৰ ফলাফলসমূহ তলত উল্লেখ কৰা হ'লঃ-

**১০০ মিটাৰ দৌৰ**

**ল'ৰাৰ শাখা**
প্ৰথম- দীপক দাস
দ্বিতীয়- প্ৰাণজিৎ শৰ্মা
তৃতীয়-মিন্টু হালৈ

**ছোৱালীৰ শাখা**
প্ৰথম-মণিকুন্তলা শইকীয়া
দ্বিতীয়- শিখা শৰ্মা
তৃতীয়-উপাসনা খাউণ্ড

**২০০ মিটাৰ দৌৰ**

**ল'ৰাৰ শাখা**
প্ৰথম- সুৰজিৎ বৰুৱা
দ্বিতীয়- দীপক দাস
তৃতীয়- নিজু পেগু

**ছোৱালীৰ শাখা**
প্ৰথম- মণিকুন্তলা শইকীয়া
দ্বিতীয়- উপাসনা খাউণ্ড
তৃতীয়- পলীশ্ৰী বৰকটকী

**৪০০ মিটাৰ দৌৰ**

**ল'ৰাৰ শাখা**
প্ৰথম- গুণীণ শইকীয়া
দ্বিতীয়- বিজু পেগু
তৃতীয়- কেশৱনান্দ বুঢ়াগোহাঁই

**৮০০ মিটাৰ দৌৰ**

**ল'ৰাৰ শাখা**
প্ৰথম- মিন্টু হালৈ
দ্বিতীয়- গুণীণ শইকীয়া
তৃতীয়- অম্লান দে

**ল'ৰাৰ ওখ জাপ**
প্ৰথম- দেবৰ্ষি ব্ৰহ্ম
দ্বিতীয়- বিষ্ণু ৰাভা
তৃতীয়- গঙ্গাধৰ বৰ্মণ

**ছোৱালীৰ ওখ জাপ**
প্ৰথম- শিখা শৰ্মা
দ্বিতীয়- জেনেট মোহোঙনাও
তৃতীয়- বনানী লস্কৰ

**ল'ৰাৰ দীঘল জাপ**
প্ৰথম- বিষ্ণু ৰাভা
দ্বিতীয়- গঙ্গাধৰ ব্ৰহ্ম
তৃতীয়- সুৰজিৎ বৰুৱা

**ছোৱালীৰ দীঘল জাপ**
প্ৰথম- বনানী লস্কৰ
দ্বিতীয়- শিখা শৰ্মা
তৃতীয়- পলিশ্ৰী বৰকটকী

**জেভলিন থ্ৰ'(ল'ৰা)**
প্ৰথম-দেৱজিৎ বৰা

দ্বিতীয়- সুৰজিৎ বৰুৱা

তৃতীয়- মৃণাল দত্ত

**ছোৱালী**

প্ৰথম-দেৱযানী পেইথ্

দ্বিতীয়- বনানী লস্কৰ

তৃতীয়- নকচাং টেনিলু

**ডিচকাচ থ্ৰ'(ল'ৰা)**

প্ৰথম- বিতুপন শইকীয়া

দ্বিতীয়- গুণীন শইকীয়া

তৃতীয়- কেশৱানন্দ বুঢ়াগোঁহাই

**ছোৱালী**

প্ৰথম- দেৱযানী গোহাঁই

দ্বিতীয়- বনানী লস্কৰ

তৃতীয়- শিখা শৰ্মা

**শ্বটপুট থ্ৰ'(ল'ৰা)**

প্ৰথম- সুৰজিৎ বৰুৱা

দ্বিতীয়- বিতুপন শইকীয়া

তৃতীয়- প্ৰাণজিৎ শৰ্মা

**ছোৱালী**

প্ৰথম-বনানী লস্কৰ

দ্বিতীয়- জেনেট মোহোঙনাও

তৃতীয়-নকচাং টেনিলু

**কাবাডী**

**ল'ৰাৰ শাখা**

প্ৰথম শ্ৰেষ্ঠ দল ঃ আনন্দৰাম বৰুৱা ছাত্ৰাবাস

দ্বিতীয় শ্ৰেষ্ঠ দল ঃ কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাস

**ছোৱালীৰ শাখা**

প্ৰথম শ্ৰেষ্ঠ দল ঃ নলিনীবালা দেৱী ছাত্ৰীনিবাস

দ্বিতীয় শ্ৰেষ্ঠ দল ঃ বিজ্ঞান শাখাৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিয়লি শাখাৰ দল।

শ্ৰেষ্ঠ কাবাডী খেলুৱৈ (ল'ৰা) সুৰজিৎ বৰুৱা


শ্ৰেষ্ঠ কাবাডী খেলুৱৈ (ছোৱালী) অজানিতা চাংকাকতী

শ্ৰেষ্ঠ এথ্লীট (ল'ৰা) সুৰজিৎ বৰুৱা

শ্ৰেষ্ঠ এথ্লীট (ছোৱালী) বনানী লস্কৰ

## প্ৰতিবেদন

মনোজ দাস
সম্পাদক, লঘু ক্ৰীড়া বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে মই সমূহ কটনিয়ানলৈ আন্তৰিক শ্ৰদ্ধা জনাইছো। কটন কলেজৰ নিচিনা এখন শিক্ষানুষ্ঠানৰ এই পদটোলৈ নিৰ্বাচিত কৰাৰ বাবে মই সকলো ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ কাৰ্য্যকালত মই মোৰ সাধ্যানুসাৰে যিমান পাৰো কৰিছোঁ। শপত গ্ৰহণ কৰাৰ কেইদিন মান পিছতে মই সদৌ গুৱাহাটী আন্তঃশিক্ষানুস্থান ভলীবল প্ৰতিযোগিতাত আমাৰ দলক অংশগ্ৰহণ কৰাইছিলো। সৌভাগ্যৰ কথা তাত আমি চূড়ান্ত খেলত বিজিত হৈছিলো। তাৰ পিছৰ পৰা মই য'ত যেনেকৈ পাইছো তাতে আমাৰ কলেজৰ খেলুৱৈক খেলাৰ সুবিধা কৰি দিছো।

মোৰ কাৰ্য্যকালতে এশবছৰীয়া অভাব, (Indoor Stadium) খনৰ উদ্বোধনী কৰা হয়। এইটো সমূহ কটনিয়ানৰ বাবে এটা বিৰাট সাফল্য। কিন্তু দুখৰ বিষয়, আমি অত কষ্ট কৰিও ঐতিহ্য মণ্ডিত কটন কলেজৰ বাবে এখন খেলপথাৰৰ ব্যৱস্থা কৰিব নোৱাৰিলো। পিছলৈ এই কামটো কোনোবাই কৰিব পাৰিলে নথৈ আনন্দিত হ'ম। শেষত এই বছৰৰ "মহাবিদ্যালয় সপ্তাহ"ৰ বিভিন্ন খেল-ধেমালিৰ ফলাফল সমূহ প্ৰকাশ কৰা হ'ল—

**ভলীবল ঃ**

বিজয়ী দল ঃ কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাস

বিজিত " ঃ আনন্দৰাম বৰুৱা ছাত্ৰাবাস

শ্ৰেষ্ঠ খেলুৱৈ ঃ সৌৰজিত বৰুৱা (আনন্দৰাম বৰুৱা ছাত্ৰাবাস)

**বাস্কেটবল ঃ**

বিজয়ী ঃ শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাস

বিজিত দল ঃ কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাস

শ্ৰেষ্ঠ খেলুৱৈ ঃ মনজ্যোতি ব্ৰহ্ম (শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাস)

**বেডমিন্টন (ল'ৰা) ঃ**

**একক ঃ**

বিজয়ী ঃ কৌশিক ডেকা

বিজিত ঃ ৰূপাঞ্জল ভৌমিক

**দ্বৈত ঃ**

বিজয়ী ঃ কৌশিক ডেকাৰ দল

বিজিত ঃ ৰূপাঞ্জল ভৌমিকৰ দল

**ছোৱালীৰ শাখা ঃ**

**একক ঃ**

বিজয়ী ঃ বিবাৰী বসুমতাৰী

বিজিত ঃ মানালী সিন্হা

**দ্বৈত ঃ**

বিজয়ী ঃ বিবাৰী আৰু মানালী

বিজিত ঃ দেবী গোস্বামী আৰু অন্তৰীপা ঠাকুৰ

**মিশ্ৰিত দ্বৈত ঃ**

বিজয়ী ঃ কৌশিক ডেকা আৰু মানালী সিনহা

বিজিত ঃ ৰূপাঞ্জল ভৌমিক আৰু বিবাৰী বসুমতাৰী

**শ্ৰেষ্ঠ খেলুৱৈ ঃ**

ল'ৰা ঃ কৌশিক ডেকা

ছোৱালী ঃ বিবাৰী বসুমতাৰী

সদৌ শেষত মই সকলোলৈকে ধন্যবাদ যাচিছোঁ।

# প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে শতবৰ্ষই গৰকা কটন কলেজৰ সমূহ কটনিয়ানলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলো, লগতে হকী বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিবলৈ সুবিধাকণ দিয়াৰ বাবে সমূহ কটনিয়ানলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্য্যকালত দায়িত্ব পালন কৰাৰ মানসিকতাৰে যথাসম্ভৱ সকলো কামতে আগবাঢ়িছিলো। বিশেষকৈ মহাবিদ্যালয় সপ্তাহত হকী খেলবোৰ পতাত। এইক্ষেত্ৰত মই সদৌ অসম মহিলা হকী সংগঠনৰ সম্পাদিকা গৰাকীলৈ কৃতজ্ঞতা যাচিছো। তেখেতৰ সহায় অবিহনে হকী খেলবোৰ পতা সম্ভৱ নহ'লহেঁতেন। এইবাৰৰ হকী প্ৰতিযোগীতাত ৭ টা ল'ৰাৰ আৰু এটা ছোৱালীৰ দলে যোগদান কৰিছিল। খেল বোৰৰ পৰিচালনাত আৰু এই ক্ষেত্ৰত মোক বিশেষভাৱে অকুণ্ঠ সহায় সহযোগ আগবঢ়োৱা অনিল ৰাউত, প্ৰণৱ শৰ্মা, হান্নান আৰু লগতে সমূহ শ্বহীদ ৰজিত বৰপূজাৰী ছাত্ৰাবাসৰ আবাসীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ তত্বাৱধায়ক শিক্ষক শ্ৰীযুত কিৰণ ভূঞা চাৰৰ প্ৰেৰণা আৰু পৰামৰ্শ আন্তৰিকতাৰে শলাগিছো।

সদৌ শেষত কটন কলেজৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ সহযোগিতাৰ কথা উল্লেখ কৰি লগতে কটন কলেজৰ সৰ্বাংগীন উন্নতি কামনা কৰি এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**প্ৰণৱজ্যোতি ডেকা**
সম্পাদক, হকী বিভাগ।



ৰবিজিৎ গগৈ
সম্পাদক, ছাত্ৰ জিৰণী কোঠা

জয়জয়তে শতবৰ্ষ গৰকা চিৰযৌৱনা কটন কলেজৰ সদৌটিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ। লগতে, ২০০১-২০০২ বৰ্ষত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক ধন্যবাদ যাচিলোঁ।

এশবছৰে উত্তৰ-পূব ভাৰতত শিক্ষাৰ জয়ধ্বজা উৰুৱাই অহা কটন কলেজে আমাৰ কাৰ্য্যকালৰ আৰম্ভণিতে (৪ জানুৱাৰী, ২০০২) এটি আধুনিক সা-সুবিধাৰে পৰিপূৰ্ণ স্থায়ী ছাত্ৰ জিৰণি কোঠা লাভ কৰে। অৱশ্যে এই ক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয় আৰু মোৰ অগ্ৰজ সম্পাদক সকলকেই মই কৃতিত্ব প্ৰদানত কৃপণালি নকৰিম। কাৰণ, তেওঁলোকে আগবঢ়াই নিদিয়া হ'লে হয়তো কটন কলেজত এই জিৰণি কোঠাৰ অভাৱ আৰু বহু দিনলৈ থাকিলহেঁতেন।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত ছাত্ৰ জিৰণি কোঠাটো আনুষ্ঠানিক ভাৱে মুকলি কৰি তাত ছাত্ৰসকলৰ সুবিধাৰ বাবে আমাৰ প্ৰাক-নিৰ্বাচনী প্ৰতিশ্ৰুতিমৰ্মে এখন Table Tennis Board, চাৰিখন Chess Board আৰু লগতে Carrom Board ৰ ব্যৱস্থা কৰি দিছিলো। প্ৰথম অৱস্থাত Table Tennis Ball বো ব্যৱস্থা কৰি দিছিলো যদিও এই প্ৰক্ৰিয়া আৰ্থিক অনাটনৰ বাবে কলিতে মৰহি গ'ল। প্ৰতিশ্ৰুতি মতে আমি জিৰণি কোঠাটোৰ পৰিৱেশ সদায় সুন্দৰ কৰি ৰাখিছিলো আৰু এই ক্ষেত্ৰত ছাত্ৰসকলৰ সহায়-সহযোগিতা পাই ভাল লাগিছিল। বিশেষকৈ অধ্যয়ন কক্ষ (Reading Room) টোৰ সদ্ব্যৱহাৰ হোৱাৰ বাবে আমি নথৈ আনন্দিত হৈছিলো।

আমাৰ এবছৰীয়া কাৰ্য্যকালৰ কথা চমুৱাই ক'বলৈ হ'লে "কলেজ সপ্তাহ"ৰ কথা ক'বই লাগিব। "কলেজ সপ্তাহ"ৰ লগত সংগতি ৰাখি ছাত্ৰ সকলৰ মাজত টেবুল টেনিছ একক আৰু দ্বৈত শাখাৰ প্ৰতিযোগিতা, কেৰম খেলৰ একক আৰু দ্বৈত শাখাৰ প্ৰতিযোগিতা আৰু লগতে দবা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এই ক্ষেত্ৰত ছাত্ৰসকলৰ বিপুল উৎসাহ তথা সহায় সহযোগিতাই আমাক অনুষ্ঠানসমূহ সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত দুগুণে উৎসাহিত কৰিছিল। লগতে আমাৰ বিভাগীয় অধ্যাপক শ্ৰীজগদীশ পাটগিৰি ছাৰৰ সহযোগিতা আৰু আশীৰ্বাদে প্ৰতিযোগিতাসমূহ সফলভাৱে চলাই নিয়াৰ ক্ষেত্ৰত প্ৰেৰণা যোগাইছিল। মোৰ কাৰ্য্যকালৰ প্ৰতিটো মুহূৰ্ত্তে শ্বহীদ মোজাম্মিল হ'ক ছাত্ৰাৱাসৰ অধীক্ষক মহোদয় আৰু প্ৰতিজন আবাসীয়ে অকল্পনীয় সহায় সহযোগিতা আগবঢ়োৱাৰ কথা স্বীকাৰ নকৰিলে মোক পাপে চুব।

মোৰ এবছৰীয়া প্ৰতিনিধিত্বত কটনিয়ানসকলৰ আশা আকাঙ্খা মই কিমান সফলতাৰে প্ৰতিফলিত কৰিব পাৰিছোঁ সেয়া কটনিয়ানসকলৰেই বিচাৰ্য্য।

সদৌ শেষত কটন কলেজ সঁচা অৰ্থত উৎকৰ্ষতাৰ কেন্দ্ৰ হওক আৰু লুইতৰ পাৰত ই চিৰযৌৱনা হয়েই ৰওঁক তাৰে কামনাৰে।

## *Secretarial Report*

Jutimala Das
Secy. Ladies' Common Room

I take immense pride and pleasure in pulling forward my secretarial report for the year 2001-2002.



During my tenure as Secretary, a long standing demand of the female students was fulfilled when the permanent Ladies' Common Room situated at the ground floor of the Students Day Home was inaugurated.

During the College week organised in Jan, 2001, the Ladies' Common Room section was able to successfully organise competitions such as flower arrangement, salad dressing and indoor games like carrom and chess and the most attractive "The brides of India" contest among the enthusiastic female students of Cotton College which generated a tremendous and overwhelming response. For the convinence of the students the Ladies Common Room has been furnished with curtains, dustbins etc.

Finally, I would like to thank all the staff of Cotton College, the members of the Cotton College Union Society and above all the students who extended their generous guidance and co-operation. I would specially like to thank my Professior-in-charge for her endless help and guidance thereby making my tenure as the secretary, Ladies' Common Room, a memorable one.

## Secretarial Report



Richard Jyoti Taye
Secy. Football Section

At the very outset I would like to express my heartful thanks to all the Cottonians for having elected me as the Secretary in the football section for the session 2001-2002. It was a great privilege for me to be a member of the Union Society of the premier institution, Cotton College.

In my tenure we had the Annual College Week Competition in the Nehru Stadium for the advantage of the player's. There was no major contribution from my side due to lack of finance. But I tried everyway to develop their talent by organising football match.

Lastly, I would like to thank my friends for their kind co-operation.

Results of the College Week

1. Winner — A.R.B. Hostel
2. Runners-up -- M.N.D.P. Hostel
3. Best Player—Totar Maling
4. Best Goalkeeper-Saurajit Baruah
5. Promising Player -Amitabh Basumatary

## প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে মই সমূহ কটনিয়ানলৈ হাৰ্দিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। লগতে ২০০১-২০০২ শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ সাঁতোৰ, নৌকাচালন আৰু শৰীৰচৰ্চা বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰা বাবে সমূহ কটনিয়ানলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ক্ৰীড়াজগতত এষাৰ কথা আছে 'Body building is the basis of all sports'. শৰীৰচৰ্চা কৰা মানে কেৱল শৰীৰৰ মাংসপেশী মঞ্চত প্ৰদৰ্শন কৰাই নহয়। শৰীৰটো মজবুত আৰু স্বাস্থ্যৱান কৰি ৰাখিবলৈ শৰীৰচৰ্চা কৰাটো জৰুৰী। আৰু আজিৰ আধুনিক পৃথিৱীত এটা সুস্থ সবল শৰীৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰয়োজনীয়। আধুনিক পৃথিৱীৰ এই সত্য উপলব্ধি কৰিয়েই আমি নিৰ্বাচনৰ পূৰ্বৰেপৰা কটন কলেজত এটা পূৰ্ণাংগ ব্যায়ামাগাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে কৰ্তৃপক্ষ তথা অন্য ক্ৰীড়া সংগঠন তথা ব্যক্তিক অৱগত কৰিছিলোঁ। এসময়ত কটন কলেজত গুৱাহাটীৰ ভিতৰতে উন্নত ব্যায়ামাগাৰ আছিল যাৰ ন্যূনতম অস্তিত্বও বৰ্ত্তমান নাই। কটন কলেজৰ এই বহুদিনীয়া অভাৱ পূৰণ কৰিবলৈ আমি ব্যক্তিগতভাৱে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ (SAI) ৰ লগত যোগাযোগ কৰিছিলো যদিও তেওঁলোকে অপাৰগতা প্ৰকাশ কৰিছিল। এটা ব্যায়ামাগাৰ স্থাপন কৰাৰ প্ৰবল ইচ্ছা আছিল যদিও পুঁজিৰ অভাৱত সেয়া হৈ উঠা নাছিল। কিন্তু এই প্ৰতিবেদন লিখা সময়ত প্ৰস্তাৱিত ইনড'ৰ ষ্টেডিয়ামত এক ব্যায়ামাগাৰ স্থাপনৰ বাবে পূৰ্ণ প্ৰস্তুতি আৰম্ভ হৈছে। এইক্ষেত্ৰত মই মোৰ অনুজ উদ্যমী অনিল ৰাউতলৈ ধন্যবাদ জ্ঞাপন কৰিছো। এই প্ৰস্তুতি সুকলমে আগবাঢ়িলে কটন কলেজৰ এক বহুদিনীয়া অভাৱ পূৰণ হ'ব।

মহাবিদ্যালয় সপ্তাহৰ সময়ছোৱাত মোৰ বিভাগৰ খেল সমূহ যথেষ্ট সুকলমে আৰু কটনিয়ান সকলৰ সক্ৰিয় সহযোগিতাৰে অনুষ্ঠিত হৈছিল। সাঁতোৰ প্ৰতিযোগিতাত এইবাৰ

অইনবাৰতকৈ বহু কটনিয়াৰ অংশগ্ৰহণ আছিল এক উল্লেখযোগ্য ঘটনা। অৱশ্যে ছাত্ৰী প্ৰতিযোগীৰ অভাৱে আমাক নিৰাশো কৰিছিল। শক্তি উত্তোলন প্ৰতিযোগিতাত কটনিয়ানসকলৰ অংশগ্ৰহণ প্ৰশংসনীয় আছিল। এক দুঃখজনক ঘটনাৰ বাবে 'আয়োজনৰ স্থানৰ ক্ষেত্ৰত কিছু অসুবিধাই দেখা দিছিল যদিও পাঞ্জা প্ৰতিযোগিতাতো কটনিয়ানৰ অংশ গ্ৰহণ উল্লেখযোগ্য আছিল। সন্মানীয় মিঃ কটন প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা অইনবাৰৰ দৰেই কম আছিল, কিন্তু প্ৰতিযোগী সকলৰ কাৰিকৰী দিশত নিৰ্ভুল প্ৰদৰ্শনে দৰ্শকসকলক এক উচ্চস্তৰৰ প্ৰতিযোগিতা দৰ্শনৰ সুযোগ দিছিল। তদুপৰি, প্ৰতিযোগিতাৰ সু-বিচাৰৰ বাবে নিমন্ত্ৰণ কৰি অনা জিলা পৰ্য্যায়ৰ বিচাৰক সকলেও এই প্ৰতিযোগিতাৰ উচ্চ প্ৰশংসা কৰিছিল। মোৰ অধীনত নৌকাচালনা প্ৰতিযোগিতাও আছিল, কিন্তু পুঁজিৰ অভাৱ আৰু কাৰিকৰী কাৰণবশতঃ অইনবছৰৰ দৰেই, এইবাৰো প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নগ'ল।

শেষত, মোৰ কাৰ্য্যকালত মোৰ অধীনত প্ৰতিযোগিতা সমূহৰ ক্ৰীড়াসুলভ মানসিকতাৰে অংশগ্ৰহণ কৰা প্ৰত্যেকজন কটনিয়ান বিশেষকৈ নৱাগত সকললৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোৰ বিভিন্ন কাৰ্য্যসূচীত পদে পদে সহায় কৰা বিভূতিদা, ৰাহুল দা, ধৰ্মেন্দ্ৰ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াসকল, অগ্ৰজ মানসদা, মৃনালদা, গৌতমদা, প্ৰাণজিত দা, বন্ধু অংশুমান, শচীন, প্ৰকাশ, অনুজ, অনিল, অভিজিত, মনোজ আৰু সকলো কটনিয়ানলৈ কৃতজ্ঞতা যাচিছো। মোক সুচিন্তিত দিহাপৰামৰ্শৰে পথ নিৰ্দেশনা কৰা শ্ৰদ্ধাৰ নাৰায়ণ তালুকদাৰ ছাৰ আৰু মোৰ গুৰু আব্দুল ৰেকিব ছাৰলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

বিভিন্ন প্ৰতিযোগিতাত শ্ৰেষ্ঠ ঘোষিত প্ৰতিযোগীৰ নাম

১। শ্ৰেষ্ঠ সাতোঁৰ বিদ ঃ
লক্ষ্মী নাথ ৰাভা।

২। বিশেষ প্ৰদৰ্শনকাৰী (Special performer) ঃ
অজানিতা চাংকাকতী।

৩। মিঃ ষ্ট্ৰং মেন ঃ
চেমুৱেল।

৪। চেম্পিয়ন অৱ দ্য চেম্পিয়নচ (পাঞ্জা) ঃ
মৃণাল দত্ত।

৫। মিঃ কটন ২০০২ ঃ
ডেভিদ মমিন।

**সিদ্ধাৰ্থ শঙ্কৰ ডেকা**
সম্পাদক, সাতোঁৰ, নৌকাচালন আৰু
শৰীৰচৰ্চা বিভাগ



# সম্পাদনা সমিতি



বাঁওফালৰ পৰা বহি ঃ- ৰাহুল দাস (সাধাৰণ সম্পাদক), আফছানা বেগম বৰভূঞা (শিক্ষক সদস্যা), দিলীপ শৰ্ম্মা (তত্বাৱধায়ক), ড° ৰামচৰণ ঠাকুৰীয়া (সভাপতি), ড° জয়ন্তী মেধি (উপ-সভানেত্ৰী), লুটফা হানুম চেলিমা বেগম (শিক্ষক সদস্য), সুৰেশ কুমাৰ নাথ (শিক্ষক সদস্য)।
বাওঁফালৰ পৰা ঠিয় হৈ ঃ- দেৱপ্ৰতীম হাজৰিকা, ৰত্নোত্তমা দাস, প্ৰশান্ত কুমাৰ বৰুৱা(ছাত্ৰ সদস্য), হিমাংশু প্ৰসাদ দাস (সম্পাদক), দিব্যজ্যোতি বৰা (ছাত্ৰ সদস্য), ধৰিত্ৰী বড়ো (বেটুপাতৰ শিল্পী), দিগন্ত শইকীয়া (ছাত্ৰ সদস্য)

# কৃতিত্ব

'কেৱল নম্বৰৰ হিচাপেৰে নহয়, জীৱনৰ ঐশ্বৰ্য্যৰেও তোমালোক চহকী হোৱা-'

(২০০২ বৰ্ষত ঘোষিত উঃমাঃ চূড়ান্ত বৰ্ষৰ বিজ্ঞান শাখাৰ স্থান লাভ কৰা সকলৰ মাজৰ পৰা)



Amit Kr. Saha
2nd position



Santanu Goswami
7th position



Hrishikesh Kashyap
7th position



Bijit Kalita
8th position



Saurav Mahanta
10th position



Deepanjan Deb
10th position

(সময়মতে তথ্য আৰু ফটো নোপোৱাৰ বাবে সকলো স্থানপ্ৰাপ্ত কটনিয়ানৰ বিষয়ে উল্লেখ কৰিব পৰা নগ'ল।)

# মহাবিদ্যালয় সপ্তাহ আৰু অন্যান্য

"May I help you"



**নাছিৰউদ্দিন আহমেদ**
"শ্ৰেষ্ঠ সমাজ সেৱাৰ বঁটা"



**প্ৰণৱ শৰ্মা**
শ্ৰেষ্ঠ সমাজ সেৱাৰ বঁটা

"এইবাৰ কাৰ চাল?"



**জয়শ্ৰী চৌধাৰী**
দবা চেম্পিয়ন

কণ্ঠত ধ্বনিত হ'ব জীৱনৰ স্পন্দন



**ইন্দ্ৰজিৎ দাস**
কৃষ্ণকান্ত সন্দিকৈ সোঁৱৰণী উঃপূঃ
ভিত্তিত আয়োজিত আবৃত্তি
প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ অৰ্জন



**জ্যোতি শিখা দত্ত**
"নৰ্থ-ইষ্ট টেলেন্ট শ্ব' মিউজিক
ষ্টাৰ" নামৰ নৃত্য-গীতৰ
প্ৰতিযোগিতামূলক
ধাৰাবাহিকখনত সংগীত
শাখাত প্ৰথম স্থান দখল।

"তুলিকাৰে বোলাইযাম অনন্ত
নক্ষত্ৰৰ অবুজ সলিল ৰাশি"



ধৰিত্ৰী বড়ো
শ্ৰেষ্ঠ কলা প্ৰতিযোগী



হৃদয়ানন্দ দাস
শ্ৰেষ্ঠ অভিনেতা

"কিছু সময়ৰ বাবে হ'লেও মুখত কাঢ়িয়াওঁ অন্য এখন মুখ"



বৰ্ণালী শৰ্মা
শ্ৰেষ্ঠা অভিনেত্ৰী



তীব্ৰজ্যোতি বৈৰাগী
আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ গু.বি.২০০২
বৰ্ষৰ শ্ৰেষ্ঠ সহ-অভিনেতা

"যুক্তি! বাহ কি সুন্দৰ কলা"




সংযুক্তা দত্ত
শ্ৰেষ্ঠা তাৰ্কিক


"তীখা যদি দেখা নাই
মোৰ হাত চুই চোৱা"



মৃণাল দত্ত
শ্ৰেষ্ঠ পাঞ্জা খেলুৱৈ

# Art Gallery




Supriya

Chandana


Collected

Tibra



অনুৰাধা শৰ্মা পূজাৰীয়ে ৭৬ তম্ সংখ্যা 'কটনিয়ান' উন্মোচন কৰা মুহুৰ্ত্তৰ ছবি।
৫ অক্টোবৰ, ২০০২

# এনেকৈ নহয়তো



বৰ সহজ হৈ গৈছে কথাবোৰ
আপোচ আৰু আত্ম-প্ৰবঞ্চনাৰ সময়
শেষ হৈ গৈছে আৰ... ধ

ইমানৰ পিছতো
প্ৰতিষ্ঠাৰ নিগনি দৌৰত
সকলোৰেতো নিজকে বিক্ৰী কৰিব নোৱাৰে

তথাপিতো বন্ধু
যুঁজিবতো লাগিবই
যুঁজাৰু মানুহ আমি

অংকন : নিৰঞ্জন শইকীয়া